# পেমাদো

('পো-ৰাংঝেন্'ৰ ২য় খণ্ড)

বিৰজানন্দ চৌধুৰী

প্ৰকাশক
হিমাদ্ৰি প্ৰকাশন
মাৰ্ঘেৰিটা

পৰিবেশক
জানকী প্ৰকাশন
পাণ্ডুবজাৰ, গুৱাহাটী-১

**P**EMADO A Socio- Political novel written by Sri Birajananda Choudhury and Published by Smt Molina Choudhury on behalf of Himadri Prakashan, Margherita.
Price Rupees Seventy Five Only
First Edition- September 1996

---

প্ৰকাশিকা : শ্ৰীমতী মলিনা চৌধুৰী
হিমাদ্ৰি প্ৰকাশন
মাৰ্ঘেৰিটা

পৰিবেশনাত : জানকী প্ৰকাশন
গুৱাহাটী-১

বেটুপাত : চন্দন চুতীয়া

মূল্য : ৭৫.০০ টকা

[illegible]
[illegible]
২১, [illegible]
[illegible] - ৯

# পাতনি

পেমা তাইৰ প্ৰকৃত নাম নাছিল। এইটো কলমৰ হে নাম। উপন্যাসখনত উল্লেখ কৰা বাকীসকলো কথা কিন্তু সচা আছিল। পেমাৰ শৈশৱ কালৰ মোহনীয়তা আৰু পৰবৰ্ত্তী উদ্বাস্তু জীৱনৰ কঠোৰতা খিনিও মিছা নহয়। সুদীৰ্ঘ ত্ৰিচটা বছৰ পাৰহৈ যোৱাৰ পিচতো তিব্বত সীমান্তত লগ পোৱা পেমাৰ মলিন মুখ খন আজিলৈকে মোৰ মনত স্পষ্ট হৈ থাকি গৈছে।

পেমা নামৰ এই তিব্বতীয় গাভৰুজনী যে অকল ৰূপৱতীয়েই আছিল এনে নহয়। সীমান্তৰ জনজাতীয় যুৱকৰ বাবে তাই যেন আছিল এপাহি "ৰোডোদেন্দ্ৰন" ফুল—এটি জীৱন্ত প্ৰহেলীকা।

তাইক কেন্দ্ৰ কৰি সংঘটিত নৃশংস হত্যা কাণ্ডও মিছা নাছিল। এই হত্যাকাণ্ডৰ নায়ক তাদিকে গণতান্ত্ৰিক দেশখনত সুবিচাৰ নাপাব বুলি ভাবিয়েই সীমান্ত পাৰ হৈ গুছি গৈছিল। 'হান' অধিকৃত সাম্যবাদী তিব্বত দেশত গৈ পেমাৰ সৈতে সুখৰসংসাৰ এখন পাতি লোৱাৰো কল্পনা কৰিছিল তাদিকে। এই সকলো কথাই সচা আছিল।

কিন্তু, তিব্বত দেশত গৈ বাস্তৱৰ অভিজ্ঞতাই এদিন তাদিকৰ মনতো আউল লগাইছিল। মানুহৰ দৰে জীয়াই থকাৰ হাবিয়াস লাহে লাহে তাৰ মনলৈকো উভতি আহিছিল। এৰি থৈ যোৱা গণতান্ত্ৰিক দেশখনলৈ পুণৰ উভতি আহিলে বিচাৰ মঞ্চত ঠিয় দিব লাগিব বুলি জানিও সি আত্মসমৰ্পণৰ সিদ্ধান্তত অটল হৈ পৰিছিল । বিচাৰত তাৰ মৃত্যু দণ্ড হব পাৰে বুলি জানিও তাদিকে স্বদেশৰ মাটিতে মৰিবলৈ ইচ্ছা কৰিলে ।

"মই বিচাৰত ঠিয হম বুলিযেই উভতি আহিছো। অপৰাধীৰ অপযশ মুৰত লৈ মই সমাজত থাকিবলৈ ভাল নাপাম । আপোনালোকেও মোলৈ কেৰাহিঁকৈ চাব।দেশৰ আইনত মোৰ সম্পূৰ্ণ বিশ্বাস আছে । মই সমাজৰ নিযম ৰক্ষা কৰিবলৈহে মানুহ কাটিছিলো বাৰো ধন সম্পত্তি কাটি খাম বুলি ভবা নাছিলো"।

এদিন হিমালয়ৰ বৰফাবৃত সীমাৰেখা পাৰ কৰি সি নিজৰ দেশলৈ উভতি আহিল। সমিৰ বৰা মাষ্টৰৰ সকিযনী স্বত্তেও তাদিকে ভাৰতীয প্ৰশাসনৰ ওচৰত আত্মসমৰ্পন কৰিলে । সাম্যবাদী শাসন ব্যৱস্থাৰ কঠোৰ প্ৰযোগ নীতি আৰু গণতান্ত্ৰিক অধিকাৰৰ উদাৰতাই সৃষ্টি কৰা খেলিমেলিকেই আধাৰ ৰূপে লৈ এই উপন্যাসখন ৰচনা কৰা হৈছে। কোনো ৰাজনৈতিক আদৰ্শক হেয প্ৰতিপন্ন কৰাটো লক্ষ্য নহয। উপন্যাসখনৰ চৰিত্ৰ সমূহ সহাযক উপাদান মাত্ৰ। সাম্যবাদ আৰু গণতন্ত্ৰৰ এই দ্বন্দৰ মাজত থিয় দি তাদিকে নিজৰ সিদ্ধান্ত নিজেই লৈছিল। সি ভুল কৰিছিল নে ভাল কৰিছিল সেই মিমাংসা আজিৰ সমাজেই ল'ব লাগিব। কাৰণ, তাদিকৰ নিচিনা সহজ সৰল জনজাতি যুৱক এজনক হত্যাকাৰীলৈ ৰূপান্তৰিত কৰাত ৰাষ্ট্ৰ নীতিযেই মূলতং দ্বাযী আছিল।

সমাজ থাকে মানে অপৰাধো থাকিব। জন্মাতে অপৰাধী হৈ কোনেও এই পৃথিৱীলৈ নাহে। সমাজ ব্যৱস্থাই হে কিছুমান মানুহক অপৰাধী কৰি তোলে সেই কথাও সমাজে পাহৰি থাকিব নোৱাৰে।

বিৰজানন্দ চৌধুৰী

# উচ্ছৰ্গা

অপৰাধীক শাস্তি বিহাটোৱেই গণতান্ত্রিক ৰাষ্ট্ৰৰ এক মাত্র লক্ষ্য হ'ব নোৱাৰে। অপৰাধ কৰাৰ মানসিকতাক ৰোধ কৰিব পৰাটোৱেই ৰাষ্ট্ৰৰ দায়িত্ব হোৱা উচিত।

ৰাষ্ট্ৰীয নীতিৰ এই দুৰ্বলতাৰ বাবে তাদিকৰ নিচিনা যি সকল দেশপ্ৰেমীক যুৱক আজিও কাৰাগাৰৰ অন্ধকাৰ কুঠৰিত মুক্তিৰ অপেক্ষাত আবদ্ধ হৈ আছে-তেওঁলোকৰ প্ৰতি সমবেদনাৰ অৰ্ঘ ৰূপে এই কিতাপ উচ্ছৰ্গা কৰিলো।

লিখক

লাক্‌চিং ২০ চেপ্তেম্বৰ, ১৯৬৪

"আজি আগবেলা এবাৰ বজাত air dropping হ'ল। চাউল,দাইল, নিমখ আৰু ডালডা drop কৰিছে। এটা পেৰাচুট খোল নোখোৱাত দুটিন ডালডা damage হ'ল। এটা পেৰাচুটেৰে এলুমিনিয়াম চিট পেলাইছে হাইডেল প্ৰজেক্টৰ ইঞ্জিন ঘৰটোৰ বাবে। মানুহখিনিৰ মুখত এতিয়াহে হাঁহি ওলাইছে। আজি দুমাহ নিমখ নাছিল মোৰ সাঁচতিয়া নিমখৰে পৰা এমুঠি দিব লগা হ'ল সিহঁতক। 'সিহতৰ' পুতৌলগা অবস্থা দেখি সহায় কৰিবৰ মন যায়, আনে কিবা ভাবে বুলিহে আঁতৰি থাকোঁ। তাদিক আজি ওভতাৰ দিন। পৰছিয়েই গৈছে। এমাহ ডাক বন্ধ হৈ আছিল। বৰষুণৰ পানীয়ে দলং এখন হেনো উটুৱাই নিছে। এতিয়া ডাক আহিছে। চুটিৰ অনুমোদন আহিলে পূজাৰ বন্ধত নামি যাম। ছমাহত মাত্ৰ দুখন চিঠিহে পাইছোঁ ঘৰৰ পৰা। লাহে লাহে ঠাণ্ডা পৰি আহিছে। পৰ্বতৰ ওখ টিংবিলাকত বৰফ জমা হব ধৰিলেই। কেতিয়াবা বৰ অকলশৰীয়া লাগে। তাদিকটো নথকা হ'লে কিযে হ'লহেঁতেন ভাবিবই নোৱাৰোঁ"।

এইয়া সমীৰ বৰাই লিখা ডায়েৰীৰ এখিলা পাত। নিয়মিত নহয়। মন গলেই লিখে। কেতিয়াবা আনন্দত লিখে। কেতিয়াবা অকলশৰীয়া পৰিবেশত নিৰাশাক আঁতৰাই ৰাখিবলৈহে যেন লিখে।

সমীৰ বৰা মাষ্টৰ। ঘৰ ধেমাজিৰ ঘিলামৰাত। বয়স আঠাইছ মান হব। চাকৰি পাঁচ বছৰ হৈছে মাত্ৰ। পি,ইউ,পাচ কৰিয়েই চাকৰিত সোমাব লগা হ'ল, ঘৰ নচলে কাৰণে। ঘৰৰ সিয়েই ডাঙৰ। ঘৰত দুজন ভায়েক আৰু ভনী এজনী। বাপেক খেতিয়ক। দুপুৰা পথাৰৰ মাটিয়েই ঘৰখনৰ সম্পদ। মাক নাই। বাপেকে আৰু এজনী চপাই নললে। ভাইকিটাক পঢ়াবলৈ ভনীজনীক বিয়া দিবলৈকে চাকৰিত সোমাবলগীয়া হ'ল। প্ৰথমে সদৰত আহি চাকৰিত যোগ দিছিল। দুবছৰ হ'ল লাকচিঙলৈ বদলি হৈ অহা। সদৰৰ পৰা লাকচিঙৰ দূৰত্ব বাৰ দিনৰ পথ। একেবাৰে তিব্বত সীমান্তত।

লাকচিং ঠাইখন সৰু যদিও গুৰুত্বপূৰ্ণ। তিব্বতলৈ পাৰ হৈ যাব পৰা গিৰিপথটো লাকচিঙৰ পৰাই বিলিকি বিলিকি চকুত পৰে। পাঁচ কিঃ মিঃ মান দূৰ হ'ব। আগতে এই গিৰিপথেৰেই দুয়োপাৰৰ মানুহে অবাধে অহা-যোৱা কৰিছিল। লাকচিং অঞ্চলত পাঁচখন

গাঁও আছে। মানুহখিনি "না" উপজাতিৰ। বৃহৎ তিব্বতীয় জনগোষ্ঠীৰে এটা অংশ। বৌদ্ধধৰ্মৰে অনুগামী যদিও ধৰ্মীয় গোৰামী সিমান কটকটীয়া নহয়। সৰু গোম্পা এটি লাক্চিঙত আছে যদিও গোম্পাত কোনো নাথাকে। লামাও নাই। গাঁৱৰে বুঢ়া মানুহসকলেই গোম্পাটো চোৱা-চিতা কৰে। পূজা-পাঠো বুঢ়াকিজনেই চলাই দিয়ে। সৰু-সুৰা বেমাৰ-আজাৰত বিধি-বিধানো তেওঁলোকেই দিয়ে। ডাঙৰ পূজা বা বেমাৰ-আজাৰৰ বাবে গিৰিপথৰ সিপাৰে থকা পূজাৰী মানুহকে মাতি আনিব লাগিছিল। সিপাৰৰ দহখন মান গাঁৱতো "না" মানুহেই আছিল। বিয়া-বাৰুও সিহঁতৰ চলিছিল। কিনা-বেচাও হৈছিল নিজৰ মাজতে। এতিয়া সেই সকলো অতীত হ'ল। বাষষ্ঠী চনৰ সীমান্ত যুদ্ধই সকলো ওলট-পালট কৰি থৈ গৈছে।

লাক্চিং আৰু সীমান্ত গিৰিপথৰ মাজত আছে সমতল অঞ্চল এটা। সোৱণশিৰি নৈৰে এইটো এটা উপত্যকা। সোৱণশিৰিখন তিব্বতৰপৰাই ওলাই আহিছে। লাক্চিঙৰ তলেৰে বৈ গৈ সুদূৰ ব্ৰহ্মপুত্ৰত পৰিছে। এই উপত্যকাৰ সমতলভূমিকে কেন্দ্ৰ কৰি গঢ়ি উঠিছে লাক্চিং অঞ্চলৰ পাঁচখন গাঁও। লাকচিঙেই ডাঙৰ গাঁও। পঁচিছটা ঘৰ। বাকীবিলাক গাঁৱত পোন্ধৰতাতকৈ বেছি ঘৰ নাই। জনসংখ্যাও পাতল। জনসংখ্যাৰ বৃদ্ধিৰ হাৰো আন উপজাতিৰ তুলনাত কম। ধৰ্মীয় অনুশাসনৰ প্ৰভাৱতেই জনসংখ্যা বৃদ্ধিত বাধা পৰিছে। মানুহখিনি স্বাস্থ্যবান। খাদ্যৰ নাটনি তেনেকৈ নাই। আলুৱেই প্ৰধান খাদ্য। আঠহাজাৰ ফুট উচ্চতাত অৱস্থিত কাৰণে গৰমৰ মাহ চাৰিটাত গোমধান আৰু আলুৰ খেতিকে মানুহে অধিক কৰে। আলুৰ সঁচো তিব্বতৰ পৰা অনা। এই আলু গৰমদিনতহে হয়। জাৰকালি একো নহয়। গাঁৱতে বৰফ পৰে। মানুহবিলাকে জুই জ্বলাই ঘৰৰ ভিতৰতে থাকে। ফটিকা নিয়মিত খায়। নহলেই নচলে। চাৰিওপিনৰ পৰ্বতত অজস্ৰ বনৰীয়া ভেৰা আৰু পহু পায়। ওখ ওখ শিলনিত জোঙা শিঙৰ বনৰীয়া ছাগলীও চৰে পালে পালে। এই বনৰীয়া ছাগলীৰ চাল-চলনো বিস্ময়কৰ। থিয় শিলনিৰ খাপে খাপে সিহঁতে হেলাৰঙেৰে দৌৰি উঠি যাব পাৰে বহু ওপৰলৈ। এখোজ পিচলিলেই সৰি পৰিব পাৰে শ শ ফুট তলেৰে বৈ যোৱা সোৱণশিৰি নৈৰ কোবাল পানীত। সৰি কিন্তু নপৰে কেতিয়াও। গাঁৱৰ মানুহৰ খাজি মৰা বন্দুক আছে। ডেকা ল'ৰাবিলাকে তাৰেই চিকাৰ কৰি আনে ভেৰা বা ছাগলী। মাংস আৰু ফটিকাৰ লগতে জুইত পোৰা আলু সেয়ে আছিল এটা সময়ৰ প্ৰধান খাদ্য। এতিয়া চৰকাৰ আহিছে। লাক্চিঙত

প্ৰশাসনীয় কেন্দ্ৰ পাতিছে। লগতে আনিছে ভৈয়ামৰ খাদ্য। চাউল, চেনী, আটা, ডালডাৰ কোনো অভাৱ নাই। এৰোপ্লেনেৰে খাদ্য বস্তু পেলাই থৈ যায। বস্তু পেলাবলৈ ঠাইও নিৰ্দ্ধাৰণ কৰি থোৱা আছে গাঁৱৰ পৰা নিৰাপদ দূৰত্বত। বস্তুবিলাক কেতিয়াবা সঠিক ঠাইত নপৰি নিৰ্দিষ্ট ঠাইৰপৰা দূৰত পৰেগৈ। সেযা পাইলটৰো ভুল হ'ব পাৰে বা বস্তুবিলাক তললৈ ঠেলি দিয়া মানুহৰো ভুল হ'ব পাৰে। তেল, ডালডা বা কেৰাচিন তেল পেলোৱা পেৰাচুটবিলাক কেতিযাবা খোল নাখায়। খোল নাখালে টিনবিলাক ফাটি নষ্ট হয। কেতিযাবা পেৰাচুটবিলাক বতাহে উৰুৱাই নি হাবিতলীত পেলায়। ওখ গছতো লাগি ওলমি থাকে। উৰাজাহাজ গুচি গ'লে গাঁৱৰ মানুহে বস্তু পৰা ঠাইলৈ ভিৰাই লৰ মাৰে। গছত উঠি লাগি ধৰা পেৰাচুটো নমাই আনে। উৰাজাহাজ আহিবৰ দিনা গাঁৱত সৰুসুৰা উৎসৱ আনন্দ আৰু উত্তেজনাৰ লহৰ বৈ যায়। হাতৰ কাম-কাজো এৰি থৈ মানুহে বস্তু পেলোৱা চাবলৈ আহে। খেতি পথাৰৰ মানুহেও কোৰ এৰি দৌৰিব ধৰে। উৰাজাহাজৰ শব্দ শুনিলেও ছাত্ৰ-ছাত্ৰীয়ে পঢ়াশালি এৰি দৌৰ মাৰে। কিতাপ-ফলি স্কুলতে পেলায থৈ আহে। মাষ্টৰে উপায় নাপাই ছুটিৰ ঘন্টা বজাই দি নিজেও আহে সেই উৎসৱত যোগ দিবলৈ।

এতিয়া গাঁৱৰ মানুহে চৰকাৰী গুদামৰ পৰা খাদ্যবস্তু কিনি খাব পাৰে। সীমান্ত অঞ্চল বুলি চৰকাৰী সা-সুবিধাও দিছে পাৰ্য্যমানে। উন্নতজাতৰ বীজ দিছে বিধে বিধে। তাকো বিনামূলীয়াকৈ। খেতি বাবু এজনো নিযোগ কৰি থৈছে জনসাধাৰণক উন্নত কৃষিৰ জ্ঞান দিবলৈ। সীমান্ত যুদ্ধৰ আগলৈকে লাকৃচিং আৰু গিৰিপথৰ মাজত থকা সৰু উপত্যকাটোৱেই আছিল মূল খেতিৰ পথাৰ। মানুহে টঙীঘৰ সাজি ৰাতিও সেই পথাৰত শুইছিল। এতিয়া শুব নোৱাৰে। চৰকাৰী আদেশত গধূলিৰ আগতে গাঁৱলৈ উভতি আহিব লাগে। সন্ধিয়াৰ পিচত এই উপত্যকাটো নিৰ্জন হৈ পৰে। ভাৰতীয় আৰু চীনৰ সীমান্ত ৰখীয়া তহলদাৰী ফৌজ ঘূৰি ফুৰে সীমান্তৰ ইপাৰে সিপাৰে। অনুপ্ৰৱেশকাৰী পালে ধৰি নিয়ে। পলাব খুজিলে গুলিয়াই নিহত কৰে। এনে হত্যাৰ বিৰুদ্ধে কোনো প্ৰতিবাদ নচলে। বহিঃ পৃথিবীৰ কোনেও গম নাপায় এনে ঘটনাবোৰ। গম পাবলৈ দিয়াও নহয়। দুয়োপক্ষৰ চৰকাৰো নিমাতে থাকে।

দিনৰ পোহৰত দুয়োপক্ষই তলকা মাৰি থাকে। উচ্চক্ষমতাৰ আধুনিক দূৰবীণ হাতত লৈ দুয়োপক্ষৰ সচেতন প্ৰহৰীয়ে সীমান্তৰ ওপৰত চোকা দৃষ্টি ৰাখি থাকে। নিৰীক্ষণ

চকীৰ "বাঙ্কাৰ"ত বহি সন্থম হৈ থাকে দুয়োপক্ষৰ প্ৰহৰী। মেচিনগানৰ নলীবিলাক সীমান্তৰ দিশত টোবাই থোৱা হয়।

লাক্‌চিঙত ভাৰত চৰকাৰৰ সীমান্তবাহিনীৰ শিবিৰ এটা আছে। এটা প্লেটুন পৰ্য্যাযৰ এই শিবিৰটো গাঁওখনৰ পৰা কিছু আঁতৰত অৱস্থিত। আকস্মিক আক্ৰমণ প্ৰতিৰোধ কৰাৰ লক্ষ্যৰে শিবিৰটো এটা ওখ টিলাৰ ওপৰতে সাজি তোলা হৈছে। জান এটা পাৰ হলেহে শিবিৰটোৰ কাষ চাপি যাব পাৰি। শিবিৰটোত সোমাবলৈ বাট মাত্ৰ এটা। এই বাটটো বাদ দি বাকী শিবিৰটোৰ চাৰিওঁপিনে মাইনপুতি থোৱা আছে। এই মাইন গচকতো বিস্ফোৰিত হয় আৰু শিবিৰৰ ভিতৰৰ পৰাও বিস্ফোৰণ ঘটাব পাৰে। শিবিৰৰ কমাণ্ডাৰজন কেপ্তেইন পৰ্য্যাযৰ বিষযা। বেতাঁৰ যোগাযোগৰ এন্টেনাডাল দূৰৰ পৰাই দেখি। শিবিৰটোৰ এশজনীযা সৈনিকৰ সংখ্যা কোনো কাৰণতে কম হব নোৱাৰিব এযে আদেশ। ছুটিত কোনোবা যাব লগা হলেও বদলি এজন নহালৈকে যাব নোৱাৰে।

লাক্‌চিং এটা প্ৰশাসনীয কেন্দ্ৰ যদিও প্ৰশাসন বুলিবলৈ বিশেষ একোৱেই নাই। আইন শৃঙ্খলাৰ সমস্যাও সামান্য। মানুহখিনি শান্ত স্বভাবৰ আৰু আনুগত্যও সন্দেহাতীত। অৱশ্যে সীমান্তৰ গিৰিপথ খোলা হৈ থাকোতে এই অঞ্চলৰ বাসিদাই তিব্বতখনকহে বেছি চিনি পাইছিল। ভাৰতৰ দিশলৈ কদাচিতহে নামি গৈছিল। তাকো গৈছিল জাৰৰ দিনকিটাতহে। বাকী দহমাহ সীমান্তৰ ইপাৰে সিপাৰে অহা-যোৱা কৰিযেই ভাল পাইছিল। ভৈযামৰ গৰম ইযাৰ মানুহে সহিব নোৱাৰে। পিন্ধা কাপোৰ-কানিও পচমী সূতাৰে বোৱা।

প্ৰশাসনীয় বিষয়াজনক বছৰটোৰ দুই তিনিমাহহে লাক্‌চিঙত থকা মানুহে দেখিছে। চৰকাৰী কামত এবাৰ সদৰলৈ নামি গ'লে ছমাহৰ আগতে কেতিয়াও উভতি অহা কোনেও দেখা নাই। বিষযা নাথাকিলে কেৰাণীজনেই প্ৰশাসনৰ কাম-কাজ চলাই দিযে। উৰাজাহাজেৰে যোগান ধৰা খাদ্যবস্তুৰ দায়িত্ব "গুদাম বাবু" এজনৰ ওপৰতে দিয়া হৈছে। হস্পিটালৰ নামত চাইন বৰ্ড এখন ঘৰ এটাৰ পিৰালিতে ওলোমাই থোৱা আছে। আখৰেৰে লিখা আছে "লাক্‌চিং স্বাস্থ্যকেন্দ্ৰ" বুলি। ঘৰটোৰ চালখন পাইন কাঠৰ। চালখনত ৰঙা পেইন্টেৰে আঁকা যোগ চিনটোৱে কয় সেইখন হস্পিটেল বুলি। জেনেভা কনভেনচনে দিয়া নিৰাপত্তা কাঁক্ষেত্ৰৰ মাজতো অক্ষত হৈ থাকিব লাগে।

সমীৰ মাষ্টৰে এই উপকেন্দ্ৰত কোনো ডাক্তৰ আজি দুবছৰেও দেখা নাই।

কম্পাউণ্ডাৰজনকেই গাঁৱৰ মানুহে ডাক্তৰ চাহাব বুলি মাতে। মান-সন্মানো তেনেদৰেই কৰে। গাঁৱলৈ বেমাৰী চাবলৈ গ'লে গৃহস্থই দুৱাৰমুখতে আদৰে। সৰু কাৰ্পেট এখনো পাৰি আটোমটোকাৰিকৈ নি বহুৱায়। ফটিকা প্ৰথমে যাচে, বেমাৰীৰ কথা পিছলৈ থয়। ফটিকাৰ ৰাগীত "ডাক্তাৰ চাহাবে" কি চিকিৎসা কৰে তেওঁ নিজেহে জানে। আহিৰৰ সময়ত গৃহস্থই কিবা এটা যাচে। টকা-পইচা নহয় কণী কুকুৰা শিৎ এটাকে দিয়ে। তাকো নেথাকিলে শুকান মচুহ এডোখৰকে পাটত বান্ধি আগবঢ়াই দিয়ে। কম্পাউণ্ডাৰ বুদ্ধেশ্বৰ সোণোৱাল তাতেই সন্তুষ্ট হয়। বুদ্ধেশ্বৰৰ বয়স চল্লিচৰ ওপৰত। শদিয়াৰ মানুহ। বিষা-বাৰু নকৰিলে নে নহ'ল সেই ৰহস্য কাকো ভাঙি-পাতি আজিলৈকে নক'লে। বৰ মৰমিয়াল মানুহ। হাতখনো পকা। লক্ষণ দেখিয়েই বেমাৰ ধৰিব পাৰে। কাকো কেতিয়াও বিমুখ নকৰে। য'লৈকে নহওঁক মাতিলেই যায়। সময় অসময়ৰ বাচ-বিচাৰ নকৰে। দোষৰ ভিতৰত ফটিকা সদায় লাগে। নহলে নচলে। "মই সোণোৱাল কছাৰী মানুহ যদিও ভকতীয়া ৰীতিত প্ৰবৰ্তা ঘৰৰ নহয়। আমাৰ চলে" বুলি থোৰতে কৈ থয়। চাকৰি কৰাও হ'ল বহুদিন। দৰমহা-পাতিও যথেষ্ট পায়। দিয়া-থোৱাৰ কোনো আহুকাল নাই। চিঠিপত্ৰও নাহে, নিজেও নিলিখে। দুবছৰ হ'ল লাকচিঙলৈ অহা। এই দুবছৰত এবাৰো ভৈয়ামলৈ নামি যোৱা নাই। 'তিনি বছৰ পূৰা হ'লে একেবাৰেই নামি যাম আৰু উভতি নাহো' বুলি কৈ নিজেও হাঁহে আৰু আনকো হুহুৱায়।

'অ-ছাৰ-আহিলো' বুলি কৈ ফোপাই জোপাই সোমাই আহিল তাদিক।

তাদিকক দেখি সমীৰ বৰাই একেজাপেই বিছনাৰ পৰা নামি থিয় দিলে। 'ইমান দেৰী হ'ল কিয় তাদিক'? তেতিয়া সন্ধিয়া লাগো লাগো হৈছিল মাত্ৰ। ডাক আনিবলৈ গ'লে সচৰাচৰ ইমান সময়তে উভতি আহে। ডাক আনে 'লিমাকুৰি' নামৰ প্ৰশাসনীয় কেন্দ্ৰৰ পৰা। লিমাকুৰি লাকচিঙৰ নামনিত অৱস্থিত। তিনিদিনৰ বাট। চৰকাৰী হিচাপত অহা-যোৱাত ছয়দিন লাগে যদিও তাদিকে তিনিদিনতে উভতি আহে। আয় কৰা দিনকিটা নিজৰ খুচিত কটায়। দহ দিনৰ ব্যৱধানত ডাক আনিব লাগে। মাহত তিনিবাৰ মাত্ৰ। তাদিককেই সমীৰে লগৰীয়া কৰি লৈছে। তাৰ পৰাই 'না' দোৱান সমীৰে শিকিব ধৰিছে। সমীৰে ভুলকৈ উচ্চাৰণ কৰিলে তাদিকে খেক্‌খেকাই হাঁহে সমীৰেও হাঁহে।

তাদিকাৰ বয়স পঁচিছ চাৰিবছ হ'ব বুলি সমীৰে হিচাপ কৰি উলিয়াইছে।

'মাটি হিলা সময়ত কিমান ডাঙৰ আছিলা'?

পঞ্চাশ চনৰ ভূঁইকঁপকে সময় সীমা কৰি লয় সমীৰে।

-'কিমান হ'ম আৰু ধেনুকাঁড মাৰিব পাৰোঁ, খৰি-পানীও বুকিব পৰা হৈছিলোঁ'।

আঠ-দহ বছৰ বয়সৰ পৰাই এই অঞ্চলৰ ল'ৰাই হাতত ধেনুকাঁড লৈ ফুৰা সমীৰে দেখিছে। খৰি-পানীও কঢ়িয়াই আনে। সেই হিচাপে তাদিকে পঁচিছৰ সীমা পাৰ হোৱা নাই বুলিয়েই সমীৰে ধৰি লয়।

পঁচিছ বছৰীয়া তাদিক এজন সুঠাম ডেকা। বাপেক নাই, মাক আছে। ভনীয়েক য়াচি সমীৰৰ স্কুলতে পঢ়ে। তাদিকেই টানি আনি নাম লিখাই দিছিল। সদৰত সি ছোৱালীকো স্কুলত পঢ়া দেখিছে। চফা চিকুণ হৈ স্কুল পঢ়িবলৈ যোৱা ছোৱালীক দেখি য়াচিকো পঢ়াবলৈ তাৰ মন হ'ল। সদৰৰ দোকানৰ পৰা নতুন কাপোৰ কিনি আনিলে। কাগজ-কলমো আনি দিলে। মাকৰ দোৰ্ঘোৰ আপত্তিকো তাদিকে নামানিলে। ভনীয়েকক টানি নি নাম লিখাই দিলে স্কুলত। সমীৰক ক'লে ভালদৰে পঢ়াবলৈ। 'ভালকৈ পঢ়াব দেই ছাৰ। য়াচিক মই চৰকাৰী কাম কৰা বাবু চাহাবৰ লগতহে বিয়া দিম। খৰি পানী বুকিব লগা ঘৰলৈ নিদিওঁ'।

তাদিকৰ এই উক্তিত সামাজিক বিৱৰ্তনৰ ইংগিত যেন লুকাই আছিল। নিসংগতাৰ পৰা মুকলিলৈ ওলাই অহাৰ ইচ্ছাই যেন প্ৰকাশ পাইছিল। গতানুগতিক জীৱনধাৰণ ত্যাগ কৰি নতুনত্বক সাৱটি লোৱাৰ মানসিকতাই যেন তাদিকৰ মনটোকো আলোড়িত কৰি তুলিব ধৰিছিল। ভাৰতীয় গণতান্ত্ৰিক মুক্ত জীৱনৰ আহ্বানক যেন তাদিকেও আঁকোৱালি লব বিচাৰিছিল। সীমান্ত এতিয়া বন্ধ হৈ গৈছে। পোন্ধৰ বছৰমান বয়সৰপৰাই সি কেইবাবাৰো বাপেকৰ লগত থকা সীমান্তৰ সিপাৰে গৈছিল। সীমান্তৰ সিপাৰে থকা কেইবাখনো গাঁও সি বাপেকৰ লগত ফুৰি আহিছে। তাৰ বহুত মানুহক সি চিনি পাইছিল। একেই "না" মানুহ হলেও সিহঁতৰ নিয়ম-নীতিত বহু ভিন্নতা সি দেখিছিল। তিব্বতৰ অধিবাসীৰূপে সিহঁতৰ ধৰ্মীয় আনুগত্যৰ প্ৰবলতা চকুত লগা আছিল। বাৰ বছৰ হ'ল সীমান্ত বন্ধ হৈ হৈছে। এতিয়া কি হৈছে সেই পৰিস্থিতিক সি নিজে দেখা নাই। তাৰ পৰা গুচি অহা মানুহৰ মুখতহে বেয়া কথাবিলাক তাদিকে শুনিছে। হান মানুহ তাদিকে কেতিয়াও দেখা নাই। হানৰ নিয়ম-নীতিকো সি নেজানে। সীমান্তৰ সিপাৰে হানে আৰোপ কৰা বাধ্যবাধকতাবিলাকক তাদিকেও ভাল পোৱা নাই। সকলোৱে নিজৰ মতে চলিব পাব লাগে তাদিকে সিমানেই বুজি পায়। আন মানুহৰ নিয়ম জাপি দিব খুজিলে কাজিয়া

হবই বুলি তাদিকেও ভাবিবলৈ বাধ্য হয়। লাক্‌চিং অঞ্চলত এইবিলাক কাজিয়া নাই। সকলোৱে নিজৰ মতেই চলিব পাৰিছে। চৰকাৰে ওলোটাই সহায়হে কৰিছে। গাঁৱৰ গোম্পাটো নতুনকৈ সাজিবলৈ চৰকাৰে টকা পইচাও দিছে। শাক্যমুনিৰ নতুন মূৰ্তি এটাও হেনো অলপতে আহি পাব। 'মন লাম' উৎসৱৰ বাবে টকা দিব বুলি তাদিকেও শুনিছে। সৰু-সুৰা চাকৰিবিলাকো গাঁৱৰ ল'ৰাই পাইছে। তাদিকে নোখোজাকৈয়ে ডাকোৱালৰ চাকৰিটো পাইছে। স্কুল দিছে, হস্পিটাল পাতিছে। চিপাহী আছে এজাক। সিহঁতো নিজৰ কেম্পতে থাকে। গাঁৱৰ মানুহক অকলো আমনি নকৰে। মনলাম উৎসৱত চিপাহী বিলাকেও ঘৰে ঘৰে খাই ফুৰে। মুকলি ঠাইত গাঁওবাসীৰ লগতে সিহঁতেও নাচে।

এই তুলনামূলক অনুভৱে তাদিককো লাহে লাহে আকৰ্ষণ কৰি নিব ধৰে এক পৰিৱৰ্তিত জীৱনধাৰাৰ দিশলৈ। বিবৰ্তনে যেন তাকো হাতবাউল দি মাতিব ধৰে। নিঃসংগতাৰ এলান্ধু জাৰি জোকাৰি সিও ওলাই যাব খোজে পোহৰৰ মাজলৈ। নতুনত্বক সিও ভাল পাবলৈ আৰম্ভ কৰে। সংস্কাৰক তাদিকেও স্বতঃস্ফূৰ্তভাৱে আদৰণি জনাব বিচাৰে। তাৰ বাবে নহলেও যাচিৰ বাবে এই সংস্কাৰ সিও বিচাৰে. বাবুচাহাবৰ লগতহে বিয়া দিম খৰি-পানী কটিযাব লগা ঘৰলৈ নিদিওঁ বুলি তাৰো মনত নতুন অনুভৱে বাহ সাজিবলৈ ধৰে।

'দেৰিনো ক'ত হ'ল চাৰ। লৰ মাৰি গৈছিলোঁ আৰু লৰ মাৰি আহিলোঁ' বুলি কৈ ডাকৰ চীল কৰা বেগটো পিঠিৰ পৰা খুলি মাটিতে নমাই থলে। বেগটো ক'লা লাৰে ডাক বিভাগৰ চীল মৰা। সদৰৰ পৰাই আহে। সমীৰ বৰা লাক্‌চিঙৰ অবৈতনীক পোষ্টমাষ্টৰ। দৰমহা নেপায। মাহত এশ টকা ভাট্টা মাত্ৰ পায়।

ডাকৰ টোপোলা বৰ ডাঙৰ দেখিছোঁযে? সমীৰে টোপোলাটো দাঙি চায়।

'ডাঙৰ হবই। এমাহ পিচতহে ডাক অহা নাই জানো চাৰ'? কথাটো কৈ কৈ তাদিকে বন্দুকটো কান্ধৰপৰা নমাই বেৰত আওজাই থলে। বন্দুকটো চৰকাৰী। ডাকোৱালৰ ব্যক্তিগত নিৰাপত্তাৰ বাবেই দিছে। গুলীও বহুৰত এবাকচ দিয়ে। লিমাকুৰীৰ বাটত ডাঠ হাবি পাৰ হব লাগে। বাঘ নাই যদিও ভালুক বহুত। দুই এজন অকলশৰীয়া মানুহক এই ভালুকে জখমো কৰিছে পূৰ্বতে।

দুয়ো কথা পাতি থকাৰ মাজতে তাদিকে গৈ জুহালৰ জুইকুৰা জ্বলাই দি চাহৰ

পানী তপতাব দিলে। সমীৰৰ ঘৰত তাদিকৰ অবাধ গতি। কেতিয়াবা য়াচিকো লগত লৈ আহে ভাত-পানী সিজাই দিবলৈ। য়াচিৰ বয়স দহ বছৰ মানহে হ'ব। তিব্বতীয় "চুবা" পিন্ধিয়েই থাকে। বেনীদুডাল গাঠি তিব্বতীয় টুপী এটা সদায় পিন্ধে। আগতে সীমান্তৰ সিপাৰৰ পৰা কিনি অনা "য়াক" চালৰ তলিযাৰি দিয়া উলৰ ফুলাম "চম্বা" বুট জোতাকে পিন্ধিছিল। সীমান্ত বন্ধ হোৱাৰ পিছত সদৰৰ পৰা কিনি অনা কাপোৰৰ জোতাকে পিন্ধে। বৰ চটফটীয়া ছোৱালী। কথাই কথাই খিলখিলাই হাঁহে। খোজকাঢ়ি ফুৰিব নাজানে, দৌৰিয়েই ফুৰে। সমীৰেও মৰম কৰে ভনীয়েকৰ নিচিনা। তাদিকৰ ভনীয়েক বুলি পঢ়াইও যতনেৰে। হিন্দীও লিখিব পৰা হৈছে। জোটাই জোটাই পঢ়িবও পাৰে। তাইৰ কথিত হিন্দীৰহে ব্যাকৰণ নাই। 'তুম' বাদে আন সম্বোধন তাই শিকাই নাই। চাহ খোৱাৰ মাজতে সমীৰে ডাকবেগটো খুলি পেলালে। ডাক আহি পোৱা খবৰ শুনি ইতিমধ্যে দুই-এজনে চিঠি বিচাৰি আহিলেই। ডাক আহি পোৱা দিনত সকলো চাকৰিয়ালে আগ্ৰহেৰে অপেক্ষা কৰে। ভৈয়ামৰ পৰা চৈধ্যদিনৰ বাটত থকা চাকৰিয়ালৰ বাবে চিঠিখনেই একমাত্ৰ সান্ত্বনা। দহ দিনৰ বাতৰি কাকতো আহে একেদিনাই। ডাক অহাৰ পিচত তিনিদিনমান আলোচনাই চলে চাকৰিয়ালসকলৰ মাজতে। নিজৰ কথা আৰু দেশৰ কথাই আলোচ্য বিষয় হৈ পৰে। হাত বাগৰি বাগৰি খবৰ কাগজো চিৰলাচিৰলি হয়। ভাল খবৰ পাওঁতাই হাঁহে। বেযা খবৰ পাওঁতাই মন মাৰি থাকে। এনেদৰেই পাৰ হৈ যায় বহুতো দিন, বহুতো ৰাতি।

'আজিয়েই চিঠি বিলাব লাগিব নেকি চাৰ'? তাদিকৰ প্ৰশ্নত কোনো উৎকণ্ঠা নাই। সেয়া তাৰ কৰ্তব্য বুলি সি জানে। কৰ্তব্য পালনত তাদিকে কেতিয়াও পিচলা পিচলি নকৰে। লিমাকুৰীৰ পৰা লাকচিঙৰ দূৰত্ব ত্ৰিশ কিঃ মিঃ মান হ'ব গড়কাপ্তানী বিভাগৰ হিচাপ মতে। চিঠিৰ বোজা আৰু নিজৰ বস্তু পিঠিত ওলোমাই লৈ তাদিক আহে অকলে। কান্ধত থাকে গুলীভৰা এনলীয়া চৰকাৰী বন্দুকটো। কঁকালত বান্ধি লয় তাৰ চিৰসংগীয়া তিব্বতীয় দীঘল দাখন; খাপটো ৰূপৰ। বাপেকৰ দিনৰে দা। তিনিদিনৰ বাট এদিন এবেলাতে উভতি আহে তাদিকে।

'আজি নেলাগে দিয়া। কাইলৈ বিলালেই হ'ব'।

'ঠিক আছে। মই যাওঁ তেনেহলে'। তাদিক ৰাঘলৈ থিয় দিলে।

'ক'ত যোৱা। বহা ভাতকিটা খাই যাবা'।

'এহ্ নালাগে চাৰ। ঘৰতে খামগৈ।' সমীৰে জানে তাদিক ঘৰলৈ নাযায়। ডাক অনা, ভাগৰ মাৰিবলৈ সি এটুপি ফটিকা খাবই।

'ঘৰলৈ যাবা নে তালৈকে যাবা তাদিক?'

সমীৰৰ অৰ্থপূৰ্ণ প্ৰশ্ন শুনি তাদিকে মিচিকিয়াই হাঁহিলে মাত্ৰ। তাদিক ৰৰ খঙাল যুবক। গাঁৱৰ মানুহে তাক সমীহ কৰিয়েই চলে। খং উঠিলে তাদিকৰ চকু দুটা ৰঙা পৰি উঠে। মুখৰ কথা বন্ধ হৈ যায়। অকল খঙালেই নহয় তাদিক সাহসীও। গাঁৱত কাজিয়া-পেচাল কেতিযাবা লাগে সঁচা। তাদিকক অহা দেখিলে দুয়োপক্ষ আঁতৰি যায়। কাজিয়াও নিতাল মাৰে। তাদিক খঙাল যদিও অভদ্ৰ নহয়। বিপদত মানুহে তাদিককহে ওচৰত পায়। গাঁৱৰ ল'ৰা-ছোৱালীৰ প্ৰতি তাৰ ৰৰ মৰম। মাক বুঢ়ী হ'ল। বিয়া কৰাই দিলে তাদিক সলনি হ'ব বুলি ভাবি মাকে দুই এবাৰ বিয়াৰ কথাও উলিয়াইছিল। তাদিক মনে মনে থকা দেখি দুনাই বিয়াৰ কথা মাকে উলিওৱা নাছিল। মাথোন কৈছিল 'তোৰ নিজৰ পচন্দ যদি কিবা আছে তাকো কৈ দে। বাকী মই ঠিক কৰিম।'

'আছে বুলি যদি কওঁ তই জানো আনি দিব পাৰিবি?'

তাদিকৰ সঁহাৰিপূৰ্ণ উত্তৰত মাক সুখী হৈছিল। ভাবিছিল ল'ৰাটোৰ মন ঘূৰিছে। ওচৰ চাপি আহি কাষতে বহি লৈছিল

'তোৰ 'আবো' এ বহুত সম্পত্তি এৰি থৈ গৈছে। ছটা কিয়, বাৰটা চামৰি গাইও দিব পাৰোঁ। এইখন ঘৰলৈ ছোৱালী দিব পাৰিলে যিকোনো বাপেক দৌৰি আহিব জানিবি।'

'যদি জাত-কুলে নিমিলা ঘৰৰ ছোৱালী হয়'!!

তাদিকৰ কথা শুনি মাকৰ সকলো উৎসাহ কচুপাতৰ পানীৰ নিচিনা টপৰকৈ সৰি পৰিল। একেটাই ল'ৰা। জাতেকুলে নিমিলা ঘৰৰ ছোৱালী আনিলে ঘৰখন ভাঙি যাব বুলি ভাবি তাদিকৰ মাক নিকত্তৰ হ'ল। লিমাকুৰীলৈ সি ডাক আনিব যায় - তাতেই কিবা লেটি-পেটি হ'ল কিজানি বুলি মাকৰ সন্দেহ হ'ল। লিমাকুৰী অঞ্চলৰ মানুহবিলাক অজাতি লোক। খোৱা-বোৱা, পিন্ধা-উৰাত বেলেগ। মাত-কথাও নিমিলে। লিমাকুৰীৰ ছোৱালী গাঁৱৰ দুই এজন ভেকাই আনিছে হয়। তেনেই থানহী বিধৰ। কমুনিয়াহ এটা এৰি মাক উঠি গৈছিল বহাৰ পৰা। মাকে বনি পিনিনা হ'ব বুলি ক'লেহেঁতেন তেনেহলে তাদিকৰ জীৱন কাহিনীও বেলেগ হৈ গ'লহেঁতেন।

সমীৰৰ ইংগিতপূৰ্ণ প্ৰশ্নৰ কোনো উত্তৰ তাদিকে নিদিলে যদিও তাৰ মিচিকিয়া

হাঁহিটোৱেই মনৰ কথা কৈ পেলালে। সেই ঘৰ মানুহৰ ঘৰলৈ তাদিক যে যায় সেই কথা গাঁৱৰ সকলোৱে জানে। কিন্তু মুখ খুলি সুধিবলৈ কোনোৱে সাহস নকৰে। খণ্ডাল তাদিকক জোকাই লব নিবিচাৰে কোনোৱে। গাঁৱৰ আন ডেকাল'ৰা সেইটো ঘৰলৈ নাযায়। যাবৰ মন থাকিলেও যাব নোৱাৰে, মানুহে বু-বু বা-বা কৰে বুলি। হাইডেল প্ৰজেক্টত কাম কৰা নেপালী লেবাৰবিলাকহে যায়। সন্তীয়া ফটিকা খাই নিচা হৈ উভতি আহে নিশাৰ আন্ধাৰত। গাত ধৰা-ধৰি কৰি নেপালী গীত গাই গাই সিহঁত উভতি আহিলে গাঁৱৰ মানুহে ওলাইও নাচায়। এই কথাক লৈ এদিন যে অথন্তৰ ঘটিব গাঁৱৰ দুই চাৰিজনে সেই সন্দেহ কৰিছিল। ডাক লৈ উভতি তাদিকে সেই ঘৰটোলৈ ফটিকা বিচাৰি যাবই বুলি মানুহে জানে। সি ফটিকা বিচাৰিহে যায় বুলি গাৱঁৰ মানুহে ভাবে। কিন্তু ফটিকা বিচাৰি যোবাৰ চলেৰে তাদিকে যে আৰু কিবা বিচাৰি যায় সেই কথা অকল সমীৰেহে জানে। তাদিকে ইতিমধ্যেই তাৰ মনৰ সকলো কথা সমীৰক কৈছে যদিও তাৰ অন্তৰত বাহ লোৱা ক্ষোভটোৰ কথা হলে কোৱা নাছিল। তাৰ ক্ষোভৰ অন্তৰালত কোনো ঈৰ্ষাও নাছিল। আছিল মানৱীয় অনুকম্পা।

(২)

উমি উমি জ্বলি থকা জুইকুৰাৰ পিনে উদাস মনেৰে চাই আছিল তাই।

কেঁচা পাইন কাঠৰ জুইকুৰাৰ পৰা জুই ওলাইছিল যিমান তাতোকৈ বেছি ওলাইছিল ধোঁৱা। ধোঁৱা ফুৱাই ফুৱাই ৰঙা পৰা চকু দুটা মাজে মাজে তাই হাতৰ তলুৱাৰে মোহাৰি লয় যদিও চকুৰ পোৰণি নকমে। জুইকুৰাৰ কাষৰ পৰা তাই উঠি নাযায়। আঁতৰিও নবহে। বহা ঠাইতে বহি একেথিৰে চাই থাকে দহসেৰীয়া ডাঙৰ ডেকচিটোলৈ। তিনিটা শিলৰ উধানৰ ওপৰত বহুৱাই থোৱা এলুমিনিয়ামৰ ডেক্‌চিটো বহু পুৰণি। থেকেচনি খাই খাই ওখোৰা-মোখোৰা হ'ল। বাহিৰটোও কৰাল মৰা। সেই কৰাল ধুই চাফা কৰাৰ নিয়ম নাই। চাফা কৰিলে ফটিকা বেয়া হয়, এয়ে স্থানীয় বিশ্বাস। আচল কথা চাফা কৰিলেই হাজাৰ ফুটা ওলাই পৰিব, ডেক্‌চিটো অকামিলা হ'ব। তেনে ডেক্‌চি লাকচিওক পাবলৈ নাই। নতুন এটা পাবলৈ হ'লে বাৰ দিনৰ বাট যাব লাগিব। এই ডেকচিটোৱেই দুজনীয়া পৰিয়ালটোৰ বাবে জীৱিকাৰ একমাত্ৰ উপায়। এক আপুৰুগীয়া সম্পদ। কিনি অনা সম্পদ নহয়। আনৰ পৰা খুজি অনা ডেক্‌চি।

'এনেদৰে আৰু কিমানদিন থাকিব লাগিব 'আমা'?' থাপনাত চাকি জ্বলাই থকা নিংমাই একো উত্তৰ নিদিলে। উত্তৰ দিবলৈ কোনো কথা বিচাৰিও নেপালে। বটলৰ ঢাকনি এখনকে চাকি কৰি লৈছে। বেৰত ওলোমাই থোৱা আছে দালাই লামাৰ ছবি এখন। ধোঁৱা লাগি লাগি অকশমান ঘৰটোৰ ভিতৰখন ক'লা পৰাৰ লগতে দালাই লামাৰ ছবিখনো ধোঁৱাবৰ্ণীয়া হৈ পৰিছে।

মাকৰ পৰা একো উত্তৰ নাপাই পেমাই মনে মনে থাকিল। উত্তৰ তাই নাপায় জানে। এই প্ৰশ্ন তাই সদায় কৰে, কিন্তু উত্তৰ কোনোদিনে পোৱা নাই। সীমান্তৰ পিনে পুৱা-গধূলি চাওঁতে চাওঁতে চাৰিটা বছৰ পাৰ হৈ গৈছে। তথাপি উভতি যোৱাৰ আশা এৰি দিয়া নাই। সীমান্তৰ গিৰিপথত হাবি গজিল তথাপি নৱবু উভতি অহাৰ কল্পনা ত্যাগ কৰিব নোৱাৰিলে। মাকৰ উত্তৰ নাপাই পেমাই জুইকুৰা খুচৰি দিলে। আধাপোৰা খৰি এডালেৰে ছাই আঁতৰাই দুটা আধাপোৰা আলু উলিয়াই আনি পিটিকি চালে। নিসিজা যেন দেখি পুনৰ চাই জাঁপি থলে। আঁঠু দুটাৰ ওপৰত থুঁতৰিটো থৈ নুমাই যাব ধৰা জুইকুৰাৰ পিনে একেথিৰে চাই থাকি থাকি পেমাই হঠাতে উচুপি উঠিল। ওলাই অহা চকুলোৱে তাইৰ দৃষ্টি ম্লান কৰি পেলাওতেও তাই তকু মোহাৰি নললে। তপত চকুলো দুধাৰি 'পেমাৰ গাল বৈ টোপাটোপে জুহালৰ ছাইত সৰি পৰিল।

'কি কৰিম ক। আমি যে নিৰুপায়ত পৰিছোঁ।' উঠন্ত যৌৱনৰ গাভৰু জীয়েকৰ পিনে চাই মাকে কথাকিটা কয় যদিও কিবা এটা গভীৰ মানসিক অশান্তিয়ে যেন নিংমাৰ মনটো মুচৰি পেলায়। জীয়েকে পিন্ধি থকা 'চুবা'টো বহুত পুৰণি হ'ল। বিভিন্ন ৰঙৰ সূতা আৰু উলেৰে নানান ঠাইত সীয়নি দিয়া। কাষলতিৰ তলৰ ফটা অংশটোৰে পেমাৰ কোমল অংশখিনি বাহিৰৰ পৰাই দেখা পোৱা গ'ল। মাকৰ বিমৰ্ষিত দৃষ্টি সেইখিনিতে পৰাত হতাশাই যেন শেষ মনোবলখিনিও গিলি পেলাব বিচাৰিলে। থাপনাৰ পৰা আগুৱাই আহি জীয়েকৰ ওচৰত আঁঠু পাৰি বহিল। আদৰ কৰি তাইৰ পিঠিখন পিহি দিলে।

'এইবাৰ বৰফ গলিলে হয়তো তোৰ 'পাপা' উভতি আহিবও পাৰে।' মাকৰ সান্ত্বনাত পেমা পতিয়ন নগ'ল। এই সান্ত্বনা তাই আজি চাৰিটা বছৰে পাই আহিছে।

নাহে— নাহে— নাহে । পা-লাই আমাক পাহৰি গ'ল' বুলি পেমাই হুকহুকাই কান্দি পেলালে।

জীয়েকৰ কান্দোনত নিংমাইও চকুপানী ধৰি ৰাখিব নোৱাৰিলে। পেমাই দুই এবাৰ অভিমানত কান্দিছিল যদিও এনেদৰে মনৰ বেদনাত কেতিযাও কন্দা নিংমাৰ মনত নপৰে। বাপেকৰ আদৰৰ জীয়েক। চৰাই পোৱালি তোলাদি নৰবুএ তাইক তুলি-তালি ডাঙৰ কৰিছিল। নিংমাই অকণো ভাবিব লগা হোৱা নাছিল।

পা-লা যদি উভতি নাহে, মযে উভতি যাম পা-লাৰ ওচৰলৈ কৈ দিলো আমা।' তাই আকৌ উচুপে।

নিংমাই জানে উভতি যোৱাতো সম্ভৱ নহয। সীমান্তলৈকে হান মানুহ বিযপি পৰিছে বুলি তাই গম পাইছে। সিহঁতে সীমান্ত পাৰ কৰি ভাৰতত আশ্ৰয লোৱাৰ পিছতো শ শ মানুহ পলাই আহিছে লাক্‌চিঙৰ সীমান্তৰে। সিহঁতে কোৱা কথাবিলাক যদি সঁচা হয তেনেহ'লে তিব্বতীয বুলি কোনো জাতি আজি জীযাই থকা নাই।

'কেনেকৈ যাবি পেমা। বাট জানো আমি চিনি পাম?' সঁচা কথাকে কয নিংমাই। 'চুৰ্খাঙৰ' পৰা সিহঁতে পোনে পোনে সীমান্তলৈ অহা নাছিল। সিহঁত আহিছিল লাচা হৈ। ছবছৰ অনাই বনাই ঘূৰি আহোতে সিহঁতে বহুতো কথা পাহৰি পেলাইছিল।

'গাঁৱৰ মানুহে বাট দেখুৱাই নিদিব নেকি? পেমাই যুদ্ধ লাগিছে বুলি জানে। কিন্তু ক্ষয-ক্ষতিৰ কথা তেনেকৈ নাজানে। তাইৰ মনটো ভাঙি যায বুলি নৰবুযে জানিবও দিয়া নাছিল।

" আমাৰ মানুহ থাকিলেহে বাট দেখুৱাই দিব পাৰিলেহেঁতেন। হানে আমাৰ গাঁওবিলাক পুৰি পেলাইছে বুলি শুনিছোঁ। মানুহবিলাকক ধৰি বান্ধি লৈ গৈছে। ক'ৰ মানুহক নি ক'ত ৰাখিছে কোনেও নেজানে। আমাক বাট দেখুৱাব কোনে পেমা?' 'হানবিলাকক ক'লে আমাক চুৰ্খাঙত থৈ নাহিব নেকি?' তথাপি পেমাই চুৰ্খাঙলৈ উভতি যোৱাৰ কল্পনা এৰিব নোৱাৰে।

'এবাৰ পলাই অহা মানুহক সিহঁতে ওভতাই নলয পেমা। ওলোটাই তোৰ পাপাৰ কথা সুধি সিহঁতে আমাকো মাৰি পেলাব।'

নিংমাৰ অনুমান মিছাও নাছিল। মুক্তি যুঁজাৰুক বিচাৰি হানহঁতে গাঁৱৰ পিছত গাঁও ধূলিৰ লগত সমান কৰি পেলাইছিল। আশ্ৰয দিয়া বুলি সন্দেহ কৰি নিৰ্দোষী মানুহক সিহঁতে নিৰ্মম যাতনা দি মাৰি পেলাইছিল। আত্মীয় স্বজনক ধৰি নি পণবন্দীৰূপে হাজাৰ হাজাৰ মানুহক আবদ্ধ কৰি ৰাখিছিল লাচাৰ কুখ্যাত 'ড্ৰাপচি' কাৰাগাৰত।

'আমা ঐ আমি তেনেহলে ক'ত সোমালোহি কচোন? আনৰ পুতৌক আশ্ৰয় কৰি কিমান দিন চলিম আমি?' কান্দোনত ভাঙি পৰিব খোজে ওঠৰ বছৰীয়া পেমা।

চুৰ্খাং এৰি পলাই আহোতে তাইৰ বয়স আছিল আঠ বছৰ। সীমান্ত পাৰ হৈ লাক্‌চিঙত আশ্ৰয লওঁতে তাইৰ বযস হৈছিল চৈধ্য বছৰ। এতিয়া ওঠৰ বছৰীয়া গাভৰু হ'ল। ঘৰ এৰি তাই অঘৰী হ'ল, তথাপি ম্লান পৰি নগ'ল। ইমান দুখ-কষ্টৰ মাজতো কিন্তু ৰূপে তাইৰ লগ নেৰিলে।

এই পেমাক লৈ কিমান কল্পনা আছিল নৰবুৰ সেই কথাবিলাক এটা এটাকৈ নিংমাৰ মনলৈ উভতি আহিব ধৰিলে। কিমান অভিজাত ঘৰে বিচাৰিছিল তাইক নিবলৈ। তেতিয়া পেমা আঠ বছৰীযা আছিল যদিও তাই যে লাখৰ ভিতৰতে এজনী হৈ উঠিব সেই অনুমান সকলোৱেই কৰিছিল। 'পিচত ভাবি চাম' বুলি সেই সকলো প্ৰস্তাৱক নৰবুযে ওভতাই দিছিল। তাৰ ইচ্ছা আছিল যে পেমাক এনে ঘৰলৈ দিব যি ঘৰৰ ল'ৰাই বিয়াৰ দিনা হাজাৰ ঘোঁৰা লগত লৈ আহিব পাৰিব।

নৰবুৰ এই সকলো কল্পনা আজি চুৰমাৰ হৈ গ'ল বুলি ভাবি নিংমাই জীয়েকৰ গা মূৰ পিহি সান্ত্বনা দিব বিচাৰিলে। কি আছিল সিহঁত আৰু আজি কি হ'ল বুলি ভাবি গভীৰ বেদনাত তলমূৰ কৰিলে।

লাক্‌চিঙলৈ সিহঁত আহিছিল চাৰিবছৰ আগতেই। মানৱীযতাৰ খাতিৰত ভাৰত চৰকাৰে সিহঁতক আশ্ৰয দিছিল। অকল নিংমাহঁতকে নহয়, শ শ মানুহক শিবিৰ পাতি আশ্ৰয দিছিল ভাৰতৰ সীমান্ত প্ৰশাসনে। কাপোৰ-কানি আৰু খাদ্য-সামগ্ৰীও দিছিল বিনামূলীয়াকৈ। যিসকলে ভাৰতৰ স্থাযী সংস্থাপন কেন্দ্ৰসমূহলৈ যাবলৈ ইচ্ছুক আছিল সেইসকলক সীমান্তৰ বিভিন্ন আশ্ৰয শিবিৰৰ পৰা স্থানান্তৰিত কৰা হৈছিল। নিংমা আৰু পেমাই কিন্তু ইচ্ছা কৰিয়েই সেই সুযোগ নল'লে। সিহঁতে লাক্‌চিঙতে ৰৈ গ'ল। ভাবিছিল অশান্তিৰ অন্ত পৰিলে নৰবুএ আহি সিহঁতক নিজৰ দেশলৈ ওভোতাই লৈ যাব। সেই আশাতেই নিংমা আৰু পেমা থাকি গৈছিল লাক্‌চিঙতে। সিহঁত অহাৰ দুবছৰ পিছতে চীনাসকলে সীমান্ত পাৰ হৈ ভাৰতৰ আভ্যন্তৰলৈকে সোমাই আহিছিল। লাক্‌চিঙৰ মানুহে গাঁও এৰি পলাই গৈছিল বিভিন্ন দিশলৈ। কিছুমান গৈছিল ওচৰ-পাজৰৰ ওখ পৰ্বতলৈ। গাঁৱৰ মানুহৰ লগতে নিংমা আৰু পেমাও গুচি গৈছিল ওখ পৰ্বতৰ ওপৰলৈ। তিনিমাহ পিছত চীনাসকলে নিজৰ সৈন্যবাহিনীক সীমান্তৰ

সিপাৰলৈ ওভতাই লৈ যোৱাত গাঁৱৰ মানুহ গাঁৱলৈ উভতি আহিছিল। ওভতি আহিছিল নিংমা আৰু পেমাও। সীমান্তৰ সেই অশান্তিৰ ফলতেই বন্ধ কৰি দিয়া হৈছিল লাক্‌চিঙৰ আশ্ৰয়শিবিৰ। বন্ধ কৰি দিয়া হৈছিল বিনামূলীয়া খাদ্যৰ যোগান।

নিংমোহঁতৰ নিৰাশ্ৰয় অৱস্থা দেখি লাক্‌চিংবাসীৰ পুতৌ উপজিছিল। এটা কোঠালিৰ সাধাৰণ ঘৰ এটা তেওঁলোকেই সাজি দিছিল। ছয়মাহমান গাঁৱৰ মানুহেই খুৱালে যদিও সেই সহানুভূতিৰো এদিন অন্ত পৰিল। এপদ এপদকৈ লগত অনা সম্পদো পিছত বেচি খাব লগা গ'ল। নিংমাৰ সৰলতাৰ সুযোগ লৈ বহুতে পানীৰ দামতে কিনি ল'লে লগত অনা দুই কেজি সোণ গুড়ি। সেইখিনিও শেষ হোৱাত লগত অনা দামী পচমী কম্বলকো এদিন বেচি পেলালে। বাকী থাকিল নৰবুৰ 'অস্তী' যোৰা। নৰবুৰ শেষস্মৃতি বুলি সেই অস্তীযোৰ নিংমাই গাত পিন্ধা চুবাটোৰ ভাঁজতে সুমুৱাই ৰাখিলে। অকলে থাকিলে সেই অস্তীযোৰ কেতিয়াবা উলিয়াই লৈ নিংমাই তন্ময় হৈ চাই থাকে। চাই থাকোতে চকুলো সৰি পৰে তপ্‌তপকৈ। "কেতিয়া আহিবা তুমি" বুলি কৈ অস্তীযোৰ গালে-মুখে ঘঁহি দিয়ে। নৰবুএ আৰু কেতিয়াও উভতি নাহে সেই কথা নিংমাহতে জনা নাছিল। জানিবৰ উপায়ো নাছিল। সিহঁতৰ পিছত অহা মানুহক নিংমাই সুধিছিল যদিও কোনেও একো উত্তৰ দিব পৰা নাছিল। নিজক লৈয়ে সকলো ব্যস্ত হৈ থাকিছিল।

নিংমোহঁতক সীমান্তত থৈ নৰবু যেতিয়া উভতি গৈছিল চাংপো নৈৰ পাৰলৈ তেতিয়া চীনা গণমুক্তি বাহিনীৰ আক্ৰমণ আৰম্ভ হৈ গৈছিল। সেই পৰিকল্পিত তীব্ৰ আক্ৰমণত ছেদেলি-ভেদেলি হৈ গৈছিল নৰবুৰ গৰিলা বাহিনী। ছেদেলি-ভেদেলিহে হৈছিল-বিনাস হোৱা নাছিল। সৰু সৰু গোটত বিভক্ত হৈ হৈ সিহঁত বিয়পি পৰিছিল হিমালয়ৰ বহল বুকুত। বিতাৰিত হৈ হৈ এই ক্ষুদ্ৰ গৰিলা দলবিলাকে এটাৰ পিচত আনটো খোপনি এৰি দিব লগা হৈছিল। নিহতখিনিক এৰি থৈ আহতখিনিক কটিয়াই লৈ গৈছিল পশ্চিম তিব্বত ৰ দিশত। অৱশেষত আশ্ৰয় লৈছিলগৈ পশ্চিম নেপালৰ মুষ্ঠাং নামৰ ঠাইত। মাৰ্কিন চোৰাংচোৱা সন্থাৰ সাহায্যত মুষ্ঠাঙতে গঢ়ি তুলিছিল এক শক্তিশালী গৰিলাকেন্দ্ৰ। গৰিলাযুদ্ধৰ বিশেষজ্ঞৰ তত্বাৱধানত দলে দলে খাম্পা বিদ্ৰোহীয়ে প্ৰশিক্ষণ লৈছিল বিভিন্ন বিষয়ত। মুষ্ঠাঙৰ পৰাই গুপ্ত পথেৰে তিব্বতৰ আভ্যন্তৰলৈ পুনৰ উভতি গৈছিল ক্ষুদ্ৰ ক্ষুদ্ৰ দলৰ আকাৰত।

মুষ্ঠাঙৰ এই গুপ্ত গৰিলাঘাটি বন্ধ কৰি দিবলৈ নেপাল চৰকাৰক অনুৰোধ জনাইছিল

পিকিং চৰকাৰে। সেই অনুৰোধৰ কোনো সহাৰি নোপোৱাত পিকিং চৰকাৰে গণমুক্তি ফৌজক নেপালৰ ভিতৰলৈকে পঠিযাবলৈ বাধ্য হ'ব বুলি সকীয়াই দিছিল। এই সকীয়নিত শংকিত হৈ নেপাল চৰকাৰে মুষ্ঠাং শিবিৰত থকা খাম্পাসকলৰ ওপৰত আত্মসমৰ্পণৰ আদেশ জাৰি কৰিলে। খাম্পাবিদ্ৰোহীসকলে সেই আদেশ অমান্য কৰাত নেপালী সৈন্যবাহিনীযে মুষ্ঠাং শিবিৰ অৱৰোধ কৰিবলৈ বাধ্য হ'ল। দালাই লামাৰ পৰামৰ্শত বহুতে আত্মসমৰ্পণ কৰিলে যদিও বহুতো খাম্পা যোদ্ধাই আত্মমৰ্য্যদা জলাঞ্জলি দিযা'ৰ পৰিবৰ্তে আত্মহত্যাৰ পথকে বাচি ল'লে। সেই বিদ্ৰোহীৰে এটা অংশই আত্মসমৰ্পণো নকৰিলে আৰু আত্মহত্যাৰো পথ বাচি নল'লে। হাতত অস্ত্ৰ লৈ সিহঁত ওলাই গ'ল মুষ্ঠাং শিবিৰৰ পৰা। যুদ্ধ কৰি কৰি মৃত্যুবৰণ কৰাৰ সংকল্প লৈ এই দেশপ্ৰেমিক খাম্পাসকলে হিমালযৰ বুকুলৈ পুনৰ উভতি গুচি গ'ল।

এই মৰণ নেওচা যোদ্ধাসকলৰ মাজতেই আছিল চোনাম নৰবু। ঘৰ এৰি অঘৰী হৈছিল। দেশ এৰি দেশান্তৰিত হৈছিল। সংসাৰী জীৱনৰ মোহ পৰিত্যাগ কৰি উভতি গৈছিল স্বদেশৰ মাটিলৈ। হাতত আছিল অস্ত্ৰ, বুকুত আছিল 'ওম-মনি-পদ্মে-হুম' মন্ত্ৰ। এদিন দুযো দিশৰপৰা ক্ৰমান্নয়ে আগুৰি অনা হৈছিল নৰবুহঁতক। উত্তৰৰ পৰা আহিল হানৰ আক্ৰমণ। দক্ষিণৰ পৰা আক্ৰমণ কৰিলে গোৰ্খা বাহিনীয়ে। এক বিশাল 'এম্বুচত' পৰি সেইদিনা নিচ্ছিন্ন হৈ গ'ল নৰবুহঁত।

'এইবাৰ বৰফ গলাৰ পিচতো যদি পা-লা নাহে তেনেহলে মযে যাম পা-লাক বিচাৰি।'

ক'লৈ যাবি পেমা?' পেমাৰ কথাত মাকৰ চিন্তা হয। গাভৰু মন, কেতিয়া কি কৰি পেলাব ভগৱানেও নেজানে বুলি মাকে ভাবিবলৈ বাধ্য হয।

'যিখন গাঁৱৰ পৰা আহিছিলো তালৈকে গুচি যাম। মৰিলেও নিজৰ দেশত মৰিমগৈ। এনেদৰে জীযাই থাকিবলৈ মোৰ মন নাই আমা' বুলি চিঞৰি তাই জুহালৰ পৰা উঠি গ'ল। বিছনাখনত মুখ গুজি শুই পৰি উচুপিব ধৰিলে।

অভিমান হৈছে, অলপ পিচতে নিজেই উঠি আহিব বুলি ভাবি মাকে জুহালতে বহি থাকিল। উতলি থকা 'পাচ' খিনিৰ পৰা বাষ্প হৈ ফটিকা কিমান ওলাল বুলি চাবলৈ ডেকচিৰ ঢাকনিখন মাকে গুচাই পেলালে। গুড় পচাই কৰা 'পাচ' খিনি ভকভকাই উতলি আছিল। উতলি থকা 'পাচ' খিনিৰ ওপৰতে বাঁহৰ সজাত আন এটা পাত্ৰ পাতি

থোৱা আছিল। ডেকচিটোৰ মুখখনত পাতি থোৱা আছিল আন এটা এলুমিনিয়ামৰ কেৰাহী। কেৰাহীটোৰ চাৰিওপিনে মাটিৰ লেপ দিয়া হৈছিল। কেৰাহীটোত ঠাণ্ডা পানী দিয়া থাকে। সেই পানী তপত হৈ উঠিলে সলাই দিয়া হয়। সঘনে সলাব লাগে। 'পাচ'ৰ পৰা ওলোৱা তপত বাষ্পখিনি ঠাণ্ডা কেৰাহীটোৰ তলত আহি গোট মাৰি ভিতৰৰ খালি পাত্ৰটোত তপ্ তপ্‌কৈ সৰি পৰে। সেয়ে ফটিকা। এবটল জমা হ'বলৈ প্ৰায় দুঘন্টা সময় লাগে। কেৰাহীটোৰ পানী সঘনাই সলাই থাকিলে সময় অলপ কম লাগে। দিনটোৰ ভিতৰত পাঁচ ছবটল মানহে ফটিকা জমা হয়। লাকচিঙত এবটল ফটিকাৰ দাম দহ টকা। গুড়ৰ দাম বাদ দিলে দিনটোৰ আয় পোন্ধৰ টকা মান থাকে। ভৈযামত গুড়ৰ দাম কেজীত পাঁচ টকা হ'লে লাকচিঙ পাঁওতে কেজীত কুৰি টকা হয়। তাকো পাবলৈ নাই। গাঁৱৰ কেইজনমান ডেকাই এইটোকে ব্যৱসায় কৰি লৈছে। সদৰৰ পৰা কিনি অনা গুড় দুগুণ দামত বিক্ৰি কৰে। সেই গুড়ৰপৰাই গাঁৱৰ মানুহে ঘৰতে ফটিকা কৰি লয়। চাউল আৰু মাকৈৰে 'চাং বা লাওপানী দুই এঘৰ অৱস্থাপন্ন ঘৰতহে পোৱা যায়। চাঙতকৈ ফটিকা সস্তা। ৰাগীও ধৰে সোনকালেই। নিয়মিত খালে বেমাৰ-আজাৰে দেখা দিয়ে। সীমান্ত অঞ্চলত যক্ষ্মাবেমাৰৰ ফটিকাই প্ৰধান কাৰণ বুলি বিবেচনা কৰি প্ৰশাসনে ফটিকাৰ অপকাৰিতা সম্পৰ্কে নানান প্ৰচাৰ চলাইছে যদিও সীমান্তবাসীৰ ওপৰত কোনো প্ৰভাৱ পেলাব পৰা নাই। ৰাজনৈতিক কাৰণত ফটিকাৰ ওপৰত প্ৰতিবন্ধকো জাপি দিব পৰা নাই। দেশৰ নিৰাপত্তাৰ বাবে সীমান্তবাসী জনসাধাৰণৰ আনুগত্য একান্ত প্ৰযোজন। ফটিকা ওপৰত প্ৰতি বন্ধকতা জাপি দি সেই আনুগত্য সীমান্ত প্ৰশাসনে হেৰুৱাব নোৱাৰে। গতিকে ফটিকাৰ প্ৰচলন চলে অবাধ গতিত। দহ হাজাৰ ফুট উচ্চতাত ঘৰৰ ভিতৰত জ্বলি থকা জুইকুৰা আৰু ফটিকাটুপিৰ প্ৰযোজন একেই সমান হৈ পৰে।

ঢাকনিখন আঁতৰাই দিওতেই তপত বাষ্প আহি নিংমাৰ মুখতে লাগে। 'পাচ'ৰ পৰা ওলোৱা ভেকেটা গোন্ধ নাকে মুখে সোমাই পৰাত নিংমাই মুখখন ঘূৰাই লবলৈ বাধ্য হয়। কাপোৰ এখনেৰে ভিতৰৰ তপত পাত্ৰটো উলিয়াই আনে। আধাপাত্ৰ ফটিকা জমা হোৱা দেখি সেইখিনি বটল এটাত ভৰাই দিলে। গণি চাই দেখিলে চাৰি বটল হৈছে। আৰু এবটল কৰিবলৈ যথেষ্ট সময় আছে। গধূলি হৈছে মাত্ৰ। ফটিকা খাঁওতাকিজন অলপ পিচতেই আহিবলৈ আৰম্ভ কৰিব বুলি ভাবি নিংমাই বটল চাৰিটা কোঠালীটোৰ

এটা চুকত নি থলে। কেৰাহী পুনৰ বহুৰাই মাটিৰ লেপটো আকৌ সানি দিলে। জুইকুৰা বঢ়াই দি নিংমা উঠিবলৈ লওঁতেই কোনোবাই বাহিৰত গল খেকাৰিলে। 'এই আপদ দুটা আহিলেই' বুলি নিংমাই মুখঘূৰাই বহিল।

'আৰে বুঢ়ী 'আমা' দেখুন, পেমা নাই নেকি আম্মা?' এই বুলি হাইডেল প্ৰজেক্টৰ, নেপালী শ্ৰমিক দুজনে খটখটি দুটাৰে ওপৰলৈ উঠি আহিল। চাংঘৰ যদিও বৰ ওখ চাং নহয়। খটখটি দুটাও চেপেটা শিল পাৰি কৰা। খটখটিৰ মুখতে গছৰ ডাল এডাল পুতি থোৱা আছে। তাতে বান্ধি ওলোমাই থোৱা আছে কেইবা টুকুৰা ৰঙীন কাপোৰৰ টুকুৰা। দুখনমান মন্ত্ৰ চাপ মৰা কাপোৰো বান্ধি থৈছে। মন্ত্ৰবিলাক তিব্বতীয় হৰফৰ। অপায় অমঙ্গল আৰু ভূত-প্ৰেত আঁতৰাই ৰাখিবলৈকে তিব্বতীয় সকলে এনেদৰে ঘৰৰ সমুখত গছৰ ডাল পুতি থয়।

নিংমাক উত্তৰ নিদিয়া দেখি নেপালী শ্ৰমিক দুজন একো আচৰিত নহ'ল। অপমানবোধো নকৰিলে। নিংমাৰ আচৰণত সিদিনাও সিহঁতে কোনো ব্যতিক্ৰম নেদেখিলে। সিহঁত ফটিকা খাবলৈ অহাটো যে মাক জীয়েক পচন্দ নকৰে সেই কথাও সিহঁতে বুজি পায়। তথাপি সিহঁত সদায় আহে। আৰু ফটিকাৰ ৰাগী ধৰিলে আবোল-তাবোল কথা উলিয়াবলৈ আৰম্ভ কৰে। নিংমাৰ মন পাবলৈ নানান প্ৰশংসা কৰে যদিও পেমাৰ ক্ষেত্ৰত ৰসাল মন্তব্য দিয়াতহে বেছি আনন্দ পায়। সিহঁত আহিলে পেমা উঠি যায়— মাকেহে বটল উলিয়াই দিয়ে। সিহঁত থকা সময়খিনিত পেমাই বিছনাতে বহি উল গুঁঠি থাকে। ৰং যোৱা পুৰণি উলেৰেই নিংমাই কিবাকিবি সদায় গুঁঠি থাকি ভাল পায়। সেই অভ্যাস পেমাৰ নাই। শিকাও নাই ভালদৰে।

'আৰে, পেমা শুই আছে কিয়? কিবা অসুখ নেকি বুঢ়ী আম্মা?' নিংমাক বুঢ়ী বুলি কবলৈ বয়সো হোৱা নাই। বয়স হিচাপ কৰিলে চল্লিছৰো দেওনা পাৰ নহ'ব কিজানি। অভাব-অনাটনে জুৰুলা কৰা নিংমাৰ দেহাত অকালতে বয়সৰ চাপ ফুটি ওলাইছে। চুৰ্মাঙত থাকোতে মুৰফণীয়াই য়াকৰ চৰ্বি সানি চুলি চিকচিকিয়া কৰি ৰাখিছিল। সেই চুলি এতিয়া টোকোৰাৰ বাহ যেন হ'ল। সদায় মাখন সানি নিমজ কৰি ৰখা গাল-মুখ আৰু হাত-ভৰিৰ চালৰ জেউতীও হেৰাল। জুই ফুৰাই ফুৰাই ফটিকা বনাওঁতে চকুও ধোঁৱাবৰণীয়া হ'ল। নৰবু উভতি অহাহেঁতেন নিংমাক কিজানি আন কোনোবা তিৰোতা বুলিয়েই ভাবিলেহেঁতেন।

'মদ খাবলৈ আহিছ মনে মনে বহি খাবি আৰু উঠি যাবি।' এই বুলি ফটিকাৰ বটল এটা আনি ঠেকেচা মাৰি থলে।

'আৰে আম্মা খং কৰা কিয ? আমি হ'লো তোমাৰ সদায অহা খৰিদ্দাৰ। তোমালোকৰ ভাল-বেযাৰ খবৰ লবই লাগিব নহয জানো আম্মা?' বুলি কৈ দুযোজন নেপালী বনুৱাই ঘেক্‌ঘেকাই হাঁহি উঠিল। সিহঁতৰ ৰসাল মন্তব্যই নিংমাৰ আত্মসন্মানত যেন আঘাত কৰিলে। তথাপি নিংমাই মনে মনেই থাকিল। ফটিকা খাই উঠি যাব বুলি ভাবি নিংমা গৈ পেমাৰ ওচৰতে বহি পৰিল। 'দিনটো গৰু খাটনে খাটো। গধূলি হ'লে ভাগৰ মাৰিবলৈ তোমালোকৰ ইযালৈকে আহোঁ। বেযা কিয পোৱা আম্মা? আমি লেবাৰ মানুহ, সস্তীযা ফটিকাকে খাওঁ। ব্ৰাণ্ডি হুইস্কি খাবলৈ পইচাও নাই। তোমালোবে ফাঁকো বিক্ৰী কৰি ভাত খাইছা – তোমালোকক দুপইচা দিবলৈ পালে আমিও ভাল পাওঁ জানা আম্মা।' ফটিকাৰ ৰাগীযে ক্ৰমান্বযে নেপালী দুজনৰ মন পাতল কৰি আনে। কথাও পাতল হ'ব ধৰে। সোনকালে খাই তহঁত যা। ইযাত চেলবেলাই থাকিব নেলাগে।' নিংমা বিৰক্ত হয।

'যাম যাম আম্মা। দুই এদিনতে ছুটি পাম। ছুটিত গ'লে উভতি নাহিবও পাৰোঁ। আহিলেও কিজানি তোমালোকক ইযাত আৰু লগ নাপাওঁ বা।'

উপযাচি আপোন হব বিচৰা নেপালী দুজনৰ কথা-বতৰাই পেমাকো বিৰক্ত কৰি তোলে 'আম্মা ইহঁতক আৰু নিদিবা।

'বাহ্ পেমা চেনীমাই, এতিযাহে আমাৰ কথা তোমাৰ মনত পৰিল নহযনে সাদৰি?'

সিহতঁৰ সস্তীযা মন্তব্য শুনি পেমাৰো খং উঠিল। নিজৰ দেশৰ মাটিত হোৱাহেঁতেন নৰবুযে ইহতঁক ডোখৰ ডোখৰকৈ কাটি চিলনি শগুণক খুৱালেহেঁতেন বুলি পেমাই ভাবিলে। ফটিকা বেচিলে বুলিযেই সমাজৰ দৃষ্টিত হীন হৈ যাব লাগিব নেকি বুলি পেমাৰ মনত ধিবকাৰ উপজিল। কাজিযা কি তাই নাজানে। কোনো দিনে কাৰো লগত বাক-বিতণ্ডাও কৰি পোৱা নাই। ভগনীযা হৈছে সঁচা কিন্তু সমাজৰ পেলনীযা আবৰ্জনাতো হোৱা নাই। কিবা এটা কৰি হলেও খাইছো। হাত পাতি মানুহৰ দুৱাৰে দুৱাৰেতো ঘূৰি ফুৰা নাই। অভাৱত পৰিছে যদিও স্বভাৱকটো বিক্ৰী কৰা নাই। পেমাক গোমোঠা মাৰি ভাবি থকা দেখি এজনে নেপালীতে গীত গাবলৈ আৰম্ভ কৰিলে।

বোলাওন্দেই বোল দেইনা

পেমা চেনীময়া লে
শুনাওন্দেই শুনদেই-না
কাঞ্চি ফুলমাযা লে
হো কি হৈনা-হো-হো-হো।

গানৰ লগে লগে থিয় দি ঠাইতে 'ঝাম্ৰে' নাচৰ পাক এটাও মাৰিলে। ফটিকাৰ ৰাগী তেতিয়া তুংগত। মুখৰ বচনেও লাগ-বান্ধ হেৰুৱাব খুজিলে। বছৰেকীয়া বন্দবস্তৰ অন্তত দুমাহৰ ছুটি পাই নেপাললৈ যাব সিও এক কথা। তাতে ৰূপৱতী ভগনীযা গাভৰুৰ অকলশৰীযা ঘৰত মদখোৱাৰ আনন্দই যেন ফটিকাৰ ৰাগীক বঢ়াই তুলিলে।

'তহঁতদুটা যাবি নে উলিযাই পঠিযাব লাগিব?' পেমা আৰু নেপালী দুটাৰ মাজত থিয় দিলে নিংমাই।

'আ-হা– খং কৰা কিয আম্মা? আৰু এবটল দিযা লগত লৈ ওলাই যাওঁ। এই লোৱা দুবটলৰ দাম।' এই বুলি টকা কুৰিটা উলিয়াই দিলে এজনে। নিংমাই টকা দহটা লৈ বাকী দহটকা ওভতাই দি দৰজাখনলৈ আঙুলিয়াই দেখুৱাব বিচাৰি হঠাতে ৰৈ গ'ল। তেতিয়া খটখটিৰ মুখত আহি থিয দিছিল তাদিক।

'আহা তাদিক আহা।'

নিংমাৰ আহ্বানৰ প্ৰতি কোনো সহাৰি নজনাই তাদিক থিয় হৈ থাকিল দুৱাৰমুখৰ খটখটিতে। চকুত তাৰ খং নাছিল, আছিল বিৰক্তিৰ ক্ষীণ আভাস। সমীৰৰ ঘৰৰ পৰা বাহিৰে বাহিৰে পেমাহঁতৰ তালৈ গুচি অহা কাৰণে তাদিকক পৰিশ্ৰান্ত দেখা গৈছিল। আঁঠুলৈকে চিটিকি পৰা বাটৰ বোকা ঠাযে ঠায়ে শুকাই বগা পৰি উঠিছিল। নিৰিবিলিত বহি পেমাই দিযা ফটিকা অলপ খোৱাটোৱেই তাৰ ইচ্ছা আছিল। নকওঁ নকওঁ বুলি মনতে সাঁচি থোৱা কথাটো আজিয়েই ক'ব বুলি নিজকে সি সিদিনা সাজু কৰিও আনিছিল। পেমাৰ গা-ধনৰূপে মাকে যিমান খোজে সিমান মূল্য মানি লবলৈকো সি সাজু হৈ আহিছিল। আজীৱন সিহঁতক পোহপাল দিয়াৰ দায়িত্ব ল'ব বুলি সিদ্ধান্তও লৈছিল। এই সকলো সিদ্ধান্ত সি লৈছিল লিমাকুৰিৰ পৰা ডাকৰ টোপোলাটো পিঠিত বান্ধি আহি থাকোতে। লিমাকুৰিৰ পৰা ত্ৰিশ কিলোমিটাৰ দূৰত্ব খোজকাঢ়ি আহোতে মাইলৰ খুটিবিলাক এডালৰ পিচত আনডাল কেনেকৈ পিচ পেলাই থৈ আহিছিল তালৈ তাৰ কোনো ভ্ৰূক্ষেপ নাছিল। মাজপথত সদায় বিশ্ৰাম লোৱা ঠাইবিলাকতো সি জিৰণি

নল'লে। সোৱণশিৰি নৈৰ পাৰৰ শিলনিত বহি সি পিঠিৰ বোজাতো খন্তেক নমাই থৈছিল মাত্ৰ। আগবাঢ়ি গৈ পানীৰ যুঁৰলিত হাউলি দুহাতৰ তলুৱাৰে আজলি ভৰাই পানী খাই উভতি আহিছিল শিলটোলৈ। ডাকৰ টোপোলাৰ লগতে ওলোমাই বান্ধি অনা সৰু টোপোলাটো খুলি লৈছিল। কৌ পাটেৰে মেৰিয়াই আনা টোপোলাটোত আছিল শিমলুআলু কেইডোখৰমান। বাৰ্কলি এৰুৱাই সিজোৱা আলু এডোখৰৰ এটা মূৰ ভাঙি মুখত দিলে। দুডোখৰ মান খাই বাকী থকাখিনি সোৱণশিৰিৰ বোৱঁতী পানীলৈ দলিয়াই দিলে। ঠাইখিনি ঘাগৰি, কাণ তাল মাৰি ধৰা হো-হোৱনি শব্দ। আনদিনাখন হোৱা হলে সি গোটেইখিনি আলু খাই নৈৰ পাৰৰ তপত বালিতে বাগৰি দিলেহেঁতেন। আজি তাৰ সময় নাই। আজি সি মনৰ কথাবোৰ খুলি ক'ব। নিংমাক হাতে-ভৰিযে ধৰি হলেও সন্মত কৰাব লাগিব। তাতো সৈমান নহলে সিহঁতৰ লগতে সিও তিব্বতলৈ গুচি যাব। তথাপি পেমাক সি নিজৰ কৰি লব। এযে তাদিকৰ সিদ্ধান্ত আছিল।

'আহা তাদিক। থিয় হৈ থাকিলা কিয় ?' নিংমাই তাদিকক পুনৰ মাতিলে। তাদিব ভাল ল'ৰা। খঙাল হয় যদিও অবুজ নহয়। সিহঁতৰ ঘৰলৈ আহি থাকে যদিও বহুৱালি নকৰে। ফটিকা খায যদিও মাত লামি কেতিয়াও কৰা নাই। ফটিকা খাই পইচা দিযে যদিও মূল্য বুলি হিচাপ নকৰে। পইচা কেতিযাও সি হাতত দিযা নাই। নিংমাইঁত বহা পিৰাৰ কাষতে টকা থৈ সি "যাওঁ দেই" বুলি কৈ খৰখেদাকৈ ওলায যায।

সি আহিলে পেমাও সলনি হৈ পৰে। মনৰ বিষন্নতা আঁতৰাই তাইও আহি মাকৰ পিচফালে জুহালতে বহে। মনদি তাদিকৰ কথাবিলাক শুনি থাকে। মাজে মাজে তাদিকলৈ নোচোৱাকৈও নাথাকে। তাদিকে হাঁহি উঠা কথা ক'লে তাইও হাঁহে। তাদিকে দেখাকৈ নাহাঁহে— লুকাই চুৰকৈ তলমূৰ কৰি হাঁহে। তাদিকৰ মনৰ দুৱাৰদলিত আহি থিয় দিও পেমা বিমোৰত পৰিছিল। অচিন দেশৰ অচিন ঠাইত আহি চিনাকি হ'বৰ সুযোগ পাইও তাই অচিনাকি হৈ থাকিব বিচাৰিছিল। এক গৰিমাময অতীত আৰু এক 'অনিশ্চিত ভৱিষ্যতৰ সীমাৰেখাত থিয় দি পেমাই মাকৰ পিচফালে লুকাই থাকিব বিচাৰে।

'মাতা— মাতা নিজৰ মানুহ আহিছে যেতিযা আমি অলাগতিযাল হৈ পৰিমেই।' শ্ৰমিকজনে কথাকিটা কওঁতে ভাবিও নেচালে কি কৈছে বুলি। আনহাতে তাক সাঙুৰি কোৱা অবাঞ্চিত কথাকিটাই তাদিকৰ কাণত যেন হুলে বিন্ধাদি বিন্ধিলে। লেবাৰ কৰি খাবলৈ অহা মানুহৰ খোচ মৰা কথা তাদিকে সহিবলৈ টান পালে। সি একেজাঁপে

দুবাৰ-দলিত উঠি কঁকালত হাত থৈ থিয় দিলে। আঙুলি টোৱাই শ্ৰমিকজনক মাত্ৰ 'কি কলি' বুলি সুধিলে।

'একো বেযা কথা কোৱা নাই তাদিক ভাই। এক বটল বেছিকৈ খুজিলো কিন্তু বুঢ়ী আম্মাই নিদিলে। আমি লেবাৰ মানুহ হলেও ফটিকা কিনিবলৈ পইচা আমাৰো আছে। নহয় জানো তাদিক ভাই?' ফটিকাৰ ৰাগীত কথাকিটা লেবাই লেবাই ক'লে যদিও চাঙৰ পৰা নামি যোৱাৰ কোনো ইচ্ছা নেদেখুৱালে। 'ওলা-ওলা। এতিযাই ওলাই যা বুলি কৈছোঁ নহয়' বুলি নিংমাই এখোজ আগুৱাই আহিল।

'যাম যাম আম্মা। খোদিব নেলাগে নহয়। আমিও কিনি খাওঁ, খুজিতো নাখাওঁ। পইচা দিলে লাকচিঙত বহুত ফটিকা পায। খোৱা ঠাইৰ অভাৱ লাগিছেনে? তোমালোক অভাৱত পৰিছা বুলিহে অলপ মৰম লাগি ইযাতে পইচাকিটা দি থৈ যাওঁ ' বেছি কথা কোৱা নেপালীটোৱে আৰু কিবা অলপ ক'ব খুজিছিল যদিও তাদিকৰ খঙাল চকু দুটালৈ চাই সি ৰৈ গ'ল। 'নামি যা ' বুলি তাদিকে খটখটি দুটালৈ আঙুলি টোৱালে। 'আজিৰ পৰা ইযালৈ আৰু নাহিবি' বুলি সকীয়াই দিলে।

'ঠিক আছে। নাহিলেও চলিব। ফটিকা খাবলৈ আৰু বহুত ঠাই পাম।'

উত্তৰ দিলে যদিও সেই উত্তৰত ভয়-শঙ্কা মিহলি হৈ আছিল। সিহঁতেও জানে তাদিক খঙাল বুলি। ভৈযামৰ পৰা কাম কৰিবলৈ অহা মানুহৰ বাবে লাকচিঙত কোনো নিৰাপত্তা নাই বুলি সিহঁতে জানে। সীমান্ত অঞ্চল বুলি গাঁৱৰ মানুহৰ কথাকেই চৰকাৰে প্ৰাধান্য দিযে। সিহঁতৰ প্ৰতিটো চাহিদা পূৰণৰ বাবেই চৰকাৰ ব্যস্ত হৈ থাকে। হাইডেল প্ৰজেক্টো খুলিছে গাঁৱৰ বিজুলী চাকিৰ পোহৰ বিলাবলৈ। সীমান্তৰ সিপাৰে যুদ্ধকালীন ক্ষীপ্ৰতাৰে গনমুক্তি বাহিনীযে সাজি আছে বিৰাট বিৰাট মটৰ আলি। ইপাৰৰ পৰা দিনে-নিশাই শুনি বিস্ফোৰণৰ লানি নিচিগা শব্দ। সোৱণশিৰিৰ ঘেলোটিয়া পানীয়ে বুজাই দিযে সেই বিস্ফোৰণৰ ৰহস্য। সেই ঘোলা-পানীত দুই এটা মৃত তিব্বতীয়ৰ গেলি-পচি যোৱা দেহাৱশেষো ওপঙি অহা ইপাৰৰ মানুহে দেখিছে। অকল মটৰআলি সাজোতেই চীনৰ গণমুক্তিবাহিনী ব্যস্ত হৈ থকা নাই। বিৰাট বিৰাট কৃষি পাম খুলিছে। গাহৰি, কুকুৰা আৰু যাকৰ পামো পাতিছে অনেক। হাজাৰ হাজাৰ মানুহে তাত দিনে-নিশাই কাম কৰিছে। মুখৰ মাত কাৰো নাই। গাঁওবিলাকো ভাঙি-ছিঙি সৈনিক শিবিৰৰ নিচিনাকৈ নতুনকৈ নতুন ঠাইত নি পাতিছে। নতুন ঘৰবিলাকো আগৰ নিচিনা

ৰং-বিৰঙৰ নহয়। শাৰীকৈ সজা ঘৰবিলাক দূৰৰ পৰা সৈনিক শিবিৰ যেনেই দেখি। গাঁৱত ওলাব সোমাবলৈ বাট এটাই। সেই বাটৰ মুখতে কাটাতাঁৰৰ মস্ত দুবাৰ। সেই দুৱাৰতে পহৰা দিয়ে সশস্ত্র হান সৈনিকে। ক'ৰ মানুহক ক'লৈ আনিলে তাৰ কোনো চিন-চাব নাই। জাত-পাতৰ চিন থকা পুৰণি পোছাকবিলাকো উঠাই দিয়া হৈছে। সকলোৱে নীলা কাপোৰকে পিন্ধে। পুৰুষ-মহিলা পোছাকো একেই। কোনজনী মহিলা কোনজন পুৰুষ ধৰিব নোৱাৰি। সকলোৰে চুলি একে ধৰণে চুটিকৈ কাটি পেলোৱা হৈছে। ধৰ্ম বুলিবলৈ সীমান্তৰ সিপাৰে আজি একো নাই। গাঁৱৰ মঠমন্দিৰ বিলাক ভাঙি পেলোৱা হৈছে। এই মঠ মন্দিৰৰ শিল পকী আলিত সিঁচি দি মানুহক বুজোৱা হৈছে প্ৰতিক্ৰীযাশীল যুগৰ অন্ত পৰিল বুলি। বিচিত্র কাৰুকাৰ্য্য কৰা মঠ-মন্দিৰৰ কাঠবিলাকেৰে সজা হৈছে জন্তু-জানোৱাৰৰ গোহালি। এযে 'চিংত্ৰো" বুলি জনসাধাৰণক প্ৰশংসাৰ হাত চাপৰি মাৰিবলৈ বাধ্য কৰা হৈছে বুলি ইপাৰৰ মানুহেও শুনিছে। ইপাৰৰ কাহিনী সম্পূৰ্ণ ওলোটা।

ইপাৰৰ মটৰ আলি সীমান্তলৈকে অহা নাই। জিলা সদৰতে শেষ হৈছে। সীমান্তলৈকে মটৰ আলি আহিলে, হিতে বিপৰীত হ'ব বুলি সীমান্ত প্ৰশাসনে সেই আলিবাট আধা খৰিযা কৰি থৈছে। আকৌ কেতিযাবা সীমান্তত যুদ্ধ লাগিলে এই আলিবাটসমূহেৰেই চীনাসকল হু-হুৱাই নামি আহিব পাৰে বুলি আধৰুৱা কৰি কৈছে এই আলিবাট। আন কথাত অৱশ্যে সীমান্ত প্ৰশাসনে সম্পূৰ্ণ উদাৰ নীতি অনুকৰণ কৰিছে। চিকিৎসালয পাতিছে যদিও স্থানীয পূজা-পাতলক বে- আইনী কৰা নাই। চৰকাৰী খাদ্য ভৰালৰ দুৱাৰ ৰাইজৰ কাৰণে মুকলি কৰি দিযাৰ লগতে কৃষি বিকাশৰ দিশতো গুৰুত্ব দিযা হৈছে। গণ চেতনাৰ মাধ্যমেৰে পুৰণা কু-প্ৰথাসমূহ ত্যাগ কৰাত উৎসাহিত কৰা হৈছে যদিও ভূত-প্ৰেত খেদাৰ পূজা-পাতলকো সমানে চলিব দিছে। আধুনিকতাৰ প্ৰভাৱ বিস্তাৰত সুবিধা দিয়া হৈছে যদিও গণসংস্কৃতিৰ বিকাশ অৱহেলিত কৰি ৰখা হোৱা নাই।

শিক্ষাই সংস্কাৰ আনিব পাৰিব বুলি সীমান্তবাসী প্ৰতিজন মানুহক শিক্ষিত কৰি তোলাৰ আঁচনি লৈছে প্ৰশাসনে। ভাৰতীয় জাতীয়তাবোধ গটি তুলিবলৈ লাকৃচিং সীমান্তলৈকে বিযপাই তোলা হৈছে ভাৰতীয় গণতান্ত্ৰিক জীৱনধাৰাৰ কাহিনী। নাগৰিকৰ কল্যাণেই ৰাষ্ট্ৰৰ মূল দায়িত্ব বুলি জনগণক বুজাই দিযা হৈছে।

এই বিবৰ্তন আৰু সংস্কাৰৰ মাজতো ঠায়ে ঠায়ে পুৰণি অভ্যাস কিছুমান থাকি যাব বিচাৰে। হাইডেলৰ বিদ্যুতে জ্বলোৱা চাকিৰ তলতেই আহি আন্ধাৰবোৰ যেন থুপ খাই পৰে। সেই এন্ধাৰতে আহি থিয় দিয়ে সুযোগ সন্ধানী অসৎ মানুহে। ফটিকা খোৱাৰ চলেৰে এজনী উদাস্তু গাভৰুৰ নিঃসহায় অৱস্থাক লৈ সিহঁতে হেতালি খেলিব বিচাৰে। চৰকাৰৰ উদাৰ নীতিকো এনে মানুহেই গচকি পেলায়। শান্তিৰ মাজতেই অশান্তিৰো জন্ম দিয়ে এনে হীন মনোভাবাপন্ন মানুহেই। 'কাইলৈৰ পৰা ইয়ালৈ নাহিবি।' গহীন আৰু স্পষ্টভাবেই কথাকিটা ক'লে তাদিকে। 'নাহিলেও আমাৰ চলিব। লাকচিণ্ডত জানো মদৰ অভাৱ আছে ?' ফটিকাৰ ৰাগীয়ে শ্ৰমিকজনক যেন সাহসী কৰি তোলে। 'কথা বঢাই নলবি। মনে মনে নামি যা।' তাদিকৰ আচৰণ হঠাতে সলনি হৈ পৰে। কিবা এটা আশংকাত নিংমো আগবাঢি আহি পৰিস্থিতি চম্ভালি লবলৈ চেষ্টা কৰিলে। 'তোমালোকৰ ঠাইলৈ কাম কৰি খাব আহিছো বুলিয়েই কুকুৰ মেকুৰী বুলি কিয ভাবি লৈছা তাদিক ? দেশ এখন আমাৰো আছে। ৰজা আমাৰো আছে। আই, বোপাই, ভাই, ভনী      ' নামি যাওঁতে যাওঁতে ভোৰ্‌ভোৰাই কথাবিলাক ক'বলৈ আৰম্ভ কৰাতেই নিংমাই ধমক দি উঠিল। লাক্‌চিণ্ডত ভঙা ভঙা হিন্দী ভাষাই যোগাযোগৰ মাধ্যম। বিগত বছৰকিটাত নিংমাইঁতেও এই স্থানীয় ধৰণৰ হিন্দী বুজিব আৰু ক'ব পৰা হৈছে। 'তইঁতৰ চৰম বুলিবলৈ একো নাই নহয়নে ?'      নিংমোক আৰু ক'বৰ সুযোগ নিদিলে তাদিকে। 'আমা তুমি আঁতৰি দিয়া, আজিয়েই ইহঁতৰ হিচাপ লৈ লওঁ বুলি তললৈ নামিব খোজোতেই পেমাই আহি তাদিকৰ বাওঁহাতখন খামোচ মাৰি ধৰিলে।

'কাজিয়া কৰিব নেলাগে। ওপৰলৈ উঠি আহা।' ওপৰলৈ চাই পেমাক দেখি তাদিক নিমিষতে শান্ত হৈ পৰিল। ইমানদিনে পেমাই তাৰ লগত কথাও পতা নাছিল। আজি হাততে ধৰা দেখি তাৰ মন কুমলিল। সি ওপৰলৈ উঠি আহিল যদিও আবোল তাবোল বকি যোৱা নেপালী দুটালৈ কেৰাহীকৈ চাবলৈ নেৰিলে।

তাদিক আহি জুহালত বহিল যদিও তাৰ মনত সৃষ্টি হোৱা ক্ৰোধ থাকি গ'ল। আনদিনা মাকে আগুৱাই দিয়া ফটিকা বটল আজি পেমাই নিজে আগুৱাই দিলে। বাতি এটাও ধুই দি আলু কিটাও পিটিকা কৰিলে। পেমাই আলপৈচান ধৰা দেখি তাদিকৰ মন সহানুভূতিৰে উপচি পৰিল। নিংমাইঁতক যিদিনা নৰবুৱে সীমান্তত থৈ গৈছিল সিদিনা তাদিকো উপস্থিত আছিল আৰক্ষী চকীত। গাঁৱৰ মানুহৰ সতে সিও আগবাঢি

গৈছিল তিনি কিঃমিটাৰ পথ। স্বধৰ্মৰ মানুহ ভগনীয়া থৈ অহা দেখি লাক্‌চিংবাসীয়ে পূৰ্ণ সহযোগিতা আগবঢাইছিল। ভগনীযাসকলৰ টালি-টোপোলাও গাঁৱৰ মানুহেই কঢিযাই আনিছিল। পেমাক সিদিনাই দেখিছিল তাদিকে। দেখি ভাল লাগিছিল তাৰ। ৰমক জমক কাপোৰ পিন্ধি অহা পেমাক দেখি সম্ভ্ৰান্ত ঘৰৰ মানুহ বুলিযেই ধৰি লৈছিল তাদিকে। লাক্‌চিংবাসীৰ তুলনাত যে সিহঁত আঢ্যবন্ত ঘৰৰ মানুহ আছিল তাতো কোনো সন্দেহ নাছিল তাদিকৰ। তাৰ পিচত চীনাসকলে সীমান্ত পাৰ কৰি ভাৰতলৈ সোমাই অহাত তাদিকহঁতৰ লগতে পেমাহঁতো গুচি গৈছিল ওখ পৰ্বতলৈ এনেদৰেই পেমাৰ সান্নিধ্যলৈ ওচৰ চাপি গৈছিল তাদিক। মাকে বিযাৰ কথা কওঁতে পেমাৰ কথাই মনলৈ আহিছিল প্ৰথমে। জাতে পাতে নিমিলা ছোৱালী হ'লে হবনে নহয সেই কথাও সুধি চাইছিল মাকক। কিন্তু সোধা নাছিল পেমাক। সোধা নাছিল নিংমোকো। নিজে ক'লে কওঁক বুলি ৰৈ আছিল ইমান দিনে। কিন্তু সিহঁতৰ বাটি অহা দুখ-কষ্ট দেখি তাদিকে নিজেই কথাটো উলিযাব বুলি মনস্থিৰ কৰি আহিছিল। কথাটো আৰু উলিযাবৰ নহ'ল। হাইডেলৰ শ্ৰমিক দুজনৰ আচৰণে তাৰ মনটোত খেলি-মেলি লগাই দিলে। সিহঁতে পেমাহঁতৰ দুৰৱস্থাৰ সুযোগ লব বিচৰা বুলি ভাবি তাৰ মন কঠোৰ হৈ উঠিল।

'ইমান মনে মনে আছা কিয তাদিক? নিংমাই প্ৰশ্ন কৰিলে।

'ইহঁত দুটাৰ অতপালি যেন দিনে দিনে চৰি যাব ধৰিছে।' তাদিকে শান্তভাৱেই উত্তৰটো দিলে।

'সেই কথাতে লাগি থাকিব নালাগে তাদিক। সৰু মানুহৰ সৰু কথা। তুমি ভাবিব নেলাগে। মযে সিহঁতৰ অহাতো বন্ধ কৰি দিম বাৰু।

নিংমাই কথাটো ক'লে যদিও দুজন নিযমিত গ্ৰাহক হেৰুৱাবৰ সম্ভাৱনাত মনটো সেমেকি উঠিল।

'ইহঁতে অলপ খালেই আবোল তাবোল বকিবলৈ আৰম্ভ কৰে। কাইলৈ আহিলে লৈ যাব দিম, ইযাত বহি খাব নিদিওঁ।'

নিংমাৰ কথাত তাদিকে একো মাত নামাতিলে। কথাটো ভাল পালে নে বেয়া পালে তাকো বুজা নগ'ল। ফটিকা খোৱাতো তাৰ মন নবহিল। খাবলৈ আহিছে বুলিয়েই খালে। খালে যদিও ফটিকাৰ ৰাগীযে আনদিনাৰ নিচিনা তাৰ কাণ দুখন তপতাই তুলিব নোৱাৰিলে।

'খাবলৈ ভালপোৱা নাই যেন পাওঁ নহয়নে আমা?' নিংমোৰ পিচপিনে বহি থকা পেমাই প্ৰশ্নটো মাককে কৰিলে যদিও লক্ষ্য আছিল তাদিক হে। তাৰ ফটিকা খোৱা লেহেম গতিলৈ চাযে কথাটো ক'লে পেমাই। আনদিনা তাদিকৰ কথা ধেমেলীযা হয। চকু দুটাও ঘূৰি ফুৰে ঘৰটোৰ চাৰিওপিনে। সেই দৃষ্টি ঘূৰি ঘূৰি উভতি আহে পেমাৰ চকুলৈ। নানান কথা কৈ হঁহুৱাব খোজে পেমাক। পেমাই কথা নাপাতিলেও তাৰ ক্ষোভ নেথাকে। সি কোৱা কথাবিলাক পেমাই মনদি শুনি আছে বুলি জানিলেই তাৰ মন তৃপ্তিৰে উপচি পৰে।

'ঠিকেইতো আছে। আনদিনা যেনেকুৱা আজিও তেনেকুৱাই পাইছোঁ।' পেমাৰ প্ৰশ্নৰ উত্তৰো তাদিকে তেনেদৰেই দিলে। উত্তৰ দিলে যদিও হাইডেলৰ শ্ৰমিক দুটাৰ কথাটোক তাদিকে মনৰ পৰা মচি পেলাব নোৱাৰিলে। লিমাকুৰিৰ পৰা উভতি আহোতে মনতে আওৰাই অহা কথা কিটা ক'বলৈকো সি সুযোগ বিচাৰি নাপালে।

'কথা দুটা কম বুলি ভাবি আহিলো তাদিক ৰৈ গ'ল 'কাইলৈ কম বাৰু'।

কি কথা ক'ব খুজিছা কৈ নিদিযা কিয তাদিক? ইমান ডাঙৰ কথানে যে ক'বলৈ আৰু এদিন সময লাগিব? আজিযে কৈ দিযাতনো কি অসুবিধা পাইছা?' কথাতো জানিবলৈ নিংমাৰো আগ্ৰহ ওপজে।

'ডাকলৈ আৰু দুদিন আছে। লাহে ধীৰে কাইলৈকে কম।' এই বুলি কান্ধত ওলোমাই অনা বেগটোৰ পৰা নোট কেইখিলামান উলিযাই ললে। "এই লেবাৰ দুটা বৰ অধম মানুহ। আনৰ দুখ বুজিব নোখোজে। সিহঁতক মযে চিধা কৰিম।" এই বুলি কৈ নোট কেইখিলা বটলটোৰ কাষতে থৈ তাদিক থিয হ'ল।

'কাজিযা-পেচাল নকৰিবা তাদিক। চৰকাৰে আমাকেই দুষিব। জানাইতো ফটিকা বেচি জীযাই আছোঁ। আউল লাগিলে আমি নিৰুপায়ত পৰিম।'

নিংমাই ঠিকেই আশংকা কৰিলে। ঘৰতে ফটিকা কৰি খোৱাত চৰকাৰে আপত্তি কৰা নাই, কিন্তু ৰাজহুৱা মদিৰালয পতিবলৈ অনুমতি দিব নোৱাৰে। নিংমোইঁতেও এই কথা বুজি পায।

নিংমোৰ কথাটোৰ কোনো উত্তৰ নিদিয়াকৈয়ে তাদিকে দুৱাৰমুখলৈ খোজ আগবঢ়ালে। তলৰ খটখটিত ভৰি এখন থৈ সি হঠাতে থমকি ৰ'ল। উভতি আহি মোনাটোৰ পৰা কাগজেৰে মেৰিওৱা টোপোলা এটা উলিয়াই ললে। "মোৰ নিজৰ

বুলিবলৈ আই আৰু ভনী এজনী আছে। ভনীজনীও এদিন বিয়া হৈ গুচি যাব। আযো সদায় নেথাকে। এদিন মযো অকলশৰীয়া হৈ পৰিব লাগিব।"

এই বুলি কৈ টোপোলাটো নিংমাৰ কাষতে চাঙত থৈ দি তাদিকে খৰ খোজেৰে ঘৰটোৰ পৰা ওলাই গুচি আহিল। নিংমাই কিবা ক'ব বিচাৰিছিল যদিও কবলৈ নেপালে তাদিকে তেতিয়া আন্ধাৰে আন্ধাৰে নিজৰ ঘৰলৈ বুলি বেগাই গৈ আছিল।

নিংমাই টোপোলাটোৰ কাগজ গুচাই দেখিলে এপাত পঞ্চ ধাতুৰে গঢ়া বাখৰুৱা বালা। ছোৱালীৰ গা ধনৰ লগত দিয়া এপদ পৰম্পৰাগত স্থানীয় সম্পদ। বৰ আপুৰুগীয়া।

(৩)

পিচদিনাৰ কথা।

'অ' তাদিক আহিলা? কি খবৰ যাচি?' ককাযেক আৰু ভনীযেকক সমীৰে দুৱাৰমুখেতে আদৰিলে। তাদিক আহিব বুলি সমীৰে জানে। ডাকত অহা চিঠিবিলাক বিলাব লাগে। সেইটো ডাকোৱাল তাদিকৰে কাম।

'এইখন চিঠি গুদাম বাবুৰ।

'এইখন কম্পাউণ্ডাৰ সোণোৱালৰ।'

'পলিটিকেলৰ বৰুৱা কেৰাণীৰ এই কেইখন চিঠি।

'এই কেইখন নি চিপাহী কেম্পত দিবা। লগতে এই বাতৰি কাগজকিখনো দেই।'

'কো-অপাৰেটিভৰ চাহা বাবুক এই তিনিখন দিবা।' সমীৰে চিঠিবিলাক বেলেগে বেলেগে ভাগ কৰি দিযে।

'ইমানবোৰ মনত থাকিব নে মোৰ?' তাদিকৰ লিখা-পঢ়া নাই। নাম পঢি চিঠি বিলাব নোৱাৰে গতিকে সঁচা সমস্যাটোকে অকপটে কৈ পেলালে।

'তুমিও যে আৰু তাদিক — এতিয়াহে কৈছা মনত থাকিবনে নাই। কিমান কলো লিখিব-পঢ়িব শিকা, মযে শিকাম। নুশুনিলা। এতিযা কৈছা মনত বা থাকে নে নেথাকে।' সমীৰে তাদিকক ভৰ্ৎসনা কৰিলে যদিও তাদিকৰ গাত নেলাগিলে। সমীৰক সি ককায়েকৰ নিচিনা ভাল পায়, ভক্তিও কৰে।

'কি কৰিম চাৰ। লিখা-পঢ়াৰ কথাবিলাক মূৰতে নোসোমায। এইটো মূৰ নহয।

'শুকান গছৰ মুঢ়াহে যেনিবা।' তাদিকে বন্ধ মুঠিটোৰে মূৰটো খুন্দিয়াই হাঁহিব ধৰে। সমীৰেও হাঁহে। যাচি তেতিয়া জুহালত। ফুৰাই ফুৰাই জুই ধৰিছিলে। স্কুলৰ সময় হ'লে প্ৰথমে তাই সমীৰৰ ঘৰটোলৈকে আহে, সিহঁতৰ ঘৰৰ পৰা সমীৰৰ ঘৰটো দেখি। তাই আহি সাৰি মচি ঘৰটো চিকচিকীয়া কৰে। ওচৰৰ নিজৰাটোৰ পৰা বাঁহৰ চুঙাত পানীও আনি থয়। কিবা বাচন-বৰ্তন থাকিলে তাকো ধুই লুটিয়াই থয়। সমীৰে ভাত সিজাব বহিলে তাই লাচনি পাচনি কৰি দিয়ে। তাৰ পিচতহে স্কুললৈ যায়।

'এইসোপা "হাইডেলৰ" বুলি এজাপ চিঠি আৰু বাতৰি কাকত আগুৱাই দিলে তাদিকলৈ। মুখত তাৰ বিৰক্তিৰ ভাব।

'কোনোবা স্কুলত পঢ়া ল'ৰাৰ হাততে এইখিনি দি পঠাব চাৰ। মোৰ যাবলৈ মন নাই।' আগদিনাৰ কথা তাৰ মনত পৰিল।

'আজি আকৌ মন নোযোবা হ'ল কিয় তাদিক?'

'এনেয়ে যাবৰ মন নাই।' অলপ বৈ কিবা ভাবি "হ'ব বাৰু দিয়ক, কাৰোবাৰ হাততে দি পঠাম।"

'পিচে কাৰ চিঠি কাক নি দিবা মনত থাকিবনে?'

'চাই লওঁ বাৰু এবাৰ।' এই বুলি বেলেগে বেলেগে ভাগ কৰি থোৱা চিঠিবিলাকৰ ওপৰেৰে তাদিকে এবাৰ চকু ফুৰাই চালে।

এইখন গুদাম বাবুৰ নহয় জানো চাৰ?'

'অ' হয়।'

'এইখন সোনোৱাল চাৰৰ হ'ব কিজানি।'

'নহয় নহয় এইখন খেতি বাবুৰহে। এসোপা ডাক আহিলেই তোমাৰ খেলি মেলি লাগি যায। কাৰ চিঠি নি ক'ত দিবাগৈ ঠিকনা নাথাকে।'

'তেনেহলে কিবা চিনকে দি দিয়ক চাৰ। চিনটো চালেই গম পাম।' তাদিকে উপায় উলিয়াই দিযে।

'কি চিন দিম কোৱা? ৰঙা নীলা দিম নেকি?'

'নহ'ব। তাতো ভুল লাগি যাব। তাতকৈ চিঠিৰ ওপৰতে ছবি আঁকি দিয়ক তেতিয়া ভুল নহ'ব।'

আদিম যুগৰ পৰা চলি অহা জনজাতীয় পদ্ধতিৰে সহায় ল'ব বিচাৰিলে তাদিকে। লিখা-পঢ়া নজনা বা আখৰ নজনা আদিম সমাজে স্মৃতিৰ ওপৰতেই নিৰ্ভৰ কৰি চলি আহিছে অনন্তকাল। বাঁহৰ শলাকাঠি নাইবা ৰছীত বন্ধা গাঁঠিতেই হিচাপ ৰাখি থৈছে বহু পুৰুষৰ সঞ্চিত সম্পদ।

'কেনেকুৰা ছবি মই বুজা নাই তাদিক। সমীৰো বিমোৰত পৰে।

'এই ধৰক চাৰ খেতি বাবুৰ চিঠিত বেঙেনা, গুদামবাবুৰ চিঠিত ঘৰ, চিপাহীৰ চিঠিত বন্দুক এনেধৰণৰ নহব'নে?

'হ'ব হ'ব,' বুলি মূৰে-কপালে হাত থৈ সমীৰ বৰাই হাঁহিব ধৰিলে। আদিম যুগত যেতিয়া আখৰৰ আৱিষ্কাৰ হোৱা নাছিল সিদিনাও মানুহে মাটিত বা গুহাৰ বেৰত নানান ছবি আঁকি মনৰ ভাৱ প্ৰকাশ কৰিছিল। সেই ছবিৰ অৰ্থ আজিৰ মানুহে থূলমূলকৈ উলিযাব পাৰিছে যদিও সম্পূৰ্ণ কাহিনীৰ ৰহস্য উদ্ঘাটন কৰিবলৈ এতিযাও বাকী। তাদিকৰ ক্ষেত্ৰতো সেযে হ'ল। ছবি চাই চিঠি বিলাবলৈ সহজ উপায় কৰি ল'লে।

"চিঠিখিনি বিলাবলৈ কিমান সময় লাগিব তাদিক ? তেতিয়া দহমান বাজিছিল।

"এই যাম আৰু এই উভতি আহিম।" হাতৰ ইংগিতেৰে অহা যোৱাটোক দেখুৱাইও দিলে। সমীৰৰ তালৈ আহিলে তাদিক একেবাৰে সাধাৰণ যুৱক হৈ পৰে। সমীৰ ডাঙৰ চাকৰিযালো নহয়। প্ৰাথমিক স্কুলৰ শিক্ষক মাত্ৰ। অথচ এই সমীৰক দিনটোত এবাৰ লগ নেপা'লে তাদিকৰ নচলে।

বৰষুণ দিলে ছাতি লৈ আহে আৰু বৰফ পৰিলেও নহাকৈ নাথাকে। সমীৰ উচ্চ পৰ্য্যাযৰ বিষযা হোৱাহেঁতেন তাদিক হযতো নাহিলহেঁতেন। জনজাতি সমাজতো পদ আছে যদিও পৃথক মৰ্য্যাদাৰ বাধ্যবাধকতা নাথাকে। সমানতা এই সমাজৰ মূল আধাৰ। মনেমিলা মানুহ পালে এই সমাজৰ মানুহ তেজে মঙহে আপোন হৈ পৰে। পদমৰ্য্যাদা বা ধনসম্পদৰ তুলাচনীৰে সিহঁতে কাকো জুখি নাচায।

'আজি দেওবাৰ। স্কুলো বন্ধ। একেলগে ভাত সাজ খাম। ভাল লাগিব, নহয়নে তাদিক? ঘৰৰ চিঠিত খবৰ এটা পাইছোঁ -- চিঠি বিলাই তুমি উভতি আহিলে কম বাৰু।'

'ঠিক আছে চাৰ।' এই বুলি তাদিক জুহাললৈ গ'ল, নিজৰ দোৱানতে য়াচিক কিবাকিবি কৈ তাদিক ডাক বিলাবলৈ ওলাই গ'ল।

'ককাযেৰে কি কৈ গ'ল অ' যাচি?'

একো কোৱা নাই। 'আমা'ৰ খবৰ কৰি আহিব বুলি কৈছে। ঘৰত আছেনে খেতিলৈ গ'ল চাব কৈছে।'

'যা তেনেহেলে।'

'অ' যাওঁ' বুলি যাচি ঘৰলৈ লৰ মাৰিলে। অলপ পিছতে ফোপোই-জোপাই তাই আকৌ উভতি আহিল। হাতত লৈ আহিলে আলু এটোপোলা আৰু আপেল কেইটামান। লাকৃচিঙত আপেল অপৰ্য্যাপ্ত। ঘৰে ঘৰে চাৰি-পাঁচজোপাকৈ গছ আছে। লহনা লহনকৈ লাগে। দুই এজনে বাগিচাও পাতিছে। বাঁহৰ টোমত ভৰাই লিমাকুৰিত বেচে।

'কি সিজাইছ যাচি? চাও মোক দে' বুলি কাঠৰ পিৰাখনতে বহি সমীৰে ভাত ৰন্ধাত লাগিল। হাজাৰ ফুট উচ্চতাত সিজাবলৈ ভৈয়ামতকৈও অলপ বেছি সময় লাগে। ভকভকাই উতলিলেও দাইলে ফাটহে মেলে, গলি নাযায়। পানীৰ বাবেই তেনেকুৱা হয়নে উচ্চতাই আনটো কাৰণ সেই কথালৈ কোনেও মন নকৰে। সিজাব লাগে সিজাই থাকে। বাৰ মান বজাত তাদিক উভতি আহিল। মোনাটোৰ পৰা চাল-বাকলি গুচোৱা মস্ত কুকুৰা এটা উলিয়াই দিলে য়াচিকে।

'যাচি এইটোকে সিজা।'

'তাদিক এইটো কি কৰিলা হয়নে? যি আছে তাকেই খালোহেঁতেন।' সমীৰে আপত্তি কৰিলে যদিও তাদিকৰ ইচ্ছাকো প্ৰত্যাখ্যান নকৰিলে।

'আপোনাৰ চিঠিত ভাল খবৰ আহিছে কাৰণেই কুকুৰাটো আনিলোঁ। কওঁকচোন চাৰ, কি খবৰ আহিছে?'

জুহালৰ এচুকত তাদিকো বহিল।

'মোৰ বাবে হেনো ছোৱালী চাইছে। দেউতাৰ পচন্দও হৈছে।'

'হয় নেকি চাৰ? বঢ়িয়া কথা। এইবাৰ নামি গ'লে লগতে লৈ আনিব লাগিব কিন্তু।' কামটো সম্ভৱ নহয় যদিও তাদিকে সেই প্ৰস্তাবকে আগবঢ়ালে।

'বাইদেউ আহিলে কিন্তু মই ইয়াতেই থাকিম কৈ দিলো আছি।' ট পৰাই মাত

দিলে য়াচিয়ে। ককায়েকক সিহঁতে আছি বুলিয়েই সম্বোধন করে।

'ৰ'বা - ৰ'বা ছোৱালী চাইছেহে মাত্র। মোৰ কি ইচ্ছা জনাব দিছে।'

'এহ্ চাৰ ইচ্ছা তিচ্ছা কি আছে।হ'ব বুলি লিখি দিয়ক। পৰহিৰ ডাকত সেই চিঠি মযে লিমাকুৰি পঠাই দি আহিম।'

'হ'ব বাৰু তাদিক। তেনেদৰেই লিখি দিম। পিচে ইয়ালৈ আনিম কেনেকৈ? ইমান দূৰ।' সমীৰে আচল কথাটোকে ক'লে। মটৰ আলিৰ পৰা লাকচিং পাবলৈ বাৰ দিন খোজ কাঢ়িব লাগে। মাজতে সোৱণশিৰি নৈ তিনিবাৰ নেওচিব লাগে। তাঁৰৰ ওলমা দলঙেৰে নৈখন পাৰ হওতে অলপ ধতুৱা চৰকাৰী মানুহৰো আঁঠুৰ ঘিলা কঁপি যায়।

'সেইটো মোৰ কাম। পিঠিত চকী এখন বান্ধি তাতে তুলি লৈ আহিম। কিমাননো ভাৰী হব। পঁচিশ, ত্রিশ কেজি ওজন মোৰ বাবে একো নহয়।'

সঁচা কথা। তাদিক ওখ-পাখ বলবান ডেকা। কলাফুলো একোটা ভীমকলৰ ডিলটো মান হ'ব। বিমানে মাল পেলাই গ'লে কুৰি কেজি চাউল থকা তিনিটা বস্তা সি এবাৰতে দাঙি লৈ আহে।

'ইযালৈ আহি, যাওঁ যাওঁ কৰে যদি ?' সমীৰৰ আশংকাও অবান্তৰ নহয। আজিলৈকে লাকচিঙত কোনো চৰকাৰী মানুহে ঘৈণীযেকক লগত আনি ৰখা নাই। এবাৰ গুদাম বাবুয়েও আনিছিল। এমাহতে কান্দি-কাতি নোখোৱা নোবোলা হ'ল। সমীৰহঁতে সান্ত্বনা দিবলৈ গৈ গিৰিযেক ঘৈণীয়েকৰ মাজত উখনা উখনি দেখি উভতি আহিছিল।

'মই থাকিম নহয় চাৰ— কি চিন্তা' বুলি খিলখিলাই হাঁহিব ধৰিলে যাচিয়ে। আফৰী যাচি কথাতো বৰ খৰ। মুখতে উত্তৰটো যেন লাগি থাকে।

সিহঁতে খাই -বৈ উঠে মানে ভৰ দুপৰ হ'ল। চাফ চিকুণ কৰি য়াচি গ'লগৈ ঘৰলৈ।অকণমানি ট্রেনজিষ্টাৰটো চলাই দি তাদিকে হিন্দী বোলছবিৰ গীত শুনাত লাগিল। সদৰত গৈ সি কেইবাবাৰো বোলছবি চাই আহিছে। প্রথমতে আচৰিত হৈছিল। পিচত আগ্রহ বাঢ়িছিল। পিচলৈ চেহ্ চেহ্ চুহ্ চুহ্ কৰিব ধৰিলে।

'মানুহবিলাকৰ একদম চৰম নাইনেকি চাৰ? সকলোৱে দেখাকৈ সাবটা সাবটি কৰে কেনেদৰে?'

'এইবিলাক চিনেমাৰ কথা। আজিকালিৰ মানুহে এইবিলাক চাযে ভাল পায। তাৰবাবে পইচাও খৰচ কৰে।'সমীৰে মিচিকিযাই উত্তৰ দিলে।

'আমাৰ ইযাত এনে কৰিলে বহুত জৰিমণা ভৰিব লাগিব।'

জনজাতি সমাজত নগ্নতা আছে সঁচা, কিন্তু ব্যভিচাৰ নাই। জনজাতি সমাজত ভালপোৱা, প্ৰেম-প্ৰীতি আছে যদিও কৃত্ৰিমতা নাই। ভালপোৱাই বহুতো যুৱক-যুৱতীক মৃত্যুৰ মুখলৈকে টানি লৈ গৈছে যদিও উভতি চোৱা নাই। সিহঁতে সমাজৰ ৰীতি-নীতি ভাঙিব পৰা নাছিল যদিও আত্মসমৰ্পণো কৰা নাছিল।

'ইযাৰ ৰীতি-নীতি বেলেগ তাদিক। তোমালোক আধুনিক পৃথিৱীৰ পৰা বহুত আঁতৰত আছা যদিও ভালেই আছা। অভাৱ আছে যদিও তোমালোকৰ জীৱন কৃত্ৰিমতাৰে কলুষিত হোৱা নাই। এদিন কিন্তু তোমালোকো এই বিষাক্ত চক্ৰত সোমাই পৰিব লাগিব।' সমীৰে আধুনিকতাৰ প্ৰভাৱক বুজাবলৈ চেষ্টা কৰে।

এনেদৰে কথা পাতি দুযো বহুত সময় কটাই দিলে। তাদিকৰ এতিযা আজৰি সময। মংগলবাৰেহে ডাকলৈ যাব লাগিব। মাজতে সোমবাৰতো আছেই।

'চাৰ কাইলৈ নৈত মাছ ধৰিব যাম— যাবনে?'

'স্কুল এৰি কেনেকৈ যাম তাদিক?'

'মই আগতে যাম। আপুনি স্কুল ছুটিৰ পিছত হলেও আহিব- নহ'বনে?' তথাপিও তাদিকে সমীৰৰ সান্নিধ্য বিচাৰে।

'সেই আগৰ ঠাইলৈকে যাবানে?' সোৱণশিৰি নৈৰ নিৰ্দিষ্ট ঠাইতহে মাছ ধৰিব পাৰি। সেইবিলাক ঠাইত মাছো থাকে ওগাইৰহকৈ। বৰশীত খোৱা মাছ বিধ দীঘল, গাটো ৰঙা। ডাঙৰ হ'লে তিনি চাৰি কেজিলৈকে ওজন হয়। এই মাছ বৰফ চেঁচা পানীতহে থাকে। কণীবিলাক বৰালি মাছৰ কণীৰ নিচিনা। সেই কণী সহৰকৈ খালে শৌচ বমি হয বুলি সকলোৱে জানে।

'হয। অলপ ইফালে সিফালে থাকিলেও দেখি পাব।'

সীমান্তবাসীৰ কাৰণে মাছ বৰ প্ৰিয খাদ্য নহয়। ডেকা ল'ৰাবিলাকেহে খায়। বয়সিয়াল বিলাকৰ এজনেও নাখায। এই পৰম্পৰা তিব্বতৰ সীমা পাৰ হৈ লাকৃচিং অঞ্চলো পাইছে। তিব্বতত মানুহে নৈৰ মাছ নাখায়। দুখীযা মানুহ বা সমাজ পৰিত্যক্ত মানুহ মৰিলে নৈৰ পানীত সমাধি দিয়ে। তেনে মানুহৰ

মৃতদেহবিলাক কাটি-বাচি ডোখৰ ডোখৰকৈ নৈৰ পানীত দলিযাই দিযে মাছে খাবলৈ। মৃতদেহ সৎকাৰৰ সিও এক তিব্বতীয পদ্ধতি।

লাবচিঙত মৃতদেহ পানীত সমাধিস্থ কৰাৰ নিযমনচলে। মাটিতে পুতি থয যদিও মাছনোখোৱা অনিহাটো সীমান্ত পাৰ হৈযে আহিছে।

'ঠিক আছে যাম বাৰু বুলি সমীৰে শলাগি থ'লে। যাবলৈ তাৰ বৰ এটা মন নাছিল। প্ৰায ডেৰ হাজাৰ ফুট নামি গলেহে নৈখন পাব। নামি যোৱা বাটটোও বৰ থিয। নামি যাওতে যেন-তেন। কিন্তু উঠি আহোতে ছয ঠাই মানত থিয দি জিৰাব লাগে। অৱশ্যে তাদিকৰ বাবে এই উঠা-নমা তেনেহ সাধাৰণ কাম।

'অ' চাৰ কথা এটা ক'বই পাহৰি আছো নহয। ক'বলৈ লাজো লাগিছে—কম জানো? ওলোটাই সিহে সমীৰক প্ৰশ্ন কৰিলে।

'কৈ দিযা— কিহৰ লাজটো কৰিব লাগে।

'কালি হাতত পিন্ধা খাৰু এপ'ট পেমাৰ মাকৰ ওচৰত থৈ আহিছোঁ। মানে দি আহিছোঁ।

'হযনে? বুলি সমীৰে বিছনাৰ ওপৰতে খপজপাই উঠি বহিল।

'হয চাৰ। দি থৈ আহিছোঁ। ৰাখেনে ওভোতাই দিযে একো নাজানো। আজি গ'লেহে ফযচলাটো হ'ব।' নিংমাই যে প্ৰস্তাৱ মানি ল'ব সেই ভৰষা তাদিকৰ অকণো নাই। আজিলৈকে তেনে কোনো ইংগিতো তাদিকে পোৱা নাই। নিংমাৰ মুখত তিব্বতলৈ উভতি যোৱা কথাটোকেহে সদায শুনি আহিছে। গতিকে সীমান্তৰ ইপাৰে থকা আন জাতিৰ ডেকা এজনলৈ পেমাক যে দিব সেই আশাও তাদিকে নকৰে। নিংমাই দুখত পৰিছে যদিও আত্মপৰিচযক যে পৰিত্যাগ কৰা নাই তাৰ বহুত প্ৰমাণ তাদিকে দেখিছে। তথাপি তাৰ মনে মনা নাই। পেমাৰ মোহত যে সি বাৰুকৈযে বন্দী হৈছে সেই কথাটো সি অকল সমীৰকহে কৈছে — আনে নাজানে।

'যদি লয তোমাৰ মনে বিচৰা মানুহজনী পাবা। আৰু যদি ঘুৰাই দিয়ে তেতিযা কি কৰিবা তাদিক?'

সমীৰৰ প্ৰশ্ন শুনি তাদিক কিন্তু অকণো বিচলিত নহ'ল। তাৰ সিদ্ধান্ত সি লিমাকুৰিৰ পৰা আহোতেই লৈ আহিছিল।

'সিহতঁৰ লগতে মইও তিব্বতলৈকে গুচি যাম।'

'মাৰাৰ আৰু যাচিব কি হ'ব তেনেহলে?' ছোৱালী এজনীৰ মোহত নিজৰ দেশ এৰি গুচি যোৱা কথাটো সমীৰে সহজে মানি লব নোৱাৰিলে।

'সিহঁতকো লগতে লৈ যাম।'

'মাৰাই তোমাৰ এই সিদ্ধান্ত মানি লব জানো তাদিক?'

'মানিব— মনাম।' এই বুলি তাদিক থিয় দি উঠিল।

'জানো কি ভাবিছা তুমি— তুমিহে জানিবা। ছোৱালীকহে মানুহে ঘৰলৈ আনে। ছোৱালীৰ ঘৰলৈ যোৱা কথাটো আনত খাতিলেও তোমাত নাখাতে বুলিয়েই আজিলৈকে ভাবি আহিছোঁ তাদিক।' সমীৰে বুজনি দিবলৈ চেষ্টা কৰে।

'চাওঁ আজি সিহঁতে কিনো কয — বুলি কৈ তাদিক সমীৰৰ ঘৰৰ পৰা ওলাই গ'ল। সন্ধ্যা হ'বলৈ তেতিয়াও কিছু সময় বাকী আছিল।

(৪)

আনদিনাৰ নিচিনাকৈ সিদিনাও পেমা বহি আছিল জুইকুৰাৰ ওচৰতে। পুৰণি ডেক্‌চিটোও আছিল উধান তিনিটাৰ ওপৰত। বিছনাত বহি নিংমাই কিবা গুঁঠি আছিল। কাৰো মুখত মাত—বোল নাই। কিবা এটা অস্বস্তিকৰ পৰিবেশত ঘৰখন যেন নিমাও মাও হৈ পৰিছিল।' পা-লা সঁচাকৈয়ে নাহিব নেকি আমা?" হঠাতে উচুপি ক'লে পেমাই। পেমাৰ এই আকস্মিক প্ৰশ্নত নিংমাই চিন্তাৰ আঁত হেৰুৱালে।

'আৰু কিমানদিন এনেদৰে থাকিম? মোৰ কাপোৰ-কানিলৈ নোচোৱা কিয়? মোৰ বেনী দুডাল কিমান ছুটী হৈ পৰিছে।'

বেনীৰ আগটো আনি তাই পিটিকি পিটিকি কান্দিব ধৰে।

'মোক আৰু এইবিলাক কথা নুসুধিবি পেমা। ভাগ্যই য'লৈকে লৈ যায় ত'লৈকে গৈ থাকিম দে।'

নৰবুৰ কথা মনত পেলাই দিয়াত নিংমোৰ চকুও চলচলীয়া হৈ উঠিল।

'এতিয়া বৰফ গলিবলৈ আৰম্ভ কৰিছে। মই যামেই যাম।'

পেমাৰ মনৰ অস্থিৰতাই নিংমাকো অস্থিৰ কৰি তোলে।

'তাদিকে দি থৈ যোৱা বালাপাট কি কৰিলা আমা?'

'আছে।'

'কি কৰিবা?'

পেমাৰ কঠিন প্ৰশ্নৰ কোনো উত্তৰে নিংমাই বিচাৰি নাপালে। তাদিকে বালাপাট থৈ যোৱা পেমাই দেখিছে। সেই বালাৰ অৰ্থও তাই নুবুজাকৈ থকা নাই। এই বিষয়ে কালিৰ পৰা পেমাই এবাৰো মাকক প্ৰশ্ন কৰা নাছিল। নিংমাইও বিষযটো গাপ দিযেই থৈছিল।

'নাজানো। ভাবি চাব লাগিব।'

বালাপাটক কেন্দ্ৰ কৰি নিংমাই বহুত ভাবিছে। কালিৰ পৰাই বহুত ভাবি আছে। ভাবি ভাবি যোৱা ৰাতি টোপনিও খতি কৰিছে। তথাপি সমিধান বিচাৰি পোৱা নাই। কেতিযাবা ভাবিছে এই দেশতে থাকি যাব লাগিলে তাদিকক লাগিবই। স্বদেশলৈ উভতি যাব নোৱাৰাৰ কথা মনলৈ আহিলে বুকু ভুকুৱাই কান্দিব মন যায। নৰবুৰ স্মৃতিযে যেন সীমান্তৰ পৰা হাত বাউলী মাতি থাকে।

"ভাবি চাবলৈ কিটো আছে? পা-লাইহে জানিব বুলি কৈ দিবা আৰু ।'

পেমাই কথা শেষ কৰিবলৈ নাপালে। বাহিৰৰ পৰা অহা নেপালী গীতৰ সুৰে তাইক অস্থিৰ কৰি তুলিলে। বহাৰ পৰা উঠি তাই বিছনালৈ গুচি গ'ল।

'বোলাভেই বোল দেই না-পেমা চেনীমযালে' বুলি ৰসিকতাৰ গীত গাই গাই সোমাই আহিল হাইডেলৰ শ্ৰমিক দুজন।

'চালাম বুডী আম্মা — বহুত চালাম।'

গাত ধৰাধৰি কৰি সোমাই অহা শ্ৰমিক দুজন ফটিকাৰ ৰাগীত তেতিয়া মচ্‌গুল।

'চৰকাৰৰ দযাত লাকচিঙত চাৰাবৰ কোনো অভাৱ নাই। পইচা পেলাবা খাই আহিবা বচ্। পেমা চেনীমাই ক'ত? অ' বিছনাত। খং কৰা কিয পেমা? যতে নেখালেও তোমাৰ হাতেৰে বনোৱা চাৰাপৰ সোৱাদেই বেলেগ।'

এই বুলি কৈ বিছনাখনৰ পিনে আগুৱাব খোজোতেই নিংমাই বাধা দিলে।

'ওলা, ওলা ইযাৰ পৰা।'

'আৰে, আৰে আমা- ইমান খং নকৰিবাচোন। তোমালোকে চাৰাপ বেচা, আমি কিনি খাওঁ। দিনটো কিমান খাট্‌নি কৰো, গধূলি হ'লে অলপ হাঁহিব বিচাৰো

'ওলা বুলি কৈছোঁ নহয যাৱি নে নাই?' বুলি খৰি এডাল হাতত লওঁতেই তাদিক সোমাই আহিল।

'কি হৈছে আমা? ইমান গণ্ডগোল কিহৰ?' শ্ৰমিক দুজনক পেমাহঁতৰ ঘৰৰ ভিতৰত থিয় হৈ থকা দেখি তাদিকৰ সোমাযেই খং উঠিছিল। সিহঁতক মাতলামি কৰা দেখি তাৰ খং মূৰৰ চুলি পালেগৈ।

'তহঁতক কালিযেই কৈছিলো নহয, ইয়ালৈ আৰু নাহিবি বুলি।' তাদিক হঠাতে গহীন হৈ পৰিল। 'আমিতো ইযাত চাৰাপ বিচাৰি অহা নাই নহয তাদিক ভাই।'

'তেনেহলে আহিলি কিয?' তাদিকে যেন চৰম সিদ্ধান্ত তেতিযাই লৈ পেলালে।

'ঠিক আছে যাওঁ বাৰু। তোমাৰেই আলপৈচান ধৰক পেমাই— আমি যাওঁ বাৰু। টা-টা। এই বুলি ৰসিকতাৰ হাঁহি মাৰি সিহঁত ওলাই গ'ল যদিও তাদিকৰ মনোভাব সলনি নহ'ল।

'বহা তাদিক' বুলি নিংমাই পিৰা এখন আগুৱাই দিলে যদিও তাদিক নবহিল। কিবা এক গভীৰ সংশযত পেমাও আগবাটি আহিল। ফটা-চিটা কাপোৰেৰে ঢাকি ৰাখিব খোজা পেমাৰ ৰূপ-লাৱণ্যৰ প্ৰতি তাদিকৰ শ্ৰদ্ধা ওপজিল। এই সৰলতাক লৈ সিহঁতে হেতালি খেলিব বিচাৰিছে বুলি ভাবি তাৰ মনত প্ৰতিহিংসাৰ বা-মাৰলি উঠিল। সি আগপিচ ভাবিবলৈ এৰি দিলে। সি উভতি যাবলৈ ওলাল।

'নহয তাদিক শান্ত হোৱা—বহাচোন।' নিংমাই তাদিকৰ হাতত ধৰি বহুৱাবৰ চেষ্টা কৰিলে।

'সিহঁতৰ হিচাপটো প্ৰথমে কৰি থৈ আহোঁ' বুলি তাদিকে একেজাঁপে চাঙৰ পৰা তললৈ জঁপিযাই নামি দিলে। 'নাযাবা তাদিক। উভতি আহা' বুলি নিংমাই চিঞৰিলে যদিও তাদিকে নুশুনিলে। আওহতীযা পদ পথটোৰ ওখোৰা-মোখোৰাখিনিকো সি অনুভৱ কৰিব নোৱাৰিলে। দূৰত গৈ থকা শ্ৰমিক দুজনৰ ওপৰতেই তাৰ দৃষ্টি আবদ্ধ আছিল। লাক্‌চিঙলৈ তেতিযা আন্ধাৰ নামি আহিব ধৰিছিল যদিও দূৰৈৰ মানুহ মনিব পৰা ক্ষীণ পোহৰ তেতিযাও অলপ বাকী আছিল।

'গুচি গ'ল আমা। এতিযা কি হ'ব?' বুলি পেমাই মাকক সাৱট মাৰি ধৰি কান্দিব ধৰিলে। দু বাৰমুখতে থিয হৈ মাকে জীয়েকে চাই ৰ'ল তাদিক যোৱা দিশলৈ। কিবা এক ভয়াৰ্ত আশঙ্কাই দুয়োকে শঙ্কিত কৰি তুলিলে।

(৫)

হাত লেমটো জ্বলাই সমীৰে ঘৰৰ পৰা অহা চিঠিখন পুনৰ এবাৰ পঢ়ি চাওঁ বুলি

হাতত মেলি লৈছিল মাত্র। এনেতে দূৰৈত সি যাচিৰ মাত শুনিলে। 'অ' চাৰ,' 'অ' চাৰ' বুলি মাতি মাতি তাই সমীৰৰ তালৈকে দৌৰি আহি আছিল। যাচিযে কেতিযাও এনেদৰে মতা শুনা নাই সমীৰে। কিবা এটা অঘটন ঘটিল বুলি আশঙ্কা কৰি সমীৰ এৰে জাঁপে আগ পিৰালিলৈ ওলাই আহিল। পিৰালিত নুঠাকৈযে আগ চোতালত থিয দিলে যাচিযে। তেতিযাও তাই ফোপাই আছিল। কওঁ নকওঁকৈ তাই সমীৰৰ মুখৰ পিনে থৰ লাগি চাই থাকিল।

'চাই ৰ'লি যে– কি হৈছে নকৰ কিয যাচি?' সমীৰে প্ৰায চিএঞৰি সুধিলে। ইফালে সিফালে চাই ললে যাচিযে।

'চাৰ'                তাই ফেকুৰি দিলে।

'হাৰে কান্দিছ কিয যাচি? ক চোন মোক কি হৈছে।' সমীৰে চোতাললৈ নামি আহি যাচিৰ অকণমানি হাত এখন হাতত তুলিলৈ নির্ভয দিবলৈ চেষ্টা কৰিলে।

'আচিযে          ' তাই ফেকুৰিযেই থাকিল।

'অ' অ' আচিযে       কি হ'ল কৈ দেনা।'

'আচি তাদিকে       মানুহ কাটিলে' বুলি কৈযে তাই কান্দোনত ভাঙি পৰিল।

'কি কলি—– তাদিকে মানুহ কাটিলে? কি মানুহ, ক'ত কাটিলে  কেইজন কাটিলে ক'ব পাৰনে যাচি?

'মানুহ দুজন হাইডেলত কাম কৰে।'

'অ বুজিলোঁ এতিযা। মৰিল নেকি মানুহ দুজন?' সমীৰে উত্তেজিত হৈ পৰে।

'এজন মৰিল। আনজন মৰা নাই বুলি মানুহে কৈছে। এতিযা কি হ'ব চাৰ? আমাই আপোনাক এবাৰ ঘৰলৈ মাতিছে। আহিবনে চাৰ?'

'বাৰু কচোন তাদিক এতিযা ক'ত আছে?'

'ঘৰত নাই।'

'ক'লৈ গ'ল তেনেহলে?' সমীৰৰ উৎকণ্ঠা বাঢে।

'অলপ আগতে ঘৰলৈ আহিছিল। মুৰত টুপী নাই। চুলিও পগলা মানুহৰ নিচিনা। ৰঙা চকু দুটা দেখি মোৰ ভয লাগি গৈছিল। আমা তেতিযাও খেতিৰ পৰা উভতি অহা নাছিল। আচিৰ হাতত খোলা দাখন তেতিযাও আছিল।'

'তাদিকে তোক কি কৈছিল য়াচি?'

'আমা ক'ত বুলি সোধোতে মই খেতিৰ পৰা আহি পোৱা নাই বুলি কৈছিলোঁ।'

'তাৰ পিছত?'

'কাম কৰি কৰিযেই আমাজনী মৰিব। এই বুলি কৈ তেজ লগা দাখন ধুই খাপত ভৰাই দিলে। বেৰত ওলোমাই থোৱা বন্দুকটো কান্ধত লৈ গুলীৰ পেটিডাল পিন্ধি ওলাই যাব খুজিছিল।'

'তাৰ পিছত?' যাচিযে ক'ব লগা কথা আৰু আছে বুলি সমীৰে অনুমান কৰিলে।

'দুবাৰমুখৰ পৰা উভতি আহি মোৰ হাতত এসোপা টকা দি ক'লে- তইঁতে দুখ নকৰিবি। মোৰ খবৰ লব নেলাগে বুলি 'আমাক কবি। কিম্বা দুখ হ'লে চাৰৰ তালৈ যাবি। তেনেদৰে কৈ আচি ওলাই গৈছে চাৰ আমাৰ কি হ'ব এতিযা? আচিক চিপাহীযে ধৰি নিব নেকি চাৰ? বুলি কৈ তাই হুকহুকাই কান্দিব ধৰিলে।

'ৰ -নাকান্দিবিচোন। তোৰ আমা খেতিৰ পৰা আহিলনে নাই?'

'আহিছে। কথাটো শুনিযেই আমাই কান্দিব ধৰিছে। আপোনাক মাতি নিবলৈ মোক পঠাই দিছে।'

দুজন মানুহ কাটিলে বুলি তই কেনেকৈ গম পালি যাচি?'

'অলপ আগতে গাঁওবুঢা আমাৰ তালৈ আহিছিল। আমাক কোৱা কথাৰ পৰাই গম পাইছোঁ।

'তই ঘৰলৈ যা এতিযা। কথাটোনো কি জানি লৈহে মই তহঁতৰ ঘৰলৈ যাম।

যাচিযে চকুপানী মচি মচি উভতি যাব ধৰে যদিও বাৰে বাৰে সমীৰৰ ঘৰটোৰ পিনে ঘূৰি ঘূৰি চাই যাব ধৰিলে। সমীৰেই এতিযা সিহঁতৰ ভৰষা।

সমীৰ যেতিযা ঘটনাস্থলী পাযগৈ তেতিযা তাত এজুম মানুহ বৈ আছিল। হাইডেলৰ মৃত শ্ৰমিকজন তেতিযাও পদ পথটোৰ ওপৰত চিৎ হৈ পৰি আছিল। তেজে কৰাল বান্ধিছিল। ওচৰ চাপি মৰাশটোলৈ জুমি চোৱাত সমীৰৰ গাৰ নোম শিয়ৰি উঠিল। সোঁ কান্ধৰ পৰা বাওঁ কঁকাললৈকে মানুহটো দুফাল হৈ পৰি আছে। কিমান খঙত যে তাদিকে ঘাপটো মাৰিছিল সেই কথা সমীৰে সহজে অনুমান কৰি ল'লে। ইতিমধ্যে অসম ৰাইফলচৰ বিষযাজনে কেইবাটাও চিপাহী লগত লৈ ঘটনাস্থলী পালেহি। গাঁৱৰ ডেকাল'ৰা দুজনমানক কামত খটুৱাই পাইন গছৰ ডালেৰে চাঙি এখন সজালে। সেই চাঙিত মৰাশটো তুলি বান্ধি শিবিৰলৈ লৈ গ'ল। আনজন আহত শ্ৰমিক এতিয়া অসম

ৰাইফলৰ শিবিৰতে আশ্ৰয় লৈ আছিল। সেইজনৰ বিষয়ে সমীৰে বিশেষ একো জানিব নোৱাৰিলে।

মৰাশটো লৈ যোৱা সময়তে বিষয়াজনে সকলোকে ঘৰত সোমাই থাকিবলৈ পৰামৰ্শ দিলে। অলপ পিচতে গাঁৱত চিপাহীয়ে পেট্ৰোলিং কৰিব বুলি সকীয়াই থৈ গ'ল।

ঘটনাস্থলীৰ পৰা সমীৰ পোনে পোনেই তাদিকহঁতৰ ঘৰলৈ খোজ ল'লে। গাঁওখনৰ ঘৰবিলাক একে ঠাইতে নহয়। ওখ ওখ ঠাইত সাজি লোৱা কাৰণে ঘৰবিলাকৰ মাজত যথেষ্ট ব্যৱধান আছে। একেটা পদপথেই ঘৰবিলাক সংযোজিত কৰিছে যদিও ইঘৰে সিঘৰে কথা পাতিলে অলপ চিঞৰিযেই ক'ব লাগে।

'ক'লৈ যায় চাৰ ?' সমীৰ গৈ থাকোতে কেইবাজনো গাঁওবাসীয়ে দুৱাৰমুখৰ পৰাই সুধিলে।

'অলপ তাদিকহঁতৰ তাৰ পৰাই আহোঁগৈ।'

সমীৰ মাষ্টৰৰ লগত তাদিকৰ বৰ ভাল বুলি গাঁৱৰ মানুহে জানে। সমীৰকো গাঁৱৰ মানুহে ভাল পায়। স্কুলত ছাত্ৰ-ছাত্ৰীয়ে দুষ্টামি কৰিলে পিটি দিবও কয়। সমীৰে দুই এচাট দিলেও মাক-বাপেকে আপত্তি নকৰে।

মাষ্টৰৰ উত্তৰ শুনি সিহঁতে একো নক'লে। আনদিনা 'আহক চাৰ' বুলি ঘৰলৈকে মাতে। আজি নামাতিলে।

"গাৱঁত পেট্ৰোলিং কৰিব বুলি নেজানে নেকি চাৰ?" পেট্ৰোলিং শব্দটোৰ অৰ্থ সকলোৱেই বুজি পায়। এই অঞ্চলৰ জনপ্ৰিয় শব্দ। সীমান্তৰ কাষে কাষে চিপাহীয়ে পেট্ৰোলিং ডিউটি নিয়মিত কৰে বুলি গাঁৱৰ মানুহে জানে। গধুলি হ'লে মানুহে গাৱঁৰ সীমা পাৰ নকৰে। চৰকাৰী হুকুমতকৈ নিজৰ নিৰাপত্তাৰ কথা গাঁৱৰ মানুহে নিজেই ভাবিবলৈ বাধ্য হয়।

'গম পাইছোঁ। কথাটোনো কি জানি আহো বুলি ভাবিছোঁ।'

'চাৰাপ খাই কাজিয়া কৰিছিল হব পায়। সেই বুলি চৰকাৰী মানুহ এজন কাটি পেলোৱাটো জানো ভাল কথা হৈছে চাৰ?'

এই মন্তব্যৰ ওপৰত একো অভিমত ব্যক্ত নকৰি সমীৰে খোজ বঢ়ালে। গাঁৱৰ সকলো মানুহে যে এই হত্যাকাণ্ডত আতঙ্কিত হৈ উঠিছে সিও সমীৰৰ চকুত নপৰাকৈ নাথাকিল। এই হত্যাৰ নায়কজন তাৰ নলেগলে লগা মানুহে বুলি সমীৰেও শলঠেকত

পৰা যেন অনুভৱ কৰিলে। এই ঘটনাই তাৰো চাকৰিত প্ৰভাৱ পেলাব পাৰে নেকি বুলি ভাবিবলৈ সমীৰো বাধ্য হ'ল।

'আমা ক'ত যাচি' এদলীয়া কাঠৰ খাজকটা জখলাখনেৰে ঘৰটোলৈ উঠিয়েই সমীৰে প্ৰশ্ন কৰিলে।

'ভিতৰত কথা পতি আছে।'

'কাৰ লগত কথা পাতিছে য়াচি?' গাঁৱৰ মানুহৰ কোনোবা আহিছে হব পায় বুলি সমীৰে ধৰি ললে।

'চিপাহী চাহাবৰ লগত?' কথাকিটা ভয়ে ভয়ে ক'লে যাচিয়ে।

'নমস্কাৰ চাৰ।' সমীৰে অসম ৰাইফলৰ কেপ্টেইনজনক সম্মান জনালে। কেপ্টেইনজনেই অসম ৰাইফলৰ কমাণ্ডেন্ট। বেছি বয়স হোৱা নাই। উত্তৰ প্ৰদেশৰ মানুহ। উপাধিটো মালহোত্ৰা বুলি সমীৰে জানে। নামটোহে নেজানে।

'অ মাষ্টৰ। আহা আহা—ইযাতে বহা। তোমাৰ তালৈ মযে যাম বুলি ভাবি আছিলোঁ। আহিলা যেতিযা ইযাতেই কথা পাতি লওঁ— কি ভাবা?'

'হব চাৰ। আপুনি যি ভাল দেখে।'

কিবা সোধে কি বা জানিব বিচাৰে বুলি ভাবি সমীৰৰ মনত অলপ সংশয় উপজিল। যি নহলেও চিপাহী মানুহ। সীমান্তৰ নিৰাপত্তাক চোৱা-চিতা কৰে। দায়িত্ব বহুত। দায়িত্বৰ লগতে কৰ্তৃত্বও পাইছে একাধিক। সীমান্ত প্ৰশাসনেও কেম্প কমাণ্ডেন্টৰ মতামতক যথেষ্ট গুৰুত্ব দিয়ে। এই কথা সমীৰে জানে।

আনহাতে সমীৰক দেখি তাদিকৰ মাকে নিজৰ মনোবল যেন হঠাতে ঘূৰাই পালে। কেপ্টেইন মালহোত্ৰাই তাদিকৰ বিষয়ে সংক্ষিপ্ত বিৱৰণ এটা লিখি লওঁতে পেমাহতঁৰ কথাটোও আহি পৰিল।

'তিবেটান পৰিয়ালটোৰ ঘৰলৈ তাদিক সদায় অহা-যোৱা কৰিছিল নেকি মাষ্টৰ?'

'ডাক ডিউটি নাথাকিলে প্ৰায়েই গৈছিল।' সমীৰে সঁচা উত্তৰকে দিলে।

'কিয় গৈছিল?'

'তাদিকে চাৰাব খায। তাত চাৰাব পায কাৰণেই হয়তো গৈছিল।' তাদিকৰ বিষয়ে এনেধৰণৰ সস্তীয়া মন্তব্য দিবলৈ সমীৰৰ বেয়া লাগিল। তাদিক চাৰাবী নহয়। চাৰাব খাই সি কেতিয়াও মাতলামি কৰা নাছিল।

'আন কিবা?' কেপ্তেইনৰ এই প্ৰশ্নৰ উত্তৰ দিওঁতে সমীৰে সংকোচ অনুভৱ কৰিলে।

'কোৱা মাষ্টৰ, একো কথা লুকাই নথবা। তাদিকৰ লগত তোমাৰ ভাল। তাৰ মনৰ বহুত কথাই নিশ্চয় তোমাক কৈছিল। কোনে কাক ভালপায়, কোনে কাক বিয়া কৰাব এই বিলাক কথা আমাৰ বাবে সিমান গুৰুত্বপূৰ্ণ নহয়। এই ঘটনাৰ পিছত সীমান্ত সমস্যা কিবা হোৱাৰ সম্ভাৱনা আছে নেকি, সেই দিশটোহে আমি জানিব বিচাৰিছোঁ।'

'সঁচা মিছা নেজানো। পেমাক কিন্তু তাদিকে মনে মনে ভাল পাইছিল।'

'পেমা কোন মাষ্টৰ?'

'সেইটো ঘৰৰে ছোৱালী।'

'সিহঁতে চাৰাব বেচে নেকি?' অনুসন্ধানৰ সূত্ৰ এটা বিচাৰি পাইছে বুলি কেপ্তেইন মালহোত্ৰা লৰ চৰ হৈ বহিল।

'সেযে সিহঁতৰ ব্যৱসায়। চাৰাব বেচিযেই সিহঁতে ভাত-কাপোৰৰ খৰচ উলিযায। সিহঁতৰ বৰ বেয়া অৱস্থা। দেখিলে আপোনাৰো পুতৌ উপজিব।'

'হাইডেলৰ শ্ৰমিক দুজনৰ বিষয়ে কিবা জানানে মাষ্টৰ?'

'নাই চাৰ বিশেষ একো নেজানো। চাৰাব খাই মোৰ ঘৰটোৰ সমুখেৰে পাৰ হৈ যাওঁতে সিহঁতে প্ৰায়ে মাতলামি কৰি গৈছিল।'

কিবা জেওত পৰে বুলি সমীৰে বাকী কথা লুকুৱাই থলে। সিহঁত দুটাৰ ওপৰত যে তাদিকৰ চকু আগৰে পৰা আছিল সেই কথাও নকলে। ফটিকাৰ ৰাগীত শ্ৰমিক দুজনে মাষ্টৰকো যে মাজে মাজে ঠাট্টা মস্কৰা কৰি গৈছিল সেই কথাও কেপ্তেইনক জানিব নিদিলে।

'ঘটনাটোৰ পিছত তাদিক তোমাৰ তালৈ গৈছিল নেকি মাষ্টৰ?'

'নাই যোৱা। যাব বুলি মই নেভাবো। এতিয়া সি এজন অপৰাধী। ধৰা পৰিলে তাৰ জেল ফাঁচি কিবা এটা হব বুলি সি নিশ্চয় জানে।' কেপ্তেইনৰ লগত বেছি সময় কথা পাতিবলৈ সমীৰে অস্বস্তি অনুভৱ কৰিলে। চিপাহী মানুহ। কি সুধি কি লিখি লয় তাৰ একো নিশ্চযতা নাই। কি কওঁতে কি বা জগৰ লাগে সেই কথা ভাবি সমীৰ চিন্তিত হৈ পৰিল।

'এতিযা যে তাদিক ঘৰত নাই সেইটোহে ডাঙৰ কথা হৈছে। তাৰ উপৰি চৰকাৰী বন্দুকটোও সি লগত লৈ গৈছে। সি ক'ত থাকিব পাৰে তুমি কিবা অনুমান কৰানে

মাষ্টৰ?'

কেপ্তেইনৰ মন্তব্যই যে আইনশৃঙ্খলা সমস্যাটোকে আঙুলিয়াই দেখুৱাইছে সেই কথা সমীৰে সহজে অনুমান কৰিলে।

'তাদিক সাধাৰণ অপৰাধী নহয়। সি এজন সশস্ত্ৰ অপৰাধী। এজন সশস্ত্ৰ অপৰাধীযে সীমান্তত আত্মগোপন কৰিলে চৰকাৰ নিৰ্বাক হৈ বহি থাকিব নোৱাৰে। তাদিকক আমি কৰায়ত্ত কৰিবই লাগিব।'

'সি ক'ত থাকিব পাৰে মই কেনেকৈ কম চাৰ। হ্যবিত আছেনে কোনোবা দূৰ গাঁৱলৈ পলাই গ'ল দুদিনমানৰ পিছতহে জানিব পৰা যাব কিজানি।'

'ঠিক আছে তুমি অলপ খবৰ ৰাখিবা দেই মাষ্টৰ। দৰকাৰ হ'লে পিছত তোমাৰ লগত যোগাযোগ কৰিম।

'হব চাৰ মই যিমান পাৰো খবৰ লবলৈ চেষ্টা কৰিম।' কথাটো ক'লে যদিও তাদিকক ধৰাই দিয়া কামটো যে সি নিজে কৰিব নোৱাৰিব সেই কথাও ভাবিলে।

কেপ্তেইন উঠি যোৱাৰ পিচত তাদিকৰ মাকে কান্দিব ধৰিলে। সমীৰে সান্ত্বনা দিলে যদিও সেই সান্ত্বনা কামত নাহিল। এদিনমান গলে নিজে নিজেই সান্ত্বনা বিচাৰি পাব বুলি ভাবি সমীৰ যাবলৈ ওলাল।

'চাৰ, চিপাহীযে আচিক বান্ধি নিব নেকি?' য়াচিয়ে ফোপাই ফোপাই সুধিলে।

'লগ পালেহে বান্ধিব। তই এইবিলাক কথা ভাবিব নালাগে। ভাত পানী সিজাবি। লঘোনে-ভোকে নাথাকিবি। তাদিকে কাপোৰ-কানি কিবা লগত লৈ গৈছে নেকি?'

'অকল কম্বল এখন লগত লৈ গৈছে। আন একো নিয়া নাই।'

তাদিকহঁতৰ ঘৰৰ পৰা আহোতে বাহিৰত যথেষ্ট আন্ধাৰ নামি আহিছিল। জনা শুনা পথ কাৰণে আন্ধাৰতো সমীৰৰ অসুবিধা নহ'ল। তেতিয়া গাঁৱৰ পৰিবেশ নিমাওমাও হৈ পৰিছিল। দুই এটা কেঁচুবাৰ কান্দোন আৰু কুকুৰৰ ভো-ভোৱনিৰ বাদে প্ৰাণৰ চিন ক'তো নাছিল। তাদিকৰ ত্ৰাসে সকলোকে পেপুৱা কৰি পেলাইছিল।

আন্ধাৰে আন্ধৰে বেগাই খোজকাটি আহি সমীৰে ঘৰ পায়েই দুৱাৰ বন্ধ কৰি দিলে। লৰালৰিকৈ দুটামান ভাত সিজাই সমীৰে খাবলৈ বহোতে কোনোবাই দুৱাৰত টুকুৰিয়ালে। সমীৰ উচপ খাই উঠিল। কোনে টুকুৰিয়ালে বুলি বন্ধ দুৱাৰখনলৈ বুলি সি খন্তেক সময় মনে মনে চাই ৰ'ল।

'অ' চাৰ, চাৰ, মই তাদিক।'

সমীৰৰ অনুমানেই সঁচা হ'ল। ভাত খাবলৈ এৰি সমীৰে আহি দুৱাৰখন খুলি দিওতেই তাদিকক দেখা পালে। লেমটোৰ ক্ষীণ আভাত সমীৰে দেখিলে এটা যেন শিলৰ মূৰ্তি থিয় দি আছে। নিশ্চল চকু দুটাত প্ৰতিহিংসাৰ ৰাগী যেন তেতিয়াও লাগি আছিল।

'তাদিক তুমি?' কিংকৰ্তব্যবিমূঢ় হৈ পৰা সমীৰৰ মুখত সিমানখিনিয়েই ওলাল।

'হয় চাৰ মই তাদিক। মই মানুহ কাটি আহিছোঁ, মই বেয়া মানুহ নহয়নে চাৰ?'

একো উত্তৰ বিচাৰি নাপাই সমীৰে তাদিকৰ হাত এখন ধৰি ভিতৰলৈ টানি আনিলে। দুৱাৰখন বন্ধ কৰি দুৱাৰ মুখতে থিয়ই থিয়ই সুধিলে।

'তুমি কিয় এইটো কাম কৰিলা তাদিক? ইয়াৰ পৰিণাম কি হ'ব সেই কথা তুমি নাভাবিলা কিয়?'

'মই একো ভুল কৰা নাই। যি কৰিলো ঠিকেই কৰিলোঁ। চৰকাৰৰ ঘৰত এনে মানুহে শাস্তি নাপায় মই জানো। শাস্তি মযেই দিলোঁ। সিহতঁক তালৈ যাবলৈ মানা কৰিছিলোঁ। পেমাক লৈ হাঁহি-ধেমালি নকৰিবলৈও কৈছিলোঁ। সিহঁতে নুশুনিলে।'

'এতিয়া তোমাৰ কি হ'ব ভাবি চাইছানে তাদিক?'

'মোৰ যি হয় হ'ব। আমা আৰু যাচিৰ খবৰ আপুনি ৰাখিব দেই চাৰ।' তাদিকৰ কথাত অনুনয় প্ৰকাশ পালে।

'যিমান দিন লাকচিঙত থাকিম তুমি নকলেও সিহঁতৰ খবৰ মই ৰাখিম। কিন্তু তোমাৰ কি হ'ব তাদিক?'

"বাৰে বাৰে একেটা কথাকে কিয় সুধি আছে চাৰ? মোৰ যি হয় হব— সেইটো মোৰ কথা।" তাদিক যেন দৃঢ় হৈ পৰে।

'তুমি ক'লৈ যাবা তাদিক? চিপাহীৰ ওচৰত ধৰা নিদিয়া কিয়?'

'মই এই অঞ্চলতে থাকিম। ধৰাও নিদিওঁ।'

'এনেদৰে পলাই থাকিব পাৰিবা জানো? চিপাহীযে তোমাক বিচাৰিবলৈ আৰম্ভ কৰিছেই।'

'এইবিলাক কথা পাতিবলৈ মই অহা নাই চাৰ। মোক যদি চিপাহীয়ে ধৰিব বিচাৰে তেনেহলে চৰকাৰী মানুহে পালেই মই গুলিয়াই দিম।' তাদিকৰ জেদ বাঢি যায়।

'অশান্তি আৰু বঢ়াই নুতুলিবা তাদিক।' সমীৰে বুজনি দিবৰ চেষ্টা কৰে।

'আপুনি ভাল মানুহ। এবাৰ আপোনাক চাই যাওঁ বুলিহে আহিছোঁ, কথা পাতিবলৈ অহা নাই। মই এই অঞ্চলতে থাকিম, মাজে মাজে আহি আপোনাৰ খবৰ লৈ যাম ভয় কৰিব নেকি চাৰ?

'ভয় চাগে কৰিমেই তাদিক। তোমাক নকৰিলেও চৰকাৰী আইনখনকতো ভয় কৰিব লাগিব।'

এনেতে এদল মানুহৰ জোতাৰ শব্দ শুনি সমীৰে তাদিকক পিছ দুৱাৰেদি বাহিৰলৈ উলিযাই পঠালে। দুৱাৰখন বন্ধ কৰি সমীৰ আহি বিছনাত বহিল। চিপাহীৰ সাম্ভাব্য প্ৰশ্নৰ উত্তৰ দিবলৈ নিজকে সাজু কৰি ৰাখিলে। পেট্ৰোলিং কৰা চিপাহীবিলাকে সমীৰৰ তালৈ নাহি পোনে পোনে স্কুল ঘৰটোৰ দিশত গৈ থাকিল। সিহঁতৰ জোতাৰ শব্দ মাৰ যোৱাৰ লগে লগে সমীৰে পিচদুৱাৰখন খুলি 'তাদিক' 'তাদিক' বুলি লাহেকৈ মাতিলে।

কোনো উত্তৰ নাহিল তাদিকৰ পৰা। আন্ধাৰৰ সুযোগ লৈ তাদিক আঁতৰি গৈছিল নিৰাপদ দূৰত্বলৈ।

(৬)

১৭ মে, ১৯৬৪

"আজি এখন 'এম-আই ৮" হেলিকপ্টাৰ পুৱা ৯টা বজাত আহিছিল। জিলা পলিটিকেল অফিচাৰ অসম ৰাইফলৰ কমাণ্ডেন্ট আৰু এজন চিকিৎসক আহিছিল হেলিকপ্টাৰখনেৰে। কালি নিহত হোৱা মৰাশটোৰ লগতে আহত শ্ৰমিকজনক নিবলৈ। তাৰ সোঁহাতখনত বেণ্ডেজ আছিল। শুনিলো চাৰিটা আঙুলিয়ে কটা গৈছে।

গাঁওবাসীৰ সভাত পলিটিকেল অফিচাৰে শান্তি-শৃঙ্খলা অটুট ৰাখিবলৈ পৰামৰ্শ দিলে। তাদিকে যাতে আত্মসমৰ্পণ কৰে তাৰ দাযিত্ব গাঁৱৰ মুখীয়াল মানুহকে অৰ্পণ কৰিলে। এই কাম গাঁৱৰ মানুহে কৰিব নোৱাৰিলে চিপাহীকেই দায়িত্ব দিব বুলিও সকীয়াই দিলে। তাদিকক ধৰাই দিযাজনক নগদ এহেজাৰ টকা পুৰস্কাৰ দিব বুলিও ঘোষণা কৰিলে।

হেলিকপ্টাৰত অহা সহকাৰী পলিটিকেল অফিচাৰজন লাক্‌চিঙতে থাকি গ'ল। তাদিকক ধৰা পেলোৱাৰ সকলো দায়িত্ব তেওঁকে গতাই দি দুপৰীয়া বাৰবজাত হেলিকপ্টাৰখন সদৰলৈ উভতিল।"

এযা আছিল সমীৰে লিখা ডায়েৰীখনৰ আন এখিলা পাত। ডায়েৰীখনত সমীৰে সকলো কথা উল্লেখ নকৰিলে। এই হত্যাসম্পৰ্কে গাঁওবাসীৰ মুখত সমীৰে যি শুনিলে সেয়া আছিল এনেধৰণৰ——

সুৰামত্ত শ্ৰমিক দুজনে কান্ধত ধৰাধৰিকৈ গৈ আছিল। সিহঁতে পেমা আৰু তাদিকৰ ওপৰত ৰসাল মন্তব্য দিছিল। এজনে পেচাব কৰিব বহোতে আনজন আগবাঢ়ি গ'ল। গাঁওবুঢ়াৰ পুতেক তাবিনে ঘৰৰ পৰাই এই দৃশ্য চাই আছিল। এনেতে তাদিকক আন্ধাৰে আন্ধাৰে হন্হনাই আহি থকা তাবিনে দেখিলে। খাপৰ পৰা উলিয়াই লোৱা দীঘল 'দা' খন তেতিয়া আছিল তাদিকৰ মুঠিত। তাদিকক সেই অৱস্থাত দেখি বাপেকক কথাটো জনাবলৈ তাবিনে লৰালৰিকৈ ঘৰৰ ভিতৰলৈ সোমাই গ'ল। অলপ পিছত এক বিকট চিঞৰ আহি তাবিনৰ কাণত পৰিল।

তেতিয়া সন্ধ্যা লাগিছিলহে মাত্ৰ। গাঁৱৰ মানুহবিলাক ঘৰতে আছিল যদিও শোৱা নাছিল। সেই আৰ্তনাদৰ শব্দ শুনি বহুতে বাহিৰলৈ ওলাই আহিল। নিজৰ মাজতে সোধ-পোচ কৰিলে। টৰ্চলাইট আৰু জুই লৈ বহুত কিজন মানু হ ওলাই আহিল। গাঁওবুঢ়াক লগত লৈ আৰ্তনাদৰ কাৰণ বিচাৰি গ'ল। অলপ গৈয়েই দেখিলে শ্ৰমিক এজন পদ পথটোৰ ওপৰতে পৰি আছে। দুফাল হৈ পৰি থকা মৃতদেহটো কোনেও নুচুলে। তেজখিনি তেতিয়াও কেঁচা হৈয়ে আছিল। পেটটো দুফাল হোৱাত নাড়ি-ভুডি সোপা ওলাই পৰিছিল। দুৰ্গন্ধৰ কাৰণে কোনেও ওচৰ চাপি নগ'ল। আৰু এজন লগত আছিল বুলি তাবিনে কোৱাত গাঁৱৰ মানুহখিনি আগবাঢ়ি গ'ল। দুশ ফুটমান গৈয়ে পদপথটোৰ বাওঁফালৰ গড়াত মানুহৰ কেঁকনি শুনিলে। জুইৰ পোহৰ দেখি আৰু মানুহৰ মাত শুনি "মই মৰিলো, মোক তুলি নে হঁত" ঐ বুলি তলৰ পৰা কোনোবাই বিনোৱা শুনিলে। দুজনমানে থিয় গড়াটো নামি হাতত ধৰি চোচৰাই তুলি আনিলে আনজন শ্ৰমিকক। মানুহ দেখি সি হিনাই বিনাই কান্দিব ধৰিলে। আঙুলি বিহীন সোঁহাতৰ তলুৱাখন দেখুৱাই 'তাদিকে মোক কাটিলে' বুলি কওঁতেই মূৰ্ছা যোৱাৰ নিচিনা হ'ল। গাঁৱৰ মানুহে তাক লৈ গ'ল সোণোৱাল কম্পাউণ্ডাৰৰ ওচৰলৈ। সোণোৱাল ঘৰত নাছিল, গধূলিৰ "পানী" টুপি ধৰিবলৈ ওলাই গৈছিল। সোণোৱালে আহি প্ৰাথমিক চিকিৎসা দিলে যদিও আধামৰা মানুহটোৰ দায়িত্ব নল'লে। নমৰিল বুলি গম পালে তাদিক উভতিও আহিব পাৰে বুলি সোণোৱালে ভয় কৰিলে। কেপ্টেইন চাহাবক খবৰ

দিবলৈ আৰু আহতজনকো কেম্পত থৈ অহাৰ পৰামৰ্শ দিলে সোণোৱালে।

এইবিলাক কথা সমীৰে ডাযেৰীত উল্লেখ নকৰিলে। এনেদৰে এদিন দুদিনকৈ কেইবাদিনো পাৰ হৈ গ'ল। তাদিকে আত্মসমৰ্পণো নকৰিলে, ধৰাও নপৰিল। সহকাৰী ৰাজনৈতিক বিষযাই তাদিকক বশলৈ অনাৰ বিভিন্ন কৌশল হাতত লৈয়ো বিফল হ'ল। তাদিকে আত্মগোপন কৰা সাম্ভাব্য স্থানৰ ওচৰলৈ চিপাহী লগত দি মানুহ পঠালে। সেই মানুহে 'পোৰ্টেবোল স্পিকাৰত' তাদিকক আত্মসমৰ্পণ কৰিবলৈ বুজনি দিলে। তাদিকে শুনিলে নে নাই কোনেও নেজানে। দিনত হাবিৰ মাজত ধোঁৱা দেখিলে চিপাহীদল তালৈকে দৌৰি গ'ল। তাতো নাই তাদিক। নিশা আওঁহতীযা ঠাইত জুই দেখিলে ৰাতি নৌপুৱাওতেই চিপাহীযে সেই ঠাইতো ঘেৰাও দিলে – তাতো তাদিক নোলাল। লাকচিঙৰ পৰা ওলাই যোৱা সকলো বাট-পথ বন্ধ কৰি দিযা হ'ল। চিপাহীৰো চোকা পহৰা বহিল, তথাপি তাদিক জালত নপৰিল। প্ৰলোভন আৰু প্ৰতিশ্ৰুতিও কামত নাহিল। প্ৰতিশোধৰ ভযত চোৰাংচোৱা হবলৈও গাঁৱৰ মানুহে ভয কৰিলে।

এনেকুৱা অনিশ্চযতাৰ মাজতে এদিন অস্থাযী ডাকোৱালজন তাদিকৰ গুলীত আহত হ'ল। দুমাহ ডাক চলাচল বন্ধ গৈ থকাৰ পিছত অস্থাযী ডাকোৱাল এজনে সিদিনা লিমাকুৰিলৈ ডাক আনিব গৈছিল। লাকচিঙৰ পৰা দুই কিঃ মিঃ মান আঁতৰত তাদিকে হাবিৰ পৰা হঠাতে ওলাই আহি ডাকোৱালৰ বাট আগছিলে। তাদিকৰ হাতত বন্দুক আছিল। 'তই ডাক আনিবি কিয ? বুলি প্ৰশ্ন কৰিযেই বন্দুক তুলি ল'লে। "তাদিক মই তোৰ নিজা মানুহে" বুলি কওঁতেই তাদিকে এজাঁই গুলী মাৰিলে। সৰু চেৰা গুলী আছিল কাৰণেই ডাকোৱালজন বাচি গ'ল। চেৰা গুলী সোপা আহি তাৰ হাতৰ তলুৱাখন চালনী ফুটুৱা দি ফুটালে যদিও হাতখন অকামিলা নহ'ল। সোনোৱাল কম্পাউণ্ডৰে চেৰা গুলীকিটা উলিযাই বেণ্ডেজ কৰি দিয়াত এসপ্তাহতে হাতৰ তলুৱা শুকাল।

(৭)

'তোমাৰ নাম ?'

'নিংমা'।

সহকাৰী ৰাজনৈতিক বিষয়াই নিংমাক কাৰ্য্যালয়লৈ মাতি আনি অনুসন্ধানৰ কাম আৰম্ভ কৰিলে। প্ৰতিটো উত্তৰ লিপিবদ্ধ কৰালে।

'ঘৰত আৰু কোন আছে?'

'মোৰ জীয়ৰী এজনী।'

'তোমাৰ জীয়াৰীৰ নাম কি আৰু বয়স কিমান?'

'নাম পেমা— বয়স ওঠৰ মান হব পাৰে।'

'বিয়া হৈছেনে?'

ৰাজনৈতিক বিষয়াৰ প্ৰশ্ন শুনি নিংমোৰ মনলৈ চুৰ্খাঙৰ স্মৃতি হঠাতে উভতি আহিল।

'আমি উদ্বাস্তু মানুহ। দেশ এৰি গুচি আহোতে তাই সৰু আছিল। বিয়াৰ বয়স হোৱাই নাছিল। ইয়াত খাবলৈকে নাই-বিয়া দিম কিহেৰে? এইখন আমাৰ দেশ নহয়- আমাৰ মানুহ নাথাকে— বিয়া দিম কাৰ লগত?' দুখ, হতাশা আৰু বিৰক্তিৰে উত্তৰ দিলে নিংমাই।

'আৰু কোন আছে?'

'কোনো নাই।' নিংমাই উত্তৰ সংক্ষেপে দি যায়।

'বাপেক ক'ত আছে?'

নৰবুৰ কথা মনত পেলাই দিয়াত নিংমোৰ চকু চলচলীয়া হৈ উঠিল।

'ক'ত আছে জনাহেঁতেন ফটিকা বেছি জীযাই থাকিব নালাগিলহেঁতেন।'

'বাপেকৰ কি নাম?'

'কি কৰিব নামটো জানি?

'কিজানি বিচাৰি উলিযাব পৰা যায় বা'

ভাৰতীয় বিষযাৰ কথা শুনি দুখৰ মাজতো নিংমোৰ হাঁহিব মন গ'ল। অভিমান ভৰা ভাষাৰে নিংমাই বিদ্ৰূপ কৰিলে।

'নিজ দেশৰ স্বাধীনতাৰ মোহত যি জনে ঘৈণীয়েক জীয়েককো এৰি থৈ গুচি গৈছে সেইজনক আপুনি বিচাৰি উলিয়াব ক'ত?'

'কি কৈছা তুমি?' নিংমোৰ উত্তৰ শুনি বিষয়াজন হতবাক্ হৈ পৰে।

'যি কৈছো সঁচা বুলিযেই লিখি থব পাৰে। মোৰ স্বামীৰ নাম চোনাম নৰবু। খাম্পা উপজাতিৰ এজন সম্ভ্ৰান্ত মানুহ। পূব তিব্বতৰ চুৰ্খা এলেকাৰ অধিপতি আছিল। দহখন হাল চলিছিল। ঘৰত ডেৰকুৰি মানুহে সদায় খাইছিল। গৰু, ভেড়া, ছাগলীৰে গোহালি নধৰা আছিল। তিনিটাকৈ গোহালি। ঘোঁৰাতো উঠিছিল সলাই সলাই। কিংখাবৰ আচ্ছাদন

দিয়া জিনত উঠি ৰাইজৰ সুখ-দুখৰ খবৰ লৈ ফুৰিছিল। এতিয়া পাঁচশ যোদ্ধালৈ হানৰ বিৰুদ্ধে সীমান্তৰ সিপাৰে যুঁজি ফুৰিছে আৰু আমি চাৰাব বেচি জীযাই আছোঁ আৰু শুনিব? আৰু কিবা লিখিব?' নিংমাই হুকহুকাই কান্দিব ধৰে।

ৰাজনৈতিক বিষযাৰ পিচপিনে গাঁওবুঢ়া প্ৰমুখ্যে দুই চাৰিজন গাঁৱৰ মানুহো বহি আছিল। নিংমাৰ বিষাদভৰা ইতিহাস শুনি তেওঁলোকে তলমূৰ কৰিলে। ৰাজনৈতিক বিষযাৰো মুখৰ মাত হেৰাল।

'লাকচিঙলৈ অহা এওঁলোকৰ কিমানদিন হ'ল গাঁওবুঢ়া?'

'চাৰি বছৰ।'

'চাৰি বছৰ ইযাতেই আছেনে?'

'হয চাৰ। স্থাযী কেম্পলৈ যোৱাৰ সুযোগ পাইছিল দুবছৰ আগতেই। আন মানুহবিলাক গ'ল। এওঁলোক নগ'ল ইযাতে থাকি গ'ল।' গাঁওবুঢ়াই বুজাই দিলে।

তোমালোক তললৈ নামি নগলা কিয?

'নৰবু উভতি আহি আমাক স্বদেশলৈ লৈ যাব সেই আশাতে আজিও ৰৈ আছোঁ। নৰবু আহৰ নাহক এইবাৰ বৰফ গলিলেই আমি উভতি যাম।'

'কলৈ উভতি যাবা?— তিব্বতলৈ?'

'আৰু নহলে কলৈ?' নিংমাৰ অলপ খং উঠিব ধৰে।

'তোমালোকে এৰি থৈ অহা দেশখন এতিযা আৰু নাই। সেই মানুহো নাই— সেই সমাজো নাই। সকলো সলনি হৈ গৈছে।'

'মাটিখিনিতো আছে, পাহাৰ আৰু নৈবিলাকতো সলনি হোৱা নাই।' তিব্বতৰ মাটিৰ মোহ নিংমাই সহজে এৰি দিব নোৱাৰিলে।

'সেইবিলাক হযতো আছে।'

আনুসন্ধান গৈ আলোচনাত ৰূপান্তৰিত হৈ পৰা দেখি সহকাৰী ৰাজনৈতিক বিষযাই নতুন প্ৰশ্ন কৰিলে।

'তাদিক সদায তোমালোকৰ তালৈ ফটিকা খাব গৈছিল নেকি?'

নিংমাই উত্তৰ নিদিলে। উত্তৰ দিবই বা কি? তাদিকৰ ভুলৰ বাবেই আজি দহজনৰ সমুখত থিয দি কথাৰ উত্তৰ দিব লগা হৈছে। লাজ— অপমানত নিংমাই মূৰ তল কৰিবলৈ বাধ্য হয়।

'উত্তৰ নিদিলা যে? তোমালোকৰ তাত গৈ তাদিকে সদায় ফটিকা খাইছিল নেকি?'

'ডাক আনিবলৈ যোৱা দিনকিটা বাদে বাকী দিনত গৈছিল।'

'অকল চাৰাবেই খাব গৈছিল নে?

নিংমা নিমাতে থাকে।

'মানে বিয়া-বাৰুৰ কথাও পাতিছিলা নেকি?'

'কাৰ বিয়া?'

তোমাৰ ছোৱালীৰ লগত তাদিকৰ বিয়া!!'

'নাই পতা। সঁচা কথাটোকে নিংমাই ক'লে।'

'তোমাৰ জীযাৰীক তাদিকে ভাল পাইছিল নেকি?'

'পাব পাৰে মই নাজানো।' এইবিলাক প্ৰশ্নৰ উত্তৰ দিবলৈ নিংমাই বিৰক্তি বোধ কৰিলে।

'সীমান্তৰ বৰফ গলিলে তিব্বতলৈ উভতি যাবৰ কথা যে কৈছা, সঁচাকৈয়ে যাবা নেকি?'

'যাম।' নিংমাৰ দৃঢ় আৰু সংক্ষিপ্ত উত্তৰ। আনহাতে প্ৰশাসনীয় বিষযাজনেও চৰকাৰৰ নীতিক স্পষ্টভাষাত বুজাই দিবলৈ বাধ্য হ'ল।

'উভতি যোৱাতো তোমালোকৰ কথা হ'ব নোৱাৰে। এতিযা তোমালোকে ভাৰতত আহি আশ্ৰয় লৈছা যদিও তোমালোক দালাই লামাৰ আদেশৰ অধীন হৈযে আছা। উভতি যাবলৈ হলে তেখেতৰ অনুমোদন লাগিব।'

'নিজৰ দেশলৈ উভতি যাম, তাৰ বাবে অনুমোদন কিয লাগিব? আমাৰ খুচীত আহিছিলোঁ। আমাৰ খুচীতেই উভতি যাম?'

'তেনেদৰে যাব নোৱাৰিবা।'

'গলে কি হবনো?' নিংমাৰো জেদ বাঢ়ি যায।

'ওভোতাই অনা হ'ব। সীমান্ত পাৰ কৰিব দিয়া নহ'ব।'

'কি কৈছে আপুনি? আশ্ৰয় শিবিৰ ভাঙি দিছে—খোৱা ৰেচনো বন্ধ— আমাৰ দুখ আপোনালোকে দেখিছে জানো?' নিংমাই তৰ্ক কৰিবলৈ সাজু হয়।

'দুখ হৈছে বুলি গম পাইছোঁ। কিন্তু দালাই লামা চৰকাৰৰ আদেশ নাহে মানে তোমালোক ইয়াৰ পৰা ক'লৈকো যাব নোৱাৰিবা বুজিছা?'

'আদেশ আহিবলৈ কিমান দিন লাগিব?'

সেইটো ক'ব নোৱাৰোঁ। আৰু এটা কথা, অজিৰ পৰা তোমালোকে চাৰাব নকনাবা।'

'আমি তেনেহলে কেনেকৈ জীয়াই থাকিম?'

'তোমালোকৰ ব্যৱস্থা গাঁওবুঢ়াই কৰিব। এতিয়া যাব পাৰা।'

বিৰক্তি ভৰা মন লৈ নিংমা উভতি আহিল ঘৰলৈ। অলপ পিছতে গাঁওবুঢ়াও আহি নিংমাহঁতৰ ঘৰত উপস্থিত হ'ল। এমাহ মানৰ জোখাৰে চাউল দাইল, আদি যোগান দি ক'লে—

'পলিটিকেল চাহাবে দি পঠাইছে। আপত্তি যদি নাথাকে মোৰ পথাৰতে দুযো কাম কৰিবা- ফটিকা নেবেচিলেও হব। কৰিবানে?' স্বজাতিৰ নহলেও স্বধৰ্মৰ মানুহ বুলি গাঁওবুঢ়াই নিংমাহঁতৰ দায়িত্ব ল'ব বিচাৰিলে।

'আজি ভাবিবলৈ দিযক কাইলৈ কম বাৰু।'

'ঠিক আছে কাইলৈকে ক'বা বাৰু। যি হৈ গ'ল হৈ গ'ল। তাকেই ভাবি থাকিব নালাগে। দালাই গুৰুৰ পৰা কি আদেশ আহে তালৈ অপেক্ষা কৰাই ভাল। ছোৱালীজনীক লৈ অকলে সীমান্ত পাৰ কৰি যাবৰ চেষ্টা নকৰিবা— বিপদত পৰিবা। কিবা অসুবিধা হ'লে মোক ক'বা।'

(৮)

সমীৰ বৰাই সদায ডায়েৰী নিলিখে যদিও গুৰুত্বপূৰ্ণ কথা পালে লিখি থৈ দিযে।

১০ আগষ্ট, ১৯৬৪

"তিনিমাহ পাৰ হৈ গ'ল, তথাপি তাদিকে আত্মসমৰ্পণ নকৰিলে। বিভিন্ন ধৰণৰ কৌশল খটাইও প্ৰশাসনে তাদিকক কৰায়ত্ব কৰিব নোৱাৰিলে। এই অঞ্চলতে যে সি এতিয়াও আছে তাৰ বহুত প্ৰমাণ চৰকাৰে পাইছে। হাবিৰ মাজত ডাল-পাতেৰে সজা, সৰু জুপুৰী কেইবাটাও পাইছে। পথাৰৰ পৰিত্যক্ত টঙি ঘৰত জুই জ্বলোৱা টিনো চিপাহীযে দেখিছে। আধা খাই বাকীখিনি পাততে পেলাই থৈ যোৱা পেট্ৰোলিং পাৰ্টিয়ে বিচাৰি পাইছে। তাদিক বৰ সচেতন বৰ পিচল। হাতৰ মুঠিৰ ভিতৰত সোমাইও নিমিষতে পিচলি ওলাই গৈছে।

আজি নতুন ঘোষণা এটা হৈছে। জীৱিত বা মৃত হলেও তাদিকক গ্ৰেপ্তাৰ কৰিব লাগে। অৰ্থাৎ তাদিকক গুলিযাবৰ হুকুম হৈছে। আত্মগোপন কৰা তাদিকক দেখুৱাই

দিওতাজনে এতিয়া নগদ দহ হাজাৰ টকা পাব বুলি চৰকাৰী ঘোষণা হৈছে।

চাৰিওপিনে কঢা পহৰা বহিছে। সন্ধিয়াৰ পৰা পুৱালৈকে লাক্‌চিঙত কাৰ্ফু বলবৎ কৰা হৈছে। লাকচিঙৰ খাদ্য বস্তু কোনেও বাহিৰলৈ লৈ যাব নোৱাৰে।'

কথাখিনি সমীৰে দুপৰীয়া লিখিলে আৰু তাদিক আহি ওলাল সন্ধিয়া পৰত। তাদিক যে আকৌ এবাৰ তাৰ ঘৰত আহি ওলাব সেই সম্ভাৱনাক সমীৰে একেবাৰেই অনুমান কৰা নাছিল।

পিছপিনৰ দুৱাৰখন খোলা আছিল। হাতত সাৰে ভৰিত সাৰে তাদিক সেই পিনেৰে ভিতৰলৈ সোমাই আহিল। বাহিৰত তেতিয়া ঘোপমৰা আন্ধাৰ।

'চাৰ'। উচপ খাই উঠিল সমীৰ বৰা।

চকীতে বহি উভতি চাই দেখিলে তাদিক থিয় হৈ আছে। সমীৰ বৰা পেপুৱা লাগিল।

'তাদিক তুমি?' ডাঙৰ প্ৰশ্ন।

'হয় চাৰ মই আহিলোঁ।' হতাশা আৰু বিবুদ্ধিতাত জৰ্জৰিত মন।

'কিয় আহিলা তাদিক? কেনেদৰে আহিলা? ইমান চোকা পহৰাৰ মাজেৰে তুমি গাঁৱত সোমালা কোন বাটেৰে?

সমীৰে থিয় হৈ তাদিকৰ হাত এখন খামোচ মাৰি ধৰিলে।

'সেইটো মোৰ বাবে ডাঙৰ কথা নহয় চাৰ। মই আপোনাকে চাবলৈ আহিলোঁ।

'মোক চাবলৈ কি আছে তাদিক? তোমাৰ চাৰিওপিনে ইমান বিপদ।'

'আনৰ নিচিনাকৈ আপুনিও মোক বেয়া পাইছে নেকি তাকে চাবলৈ আহিলো চাৰ। আপুনি মোৰ বাবে সদায় ভাল— আজিও ভাল।'

'চৰকাৰৰ নতুন আদেশটো তুমি শুনিছানে নাই?' তাদিকৰ কোটৰগত চকু দুটালৈ চাই থাকে সমীৰে।

'চৰকাৰৰ হুকুম চৰকাৰে দি থাকিব। মোৰ শুনিবলৈ দৰকাৰ নাই।'

তাদিকক সমীৰে তিনিমাহৰ মূৰত আকৌ লগ পাইছে। এই তিনিমাহত তাদিক বহুত খীণালে। খীণালে নে লাহি হ'ল বুজিব নোৱাৰি। ৰ'দে-বৰষুণে গা তামবৰণীয়া হ'ল। চকু কোটৰগত হ'ল যদিও মুখত দৃঢ়তাৰ প্ৰতিচ্ছবি তেতিয়াও আছিল।

'ইয়াতে বহাচোন' বুলি তাদিকক চকীখনতে বহুৱালে। সমীৰে বিচনাত বহিল।

'তুমি কি ঠিক কৰিলা তাদিক? ধৰা দিব্যনে নিদিযা?'

'নিদিওঁ।'

'ভুল নকৰিবা তাদিক। এতিয়াও সময আছে। পলাই ফুৰিবা কিমান দিন?'

তাদিকে কোনো উত্তৰ নিদিযে। সমীৰৰ কথাবিলাক মাত্র মন দি শুনি যায়।

'তোমাক দেখিলেই গুলিযাবলৈ চৰকাৰে আদেশ জাৰি কৰিছে। তোমাৰ চাৰিওপিনে বিপদ। ধৰা দিলে তোমাৰ বিচাৰ হ'ব সঁচা, জেলতো থাকিব লাগিব পাৰে। সীমান্তত হত্যাকাণ্ড আগতেও হৈছে, কিন্তু ফাঁচী হৈছে বুলি আজিলৈকে গম পোৱা নাই।'

এইবিলাক কথা মোক বুজাব নালাগে চাৰ। মই অন্যাযৰ মুখ বন্ধ কৰি দিছোঁ। একো পাপ কাম কৰা নাই। ধৰা কিয দিম?'

'তেনেহলে কি কৰিবা বুলি ভাবিছা? বন্দুক হাতত লৈ, হাবিত থাকি চৰকাৰৰ বিৰুদ্ধে যুঁজিবা নেকি?

'অ যুঁজিম।' তাদিক চৰকাৰ বিৰোধী হৈ উঠে।

'চৰকাৰখনক তুমি ইমানেই বেযা পাইছা নেকিঁ তাদিক?

'চৰকাৰখনক বেযা পোৱা নাই। বেযা পাইছোঁ চৰকাৰী নিযমক। দেশ এৰি পলাই অহা মানুহক চৰকাৰে আশ্ৰয দিছে কিন্তু খাবলৈ নিদিযে। পেমাইঁতো এদিন ভাল মানুহ আছিল। আজি চাৰাব বেচি জীযাই থাকিব লগা গৈছে। চৰকাৰে দেখা নাই নেকি? হাইডেল খুলিছে ভাল কথা। কিন্তু ইমান বেযা মানুহক আনিছে কিয? এনে চৰকাৰী নিযম মই নামানো ধৰাও নিদিওঁ।'

তাদিকক উত্তেজিত হৈ পৰা দেখে সমীৰে। আইনৰ পৰা পলাই ফুৰা এজন হত্যাকাৰীযে আইনৰ যুক্তি মানি নল'ব বুলি সমীৰে বুজি পায। তাদিক বেযা নাছিল- পৰিস্থিতিযে তাক বিদ্ৰোহী কৰিলে বুলি ভাবি সমীৰৰ বেযা লাগিল।

'তেনেহলে কি কৰিবা তাদিক?'

'তাকে জনাবলৈ আহিছোঁ চাৰ।'

তাদিকে কি জনাবলৈ আহিছে বুলি ভাবি সমীৰে ব্যগ্ৰতাৰে তাৰ মুখলৈ চাই থাকিল।

'মই গুচি যাম। আপোনাৰ লগত আৰু দেখা নহ'ব কিজানি চাৰ।'

'ক'লৈ গুচি যাবা তাদিক?'

'সিপাৰলৈ। সীমান্তৰ সিপাৰলৈ— তিববত দেশলৈ।'

'কি কৈছা তাদিক?'

তাদিকৰ উত্তৰ শুনি সমীৰ হতভম্ব হৈ পৰে। তিব্বতত চীনাসকলে সাম্যবাদী ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছে। ভাৰতৰ পৰা পলাই যোৱা এজন অপৰাধীক পালে সিহঁতে নিশ্চয় আদৰ সাদৰকৈ আদৰি ল'ব। সীমান্ত নিৰাপত্তাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰি ভাৰতীয় গণতন্ত্ৰৰ বিৰুদ্ধে অপপ্ৰচাৰ চলাবলৈ চীনাসকলে ডাঙৰ সুযোগ বিচাৰি পাব। তাতোকৈ ডাঙৰ কথা হৈ পৰিব যিদিনা তাদিক এজন সাম্যবাদী গুপ্তচৰ হৈ পুনৰ লাকচিং অঞ্চললৈ উভতি আহিব।

"যি কৈছোঁ—ঠিকেই কৈছোঁ চাৰ। ইযাৰ চৰকাৰে মোৰ অপৰাধটোহে দেখিলে, কিন্তু সেই অপৰাধ মই কিয় কৰিলো তাৰ বিচাৰ নকৰিলে। অপৰাধীক শাস্তি দিবলৈ গৈ আজি মই নিজে অপৰাধী হলোঁ। এই শাসনৰ তলত মই কিয় থাকিম চাৰ? কেতিযাও নাথাকো।"

তাদিক ঠিয় দি উঠে। কান্ধৰ বন্দুকটো ঠিক কৰি ললে। বিদায় জনাবলৈ সমীৰৰ হাত দুখন নিজৰ হাতত তুলি লৈ কিবা ক'ব বিচাৰিও ক'ব নোৱাৰা হয়। তাৰ ওঁঠ দুটা কঁপি উঠে।

'চীনাসকলৰ কথাবিলাক তুমি শুনা নাই নেকি তাদিক?

'শুনিছোঁ, শুনিছোঁ চাৰ। মই সকলো শুনিছোঁ। তথাপি যাম। তাত এনেদৰে হযতো পলাই ফুৰিব নালাগিব পাৰে। সিহঁতে কাম কৰাব— কৰিম। কোনেও তাত বহি নাখায়--মইও নাখাওঁ।'

'তুমি যাবা কেনেদৰে? চিপাহীৰ চোকা পহৰা বহিছে।' তাদিকক নিৰুৎসাহ কৰিব বিচাৰে সমীৰে।

'সেইটো মোৰ বাবে সাধাৰণ কাম। হাজাৰ চিপাহীযে পহৰা দিলেও মই সৰকি যাম। কোনেও মোক ৰখাব নোৱাৰে।'

তাদিকৰ কথা সমীৰে মানি ল'লে। তাদিক হাবিৰ হৰিণা। যিপিনে যাব বিচাৰে, সেইপিনেই বাট উলিয়াই লব পাৰে।

'যাচিহঁতৰ কি হব তেনেহলে?' য়াচিৰহঁতৰ সমস্যাৰ লগত সিও জড়িত হৈ পৰিছে কাৰণে সমীৰে কথাটো জনাৰ প্ৰযোজন হ'ল।

'মই নাজানো। মৰম-চেনেহ মই এৰি পেলাইছোঁ। এই বন্দুকটোৱেই এতিযা মোৰ

লগৰীয়া।'

(৯)

তাদিক গুচি গৈছিল সীমান্ত সিপাৰলৈ । তেতিয়া সীমান্তত বৰফ নাছিল। পহৰাদাৰী চিপাহীৰ চকুত ধুলি মাৰি তাদিক উপস্থিত হৈছিল গৈ মেকমেহন সীমাৰেখাত। জনমানৱহীন সীমান্ত পাৰ হওঁতে তাৰ সম্পূৰ্ণ দুদিন লাগিছিল। কিন্তু সীমান্ত পাৰ কৰি সি বেছি দূৰ যাব নোৱাৰিলে। অবোধ্য ভাষাৰে চিএঙৰ-বাখৰ কৰি কৰি এজাক চীনা চিপাহীয়ে এঠাইত তাক আগুৰি পেলালে। খাকী পোছাক পিন্ধা ছুটি-চাপৰ চীনা চিপাহীসকলে তাক নানান প্ৰশ্ন কৰিলে যদিও এটা কথাও তাদিকে বুজি নাপালে। হাতৰ ইংগিতেৰে সি মাথোন বুজাই দিলে যে সি সিপাৰৰ মানুহ। হাতযোৰ কৰি কপালত লগাই নমস্কাৰৰ ভংগীৰে সি বুজাব খুজিলে যে সি ভাৰতৰ পৰা আহিছে।

তাৰ কথা-বতৰা আৰু আও-ভাওত চীনা চিপাহীবিলাকৰ হাঁহি উঠিল। যেতিয়া তাদিকে বন্দুকটো কান্ধৰ পৰা নমাই দুহাতেৰে মাটিত থৈ দিলে, তেতিয়াহে সিহঁতে বুজি পালে যে সি আত্মসমৰ্পণ কৰিব বিচাৰিছে।

এজন চিপাহীয়ে বন্দুকটো তুলি লৈ গুলী আছে নে নাই পৰীক্ষা কৰিলে। বন্দুকটো ঘূৰাই পকাই চোৱাৰ পিচত আন এজনৰ হাতত দিলে। বন্দুকটো তুলি লোৱাজন বোধহয় দলপতি আছিল।

সকলোৰে পোছাক-পাতি একেই যদিও বন্দুক তুলি লোৱাজনেই দলপতি হ'ব বুলি তাদিকে অনুমান কৰিলে। ৰঙা তৰা থকা টুপি সকলোৱে পিন্ধি আছিল যদিও কেইবাজনো চিপাহীক ছোৱালী যেন লাগিল তাদিকৰ। সিহঁতৰ গাৰ গঠন আৰু মুখৰ কোমলতালৈ চাই ছোৱালী হ'ব বুলিয়েই তাদিকে ভাবিলে।

বিষয়াজনৰ নিৰ্দেশত চিপাহী এজনে তাদিকৰ দাখনো কৰ্কালৰ পৰা সোলোকাই ললে। কাপোৰৰ মাজত আন কিবা অস্ত্ৰ আছে বুলি তাদিকৰ তালাচি ল'লে । কান্ধত ওলোমাই অনা মোনাটোত সৰু কটাৰী এখনো পালে। সেইখনো হাত কৰি ল'লে। ছোৱালী যেন লগা চিপাহী চাৰিটা অলপ আগবাঢ়ি আহিল। হাতে হাতে সিহঁতৰ চুটি চুটি 'কালচ্নকিভ্' ৰাইফল। চেমি অটোমেটিক। অতি আধুনিক ৰাচিয়ান মডেল।

চিপাহী কেইজনীয়ে তাদিকক ইংগিতেৰে আগবাঢ়িব ক'লে। তাদিকক আগ

কৰি সিহঁতে শিবিৰলৈ বুলি ৰাওনা হ'ল। পেট্ৰোলিং পাৰ্টিবোৰৰ বাকী মানুহ সীমান্তৰ দিশলৈ খোজ ল'লে।

সীমান্তৰ এই পাৰে তাদিক পূৰ্বেও দুই তিনিবাৰ আহিছিল। একেবাৰে অচিন ঠাই নহয়। সোৱণশিৰি নৈৰ ওখ গড়াৰ পাৰে পাৰে অকাই-পকাই গৈছে পদ পথটো। আগেযে হাবিতলীয়া লুংলুভীয়া পথ আছিল, এতিয়া আহল- বহল হ'ল। আগৰ নিচিনা হাবি-বন নাই। চকুৰে মনিব পৰালৈকে খেৰণি গজিল। আজি য'ত খেৰণি গজিল তাত এখন সৰু গাঁও আছিল। সাত আঠটামান ঘৰৰ সেই গাঁওখনত "না" উপজাতিৰ মানুহে বসবাস কৰিছিল। পথাৰখনো গাঁৱতে লগ লাগি আছিল। এতিয়া গাঁওখন নাই, পথাৰখনহে আছে। সেই পথাৰখনো বহুত আহল-বহল হ'ল। পদ-পথটোৰ পৰা পথাৰখন দেখি যদিও বহুত আঁতৰত। তাদিকে দেখিলে পথাৰখনত এজুম মানুহে কাম কৰি আছে। এতিয়া আলু আৰু বাৰ্লি সিঁচাৰ বতৰ। সিহঁতে নিশ্চয় তাকেই কৰিছে বুলি তাদিকে ধৰি ল'লে।

সীমান্তৰ ইপাৰৰ ভৌগোলিক পৰিবেশ সম্পূৰ্ণ বেলেগ। তিব্বত এখন বিশাল মালভূমি। সাগৰ পৃষ্ঠৰ পৰা বাৰ হাজাৰ ফুট উচ্চতাত অৱস্থিত এই মালভূমিতো মানুহে বিভিন্ন শস্য উৎপন্ন কৰে। প্ৰাকৃতিক দৃশ্যও অতি মনোৰম। ওখ, চাপৰ, সমতল ভূমিৰ তৰংগ বৈ গৈছে দুৰ-দূৰন্তলৈ। মাজে মাজে থিয় দি আছে বিভিন্ন উচ্চতাৰ পৰ্বত। সেই পৰ্বতৰ শিখৰে শিখৰে বৰফ। সূৰ্য্যৰ কিৰণ পৰি ৰামধেনুৰ ৰং প্ৰতিবিম্বিত হয় পৰ্বতৰ শিখৰে শিখৰে। সৌম্য আৰু শান্তিৰ সেই নীৰৱতাৰ ওপৰত যেতিয়া পূৰ্ণ চন্দ্ৰৰ স্নিগ্ধ কিৰণ বিয়পি পৰে তেতিয়া যেন মানুহৰ কল্পিত স্বৰ্গইও পৃথিৱীৰ বুকুলৈ নামি আহে। সমুখত গৈ থকা তাদিকৰ পিছে পিছে আহি থাকে পি এল এ ৰ মহিলা সৈনিক কিজনী। সিহঁতে নিজৰ মাজতে কথা পাতি আহি থাকে। মাজে মাজে হাঁহে। সিহঁতৰ কণ্ঠস্বৰৰ পৰা তাদিক নিশ্চিত হয় যে সিহঁত মহিলা সৈনিক। সৈনিকৰ কাম পুৰুষেহে কৰে বুলি তাদিকৰ ধাৰণা আছিল। সি এৰি থৈ যোৱা দেশখনৰ ক'তো সি স্ত্ৰী চিপাহী এজনীও দেখা নাছিল। তিৰোতা মানুহে খেতি কৰে, সন্তান জন্ম দিয়ে আৰু ভাত-পানী সিজায়, এয়ে আছিল তাৰ ধাৰণা। বন্দুক লৈ যুদ্ধ কৰাতো তিৰোতা মানুহৰ কাম নহয় বুলি সিও ভাবিছিল- মানিও লৈছিল।

সীমান্ত পাৰ কৰিয়েই প্ৰথম মহিলা সৈনিক দেখি সি আচৰিত হ'ল। সাম্যবাদ কি সি বুজি নাপায়। চীনাসকলৰ সাম্যবাদী শাসনব্যৱস্থাৰ বিষয়ে সি বিশেষ একো গম নাপায়। কিন্তু সীমান্ত পাৰ হৈয়েই যি নতুনত্ব তাৰ চকুত পৰিল সিও তাৰ বাবে বিসদৃশ যেন লাগিল। এদিন য'ত পাইন গছৰ সেউজীয়া বিশাল বননি আছিল সেই অঞ্চলত গছৰ মুঢ়াবিলাকহে আছে, গছবিলাক নাই। কোনোবাই যেন পৰিকল্পিতভাবে কাটি লৈ গৈছে। সেই বনাঞ্চলৰ ঠাইত তাদিকে দেখিলে মাইলৰ পিছত মাইলৰ শাৰী। বন জুইয়ে সেই শাৰীকো ঠায়ে ঠায়ে পুৰি ছন কৰি পেলাইছে। য'ত এদিন গাওঁ আছিল, তাত এতিয়া গাঁও নাই। আছে মাত্ৰ বিস্তৃত পথাৰ। পথাৰৰ আলিবিলাকো পোন, একা- বেঁকা নহয়। মানুহ যি লগ পালে তাতো পুৰুষ-মহিলাৰ চিন-চাব নাই। পোছাকতো দেখিলে একেই ধৰণ একেই ৰং। এৰি অহা দেশখনৰ লগত একোৱে মিল নাই দেখি তাৰ মনত সংশয় উপজিল। সি বিলৰ পৰা আহি খালত সোমাল নেকি বুলিও ভাবিলে। সি কিবা ভুল কৰিলে নেকি বুলিও নিজৰ মনকে প্ৰশ্ন কৰিলে। এটা জীৱনধাৰা এৰি আনটো জীৱনধাৰাত সোমাবলৈ ল'লেই প্ৰতিজন মানুহৰ মনতো এই প্ৰশ্ন হয়তো আহে। আগলৈ বা কি আছে, কি দেখে সেই চিন্তা নকৰি তাদিক গৈ থাকিল। এৰি অহা পৃথিৱীখনৰ কথা মনৰ পৰা মচি পেলাবলৈ সি চেষ্টা কৰিলে।

ওখ টিলাটোৰ তলে তলে পদ পথটো ঘূৰিবলৈ লওঁতেই দূৰৈত ডাঙৰ গাঁও এখন তাৰ চকুত পৰিল। গাঁওখনৰ গাতে লাগি আছিল সৈনিক শিবিৰটো। ডাঙৰ শিবিৰ। লাক্‌চিঙৰ তুলনাত দহগুণ ডাঙৰ হ'ব। গাঁওখন পাবলৈ তেতিয়াও তিনি মাইলমান দূৰত্ব বাকী আছিল।

কেঁকুৰীটোত ডাঙৰ বনৰীয়া আখৰোটৰ গছ এজোপা আছে। পুৰণি সময়ৰ পৰা ব্যৱহাৰ হৈ অহা বিশ্ৰামৰ ঠাই। তাদিকৰ মনত পৰিছে ঠাইখিনিৰ স্মৃতি। বাপেকৰ লগত আহোঁতে এই শিলতে বহি সিও জিৰণি লৈছিল। এতিয়া শিলবিলাক শাৰীয়ে আগুৰি থৈছে। চফা কৰিবলৈ কোনো নাই। পূৰ্বতে ইয়াত গাঁৱৰ মানুহে মন্ত্ৰপুত পতাকা উৰুৱাইছিল। এটা সময়ত তেনে ওখ খুটি ইয়াত বহুত আছিল। বতাহত শ, শ পতাকা ফৰ্‌ফৰাই উৰিছিল। এতিয়া পতাকাও নুৰে, সেই খুটিবিলাকো নাই। কোনে আঁতৰালে, কিয় আঁতৰালে তাদিকে নুবুজিলে। শতাব্দী পুৰণি এই

পৰম্পৰাৰ বিলুপ্তি দেখি তাৰ মন দ্বিধাৰে উপচি পৰিল। পৰম্পৰাক এৰিব নোৱাৰি সি পহৰা দি অনা সৈনিক কিজনীলৈ উভতি চালে। মাত কথা নুবুজে কাৰণে ইংগিতেৰে বহাৰ ইচ্ছা প্ৰকাশ কৰিলে । তাৰ ইচ্ছাৰ কথা বুজিব পাৰি সিহঁতে নিজৰ মাজতে কিবাকিবি কৈ হাঁহি ধৰিলে। সিহঁতৰ মাজৰে যিজনী বয়সত সৰু তাই আগবাঢ়ি আহিল। দেখাতো তাই শুৱনি। তাদিকৰ নিচেই ওচৰ চাপি তাই তাদিকৰ চকুত আকস্মিকভাৱে 'ফু' কৈ ফুৱাই দিলে। তাদিক উচপ্‌খাই উঠিল। গিৰ্জনী মাৰি হাঁহি দিলে আটাইকিজনীয়ে।

সিহঁতৰ এই আওভাওৰ তলা-নলা তাদিকে একোকে নুবুজিলে। তাদিক সবল সুঠাম ডেকা ল'ৰা । পেশী বহুল বাহু দুটা তাৰ উদঙে আছিল। ক'লা হাফপেন্টৰ পৰা বগা কৰঙন দুটাৰ সৈতে কলাফুলো ওলাই আছিল। গাভৰু মন ভুলাব পৰা তাৰ পেশীবহুল দেহাটোক হাতেৰে চুব নোৱাৰি সিহঁত আটাইকিজনীয়ে নিজৰ মাজতে ৰসাল কথা পাতিলে। কমিউনিষ্ট হলেও সিহঁতো নাৰী। পুৰুষৰ কাপোৰ পিন্ধিব লগা হৈছে যদিও কামনা বাসনাই লগ এৰা নিদিলে। আন এজনী আগবাঢ়ি আহি তাদিকৰ উদং বাহুটোত আঙুলি এটাৰে খোচ্ মাৰি দিলে। আকৌ হাঁহি। সাম্যবাদে মানুহৰ সকলো চাহিদাক নিয়ন্ত্ৰণৰ অধীনলৈ আনিব পাৰিলেও মানুহৰ এই আদিম প্ৰবৃত্তিক হয়তো নোৱাৰিব।

এনে আচৰণৰ অৰ্থ তাদিকে একো বুজি নাপালে। সেয়া খং নে ধেমালি তাকো নুবুজিলে। খং কৰিবলৈ সি একো দোষ কৰা নাই— ধেমালি কৰিবলৈ সিহঁতৰ সতে কোনো অন্তৰংগতাও গঢ়ি উঠা নাই। সি অকৰা হৈ থিয় দি থাকিল। বহি বিশ্ৰাম লোৱাৰ ইচ্ছা তাৰ নাইকিয়া হ'ল।

এজনীয়ে আহি তাৰ উদং বাহুত চিকুটি দিয়াত সি এইবাৰ অলপ আঁতৰি দিলে। গোটেই কিজনীয়ে খিলখিলাই হাঁহি উঠিল। তাদিকে ভাবিলে সেয়া তাৰ পৰীক্ষা চলিছে। চীনা মানুহ সি কেতিয়াও দেখা নাই। সিহঁতৰ চৰিত্ৰৰ বিষয়ে সি একোকে নেজানে। তাতে ছোৱালী চিপাহী। বৈ থাকিলে বা আৰু কি পৰীক্ষা লয় সেই আশংকাতে সি খোজ আগবঢ়ালে। তাৰ অকৰামিত গোটেইকিজনীয়ে হাঁহিব ধৰিলে। তাদিকৰ পিছে পিছে নিজৰ ভাষাতে সিহঁতে কিবা কিবি কৈ কৈ আহি থাকিল যদিও সি উভতি নাচালে।

দুমাইলমান যোৱাৰ পিছত পথাৰ আৰম্ভ হ'ল। পথাৰত তেতিয়া নিৰণিৰ কাম চলি আছিল। আহল-বহল পথাৰ খনত সকলো বয়সৰ মানুহে নিৰণি কৰি আছিল। বাৰ্লিৰ পুলিবিলাক আঠ আঙুল মানহে ওখ হৈছিল। পথাৰৰ মাজৰ আহল-বহল বাটটোৰে গৈ থাকোতে তাদিকৰ পিনে কোনেও মূৰ তুলি নাচালে। তলমুখ হৈ কাম কৰা মানুহবিলাকে তালৈকেৰাহীকৈহে চালে। মূৰ তুলিবলৈ যেন সাহস নকৰিলে। প্ৰতিটো জুমৰ লগত থিয় দি আছিল এজনকৈ নীলা পোছাক পিন্ধা চীনা মানুহ। হাতত বন্দুক নাই কাৰণে চিপাহী নহয় বুলি তাদিকে ধৰি ল'লে। তেতিয়া ভৰ দুপৰীযাৰ সময়।

এজন অচিনাকি ব্যক্তিক দেখি গাঁৱত থকা মানুহখিনিৰ মুখত কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নাপালে। মানুহজনৰ বিষয়ে জানিবলৈ সিহঁতৰ কোনো আগ্ৰহ পৰিলক্ষিত নহ'ল। এনে অচিনাকি ব্যক্তি প্ৰায়েই শিবিৰলৈ ধৰি অনা হয়। দুদিন পিছত পুনৰ শিবিৰৰ পৰা উলিযাই লৈ যায। ক'লৈ নিযে, কি কৰে গাঁৱৰ মানুহৰ বাবে ৰহস্য হৈযে থাকি যায। দুদিন পিছত এইজন ব্যক্তিকো কৰবালৈ লৈ যাব বুলিযেই গাঁৱৰ মানুহে ধৰি ল'লে।

গাঁওখনৰ কাষৰে অনুচ্চ সৈনিক শিবিৰটোলৈ উঠি যাওঁতে গাঁৱৰ মানুহখিনিলৈ তাদিকে চালে। সিহঁত কোন জাতিৰ মানুহ বুজিব নোৱাৰিলে। সিহঁতে নিজৰ মাজত কথা পাতিছিল যদিও কথাবিলাক বুজিব পৰাকৈ তাদিকৰ কাণত আহি পৰা নাছিল।

শিবিৰ প্ৰাংগনত আহি থিয দিয়াৰ লগে লগে কেইবাজনো সৈনিকে আগুৰি লৈ তাক চাব ধৰিলে। কোনেও একো কথা নুসুধিলে। কমবয়সীয়া লগৰীয়াজনীক তাদিকৰ তত্ত্বাবধানত থৈ বাকী কিজনী ক'ৰবালৈ গুচি গ'ল। অলপ পিছতে নীলা পোছাক পিন্ধা অ-সামৰিক ব্যক্তি এজন তাদিকৰ ওচৰলৈ আহিল। ছোৱালী সৈনিকজনীক কিবা ক'লত তাইও গুচি গ'ল।

'ব'লা এতিয়া'। অচিন ঠাইত তাৰ ভাষা কোৱা প্ৰথম মানুহজনক দেখি তাদিকৰ মন আনন্দৰে উপচি পৰিল।

গভীৰ প্ৰত্যাশাৰে সি মানুহজনৰ মুখলৈ চালে। কিঞ্চিত হলেও তাদিকে যেন নিৰাপদ অনুভৱ কৰিলে। সৈনিক কিজনীয়ে বাটত কৰা আচৰণকো সি পাহৰি

পেলালে।

'কলৈ যাব লাগিব?'

'বিশ্ৰাম কৰিবা।' মানুহজনৰ সহানুভূতি সুলভ উত্তৰত তাদিক আশ্বস্ত হ'ল।

'কোনপিনে যাব লাগিব?'

সৈনিক শিবিৰটো বহুত ডাঙৰ। ঘৰবিলাক শাৰী-শাৰীকৈ সজা। টিনপাতৰ ঘৰ। ঘৰ অনুপাতে সৈনিকৰ সংখ্যা তাকৰীয়া যেন লাগিল তাদিকৰ। নীলা কাপোৰ পিন্ধা অ-সামৰিক মানুহৰ সংখ্যাও তাকৰ নহয় যেন লাগিল। সৈনিক নহলেও এই নীলা কাপোৰ পিন্ধা অ-সামৰিক মানুহবোৰবো গুৰুত্ব আছে যেন লাগিল তাদিকৰ।

'মোৰ পিছে পিছে আহি থাকা।' মানুহজন আগ হ'ল, তাদিক পিছে পিছে গ'ল। কিছু আঁতৰত এডোখৰ আচুতীয়া ঠাইত থকা সৰু ঘৰ এটালৈ লৈ গ'ল তাদিকক। ভিতৰত থকা কাঠৰ চাং এখনৰ ওপৰত তাদিকক বহিব দিলে।

'ইয়াতেই বিশ্ৰাম কৰা। পিচত আহি কথা পাতিম।' মানুহজন গুচি যোৱাৰ খন্তেক পিছতেই কমবয়সীয়া সেই সৈনিকজনী পুনৰ ঘৰটোলৈ সোমাই আহিল। দুৱাৰমুখত থিয় দিয়েই তাই তাদিকৰ মুখলৈ চাই মিচিকিয়াই হাঁহিলে। তাদিকৰ হাতত এমগ চাহ দি কম্বল দুখন চাংখনৰ ওপৰত থলে। ইংগিতেৰে বুজাই দিলে সেই কম্বল দুখন শুবলৈ দিছে। অলপ সময় তাই থিয় দি থাকিল। ক'বলৈ কিবা আছিল যদিও মাত-কথা নিমিলে কাৰণে ক'ব নোৱাৰিলে। ঘৰটোৰ ভিতৰত থিয় দি থকা সময়খিনিত তাই দুৱাৰখনলৈ বাৰে বাৰে চাইছিল। কোনোবাই দেখে বুলি যেন সঙ্কিত হৈছিল। অলপ পিছতে নিতম্ব জোকাৰি তাই ওলাই যোৱাত তাদিকে ভেবা লাগি চাই থাকিল। এতিয়ালৈকে সি দেখি পোৱা প্ৰতিটো দৃশ্যই একোটা সাঁথৰ যেন হৈ পৰিল। এনেতে শিবিৰৰ কোনোবা দিশত চাইৰেণৰ তীব্ৰ ধ্বনি বাজি উঠিল। এনেকুৱা শব্দ সি কেতিয়াও শুনা নাই। কিনো হৈছে বুলি সি খোলা খিৰিকিখনেৰে বাহিৰলৈ চালে। কোনো অস্বাভাৱিকতা তাৰ চকুত নপৰিল। শিবিৰৰ মানুহখিনিক মাত্ৰ ইফালে-সিফালে অহা-যোৱা কৰা সি দেখা পালে। পথাৰলৈ চাই দেখিলে খেতিত কাম কৰা মানুহখিনিও শাৰীপাতি গাঁওখনলৈ আহি আছে।

এনেতে তাৰ মাত-কথা কোৱা মানুহজন পুনৰ সোমাই আহিল।

'চাহ খালা নে?' সহানুভূতি ভৰা প্ৰশ্ন।

'হয় খালোঁ।'

"অলপ পিচতে তোমাৰ প্ৰয়োজনীয় বস্তু দি যাম্‌হি। কাপোৰ সলাই তুমি সাজু হৈ থাকিবা। তোমাক পলিটিকেল কমিচাৰৰ ওচৰলৈ লৈ যোৱা হ'ব।" কথাখিনি কৈয়েই মানুহজন ওলাই গ'ল। মানুহজন আদ বয়সীয়া। কথা বতৰাও ধীৰ-স্থিৰ। কৰ্তৃত্বশীল ব্যক্তি বুলিয়েই অনুমান হ'ল তাদিকৰ।

পুনৰ সেই ছোৱালীজনীয়েই উভতি আহিল। হাতত নানান বস্তু। মগটোত ৰঙা চাহ। বাৰ্লিৰ "চাম্পা" গুড়ি ভৰা মেচটিন এটা টেবুলৰ ওপৰত থলে। নীলা কাপোৰৰ পেন্ট চাৰ্ট এযোৰ বিছনাখনৰ ওপৰতে থলে। কাপোৰযোৰ পিন্ধিবলৈ ইংগিতেৰে বুজাই দি তাই উভতি গ'ল।

তাদিকৰ ভোক লাগি আছিল। সীমান্ত পাৰ হওঁতে তাৰ দুদিন লাগিছিল। এই দুদিন সি আলুকে পুৰি পুৰি খাইছিল। কস্তুৰি পহু এজাক লগ পাইছিল যদিও ধৰা পৰাৰ ভয়ত গুলিয়াব নোৱাৰিলে। পহুজাক— তাৰ সন্মুখেৰে নিৰ্ভয় মনেৰে পাৰ হৈ গুচি যাওঁতে মতা পহুকিটাৰ নাভিত ওলমি পৰা কস্তুৰিকিটাও তাৰ চকুত পৰিছিল। জাকটো পাৰ হৈ যোৱাৰ পিচতো গোটেই ঠাইখিনি মৃগনাভীৰ গোন্ধত আমোল মোলাই আছিল।

চাম্পাগুড়ি খোৱা তাৰ অভ্যাস আছে। ঘৰতো মাজে মাজে খাইছিল। গৰম চাহমগ মেচটিনটোত ঢালি দি সি চাম্পাগুড়িখিনি আঙুলিৰে লৰাব ধৰিলে। চামুচৰ অভাৱত চাম্পাগুড়িৰ লুথুৰীখিনি দুটা আঙুলিৰেই তুলি খাব লগা হ'ল। তাৰ পিছত কাপোৰ সলালে। তাৰ ফাটি যোৱা লেতেৰা কাপোৰযোৰ খুলি থৈ নীলা পোছাকযোৰ পিন্ধি ললে। পেন্টটো ঠিকেই হ'ল যদিও কোট চোলাটো হলো লৌৱা হ'ল। জেপকিখনহে আচহুৱা লাগিল। ইমান ডাঙৰ জেপত সিহঁতে কি লৈ ফুৰে বুলি ভাবিলে। জোতাযোৰ কাপোৰৰ। নীলা ৰঙৰ।

'তুমি সাজু নে?' প্ৰশ্ন কৰি মানুহজন সোমাই আহিল। নীলা পোছাক পিন্ধা তাদিকক ক'লে, 'বাহ্ এতিয়াহে ভাল লাগিছে। আজিৰ পৰা তুমি আমাৰ মানুহ হ'লা।' মিচিকিয়া হাঁহিৰে প্ৰশংসা কৰি 'আহা এতিয়া' বুলি কৈ মানুজন আগ হ'ল। তাদিক গ'ল পিছে পিছে। শিবিৰৰ মাজেৰে গৈ থাকোঁতে তালৈ কোনেও এইবাৰ

প্ৰশ্নবোধক দৃষ্টিৰে নাচালে। ক'লৈ নিব, কি কৰিব বুলি তাদিক অলপ চিন্তিত হ'ল। আত্মসমৰ্পণ কৰি ভুল কৰিলোনে ভাল কৰিলো অন্তৰ্দ্বন্দ্বৰ এই প্ৰথম চিন্তা তাৰ মনলৈ আহিল। মুক্ত জীৱনৰ পৰা পলাই আহি বন্ধ জীৱন এটাকে সি বাচি ললে নেকি বুলি ভাবি গ'ল। সকলো কথাতে অমিল দেখা এই জীৱন ধাৰাৰ লগত সি মিলি যাব পাৰিবনে নাই সেই চিন্তাও আহিল। আনৰ ওপৰত প্ৰতিশোধ লব বিচাৰি সি নিজৰ পৰিচয়খিনিকো মচি পেলাব ওলাইছে নেকি বুলি ভাবি তাৰ মনটো নিৰাশ হব খুজিলে।

'কি নাম তোমাৰ?' আহল-বহল কোঠালীটোৰ মাজমজিযাতে চকী এখনত বহি আছিল ব্যক্তিজন। সমুখত এখন সাধাৰণ টেবুল। পিচপিনে বেৰত থিয কৰি থোৱা আছে চেযাৰমেন মাও-জেং-ডঙৰ পূৰ্ণদৈৰ্ঘ্যৰ এখন তৈলচিত্ৰ। যেন জীৱন্ত মানুহজনহে থিয হৈ আছে। সেই একেই ধৰণৰ কোট চোলা, মস্ত মস্ত জেপ— ডিঙিলৈকে বুটাম মৰা।

'তাদিক।' সাবধানে উত্তৰ দিলে তাদিকে'।

'তুমি নিজ ঠাইৰ পৰা কিয গুচি আহিলা?'

'গুচি অহা নাই। পলাইহে আহিছোঁ।' তাদিকৰ পৰা এইটো উত্তৰ আহিব বুলি বিষযাজনে ভবা নাছিল। গুচি যোৱা মানুহবিলাক তিব্বতৰ পৰাই গৈছে। এজনো ভাৰতৰ মানুহ আজিলৈকে তিব্বতলৈ গুচি অহা নাই। এই কথা চীনা বিষযাজনে ভালদৰেই জানে। নিজ ইচ্ছাত অহাহেঁতেন গণতান্ত্ৰিক দেশৰ পৰা গুচি যোৱা মানুহ তাদিকেই প্ৰথমজন হ'লহেঁতেন। তাদিকৰ বিষয়ে বিষয়াজনৰ ধাৰণা নিমিষতে সলনি হৈ পৰে। সাম্যবাদী শাসন ব্যৱস্থাই যে তাদিকক আকৰ্ষণ কৰি অনা নাই এই কথাত চীনা বিষয়াজন হতাশ হ'ল।

'পলাই আহিছা? কিয় পলাই আহিছা।'

'সেযা বহুত কথা। ক'বলৈ সময লাগিব।'

'কি অপৰাধ কৰি পলাই আহিছা প্ৰথমে সেইটো কোৱা । বাকী কথা পিছত শুনিম।' বিষযাজনে সংক্ষিপ্ত উত্তৰ বিচাৰিলে।

'মই দুজন মানুহ কাটিছিলোঁ। চিপাহীয়ে মোক ধৰিব খোজাত মই পলাই আহিছোঁ।'

'অ' তুমি মানুহ মাৰি আহিছা তেনেহলে। তাত ধৰা নিদি ইয়ালৈ পলাই আহিছা কিয়?'

'তাত থাকিলে সিহঁতে মোক গুলিয়াই মাৰি পেলালেহেঁতেন। ইয়াত নিৰাপত্তা পাম বুলি আহিছোঁ। মই আৰু উভতি নাযাওঁ। আপোনালোকৰ তলতে ইয়াৰ বাসিন্দা হৈ থাকিম।' তাদিকৰ অনুনয় ভৰা কথাত বিষয়াজনৰ মনত কোনো সহানুভূতি নুপজিল। কিন্তু এজন আত্মসমৰ্পণকাৰী অপৰাধীও যে কমিউনিজমৰ বিস্তাৰত সহায়ক হৈ উঠিব পাৰে সেইটো দিশতহে বিষয়াজনে চিন্তা কৰিলে।

'এই ঠাইৰ নিয়ম-নীতি অলপ বেলেগ। প্ৰতিজন মানুহে ইয়াত নিজৰ কৰ্মদক্ষতা অনুযায়ী দায়িত্ব পায়। কোনেও ইয়াত বহি নাথাকে। কাৰো ভাগৰ খাদ্য কোনেও ইয়াত কাঢ়ি খাব নোৱাৰে। ধনী-দুখীয়া, পুৰুষ-মহিলা বুলি পৃথক বিবেচনা কৰা নহয়। শুনিছানে এইবিলাক কথা?

'অলপ অলপ শুনিছোঁ। সকলো শুনা নাই।'

'কাৰ পৰা শুনিছা?'

'ইয়াৰ পৰা পলাই যোৱা মানুহৰ পৰা শুনিছোঁ।'

'কি কি শুনিছা?'

'ইয়াত ধৰ্ম নাই। কাকো সম্পত্তি ৰাখিব নিদিয়ে। মতা-মাইকীয়ে সমানে কাম কৰিব লাগে। এনে ধৰণৰ কথাকে শুনিছোঁ।'

'এইবিলাক শুনিও তুমি ইয়ালৈ পলাই আহিলা কিয়?' বিষয়াজন এজন অভিজ্ঞ অফিচাৰ। মানুহ এজনৰ সবলতা-দুৰ্বলতাখিনি বিশ্লেষণ কৰি উলিয়াব জানে।

'আশ্ৰয় বিচাৰি।'

'আশ্ৰয় দিলে আমাৰ মতে চলিব পাৰিবানে?'

'পাৰিম বুলিয়েই গুচি আহিছোঁ। মই কাম কৰি খোৱা মানুহ। কাম কৰিয়েই খাম।'

'কি কাম দিলে তুমি ভাল পাবা?'

'সেইটো আপোনালোকেই ঠিক কৰি দিব।'

'ভাল' কথা। এই বিষয়ে তোমাক পিছত জনাম। তোমাৰ পৰা আৰু কিছুমান

কথা জানিব লগা আছে। সেইবিলাক জনাব পিছতহে তোমাৰ কামৰ বিষয়ে আমি সিদ্ধান্ত লম। এতিয়া যোৱা - পিছত আকৌ মাতিম।'

তাদিক ওলাই আহিল। তাক লৈ অহা বিষয়াজন বাহিৰতে থিয় দি আছিল। ভিতৰৰ পৰা মাতি পঠোৱাত তেওঁ সোমাই গ'ল। অলপ পিচত উভতি আহিল।

'বলা এতিয়া।' দুয়ো পুনৰ উভতি আহিল সৰু ঘৰটোলৈ।

'এইটো ঘৰতেই মই থাকিব লাগিব নেকি?' তেতিয়া গধূলি হওঁ হওঁ হৈছিল।

'কেইদিনমান ইয়াতেই থাকিব লাগিব। পিছত তোমাৰ কাম অনুযায়ী থকা ঠাইও পৃথক কৰি দিয়া হ'ব। কেইদিনমানৰ বাবে লগৰীয়া এজন পাবা। তেওঁ যেনেদৰে ক'ব তেনেদৰে চলিবা।'

'মাত-কথা মিলা মানুহ হ'লে ভাল হ'লহেঁতেন।' তাদিকে সৈনিক জেনাৰেলজনীৰ পৰা অব্যাহতি পাবলৈ চেষ্টা কৰিলে।

উত্তৰ একো নিদিয়াকৈ বিষয়াজন গুচি গ'ল। মানুহজনৰ বিষয়ে কিছু কথা জানিবলৈ তাদিকৰ ইচ্ছা আছিল যদিও সুযোগ নাপালে। চাংখনৰ ওপৰত দীঘল দি পৰি সি নানান চিন্তা-দুঃচিন্তাত মগ্ন হৈ পৰিল। ভুল কৰিলে নে ভাল কৰিলে সেই চিন্তা তাৰ মনলৈ বাৰে বাৰে উভতি আহিব ধৰিলে। কি আছিল সি আৰু এতিয়া কি হ'ল এই চিন্তাই তাৰ মনটোক জুমুৰি দি ধৰিলে। আগলৈ বা কি হ'ব তাকো সি নাজানে। জানিবলৈকো তাৰ আগ্ৰহ নহ'ল। দেশ এৰি গুচি আহিলো যেতিয়া দেশৰ কথা ভাবিবৰ প্ৰয়োজন নাই বুলি নিজকে সি বুজনি দিলে। দুষ্ট মানুহক শাস্তি দিওঁতে তাৰ হৈ কোনেও এৰাব নামাতিলে। বলিয়া কুকুৰক খেদি লৈ ফুৰাৰ দৰে তাক তিনিমাহ খেদি লৈ ফুৰিলে। নালাগে দেশ, নালাগে জাতি বুলি খঙতে সি উঠি বহিল। খোলা খিৰিকীখনত চকু পৰাত হঠাতে এখন মুখ আঁতৰি যোৱা যেন তাৰ অনুমান হ'ল। উঠি গৈ চাবৰো সাহস সি গোটাব নোৱাৰিলে। সি এজন আশ্ৰিত আত্মসমৰ্পণকাৰী তাৰ অধিকাৰ একো থাকিব নোৱাৰে। ইহঁতৰ ইচ্ছাৰেই তাৰ জীৱন পৰিচালিত হ'ব বুলি ধৰি লৈ সি পুনৰ হতাশাৰে বিছনাখনত দীঘল দি শুই পৰিল।

এনেতে আন্ধাৰ ঘৰটো উজ্জ্বল হৈ উঠাত সি দেখিলে লেম এটা হাতত লৈ একেই নীলা পোছাক পিন্ধা মানুহ এজন সোমাই আহিল।

'শুইচা নেকি? উঠা, খোৱা আনবিলৈ যাব লাগে।"না" কথা কোৱা মানুহজনক দেখি তাদিকে একেজাঁপে বিছনাৰ পৰা নামি মাটিত থিয় দিলে।

"তুমি 'না' মানুহ নেকি?" বহুত প্ৰত্যাশাৰে তাদিকে মানুহজনৰ মুখলৈ চালে। তাদিকৰ প্ৰশ্নটো শুনি মানুহজনে মিচিকযাই হাঁহিলে। প্ৰশ্নটোৰ কোনো উত্তৰ নিদিযাকৈ মাত্ৰ ক'লে-

'জাত-পাত ইয়াত নচলে। আমি সকলো মানুহ মহান চীন দেশৰ অধিবাসী। এই মহাজাতিত মিলি যাবলৈ হ'লে তুমিও সকলো পুৰণি চিন্তা ত্যাগ কৰিব লাগিব। বিপ্লবী মনেৰে তুমি নতুন সমাজ এখন গঢ় দি তুলিব লাগিব। যিখন সমাজত প্ৰতিজন মানুহেই সমানে পিন্ধিবলৈ আৰু খাবলৈ পাব আৰু সমমৰ্য্যাদাৰে জীয়াই থকাৰ অধিকাৰৰ পৰা বঞ্চিত নহব।'

নীলা পোছাক পিন্ধা মানুহজনে কথাখিনি কওঁতে কোনো এক অন্ধ আনুগত্যৰ ওচৰত যেন আত্মসমৰ্পণ কৰি পেলাইছিল। কথাবিলাকৰ অৰ্থ তাদিকে নুবুজিলে। ভাবহীনভাৱে বক্তাজনলৈ চাই থাকিল।

'নুবুজিলা নহয়নে? সমযত সকলো বুজিবা। আন্ধাৰৰ পৰা হঠাতে পোহৰলৈ ওলাই আহিলে মানুহে প্ৰথমে নেদেখা হৈ পৰাতো স্বাভাৱিক কথা। তুমিও আন্ধাৰ দেশৰ পৰাই আহিছা– মুক্তিৰ উজ্জ্বল কিৰণত খোজ লবলৈ তোমাক সময অলপ লাগিব। সেইখিনি সময তুমি পাবা। সেই সুযোগ তোমাক দিযা হব।'

"তুমি মোৰ ভাষা বুজি পোৱা, সেইকাৰণে ভাল লাগিছে। তোমাৰ নামটো জানিব পাৰোনে?" তাদিকে শুধিলে

'লি-পেং। তুমি মাতিলে কমৰেড লি-পেং বুলি মাতিবা।'

'তুমি চীনা মানুহ নেকি?'

'আকৌ জাতিৰ কথা সুধিলা কিয?' মানুহজনে খঙো নকৰে বিৰক্তও নহয়। তাদিকক নিৰীক্ষণ কৰাৰ ভাৰ পৰিছে যেতিযা ভুলবিলাক শুধৰাই যাব লাগিব বুলি লি-পেঙে সহানুভূতি প্ৰকাশ কৰিলে।

'মোৰ ভুল হ'ল। আগলৈ নোসোধো বাৰু।'

'ভুল আমি সকলোৱেই কৰোঁ। বহুতে জানি ভুল কৰে, বহুতে নাজানি ভুল কৰে। তুমি সাম্যবাদৰ নতুন পৃথিৱীখনলৈ আহিছা। আৰম্ভণিতে ভুল কৰাটো স্বাভাৱিক কথা।

তাৰ বাবে লাজ পাব নালাগে। সময়ত সকলো ঠিক হৈ যাব। ব'লা এতিয়া খাদ্য আনিবাগৈ। দেৰী হ'লে বন্ধ হৈ যাব। ইযাত সকলো কাম সময় সূচীমতে হয়। সময় সূচীমতে নচলাজনক এলেহুৱা বুলি পৃথক কৰি লোৱা হয়।'

মানুহজনৰ কথা শুনি তাদিকৰ চিন্তাত আউল লাগে। জাত-পাত নোহোৱা এইখন কেনেকুৱা সমাজ বুলি আচৰিত হয়। কাম কৰোতে সময়ৰ ইফাল-সিফাল হবই। সেইটো এটা দোষ হব নোৱাৰে। মানুহে ঘড়ীৰ কাঁটাৰ নিচিনাকৈ চলিব পাৰে নেকি বুলি ভাবি ভাবি গৈ থাকে। লি-পেঙৰ লগত গৈ সি যেতিযা খাদ্য পৰিবেশন কৰা ঠাইখিনিত উপস্থিত হয় তেতিযা খাদ্য বিতৰণ প্ৰায় শেষ হব ধৰিছিল। খাদ্য ল'বলৈ থিয় দি থকা মানুহৰ শাৰীত কেইজনমানহে বাকী আছিল। তাদিকক শাৰীত থিয় কৰাই দি লি-পেং দৌৰি উভতি গ'ল। খন্তেক পিছতে মেচটিন হাতত লৈ লি-পেঙো আহি থিয় দিলে একেই শাৰীত—তাদিকৰ ঠিক পিচতে। তাদিকৰ নম্বৰ আহিলত সি মেচটিনটো আগুৱাই দিলে। ভাত, চযাবিন সিজোৱা আৰু শুকান মাছৰ জুলীয়া ৰসখিনি মেচটিনটোত লওঁতে এজন মানুহৰ বাবে সেযা যথেষ্ট বুলি তাদিকে ভাবি ললে। কিন্তু খাবলৈ বুলি মুখত তুলি লওঁতে কেঁচা নহৰুৰ গোন্ধ তাৰ অসহনীয হ'ল। চকু-কাণ মুদি যিমান পৰিলে তাদিকে গিলিলে। ভোক আছিল কাৰণেই হবলা তাৰ ওকতি নাহিল।

'খোৱা এৰিছা কিয?' খাদ্যৰ কিছু অংশ তাদিকে এৰিব খোজা যেন দেখি লি-পেঙে প্ৰশ্ন কৰিলে।

'খাবলৈ সিমান মন যোৱা নাই।'

'খাদ্য পেলাই দিযাতো এটা অপৰাধ বুলি ধৰা হয। কৃষি কমৰেডসকলৰ অশেষ কষ্টৰ ফলত এই খাদ্য উৎপন্ন হয। এই খাদ্যৰ প্ৰতিটো খুদৰ লগতে তেওঁলোকৰ শ্ৰম মিহলি হৈ থাকে জানিবা। তিব্বতত আমি এতিযাও খাদ্যত স্বাবলম্বী হৈ উঠিব পৰা নাই। খোৱাবস্তু পেলাই দিযাতো বিপ্লৱ বিৰোধী মানসিকতা বুলিয়েই গণ্য কৰা হয়। এজন প্ৰকৃত বিপ্লৱীয়ে ৰাষ্ট্ৰৰ অনিষ্ট হব পৰা কাম কেতিয়াও নকৰে।'

লি-পেঙৰ বিপ্লৱী ভাষণ শুনি শুনিযেই তাদিকে বাকী থকা খাদ্যখিনি খাই পেলালে। খোৱাৰ নামত আঙুলিৰে ঠেলি ঠেলি আধাসিদ্ধ খাদ্যখিনি ভিতৰলৈ সুমুৱাই দিযাতো লি-পেঙে হযতো নেদেখিলে।

তাদিকক লৈ দহ দিন অনুসন্ধান চলিল। দহদিন সি শ শ প্ৰশ্নৰ উত্তৰ দিব লগীয়া

হ'ল। বেছি ভাগ সময় পলিটিকেল কমিচাৰৰ' সমুখতে থিয় দিব লগা হৈছিল। তাৰ ব্যক্তিগত কথাবিলাক যিমান সুধিছিল ত'ৰ দহগুণ বেছি প্ৰশ্ন সুধিছিল ভাৰতীয় প্ৰশাসন ব্যৱস্থাৰ বিষয়ে। যি প্ৰশ্ন সুধিছিল তাৰ সঠিক উত্তৰেই দি গৈছিল তাদিকে।

'লাকচিঙত বিষয়া সদায় নাথাকে নেকি?'

'নাথাকে। এবাৰ সদৰলৈ নামি গলে সহজে উভতি আহিবলৈ ইচ্ছা নকৰে। উভতি আহিলেও নামি যাওঁ নামি যাওঁ কৰে।'

'জনসাধাৰণৰ অভাৱ-অনাটন আঁতৰাবলৈ কিবা চিন্তা কৰেনে?'

'নিজে বৰ চিন্তা নকৰে। অভাৱ-অনাটনৰ কথা ক'লে ওপৰলৈ জনাই দিব বুলি কয় নিজে আগবাঢ়ি শোধ-পোচ নকৰে।'

গাঁওবাসীৰ ঘৰলৈ বিষয়া যায় নে?

এনেযে বৰ নাহে। উৎসৱ আনন্দত মাতিলে আহে।'

'গাঁৱৰ মানুহৰ লগত বহি খাদ্য খায়নে?

'বেলেগে বহে। তেল, মছলা দি সোৱাদ কৈ ৰান্ধি দিব লাগে।'

তাদিকে অকপটভাৱে সকলো কথাৰ উত্তৰ দি যায়। অনুসন্ধানকাৰী বিষয়াই সেই উত্তৰসমূহ আখৰে আখৰে লিখি যাব ধৰে।

ৰাজনৈতিক অৰ্থনৈতিক আৰু সামাজিক দিশত পুংখানুপুংখ অনুসন্ধান চলে। ভাৰতৰ প্ৰশাসনীয় দুৰ্বলতাসমূহক কেঁচু-কুমতি খন্দা দি খান্দি খান্দি উলিযাই লয়। সীমান্তৰ শীতল যুদ্ধত এই তথ্য সমূহৰ প্ৰসাৰি ভূমিকা হান পলিটিকেল কমিচাৰে সুন্দৰকৈ বুজি পায। যুদ্ধকালিন পৰিস্থিতিতো এই তথ্যসমূহৰ প্ৰযোজন আহি পৰে। শত্ৰুপক্ষৰ সবলতা-দুৰ্বলতাসমূহক পূৰ্বৰে পৰা বিশ্লেষণ কৰিব পৰাটোৱেই সফলতাৰ প্ৰথম পৰ্য্যায় বুলি মাৰ্ক্সবাদী বিপ্লবীসকলে বিবেচনা কৰি আহিছে।

'ইযাৰ পৰা পলাই যোৱা মানুহ এতিয়া তাত কিমান আছে?' বিষয়াজনে অনুসন্ধানৰ দিশ সলনি কৰে।

'সেই এঘৰেই আছে। মাকত আৰু জীযেক।'

'বাকী মানুহ ক'লৈ গ'ল?

'ভাৰতৰ আন আন ঠাইলৈ লৈ গৈছে।'

'ইহঁত নগ'ল কিয়?'

'গিৰিয়েকে আনিব গ'লে সিহঁতে হেনো তিব্বতলৈ উভতি আহিব।'

'গিৰিয়েক ক'ত আছে এতিয়া?'

'এইফালেই আছে হেনো—যুদ্ধ কৰিছে।'

'নামটো জানা নেকি?'

'নৰবু বুলি কোৱা শুনিছিলোঁ।'

'নৰবু- নৰবু———' পলিটিকেল কমিচাৰে অলপ চিন্তা কৰিব ধৰে।

'চোনাম নৰবু নেকি?' অনুসন্ধানী প্ৰশ্ন কৰিলে পলিটিকেল কমিচাৰ।

'হয় হয় সেইটোৱেই নাম।'

নিংমাৰ গিৰিযেকৰ নাম চোনাম নৰবু বুলি জানিব পাৰি পলিটিকেল কমিচাৰ মিচিকিযাই হাঁহিলে।

'চোনাম নৰবু এ সিহঁতক আনিবলৈ আৰু কেতিযাও নাযায়। চোনাম নৰবু শেষ হৈ গৈছে, লগতে তাৰ গৰিলা বাহিনীকো নিছিন্ন কৰি পেলোৱা হৈছে।'

কথাটো শুনি নিংমাইঁতৰ বাবে তাদিকৰ মনত সহানুভূতি উপজিল। মানবিযতাৰ অনুভৱক তেতিয়াও সি মনৰ পৰা দলিযাই পেলাব পৰা নাছিল।

'নৰবু মৰিল তেনেহলে?' তাদিকৰ চকুত বিষাদৰ ভাব ফুটি ওলাল। পলিটিকেল কমিচাৰৰ চতুৰ দৃষ্টিত সেই ভাব ধৰা পৰিল।

'প্ৰতি বিপ্লৱী তেনেদৰেই মৰে। তিব্বতবাসীৰ স্বাধীনতাৰ নামত এমুঠি সামাজিক প্ৰবঞ্চকে জনসাধাৰণক কেতিয়াও নেতৃত্ব দিব নোৱাৰে। প্ৰবঞ্চিত জনগণে সিহঁতকেই প্ৰথমে নিৰ্মূল কৰি পেলাব।'

'তেনেহলে নিংমাহতে স্বদেশলৈ উভতি অহাৰ অনুমতি নাপাব নেকি?'

'কেলেই নাপাব— নিশ্চয় পাব। নিজৰ অপৰাধ সিহঁতে জনতাৰ সমুখত স্বীকাৰ কৰিব লাগিব। সিহঁতৰ বিষয়ে জনতাই যি সিদ্ধান্ত আগবঢ়াব তাকে আখৰে আখৰে কাৰ্য্যকৰী কৰা হ'ব।নৰবু এ গণমুক্তি ফৌজৰ বহুতো ক্ষতি সাধন কৰি গৈছে। সেইবিলাক এতিযা অতীত হ'ল। সংস্কাৰ আৰু সংশোধনৰ দ্বাৰা আমি এখন নতুন তিব্বত গঢ়ি তুলিব ধৰিছোঁ। তুমি লাহে লাহে সকলো দেখিবলৈ পাবা। শিকিবলৈ তোমাক সকলো সুবিধা দিয়া হ'ব। পলিটিকেল কমিচাৰজনে অলপ বৈ পুনৰ ক'বলৈ ধৰিলে—'

'আৰু এটা কথা সুধি তোমাক আজিৰ বাবে বিশ্ৰাম দিম হবনে? পলিটিকেল

কমিচাৰজন অভিজ্ঞ আৰু চতুৰ ব্যক্তি। গণমুক্তি যুদ্ধৰ এজন আজীৱন যোদ্ধা। পোন্ধৰ বছৰ বয়সতে এই ফৌজত যোগ দিছিল। নিজৰ কৰ্মদক্ষতা আৰু কঠোৰ অধ্যৱসায়ৰ দ্বাৰা এতিয়া ৰেজিমেণ্ট পৰ্য্যায়ৰ পলিটিকেল কমিচাৰ হ'ল। কৰ্ণেলৰ মৰ্য্যাদা পায়। ক্ষমতাও অসীম। নিজে যুদ্ধ নকৰে কিন্তু ৰণ-নীতে পলিটিকেল কমিচনাৰ সকলেই নিৰ্দ্ধাৰণ কৰে। তেওঁলোকৰ মতে যুদ্ধৰ কোনো নিজস্ব লক্ষ্য নাথাকে। ৰাজনৈতিক লক্ষ্যত উপনীত হোৱাৰ বাবেই যুদ্ধৰ প্ৰয়োজন হয়। যুদ্ধ হ'ল ৰাজনৈতিক লক্ষ্যত উপনীত হোৱাৰ হাতিয়াৰ মাত্ৰ।

'যিবিলাক মানুহ লাকচিণ্ডলৈ শাসন চলাব আহে,' সিহঁত তোমালোকৰ নিজৰ মানুহ নে?'

'নিজৰ মানুহ নহয়- চৰকাৰী মানুহ।' প্ৰশ্নটোৰ অৰ্থ তাদিকে হয়তো নুবুজে।

'সেইটো সোধা নাই। যিবিলাক মানুহ আহে সিহঁত পাহাৰৰ মানুহে নে আন মানুহ সেইটোহে সুধিছোঁ।'

'আমাৰ মানুহৰ ইমান লিখা-পঢ়া নাই। সেই কাৰণে ভৈয়ামৰ মানুহেই আহে।'

'এই মানুহবিলাকৰ লগত তোমালোকৰ কিবা মিল আছেনে?'

'কেনেকৈ মিল থাকিব? আমি পাহাৰৰ মানুহ সিহঁত ভৈয়ামৰ। আমাৰ থকা, খোৱা, পিন্ধা-উৰা বেলেগ। সিহঁতৰ লগত একোতে নিমিলে।'

'আমাৰ লগত মিলে নে নিমিলে?' কমিচাৰে মিচিকিয়াই হাঁহিব ধৰে।

'কিয় নিমিলিব? আমি দেখাত একে জাতিৰ মানুহৰ নিচিনা নহয় জানো?'

জাতি-ভেদৰ যুক্তি দাঙি ধৰি পলিটিকেল কমিচাৰে ৰাজনৈতিক লাভালাভ আদায় কৰাৰ প্ৰচেষ্টা হাতত লয়। সফলো হয় প্ৰাৰম্ভিক পৰ্য্যায়ত। তাদিক এই যুক্তিৰ দ্বাৰা প্ৰভাৱান্বিত হৈ পৰে।

'চোৱা তোমাক সিহঁতে গুলিয়াই মাৰিবলৈ তিনিমাহ খেদি লৈ ফুৰিছিল। আমি আনহাতে তোমাক আদৰি লৈছোঁ, নিজৰ মানুহ কৰি লব বিচাৰিছোঁ। হয় নে নহয়?'

'হয়তো কিয় নহয়?' তাদিকৰ উত্তৰ শুনি পলিটিকেল কামচাৰে আনটো পৰামৰ্শ দাঙি ধৰিলে।

'ইয়াৰ নিয়ম-নীতি তাতকৈ অলপ বেলেগ পাবা। নিজৰ মানুহৰ লগত থাকিবা যেতিয়া নিয়ম-নীতিখিনি সলাবই লাগিব। নোৱাৰিবা জানো?'

'কেলেই নোৱাৰিম- পাৰিম।' তাদিক সাময়িকভাবে উৎসাহিত হৈ পৰে।

'তুমি যদি এই ঠাইৰ নিয়ম-নীতি মানি চলিব পাৰা তেনেহলে তোমাক আমি ভাল কাম দিম। বহুত ক্ষমতা পাবা।'

'নিশ্চয় পাৰিম। পাৰোনে নোৱাৰো আপোনালোকে চাই লব পাৰিব।'

তাদিকে পৰিস্থিতিৰ ওচৰত আত্মসমৰ্পণ কৰিলে। তিতা লগা অতীতটোতকৈ উজ্জ্বল ভৱিষ্যতৰ মিঠা কল্পনাটোকে তাদিকে ভাল পাবলৈ বাধ্য হ'ল। এৰি অহা মুক্ত জীৱনৰ বিশৃংখলাৰ তুলনাত কঠোৰ নিয়ম-নীতিৰ বন্ধনতে বান্ধ খাই পৰিবলৈ সি সাজু হ'ল। মনে-প্ৰাণে মিলা মানুহখিনিতকৈ, ৰঙে ছালে মিলা মানুহখিনিকেই যেন তাৰ আপোন আপোন লাগিব ধৰিলে।

'তুমি এতিয়া যোৱা। কাইলৈ আন কথা পাতিম।'

তাদিক ওলাই আহিল। বাহিৰত লি-পেং থিয় দি আছিল। তাদিকক অপেক্ষা কৰিব বৈ লি-পেং ভিতৰলৈ সোমাই গ'ল।

'ল'ৰাটো বুদ্ধিমান, চতুৰ নহয়। নতুন পথাৰ, কঠীয়া ভালকৈ সিঁচিব পাৰিলে লহ-পহকৈ বাঢ়ি আহিব। কমিচাৰৰ মন্তব্যত লি-পেঙে অৰ্থপূৰ্ণভাৱে হাঁহি উঠে।

'কিবা দুৰ্বলতা চকুত পৰিছেনে?'

'অলপ বেছি চিন্তা কৰে। মনৰ সংশয় এতিয়াও আঁতৰা নাই যেন লাগে।' চিনিযৰ পাৰ্টিকেডাৰ লি-পেঙে নিজৰ অভিমত দাঙি ধৰিলে।

পিচদিনা তাদিক গৈ থিয় দিলে ৰেজিমেন্টেল কমাণ্ডেন্টৰ কাৰ্য্যালয়ত। পৰিপাটি কাৰ্য্যালয়। পিচপিনে ওলোমাই থোৱা আছে চেযাৰমেন মাওঁ আৰু প্ৰতিৰক্ষামন্ত্ৰী মাৰ্চাল চু-তেৰ তৈল চিত্ৰ। সম্পূৰ্ণ বেৰ এখন আগুৰি আছে সীমান্তৰ বিশাল মানচিত্ৰ এখন। মানচিত্ৰখনৰ ঠায়ে ঠায়ে বিভিন্ন ৰঙৰ কাগজ লগোৱা পিন মৰা আছে। ভিতৰ সোমায়ে লি-পেঙে সামৰিক দস্তুৰ মতে চেলিউট কৰিলে। তাদিক সাৱধানে থিয় দি থাকিল।

'অ' তুমি আহিছা?' মেপখনৰ পৰা দৃষ্টি আঁতৰাই আনি তাদিকলৈ চালে। উভতি আহি নিজৰ চকীত বহিল। টুল এখন দেখুৱাই দি তাদিকক ইংগিততে বহিবলৈ ক'লে।

'মটৰ আলিটো কিমানলৈকে সাজিছে বুলি কৈছিলা?' পূৰ্বৰ অৰ্দ্ধসমাপ্ত অনুসন্ধান পুনৰ আৰম্ভ কৰিলে ৰেজিমেন্টেল কমাণ্ডাৰে।

'সদৰলৈকে মটৰ গাড়ী চলাচল কৰিছে।'

'তাতকৈ বেছি বনোৱা নাই নেকি?'

'বনাই আছে। লিমাকুৰিলৈকে মাটি কটা কাম শেষ হৈছে। দলংবিলাক সাজি শেষ হোৱা নাই কাৰণে মটৰ চলা নাই। তাদিকে সঁচা উত্তৰকে দি গ'ল।

'আলিটো সাজিছে কোনে? মানুহে নে মেচিনে?'

'মানুহো আছে, মাটি কটা গাড়ীও দেখিছোঁ।'

'মানুহবিলাক তাৰেই নে বাহিৰৰ"

বাহিৰৰ মানুহ।

'ঠিক আছে হ'ব। এতিয়া কোৱাচোন দুবছৰ আগতে হোৱা যুদ্ধৰ ক্ষতিপূৰণ গাঁৱৰ মানুহে পালেনে?

কৰ্ণেলে বাষষ্ঠি চনৰ সীমান্ত যুদ্ধৰ কথাকে সুধিলে। লাক্‌চিঙৰ ওচৰতে হোৱা সংঘৰ্ষ বৰ ব্যাপক আৰু দীৰ্ঘম্যাদি হোৱা নাছিল। প্ৰথম আক্ৰমণতে এই অঞ্চলৰ ভাৰতীয় প্ৰতিৰক্ষা ব্যৱস্থা উফৰি গৈছিল। দুয়োপক্ষৰ গুলীযাগুলীত গাঁৱৰ মানুহৰ গৰু, গাহৰি কিছু মৰিছিল। ঘৰ-দুৱাৰবো ক্ষতি হৈছিল। যুদ্ধ বিৰতিৰ সময়ত চীনা কৰ্তৃপক্ষই ক্ষতিপূৰণ দিব বিচাৰিছিল। সেই ক্ষতিপূৰণ লাক্‌চিং অঞ্চলৰ বহুতেই লৈছিল।

পাইছিল বুলি শুনিছোঁ। কোনে কিমান পাইছিল সেইটো হ'লে নাজানো।'

'তুমি পাইছিলা নে নাই?'

'আমাৰ একো ক্ষতি হোৱা নাছিল।

'ঠিক আছে আমাৰ সৈন্যবাহিনী গুচি অহাৰ পিচত তাৰ চৰকাৰে গাঁৱৰ মানুহক কিবা ক্ষতিপূৰণ দিছিল নে নাই?'

তেনেকৈ বিশেষ একো দিয়া নাছিল। ভাৰতীয় চিপাহীযে পেলাই থৈ যোৱা অস্ত্ৰ-পাতিবিলাক জমা দিলে পইচাহে দিছিল।'

'গাঁৱৰ মানুহে ক'ত পাইছিল সেইবিলাক অস্ত্ৰপাতি?'

ৰেজিমেণ্টেল কমাণ্ডাৰ বৰ আচৰিত হয। চিপাহীয়ে অস্ত্ৰ এৰি পলাই যোৱাতো চীনা গণমুক্তি ফৌজত এক প্ৰধান অপৰাধ বুলি ধৰি লোৱা হয। এই অপৰাধৰ বাবে কঠোৰ শাস্তি ভুগিব লাগে। হয় মৃত্যু নতুবা সুদীৰ্ঘ সশ্ৰম কাৰাদণ্ড।

'য'তে ত'তে পাইছিল। গাঁৱত, পলাই যোৱা বাটত, খেতিত নতুবা নৈৰ পাৰতো পেলাই থৈ গৈছিল এই অস্ত্ৰ-শস্ত্ৰসমূহ।'

কথাবিলাক শুনি কৰ্ণেলে হাঁহিব ধৰিলে। ভাৰতীয় সৈন্যবাহিনীৰ দুৰ্বলতাত আমোদ বিচাৰি পালে।

'সেই সৈন্যবিলাকেই এতিয়া উভতি আহিছেনে?'

'নাই অহা। বেলেগ সৈন্য আহিছে। নিয়মবিলাকো বেলেগ হৈছে। ৰাইফলবিলাকো আগৰ নিচিনা নহয়।'

ৰেজিমেণ্টেল কমাণ্ডাৰে কেইবাদিনো ধৰি এই অনুসন্ধান চলাই গ'ল। যাতায়াত ব্যৱস্থা, সৈনিক শিবিৰৰ অৱস্থান, সৈন্য-সংখ্যাৰ পৰা আৰম্ভ কৰি ভাৰতীয় সৈনিকৰ অস্ত্ৰ-শস্ত্ৰ আৰু নৈতিক মনোবলৰ ওপৰত বিভিন্ন তথ্য সংগ্ৰহ কৰিলে। প্ৰয়োজনীয় কথাবিলাক লিখি থয় আৰু মেপখনতো কিবা কিবি দাগ দিয়া তাদিকে লক্ষ্য কৰিলে। তাদিকৰ সহযোগিতাসুলভ মনোভাৱ দেখি কৰ্ণেল সুখী হ'ল। তাদিকৰ খাদ্য তালিকাতো কণী আৰু মাংস সংযোজিত কৰাৰ নিৰ্দেশ লিখি দিলে।

এদিন তাদিক গৈ থিয় হ'ব লগা হ'ল ৰেডগাৰ্ডৰ কাৰ্য্যালয়ত। ৰেডগাৰ্ড বুলিলে ভয় নকৰা মানুহ সেই সময়ত সাম্যবাদী চীনদেশতো নোহোৱা হৈ পৰিছিল। ৰেডগাৰ্ডসকল সৈনিকো নহয় আৰক্ষী বুলিও ক'ব নোৱাৰি। পাৰ্টিকেডাৰো নহয় অথচ ক্ষমতা পাইছিল অসীম। চেয়াৰমেন মাও-জে-ডঙৰ চিন্তাশীল বিশ্লেষণৰ পৰাই উৎপত্তি হৈছিল এই ৰেড-গাৰ্ড নামৰ নতুন যুৱ শক্তিৰ।

চীন দেশত সাম্যবাদ প্ৰতিষ্ঠা হোৱাৰ পোন্ধৰ বছৰৰ ভিতৰতে সাম্যবাদী বন্ধনত অতিষ্ঠ হৈ উঠিছিল চীনৰ সচেতন জনসাধাৰণ। মানুহে পৰিৱৰ্তন বিচাৰিবলৈ আৰম্ভ কৰিছিল। জনগণৰ এই আকাঙ্ক্ষাক সক্ৰিয় ৰূপ দিবলৈ আগবাঢ়ি আহিছিল চীনদেশৰ বুদ্ধিজীৱী শ্ৰেণীটো। গুপ্তপ্ৰচাৰ আৰম্ভ হৈছিল সমগ্ৰ চীনত।

পৰিৱৰ্তনৰ দাবী বহন কৰা এই নতুন চিন্তাধাৰাক মাও-জে-ডঙে বিপ্লৱ বিৰোধী প্ৰতিক্ৰিয়াশীলতা বুলি সমালোচনা কৰিলে। কৃষি, শিল্প, বিশ্ববিদ্যালয়ৰ নিচিনা দেশৰ গুৰুত্বপূৰ্ণ ব্যৱস্থাবিলাকতো এই সংস্কাৰমুখী মানসিকতাই মুৰ দাঙি উঠিল। সৈনিক আৰক্ষীও বাদ নগ'ল।

মাও আছিল এক মহান সৃষ্টিশীল প্ৰতিভা। প্ৰতিটো সমাধানক এক বিপ্লৱী ৰূপ দিয়াত তেওঁ আছিল অদ্বিতীয়। চীনদেশৰ এই সংস্কাৰ মুখী চিন্তা-চৰ্চাক আৰম্ভণিতে নিৰ্মূল কৰি পেলাবলৈ মাও-জে-ডঙে এক সংস্কৃত বিপ্লৱৰ আহ্বান জনাইছিল। লিখি

উলিয়াইছিল "ৰেড বুক" নামৰ এখন ক্ষুদ্ৰ পুস্তক। ৰঙা মলাটৰ এই পুস্তকখনৰ মাধ্যমেৰে মাও এ সংস্কাৰমুখী নব মানসিকতাক প্ৰত্যাহ্বান জনালে। চীনদেশৰ কোটি কোটি যুৱক-যুৱতীৰ হাতত একোখনকৈ ৰেড বুক তুলি দি সমগ্ৰ চীন বিয়পাই দিলে। সংস্কাৰ বিচৰা বুদ্ধিজীৱীসকলৰ ওপৰত বিপ্লৱ বিৰোধীৰ অপবাদ জাপি দি ৰাজহুৱাভাৱে অপদস্থ কৰোৱা হ'ল। আনকি ৰাষ্ট্ৰপতিৰ পত্নীয়েও এই গৰিহণাৰ পৰা অব্যাহতি নেপালে। আগভাগ ললে এই ৰেড-গাৰ্ডসকলে। কাক কেতিয়া ৰেড-গাৰ্ডসকলে ধৰি নি প্ৰতিক্ৰিয়াশীলৰ অপবাদ জাপি ৰাজহুৱাভাৱে অপদস্থ কৰে তাৰ নিশ্চয়তা নোহোৱা হ'ল। বহুতক মৃত্যুদণ্ড দিয়া হ'ল। বহুতে কঠোৰ শ্ৰমৰ আজীৱন কাৰাদণ্ড পালে। মাওৰ আশীৰ্বাদ পুষ্ট এই ৰেড-গাৰ্ডসকলে নিৰ্দয়ভাৱে পদদলিত কৰি পেলালে এই নব মানসিকতাক। সংস্কাৰৰ দাবী স্তব্ধ হৈ গ'ল।

চীনদেশৰ এই নতুন বিপ্লৱী ৰেড-গাৰ্ড এদিন অধিকৃত তিব্বতলৈকে বিযপি পৰিল।

'ইযালৈ অহাৰ আগেয়ে তই কি কাম কৰিছিলি?'

'ডাকোৱালৰ কাম কৰিছিলোঁ। ভয়ে ভয়ে উত্তৰ দিলে তাদিকে।

লি-পেঙে তাদিকক আগতে সকীযাই থৈছিল সঁচা উত্তৰ দিবলৈ। ৰেড-গাৰ্ডৰ সিদ্ধান্তৰ ওপৰতে তাৰ ভৱিষ্যত নিৰ্ভৰ কৰিব বুলিও সচেতন কৰি থৈছিল। ভুল হ'লে স্বীকাৰ কৰিবলৈকো শিকাই দিছিল।

'মানুহ কাটিলি কিয?' পোনপটীয়া কঠিন প্ৰশ্ন।

'যাক কাটিলো সিহঁতে নিঃসহায পৰিযাল এটাৰ লগত দুৰ্ব্যৱহাৰ কৰিছিল।'

'মানুহ দুজনক তাৰ চৰকাৰৰ হাতত গটাই নিদি শাস্তি দিয়াৰ দায়িত্ব তই নিজে লৈছিলি কিয়?' পুনৰ কঠিন প্ৰশ্ন। তাদিকে উত্তৰ বিচাৰি নাপায।

'উত্তৰ দিব নোৱাৰিলে দোষী তই হ'ব লাগিব।' ৰেড-গাৰ্ডজনে সকীযাই দিলে।

'সিপাৰৰ চৰকাৰী নিযমবিলাক বৰ এলেহুৱা গতিত চলে। সকলোৱেই নিজৰ মতেই চলিব বিচাৰে কাৰণে প্ৰতিটো কথাত খেলি-মেলি হয়। বিচাৰ-ব্যৱস্থাও বৰ দীঘলীয়া।'

'সেই বুলি দোষী মানুহক কাটি পেলাবি নেকি?'

'কাটিম বুলি আগৰ পৰাই ভবা নাছিলোঁ। হঠাতে মনটো কি হৈছিল ক'ব নোৱাৰোঁ। পৰিণামৰ কথাও ভাবি চাবৰ নহ'ল।'

'ইয়ালৈ আহি অনুতাপ হৈছে নেকি?' অনুসন্ধানী প্ৰশ্ন কৰিলে ৰেড-গাৰ্ডৰ ডেকা দলপতিজনে।

'অকণো হোৱা নাই। নতুন জীৱন এটা বিচাৰি পাম বুলিযেই গুচি আহিছোঁ।'

'নতুন জীৱন মানে কি ক'ব বিচাৰিছ?'

'ইয়ালৈ আহি তাতকৈ বহুত কথাত নতুনত্ব দেখিছোঁ।'

'কেনেকুৱা নতুনত্ব দেখিছ— দুই এটা কথা বুজাই দেচোন।' ওচৰত উপস্থিত থকা ৰেড-গাৰ্ডসকলে নিজৰ মাজতে দৃষ্টি বিনিময় কৰিব ধৰিলে।

'ইযাত সকলোৱে সময়মতে কাম কৰে। ভাগে ভাগে মানুহক কাম দিযা হৈছে। কোনেও বহি নাথাকে। এইবিলাকেই দেখিছোঁ।' তাদিকে এই নতুনত্ববিলাক ভালপায কয়নে—ক'ব লগা হৈছে কাৰণে ক'বলৈ বাধ্য হয বুজা নগ'ল।

'ইযাত যে সকলোৱে সমানে খাব পায সেই কথাটো নকলি কিয?'

'হয সেইটোও নতুন দেখিছোঁ। ক'বলৈ পাহৰিছোঁ সেইটো মোৰ ভুল হৈছে। লি-পেঙে শিকাই দিযামতে তাদিকে নিজৰ ভুল স্বীকাৰ কৰি লয।

এইযোৰ কাপোৰ পিন্ধি কিবা নতুনত্ব অনুভৱ কৰিছনে?' অৰ্থপূৰ্ণ প্ৰশ্ন সুধিলে ৰেড-গাৰ্ডৰ দলপতিজনে ।

"ৰেড-বুকৰ ' মাধ্যমেৰে মাও-জে-ডঙএ ব্যক্তিবাদী চিন্তা- চৰ্চাক নিৰ্মূল কৰিব বিচাৰিছিল। ৰেডগাৰ্ডসকলে মাওৰ এই নিৰ্দেশক ব্যক্তিৰ খোৱা -পিন্ধাৰ ৰুচিটো প্ৰযোগ কৰিব গৈ অতি বিপ্লৱীৰ আকাৰ লৈ পৰিছিল।

'হয কৰিছোঁ। মইও যেন সকলোৰে নিচিনা কৰ্মী হৈ পৰিছোঁ, সেই অনুভৱ আহিছে তোষামোদ কৰিব খুজিলে তাদিকে।

'তই পিন্ধি অহা কাপোৰযোৰ আৰু এইযোৰ কাপোৰৰ মাজত কিবা পাৰ্থক্য অনুভৱ কৰিছনে?'

'সেইযোৰ ভাৰতীয মানুহৰ কাপোৰ আৰু এইযোৰ ইযাৰ। এইযোৰ কাপোৰ সকলো কামতে ব্যৱহাৰ কৰিব পাৰি সেইযোৰ নোৱাৰি।'

'তই পিন্ধি অহা কাপোৰযোৰ কি কৰিলি?'

মোৰ টোপোলাতে সুমুৱাই থৈছোঁ।' তাদিকে সাঁচটোকে কয়।

'কলৈ সাঁচি ৰাখিছ, মোহ এৰিব পৰা নাই নেকি? এতিয়া গৈ পুৰি পেলাবিনে?'

মাও-জে-ডঙএ সংশোধনৰ মাজেৰে বিপ্লৱী সংস্কাৰ বিচাৰিছিল। ঐতিহ্যক মচি পেলোৱাৰ নিৰ্দেশ দিয়া নাছিল। কিন্তু অতি বিপ্লৱী এই ৰেড-গাৰ্ডসকলে তেওঁলোকৰ দহ বছৰীয়া প্ৰভাৱকালত তিব্বতবাসীৰ ঐতিহ্যক নিৰ্মমভাৱে বিনাশ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। এইবিলাক কাৰ্য্যত চীনৰপৰা অহা ৰেড-গাৰ্ড সকলতকৈ তিব্বতীয় ৰেড-গাৰ্ডসকলৰ ভূমিকাই আছিল চকুত লগা।

হঠাতে সাম্যবাদী হৈ পৰা এই তিব্বতীয় যুৱকসকলে ৰেড-গাৰ্ডৰ ক্ষমতা পাই সংস্কাৰৰ নামত সংহাৰহে আৰম্ভ কৰি দিছিল। নিজা দেশ আৰু জাতিৰ ঐতিহ্য বিনাশত সিহঁতৰ প্ৰতিজনে হৈ পৰিছিল একোজন অতি বিপ্লৱী। হান তোষামোদকাৰী এই উশৃঙ্খল তিব্বতীয় ৰেড-গাৰ্ড সকলৰ দৃষ্টিত হাজাৰ বছৰীয়া তিব্বতীয় ঐতিহ্যই যেন হৈ পৰিছিল প্ৰথম আৰু প্ৰধান অন্তৰায়। মাওৰ সাংস্কৃতিক বিপ্লৱৰ নামত তিব্বতত এক জঘন্য ধ্বংসলীলাৰ যজ্ঞও পাতিছিল এই তিব্বতীয় ৰেড-গাৰ্ডসকলে। মঠ-মন্দিৰ, শিল্পকলা, ধৰ্ম আৰু ৰীতি-নীতিযেও অব্যাহতি পোৱা নাছিল সিহঁতৰ ক্ৰূৰ অভিযানৰ সম্মুখত। পুৰণি চিন্তাধাৰাক নিৰ্মুল কৰিব বিচাৰি সিহঁতে হাজাৰ হাজাৰ স্বজাতিক হাঁহি হাঁহি গতিযাই দিছিল মৃত্যুৰ মুখলৈ নতুবা কাৰাগাৰৰ গভীৰ অন্ধকাৰলৈ।

'পুৰি পেলাম'। তাদিৰ তিব্বতলৈ পলাই যোৱা কেইসপ্তাহ মানহে হৈছিল মাত্ৰ। ৰেড-গাৰ্ড কি সি দেখাও নাই জনাও নাছিল। কিন্তু এই প্ৰথম দৰ্শনতে তাৰ অনুমান হ'ল ৰেড-গাৰ্ড নামৰ এই যুৱকবিলাকৰ হাতততে যেন মানুহৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছে।

'বুদ্ধদেৱ নামৰ সেই ৰজাৰ পুতেকক তইও পূজা কৰ নেকি?' দেশ, জাতি, সভ্যতা সংস্কৃতিৰ ঐতিহ্যক পাহৰি পেলোৱা এই তিব্বতীয় নতুন পুৰুষসকলৰ প্ৰশ্নত তাদিৰ হতভম্ব হৈ পৰে।

'ইয়ালৈ অহাৰ আগতে কৰিছিলো।'

'এতিয়া?'

'নকৰিবি বুলি ক'লে নকৰো। মই ইয়াৰ নিযম মতেই চলিম।?'

'অ' ইয়াৰ মতেই চলিব লাগিব। ইয়াত ধৰ্ম মানেই কৰ্ম। চেযাৰমেন মাও-জে-ডং আমাৰ বাবে ভগৱান। তেখেতৰ নিৰ্দেশবিলাকেই আমাৰ ধৰ্ম বুজিছনে নাই?'

'বুজিছোঁ। নুবুজাখিনি লাহে লাহে বুজি শুনি লম" তাদিকে ক্ৰমান্বয়ে নিজৰ আত্মবিশ্বাস হেৰুবাবলৈ ধৰে। পদে পদে কঠোৰ নিয়মৰ অধীন হৈ পৰা যেন লাগে তাৰ। সিও যেন এদিন এটা যন্ত্ৰলৈ ৰূপান্তৰিত হৈ পৰিব সেই অনুভৱেও তাৰ মনত ভুমুকি মাৰিব ধৰে। জীয়াই থকাৰ মায়াত দেশ এৰি গুচি অহা তাদিকে জীৱনৰ মোহ ইমান সহজে ত্যাগ কৰিবলৈ সাজু হব নোৱাৰা হয়। ভুল কৰিলে বুলি তাৰ মনত প্ৰথম খিক্কাৰ ওপজে। তাদিকে ভাবি থাকোতে ৰেড-গাৰ্ডসকলে নিজৰ মাজতে আলোচনা কৰিলে।

'তই কি কাম কৰি ভাল পাবি?'

কাম নিৰ্ণযৰ মাজতো ৰেড-গাৰ্ড কিজনে তাদিকৰ মানসিক প্ৰবৃত্তিক বিশ্লেষণ কৰি চাবলৈ চেষ্টা কৰিলে। সিহঁত মনস্তাত্বিকৰ বিশেষজ্ঞও নহয়। "ৰেড-বুকৰ অন্ধ অনুগামী মাত্ৰ।

'মই যিকোনো কাম কৰিব পাৰিম। নজনা কামহে শিকি লব লাগিব।' পৰিস্থিতিৰ অনুকূলে তাদিকে উত্তৰ দি গ'ল।

'বেচ কথা। এতিয়া তই যাব পাৰ।' এনেদৰে তাদিকক লৈ পোন্ধৰ দিন পৰীক্ষা-নিৰীক্ষা চলিল। খাবলৈ আৰু শুবলৈ পোৱা সময়খিনি বাদে সি বিভিন্ন অনুসন্ধানী গোটৰ সম্মুখত উপস্থিত থাকিব লগা হ'ল। লি-পেঙে সকলো সময়তে 'ছাঁ'ৰ নিচিনাকৈ তাৰ লগতে থাকে। শুবৰ সময়ত লি-পেং যায়গৈ যদিও খিৰিকীখনেৰে যেন নিশাও তাৰ ওপৰত দৃষ্টি ৰখা হয় সেই সন্দেহে তাদিকৰ লগ নেৰিলে। কি চায় সিহঁতে তাদিকে

নুবুজে। কমিউনিষ্ট প্ৰশাসনৰ আও-ভাও নুবুজা তাদিকে তাকেই চীনা নিয়ম বুলি মানি লবলৈ বাধ্য হয। লি-পেং কি মানুহ তাদিকে তেতিয়ালৈকে ধৰিব পৰা নাছিল। কিন্তু চিপাহী নহয বুলি বুজি পাইছিল। নামটো চীনা যদিও লি-পেং যে চীনা মানুহ নহয়, সেই সন্দেহ তাৰ মনলৈও আহিছিল। "না" মানুহৰ কথা সুন্দৰকৈ ক'ব পাৰে দেখি তাদিকৰ সেই সন্দেহ আৰু ঘনীভূত হৈছিল। এদিন তাদিকে সুধিয়েই পেলালে।

'তুমি কি মানুহ কমৰেড লি-পেং?'

'কিয সুধিছা এই কথা?' তাদিকৰ সৰল প্ৰশ্নত কোনো বিৰূপ প্ৰতিক্ৰিয়া প্ৰকাশ নকৰে লি-পেঙে।

'এনেযে জানিব বিচাৰিছোঁ তুমি আমাৰ কথা ইমান সুন্দৰকৈ ক'ব পাৰা কাৰণে ।'

'এই প্ৰশ্ন আৰু কেতিযাও কাকো নকৰিবা। আমি সকলো মহান চীন দেশৰ মানুহ, এযে আমাৰ পৰিচয বুলি জানিবা। চেযাৰমেন মাও-জে-ডং আমাৰ পথ প্ৰৰ্দশক। তেখেতে দেখুৱাই দিযা পথেৰে আমি আগুৱাই যাব লাগিব। এই মহান যাত্ৰাত আমি সকলো একেই মানুহ। আমাৰ নিজস্ব পৰিচয একো থাকিব নোৱাৰে। বুজিলানে?'

'হয বুজিলোঁ। প্ৰশ্নটো কৰা মোৰ ভুল হৈছে। তাৰ বাবে মই অনুতপ্ত।' লি-পেঙৰ মন পুত উত্তৰকে দিযে যদিও লি-পেঙৰ প্ৰকৃত পৰিচয সৰ্ম্পকে তাদিকৰ সন্দেহ আঁতৰ নহ'ল। লি-পেং তাদিকৰ শুভাকাঙ্খী হযনে নহয সেই প্ৰশ্নও তাদিকৰ মনৰ মাজতে থাকি গ'ল।

পিচদিনা তাদিকক লৈ যোৱা হ'ল সৈনিক শিবিৰৰ গাতে লাগি থকা গাঁওখনলৈ। গাঁওখন যথেষ্টে ডাঙৰ। প্ৰায পোন্ধৰ শ মানুহৰ বসতি স্থান। ঘৰ বিলাক একোটা পৰিযালৰ নহয। তিনি চাৰিটা পৰিযাল একেলগে থাকে। প্ৰতিটো ঘৰৰ ৰন্ধা-খোৱা সমুহীযা। পৰিয়াল বিহীন মানুহবিলাক থাকে দীঘল দীঘল ঘৰ বিলাকত। সিইঁতে নিজে ৰান্ধি নাখায়। সমুহীযা খাদ্য গৃহত গৈ খাব লাগে।

লি-পেঙেই তাদিকক গাঁওখনলৈ লৈ গ'ল। যাওঁতে যাওঁতে বুজাই গ'ল।

'তুমি এৰি অহা গাঁওখনৰ নিচিনা এইখন গাঁও নহয়। ইয়াৰ সকলো কথা বেলেগ দেখিবা। দুদিনমানৰ ভিতৰতে সকলো ব্যৱস্থা বুজিব পাৰিবা। গাৱঁৰ সকলো মানুহে যেনেদৰে চলিছে তেনেদৰে তুমিও চলিব লাগিব। কৰো লগত ঘনিষ্ঠ হৈ নপৰিবা। ঘনিষ্ঠ হলেই কুট বুদ্ধিয়ে বাঁহ সাজে। কুটবুদ্ধিৰ আনটো নাম হ'ল ষডযন্ত্র। ষডযন্ত্রকাৰীৰ বিপ্লবত কোনো স্থান নাই। ষডযন্ত্রকাৰীক বিপ্লৱে কেতিয়াও ক্ষমা নকৰে। কঠোৰৰ পৰা কঠোৰতম শাস্তি ধাৰ্য্য কৰা হয় এনে ষডযন্ত্রকাৰীৰ ওপৰত এই কথা সততে মনত ৰাখি চলিবা।'

লি-পেঙৰ কথাবিলাক তাদিকে মন দি শুনি গৈ থাকে। কিছু কথাত খু-দুৱনি লাগিলেও সি প্ৰশ্ন কৰিবলৈ সাহস গোটাব নোৱাৰে। প্ৰশ্ন কৰি সন্দেহ ভাজন ব্যক্তি হৈ পৰিব বুলি সি ভয় কৰা হ'ল।

'এইখন গাঁৱত বিভিন্ন ভাষা-ভাষীৰ মানুহ লগ পাবা। বিভিন্ন ভাষা ক'লেও বিপ্লৱী আদৰ্শত সিহঁত সকলো একেই মানুহ। চিন্তা চৰ্চাও একেই। কৰ্ম কৰাৰ একাগ্ৰতাৰেই ইহঁত বিপ্লৱক আগুৱাই নিছে দেখিবা। নিজৰ সুখতকৈ ৰাষ্ট্ৰৰ প্ৰগতিক এই গাৱঁৰ জনসাধাৰণে অগ্ৰাধিকাৰ দিব শিকিছে। তিব্বতবাসীৰ বাবে আজি প্ৰযোজন হৈছে মানসিক পৰিৱৰ্তনৰ। এই পৰিৱৰ্তন আহিব মাও-জে-ডঙে দিয়া মহা¯ বিপ্লৱী নিৰ্দেশৰ মাজেৰে।'

লি-পেঙৰ কথাখিনি অৰ্দ্ধ সমাপ্ত হওঁতেই এজাক মানুহ হঠাতে সন্মুখত আহি পৰে। গাঁৱৰ এইখিনিতেই বাটটোৱে কেঁকুৰী এটা ঘূৰিছে। সিহঁতৰ হাতে হাতে কৃষি সঁজুলি। দলটোত পুৰুষ আৰু মহিলাৰ সংখ্যা প্ৰায় সমান যেন লাগিল তাদিকৰ। লি-পেঙক দেখাৰ লগে লগে সকলোৰে মুখৰ প্ৰকাশ ভংগী হঠাতে সলনি হৈ পৰিল। গোমোঠা মুখত হাঁহি বিৰিঙি উঠিল। লি-পেঙলৈ সিহঁতে বিপ্লৱী চালাম জনালে। সিহঁতৰ হাতৰ মুঠিত কিন্তু কোনো দৃঢতা প্ৰকাশ পোৱা দেখা নেপালে তাদিকে।

'সু-প্ৰভাত কমৰেড কৰ্মীসকল।' লি-পেঙে মুষ্টিবদ্ধ হাত দাঙি প্ৰত্যুত্তৰ দি গ'ল।

'সু-প্ৰভাত কমৰেড লি।' মানুহখিনিৰ সেই সমবেত শুভেচ্ছা যেন এক বাধ্যতামূলক প্ৰতিধ্বনি হে আছিল- স্বতঃস্ফূৰ্ত অভিনন্দন নাছিল বুলি তাদিকৰ অনুভৱ হ'ল।

ওচৰেৰে পাৰ হৈ যাওঁতে তাদিকলৈ সিহঁতে সন্দিগ্ধ দৃষ্টিৰে চাই গ'ল। মানুহখিনিৰ সেই দৃষ্টিৰ গুঢ়াৰ্থ তাদিকে তেতিয়াই নুবুজিলে। বুজিবলৈ তাৰ বহুত দিন লাগিছিল। যিদিনা বুজিবলৈ সক্ষম হৈছিল সিদিনা তাদিক অনুশোচনাৰে মৰ্মাহত এজন যুৱক হৈ পৰিছিল।

এওলোক কৃষি কমৰেড। দেশৰ খাদ্য এওঁলোকেই উৎপন্ন কৰে। কিমান মহান এওলোকৰ অৱদান নহয়নে? অথচ এই লোকসকলৰ বহুতেই এটা সময়ত ভিক্ষা খুজি খাইছিল। মঠ-মন্দিৰৰ ওচৰত 'ওম-মণি-পদ্মে-হুম' মন্ত্ৰ আঁওৰাই হাত পাতি বহিছিল। দয়া কৰি কোনোবাই দিলে খাইছিল নতুবা লঘোনে-ভোকে থাকিছিল। এতিয়া সেই মানুহখিনিয়েই কৃষি কৰ্মী হৈ দেশৰ খাদ্য উৎপন্ন কৰিছে। এওঁলোকৰ মুখত এতিয়া বিপ্লৱৰ মহান মন্ত্ৰ উচ্চাৰিত হৈছে। ভিক্ষা খোজা দুৰ্বল হাত দুখনো এতিয়া বজ্ৰ কঠিন কৃষি হাতিয়াৰলৈ সলনি হৈ গৈছে দেখিলা?'

লি-পেঙৰ কথাবিলাক তাদিকে একান্তমনে শুনি গৈ থাকে। কিছুমান কথাই তাকো অনুপ্ৰাণিত নকৰাকৈ নাথাকে। ভগৱানৰ দোহাই দি খুজি খালে ভগৱানেই লাজ পাব লাগে বুলি সি ভাবিবলৈ বাধ্য হয়। একেই সমাজত কিছুমানে নাখাব আৰু কিছুমানে বহি খাব সিও ভাল কথা নহয়- তাদিকৰো মনত অন্তৰ্দ্বন্দ্ব ওপজে।

লাকচিঙৰ মানুহেও কাম কৰি খায। নিজৰ কাৰণে যিখিনি প্ৰয়োজন তাৰেই খেতি কৰে। অতিৰিক্ত খেতি কৰি ধনী হোৱাৰ কথাও নাভাবে। খেতি কৰিও আন কথা ভাবিবলৈ অজস্ৰ সময় পায় লাকচিঙৰ মানুহে। মন নগলে খেতিলৈকো নাযায। তাৰ ওচৰেৰে শাৰী পাতি যোৱা খিনিতকৈ লাকচিঙৰ মানুহেই যেন বেছি সুখী বুলি ভাবি ভাবি তাদিক গৈ থাকে।

গাঁওখন সোমায়ে তাদিক আচৰিত হয। প্ৰায় পোন্ধৰ বছৰ আগতে বাপেকৰ লগত

সিও এই অঞ্চললৈ আহিছিল। সেই সময়ত গাঁওখনৰ নাম আছিল বিনিথাং। ভৈয়ামৰপৰা কিনি অনা এৰীয়া কাপোৰ সলনি কৰি ইয়াৰপৰা নিমখ লৈ গৈছিল। এইখন গাঁও তেতিয়া ইমান ডাঙৰ নাছিল। পোন্ধৰ ঘৰ মান মানুহ আছিল। গাঁওখনৰ প্ৰৱেশ পথত থকা প্ৰকাণ্ড গোম্ফাটোৰ সোণালী মুধচটো বহু দূৰৰপৰাই চকুত পৰা আছিল। প্ৰৱেশ পথৰ দুয়ো কাষে শাৰী শাৰীকৈ পোতা ওখ ওখ কাঠৰ স্তম্ভত ফৰফৰাই উৰিছিল মন্ত্ৰ লিখা অজস্ৰ কাপোৰ। সেইবিলাকৰ কোনো চিন তাৰ চকুত নপৰাত তাদিকৰ মনটো হঠাতে সেমেকি উঠিল। কিহৰ বাবে এই পৰিবৰ্তন সি নুবুজিলে। চীনাবিলাকে এইবিলাক ভাল নাপাই কাৰণেই হয়তো আঁতৰাই পেলাইছে বুলি সি ভাবি ল'লে। লাকচিঙত এই ধৰ্ম পতাকা আজিও উৰে। পলাই আহিবৰ নিশাও সি সেই পতাকাৰ খুটিত কপাল চোৱাই আহিছে। তুলনামুলক বিভ্ৰান্তিৰে তাৰ মন উপচি পৰে। দেশ ত্যাগ কৰি গুচি অহাৰ পিচতো সেই মুক্ত সমাজৰ স্মৃতি তাৰ মনত থাকি যায়। দেশ ত্যাগ কৰিবলৈ তাক বাধ্য কৰোতাসকলৰ প্ৰতিহে তাৰ ক্ষোভ পুনৰ উথলি উঠে। পৰিবৰ্তনৰ কঠোৰতাখিনিবো তেতিয়া সি মানি লবলৈ সাজু হৈ পৰে।

'আজিৰপৰা তুমি ইয়াতে থাকিবা। এইজন কমৰেডেই তোমাক সকলো নিৰ্দেশ দিব। লি-পেঙে এজন সহকৰ্মীলৈ আঙুলিয়াই দেখুৱাই দিয়ে। লি-পেঙে দেখুৱাই দিয়া কমৰেডজন আদবয়সীয়া। মুখখন দীঘলীয়া চকু দুটা সৰু সৰু। গাৰ ছালৰ ৰং তাম বৰণীয়া। তিব্বতীয় মানুহ বুলি তাদিকৰ অনুমান হ'ল। তাদিকলৈ ঘোপা কৈ চাই কমৰেডজনে মিচিকিয়াই হাঁহিলে। সাপৰ হাঁহি যেন লাগিল তাদিকৰ। খচখচীয়া মাতেৰে তাদিকক ক'লে–

'তিব্বত দেশক নতুনকৈ গঢ়ি তোলাত তোমাৰ নিচিনা যুৱকৰেই আজি বেছি প্ৰয়োজন। আজি তুমি এজন সাধাৰণ কৰ্মী হৈ আমাৰ মাজলৈ আহিছা। সততা আৰু নিষ্ঠাৰে কাম কৰি এদিন তুমি কমিউনৰ মুৰব্বীও হ'ব পাৰিবা। বিপ্লৱৰ গতিধাৰাৰ লগত মিলি যাব পাৰিলে দুখ-কষ্টৰ মাজতো পাবা অপাৰ আনন্দ। মোৰ নাম নাৱাং টাচি।

সমুহীয়া গাহৰিপামৰ তত্ত্বৱধান মইযে কৰোঁ।'

তাদিকক নাৱাং টাচিৰ দাযিত্বত এৰি থৈ লি-গেং উভতি গ'ল সৈনিক শিবিৰলৈ। টাচিৰ পিছে পিছে তাদিক সোমাই গ'ল দীঘল ঘৰটোৰ ভিতৰলৈ। যুৱক আৰু পৰিয়ালহীন কৰ্মীসকলেই ইযাতে থাকে। শোৱা চাংবিলাক শাৰী শাৰীকৈ পতা। প্ৰতিখন চাঙৰ মূৰে মূৰে এখনকৈ কম্বল জাপি থোৱা আছে। তাৰে ওপৰত আছে একোটাকৈ মেচিটিন আৰু এখন কাঠৰ চামুচ এই ঘৰত বসবাস কৰা মানুহখিনিৰ সেযে ব্যক্তিগত সম্পদ। বেৰত ওলোমাই থোৱা আছে মাও জে-ডঙৰ প্ৰকাণ্ড চিত্ৰ এখন। ডাঙৰ ডাঙৰ চীনা আৰু তিব্বতীয় হৰফেৰে লিখা মাওৰ বাণী কিছুমান ওলোমাই থোৱা আছে বেৰ-বিলাকত। ব্যক্তিবাদ বিপ্লৱৰ পৰিপন্থী", "সংস্কাৰ বিচৰাজন জনগণৰ শত্ৰু,' 'বুৰ্জোৱা বুদ্ধিজীৱীসকলেই সাম্ৰাজ্যবাদীৰ দালাল" ইত্যাদি সকীয়নীৰে বেৰবিলাক সু-সজ্জিত কৰি তোলা হৈছে। আভ্যন্তৰীণ প্ৰচাৰ ব্যৱস্থাৰ মেৰজালখন স্পষ্টকৈ তাদিকৰ চকুত ৰে । আনৰ শ্ৰমেৰে ভোগ কৰিব বিচৰাজনেই সমাজৰ প্ৰথম শত্ৰু ' নিযম ভংগ কৰা জনেই বিপ্লৱৰ শত্ৰু ইত্যাদি সকীযনীবিলাকো চকুত লগা। প্ৰৱেশদ্বাৰৰ ওপৰত ওলোমাই থোৱা কাপোৰখনতো লিখা আছে- " চিংত্ৰোৱেই তিব্বতবাসীৰ মুক্তি আনিব।

এমূৰে থকা খালী চাংখন দেখুৱাই দি নাৱাঙে ক'লে-

'এইখনতে তুমি শুবা। আনবিলাক মানুহক অনুকৰণ কৰিলেই তোমাৰ বাবে সকলো কথা সহজ হৈ পৰিব। বুজিছাতো?'

'বুজিলো। ইমান সময, মনে মনে থকা তাদিকে প্ৰথম উত্তৰ দিলে। এই কেইদিনে সি যি দেখিলে আৰু শুনিলে সেযে তাৰ বাবে যথেষ্ট যেন লাগিল। প্ৰতিজন মানুহেৰ মুখত সেই একেই ভাষা, একেই আশা। প্ৰতিটো খোজতো যেন বিপ্লৱ সোমাই আছে। উশাহ-নিশাহো যেন বিপ্লৱেই পৰিচালিত কৰে এনে অনুভৱ হ'ল তাদিকৰ। ইহঁত মানুহনে প্ৰাণহীন ৰাষ্ট্ৰীয যন্ত্ৰ সেই প্ৰশ্নইও তাদিকৰ মনত বিভ্ৰান্ত কৰি তুলিলে।

তাদিকে হাতত লৈ অহা তাৰ টোপোলাটো আৰু মেচটিনতো চাংখনৰ ওপৰতে থৈ ধপচকৈ বহি পৰিল।

'ভাগৰ লাগিছে নেকি?' তাদিকৰ হতাশাজনক আচৰণে নাৱাঙৰ অনুসন্ধানী দৃষ্টি এৰাব নোৱাৰিলে।

'নাই নাই ভাগৰ কিয় লাগিব? নতুন জীৱনটো বুজি লবলৈ অলপ সময় লাগিব বুলিহে ভাবিছোঁ।'

'সময় কাৰো বাবে ৰৈ নাথাকে। বিপ্লৱ কাৰো বাবে ৰৈ থাকিব নোৱাৰে। মাছে সোঁতৰ বিপৰীতেহে উজায়। আমি হলো মাছ। বিপ্লৱ হ'ল পানী। এই কথা সদায় মনত ৰাখিবা।

'মই নতুন। নজনা নুবুজা কথাবিলাক শিকাই দিলে মইও এজন ভাল কৰ্মী হৈ উঠিব পাৰিম।

সোঁতৰ বিপৰীতে সাঁতুৰিবলৈ তাদিক সাজু হ'ব বিচাৰে। জন্মগত অনুভূতি আৰু অভ্যাসৰ প্ৰতিকূলে সিও হৈ যাব বিচাৰে এটা চলমান যন্ত্ৰ লক্ষ লক্ষ পৰুবাৰ মাজৰে এটা পৰিচয়বিহীন ক্ষুদ্ৰ পৰুৱা।

(১১)

এনেদৰে ছটা মাহ পাৰ হৈ গ'ল। এই কম সময়ৰ ভিতৰতে সমূহীয়া গাহৰি পামৰ এজন অক্লান্ত কৰ্মী ৰূপে সি জনাজাত হৈ পৰিল। পলিটিকেল কমিচাৰৰো শুভদৃষ্টি তাদিকৰ ওপৰত নপৰাকৈ নাথাকিল।

'তোমাক কমৰেড কমিচাৰে অলপ সময়ৰ কাৰণে মাতিছে।'

তাদিকে তেতিয়া গাহৰি লাডৰপৰা উৎপন্ন হোৱা পচনসাৰৰ দমটোত কাম কৰি আছিল। পচা গাহৰিলাডৰ ক'লা ৰঙে তাৰ হাত-ভৰি ক'লা কৰি পেলাইছিল।

'এনেকৈ গ'লে ভাল লাগিব জানো? হাত ভৰিকিটা ধুই লওঁ, কি কোৱা?'

'দেৰী হ'লে বেযা পাব পাৰে। এনেকৈয়ে ব'লা।

গ্ৰ-পলিডাৰজনৰ কথামতে তাদিকে তেনেকৈয়েই ওপৰলৈ উঠি গ'ল। সাৰৰ গাঁতটো তলত। গাহৰিবিলাক থাকে পঞ্চাছ ফুট মান ওপৰত ওখ ঠাইত। পলিটিকেল কমিচাৰে সেই ওখ ঠাইৰ পৰাই তাদিকৰ কাম চাই আছিল। লগত আছিল আৰু দুজন যুৱক চিনিযৰ পাৰ্টি কেডাৰ। ৰাজনৈতিক প্ৰচাৰ আৰু জনসাধাৰণৰ মগজু ঢোলাই কৰাত সিদ্ধহস্ত লোক।

'কি কাম কৰিছিলা তাদিক?' পলিটিকেল কমিচাৰে মিচিকিযাই প্ৰশ্ন কৰিলে।

'পথাৰলৈ পচন সাৰ দিযা হৈছে তাৰেই হিচাপ কৰি আছিলোঁ।'

কোন পথাৰলৈ যায এই সাৰ?'

গোমধানৰ নতুন খেতিলৈ কমৰেড কমিচাৰ।'

তিব্বতবাসীযে হাজাৰ বছৰ পূৰ্ব্বৰেপৰা বাৰ্লিৰ খেতিকে কৰি আহিছিল। এতিযা তাৰ ঠাইত গোমধানৰহে খেতি কৰিব লাগে। জলবাযু আৰু উচ্চতাৰ অনুপযোগী বুলি জানিও গোমধান খেতিকে কৰাৰ আদেশ জাৰি হৈছে। হান মানুহে বাৰ্লি নাখায। হানৰ প্ৰযোজন পূৰাবলৈকে গোমধানৰ খেতি কৰোৱা হৈছে। যোৱা বছৰৰ পৰাই এই নতুন আদেশ বলবৎ হৈছে। যোৱা বছৰৰ প্ৰচেষ্টা সফল নহ'ল। ফলস্বৰূপে এইবছৰ সমগ্ৰ তিব্বতত খাদ্যৰ নাটনিযে দেখা দিছে। প্ৰাকৃতিক দুৰ্যোগৰ সতে যুঁজি যুঁজি আগবাঢি যাব পৰাটোৱেই বিপ্লৱ বুলি অবিৰাম প্ৰচাৰ চলোৱা হৈছে। খাদ্যৰ মাজেৰে তিব্বতীয জাতিবাদ বৰ্তি থাকিব পাৰে বুলি বাৰ্লি খেতিৰ ওপৰত নিষেধাজ্ঞা আহি পৰিছে। মানুহে প্ৰকৃতিৰ ব্যৱহাৰ কৰিব পৰাটোৱেই বিপ্লৱ বুলি প্ৰচাৰ চলাবলৈ হাজাৰ হাজাৰ পাৰ্টি কেডাৰ আৰু ৰেডগাৰ্ড সোমাই পৰিছে তিব্বতৰ দূৰ-দুৰণিলৈকে।

'কিমান নিযা হৈছে এতিযালৈকে তাদিক?' সবিশেষ জানিব বিচাৰিলে পলিটিকেল কমিচাৰে।

সাম্যবাদী প্ৰশাননৰ মূল আধাৰেই হৈছে প্ৰতিটো কথাতে গভীৰ মনোনিবেশ কৰাটো সফলতাৰ চাবি-কাঠি হ'ল প্ৰতিটো আঁচনিৰ সু-শৃংখল কাৰ্য্যকাৰিতা। আৰু

বাধ্যতামূলক প্ৰয়োগ হ'ল ইয়াৰ শক্তি।

'ন শ টুকুৰি সাৰ এতিয়ালৈকে নিয়া হৈছে কমৰেড কমিচাৰ।'

'আৰু কিমান টুকুৰি হব?'

'এহেজাৰ টুকুৰী হব। বেছি হলেও কম নহয়।'

সাম্যবাদী কঠোৰ প্ৰশাসন যন্ত্ৰৰ অধীনত বেজী এটাৰ পৰা ৰণতৰী এখনলৈকে শুদ্ধহিচাপ লিখি ৰখা হয়। ক'তো অপব্যয় হ'ব নোৱাৰে। অপব্যয় হ'ল পুঁজিবাদীৰ চৰিত্ৰ। সৰ্বহাৰা জনগণে অপব্যয় কি নাজানে। সাম্যবাদী প্ৰশাসনত পেলনীয়া সামগ্ৰীৰো প্ৰয়োজন হয়। অদূৰত থিয় দি থকা তাদিকক পলিটিকেল কমিচাৰজনে ক্ষন্তেক অনুসন্ধানী দৃষ্টিৰে নিৰীক্ষণ কৰিলে। তাদিক আগতকৈ ক্ষীণালে। ৰ'দে, বৰষুণে জৰ্জ্জ ৰিত তাৰ বলিষ্ঠ শৰীৰৰ নিমজতাখিনি এতিয়া চকুত নপৰা হ'ল। মুখতো অৱসাদৰ আভাষ। সাম্যবাদী কৃচ্ছ সাধনাত সিও যেন এটা যন্ত্ৰৰ ক্ষয় প্ৰাপ্ত অংশ হে পৰিছে।

থামিজিঙৰ' পিচত মোক দেখা কৰিবা।

কমিচাৰৰ নিৰ্দেশটো তাৰ বাবে বৰ অৰ্থপূৰ্ণ লাগিল। থামজিঙৰ সভা সদায় নবহে। থামজিঙৰ সভা বহাৰ অৰ্থই হ'ল কোনো অপৰাধীৰ বিচাৰ হ'ব। সেই বিচাৰৰ চৰিত্ৰ তাদিকৰ বাবে নতুন নহয়। বিগত ছমাহত সি দহ বাৰমান থামজ্ৰিঙৰ সভাত উপস্থিত হ'ব লগা হৈছিল। প্ৰতিবাৰেই অভিযোগ মূৰত লৈ থিয় দি থকা সেই দুৰ্গভীয়া মানুহবিলাকক দেখি তাদিক হতাশ হৈ পৰিছিল। এদিন যদি সিও সিহঁতৰ নিচিনাকৈ থামজিঙৰ সভাত মূৰ তল কৰি থিয় দিব লগা হয়, তেতিয়া কি হ'ব বুলি আতঙ্কত তাৰ মন অস্থিৰ হৈ উঠিছিল। এই ৰহস্যঘণ জীৱনৰ পৰা অব্যাহতি পাবলৈ তাৰ মনে লাহে লাহে উচপিচ কৰিবলৈ ধৰিছিল"

সেইটো মোৰ বাবে আনন্দৰ কথা হ'ব কমৰেড কমিচাৰ।'

তাদিকে আজিকালি সঠিক উত্তৰ দিবলৈ শিকি উঠিছে। মুখৰ কথাতেই মনৰ প্ৰতিক্ৰিয়া ওলাই পৰে বুলি সিও বুজিব পৰা হৈছে। প্ৰতিটো উত্তৰ সি সাৱধানে দিব লগা হয়।

ইহঁত বৰ চতুৰ। মানুহৰ মুখৰ কথাতো প্ৰতি বিপ্লৱৰ গোন্ধ ইহঁতে বিচাৰি ফুৰে।

পলিটিকেল কমিচাৰে তাদিকলৈ চাই দুবাৰমান মূৰ দুপিয়ালে। সেয়ে প্ৰশংসা। পলিটিকেল কমিচাৰ ৰেডগাৰ্ড বা পাৰ্টি কেডাৰে হাঁহিলে বহুতো মানুহে পদোন্নতি পায- বহুতৰে ভাগ্য বিপৰ্য্যয ঘটে সেই কথা তাদিকে জনা হৈছে।

পলিটিকেলক কমিচাৰ গুচি যোৱাৰ পিচতে তাদিক উভতি আহিল গাহৰি লাডৰ দমটোলৈ। হাতত বেলচাখন লৈ সি পুনৰ কামত লাগি গ'ল। বেলচাখন কাঠৰ। লোৰ বেলচাতকৈ বেছি গধুৰ। এই কাঠৰ বেলচাবিলাক গাহৰি পামতে তাদিকহঁতে সাজি লৈছিল। লোৰ আধুনিক বেলচা ক'তো নাই। এইটোও হেনো বিপ্লৱী প্ৰচেষ্টাৰে অংশ বুলি পাৰ্টি কেডাৰৰ মুখত তাদিকে শুনিছে। সকলো দিশতে আত্মনিৰ্ভৰশীল হব পৰাটোৱেই সাম্যবাদী বিপ্লৱৰ চৰিত্ৰ। যন্ত্ৰতকৈ মানুহ শ্ৰেষ্ঠ হব লাগিব। যন্ত্ৰ শক্তিক মানুহেই পৰাজিত কৰিব লাগিব। এয়ে চেযাৰমেন মাও-জে-ডঙৰ বিপ্লৱী নিৰ্দেশ। নতুন সাম্যবাদী দেশখন চীনৰ মহান জনগণেই গঢ়িব লাগিব যন্ত্ৰই নহয়। চীনৰ কোটি কোটি মানুহেহে [illegible] মাটি প্ৰায় দেশৰ [illegible] পূৰাব লাগিব ইযো মাও-জে-ডঙৰেই নিৰ্দেশ। বেলচা এখনতো সাধাৰণ কথা।

পলিটিকেল কমিচাৰে কি ক'লে কমৰেড? কাঠৰ বেলচা এখন লৈ ওচৰতে কাম কৰি থকা তাদিকৰ সহকৰ্মীজনৰ কণ্ঠস্বৰত ভয আৰু শংকা যেন মিহলি হৈ আছিল।

তেমি জানি কি কৰিবা?

নহয মানে তোমাৰ কিবা বিপদ হৈছে নেকি কমৰেড?

'বিপদ ঘটাবলৈ মইতো কোনো অপৰাধ কৰা নাই নহয।

'নহয মানে তোমাক যে অকলে মাতি নিলে সেইবাবেই কাৰণটো জানিব বিছাৰিছোঁ। ইযাত হঠাতে কোনোজনক অকলশৰীযাকৈ মাতি নিলে-পিচদিনাৰ পৰাই মানুহজনে খোৱা-শোৱা এৰাৰ নিচিনা হয।'

'হয নেকি? মইতো তেনেকুৱা ঘটনা আজিলৈকে দেখা নাই।'

সহকৰ্মীজনৰ লগত তাদিকে মন খুলি কথা পাতিবলৈ সাহস গোটাব নোৱাৰে। কোনজন সহকৰ্মী, কোনজনে সহকৰ্মীৰ ভাও লৈ চোৰাংচোৱাগিৰি কৰে তাকো বুজা টান। ইযাত বেৰৰো কাণ আছে বুলি তাদিকে প্ৰথম দিনাৰপৰাই অনুভৱ কৰি আহিছে।

'ইযালৈ অহাতো তোমাৰ ছ'মাহ মাত্ৰ গৈছে, নহযনে কমৰেড?'

'হয।' সহকৰ্মীজনে কৰা প্ৰশ্নটোৰ অৰ্ন্তনিহিত অৰ্থ তাদিকে বুজিব নোৱাৰে।

'আগেযে ক'ত আছিলা জানিব পাৰোনে?' কৰ্মীজনে তাদিকৰ ঘনিষ্ঠ হব বিচাৰে।

'সেইবিলাক জানিনো কি লাভ হব? মই ক'ত আছিলো, তুমিযেই বা ক'ত আছিলা, সেইবিলাক কথা এতিযা অতীত হ'ল। বৰ্তমান তুমি, মই এইখন যৌথপামৰ সহকৰ্মী, সেযে আমাৰ পৰিচয। তাতকৈ বেছি জনাৰ চেষ্টা নকৰাই ভাল হব।'

কথাখিনি কৈ তাদিকে বেলচাখন হাতত তুলি ল'লে। ছমাহৰ অভিজ্ঞতাই তাক অন্ততঃ এই খিনি কথাকে শিকাইছে যে ইযাত বেৰৰো কাণ আছে। কোন কাৰ শত্ৰু কোন কাৰ মিত্ৰ, সেই কথা ইযাত বুজা কঠিন। নিজৰ ছাঁটোকো কেতিযাবা অনুসৰণকাৰী যেন লাগে।

'তোমাক 'না' মানুহ যেন লাগে। মোৰ অনুমান সঁচানে?'

তাদিকে একান্তমনে কাম কৰি যায। প্ৰশ্নটোৰ উত্তৰ দিবলৈকো সি ইচ্ছা অনুভৱ নকৰে।

'মই কিন্তু ইযাৰ মানুহ নহয।

কৰ্মীজনে সকলো কথা একেলগে নকয। কাম কৰি থকাৰ মাজে মাজে তল- মূৰ কৰিযেই তাৰ জীৱন বৃত্তান্ত শুনাব ধৰে।

'মই মধ্য তিব্বতৰ মানুহে। ইযাৰ্লুং উপত্যকাত ঘৰ আছিল।'

'ভাই-ককাই, বাই-ভনী বাৰজন আছিলোঁ'

'ন-জন ককাই-ভাইৰ মযে ডাঙৰ'

'তিনিটা ল'ৰা-ছোৱালী আছিল মোৰ।'

মানহ্জন ৰয়। তাদিকলৈ চোৱাত দুয়োৰে দৃষ্টিৰ বিনিময ঘটে। মানুহজনে লেতেৰা হাতৰ তলুৱাৰে চকু দুটা মোহাৰি লোৱা তাদিকে দেখিবলৈ পালে।

'আমি নিইংমা সম্প্রদায়ৰ। পাপাই ঘৰ-সংসাৰ কৰিও মঠৰ এজন জেষ্ঠ লামা হৈছিল। বহু আয় আছিল পাপাৰ। পূজা-পাঠ, তন্ত্ৰ-মন্ত্ৰটো সেই অঞ্চলৰ এজন জনাজাত লামা হৈ উঠিছিল।'

এনেতে গ্ৰুপলিডাৰজন ঘুৰি ফুৰি তাদিকহঁতৰ ওচৰ চাপি অহা দেখি সহকৰ্মীজন নিমাত হ'ল। আগতকৈ দুগুণ গতিৰে গাহৰি লাদ খান্দিব ধৰিলে।

'ছুটী হবলৈ আৰু বেছি সময় নাই। আৰু এশ টুকুৰী উঠিব লাগিব।' গ্ৰুপ লিডাৰ জনে সকী যাই দিলে।

'নিযা মানুহে অলপ খৰ কৰিলে ছুটীৰ আগতে শেষ হৈ যাব কমৰেড।' তাদিকৰ সহকৰ্মীজনেই উত্তৰ দিলে।

'আজি থামজি, সভা আছে, জানা নহয়?

'হয় জানো। তাদিকে উত্তৰ দিলে।

কথাখিনি কৈ গ্ৰুপলিডাৰজন আগবাঢ়ি গ'ল। তাদিকহঁতে পুনৰ কামত ধৰিলে।

'এদিন সকলো ওলট-পালট হৈ গ'ল জানা কমৰেড।'

তাদিকে কোনো আগ্ৰহ নেদেখুৱালে। সহকৰ্মীজনৰ ওপৰত তাৰ সন্দেহ উপজিল। তাৰ পৰীক্ষা লোৱা হৈছে বুলি ভাবি তাদিক সাৱধান হৈ পৰিল।

'ইযালৈ অহা মোৰ দু বছৰ হৈ গৈছে। ঘৰৰ বাকী মানুহ কোন কেনি গ'ল একো গম নাপাওঁ।'

'সেইবিলাক এতিযা অতীত হ'ল। মনৰপৰা সেইবিলাক কথা এতিয়া মছি পেলোৱাই ভাল কমৰেড।'

তাদিকৰ সহানুভূতি সুলভ সঁহাৰি পাই মানুহজনে হুক হুকাই কান্দি পেলালে।

'কেনেকৈ মছি পেলা। কমৰেড? তেজ মঙহৰ ফুট-ফুটীযা কেঁচুৱা দুটাক পাহৰি

যাম কেনেদৰে? দুবছৰে দমন কৰি ৰখা মনৰ বেদনাক সি ধৰি ৰাখিব নোৱাৰিলে। কাঠৰ বেলচাখনৰ নালটোত ভৰ দি তাদিকৰ সহকৰ্মীজনে দেহৰ ভাৰসাম্যতা ধৰি ৰাখিব খুজিলে। বেদনা গধুৰ মনটোৱে যেন তাৰ দেহৰ ওজন দুগুণ কৰি তুলিলে।

'নিজৰ বিপদ নিজে কিয় চপাই লব খুজিছা কমৰেড? যি হ'ল হৈ যাব দিয়া। এতিয়া তুমি যি-সেযে তোমাৰ জীৱন। সহকৰ্মীজনৰ কান্দোনে তাদিকৰ মনৰ সংকোচ আঁতৰালে। সহানুভূতিৰ অনুভূতিও আনি দিলে। এজন পূৰ্ণবয়স্ক মানুহে অতি গভীৰ আঘাত নাপালে এনেদৰে কান্দি উঠিব নোৱাৰে বুলি ভাবিবলৈ তাদিক বাধ্য হ'ল।

'কঠোৰ শ্ৰমৰ বিনিময়ত দুবেলা দুবাটি নিসনি খাবলৈ পাইছোঁ এইটো জানো জীৱন হ'ব পাৰে কমৰেড? গৰালত থকা গাহৰি আৰু আমাৰ মাজত পাৰ্থক্য ক'ত ক'ব পাৰিবানে কমৰেড? গাহৰিৰ গাত চৰ্বি জমে অকল আনৰ ভোগৰ বাবে নিজেতো খাবলৈ নাপায়। গৰুৱে হাল টানি খাদ্য উৎপন্ন কৰে বিনিময়ত শুকান খেৰখিনিহে খাবলৈ পায় নহয়নে কমৰেড?

সহকৰ্মীজনৰ মনৰ ক্ষোভবিলাক ক্ৰমান্বয়ে বিদ্ৰোহৰ আকাৰ লব ধৰা দেখিলে তাদিকে। আৰু আওবাব দিলে মানুহজন বিপদত পৰিব লগতে তাৰো বিপদ ঘটাব বুলি ভাবি তাদিকে সৰ্তকিয়নি শুনাবলৈ বাধ্য হয়।

'তুমি বিপ্লৱৰ বিৰুদ্ধে কথা কৈছা বুলি বুজা নাই নেকি কমৰেড? ইয়াৰ পৰিণাম কিমান ভয়ানক হব পাৰে সেই চিন্তাও তুমি কৰা নাই যেন লাগে। মই কোন তাকো তুমি নাজানা। অজান মানুহ এজনক এনে বিপদজনক কথাবিলাক কৈছা কি সাহসত?

তোমাক জানিবলৈ মোৰ বাকী নাই কমৰেড।'

উত্তৰে শুনি তাদিক উচপ খাই উঠিল। হাতৰ বেলচা হাতৰ মুঠিতে থমকি ৰ'ল।

'কি জানা মোৰ বিষয়ে তুমি?'

মানুহজনৰ ওপৰত তাদিকৰ সন্দেহ ঘনীভূত হৈ পৰিল। মানুহজন পামকৰ্মী নে চোৰাংচোৱা তাদিকে বুজিব নোৱাৰা হয়। আজি ছয়মাহে সি তাৰ মনৰ প্ৰতিক্ৰিয়া

ঘুণাক্ষৰেও কাকো জানিব দিয়া নাছিল। এজন নিষ্ঠাবান কৰ্মীৰূপে সি এই ছয়মাহ নিৰবে কাম কৰি গৈছে। কিনো জানিব পাৰে মানুহজনে বুলি ভাবি তাদিক বিমূঢ় হয়।

'জানিবলৈ বাকী কি থাকিব পাৰে কমৰেড? তুমিও মোৰ দৰে এজন পামকৰ্মী নহয় জানো?'

'হয়।'

'তোমাৰো অতীত এটা নাই জানো?'

'কি অতীতৰ কথা কৈছা তুমি?' তাদিক অলপ ক্ষুব্ধ হৈ পৰিব খোজে। তাৰ সকলো কথাই সহ্য হয় কিন্তু দেশান্তৰী হোৱাৰ কথা মনত পৰিলেই সি অস্থিৰ হৈ উঠে।

'অতীততে তোমাৰ জীৱনটো নিশ্চয় তেনেকুৱা নাছিল। ঘৰ-দুৱাৰ, খেতি-বাৰী, আত্মীয়-স্বজন নিশ্চয় সকলো আছিল।' কাম কৰি কৰিয়েই মানুহজনে কথাবিলাক কৈ যায়।

থাকিব পাৰে। তাতে কি হ'ল?

এই গাহৰি পাম আৰু পথাৰত কাম কৰি থকা প্ৰতিজন মানুহৰে নিশ্চয় একোটা অতীত আছে। এখন দেশ এটা সুন্দৰ জীৱন সিহঁতৰো নিশ্চয় আছিল এদিন। সিহঁতৰ কাৰোবাৰ মুখত হাঁহি কেতিয়াবা দেখিছানে কমৰেড?'

প্ৰশ্নটোৰ কোনো উত্তৰ দিব নোৱাৰে তাদিকে। সহকৰ্মীজনে কোৱা কথাবিলাকো মিছা নহয় বুলি সিও পতিয়ন যাব লগা হয়।

'এইবিলাক কথা এতিয়া বাদ দিয়া। নিজৰ কাম কৰি যোৱাতেই মংগল হব।' আলোচনাৰ অন্ত পেলাব বিচাৰিলে তাদিকে।

এনেতে গাহৰি পামৰ ঘন্টা বাজি উঠিল। ছুটী হ'ল বুলি দুয়ো কাম সামৰে। ওচৰেৰে বৈ যোৱা নিজৰাৰ সুঁতি এটাত হাত-ভৰি, মুখ-হাত ধুই লয়। বেলচা দুখনো ধোৱে। সহকৰ্মীজনে আৰু কোনো কথা নুলিয়ালে।

ওপৰলৈ উঠি গৈ বেলচা দুখন সঠিক ঠাইত থৈ দুয়ো অনতি দূৰৰ গাঁওখনলৈ

উভতি যাব ধৰে। বাটত গাহৰি পামৰ আন কৰ্মীসকলো লগ হৈ পৰে। কোনেও কাৰো লগত কথা নাপতি গৈ থাকে। পিচে পিচে আহি থাকে গ্ৰুপ লিডাৰজন। হান মানুহ। নিৰ্দযভাৱে কাম আদায় কৰে প্ৰতিজন মানুহৰপৰা। কামত অৱহেলা বা গাফিলতি দেখিলে কাকো অব্যাহতি নিদিযে। কৰ্মীসভাত সমালোচনাৰ সমুখীন হব লগা হয তেনে মানুহে। সমালোচনা মানেই শাস্তি। শাস্তি মানেই মানসিক পীড়া বা শাৰীৰিক নিৰ্য্যাতিন। চৰিত্ৰ সংশোধণৰ নামত যি মানসিক পীড়া জাপি দিযা হয, সিও বহুতৰ বাবে অসহনীয হৈ পৰে। সহিব নোৱাৰি দুই চাৰিজনে আত্মহত্যাকে মুক্তিৰ পথৰূপে বাচি লবলৈ বাধ্য হয। সংস্কাৰ শিবিৰ আছে লোকালযৰ বাহিৰত। এই সংস্কাৰ শিবিৰৰ আভ্যন্তৰত কি আছে বা কি হয সেযা কোনেও দেখা নাই। এই শিবিৰবিলাকলৈ যিমান মানুহ সোমাই যায সিমান মানুহ ওলাই অহা কোনেও দেখা নাই।

তিব্বত দেশত কিমান জনসংখ্যা আছিল তাৰ শুদ্ধ লোকপিযল কোনো যুগতে হোৱা নাছিল। ডালাই লামাৰ যুগতো হোবা নাই। চীনাসকলে কৰিছে যদিও সেযা নিৰ্ভৰযোগ্য লোকপিযল বুলি বহিৰ্জগতৰ মানুহেও পতিযন যোৱা নাই। চীনাসকলে তিব্বত দেশ অধিকাৰ কৰি লোৱাৰ চৌদ্ধ বছৰৰো অধিক হৈছে। এইদেশৰ জনসংখ্যা পূৰ্বতে কিমান আছিল আৰু এতিযা কিমান আছে সেই পাৰ্থক্যৰ নিৰপেক্ষ বিচাৰ কোনেও কৰিব পৰা নাই। চীনৰ আভ্যন্তৰীণ বিষয বুলি বহিৰ্জগতৰপৰা এই দেশক সম্পূৰ্ণ বিচ্ছিন্ন কৰি ৰখা হৈছে। হান বিৰোধী গণ অভ্যুত্থানত কিমান লাখ মানুহ নিহত হৈছে, সেই সংখ্যাও পাবলৈ কঠিন। সাম্যবাদ বিৰোধী বুলি বা সংস্কাৰৰ নামত কিমান সহস্ৰ তিব্বতীয চিৰদিনৰ বাবে নিমাত হৈ গৈছে, সেই ৰহস্যৰ সমাধানো হযতো নহব।

(১২)

থামজিঙৰ সভাখন বহিছে গাঁওখনৰ এমূৰে থকা প্ৰকাণ্ড সভা ঘৰটোত। থামজিঙৰ সভাত উপস্থিত থকাতো বাধ্যতামূলক। গতিকে গাঁওত এজনো মানুহক তাদিকে দেখা নাপলে। সি গৈ যেতিয়া সভা গৃহত উপস্থিত হ'ল তেতিয়া সভা আৰম্ভ

হওঁ হওঁ। হাজাৰ মানুহ মাটিতে বহিছে যদিও হাই-উৰুমি অকণো নাই। মৃদু গুঞ্জন এটা আছে যদিও মানুহখিনি শৃঙ্খলিতভাৱেই বহিছে। পাৰ্টি কেডাৰসকলে সভা গৃহৰ চাৰিওফালে থিয় দি থকা তাদিকে দেখা পালে।

এই সভাগৃহলৈ তাদিকে আগতেও আহিছে। প্ৰকাণ্ড ঘৰটোত সহজে এহেজাৰ মানুহ বহিব পাৰে। উত্তৰ দিশে আছে এখন ওখ মঞ্চ। নাচ গান আৰু নাটক আদি মঞ্চতে প্ৰদৰ্শন কৰা হয়। থামজিঙৰ সভাত এই মঞ্চৰ ওপৰতে বহে বিচাৰক মণ্ডলী। মাও-জে-ডং, প্ৰধানমন্ত্ৰী জৌ- এন-লাই আৰু প্ৰতিৰক্ষামন্ত্ৰী মাৰ্চাল চু-টেৰ চিত্ৰই সভাগৃহবোৰৰ মূলআ কৰ্ষণ। মাওৰ বাণী লিখা ডাঙৰ ডাঙৰ কাপোৰবিলাক পৰিপাটিকৈ বান্ধি থোৱা আছে সভা গৃহৰ শিলৰ বেৰবিলাকত।

এইবিলাক ব্যৱস্থাই তাদিকৰ মন আকৰ্ষণ নকৰে, আকৰ্ষণ কৰিলে ঘৰটোৰ বিশালতাই ।এনে প্ৰকাণ্ড ঘৰ লাক চিঙতো নাই আৰু সদৰতো সি দেখা নাছিল। তাদিকৰ দৃষ্টি আকৰ্ষিত হয় ঘৰটো সাজোতে ব্যৱহাৰ কৰা শিল-কাঠবিলাকৰ ওপৰত। এই শিল-কাঠবিলাক যে এটা সময়ত কোনোবা মঠৰ সামগ্ৰী আছিল সেই কথা সহজে বুজিব পাৰি। হাতেৰে ঘহি ঘহি মসন কৰা শিলবিলাকৰ উজ্জ্বলতা তেতিয়াও চকুত লগা হৈয়ে আছিল। তিব্বতীয় শিল্পীয়ে তেওঁলোকৰ নিপুণ হাতেৰে খোদাই কৰা কাঠবিলাকৰ স্মৃতি এই প্ৰকাণ্ড ঘৰটোৰ অ শ হৈ পৰা তাদিকে দেখিছে। ৰংবিলাক ম্লান হৈ পৰিছে যদিও দেৱ-দেৱী, ভূত-প্ৰেতৰ আকৃতিবিলাক তেতিয়াও ঠায়ে ঠায়ে স্পষ্ট হৈ জিলিকি আছিল।

এই গাঁৱতো এটা কাৰুকাৰ্য্য কৰা মঠৰ কথা তাদিকৰ মনত আছে। সেই মঠতো এতিয়া নাই। হয়তো সেই মঠৰে সামগ্ৰীৰে সজা হৈছে এই সভা গৃহতো। চীনা প্ৰশাসনৰ অধীনত হোৱা এনে পৰিৱৰ্তনে তাদিকৰ মনটো অলপ নিৰাশ কৰি তুলিব বিচাৰে। সি এজন ডেকা ল'ৰা, মঠত বহি মালা জপাৰ বয়স তাৰ হোৱা নাই। লাকচিং সি এৰি আহিছে যদিও পৰম্পৰাক সি এৰিবলৈ টান পায়। ধৰ্মহীন জীৱন এটাৰ কথা সি

ভাবিবও নোৱাৰে।

"এই সভাৰ আৰম্ভণীতে মই বিনিথাং কমিউনৰ সকলো সদস্যক অভিনন্দন জনালোঁ। আযতনত ক্ষুদ্ৰ যদিও এই বিনিথাং কমিউনে আজি দক্ষিণ-পূব তিব্বতৰ এটা আদৰ্শ কমিউনৰ যোগ্যতা পাইছে। সাযত্ব শাসিত তিব্বত প্ৰশাসনে এই বিনিথাং কমিউনক এখন আদৰ্শ কমিউন বুলি অলপতে ঘোষণা কৰিছে। এই কথা জনাবলৈকে আজি মই এই সভালৈ আহিছোঁ।

আঞ্চলিক কমিচাৰে ঘোষণাটো কৰি প্ৰথমে নিজেই হাত চাপৰি মাৰিলে। লাহে লাহে চাৰিওপিনে থিয দি থকা পাৰ্টি কেডাৰসকলে হাত চাপৰি মৰা দেখি উপস্থিত গাঁওবাসীযেও তাকেই অনুকৰণ কৰিলে। সভাগৃহ ৰজনজনাই উঠিল।

"বিনিথাং মানুহৰ অৱস্থা দালাই লামাৰ ধৰ্মীয শাসনৰ তলত কেনেকুৱা আছিল সেই কথা সকলোৱে জানে। আজি বিনিথাংবাসীৰ মুখলৈ হাঁহি উভতি আহিছে। এই হাঁহি ইমান যুগ ধৰি ক'ত লুকাই আছিল? দালাই লামাৰ বুদ্ধদেব বোলা ভগবানটোৱে এই হাঁহি বিনিথাংবাসীৰ মুখত ফুটাই তুলিব পৰা নাছিল কিয?

'যি ঠাইত এদিন শ শ মাখনৰ চাকি জ্বলিছিল সেই ঠাইত আজি জনগণৰ এই সভাঘৰ গঢ়ি উঠিছে। যি মঠত বহি দুশ মানুহে ধৰ্মৰ দোহাই দি জনগণৰ তেজ শুহি খাইছিল সেই ঘৰ এতিযা নাই। গণ প্ৰৱঞ্চনাৰ প্ৰতীক স্বৰূপ সেই ঘৰ আজিৰ মুক্তি-কামী বিনিথাংবাসীযেই নিজহাতে ভাঙি পেলাইছে। সেই শিল কাঠেৰেই সাজি লৈছে এই সভাগৃহ। ইযাৰ বাবে কি পাপ হৈছে আৰু সেই পাপত কিমান বিনিথাং বাসী মৰিল কোনোবাই দেখুৱাই দিব পাৰিবনে?' সভাগৃহ সম্পূৰ্ণ নিস্তব্ধ হৈ পৰে। অকল উশাহ লোৱা সমূহীযা শব্দহে স্পষ্ট শুনি। পাৰ্ঠি কেডাৰসকলে শ্ৰোতাসকলক চোকা দৃষ্টিৰে চাই থাকে। বিৰূপ প্ৰতিক্ৰিযাৰ অন্বেষত সিহঁতৰ চকুবিলাক ঘূৰি ফুৰে সভাগৃহৰ চাৰিওদিশত।

'দালাই লামাৰ ধৰ্মীয শাসনৰ বোজা কঢ়িওৱা বহুত মানুহ এই সভাতো নিশ্চয

আছে। তেওঁলোকেই কওঁক কি কি পৰিবৰ্তন আজি তেওঁলোকে দেখিছে।'

বক্তাজন ৰয়। পাৰ্টি কেডাৰৰ নিৰ্দ্দেশত এজন আদিবয়সীয়া গাঁওবাসী উঠি দিয়ে। ভয় আৰু আশংকাত মানুহজনৰ মুখ বিবৰ্ণ হৈ পৰে। মুখত কৃত্ৰিম হাঁহি ফুটাই মানুহজনে কবলৈ আৰম্ভ কৰে-

'দালাই লামাৰ শাসন কালত মই এজন যুৱক আছিলোঁ। আমাৰ কোনো কৃষি ভূমি নাছিল কাৰণে আনৰ মাটি খাজনাত লৈ খেতি কৰিছিলোঁ। মাটিৰ বিনিময়ত যিখিনি শস্য মালিকক দিব লগা হৈছিল তাতেই উৎপাদিত শস্যৰ আধাখিনি গুচি গৈছিল। বাকী শসৰে তিনিমাহেই নুজুৰিছিল। বছৰৰ বাকীসময় আনৰ ঘৰত দুবেলা-দুসাজৰ বিনিময়ত কাম কৰি দিছিলোঁ। জাৰত কঁপি, বৰষুণত তিতি বেমাৰ হৈছিল। ঔষধ নাছিল। বেমাৰৰ ভূত খেদিবলৈ পূজাৰী মানুহ লগাবৰ খৰচো নাছিল। বেমাৰ ভুঞ্জি-ভুঞ্জি চকুৰ আগতে ঘৰৰ মানুহ মৰা দেখিছিলোঁ। সেইবিলাক দিনৰ কথা ভাবিলে আজিও চকুপানী ওলাব খোজে।

এতিয়াৰ কথা কোৱা? পলিটিকেল কমিচাৰে নতুন প্ৰশাসনৰ বাবে প্ৰশংসা আদায় কৰিবলৈ বিচাৰে।

এতিয়া সকলো সলনি হ'ল। আমি এতিয়াহে মুক্তি পাইছোঁ। ধৰ্মৰ অন্ধতাই আমাক অকামিলা কৰি পেলাইছিল। সেই দুখন হাতেৰেই এতিয়া কাম কৰি খাইছোঁ। বেমাৰ-আজাৰো নোহোৱা হ'ল। এই সকলো আমি কৰিব পাৰিছো মহান নেতা মাও-জে-ডঙৰ নেতৃত্বত। তেখেতে দিয়া শুদ্ধ নিৰ্দেশ অনুকৰণ কৰি আজি বিনিথাংবাসীয়ে এটা সুখী আৰু আনন্দৰ জীৱন গঢ়ি তুলিব পাৰিছে।'

কথাখিনি কৈ মানুহজন থিয় দিয়েই থাকিল। বহিবলৈ অনুমতি নোপোৱালৈকে থিয় হৈয়েই থাকিব লাগে। এয়ে থামজিং সভাৰ নিয়ম।

'এইজন এজন প্ৰকৃত বিপ্লৱী। যিজনে নিজৰ কথা নকৈ সমাজৰ হিত চিন্তা কৰে, তেৱেঁই প্ৰকৃত বিপ্লৱী। পৰিবৰ্তনক যিজনে আদৰিব জানে তেওঁকেই আমি প্ৰকৃত

বিপ্লৱীৰ সন্মান যাচিব লাগিব । যিসকলে পুৰণিৰ মোহ এৰিব নোৱাৰে তেওঁলোকেই প্ৰতি বিপ্লৱীৰ চৰিত্ৰ বহন কৰে। এনে মানুহ যে আমাৰ মাজত নাই সেই কথাও ক'ব নোৱাৰি। আমি তেনে মানুহৰ ওপৰত নজৰ ৰাখিব লাগিব প্ৰতি বিপ্লৱী বুলি অনুমান হলে দেখুৱাই দিযাতো সকলোৰে কৰ্তব্য।

তাদিকে কথাবিলাক শুনি আছিল একান্তমনে। সামূহিক পৰিৱৰ্তনৰ কথাবিলাক সি বুজিছিল কিন্তু বিপ্লৱৰ কথাবিলাক সি বুজা নাছিল। দালাই লামাৰ দিনতো সি এই অঞ্চললৈ আহিছিল। মানুহক সি আজিতকৈ সুখত থকাহে দেখি গৈছিল। হাঁহি-তামাচা আছিল সেই সমাজৰ জীৱনী শক্তি। সৰু কথাতে প্ৰাণ খুলি হাঁহিব পৰাটোৱে আছিল তিব্বতবাসীৰ চৰিত্ৰ। মাজ-বজাৰত কোনোবাজন পিচলি পৰিলেই গোটেই বজাৰ খনতে হাঁহিৰ গিৰ্জ্জনী উঠিছিল। সেই হাঁহি এতিযা নাই। আজি পৰিবৰ্তনৰ দৃশ্যবিলাক তাদিকৰ বাবে বিসদৃশ্য যেন লাগিল।

পলিটিকেল কমিচাৰৰ শেষৰ কথাশাৰীযে তাদিকক সচেতন কৰি তুলিলে। ওচৰতে বহি থকা সহকৰ্মীজনলৈ তাদিকে কেৰাহিকৈ চালে। মুখত তাৰ বিৰক্তিৰ অভিব্যক্তি। তাৰ হাতলৈ চাওতে দেখিলে মুষ্টিবদ্ধ হাতৰ পেশীবিলাক খন্তেকৰ বাবে ওলাই পুনৰ নোহোবা হৈ গ'ল। এটা নদন বদন সুখী পৰিযালৰ শেষজন বংশধৰলৈ চাওঁতে তাদিকৰ সহানুভূতি উপজিল।

'আজি আপোনালোকৰ সন্মুখত তেনে এজন মানুহকেই থিয় কৰোৱা হব যিজনে পুৰণি চিন্তাক এতিযাও ত্যাগ কৰিব নোৱাৰিলে।'

উপস্থিত শ্ৰোতাসকলৰ ওপৰেৰে মৃদু শিহৰণৰ তৰংগ এটা হঠাতে পাৰ হৈ গুচি গ'ল। কোনজন সেই দুৰ্ভগীয়া মানুহ হব পাৰে বুলি সকলোৱে ভাবোতে সভাগৃহৰ পৰিবেশ থমথমীয়া হৈ পৰিল। এনেতে সেই দুৰ্ভগীযা মানুহজনক কেইজনমান কেডাৰে মঞ্চখনত আনি থিয় কৰালে। সকলোৱে ডেকা মানুহজনক চিনি পালে। বিনিথাং কুকুৰা পামৰে কৰ্মী।

'এইজনেই সেই মানুহ যিজনে আনৰ ভাগৰ বস্তু চুৰ কৰি খায়। হয়নে নহয় ক। কমিচাৰে আভিযোগ উত্থাপণ কৰিলে।

'হয় কমৰেড।' ডেকা মানুহজনে অকপটভাৱে সেই অভিযোগ স্বীকাৰ কৰি ললে।

'তুমি কিমান কণী চুৰ কৰিছিলা?' তীক্ষ্ণ প্ৰশ্ন

'পাঁচটা'।

'কিয় চুৰ কৰিছিলা?'

খাবলৈ মন হৈছিল। মোৰ অপৰাধ হৈছে কমৰেড্। মোক এইবাৰলৈ ক্ষমা কৰি দিয়ক। মানুহজনে কান্দি পেলালে।

'চুৰ কৰাটো অপৰাধ বুলি আমি নাভাবো।' চুৰ কৰা মনোবৃত্তিটোকহে আমি অপৰাধ বুলি কোৱা উচিত। মনোবৃত্তিৰ সলনি নহলে অপৰাধীৰ চৰিত্ৰৰো সংশোধন হ'ব নোৱাৰে। এযে মহান নেতা মাও-জে-ডঙৰ নিৰ্দেশ। এইজন মানুহৰ মানসিক সংশোধনৰ প্ৰয়োজন আছে নহয় নে কমৰেডসকল?

'হয়' 'হয়' বুলি শ্ৰোতাসকলে সমৰ্থন জনালে। পলিটিকেল কমিচাৰৰ মতামতক থামজিঙৰ সভাত সমৰ্থন জনোৱাটো এটা বাধ্যতামূলক নিয়ম। প্ৰশ্ন প্ৰতিবাদ বা প্ৰত্যাহ্বান জনাবৰ কল্পনাই কৰিব নোৱাৰে। সভাৰ হয়ভৰটোকেই গণ আদালতৰ সিদ্ধান্ত বুলি প্ৰচাৰ চলোৱা হয়। এনে বিচাৰ আৰু সিদ্ধান্তৰ উদ্দেশ্য অপৰাধীক শাস্তি বিহাতকৈ জনসাধাৰণক ভীতিগ্ৰস্ত কৰি তোলাটোৱেই মূল লক্ষ্য। গণ মানসিকতাক পংগু কৰি পেলোৱাৰ মাধ্যমেৰে বিপ্লৱী আনুগত্যক জাপি দিয়া হৈছে। এযে চিংত্ৰো। সংস্কাৰৰ নামত তিববতবাসীৰ ইতিহাস ঐতিহ্য আৰু আশা আকাঙ্ক্ষাক নিৰ্মমভাৱে সলনি কৰি পেলোৱাৰ প্ৰতিযোগিতা চলিছে। এই প্ৰতিযোগিতাত অংশ গ্ৰহণ্ কৰিছে তিনি লাখ পিপোলচ লিবাৰেচন আৰ্মিৰ সৈনিকে। অংশ গ্ৰহন কৰিছে পাৰ্টি কেডাৰে। এই প্ৰতিযোগিতাত অংশ গ্ৰহণকাৰী ৰেড-গাৰ্ডৰ সংখ্যা তুলনামূলক ভাৱে তাকৰ যদিও এওঁলোকৰ বিধ্বংসী কাৰ্য্যকলাপ অতিশয় চকুতলগা।

মানুহজনক মঞ্চৰপৰা আঁতৰাই নিয়াৰ পিচতে আঞ্চলিক পলিটিকেল কমিচাৰে উপস্থিত জনসাধাৰণক প্ৰশংসা কৰিলে।

'বিপ্লব হ'ল প্ৰৱঞ্চিত জনগণৰ একমাত্ৰৰ অস্ত্ৰ। এক জন্মগত অধিকাৰ। সমাজৰ মুষ্টিমেয় মধ্য ভোগীক নিৰ্মূল কৰি জনগণৰ অধিকাৰ প্ৰতিস্থা কৰাত বিপ্লৱেই একমাত্ৰ পথ। জনগণৰ এই অধিকাৰ আজি তিব্বত দেশত প্ৰতিস্থা কৰা হৈছে। মহান নেতা মাও-জে-ডঙে অনুমোদন কৰা সোতৰ দফীয়া চুক্তিৰ আধাৰতেই তিব্বতদেশৰ সংস্কাৰ চলিছে। সাম্ৰাজ্যবাদীৰ দালাল দালাই লামাই তিব্বতবাসীক পৰিত্যাগ কৰি ইণ্ডিয়াত আশ্ৰয় লৈছে। এই প্ৰতিক্ৰিয়াশীল তথাকথিত ধৰ্মীয় গুৰুজনে যদি তিব্বতবাসীৰ মংগল কামনা কৰিলেহেঁতেন তেনেহলে তেওঁ দেশ এৰি পলাই নগলহেঁতেন। 'পাঞ্চেন লামা' ই কিন্তু দেশ এৰি পলাই যোৱা নাই। তিব্বতবাসীৰ মংগলৰ হকে তেখেতে ৰাজধানী পিকিঙত কাৰ্য্যালয় পাতিছে। গতিকে তিব্বতবাসীয়ে আজি কাক দেশৰ নেতা বুলি মানি লোৱা উচিত? পলৰীয়া দালাই লামাক নে পাঞ্চেন লামাক?

"টাচি লামা" "টাচি লামা ' বুলি শ্ৰোতাসকলে সমস্বৰে চিঞৰি উঠে। পলিটিকেল কমিচাৰৰ মুখত সফলতাৰ হাঁহি ফুটি ওলায। কিন্তু শ্ৰোতাসকলৰ এই মতামত কিমান আন্তৰিকতাপূৰ্ণ আছিল সেই কথা জানিবৰ কোনো উপায নাছিল পলিটিকেল কমিচাৰৰ। অধিকৃত তিব্বতৰ পদদলিত জনগণৰ মৌখিক আনুগত্যকেই সাম্যবাদী বিজযৰ সফলতা বুলি হযতো ধৰি ললে।

'টাচি লামা" বা পাঞ্চেন লামাও এজন অৱতাৰী গুৰু। তিব্বতীয ধৰ্মীয পৰম্পৰাত পাঞ্চেন লামাৰ স্থান দালাই লামাৰ ঠিক তলতেই। চীনাসকলে দালাই লামা আৰু পাঞ্চেন লামাৰ মাজত বিভাজন সৃষ্টি কৰাৰ প্ৰচেষ্টা অতীজৰে পৰা চলাই আহিছে। দালাই লামাৰ বিৰুদ্ধে পাঞ্চেন লামাক সমৰ্থন জনাই চীন প্ৰশাসনে তিব্বতৰ ওপৰত প্ৰভাৱ পেলোৱাৰ দৃষ্টান্ত বহু শতাব্দী পুৰণি কথা। বৰ্তমানৰ পাঞ্চেন লামাজন বযসত দালাই লামাৰ প্ৰায সমবযসীয়া। টাচিলন্‌পো হ'ল পাঞ্চেন লামাৰ প্ৰধান মঠ। লাচাৰ

পৰা দূৰত্ব তিনিশ পঞ্চাচ কিঃ মিঃ। টাচিলন্‌পো মঠৰ গাতে লাগি আছে ঐতিহাসিক 'চিগাজে' দুৰ্গ। এইখনেই তিব্বতৰ দ্বিতীয় মহানগৰ। ছত্ৰিছ হাজাৰ মানুহৰ বাসস্থান। তিব্বতৰে আভ্যন্তৰীণ অঞ্চল যদিও টাচিলনপো এলেকাত পাঞ্চল লামাৰ কৰ্তৃত্বই মূলতঃ প্ৰধান। বৰ্ত্তমানৰ পাঞ্চেন লামা গৰাকী চীন চৰকাৰৰে অনুমোদিত ব্যক্তি। ষষ্ঠজন পাঞ্চেন লামাৰ মৃত্যু হৈছিল চীনৰ ৰাজধানী পিকিঙত। সেই সুযোগতে চীন চৰকাৰে বৰ্ত্তমানৰ পাঞ্চেন লামাকে টাচিলন্‌পো মঠৰ অৱতাৰ বুলি ঘোষণা কৰিছিল। লাচা চৰকাৰৰ অনুমোদন যে লাগে, সেই কথাত চীন চৰকাৰে কোনো গুৰুত্ব দিয়া নাছিল। শিশু পাঞ্চেন লামা পিকিঙতে ডাঙৰ দীঘল হৈছিল। এই সপ্তম গৰাকী পাঞ্চেন লামাকে এদিন দালাই লামাৰ বিৰুদ্ধে থিয় কৰাব লাগিব বুলি অনুমান কৰিয়েই পিকিঙত পোহপাল দি ৰখা হৈছিল। পিছে চীন চৰকাৰৰ এই কু-অভিসন্ধিও নিতিকিল। দালাই লামা দেশ এৰি গুচি যোৱাৰ পিছতে পাঞ্চেন লামাক ঢোলে ডগৰে আদৰি অনা হ'ল পিকিঙৰপৰা লাচালৈ। হিতে বিপৰীত হে হৈ উঠিল। লাচাৰ বিৰোধী জনসাধাৰণৰ মন জয় কৰিবলৈ হান প্ৰশাসনে নৱবৰ্ষ উৎসৱৰ এক আঁচনি হাতত লৈছিল। ব্যয় বহুল এই কাৰ্য্যসূচীত পাঞ্চেন লামাৰ আগমনৰ বাতৰি বিয়পি পৰাত লাচা মহানগৰীত দলডোপ্‌ হেদোলডোপ্‌ লাগিল। লাচানগৰীৰ জনগণে হান দমনৰ মাজতো ধৰ্মৰ বাণী শুনিবলৈ মুকলি সভাত আহি থিয় দিলে। দহ হাজাৰ মানুহৰ সেই সভাত পাঞ্চেন লামাই থিয় দি যেতিযা তিব্বত দেশৰ স্বাধীনতাৰ সপক্ষে উদ্দীপ্ত ভাষণ দিলে তেতিয়া হান প্ৰশাসনৰ মূৰত স্বৰ্গ ভাগি পৰিল। পাঞ্চেন লামাক কৰায়ত্ত কৰা হ'ল। নোহোৱা হৈ গ'ল পাঞ্চেন লামা। পিকিঙৰ এন্ধাৰ কাৰাগাৰত মৃত্যুৰ দিন গণিব ধৰিলে ধৰ্মগুৰু পাঞ্চেন লামাই।

এই সকলো বাতৰি বিনিথাং কমিউনৰ মানুহে শুনা নাছিল। সুদূৰ ভাৰত সীমান্তত অৱস্থিত এই ক্ষুদ্ৰ সমূহীয়া পামৰ মানুহেও পলিটিকেল কমিচাৰৰ সন্তুষ্টিৰ বাবে "টাচি লামা" "টাচি লামা" বুলি চিঞৰি উঠিল।

সভা অন্ত পৰিলত মানুহবিলাকে উঠি থিয় দিলে। তাদিকে উঠিবলৈ লওঁতে

সহকৰ্মীজনক মাটিতে থুউৱা দেখিলে। এই সহকৰ্মীজনে যে এদিন অঘটন ঘটাব তাদিকৰ মনত সেই সন্দেহ ওপজিল। কেনেদৰে তাৰপৰা আঁতৰি থাকিব পাৰি সেই চিন্তাও তাৰ মনলৈ আহিল। এনেতে লি-পেং আহি তাৰ ওচৰত থিয় দিলেহি।

'কমৰেড পেং! ইমানদিনৰ পিচত দেখি কিমান যে ভাল লাগিছে।' তাদিকে হাত বঢ়াই কৰমৰ্দন কৰিলে।

'তোমাৰ ভালনে তাদিক?'

'ভালেই আছোঁ কমৰেড।' তাদিকে উত্তৰ দিলে। ভালে নাই বুলি ক'লে প্ৰশ্নৰ, উপৰি প্ৰশ্ন আহিব, তাদিকে জানে।

'কাম -কাজ?'

'কামৰ মাজতে আনন্দ বিচাৰি পাইছোঁ কমৰেড। বহুতো সমস্যা আমি সমাধান কৰি আনিবলৈ সমৰ্থ' হৈছোঁ। চেযাৰমেন মাও-জে-ডঙৰ শুদ্ধ নিৰ্দেশেই আমাক সমাধানৰ পথ দেখুৱাই দিছে কমৰেড লি-পেং।

তাদিক এজন অশিক্ষিত যুৱক। আৰ্থ সামাজিক সমস্যা কি সি বুজি নাপায। "দাচ-কেপিটেল" এই জনমতো তাৰ শিল যেন লাও খোলাত নোসোমায বুলি সি জানে। উৎপাদন আৰু বিতৰণৰ খেলি-মেলিবিলাক তাৰ বাবে কণী আৰু কুকুৰাৰ সৃষ্টিৰ নিচিনাকৈ অবোধ্য হৈযেই থাকি যায। কণী নে কুকুৰা আগতে সৃষ্টি হৈছিল সেই তৰ্কৰ মীমাংসা তাৰ জীৱনত নহ'ব বুলি সিও জানে। ধনী-দুখীযাৰ কাজিযাখন তাৰ বাবে সাপে সাপক গিলিব ধৰাৰ নিচিনাকৈ অমীমাংসীত হৈ থাকি যাব সিও ধৰি লৈছে। সমীৰ মাষ্টৰে ল'ৰা-ছোৱালীবিলাকক পঢ়াওতে মাজে মাজে সাধুকথা শুনাইছিল। ল'ৰা-ছোৱালীবিলাকৰ পিচপিনে বহি তাদিকেও সেই সাধুকথা শুনি ভাল পাইছিল। কাছ আৰু শহাৰ সেই সাধু কথাটোকে সি বেছি ভাল পাইছিল। এলেহুৱা মানুহক কোনেও বহি বহি নুখুৱাই বুলি সিও শিকিছিল। সমীৰ মাষ্টৰে আৰু কৈছিল যে দুডাল গছপুলি একেলগে ৰুলে দুযোডাল কেতিয়াবা সমানে নাবাঢ়ে। খুচৰি চালে এডালৰ

শিপাত শিলগুটি দেখা পাবা বুলি কৈছিল। শিলগুটি গুচাই দিলে সেইডালো সমানে বাঢ়িব বুলি ল'ৰা-ছোৱালীক বুজাই দিছিল। এইবিলাক কথা সি সহজে বুজি পাইছিল। কিন্তু প্ৰতি কথাতে মাও-জে-ডঙে দিয়া সমাধানৰ সূত্ৰবিলাক তাৰ মগজুত সোমাব নোখোজে। কিছুমান কথা অৱশ্যে অবিৰামভাৱে শুনি শুনি আজি তাৰ মুখস্থ হৈ হৈছে। মাও-জে-ডঙৰ নিৰ্দেশবিলাক যেন তাৰ মগজুৰ ভিতৰত এতিয়া কিলবিলাই ফুৰিছে।

'ইমান কম সময়ৰ ভিতৰত তুমি এজন অভিজ্ঞ বিপ্লৱী কৰ্মী হৈ উঠিছা কমৰেড তাদিক। তোমাৰ বিপ্লৱী আন্তৰিকতাৰ কথা বহুতৰে মুখতো শুনিছোঁ। ব'লা এতিয়া কমৰেড কমিচাৰে তোমাক নিবলৈ পঠাইছে।'

'এনেদৰেই যামনে কমৰেড পেং?'

'মুৰ যণিযাই ভাল কাপোৰ পিন্ধাটোৱেই প্ৰকৃত বিপ্লৱীৰ পৰিচয় হ'ব নোৱাৰে তাদিক। বঁকালত হাত থৈ মানুহে দেখাকৈ তিনিআলিত থিয় দিলেই বিপ্লৱ কৰা নুবুজাই জানিবা।

'ব'লক কমৰেড'। বিপ্লৱৰ ওপৰত আৰু অধিক ব্যাখ্যা শুনিবলৈ তাদিকৰ ধৈৰ্য্য নাছিল। গাহৰি পামত আঠঘন্টা কঠোৰ পৰিশ্ৰম কৰি অহাৰ পিচত বিপ্লৱৰ কথাবিলাকে যেন তাৰ কাণত কাইটে বিন্ধা দি বিন্ধিব খুজিলে। লি-পেঙৰ পিছে পিছে গৈ থকা তাদিকৰ মনলৈ এৰি অহা জীৱনৰ স্মৃতিবিলাক উভতি আহিল। লিমাকুৰিৰপৰা ডাক লৈ উভতি আহিবৰ দিনা তাৰ মাকে প্ৰতিবাৰে দুমাইল আগুৱাই গৈছিল তাক লগ ধৰিবলৈ। এচুঙা লাওপানী আৰু কেইটামান আলু-কচু পোৰা লৈ মাকে বহি থাকিছিল দুমাইল দূৰৰ দলংখনতে। আলু, কচু পোৰা খাই চুঙাটো শেষ কৰি সি মাকক সাৱটি ধৰি কৈছিল- "তই আৰু আগুৱাই নাহিবি আনে।" তোৰ বয়স হৈছে নহয়।"

'বয়সে মানুহক অকামিলা নকৰে অ। মই কাম কৰিব পৰা হৈয়ে আছো, দেখিছ নে নাই?'

দুয়ো হাঁহি হাঁহি উঠি আহে এঢলীয়া পথটো। তাদিকে অনা ডাকৰ টোপলাটোকো

মাকে নিজৰ খাংটোত ভৰাই লয। এযে জন জীৱনৰ ৰীতি। অভাৱ -অনাটনৰ মাজতো বৰ্তী থাকে জনজাতীয সহজ-সৰল পৰম্পৰা।

খোজে প্ৰতি বিপ্লৱী ভাষণত উজুতি খাব খোজা তাদিকক এৰি অহা জীৱনটোৱে যেন হাত বাউলি দি মাতিব ধৰে। মাক ভনীযেকৰ মোহে যেন তাৰ মনটো বিহ্বল কৰি পেলাব বিচাৰে। দেশ এৰি পলাই আহি সি যে ভুল কৰি পেলালে সেই অনুভৱে তাৰ মনত লাহে লাহে ভুমুকি মাৰিব ধৰিলে। মানুহ কটা কাৰণে হযতো তাৰ জেল হলহেতেন। কেইবছৰমান থাকি সি মুক্তি পালেহেতেন। উভতি আহি সি ভাল মানুহ হব পাৰিলেহেঁতেন। বিনিথাংৰ সমূহীযা পামৰ পৰা যে সি কেতিযাও মুক্তি পাব নোৱাৰে সিও বুজি উঠিব ধৰিলে।

দুযো গৈ যেতিযা পলিটিকেল কমিচাৰৰ কাৰ্য্যালযত উপস্থিত হ'ল তেতিযা বেলি মাৰ গৈছিল। বাহিৰতে থিয দি থকা প্ৰহৰীজনক লি- পেঙে কিবা কোৱাত সি ভিতৰলৈ সোমাই গ'ল। অলপ পিচতে ওলাই আহি হাতৰ ইংগিতেৰে লি- পেঙক অপেক্ষা কৰিব কলে। কিছুসময়ৰ অন্তত এজন সৈনিক বিষযা ওলাই অহাত প্ৰহৰীজনে তাদিকক ভিতৰলৈ সোমাই যোৱাৰ ইংগিত কৰিলে।

'অ' তোমাক মাতিছিলোঁ কথা এটা ক'বলৈ । তোমাক পদোন্নতি দিযা হৈছে। এতিযাৰপৰা তুমি গ্ৰুপ লিডাৰৰ দাযিত্ব ল'ব লাগিব। পাৰিবানে?' আঞ্চলিক কমিচাৰৰ কথাত তাদিক আচৰিত হৈ পৰিল। ইমান খৰতকীযা পদোন্নতি কেনেকৈ হ'ল সি বুজি নাপালে। দেশ এৰি পলাই অহা তাৰ ছমাহ মাত্ৰ হৈছে। কমিউনিজিম কি এতিযাও সি বুজাই নাই।

'আপোনাৰ সিদ্ধান্তই মোক উৎসাহিত কৰিলে কমৰেড কমিচাৰ। মোক যদি এই কামৰ বাবে উপযুক্ত বুলি বিবেচনা কৰা হৈছে সেইটো মোৰেই সৌভাগ্য হ'ব কমৰেড কমিচাৰ।'

'তুমি কামৰ ঠাই সলাব বিচাৰা নেকি?' সেইটো মোৰ ইচ্ছাৰ কথা হ'ব নোৱাৰে।

মই কি কামৰ বাবে উপযুক্ত তাৰ বিচাৰ কৰিব মোৰ ওপৰৰ কমৰেড্ সকলে। যতেই নিদিয়ক মই তাতেই মোৰ কৰ্তব্য-নিষ্ঠা দেখুৱাব লাগিব, এই কথাহে মই জানো কমৰেড।'

'বেচ কথা তাদিক। তোমাক কাইলৈৰপৰা কুকুৰাপামৰ দায়িত্ব দিয়া হ'ব। গাহৰি পামৰ অভিজ্ঞতাই তোমাক এজন দায়িত্বশীল গ্ৰুপলিডাৰ কৰি তুলিব বুলি আমি আশা কৰিলোঁ। তোমাৰ পদোন্নতিৰ বাবে মোৰ আন্তৰিক অভিনন্দন জনালোঁ।'

এই বুলি থিয় হৈ পলিটিকেল কমিচাৰে তাদিকৰ সতে কৰমৰ্দন কৰিলে। কমিচাৰৰ হাতৰ তলুৱাখন বৰ খহটা লাগিল তাদিকৰ। মানুহজন যে এজন নিষ্ঠাবান কৰ্ম্মী সেই কথা হাতখন চুযে তাদিকে অনুমান কৰিব পাৰিলে।

চকীখনত পুনৰ বহি লৈ পলিটিকেল কমিচাৰে যিটো ঘোষণা দিলে সেইটো তাদিকে কল্পনাও কৰা নাছিল।

তোমাক আমি কিছুদিনৰ পিছত তিব্বত ভ্ৰমণলৈ পঠিয়াম। নতুন তিব্বতৰ প্ৰগতি তুমি নিজৰ চকুৰে চাই আহিব পাৰিবা।

সেইটোও মোৰ বাবে অতি সৌভাগ্যৰ কথা হ'ব কমৰেড কমিচাৰ।' ঘোষণাটো শুনি তাদিক হতবাক হৈ পৰে। উত্তৰটো সি কেনেকৈ দিব পাৰিলে তাকো বুজি নাপালে।

'এতিয়া যোৱা বাৰু। গ্ৰুপ লিডাৰৰ দায়িত্ব ভালদৰে বুজি-শুনি ল'বা। পদোন্নতিক কোনো সন্মান বুলি ভাবি নলবা। সন্মান বুলি ভাবি ললে মনত অহঙ্কাৰৰ প্ৰতিক্ৰিয়া ওপজিব। এনে প্ৰতিক্ৰিয়াকে বিপ্লৱ বিৰোধী মানসিকতা বুলি ধৰি লোৱা হয়। পদোন্নতি হ'ল দায়িত্বৰ সম্প্ৰসাৰণ। কাইলৈৰ পৰা তোমাৰ কাম বাঢ়িব লগতে দায়িত্বও বাঢ়িব। যিমানে ওপৰলৈ যাবা সিমানেই তোমাৰ কামৰ পথাৰখন বহল হৈ পৰিব।

তাদিক ওলাই গৈ বাহিৰত থিয় দিওঁতেই লি-পেং ভিতৰলৈ সোমাই গ'ল। অলপ পিচতে ওলাই আহি তাদিকক হাত জোকাৰি অভিনন্দন জনালে। 'মোৰ পিছে পিছে আহি থাকা' বুলি নিৰ্দেশ দি লি-পেং আগবাঢ়িল। যাওঁতে কৈ গ'ল।

'থামজিঙৰ সভাত দোষ স্বীকাৰ কৰি লোৱা মানুহজনক যে দেখিলা তাৰ কি হ'ব জানানে?'

"নাজানো" বুলি তাদিকে উত্তৰ দিলে যদিও সেই মানুহজনৰ ভাগ্যত কি আছে সেইটো অনুমান কৰি লৈছিল তাদিকে।

'কোনো মানুহ অপৰাধী হৈ নজন্মে। জন্মৰ পিচৰে পৰা সামাজিক দণ্ডবিলাকৰ পৰাই মানুহ অপৰাধী হৈ পৰে। সমাজত দণ্ড বহুত আছে। ক্ৰমাগত অধ্যযন আৰু বিশ্লেষণৰপৰাই এই দণ্ডবিলাক বিচাৰি উলিযাব লাগে। এই কাৰণেই মহান নেতা মাও-জে-ডঙে প্ৰতিজন বিপ্লৱীক ক্ৰমাগত অধ্যযনৰ নিৰ্দেশ দি গৈছে। অভাৱৰ পৰাই অপৰাধী সৃষ্টি হয। সমাজত যদি অভাৱ নেথাকে তেনেহলে অপৰাধীৰো সৃষ্টি নহ'ব। অভাৱহীন সমাজতো অৱশ্যে কেতিযাবা দুই চাৰিজন অপৰাধী থাকি যায। এই শ্ৰেণীৰ মানুহবিলাকৰ স্বভাৱেই অপৰাধী। এনে মানুহৰ মানসিক সংশোধন নহয। অকল মানুসিক সংশোধনৰদ্বাৰাহে পৰিৱৰ্তন আহিব পাৰে। 'মহান নেতা মাও-জে-ডঙে মানসিব প্ৰস্তুতিবে বিপ্লবৰ প্ৰথম স্তৰ বুলি চিহ্নিত কৰিছে' লি-পেঙে তাদিকক বুজাই গ'ল।

আকৌ মাও-জে-ডং! তাদিকৰ মনত খেলি মেলি লাগে। মাও-জে ডং মানহজনক সি দেখা নাই। পুৰা-গধূলি ছবিখনহে দেখি আহিছে। লাকচিঙত থাকোতে চৰকাৰী মানুহৰ মুখত সি "গান্ধী নামৰ মানুহৰ কথা সদায় শুনিছিল। দুই অক্টোৱৰ তাৰিখত গান্ধীৰ ছবিত চৰকাৰী মানুহে চাকি-বন্তিও জ্বলোৱা সি দেখা পাইছিল। সমীৰ মাষ্টৰে স্কুলৰ ল'ৰা ছোৱালীবিলাক লৈ ঘৰে ঘৰে গৈ চাফাই কাম কৰি ফুৰোতে সিও গৈ যোগ দিছিল। ফটোখনলৈ চাই গান্ধীক সি বৰ দুখীযা মানুহ বুলি ভাবি লৈছিল। এডোখৰ কাপোৰ পিন্ধা সেই দুখীযা বুঢাজন সকলোতকৈ ওপৰৰ মানুহ কেনেকৈ হৈছিল বুলি সিও চিন্তা কৰিছিল। সীমান্তৰ সিপাৰে মানুহে গান্ধীৰ কথা কয আৰু ইপাৰে কথাই কথাই মাও-জে-ডঙৰ নাম উচ্চাৰণ কৰে। মাজতে হিমালয়খন আছে কাৰণে হযতো দুফালে দুজন হ'ল। নথকা হলেও ভাল আছিল। তেতিযা দুয়োজনে

একেলগে "কেবাং" কৰি ককাই-ভাইৰ এই কাজিয়াখন সহজে মীমাংসা কৰি পেলাব পাৰিলেহেঁতেন। সি অন্য মনস্ক হৈ পৰে।

'তোমাৰ এতিয়া পদোন্নতি হ'ল। বিপ্লৱৰ কথাবিলাক তলৰ মানুহক তুমিয়েই শিকাব লাগিব। বুজাবও লাগিব তুমিয়েই। তোমাৰ তলৰ মানুহখিনি মানসিকভাৱে প্ৰস্তুত হৈ নুঠিলে তাৰ বাবে তুমিয়েই দায়ী হব লাগিব। সেই কথা মনত ৰাখিবা।'

তাদিক বিমোৰত পৰিল। সি নিজেই একো নেজানে, আনক কি শিকাব বুলি ভাবিব ধৰে। যিখিনি কথা সি বিপ্লৱ বুলি মুখস্থ কৰি লৈছে সেইখিনিকে সিহঁতকো মুখস্থ কৰাব লাগিব বুলি তাদিকে মনতে ঠিক কৰি ল'লে।

কথা পাতি পাতি লি-পেঙে তাদিকক সৈনিক শিবিৰৰ প্ৰধান ভঁৰালটোলৈ লৈ গ'ল। তাদিকক গ্ৰুপ লিডাৰৰ নতুন পোছাক দিয়া হ'ল। একেই নীলা কাপোৰ যদিও অলপ উন্নত মানৰ যেন লাগিল তাদিকৰ। পেন্টটো ঠিক হ'ল যদিও চোলাটো হ'লে বৰ খাপ নাখালে। খাকী ৰঙৰ বহল পেটি এডালো দিলে। টুপীটো সকলোৰে নিচিনা একেই। মাও-জে-ডঙৰ ছবিটো এই টুপীযেই দেখিছে। কপালৰ পিনে থকা ৰঙা কাপোৰৰ তৰাটোও একেই সমান।

সম্পূৰ্ণ পোছাক পিন্ধোৱাৰ পিছত লি-পেঙে তাদিকক নি থিয় কৰালে ডাঙৰ আৰ্চি এখনৰ সন্মুখত। আৰ্চিখনৰ কাষতে থিয় কৰাই থোৱা আছে মাও-জে-ডঙৰ সম্পূৰ্ণ ছবি এখন।

'আৰ্চিত দেখা তোমাৰ প্ৰতিবিম্বৰ লগত চেয়াৰমেন মাও-জে-ডঙৰ ছবিখন এতিয়া মিলাই চোৱাচোন তাদিক।'

লি-পেঙৰ নিৰ্দেশমতে তাদিকে মিলাই চাওতে তাৰ অতীত স্মৃতিখিনি হঠাতে যেন মচ খাই পৰিল। সি যেন এতিয়া এজন বেলেগ মানুহলৈ ৰূপান্তৰিত হৈ গ'ল এনে লাগিল তাৰ।

কি দেখিছা কমৰেড্ তাদিক?'

"নিজকেই চাইছোঁ কমৰেড পেং।' আৰ্চিত দেখা নিজৰ প্ৰতিবিম্ব আৰু মাও-জে-ডঙৰ ছবিৰ পিনে একেথিৰে চাই থকা তাদিকে মন্ত্ৰমুগ্ধ মানুহৰ দৰে উত্তৰ দিলে।

'চেযাৰমেন মাও-জে-ডং আৰু তোমাৰ মাজত কিবা পৃথকতা দেখিছানে?'

'নাই দেখা কমৰেড পেং। তাদিক বিমুগ্ধ হৈ পৰিল।

'নিজকে এতিযা এই মহান বিপ্লৱৰ এজন অংশীদাৰ যেন লাগিছে নে নাই?'

'লাগিছে কমৰেড পেং। মোৰ মন গৌৰৱেৰে উপচি পৰিছে।'

এজন বিমোহিত মানুহৰ নিচিনাকৈ তাদিকে লি-পেঙলৈ উভতি চালে। পোছাক-পৰিচ্ছদ আৰু মঙ্গোলীয চেহেৰা পানীৰে সিও এজন হান কমিউনিষ্টলৈ যেন ৰূপান্তৰিত হৈ পৰিল।

'এতিযা কোৱাচোন তাদিক তুমি এৰি অহা স্বজাতিৰ মানুহক যদি এই একেই পোছাক পিন্ধাই দিযা হয তেনেহ'লে সিহঁতো আমাৰ সৈতে মিলি একাকাৰ হৈ নাযাবনে?'

গভীৰ উদ্দেশ্য প্ৰণোদিত লক্ষ্যেৰে প্ৰশ্ন কৰিলে সু-চতুৰ চিনিযৰ পাৰ্টি বেডাৰ লি পেঙে।

'নিশ্চয মিলি যাব কমৰেড লি-পেং। আমি সকলো একেই মানুহ হৈ যাম।

লি-পেঙৰ ৰাজনৈতিক লক্ষ্যটোক তাদিকে বুজিব নোৱাৰিলে।

'সিহঁতৰ গাত থকা তেজ আৰু মোৰ গাত থকা তেজৰ পাৰ্থক্য একো নাই। এদিন মইও 'না' মানুহেই আছিলো জানা তাদিক।' লি-পেঙে কৈ পেলালে।

গুদামঘৰৰপৰা ওলাই আহি দুয়ো তেতিযা সামৰিক কাৰ্য্যালযটোৰ দিশলৈ গৈ আছিল। লি-পেঙৰ কথা শুনি তাদিক উচপ খাই ৰৈ গ'ল। চকু দুটা ডাঙৰকৈ মেলি সি লি-পেঙলৈ চালে।

'তোমাৰ নামটো তেনেহ'লে লি-পেং হ'ল কেনেকৈ?'

'এইটো মোৰ পাৰ্টিযে দিযা নতুন নাম। মোৰ বিযাও হৈছে চীনা সহকৰ্মীনীৰ লগত।

মই দাসত্বৰ পৰা এতিয়া মুক্ত হৈছোঁ। এতিয়া মই চিংগ্ৰোৰ এজন নিষ্ঠাৱান কৰ্মী। সকলো মানুহক দাসত্বৰপৰা মুক্ত কৰাটোৱেই এতিযা মোৰ একমাত্ৰ লক্ষ্য। তুমি যেনেদৰে ভাৰতীয দাসত্বৰ পৰা মুক্ত হৈছা তেনেদৰে সীমান্তৰ সিপাৰে থকা সকলো 'না' মানুহক আমি মুক্ত কৰিব লাগিব।'

লি-পেং নিজে নিজেই অভি ভূত হৈ পৰে। তাদিকৰ মানসিকতাক বিশ্লেষণ কৰাৰ আগতেই পলিটিকেল কমিচাৰৰ গোপন অভিসন্ধিৰ কথা লি-পেঙে ব্যক্ত কৰি পেলালে।

'এই মহান কমত তুমি মোৰ সহকৰ্মী হব লাগিব তাদিক।'

তাদিকক এজন নিষ্ঠাবান কৰ্মীৰূপে গটি তোলাৰ পৰিবৰ্তে এজন ভাৰত বিৰোধী এজেন্টৰূপে গটি তোলাটোৱেই লি-পেঙৰ লক্ষ্য হৈ পৰাতো তাদিকে হয়তো নুবুজিলে।

'নিশ্চয হম কমৰেড্‌। তুমি যেনেদৰে শিকাবা মই তেনেদৰে শিকি যাম, তেনেদৰে কৰি যাম কমৰেড।'

লি-পেঙক 'হান্‌ মানুহ বুলিযেই তাদিকে ভাবি লৈছিল ইমান দিনে। আজি 'না' মানুহ বুলি জানিব পাৰি কিবা এটা আপোন ভাবেৰে সি লি-পেঙলৈ চালে।

'ভাল কথা তাদিক। পিচলৈ আমি এই দিশত বহলকৈ আলোচনা কৰিম বাৰু। এতিযা তুমি সামৰিক বিষযাৰ ওচৰত হাজিৰ হ'ব লাগিব। যি কয় ভালদৰে শুনিবা।

বেটেলিযান কমাণ্ডাৰ বহা কোঠাটোৰ দুৱাৰমুখত থকা সৈনিকজনক লি-পেঙে কিবা কোৱাত সৈনিকজন ভিতৰলৈ সোমাই গ'ল। উভতি আহি দুযোকে ভিতৰলৈ যাবলৈ ক'লে।

'কমৰেড পেং বহক। তুমিও বহা।'

চিনিযৰ পাৰ্টি কেডাৰ বুলি লি-পেঙৰ সন্মান অলপ সুকীয়া। নিজৰ জাতিগত পৰিচয় ত্যাগ কৰি হানৰ নাম, উপাধি লোৱাত সন্মান আৰু বাঢ়িছে। এই বৰ্দ্ধিত সন্মান হয়তো স্বজাতিদ্ৰোহী মানুহ বুলিহে বাঢ়িছে, নিষ্ঠাৱান কৰ্মীৰূপে হয়তো নহয়। লি-পেঙে চীনা গাভৰুক বিয়া কৰাইছে নতুন নীতিৰ আধাৰত। হান প্ৰশাসনে তিব্বত দেশত বলবৎ

কৰা এই বাধ্যতামূলক নীতিৰ অধীনত হাজাৰ হাজাৰ এনে অসবৰ্ন বিবাহ জাপি দিয়া হৈছে। তিব্বতীয় ডেকা-গাভৰুৱে নিজৰ মাজত বিয়া কৰোৱাতো নিৰুৎসাহ কৰা হৈছে। স্বজাতি আৰু স্ব-ধৰ্মৰ অনুগামী তিব্বতীয়সকলৰ জাতীয় মানসিকতাক নিঃশেষ কৰি পেলাবলৈ এই অসবৰ্ণ বিবাহ-নীতি বলবৎ কৰিছে নতুন প্ৰশাসনে।

'তোমাৰ পদোন্নতিৰ বাবে মোৰ অভিনন্দন জনালো তাদিক। এজন গ্ৰুপলিডাৰে সামৰিক প্ৰশিক্ষণ লোৱাটো অপৰিহাৰ্য্য। অৱশ্যে পূৰ্ণ পৰ্য্যায়ৰ প্ৰশিক্ষণ নহয়, প্ৰাথমিক প্ৰশিক্ষণহে দিয়া হব। প্ৰশিক্ষণৰ সময়চোৱাত তুমি সামৰিক শিবিৰত থাকিব লাগিব। প্ৰশিক্ষণ শেষ হ'লে তুমি পুনৰ নিজৰ কৰ্তব্যস্থানলৈ উভতি যাবা।'

তাদিকে মন দি কথাবিলাক শুনি থাকে। লাহে লাহে সি এই পাৰৰ জীৱন ধাৰাৰ গভীৰতালৈ সোমাই পৰিব ধৰা দেখি অলপ অসস্থিও অনুভৱ কৰিবলৈ বাধ্য হয়। তাদিকে জেল ফাচীৰ ভয়তে স্বদেশ আৰু স্বজাতিক এৰি গুচি আহিছিল। কমিউনিষ্ট হব বুলিতো অহা নাছিল বুলি তাদিকে ভাবিলে।

সামৰিক বিষয়াগৰাকীৰ বক্তব্যখিনি শুনি লি-পেঙৰ লগত তাদিক ওলাই গ'ল। তাদিকক গাঁৱলৈ উভতি যোৱাৰ নিৰ্দেশ দি লি-পেঙে পুনৰ সোমাই গ'ল সামৰিক বাহিনীৰ কাৰ্য্যালয়টোৰ ভিতৰলৈ। গ্ৰুপ লিডাৰৰ নতুন পোছাকত তাদিকক কোনেও চিনি নাপালে। গাৱঁলৈ অহা বাটত লগ পোৱা, তাতকৈ নিম্ন পৰ্য্যায়ৰ সৈনিক আৰু পাৰ্টিৰ কৰ্মীসকলে বাট এৰি দিয়াটো তাদিকে লক্ষ্য কৰিলে। এই নতুন পদমৰ্য্যাদাই তাদিকৰ চাল-চলনতো প্ৰভাৱ নেপেলোৱাকৈ নাথাকিল। সি আহিছিল আশ্ৰয় বিচাৰি, পালে মৰ্য্যাদা আৰু ক্ষমতা। সি আহিছিল হত্যাকাৰীৰ অপবাদ লৈ, হৈ পৰিল বিপ্লৱী। এনেবিলাক অভাৱনীয় পৰিৱৰ্তনে তাৰ মনতো প্ৰভাৱ পেলালে। দেশ ত্যাগ কৰি ভুল কৰিলেনে ভাল কৰিলে সেই মানসিক দ্বন্দ্ব চলি থাকোতেই তাৰ ওপৰত জাপি দিয়া হ'ল প্ৰচুৰ দায়িত্ব। ক্ৰমান্বয়ে সি হান কমিউনিষ্টৰ হাতৰ পুতলা হৈ পৰিব ওলাল।

এনে এক অনিশ্চযতাৰ মাজতে এদিন ঘটিল এক অভাৱনীয ঘটনা। তেতিযা মাজনিশা হৈছিল। দীঘল ঘৰটোৰ এহাত বহল চাংখনত গভীৰ টোপনিত শুই আছিল তাদিক। হঠাতে গাঁওখনত বাজি উঠিল বিপদ সংকেত। সহকৰ্মীৰ হাই-উৰুমীত তাদিকৰো টোপনি ভাগিল। চাইৰেণৰ কৰ্কশ শব্দ তাৰো কাণত পৰাত সি ধৰফৰাই উঠি বহিল। হাতত কালাচনিকভ ৰাইফললৈ বেৰেকটোলৈ সোমাই আহিল কেইবাজনো 'পি এল এৰ'সৈনিক। খঙেৰে আদেশ দিলে সকলো মানুহ গৈ বাহিৰত থিয দিব লাগে। আদেশমতেই কাম। তাদিকহঁত গৈ শাৰী পাতি থিয দিলে বেৰেকটোৰ বাহিৰত। দুজন সৈনিকে এমূৰৰ পৰা মানুহৰ সংখ্যা গণি যাব ধৰিলে। গণনাত এজন কম ওলাল। পঞ্চাছজনৰ ঠাইত উনপঞ্চাচজনহে আছে। কোনজন নাই বুলি বাচ-বিচাৰ লবলৈ ধৰোতেই বেৰকৰ ইনচাৰ্জজন আহি ওলাল। জেপৰ পৰা তালিকা এখন উলিযাই মানুহবিলাকৰ নম্বৰ বিলাক চিঞৰি যাব ধৰিলে। ওঠৰ নম্বৰত আহি বেৰেকৰ ইনচাৰ্জজন ৰৈ যাবলৈ বাধ্য হয। ওঠৰ ওঠৰ বুলি আৰু দুবাৰ চিঞৰি উত্তৰ নোপোৱাত 'চাংগে' 'চাংগে বুলি নামকাটি মাতিলে। তথাপি উত্তৰ দিওঁতা কোনো নোলাল।

চাংগে হেৰালত তাদিক চক খাই উঠিল। এই চাংগেই গাহৰি পামত তাদিকৰ সহকৰ্মী আছিল। এদিন এই চাংগেই কাম কৰি থাকোতে তাৰ মনৰ কথা তাদিকক শুনাইছিল। সি যে এদিন কিবা অঘটন ঘটাব সেই সন্দেহ তাদিকেও কৰিছিল। গাহৰি পামৰ পৰা অব্যাহতি পাই তাদিকে ভালেই পাইছিল। গ্ৰুপ লিডাৰ হৈছিল যদিও তাৰ প্ৰশিক্ষণ আৰম্ভ হোৱা নাছিল। সিও বেৰেকতে শুইছিল। কুকুৰা পামৰ নতুন দায়িত্ব বুজি শুনি লবলৈ ধৰিছিল মাত্ৰ।

চাংগেক কোনে ক'ত দেখিছিল কৈ যা।'

কৰ্কশ আদেশ দিলে পি এল এৰ সৈনিক এজনে। কোনো উত্তৰ নাহিল।

'চাংগেৰ ওচৰত কোন শোৱে?' নতুন প্ৰশ্ন।

“মই বুলি মানুহ এজনে শাৰীৰপৰা আগবাঢ়ি থিয় দিলে। মানুহজনক এফলিযাকৈ থিয় কৰাই ৰাখি থোৱা হ'ল।

'সহকৰ্মী কোন কোন আছে ওলাই আহ।'

সৈনিকজনৰ আদেশত আৰু দহজন মানুহ শাৰীৰপৰা ওলাই থিয় দিলে। সিহঁতকো নি আগৰজনৰ লগতে থিয় কৰাই ৰাখিলে।

'চাংগেই লোহাৰ ৰড ক'ৰ পৰা আনিছিল কোনোবাই দেখিছিলিনে?

কাৰোপৰা কোনো উত্তৰ নাহিল। তাদিকৰ মনত চাংগেৰ ৰহস্য অধিক ঘনীভূত হৈ উঠিল। চাংগে নোহোৱা হ'ল সেইটো ডাঙৰ কথা নহয় কিন্তু চাংগে ধৰা পৰিলে সি বা কাক কাক সাঙুৰি পেলাব পাৰে সেই কথাতেই তাদিক উদ্বিগ্ন হৈ উঠিল। লোহাৰ ৰডডালৰ কথাই বা কিয় সুধিলে তাদিকে নুবুজিলে। ঘটনাটোৰ সবিশেষ জানিবলৈ তাদিকৰ মন উচপিচাই উঠিল। সৈনিকবিলাক উভতি যোৱালৈকে সি বাট চাব বিচাৰিলে। তেতিয়া পূব আকাশখন লাহে-লাহে উজ্জ্বল হৈ উঠিব ধৰিছিল।

“কমৰেডসকল এতিয়া বেৰেককৈ উভতি যাব লাগে। সকলো কামকাজ বন্ধ কৰা হৈছে। আজি কোনেও বেৰেক এৰি কলৈকো যাব নোৱাৰিব। খাবৰ সময় হ'লে মই লৈ যাম।

বেৰেকৰ ইনচাৰ্জৰ কথা শেষ হোৱাৰ লগে লগে শাৰীত আহি থিয় দিয়া মানুহবিলাকে বেৰেকলৈ উভতিব ধৰিলে।

“কমৰেড তাদিক অলপ ৰ'ব লাগে।”

ইনচাৰ্জৰ আকস্মিক আহ্বানত তাদিক অলপ আচৰ্য্য হৈ পৰিল। বেৰেকৰ ইনচাৰ্জো গ্ৰুপলিডাৰ পৰ্য্যায়ৰ কৰ্মী। সমপৰ্য্যায়ৰ হোৱা সত্ত্বেও দুয়োৰে কামত কোনো নিকট সম্পৰ্ক ইমান দিনেও গঢ়ি উঠা নাই। হান মানুহ কাৰণে মাত, কথাও নিমিলে। তিব্বতীয় ভাষা অলপ ক'ব পাৰে যদিও আচাৰ-ব্যৱহাৰ একেবাৰে সুকীয়া।

'চাংগে গাহৰি পামতে কাম কৰিছিল। তুমিও তাতেই আছিলা। চাংগেৰ চাল-চলন

বা কথা-বতৰাত কিবা অস্বাভাৱিকতা তোমাৰ চকুত পৰিছিল নে নাই কোৱাচোন?'

'ঘটনাটো কি জানিব পাৰোনে কমৰেড?' তাদিকে তিব্বতীয ভাষা অলপ ক'ব পাৰে যদিও বৰ সলসলিযাকৈ নোৱাৰে।

'নিশা পহৰা দিযা সৈনিক দুজনক মৃত অৱস্থাত পোৱা গৈছে। এজন গাঁওখনৰ প্ৰৱেশদ্বাৰত আৰু আনজনক গাহৰি পামৰ কাষত। দুযোজনৰ লাওখোলা ভঙা। গাহৰি পামত নিহত হোৱাজনৰ অলপ দূৰতে পোৱা গৈছে দুহাত দীঘল এডাল লোহাৰ ৰড। মৃত সৈনিক দুজনৰ ৰাইফল দুটাও হত্যাকাৰী চাংগেই লৈ গৈছে বুলি সন্দেহ কৰা হৈছে।'

'এই কাম চাংগেই কিয কৰিলে কমৰেড?'

সেইটো জনাৰ উপায নাই। ডাক্তৰে মৃতদেহ পৰীক্ষা কৰি আছে। পিচবেলালৈকে ফলাফল হযতো জানিব পৰা যাব। তথাপি আন্দাজ কৰা হৈছে যে এই হত্যাকাণ্ড আগনিশাতেই সম্পন্ন কৰা হৈছিল। মাজ নিশা প্ৰহৰী সাল সলনি কৰাৰ সমযতহে কথাটো ধৰা পৰিছে।'

তেতিযা হ'লেতো চাংগে বৰ বেছি দূৰ যাব পৰা নাই, নহযনে কমৰেড?' তাদিকে ক'লে।

'চাৰি পাঁচ ঘন্টাৰ ভিতৰতে যিমান দূৰ যাব পাৰি সিমান দূৰলৈকে হযতো গৈছে। এতিযা পোহৰ হৈছে। চাৰিওপিনৰ সীমান্ত চকীবিলাক পাৰহৈ সি যাব নোৱাৰিব। অকল লাচাৰ পথটোহে খোলা আছে। এতিযা কোৱাচোন তাৰ কিবা অস্বাভাৱিক আচাৰ তোমাৰ চকুত পৰিছিলনে?'

'তেনেধৰণৰ কোনো চালচলনটো মোৰ চকুত পৰা নাছিল। কাম-কাজ ঠিকেই কৰিছিল। হাঁহি-ধেমালিটো যোগ নিদিযাকৈ থকা নাছিল। কথাহে অলপ কমকৈ কৈছিল। কাজিযা পেচালৰ পৰা সদায আঁতৰি থকাহে দেখিছিলো কমৰেড।'

ইচ্ছা কৰিয়েই তাদিকে ওলোটাকৈ কথাবিলাক ক'লে। নিজৰ নিৰাপদতাৰ খাতিৰতে

সি মিছা কবলৈ বাধ্য হৈ পৰে। চাংগেৰ মনত ক্ষোভ আছিল সেই অনুমান তাদিকে কৰিছিল। চাংগেৰ অন্তৰ খনৰপৰা ওলাই অহা কথাবিলাক অকল সিয়েই শুনিছিল বুলি তাদিকে বুজিব পাৰিছিল।

'তথাপি সি এনে কাম কিয় কৰিলে তুমি কিবা অনুমান কৰিব পাৰানে কমৰেড তাদিক?'

'মূৰ্খ মানুহে কেতিয়া কি কৰে সি নিজেই নাজানে। আনে কেনেকৈ অনুমান কৰিব? ইমান সংঘবদ্ধ আৰু সমস্যাবিহীন জীৱনটো ত্যাগ কৰি সি কি বিচাৰি গৈছে সিয়েই জানে। তাৰ অপৰাধ অক্ষমণীয়।'

'ক্ষমা সি কেতিয়াও নাপায়। দুজনকৈ দেশপ্ৰেমিক সৈনিকক হত্যা কৰাটো সাধাৰণ অপৰাধ নহয়, এই অপৰাধৰ শাস্তিযেই হৈছে মৃত্যুদণ্ড। কিন্তু কথাটো হৈছে চাংগে অকলশৰীয়া নহয়, হবও নোৱাৰে। তাৰ মনৰ কথা ভুলতে হ'লেও কোনোবা এজনক সি নিশ্চয় কৈছিল। লোহাৰ ৰড এডাল যোগাৰ কৰোতে কোনোবাই নিশ্চয় দেখিছিল। সেইজন মানুহ কোন হব পাৰে তাৰেই অনুসন্ধান চলিছে এতিয়া। আমাৰ মাজত বিপ্লৱ বিৰোধী শত্ৰু এতিয়াও সোমাই আছে। সিহঁতক বিচাৰি উলিয়াই নিৰ্মূল কৰি পেলাব লাগিব।'

'নিশ্চয় কমৰেড।' তাদিকে সৱল সমৰ্থন আগবঢ়ালে।

'ওচৰতে আমাৰ শত্ৰু দেশখন আছে। চাংগে সীমান্ত পাৰ কৰি ভাৰতলৈ পলাই যাব পাৰে। লাচাৰ পিনলৈ পলাই যাবলৈ চেষ্টা নিশ্চয় নকৰিব। সেইপিনে গ'লে সি ধৰা পৰিবই। প্ৰতিখন গাঁৱত আমাৰ পাৰ্টিকেডাৰ আছে। নতুন মানুহ এজন সোমালেই ধৰা পৰি যাব। নাখায় থাকিব লাগিব। কোনেও কাৰো ভাগৰ খাদ্য নিদিয়ে। সি ভোকত নিজেই ধৰা দিবলৈ বাধ্য হব।

'সেইটো কাম সি নকৰিব। সীমান্ত পাৰ কৰি যোৱাৰেই চেষ্টা কৰিব কিজানি।'

কথাটো কওঁতে তাদিকৰ মাতত আউল লাগিব খোজে। চাংগে সীমান্ত পাৰ কৰি

লাকচিং অঞ্চলটোলৈকে যাব লাগিব সি ভাবিলে।

'তুমি য'ৰ পৰা গুচি আহিছিলা সেই ঠাইৰ নাম কি কমৰেড তাদিক?'

'লাক্‌চিং।' তাদিকে সংক্ষিপ্ত উত্তৰ দিলে। ঘটনাক্ৰমে লাক্‌চিঙৰ স্মৃতি পুনৰ উভতি অহাত তাৰো মনটো অলপ চঞ্চল হৈ উঠিব খুজিলে। চাংগে লাক্‌চিঙলৈ পলাই যাব পাৰে এই সম্ভাৱনাই তাদিকৰ মনটোকো জোকাৰি দিলে। মাক আৰু ভনীয়েকৰ কথা মনত পৰিল। বন্ধনহীন জীৱনটোৰ বাবে তাৰো মন হাহাকাৰ কৰি উঠিব খুজিলে।

'মাত্ৰ কেইঘণ্টামানহে হৈছে সি গাঁও এৰি পলাই যোৱা, সীমান্তলৈ দুদিনৰ বাট। ইমান সোনকালে সি সীমান্ত পাৰ কৰি যাব নোৱাৰে। সি এতিযাও  আমাৰ সীমাতেই আছে। সীমান্ত পাৰ কৰা বাট-পথবিলাক তুমি নিশ্চয় জানা নহয়নে কমৰেড তাদিক?'

'মই অহা বাটটোৰ কথাহে জানো। আনফালে যাব পৰা বাট নাই।'

তাদিকে ইচ্ছা কৰিয়েই সঁচা কথা লুকুৱাই থলে। সীমান্ত পাৰ কৰাৰ মূল পথটোৰ বাদেও আৰু বহুত ঠাই আছে য'ত সীমান্ত পাৰ কৰিব পাৰি। কস্তুৰি পহু চিকাৰ কৰিবলৈ আহোতে এনে ঠাই সি বহুত দেখিছিল। সেইটো কথা সি নক'লে। চাংগে আজি পলাই গৈ লাক্‌চিঙত আশ্ৰয় লব বুলি সিও ভালেই পাব। সিও নমৰি জীয়াই আছে বুলি লাকচিঙৰ মানুহে চাংগেৰ মুখত নিশ্চয় শুনিব।

স্বদেশ-স্বজাতিৰ পৰা বিচিন্ন হৈ পৰা তাদিকৰ মনটো যেন লাহে লাহে কোমল হৈ পৰিছিল। বন্ধনৰ মাজত থকা তাদিকে মুক্ত জীৱন এটাৰ মূল্য লাহে লাহে অনুভৱ কৰিবলৈ আৰম্ভ কৰিছিল। জীৱনৰ অভিলাষবিলাক যেন এই বন্ধন জীৱনত কেতিয়াও পৰিপূৰ্ণ নহব, সেই উপলব্ধি তাৰ মনলৈও ক্ৰমান্বয়ে উভতি আহিব ধৰিলে। চাংগে যদি মুক্ত হব পাৰে সি কিয় তাত বাধাৰ সৃষ্টি কৰিব বুলিয়েই সঁচা কথাটো সি লুকুৱাই ৰাখিলে।

'চাংগেক ধৰা পেলোৱাত তুমি যথেষ্ট তথ্য দিব পাৰিবা। ব'লা মোৰ লগত কমৰেড্‌।'

'কলৈ যাব লাগিব?'

'সামৰিক বিষযাৰ ওচৰলৈ ব'লা। সীমান্তৰ বাট-পথৰ বিষযে যি জানা বহলাই ক'বা।'

এনেতে সশস্ত্ৰ সৈনিক এজন বেৰেক ইনচাৰ্জৰ ওচৰ চাপি আহিল।

'১০৯ নম্বৰ কোন?'

সশস্ত্ৰ সৈনিকজনৰ প্ৰশ্ন শুনি বেৰেকৰ ইনচাৰ্জে তাদিকলৈ চালে। তাদিকৰ ক্ৰমিক নং আছিল ১০৯। গ্ৰুপলিডাৰ হোৱাৰ পিচত এই নম্বৰ সলনি হ'ব লাগিছিল যদিও হোৱা নাই। এতিযাও নথি-পত্ৰত সি ১০৯ নম্বৰতে আছে।

'মই কৈছিলো নহয় তোমাৰ প্ৰযোজন হব। যোৱা এতিযা। এইজন কমৰেড ১০৯ নম্বৰ''

'তুমি এতিযাই কমৰেড বিষযাৰ ওচৰত হাজিৰ হ'ব লাগে।'

সৈনিকজনে তাদিকক নি বিষযাজনৰ সম্মুখত হাজিৰ কৰালে। তাদিকে চিনি পালে। এইজন বিষযাই কেইদিনমান আগতে তাদিকক সামৰিক প্ৰশিক্ষণৰ কথা কৈছিল। সিদিনাৰ নিচিনা হাঁহি নেদেখিলে তাদিকে বিষযাজনৰ মুখত। বিষযাজনৰ গোমোঠা মুখখন দেখি তাদিক চিন্তিত হৈ পৰিল।

'চাংগে নামৰ মানুহজন বেৰেকৰপৰা নোহোৱা হৈছে। গম পাইছ হব পায?' গহীন মাতেৰে প্ৰশ্ন কৰিলে সামৰিক বিষযাজনে।

'গম পাইছোঁ কমৰেড।

'কেনেদৰে গম পাইছ?' বিষযাৰ দৃষ্টিত সন্দেহৰ ভাৱ।

'বেৰেক ইনচাৰ্জৰ পৰা অলপ আগতে গম পাইছোঁ।'

'তুমি লাক্‌চিং অঞ্চলৰ মানুহ নহযনে?'

'আগতে আছিলোঁ যদিও এতিযা নহয কমৰেড।'

এনে অৰ্থপূৰ্ণ উত্তৰ তাদিকে হযতো লাকচিঙত দিব নোৱাৰিলেহেঁতেন। কিন্তু সন্দেহবাদী কমিউনিষ্ট প্ৰশাসনে তাদিকক আনকথা নিশিকালেও প্ৰতিটো খোজত সাৱধান হবলৈ অন্তত শিকালে।

বেচ কথা। সীমান্ত অঞ্চলৰ বাট-পথ সৰ্ম্পকে তুমি কিমান জানা?'

'মই যি বাটেৰে আহিছিলো সেইটো বাটহে জানো কমৰেড্।' বেৰেক ইনচাৰ্জক কোৱা কথাৰ কোনো সালসলনি নকৰে তাদিকে। তাৰ সিদ্ধান্তৰ ওপৰত সি দৃঢ় হৈ থিয় দিব বিচাৰে।

'সেইটো পথৰ বিষয়ে আমিও জানো। আমাৰ পেট্ৰোলিং নিযমিত গৈ থাকে। আন পথৰ বিষয়ে কি জানা কোৱা।'

'আন পথৰ কথা মই গম নাপাওঁ কমৰেড।' নিজৰ কথাত যাতে দোধোৰ-মোধোৰতা প্ৰকাশ নাপায তাৰ প্ৰতি তাদিক সচেতন হৈ থাকিল।

'লাক্‌চিঙৰ মানুহে কস্তুৰি পহু চিকাৰ কৰেনে নাই?' অনুসন্ধানী প্ৰশ্ন উত্থাপন কৰিলে বিষযাজনে।

'কৰে কমৰেড।

'ক ত কৰে তুমি নাজানানে?

'য'ত পায ত'লৈকেহে যায বুলি জানিছিলো।

তাৰ প্ৰশাসনে তোমাক ব দুকটো দিছিল নহযনে?'

তাদিকে লগত অনা বন্দুকটোৰ কথা মনত পেলাই দিযাত তাৰ অলপ ভয লাগিল। সেই ব দুক লৈযে সিও দুবাৰমান কস্তুৰি মাৰিবলৈ সীমান্তলৈ আহিছিল। উত্তৰটো সি সাৱধানে দিলে।

'সেই বন্দুকেৰে আন চিকাৰ কৰিছিলো যদিও কস্তুৰি চিকাৰলৈ যোৱা নাছিলো কমৰেড।

'গ্ৰুপলিডাৰ হোৱাৰ আগতে তুমি গাহৰি পামতে কাম কৰিছিলা যেতিয়া চাংগেক তুমি সদায় পাইছিলা নহযনে?' বিষযাজনে অনুসন্ধানৰ দিশ সলনি কৰিলে।

'হয কমৰেড সদায পাইছিলোঁ।'

'সি নিজকে ক'ৰ মানুহ বুলি কৈছিল?'

'ক'ৰ মানুহ বুলি একো কোৱা নাছিল। কথাও কম কৈছিল।' চতুৰ হান বিষযাজনৰ পৰবৰ্তী প্ৰশ্নৰ বাবে তাদিকে নিজকে সাজু কৰি ৰাখিলে।

'কিবা বিৰোধ মনোভাব তোমাৰ চকুত পৰিছিলেনে? খোৱা, শোৱা, পিন্ধা-উৰা বা কাম কাজত-কিবা আপত্তিজনক মনোভাব তুমি দেখিছিলানে?'

'দেখা নাছিলোঁ কমৰেড।' এই প্ৰশ্নবিলাকৰ লক্ষ্য কি তাদিকে বুজি পায। চাংগেক নাপালেও চাংগেৰ সহযোগী কোনোবা আছে নেকি সেইজনকে বিচাৰি ফুৰা যেন লাগিল তাদিকৰ।

'অকলেটো সি এনে অপৰাধ কৰিবলৈ কেতিযাও সাহস নকৰিলেহেঁতেন। তাৰ সতে সহযোগিতা কৰা নিশ্চয কোনোবা আছে। সেইজন এজনো হব পাৰে একাধিকো হব পাৰে। তুমি কাৰোবাক সন্দেহ কৰানে তাদিক?'

তেনেকৈ মই একো মন কৰা নাছিলো কমৰেড। মাত-কথাও সিমান নিমিলে কাৰণে মই নিজৰ মতেই কাম কৰি ভাল পাইছিলোঁ।'

সেইটো আমি জানো তাদিক। তুমি এজন নিষ্ঠাবান কৰ্মী বুলি তোমাৰ পদোন্নতিও হৈছে।

তাদিকে তেতিযাহে যেন উশাহ সলাবলৈ সুযোগ বিচাৰি পালে।

এতিযা যোৱা বাৰু। সাম্ৰাজ্যবাদীৰ গুপ্তচৰ আৰু বিপ্লৱবিৰোধী মানুহে এতিযাও আমাৰ মাজতে সোমাই আছে দেখিলাই। গতিকে কোনো মানুহৰ ওপৰত সন্দেহ উপজিলে তেনে মানুহৰ ওপৰত সদায সতৰ্ক দৃষ্টি ৰাখিব লাগে। এজন মানুহ ইযাৰ পৰা পলাই গৈ শত্ৰু শিবিৰত আশ্ৰয ল'লে আমি বহুতো দিশত সাৱধান হব লগা হয। এজন চাংগেএ আমাৰ বিশেষ ক্ষতিসাধন কৰিব নোৱাৰে, আমি সেই কথা জানো। কিন্তু শত্ৰু শিবিৰত গৈ সি কোৱা কথাবিলাকেহে বেছি বিপদ মাতি আনিব পাৰে। বাৰু যোৱা এতিযা।

তাদিকে ওলাই আহিয়েই লিপেঙক দেখা পালে। লি-পেঙে মিচিকিযাই হাঁহি

আগবাটি আহিল।

'তুমি য'ৰপৰা আহিছ্ সেই ঠাইলৈকে চাংগে পলাই যাব বিচাৰিছে, নহয়নে তাদিক?' লি-পেঙৰ প্ৰশ্নত দুটিলতা ফুটি ওলোৱা দেখা পালে তাদিকে। এই প্ৰশ্নৰ অৰ্থ সিও নুবুজাকৈ নাথাকিলে।

'সেইপিনেই যাব বুলি কেনেকৈ জানিলে কমৰেড পেং?'

'গাহৰি পামৰ ওচৰতে সি হাবিত সোমাইছে। বোকামাটিত খোজৰ চিন পোৱা গৈছে। অনুসন্ধান কৰি সৈনিকে লগত নিয়া কুকুৰেও সেইপিনেই আগিবাঢ়িছে। সীমান্ত দুদিনৰ পথ। আজিৰ ভিতৰত চাংগে ধৰা পৰি যাব।'

'ঠিকেই কৈছে কমৰেড। সি ইমানদূৰ যাব নোৱাৰিব।

'কিন্তু কথা হ'ল চাংগে লাচাৰ মানুহ। তাৰ বাবে সীমান্ত নতুন ঠাই। বাট-পথৰ বিষয়ে সি একোৱেই নাজানে। আমাৰ সন্দেহ হৈছে সি সীমান্তৰ বিষয়ে কিছু তথ্য পাচি আগতীয়াকৈ সংগ্ৰহ কৰি লৈছিল। সীমান্তৰ বিষয়ে চাংগেই তোমাক কিবা সুধিছিল নেকি তাদিক?'

'তেনেকথা সুধিছিল বুলিতো মোৰ মনত নপৰে কমৰেড পেং।'

'নুসুধিব পাৰে বুলি মানি ল'লো বাৰু। কিন্তু তুমি কেতিয়াবা তোমাৰ পলাই অহাৰ বৰ্ণনা চাংগেক শুনাইছিলা নেকি?'

'নাই শুনোৱা। চাংগে মোৰ সহকৰ্মী আছিল সঁচা। কিন্তু তাৰ লগত মোৰ কোনো অন্তৰংগতা নাছিল। সি কথাও কম কৈছিল। গোমোঠা মাৰি একান্ত মনেৰে কাম কৰি গৈছিল। ইমানে মই দেখিছিলো।'

'চাংগে অকলশৰীয়া নহয়। সি ধৰা পৰিলেই বাকী সকলো কেইজন ওলাই পৰিব। এতিয়া তুমি ক'লৈ যাবা?'

'বেৰেককৈলে যাম।' লি-পেঙৰপৰা আঁতৰি যোৱাৰ বাবে তাদিকৰ মন উচ্পিচাবলৈ ধৰিলে।

'বেৰেকলৈ পোনে পোনে যাবা। কলৈকো ওলাই নাযাবা। অনুসন্ধান দ্ৰুতগতিত চলি আছে। কাক, কেতিযা প্ৰযোজন হয কোনেও নাজানে বুজিলানে?'

'বুজিছোঁ কমৰেড্ পেং। বেৰেকতে থাকিম। বিচাৰিলেই পাব।'

তাদিকে সামৰিক শিবিৰ এৰি লাহে লাহে নামি যাব ধৰিলে। খাৰগাঁঠিতো খজুৰাৰ চলেৰে সি ওপৰলৈ এবাৰ ভুমুকি মাৰি চাব বিচাৰিলে। শিবিৰটোৰ প্ৰবেশদ্বাৰত লি পেং তেতিযাও থিয হৈ তাৰপিনে চাই থকা দেখিলে। তাদিকে মনেৰে ভবা কথাটো মিলি যোৱা দেখি সি ভাবিবলৈ বাধ্য হ'ল যে চাংগে পলাই যোৱাৰ বাবে তাকো সন্দেহ কৰা হৈছে। গাহৰি পাম এৰা তাৰ এসপ্তাহেই হ'ল। চাংগে কেতিযা কেনেদৰে পলাল তাকো সি নাজনে। যি ঠাইত কাম কৰিবলৈ আধুনিক বেলচা এখনো নাই, সেই ঠাইত চাংগেই ৰড এডাল কেনেকৈ যোগাৰ কৰিছিল সিও এক ৰহস্য যেন লাগিল তাদিকৰ। গাহৰি পামত চাংগে তাৰ সহকৰ্মী আছিল সঁচা। সেযেই জানো সন্দেহৰ কাৰণ হব পাৰে? সিও লাকচিঙৰপৰাই পলাই আহিছে। এই দুটা পৃথক কামৰ মাজত কি যোগ সূত্ৰ থাকিব গাৰে সেই কথা তাদিকে বুজি নাপালে। চাংগে লাচাৰ মানুহ। আৰু সি "না" জাতিৰ। মাত-কথাও নিমিলে তথাপি তাক সন্দেহ কৰা হৈছে বুলি তাৰ মনলৈ অনুশোচনা আহিব ধৰে। স্বদেশ স্বজাতি ত্যাগ কৰি সি নিৰাপদ জীৱন এটাকে বিচাৰি আহিছিল। তিব্বত দেশত চলোৱা অত্যাচাৰৰ কথাবিলাক শুনিও সি হানৰ তলতে জীযাই থাকিবলৈ বিচাৰিছিল। এখন মুক্ত সমাজ ত্যাগ কৰি আবদ্ধ জীৱন এটাকেই সি বাচি লৈছিল জীযাই থকাৰ মোহত। কঠোৰ পৰিশ্ৰমৰ মাজতো সি বিচাৰি লৈছিল প্ৰচুৰ আনন্দ। অখাদ্য খাই আধা পেটি থাকিও সি ক্ষুধাৰ কথা পাহৰি পেলাইছিল। ডিঙিৰ মণি মুকুতা আৰু হাতৰ খাৰু আঙঠি খুলি থৈ হলৌ চোলা পেন্ট পিন্ধিও সি অতীতক মনৰ পৰা মচি পেলাব বিচাৰিছিল।

চাংগেৰ ঘটনাই আজি তাৰ মনটো জোকাৰি পেলালে। মুক্তি বিচাৰি সি যি ঠাইৰপৰা গুচি আহিছিল আজি সেই ঠাইলৈকে চাংগে গুচি গৈছে মুক্তি বিচাৰি। জীয়াই থকাৰ

আকাংক্ষ্যাত যি ঠাইলৈ সি গুচি আহিছিল সেই ঠাইৰে বন্ধন চিঙি চাংগে পলাই গৈছে। চাংগেই ভুল কৰা নাই ভুল কৰিলে সি বুলি প্ৰথম অনুশোচনাই তাদিকৰ মনত ভুমুকি মাৰিলে।

দেশ বুলিলে য'ত প্ৰতি মুহূৰ্তত আদেশ চলে সেইখন স্বাধীন মানুহৰ দেশ হব নোৱাৰে বুলি তাদিকে ভাবিবলৈ বাধ্য হ'ল। যিখন দেশত মানুহে নিজৰ শ্ৰমৰ ফল নিজে ভোগ কৰিব নাপায় তাত জীৱন বোলা কি থাকিব পাৰে, বুলি তাদিকৰো সন্দেহ ওপজিল। যিখন দেশত নিজৰ গাৰ ছা দেখি উচপ্ খাই উঠিব লাগে তাত মনৰ দুখ-বেদনা কাৰ ওচৰত প্ৰকাশ কৰিব? যি ঠাইত মানুহৰ নাম আৰু উপাধিৰ প্ৰয়োজন শেষ কৰি পেলোৱা হৈছে সেই ঠাইত আত্মীয়-স্বজন, বংশ পৰিচয় বিচাৰি পাব ক'ৰপৰা।

যেতিয়া তাদিক গৈ গাঁওখনত সোমাল তেতিয়া খাবৰ সময় হৈছিল। বেৰেকত থকা মানুহখিনিয়ে তেতিয়া শাৰী পাতি খাদ্য লোৱা তাদিকে দেখিছিল। খাবলৈ তাৰ বৰ আগ্ৰহ নহ'ল। এহাত বহলৰ বিছনাখনতে গৈ সি দীঘল দি শুই পৰিলে। কিছুসময় তেনেদৰে থাকি তাদিকে খপ্-জপ্‌কৈ উঠি বহিল। খাদ্যবিলাবৰ সময়ত হিচাপৰ মানুহ এজন কম দেখিলে তাৰ বাবেও কৈফিয়ৎ দিব লাগিব বুলি জানি তাদিকে মেচটিনটো হাতত তুলি ল'লে। খালেও নেখালেও সি শাৰীত গৈ থিয় দিব লাগিব। বেয়া খাদ্য বুলি নাখালে বিপ্লৱ বিৰোধী বুলি থামজিওৰ সভাত নি থিয় কৰাব। বেগাবেগীকৈ তাদিকে বেৰেকটোৰপৰা ওলাই গৈ ৰান্ধনীঘৰৰ শাৰীত থিয় দিলে।

(১৪)

তাদিকে লাকচিং এৰি যোৱাৰ ছমাহৰ পিচৰ কথা। সি গৈছিল বাৰিষাৰ আৰম্ভনিতে। তেতিয়া সীমান্তৰ পৰ্বতশিখৰৰ বৰফ গলিবলৈ আৰম্ভ হৈছিল। বৰফ গলা পানী, শুকান, জান-জুৰিবিলাকেৰে বৈ আহি সোৱণশিৰিৰ জলপ্ৰবাহক লাহে লাহে বঢ়াই তুলিব ধৰিছিল। এতিয়া শীতকাল আকৌ উভতি আহিল। নতুন বৰফেৰে পৰ্বত শিখৰবিলাক পুনৰ বগা কৰি তুলিব ধৰিলে। প্ৰকৃতিৰ এই পৰিৱৰ্তনৰ লগতে বহুতো পৰিবৰ্তন আহিছিল পেমাইতৰ

জীৱনলৈ।

চৰকাৰে ফটিকা বনোৱা বন্ধ কৰি দিয়াত পেমাইঁতৰ অৱস্থা দিনে দিনে অচল হৈ পৰিছিল। হাতৰ ধনেৰে এমাহ মান জোৰা মাৰিব পাৰিলে যদিও তাৰ পিচত উপায়হীনা হ'ল। তাদিকে সীমান্ত পাৰ হৈ যোৱাৰেপৰা গাঁৱৰ মানুহে পেমাইঁতৰ পৰা আঁতৰি ফুৰিলে। সিহঁতৰ উৱলি যোৱা ঘৰটোলৈ কোনেও নহা হ'ল। আনকি সেই বাটেৰে অহা-যোৱা কৰা মানুহৰ সংখ্যাও কমিল। গাঁওখনৰ এমূৰে থকা সিহঁতৰ ঘৰটো গাঁৱৰ মানুহে খৰি অনা বাটতে পৰে। তিৰোতাসকলে খৰি আনিব গ'লেও কালিকালগা ঘৰ বুলি কেৰাহিকৈ চাবলৈকো এৰিলে।

অচল অৱস্থাৰ সম্মুখীন হৈ পেমাৰ মাকে অৱশেষত গাঁওবাসীৰ সহায় বিচাৰি যাব লগা হ'ল। সদায় নাহক বুলি অৱস্থাপন্ন দুই চাৰিঘৰে এবাৰতে যিমান পাৰিলে দি এফলীয়া হ'ব বিচাৰিলে।

'এতিয়া আলু তুলিবৰ বতৰ। গাঁওবুঢ়াই আলুখেতি ডাঙৰকৈ কৰে। তাতে গৈ আলুতোলা কাম কৰিবিনে?

মাকৰ প্ৰস্তাৱটো পেমাই শুনিলে যদিও কোনো উত্তৰ নিদিলে। তলমূৰকৈ বহি জুইকুৰালৈকে চাই থাকিল। এই ছমাহে তাই ঘৰ এৰি ক'লৈকো যোৱা নাছিল, ঘৰতে সোমাই আছিল। তাই মনলৈ বিৰাগতা আহি পৰাটো মাকেও লক্ষ্য কৰিছিল। কিহৰ এই বিৰাগতা মাকেও নুবুজিলে। বিৰাগতা নে নিৰাশতা বুজিব নোবাৰি একমাত্ৰ জীয়েকক নিংমাই চৰাই পোৱালি আৱৰা দি আবৰি ৰাখিলে।

'মোৰ যাবলৈ মন নাই। তইয়ে যাবি আমা।'

বহুত পলমকৈ উত্তৰ দিলে যদিও কোনো উচ্চাস নাছিল পেমাৰ উত্তৰত।

'তোক অকলে ঘৰত এৰি থৈ মই দিনটো বাহিৰত থাকিব নোৱাৰোঁ। কাম নকৰ নাই বাৰু। আলুখেতিতে বহি থাকিবি।'

'তই দিনটো আলু তুলিবি আৰু মই বহি বহি চাই থাকিম। মই নাযাওঁ তয়ে যাবি

আমা।'

ঘাত-প্ৰতিঘাত জৰ্জৰিত কৰা পেমাই আন উত্তৰ বিচাৰি নাপালে। ৰহন-সনা অতীতটো তাইৰ বাবে নিঃশেষ হৈ গৈছে। কি আছিল সিহঁত আৰু আজি কি হৈ পৰিছে সেই কথা তাই মনৰ পৰা মছি পেলাব বিচাৰিলে। বাপেক উভতি অহাৰ ক্ষীণ' আশাখিনিও শেষ হৈ গৈছে বুলিও ধৰি লৈছে পেমাই।

মাকে ভাবিছে তাদিক গুচি যোৱাৰ পিচৰে পৰা পেমা যেন অধিক উদাসীন হৈ পৰিছে। এই উদাসিনতা বিৰহৰ নে ভৱিষ্যত বিহীন নিৰাশতাৰ সেই কথা মাকে ধৰিব নোৱাৰে।

'এনেদৰে সদায় মন মাৰি থাকিলে কিবা লাভ হব জানো? যি হৈ গ'ল তাৰ বাবে চিন্তা কৰি নেথাকিবি। এইখন আমাৰ দেশ নহয়। এইবিলাক আমাৰ মানুহো নহয়। আমি বি আছিলো ইহঁতে নাজনে। ইহঁতে আমাক দেশ এৰি পলাই অহা মানুহ বুলিহে জানে। সদায় আমি ইয়াতে নাথাকো বুলিও ইহঁতে ভাবে।'

'ইয়াতে নাথাকি আমি যাম ক'লৈ। ক'ত আছে আমাৰ দেশ, আমাৰ মানুহ আমা?'

কথাখিনি কওঁতে পেমাই নাকান্দিলে। আগতে উভতি যোৱাৰ কথা কৈ তাই কান্দিছিল। বাপেক উভতি আহাৰ আশাত সীমান্তলৈ চাই চাই তাই চকুপানী টুকিছিল। কিন্তু তাদিকে মানুহ কাটি পলাই যোৱাৰ পিচৰেপৰা তাইৰ আচৰণত পৰিৱৰ্তন আহিল। নিজৰ ওপৰত যেন তাইৰ ধিক্কাৰ উপজিব ধৰিলে। কিছুমান অৰ্থহীন চিন্তাই পেমাৰ মনটো খেলি-মেলি কৰি পেলালে।

"মই গাঁওবুঢ়াৰ ঘৰলৈ গৈ কথাটো কৈ আহো। তই ঘৰ এৰি কলৈকো নাযাবি পেমা।'

'কলৈনো যাম আমা? আমাৰ ঘৰলৈ মানুহ নহা হ'ল। আহিবলৈ এৰি পেলাইছে। খৰি আনিবলৈ যোৱা তিৰোতাবিলাকেও মুখ ঘুৰাই গুচি যায। আমি সিহঁতৰ কাৰণে পেলনীযা আবৰ্জনা হ'লোঁ। এইখন ঘৰক গাঁৱৰ মানুহে দেওলগা ঘৰ বুলি ভবা হ'ল

আমা।’

‘আনে কি ভাবে ভাবি থাকিব দে। সেইবিলাক কথালৈ মন কৰি নেথাকিবি। মই থকালৈকে তোৰ গাত মাখি এজনীও পৰিব নিদিওঁ।’

কথাখিনি কৈ নিংমা ওলাই গ’ল। পোনে পোনে গাঁওবুঢ়াৰ ঘৰ পালেগৈ। গাঁওবুঢ়া যদিও, বুঢ়া মানুহ নহয়। দুকুৰিৰ দেওনা পাৰ কৰিছে নে নাই বুজিব নোৱাৰি। তিনিজনী ঘৈণীযেক। মাজুজনী লাগী। বাকী দুজনী হাতধৰা তিৰোতাৰ নিচিনা। থাকে একেটা দীঘল ঘৰতে। তিনিওজনীৰ কোঠা বেলেগ বেলেগ। সিজাযো বেলেগে। লাগীজনীৰ পাগতে গাঁওবুঢ়াই খায। বাকী দুজনীযে মাছ-মঙহ কিবা সিজালে এচকল তাৰে আনি দিযে।

গাঁওবুঢ়া উদাৰ মনৰ মানুহ। পুৰণি সমাজত উপজিও সংস্কাৰ বিমুখী নহয। ধনে-সম্পদে লেখত লবলগীযা মানুহ দেখি চৰকাৰে সদৰলৈ মাতি নি গাঁওবুঢ়া পাতিছে। পদবীৰ চিনস্বৰূপে ৰঙা উণী কম্বল এখনো দিছে। গাঁওবুঢ়াসকলৰ ক্ষমতা সম্পৰ্কে চৰকাৰে কোনো নিৰ্দেশনা জাৰি কৰা নাই যদিও গ্ৰাম্য জীৱনত এওঁলোকৰ প্ৰভাৱ অসীম। সীমান্ত অঞ্চলত এই গাঁওবুঢ়াসকলৰ প্ৰযোজন সৰ্বাধিক বুলি বিবেচনা কৰা হয।

সীমান্তৰ সিপাৰে ক্ষমতা কেন্দ্ৰীভূত হৈছে ৰাষ্ট্ৰৰ হাতত। সকলো নিৰ্দেশনা আহে ওপৰৰপৰা। সমাজ ব্যৱস্থাত ব্যক্তিবাদক কোনো স্থান দিযা হোৱা নাই। সামাজিকৰণৰ নামত নিৰ্মূল কৰি পেলোৱা হৈছে মানুহৰ আশা আকাঙক্ষা আৰু জ্ঞান-গৰিমাক। আনহাতে সীমান্তৰ এই পাৰে ব্যক্তিক দিযা হৈছে সৰ্বোত্তম সুযোগ। দিযা হৈছে জীৱন বিকাশৰ সম্পূৰ্ণ অধিকাৰ। ৰাষ্ট্ৰীয ক্ষমতাকো বিকেন্দ্ৰীয কৰি কৰি গ্ৰাম্য স্তৰলৈকে ভগাই দিযা হৈছে। গাঁওবুঢ়াজনেই এই বিকেন্দ্ৰীকৰণৰ ক্ষুদ্ৰতম অংগ হৈ পৰিছে সীমান্তৰ ইপাৰে।

মেকমেহন সীমাৰেখা জুৰি চলিছে এই ৰাজনৈতিক প্ৰতিযোগিতা। কোনটো ভাল

কোনটো বেযা এই লৈ চলিছে মতবাদৰ তুমুল সংঘাত। এই সংঘাত ক'ত শেষ হ'ব ৰাষ্ট্ৰ দুখনে নাজানে। জানে দুযো দেশৰ মানুহে। গণতন্ত্ৰ এৰি তাদিক গুচি গৈছে সমাজবাদী তিব্বতলৈ জীয়াই থকাৰ নিশ্চযতা বিচাৰি। আৰু সেই তিব্বত দেশৰ পৰাই চাংগে গুচি আহিছে গণতন্ত্ৰ ভাৰতলৈ মুক্ত জীৱনৰ সোৱাদ বিচাৰি।

"কামটো তুমি কৰিব বিচাৰিছা যেতিয়া কৰিব পাৰা। মোৰ কোনো আপত্তি নাই। কিন্তু তোমালোকৰ অতীত পৰিচযৰ তুলনাত এই কাম সিমান সন্মানজনক নহব বুলিহে মই ভাবিছোঁ।"

গাঁওবুঢ়াৰ মন্তব্যই নিংমাক নিৰুৎসাহ কৰিব নোৱাৰিলে।

'সেইবিলাক কথা আমি পাহৰি পেলাইছোঁ। নিজৰ গাঁৱলৈ যাব পৰা নোহোৱালৈকে আমি ইযাতেই থাকিব লাগিব। চৰকাৰী সাহায্যও বন্ধ হৈছে। গাঁৱৰ মানুহকো সদায আমনি কৰিব বেযা লাগে। গতিকে কাম কৰিযেই খাব লাগিব?

'আলুতোলা কামটো সিমান কষ্টকৰ নহলেও তোমাৰ বাবে কষ্টকৰ হব কিজানি নিংমা।

'সেই কথালৈ তুমি চিন্তা নকৰিবা। এদিন এই দুখন হাতৰ দহটা আঙুলিৰে সাতজনী গাই খিৰাইছিলোঁ। গাখীৰ মথি ক্ৰীম মাখনো উলিযাইছিলো নিজৰ ঘৰতে। জানৰ পৰা পিঠিৰে কঢিযাই পানীও আনিছিলো। পোন্ধৰজনকৈ মানুহে দুযো সাজে খাইছিল। সিজাই দিছিলো মযেই।'

গাঁওবুঢ়াৰ নাম টাচা। আগৰ পৰাই ককাই বুলি নিংমাই সম্বোধন কৰি আহিছে। নিজৰ এৰি অহা জীৱনৰ যি অলপ বৰ্ণনা নিংমাই দাঙি ধৰিলে সেইখিনিযেই টাচা গাঁওবুঢ়াক লাজতে পেলালে। নিংমাইঁতৰ তুলনাত টাচা ৰ একোৱে নাই যেন লাগিল।'

'তোমাক মই হকাবাধা নকৰো বাৰু। তোমাৰ যেতিযাই মন যায আহি আলু তুলিবা। যি লাগে ঘৰলৈ লৈ যাবা কাকো সুধিব নেলাগে।'

'মই যাওঁ তেনেহলে। কাইলৈৰপৰা কামলৈ আহিম।' নিংমা যাবলৈ ওলাল।

'তুমি অকলে আহিবা নে ছোৱালীজনও আহিব?' টাচা গাঁওবুঢ়াৰ প্ৰশ্নত বহুতো "কিন্তু" সোমাই আছিল।

'তাই নাহে। আহিব বিচৰা নাই। মযে অকলে আহিম।'

'ঠিকেই আছে। অচিন ঠাই যেতিযা তাই কাম কৰিবলৈ লাজো কৰিব পাৰে। তুমিযেই কৰিবা বাৰু।' পেমাক কেন্দ্ৰ কৰিযেই ইমান ঘটনা ঘটি গ'ল। এতিযাও মানুহৰ মুখত নানা কথা গাঁওবুঢ়াৰ খেতিত পেমাই কাম কৰিলে গাঁৱৰ মানুহে বা কি ভাবি লয সেই কথাতো গাঁওবুঢ়াৰ সন্দেহ উপজে। তাতে গাঁওবুঢ়াৰ ডাঙৰটো পুতেকৰ ছোৱালী অনাৰ বযস হৈছে। সদৰৰ স্কুলত পঢ়ি আন ল'ৰাতকৈ জনা-বুজাও হৈছে।

'ভাগ্যত তালেই লিখা আছিল তাইৰ। ছে জন্মিবৰ সমযত বাপেকে মঠৰপৰা ডাঙৰ লামা আনি গণনা কৰাইছিল। সকলো ভালেই দেখিছিল বুলি লামাই কৈছিল। অকল বেযা সমযত উপজিল বুলি কোৱাত আমি সিদিনা একো ভবা নাছিলো। এতিযাহে বুজিলো বেযা সমযটো অকল তাইৰ বাবেই অহা নাই। সকলোৰেই বাবে আহিছে। কথাখিনি কৈ নিংমাই বহাৰপৰা উঠিবলৈ লওতে গাঁওবুঢ়াই 'অলপ বহা ' বুলি কৈ ভিতৰলৈ সোমাল। কিছুসমযৰ পিচত গাঁওবুঢ়াৰ লাগীজনী ওলাই আহিল। খৰাহী এটাত আলু আনি নিংমাক দিলে।

'কাম কৰিবা বুলি দিযা নাই দেই। গাঁওবুঢ়াৰ মাজুজনী বৰ ৰচকী। সাজি-কাচি চিকুণ হৈ থাকে। গঢ়ে-গঠনে গাভৰু যেন লাগিলেও গাঁওবুঢ়াৰ নটা ল'ৰা-ছোৱালীৰ চাৰিটা তাইৰ ভাগৰে।

'মন গলেই আহিবা। তোমালোকৰ দেশৰ কথা শুনিবলৈ মন যায। বৰ চহকী দেশ বুলি শুনিছোঁ। দুখ বুলিবলৈ একো নাই হেনো। পূজা-পাতল, নাচ-গানতেই হেনো বছৰটো পাৰ হৈ যায়।' কথাখিনি কৈ তাই হাঁহিব ধৰে।

'এদিন এইবিলাক কথা সঁচা আছিল। এতিয়া নাই। সকলো শেষ হৈ গৈছে। হানে দেশ উজাৰি পেলাইছে। মানুহক সিহঁতে মানুহ কৰি ৰখা নাই।'

পিচদিনাৰ পৰা নিংমাই কামত ধৰিলে। অকল তাযেই নহয় গাঁওবুঢ়াৰ এলাগী দুজনীযেও লগতে আলু তুলিলে। দুপৰীযাৰ জলপান মাজুজনীযেই আনি দিলে। দ্বিতীয় দিনা পেমাও আহিল আলু তোলা চাবলৈ।

'গুচি আহিলি যে?' কাষতে আহি থিয় দিষা পেমাক দেখি মাক অলপ আচৰিতেই হ'ল।

'এনেযে আহিলো। অকলে অকলে আমনি লাগিল।

'ভাল কৰিলি। অকলশৰীযাকে এৰি থৈ আহি মোৰো ভাল নালাগে।'

খাদি উলিওৱা আলুবিলাক পেমাই খাঙত ভৰাই দিব ধৰে। মাকে আপত্তি নকৰে। কিবা এটা কৰি থাকিলে কিজানি মনটো সলনি হয় বুলি নিংমাই ভালেই পালে।

এইজনীযেই তোমাৰ ছোৱালী নেকি? প্ৰশ্নটো কৰিলে গাঁওবুঢ়াৰ প্ৰথম গৰাকী ঘৈণীযেকে। বযসত গাঁওবুঢাতকৈ অলপ ডাঙৰ হলেও সৰু নহয। এই গৰাকীৰেই প্ৰথম সন্তানটো গাঁওবুঢাৰ ডাঙৰ ল'ৰা।

প্ৰশ্নটো কৰিযেই বুঢীযে ঘোপাকৈ পেমাৰ পিনে চাই থাকিল।

'হয। প্ৰশ্নটো সাধাৰণ যদিও প্ৰশ্ন কৰাৰ ধৰণটো হ'লে নিংমাই ভাল নাপালে।

'অ এইৰ বাবেই তাদিকে মানুহ কাটি দেশান্তৰী হ'ল নহযনে?

বুঢীৰ মন্তব্য শুনি পেলাই উচাট মাৰি ঠিয দি উঠিল।

'আমা ঘৰলৈ বল। মানুহৰ মুখত কথাৰ লাগ-বান্ধ নাই ইযাত।' তাইৰ খং নুঠিল। অনুশোচনাই পেমাৰ মন প্ৰাণ দহিপেলালে।

'তুমি এনেদৰে ক'ব নালাগিছিল। ভালদৰে নাজানি নুশুনি আনে দুখ পোৱা কথা ক'ব নালাগে নহয নিংমাই আৰু কথা নবঢালে। সিঁচৰীত হৈ থকা আলুবিলাক বুটলি খাংটোত ভৰাব ধৰিলে।

'মই যাওঁ আমা তই আহি থাকিবি' বুলি কৈ তাই লাহে লাহে গাঁওখনলৈ উঠি যাব ধৰিলে। ধানখেতিৰ পথাৰখন সীমান্তৰ বাটত পৰে, সোৱণশিৰিৰ দাঁতিত। মূলখেতি

গাঁৱৰ মানুহে তাতেই কৰে কিন্তু আলু, কচু, শাক-পাচলি কৰে গাঁৱৰ গাতে লাগি থকা ঝুম খেতিডৰাতে। বছৰে বছৰে বৰষুণে ওপৰৰ মাটি ধুই লৈ যায় কাৰণে জুম খেতিৰ প্ৰাকৃতিক উৰ্বৰতা কেতিয়াবাতে শেষ হৈ গৈছে। আন মাটি নাই কাৰণে গাঁৱৰ মানুহে ইয়াতে সাৰ-জাবৰ দি খেতি কৰে। এঢলিয়া পথটোত উঠি যাওঁতে ডাঙৰ কৈঁকুৰি এটা পৰে। কৈঁকুৰিটোৰ পৰা গাঁওখন নেদেখি। কেইজোপামান বুঢ়া পাইনগছ থিয় দি আছে কৈঁকুৰীটোৰ মাজতে। বতাহ লাগি পাইনৰ চিৰিলা-চিৰলি পাতৰ পৰা উৎপন্ন হৈছে এটা সোঁ-সোঁৱনি শব্দ। ঠাইখিনি পাই পেমাৰ খন্তেক জিৰণি লবলৈ হেঁপাহ হ'ল। অলপ থিয় দি জিৰাওতেই গাঁওবুঢ়াৰ ডাঙৰ পুতেক তাবিন আহি সেইখিনি পালেহি।

'অ' পেমা দেখোন? খেতিৰপৰা আহিলা নেকি?' গাঁওবুঢ়াৰ পুতেক তাবিনে বৰ আপোন হব বিচাৰিলে পেমাৰ ওচৰত।

"খেতিৰপৰাই আহিলোঁ।' পেমাৰ উত্তৰত কোনো উৎসাহ নাই।

'বৰ সোনকালে আহিলা যে? আজি মযেই দুপৰীযাৰ জলপান লৈ আনিছোঁ ভাবিলোঁ তোমাক খেতিত লগ পাই কথাটো কম। তাবিনৰ কথাত কোনো প্ৰতিক্ৰিয়া নহ'ল পেমাৰ মনত।

'কথাটো কওনে?' তাবিনে সুধিলে।

তোমাৰ কথা তুমি ক'বা, মোকনো সুধিব লাগিছে কিয? তাই অলপ বিৰক্ত হ'ল।

'মানে, আন কথা একো নহয। মই দুই এদিনতে সদৰলৈ যাম। মানে তোমাৰ বাবে কিবা আনিব লাগিব নেকি তাকে সুধিম বুলি ভাবিছিলোঁ।'

'মোৰ বাবে একোকে আনিব নালাগে' বুলি কৈ তাই যাব ওলালে।

'যোৱাগৈযে নেকি?'

পেমাই একো উত্তৰ নিদি গাঁৱলৈ বুলি উঠি যাব ধৰিলে। পেমাৰপৰা কোনো সঁহাৰি নাপাই তাবিনে ভেবা লাগি চাই থাকিল।

আবেলি পৰত মাক আহি ঘৰ পাওঁতে পেমাই ঘৰটোৰ দুৱাৰ দলিতে বহি একে

থৰে সীমান্তলৈ চাই আছিল।

'গাঁওবুঢ়াৰ পুতেকটো ভাল ল'ৰা নহয় আমা।'

অভিযোগৰ সুৰতেই পেমাই কথাটো কৈ পেলালে।

'কি কথা কচোন মোক।' নিংমা অলপ চিন্তিত হ'ল।

'আজি উভতি আহোতে বাটতে তাৰ সতে ভেটা-ভেটি হৈছিল। সি বোলে সদৰলৈ যাব। মোক কিবা লাগিলে আনি দিব বুলি কৈছিল। মই একো নালাগে বুলি কৈ গুচি আহিলোঁ।'

'ভাল কৰিছ।

দুৰ্দশাগ্ৰস্ত পেমাইঁতৰ বাবে অপযশ অপমান যেন এতিয়া সাধাৰণ কথাৰ দৰে হৈ পৰিব ধৰিলে। গাৰ কাপোৰ-কানিও ফাটিল। আলু-কচু খাই জীয়াই থাকে। ঘৰটোও ঠায়ে ঠায়ে উৰুখিলে। তাকো সহিলে নিংমাইঁতে। কিন্তু এনে অপ্ৰযোজনীয় প্ৰস্তাব দিলে কিয় গাঁওবুঢ়াৰ পুতেকে বুলি ভাবি নিংমাৰো খং উঠিল।

'মই এতিয়াই গৈ গাঁওবুঢ়াক কথাটো জনাই দি আহিম পেমা।

'নালাগে আমা। আৰু অশান্তি বঢ়াই তুলিব নালাগে। পাৰিলে আমি ইযাৰ- পৰা গুচি যাওঁ ব'ল। আমাৰ মানুহবোৰ যলৈকে গৈছে তলৈকে যোৱাই ভাল।'

কোনোবাই নিলেহে যাব পাৰিম।

'গাঁওবুঢ়াক কথাটো কৈ নাচাৱ কিয আমা? হতাশাই মাক-জীযেক দুয়োকে নতুন চিন্তা কৰিবলৈ বাধ্য কৰি তোলে। তিব্বতলৈ উভতি যোৱাৰ আশা লাহে লাহে এৰি পেলাব ধৰে। নৰবুৰ স্মৃতিও ম্লান হৈ পৰিব খোজে।

(১৫)

দীঘল কনভযটো দুপৰীযাৰ পৰা নামি পৰীক্ষা চকীতে অপেক্ষা কৰি আছিল। ত্ৰিশখন সামৰিক আৰু অসামৰিক যানেৰে গঠিত এই দীঘল কনভযটো গধূলিলৈকে আগবাঢ়ি যোৱাৰ অনুমতি নাপালে। আগে পিছে আছিল চাৰিখনকৈ সামৰিক যান।

প্ৰতিখন যানত আছিল কুৰিজনকৈ চীনা গণ-মুক্তি ফৌজৰ সশস্ত্ৰ সৈনিক। আচ্ছাদন-বিহীন প্ৰতিখন যানত সাজু কৰি ৰখা হৈছিল একোটাকৈ মিডিয়াম মেচিন গান। ভাৰী ওজনৰ মৰ্টাৰেৰে সজ্জিত আছিল তাৰে দুখন যান। সামৰিক যান কেইখন শক্তিশালী ৰক্ষণাবেক্ষণত গৈছিল। বাকী বাইছখন অসামৰিক যান। তাৰে দহখনত আছিল মূল্যবান কাঠৰ কুণ্ডা। দুখনত আছিল কয়দী মানুহ। কিমান কয়দী গৈছিল কোনেও নাজানে। ট্ৰিপাল দি ঢাকি নিয়া হৈছিল সেই মানুহখিনিক। তাৰে পিচৰ দুখনত আছিল অসামৰিক কৰ্মীৰ দল। বাকী আঠখনত আছিল গাহৰি, কুকুৰা আৰু বাৰ্লি আদিকৰি বিভিন্ন খাদ্য সামগ্ৰী।

অসামৰিক যান এখনতে বহি গৈছিল তাদিক। তাৰ লগতে বহি আছিল আৰু দহজন আন মানুহ। পোছাকে-পাতিযে সিহঁতকো কৰ্মী যেন লাগিল তাদিকৰ। সেই দহজনৰে মাজতে আছিল ওজন এঠৰ বছৰীয়া তিব্বতীয় ল'ৰা। ল'ৰাজনৰ ওপৰত ব্যৰে বাৰে তাদিকৰ চকু পৰিছিল। তিব্বতীয় 'চুবা" পিন্ধা ল'ৰাটোলৈ তাদিকৰ কিবা সহানুভূতি উপজিল। চেমনীযাটো কোন আৰু ক'লৈ যাব তাৰ সুধিবৰ মন গ'ল। কিন্তু সুধিবলৈ সাহস নকৰিলে তাদিকে। সুধিলে বা কি জগৰ লাগে বুলি 'ভাবি সি মনে মনে থাকিল।

বিনিথাঙৰপৰা দহ কিং মিং খোজকাঢি তাদিকহঁত আহিছিল চিমিদো বোলা ঠাইখনলৈ। মটৰ আলিটো চিমিদোৰ পৰা আৰম্ভ হৈছে। এশ কিংমিং মান গৈ এই উপপথটো মিলিছে চেংডু-লাচা ঘাই পথৰ লগত। চিমিদো বৰ ব্যস্ত ঠাই। ইযাৰ পৰাই পূবে-পশ্চিমে আৰু দুটা উপপথ গৈছে সীমান্তৰ আন দিশলৈ। চিমিদোৰ সৈনিক শিবিৰটো বৰ ডাঙৰ। দহ হাজাৰমান সৈনিক থাকে। ওচৰৰ গাঁওখনো সৰু নহয়।

বিনিথাঙৰপৰা আৰু বাৰজন মানুহ আহিছিল তাদিকৰ লগত। গাহৰি, কুকুৰাও আনিছিল ঘোঁৰাত তুলি। পিচদিনা উভতি গৈছিল বিনিথাঙলৈ। তাদিক থাকি গৈছিল চিমিদোৰ সৈনিক শিবিৰতে। এই চিমিদোৰ পৰাই আৰম্ভ হৈছিল বাৰখন গাড়ীৰ

কনভয়টো। বাটত ঠায়ে ঠায়ে ৰৈছিল। তাতো আছিল সৈনিক শিবিৰ আৰু গাঁও। ঠায়ে ঠায়ে আহি যোগ দিছিল আৰু বিভিন্ন যান। পঞ্চাছ কিঃ মিঃ দূৰত্ব অতিক্ৰম কৰি যাওঁতে দুপৰীয়া হৈছিল। একে বহাই তাদিকহঁত পামি পাইছিল। বাটত নামিবলৈ অনুমতি কোনেও পোৱা নাছিল। চেমনীয়াটোৱে চিমিদোৰ পিচৰ চকীতে আহি গাড়ীত বহিছিল।

'সকলো মানুহ গাড়ীৰপৰা নামিব লাগে" বুলি এজন সৈনিক আহি হুকুম শুনালে। বাৰ ঘন্টা গাড়ীৰ ভিতৰত বহি বহি তাদিকহঁতৰ আমনি লাগিছিল। হুকুমৰ লাগে লগে গাড়ীৰপৰা জঁপিযাই জঁপিযাই নামি মানুহবিলাকে মাটিতে থিয় দিলে। হাত-ভৰি জোকাৰি এঙামুৰি মাৰি মানুহবিলাকে যেন অবশ দেহবিলাক সবল কৰি তুলিব বিচাৰিলে। ল'ৰাজনেও এঙামুৰি মাৰি তাদিকলৈ চাই হাঁহি দিলে। কোনো অৰ্থপূৰ্ণ হাঁহি নহয়, বিৰক্তি অৱসানৰ আনন্দত সেই হাঁহি নিজে ফুটি ওলাল।

হাতৰ ঘড়ীটোলৈ চাই তাদিকক শুনাকৈয়ে ক'লে—

'বাৰঘন্টা বহিলো। আমনি লাগিল নহযনে?'

ল'ৰাজনৰ কথা শুনি তাদিকেও হাঁহিলে। বাৰ ঘন্টা পিচত কথা কোৱাৰ লগ পাই তাদিকৰো ভাল লাগিল।

'ক'লৈ যাবা?' তাদিকে চিনাকি হোৱাৰ আগ্ৰহ দমাই ৰাখিব নোৱাৰিলে।

'লাচালৈ বুলি কৈছে। তাৰ বেছি নাজানো দেই ল'ৰাজনৰ ধেমেলীয়া উত্তৰ শুনি তাদিকৰো ভাল লাগিল।

'কিবা কামত নে?' কোনোবাই শুনে বুলি খৰধৰকৈ চুটি প্ৰশ্ন কৰিলে তাদিকে।

'দেশ চাবলৈ।' তাৰো সংক্ষেপ উত্তৰ।

'হয নেকি?' তাদিক আচৰিত যিমান হ'ল তাতকৈ বেছি আনন্দিত হ'ল উত্তৰটো শুনি।

'আচৰিত হ'লা নেকি?'

'নাই হোৱা। ভালহে লাগিছে। মইও ভ্ৰমণলৈকে ওলাইছোঁ। লাচালৈ ঠাই চাবলৈ

যাম।'

এযা চাংগে পলাই যোবাৰ তিনিমাহৰ পিচৰ কথা। তাদিকে তেতিযা কুকুৰা পামৰ গ্ৰুপ লিডাৰৰ দায়িত্ব লৈছে। ইতিমধ্যে এমহীয়া সামৰিক প্ৰশিক্ষণো হৈ গৈছে। সেই প্ৰশিক্ষণত তাক অকল ৰাইফল পিস্তল মাৰিবলৈহে শিকোৱা হৈছিল। প্ৰশিক্ষণৰ পিছত সি কঁকালত পিস্তল বান্ধি লৈ ফুৰাৰ আদেশো পাইছিল। পিস্তল পোৱাটো মৰ্য্যদা আৰু কৰ্তৃত্বৰ পৰিচায়ক।

পিস্তল কঁকালত বান্ধি কুকুৰা পামৰ কাম চাই ফুৰোতে এদিন লি-পেং আহি ওলাল।

'কমৰেড লি-পেঙলৈ মোৰ বিপ্লৱী অভিনন্দন জনালোঁ।'

'মোৰো অভিনন্দন জনালো কমৰেড তাদিক।' লি-পেঙৰ মুখত সেই চিৰ পৰিচিত আধা ফুটা হাঁহিটো তেতিযাও দেখিলে তাদিকেলি -পেঙৰ দায়িত্ব কি সেই কথা তাদিকে আজি ন মাহেও বুজি উঠিব নোৱাৰিলে। মানুজনৰ চাল-চলন অকল অস্বা- ভাৱিকেই নহয় ৰহস্যজনকো বুলি তাদিকে ভাবিলে। হাঁহি ভৰা মুখৰ এই সন্দেহবাদী মানুহজনক লগ পালেই তাদিক সন্তম হবলৈ বাধ্য হয। স্বজাতিৰ হলেও হানৰ ওচৰত বিক্ৰী যোৱা মানুহ বুলি তাদিকেও সচেতন হৈ থাকে।

'কিবা নতুন নিৰ্দেশ আছে নেকি কমৰেড?

'কমৰেড কমিচাৰে তোমাক লগ পাব বিচাৰিছে। কামৰ অন্তত দেখা কৰিব কৈছে।

'এইটো মোৰ সৌভাগ্য হব কম্ৰেড পে্‌। কুকুৰা পামৰ সমস্যা দুটামান ক'বলৈকো সুযোগ পাম।'

তাদিকে আনুগত্যৰ কৃত্ৰিম অভিনয় নিৰ্ভুল-ভাৱেই কৰি যাব ধৰে। সাম্যবাদী প্ৰশাসনৰ অধীনত আন্তৰিকতাপূৰ্ণ শ্ৰমতকৈ অন্ধ আনুগত্যই প্ৰথম প্ৰযোজন বুলি তাদিকে বুজি উঠিছে। হান সাম্যবাদীযে কামৰ মানদণ্ড নিবিচাৰে, বিচাৰে লক্ষ্য প্ৰাপ্তি। সফলতাৰ প্ৰচাৰতকৈ প্ৰচাৰৰ সফলতাৰ গুৰুত্ব অধিক বুলি তাদিকেও শিকিছে। বিনিথাং সমূহীযা কুকুৰা পামত প্ৰতিদিনে হাজাৰ কণী উৎপাদন হৈছে বুলি অহৰহ প্ৰচাৰ চলে। গণিলে

হয়তো ছশাও নোলাব। সেই পামৰ কৰ্মীৰ খাদ্যতালিকাত প্ৰতিদিনে একোটাকৈ কণীৰ উল্লেখ আছে যদিও মাহত চাৰিটাকৈ কণীযেই সৰ্বাধিক বুলি প্ৰতিজন কৰ্মীযে জানে। তালিকা অনুযায়ী খাদ্য দাবী কৰাৰ অধিকাৰ কাৰো নাই। এই কথালৈ আলোচনা কৰোতাক থামজিঙৰ সভাত নি থিয় কৰোৱা হয়। লোভী, লাভখোৰ আৰু মধ্যভোগী বুলি মুকলি সমালোচনা মুৰ পাতি লব লাগে।

'কেনে লাগিছে কুকুৰা পামৰ দাযিত্ব কমৰেড তাদিক?'

'কৰ্মৰ কোনো তাৰতম্য মই দেখা নাই কমৰেড। নিজৰ নিজৰ কামৰ মাজেৰে প্ৰতিজন মানুহে বিপ্লৱৰ গতিকো আগুৱাই নিব পাৰে নহয়নে কমৰেড পেং? জেট্ বিমান এখনৰ সৈনিকজনৰ দাযিত যিমান, কুকুৰাজনীক সময়ত খাদ্য দিয়া কৰ্মীজনৰো ৰাষ্ট্ৰীয় দাগিত্ব একেই সমান বুলিযেই মই অনুভৱ কৰিবলৈ শিকিছোঁ কমৰেড।' তাদিকৰ লিখা-পঢ়া নাছিল। এতিয়া নিৰক্ষৰৰ বাধ্যতামূলক পঢ়াশালীত সিও গৈ নিশা পঢ়ে। সমগ্ৰ দিনৰ পৰিশ্ৰমে চকুৰ পতা টানি নিব খুজিলেও মুৰ জোকাৰি সি সজাগ হৈ থাকে। ছয়মাহে ছয়মাহে পৰীক্ষা দিব লাগে। অকৃতকাৰ্য্য হোৱাটোকো অপৰাধ বুলি ধৰি লোৱা হয়।

এই ন মাহে তাদিকে লিখা-পঢ়া যিমান শিকিলে তাতকৈ দুগুণ মুখস্থ কৰিলে সাম্যবাদী সংলাপ। কথাই কথাই সাম্যবাদী সংলাপ উচ্চাৰণ কৰি তাদিক এতিয়া হৈ পৰিছে এজন নিষ্ঠাবান কৰ্মী, এজন স্বয়ংসম্পূৰ্ণ বিপ্লৱী।

এতিয়া মই যাওঁ বাৰু। আবেলি শিবিৰতে মোক লগ পাবা। তোমাৰ কাৰণে মই অপেক্ষা কৰি থাকিম।

(১৬)

নানান সাম্ভাব্যৰ কথা চিন্তা কৰি কৰি আবেলি পৰত তাদিক হৈ থিয় দিছিল পলিটিকেল কমিচাৰৰ সম্মুখত।

'তোমাক দেশ ভ্ৰমণলৈ পঠোৱাৰ কথা কৈছিলো মনত আছেনে?'

'নিশ্চয মনত আছে কমৰেড কমিচাৰ। সেই সৌভাগ্যৰ বাবে মই অপেক্ষা কৰি আছোঁ।'

'পৰহিৰ পৰা তুমি তিনিমাহৰ বাবে দেশভ্ৰমণলৈ যাবা। 'চিংত্ৰোৰ" অধীনত তিব্বত দেশলৈ যি চিৰযুগমীয়া পৰিৱৰ্তন আহিছে, সেই দৃশ্য তুমি নিজৰ চকুৰে চাই আহিবা।'

'মই কৃতজ্ঞ কমৰেড কমিচাৰ। এই মহান প্ৰগতিৰ কথা মই শুনিছোঁ। নিজে দেখাহে নাই। এতিযা দেখিম। দেখি আহি মই এজন পৰিপক্ক বিপ্লৱী হৈ উঠিব পাৰিম বুলি মোৰ বিশ্বাস উপজিছে কমৰেড।'

'নিজে নিষ্ঠাবান বিপ্লৱী হৈ উঠাৰ লগতে আনকো বিপ্লৱৰ আদৰ্শৰে মুগ্ধ কৰি তুলিব পৰাটোহে প্ৰকৃত বিপ্লৱীৰ চৰিত্ৰ বুলি বিবেচনা কৰা হয তাদিক। তুমি অকলে এজন বিপ্লৱী হৈ পৰাটো ডাঙৰ সফলতা নহয। তোমাৰ স্বজাতিৰ প্ৰৱঞ্চিত আৰু দলিত জনগণৰ মাজত মুক্তিৰ বাণী প্ৰচাৰ কৰাৰ ওপৰতেই তোমাৰ ভৱিষ্যতৰ সফলতা নিৰ্ভৰ কৰিব কমৰেড তাদিক।

পলিটিকেল কমিচাৰৰ কথা শুনি তাদিকে মুহূৰ্তৰ কাৰণে থতমত খাই উঠে। এই দেশততো তাৰ স্বজাতিৰ লোক বুলিবলৈ লি-পেঙকহে লগ পাইছোঁ স্ব-জাতিৰ মানুহ সীমান্তৰ সিপাৰেহে থাকে।

পলিটিকেল কমিচাৰে কোৱা কথাকিটাৰ ভিতৰুৱা অৰ্থ বুজি পাবলৈ তাদিকৰ বেছি সময নালাগিল।

'আনক জগাই তুলিবলৈ হ'লে প্ৰথমে মই নিজে সাৰ পাই উঠিব লাগিব। দেশখনৰ প্ৰগতি চাই আহিব পাৰিলেহে মোৰ টোপনি ভাঙিব কমৰেড় কমিচাৰ।'

'তোমাৰ মাজত বিপ্লৱী সচেতনা গঢ লৈ উঠা দেখি ভাল লাগিছে তাদিক। তুমি যে এদিন গ্ৰুপ লিডাৰতকৈও ডাঙৰ দাযিত্ব লব পাৰিবা সেই দিশত মোৰ বিশ্বাস উপজিছে। এতিয়া যোৱা বাৰু। পৰহিলৈ যাত্ৰা আৰম্ভ হব। নিজকে সাজু কৰাগৈ। বাকী কথা কমৰেড লি-পেঙে তোমাক বুজাই দিব।

দুদিন পিচতেই তাদিক ওলাইছিল তিব্বত দেশৰ প্ৰগতি চাবলৈ।

(১৭)

'আজি এই শিবিৰতে নিশা কটাব লাগিব এযে আদেশ। সকলোৱে মোক অনুসৰণ কৰা'' বুলি সশস্ত্ৰ সৈনিকজন আগে আগে গ'ল। তাদিকইঁতে অনুসৰণ কৰিলে। এনেদৰেই আৰম্ভ হ'ল তাদিকৰ তিনিমহীয়া দেশ ভ্ৰমণৰ কাৰ্য্যসূচী।

'কিবা এটা গণ্ডগোল হৈছে নিশ্চয।' ফুচফুচাই কোৱা কথাকিটা কাণত পৰাৰ লগে লগে তাদিকে উভতি চালে? পিচে পিচে আহি আছিল ল'ৰাজন।

'কি গণ্ডগোল? তাদিকেও ফুচফুচাই সুধিলে।

'পিচত কম। এতিযা মনে মনে গৈ থাকা।' ল'ৰাজনৰ আচৰণত তাদিকৰ বিস্ময উপজিল। অকলশৰীযা ল ৰা যদিও অভিজ্ঞতা পুষ্ঠ যেন অনুমান হ'ল। তাৰ নিচিনা চেমনীযা এজনক হানে দেশভ্ৰমণলৈ বাচনি কৰিছে যেতিয়া এলা-পেচা ল'ৰা নহব বুলি তাদিকে ভাবিলে।

তোমাৰ নামটো ক'বানে? নামটোকে প্ৰথমে জানিবলৈ মন গ'ল তাদিকৰ।

'সৈনিকজনে উভতি চাইছে দেখা নাই নেকি? মনে মনে গৈ থাকা এতিযা।'

'কোনে কথা কৈছে?' পিচলৈ উভতি চাই খঙাল সুৰত প্ৰশ্ন কৰিলে সৈনিকজনে।

'ঠাইখিনি বৰ ধুনীযা তাকে কৈছিলো কমৰেড। ট পৰাই উত্তৰ দিলে ল'ৰাজনে। ল'ৰাজনৰ উপস্থিত বুদ্ধিত তাদিক অবাক হৈ পৰিল।

'এই সকলো পৰিৱৰ্তন বিপ্লৱৰেই অৱদান। পাঁচ বছৰ আগতে এইখিনিতে এখন গাঁও আছিল। গাঁও নহয যেন ভূ তৰ বাহহে আছিল। কুকুৰে মানুহে একেলগে খাইছিল, শুইছিল। এতিযা সকলো সলনি কৰি পেলোৱা হৈছে। তোমাৰ নামটোনো কি হান সৈনিকজনে সুধিলে।

'লেন্‌ডু প।' নামটো জানিব পাই তাদিকৰো ভাল লাগিল। তিব্বতীয় ল'ৰা বুলি নিচি ন্ত হ'ল। তিব্বতীয ল'ৰা যেতিয়া মনৰ ক্ষোভ অলপমান হলেও থাকিব লাগিব

বুলি তাদিকৰ আশংকা আঁতৰিল। ফুচফুচাই কোৱা কথা কেইটাৰ পৰা তাৰ হান অনুগত্য যে বৰ সবল নহয় তাকো তাদিকে অনুমান কৰি ল'লে।

তাদিকহঁতৰ বাৰজনীয়া ভ্ৰমণকাৰী দলটোক সৈনিক শিবিৰৰ এটা আচুতীয়া ঘৰতে ৰখা হ'ল। কমভযটোত অহা বাকী মানুহখিনি ক'ত থাকিলে তাদিকে জানিবলৈ ইচ্ছা নকৰিলে। বাৰজনীয়া দলটোৰ এজনৰ বাদে বাকী এঘাৰজনেই তিব্বতীয় মূলৰ মানুহ। বাৰ নম্বৰজনৰ বিষযে তাদিকে একো কথা অনুমান কৰিব নোৱাৰিলে। তলমূৰকৈ বহি অহা মানুজনৰ প্ৰতি তাদিকৰ অলপ সহানুভূতিও উপজিল। বযসত বুঢ়া নহ'লেও অভাৱ অনাটন বা অত্যাধিক পৰিশ্ৰম অথবা মানসিক নিৰ্য্যাটনত যেন মানুহজন ভাঙি পৰিছে এনে লাগিল তাদিকৰ। গাড়ীৰ ভিতৰত বহি আহোতে মানুহজনে তাদিকলৈ দুই এবাৰ চকু তুলি চাইছিল। কোটৰ গত নিষ্প্ৰভ চকু দুটাই যেন মনৰ কিবা বেদনা বুজাব বিচাৰিছিল। কথা ক'বলৈ সাহস হেৰুৱাই পেলোৱা মানুহজনৰ কাহিনী জানিবলৈ তাদিকে মনতে ভাবি থ'লে।

গধূলিৰ আহাৰ সমাপ্ত কৰি তাদিকহঁতে কোনো বিশিষ্ট ব্যক্তিৰ আগমনৰ বাবে অপেক্ষা কৰি আছিল। সন্ধ্যাৰ আন্ধাৰ নামি অহাৰ লগে লগে জ্বলি উঠিছিল সহস্ৰ বিজুলী চাকি। জিক্‌মিকাই উঠিছিল সমগ্ৰ পামি অঞ্চলটো। আনকি অদূৰৰ গাঁওখনতো জ্বলি উঠিছিল বিজুলীৰ চাকিসমূহ।

লাক্‌চিঙতো বিজুলী জ্বলিছিল তাদিকৰ মনত পৰিল । মাহটোৰ দহদিন যদি জ্বলিছিল বাকী বিছদিন জ্বলা নাছিল। সৰু জলপ্ৰপাত এটাৰ পানী নিযন্ত্ৰণলৈ আনি হাইডেল ইঞ্জিনটো চলোৱা তাদিকে দেখিছিল। জলপ্ৰপাতৰ পানী কমিলে ইঞ্জিন নচলা হয। বিজুলীও মৰি থাকে। পানী বাঢ়িলে উজ্জ্বল হয আৰু পানী কমিলে বিজুলীৰ পোহৰতকৈ লেমৰ পোহৰ বেছি উজ্জ্বল হৈ পৰা তাদিকৰ মনত পৰে।

সেই তুলনাত এই শিবিৰৰ বিজুলীৰ চিকমিকনিযে তাদিকক তধা লগালে। হান কমিউনিষ্টৰ কামত খেলি মেলি নাথাকে বুলি তাদিকে পতিযন গ'ল। অৱশ্যে এই

সফলতাৰ অন্তৰালত কিমান মানুহৰ হা-হুমুনিযাহ জৰিত হৈ থাকে সেই কথা তাদিকে এই ন মাহে দেখি আহিছে।

'কি ভাবি আছা?' ল'ৰাজনৰ আকস্মিক প্ৰশ্নত তাদিকৰ অতীত ৰোমন্থনত বাধা পৰিল।

'কিমান পৰিবৰ্তন আহিছে এই দেশলৈ তাকে ভাবিছোঁ। এই বিশাল শিবিৰ, এই কঠোৰ নিয়মানুবৰ্তিতা এই অনুশাসন, এই বিজুলী, সকলো নতুন নহয় জানো লেন্‌ডুপ?'

'হয় এই সকলো নতুন। আগৰ তুলনাত সম্পূৰ্ণ বেলেগ।' উত্তৰটো দিওঁতে লেন্‌ডুপ অলপ গহীন হৈ পৰা তাদিকে দেখিলে।

'আগৰ কথা মই অৱশ্যে নাজানো। এতিয়াৰটোহে দেখিছোঁ। তুমি জানা নেকি?'

এইটো অঞ্চল মইও অৱশ্যে দেখা নাছিলোঁ। আন ঠাইবিলাকত যি হৈছে ইযাতো সেই একেই পৰিবৰ্তন আহিছে বুলি ধৰি লৈহে কৈছো।

তুমি ক'ৰ জানিব পাৰোনে লেনডুপ?' সকলো সম্ভাৱনাক আঁতৰাই থৈ তাদিকে পোনপটীয়া প্ৰশ্ন কৰিলে।

প্ৰথমে তোমাৰ কথা কোৱা। ল'ৰাজনৰ সহজ সৰল আচৰণত তাদিকৰ আশঙ্কা আঁতৰি গ'ল যদিও উত্তৰ দিবলৈ অলপ সঙ্কোচ কৰিলে।

তুমি তিব্বতৰ মানুহ নহয় মোৰ এই অনুমান সঁচানে? লেনডুপে নিজৰ মনৰ কথা ক'বলৈ অকণো সঙ্কোচ নকৰিলে।

কেনেকৈ অনুমান কৰিলা?

'আমাৰ ভাষা কৈছা যদিও উচ্চাৰণত ভুল আছে।' সি হাঁহিব ধৰা দেখি তাদিকে অলপ লাজ পালে।

'মই 'না' মানুহ। সীমান্তৰ সিপাৰে আছিলোঁ। কিবা কথাত দেশ এৰি গুছি আহিছোঁ। এবছৰ হোৱাই নাই।'

'নামটো কি?'

'তাদিক।'

'এতিয়া ক'ত আছা?'

'বিনিথাং সমূহীয়া পামৰ গ্ৰুপলিডাৰ হৈছোঁ।'

তাদিকক গ্ৰুপলিডাৰ বুলি জানিব পাৰি লেন্‌ড্ৰুপৰ মুখত ভয়ৰ ভাব ফুটি ওলাল।

'ভয় কৰিলা নেকি?'

লেনড্ৰুপে কোনো উত্তৰ নিদিয়া দেখি তাদিকৰ বেয়া লাগিল। দীঘলীয়া ভ্ৰমণত কথা কোৱা লগজনো আঁতৰি যাব বুলি তাৰো চিন্তা হ'ল।

'ভয় কৰিব নেলাগে লেন্‌ড্ৰুপ। মোৰ যেনেদৰে এটা অতীত আছে, তোমাৰো তেনেদৰে কিবা এটা অতীত নিশ্চয় আছে।'

লেন্‌ড্ৰুপে শুনি থাকে, উত্তৰ নিদিয়ে।

তোমাৰ দেশলৈ অহা এই পৰিৱৰ্তনক তোমালোকে সহজে মানি লব পৰা নাই বুলি আজি ন মাহে মই লক্ষ্য কৰিছোঁ। তোমাৰ মুখত হাঁহি দেখিছোঁ যদিও আঁতৰি যাব খোজা লেন্‌ড্ৰুপক ওচৰ চপাই আনিব বিচাৰিলে তাদিকে।

'কথা বন্ধ কৰা। সৈনিকজন আহিছে।' গণমুক্তি ফৌজৰ সৈনিকজন লগে লগে ঘৰটোলৈ সোমাই আহিল।

তোমালোক সকলোৱে শাৰী পাতি থিয় হোৱা। কমৰেড ঝিআও আহি আছে।

তাদিকহঁতে শাৰী পাতি থিয় দিয়াৰ লগে লগে বিগ্ৰেড পৰ্য্যায়ৰ পলিটিকেল কমিচাৰজন সোমাই আহিল। কমিচাৰজন চাপৰ বৃদ্ধ মানুহ। মূৰৰ চুলি সম্পূৰ্ণ বগা। বয়স সত্তৰৰ কম নহয়। অতি প্ৰবীণ বিপ্লৱী বুলি দেখিলেই বুজিব পাৰি।

হান সৈনিকজনৰ ইংগিতত ভ্ৰমণকাৰী দলটোৱে অভ্যৰ্থনাৰ সমূহীয়া হাত চাপৰি মাৰিব ধৰিলে। এই নিয়ম সমগ্ৰ তিব্বতত বলবৎ কৰা হৈছে। ইয়াৰ অৰ্থ কি তিব্বতবাসীয়ে বুজি নাপায়। প্ৰথমতে মানুহে হাঁহিছিল। এতিয়া নাহাঁহে। হাঁহিলে শাস্তি পাব লাগে। তথাপি হাঁহিক দমন কৰি ৰাখিব নোৱাৰে তিব্বতবাসীয়ে। আদেশৰ

দ্বাৰা জাতীয় চৰিত্ৰক সলনি কৰিব নোৱাৰিব বুলি হান প্ৰশাসনে হয়তো এদিন বুজি উঠিব। অৱশ্যে তেতিয়ালৈকে তি ব্বতীয় বোলা জাতিটো বৰ্ত্তি থাকেনে নাথাকে সিও এটা প্ৰশ্ন।

'দেশ ভ্ৰমণলৈ ওলোৱা কৰ্মীসকল তোমালোকক 'পামি' শিবিৰলৈ স্বাগতম জনালোঁ। দেশভ্ৰমণৰ বাবে তোমালোক নিৰ্বাচিত হোৱাতো আনন্দৰ কথা। তি ব্বত দেশলৈ আজি যি বিশাল পৰিৱৰ্তন আহিছে সেই দৃশ্য তোমালোকে নিজ চকুৰে চাই আহিবলৈ সুযোগ পাইছা। তোমালোক প্ৰতিজনেই এজন নিষ্ঠাবান কৰ্মী বুলি এই সুযোগটো দিয়া হৈছে।

তোমালোকৰ ভ্ৰমণ এই পামি' শিবিৰৰ পৰাই আৰম্ভ হ'ল বুলি ধৰি লব পাৰা। তোমালোকে জেঠাং শিবিৰ পাব লাগিছিল। কিন্তু ৰাস্তা মেৰামতিৰ বাবে আজি ইয়াত থাকিব লগা হ'ল। কাইলৈৰ দিনটোও ইয়াতে থাকিব লাগিব। তোমালোকক কালিলৈ ওচৰৰ গাঁওখনলৈ লৈ যোৱা হব। জনসাধাৰণৰ জীৱনধাৰাত কি পৰিৱৰ্তন আহিছে তোমালোকে নিজেই চাব পাৰিবা। এইজন কমৰেড আজিৰ পৰা তোমালোকৰ পৰিচালক হ'ব। তোমালোকৰ সম্পূৰ্ণ ভ্ৰমণ কালছোৱাত এওঁ লগে লগে থাকিব। তোমালোকৰ ভ্ৰমণ সফল হওঁক।' চিনিয়ৰ পলিটিকেল কমিচাৰ ঝিআও যাযগৈ আৰু লগৰজন থাকি যায়।

'এতিয়া যিজন মহান বিপ্লৱীৰ কথা শুনিলা এওঁৱেই কমৰেড ঝিআও। এদিন "চাগপা' চিযাং কাইচেকৰ" অধীনত সৈনিক আছিল। মহান নেতা মাও-জে-ডঙৰ বিপ্লৱী আহ্বানত চাগপা চিযাঙৰ চাকৰি ত্যাগ কৰি গুচি আহিছিল। আহি থিয় দিছিল লাল পতাকাৰ তলত। এই কথা চল্লিচ বছৰ আগৰ।'

বহলমুখৰ ব্যক্তিজনে কথাকেইটা কওঁতে তাদিকে মানুহজনৰ ধৰণ-কৰণ বিলাক মন কৰি গ'ল। যিজন মানুহৰ অধীনত তিনিটা মাহ থাকিব লাগিব তেওঁ বা কেনেকুৱা প্ৰকৃতিৰ সেই কথা জানিবলৈ তাদিকৰ আগ্ৰহ হ'ল।

'এতিয়া বয়স হ'ল যদিও কৰ্মীজীৱনৰ পৰা অব্যাহতি নললে। এজন প্ৰবীণ বিপ্লৱীৰূপে

কমৰেড ঝিআওৰ পৰা আমি বহুতো কথা শিকিব লগা আছে জানিবা।

‘লেন্‌ডুপ কোন?’ পৰিচালকজনৰ আকস্মিক প্ৰশ্নত লেন্‌ডুপ অকনো বিচলিত নহ’ল। উত্তৰ দিলে সাধাৰণ ভাবে।

‘মই কমৰেড। মোৰেই নাম লেন্‌ডুপ।

‘অ তুমিযেই লেন্‌ডুপ তেনেহ’লে। তুমিতো বহু দেখিছা শুনিছা আৰু বহুতো শিকিছাও। তথাপি তোমাক ভ্ৰমণলৈ মনোনীত কৰিছে যেতিয়া তুমি শিকিব লগা কথা আৰু আছে নহয়নে?’ পৰিচালকজনৰ বক্তব্যখিনিৰ অৰ্থ আনবিলাকে বুজি নাপালেও লেন্‌ডুপ বুজি পালে। কোনো উত্তৰ নিদিযাকৈ লেন্‌ডুপ থিয় দিযেই থাকিল।

‘পিকিঙত তুমি দহবছৰ থাকি আহিছা। লিখাপঢাও শিকিছা পিকিঙতে। বয়স তোমাৰ কম হলেও তিব্বত দেশৰ এই পৰিবৰ্তনৰ প্ৰযোজন কিমান সেই কথা নিশ্চয তুমি উপলব্ধি কৰিব পাৰিছা।’

পৰিচালকজনে কথা কৈ থাকোতে তাদিকে কেৰাহিকৈ লেনডুপলৈ চালে। লেনডুপ যে এজন সাধাৰণ তিব্বতীয ল’ৰা নহয় সেই কথা তাদিকে মনতে অনুভৱ কৰিলে। লেন্‌ডুপৰ পৰা নিৰাপদ দূৰত্বত থকাটোৱেই ভাল হব বুলি তাদিকে ভাবি লবলৈ বাধ্য হ’ল।

‘তাদিক কোনজন?’ তাদিক উচপখাই উঠিল। সি ‘পামি’ শিবিৰ আহি পোৱাৰ আগতেই তাৰ বৰ্ণনা আহি পোৱা দেখি সি অলপ আচৰিত হ’ল।

‘মযে তাদিক কমৰেড।’

‘তুমিও আমাৰ ওজন অতি প্ৰযোজনীয ব্যক্তি। এই ভ্ৰমণকালত তুমি বহুতো কথা জানিবৰ সুযোগ পাবা। এই নতুন জ্ঞানৰ সহাযত স্বজাতিৰ কাৰণে তুমি এজন পথ প্ৰদৰ্শক হ’ব পাৰিবা বুলি আমাৰ বিশ্বাস হৈছে।’

উপদেশ, নিৰ্দেশক ইমানতে সামৰি থলে ভ্ৰমণ পৰিচালকজনে। গাঁও ভ্ৰমণৰ বাবে সকলোকে সাজু হৈ থকাৰ নিৰ্দেশ দি মানুহজন গুচি গ’ল। মানুহজন নেদেখা হোৱাৰ

লগে লগে তাদিকে লেন্‌ডুপলৈ পুনৰ উভতি চালে।

'তুমি পিকিং দেখিছা লেন্‌ডুপ? তাদিকৰ কৌতূহলপূৰ্ণ প্ৰশ্নত লেন্‌ডুপ অলপ বিৰক্ত হ'ল।

'তাতে কি হ'ল?'

'তুমি লিখা-পঢ়াও শিকিছা পিকিঙতে?'

'শিকিব পাৰো। বহুতেই শিখিছে। পিকিঙত গৈ লিখা-পঢ়া শিকিলেই মানুহ সলনি হৈ যাব বুলি ভাবিছা নেকি?' উত্তৰ দি লেন্‌ডুপ আঁতৰি গ'ল তাদিকৰ পৰা। লেন্‌ডুপে বেযা পালে বুলি তাদিকে অনুভৱ কৰিলে। পিকিঙত গৈ লিখা-পঢ়া শিকি অহা তিব্বতীয ল'ৰাজন দেশ ভ্ৰমণত ওলাইছে সামৰিক যানৰ পিচপিনে বহি। কথাটো কেনেবা কেনেবা যেন লাগিল তাদিকৰ। ইযাৰ অন্তৰালত কি ৰহস্য লুকাই আছে সেই কথা জানিবলৈ তাদিকে সুযোগৰ অপেক্ষা কৰাটোৱেই ভাল হ'ব বুলি ভাবি ললে।সেই সুযোগ আহিল পিচদিনা নিশা আহাৰৰ অন্তত।দিনজোৰা গাঁও পৰিভ্ৰমণৰ অন্তত যেতিয়া নিশা শুবৰ সময আহিল তেতিয়া তাদিবে নিজৰ কম্বলখন লেন্‌ডুপৰ ওচৰতে পাৰি ল'লে। বিজুলী নিৰ্বাপিত হোৱাৰ পিচতেই তাদিকে লেনডুপক ফুচফুচাই সুধিলে—

বেযা পাইছা নেকি লেন্‌ডুপ?'

লেনডুপক নিৰুত্তৰ দেখি তাদিকে পুনৰ সহানুভূতিৰে সুধিলে—

'তুমি পিকিং দেখি আহিছা, লিখা পঢ়াও তাতে শিকিছা তথাপি তোমাক তিব্বত ভ্ৰমণলৈ পঠিযাইছে কিয সেই কথাটোহে মই বুজা নাই লেন্‌ডুপ।'

'সমযত সকলো নিজেই বুজিবা। এতিযা শুই থাকা।

'নহয লেন্‌ডুপ সঁচা কথাটো কি মোক কোৱা। মই কাকো নকওঁ কথা দিলোঁ।'

তাদিকৰ আগ্ৰহ দেখি লেন্‌ডুপে বাগৰ সলাই ললে।

'সেযা দহ বছৰ আগৰ কথা। তেতিযা মোৰ বযস ছয বছৰ। এদিন পি এল এৰ সৈন্যবাহিনী এটাই আমাৰ গাঁওখন ঘেৰাও দি ধৰিছিল। 'ছুছি গ্যানদ্ৰুকৰ সদস্য বিচাৰি

সকলো পুৰুষ মানুহক বান্ধি পেলাইছিল।

'ছুছি গ্যানদ্রুক কি লেনডুপ?' নজনা কথাটো তাদিকে জানিব বিচাৰিলে।

'ছুছি গ্যানদ্রুক হ'ল তিব্বতদেশৰ বিদ্রোহীবাহিনীৰ নাম। তিব্বতৰ পৰা হানসকলক খেদি পঠোৱাটোৱেই এই বিদ্রোহীসকলৰ লক্ষ্য।'

গাঁৱৰ মানুহখিনিক ধৰি লৈ গৈছিল নেকি?' আৰু 'কিছুমান নিছিল। কিছুমানক গুলিয়াই মাৰি পেলাইছিল। পাপা আমাৰ' পৰা মোক কাঢ়ি আনি পিকিঙলৈ পঠিয়াই দিছিল। অকল মযে নহয। মোৰ নিচিনা তিব্বতৰ হাজাৰ হাজাৰ ল'ৰা-ছোৱালীক পিকিঙলৈ পঠিযাই দিছিল।'

'পিকিঙলৈ কিয পঠিযাইছিল?'

'লিখা-পঢা শিকাই মনে-প্রাণে কমিউনিষ্ট কৰি তুলিব বিচাৰিছিল। এনেদৰে আমি দহবছৰ পিকিঙতে আছিলো। বহুত ল'ৰা-ছোৱালী মৰি গৈছিল। মই মৰা নাছিলোঁ।

নিজৰ গাঁৱলৈ কেতিযা ঘূৰি আহিছিলা লেনডুপ?

যোৱা বছৰ পিকিঙৰপৰা আমাক লাচালৈ পঠিযাই দিছিল। লাচাৰ নতুন স্কুলত আমি আহি যোগ দিছিলোঁ। বহুত ল'ৰা-ছোৱালী স্কুল এৰি পলাই গৈছিল। এদিন মইও পলাই গৈ মানুহক সুধি সুধি নিজৰ গাঁও বিচাৰি গ'লোঁ। মানুহে ক'লে গাঁওখন নাই। পাপহঁতক বিচাৰি পাওঁ বুলি তথাপি গ'লোঁ। পাপাহঁতো নাই গাঁওখনো নেদেখিলো। গাঁওখন য'ত আছিল তাত এতিয়া কল-কাৰখানা বহিছে। শ শ হান মানুহে কাম কৰিছে। পাপাহঁতক বিচাৰি ফুৰোতে তিনিমাহৰ পিচত মইও ধৰা পৰিলো।'

'ধৰা পৰাত শাস্তি দিলে নেকি?'

'এতিযাও দিযা নাই। ভালদৰেই ৰাখিছে। দিনে-ৰাতিযে বুজনি দিছে। তিব্বতৰ পৰিবৰ্তন চাবলৈ পঠিযাইছে মোৰ মনটো সলনি হয বুলি।'

'তোমালোকৰ দেশখন আকৌ ঘূৰাই পাবানে? দালাই লামা তিব্বতলৈ উভতি আহিবনে? উভতি আহিবনে দেশ এৰি গুচি যোৱা মানুহবিলাক?'

'হান কেতিযাও উভতি নাযায। ইমান কল-কাৰখানা পাতিছে, আলিবাট সাজিছে আৰু নিজৰ মানুহ আনি গাঁও পাতিছে কিহৰ কাৰণে?' লেন্‌ডুপে ওভতাই প্ৰশ্ন কৰে।

'তেনেহ'লে কি হ'ব?

'কি হ'ব আৰু যুদ্ধ চলিযেই থাকিব। হানো নাযায়, আমাৰ মানুহেও নেৰিব।'

'জিকিব কোন? হানৰ পৰাজয তাদিকেও মনে মনে কামনা কৰিলে।

'কোনেও নিজিকে। হানো মৰিব আমাৰ মানুহো মৰিব। আমাৰ মানুহ মৰি শেষ হ'লেও হানৰ অন্ত নাই। সিহঁতৰ মানুহ পৰুৱাৰ নিচিনা। অকল পিকিঙ চহৰতে কিজানি আমাৰ দেশৰ সমান মানুহ আছে।' 'মাও-জে-ডং বোলা মানুহজনক তুমি দেখিছানে লেন্‌ডুপ?' মাওৰ কথা শুনি শুনি নামটো তাদিকৰো মুখস্থ হৈ গৈছে। 'দেখিছিলো।' 'বৰ খঙাল মানুহ নেকি লেন্‌ডুপ? হানবিলাকে ইমান ভয কৰে কিয়?' 'অকণো খঙাল মানুহ নহয। কথাবিলাক বৰ লাহে লাহে কয। ল'ৰা-ছোৱালীক খুউব মৰম কৰে। লাচালৈ ওভতাই পঠাবৰ দিনা মাও-জে-ডঙে আমাক চাবলৈ আহিছিল। হাতে হাতে টফি দিছিল। নতুন তিব্বতৰ নতুন মানুহ বুলি আমাৰ গা-মূৰ পিহি দিওতে দালাই লামা কোন বুলি সুধিছিল। এজন পুঁজিপতিৰ দালাল বুলি আমি উত্তৰ দিছিলোঁ। তেনেদৰে উত্তৰ দিবলৈ আমাক শিকাই দিযা হৈছিল।' 'দহ বছৰ পিকিঙত থাকিও তোমাৰ মন সলনি হোৱা নাছিল নেকি লেন্‌ডুপ? প্ৰথমে হৈছিল। দহবছৰ নিজৰ দেশখন দেখা নাছিলোঁ। কেতিয়াবা মনত পৰিছিল এৰি যোৱা গাঁওখনৰ ছবি আৰু হাঁহি ভৰা মানুহৰ মুখবিলাক। কিন্তু দেশলৈ উভতি আহি যেতিযা গাঁওখনৰ ঠাইত কল-কাৰখানাবিলাক দেখিলো তেতিযা মনটো বেয়া লাগিল। হাঁহি থকা মানুহবিলাকৰ সলনি চাৰিওপিনে যেতিযা হান মানুহক পিয়াপি দি ফুৰা দেখিলো তেতিয়া অসহ্য হ'ল। মন্দিৰবিলাকত সৈনিক শিবিৰ স্থাপন কৰা দেখি মনটো বিদ্ৰোহী হব খুজিলে। মোৰ স্বজাতিৰ ওপৰত জাপি দিয়া অবৰ্ণনীয় ঘটনাবিলাক দেখি দেখি মোৰ আনুগত্য শিথিল হৈ পৰিল। সাম্যবাদী শাসন ব্যৱস্থাত মই আস্থা হেৰুৱাই পেলালো তাদিক। মনে প্ৰাণে মই আকৌ

এজন তি ৰতীয হৈ পৰিলোঁ।'

গভীৰ মনোবেদনাত লেন্‌ডুপে ফুচফুচাই কৈ যোৱা কথাবিলাক তাদিকে মন দি শুনিলে। লেন্‌ডুপৰ জাতীয আনুগত্য আৰু দেশপ্ৰেমৰ অনুভূতি দেখি তাদিক অলপ লজ্জিত হ'ল। লেন্‌ডুপৰ সান্নিধ্যত সি হেয় হৈ পৰিল। বয়সত লেম্‌ডুপ তাতকৈ বহু সৰু। নিজৰ কথাবিলাক ক'বলৈ তাদিকে সংকোচ কৰিলে। মাজনিশা দুয়ো শুই পৰিল।

(১৮)

পিচদিনা পুৱা কনভযটোৱে পামি শিবিৰপৰা পুনৰ যাত্ৰা আৰম্ভ কৰিলে। দহ কিঃ মিঃ মান যোৱাৰ পিচত কনভযটোৰ গতি পুনৰ মন্থৰ হৈ পৰিল। বিধ্বস্ত দলং এখন পাৰ কৰোতে এবাৰত এখন মাত্ৰ যানক অনুমতি দিযা হ'ল। তাদিকহঁত উঠি যোৱা যানখন দলং পাৰ হওতে লেনডুপে ট্ৰিপাল আঁতৰাই ভুমুকি মাৰি চালে। 'ছুছি গ্যানদ্ৰুকৰেই কাম।' লেন্‌ডুপ কোৱা কথাকিটা ওচৰতে বহি থকা তাদ্দিকৰ কাণত পৰিল। তাদিকে লেনডুপৰ কাণৰ ওচৰত মুখখন নি সুধিলে। 'তাৰ মানে কি লেন্‌ডুপ?' 'দলংখন বিদ্ৰোহীবিলাকে ভাঙিলে। সেই কাৰণে দুদিন ৰাস্তা বন্ধ আছিল। 'অ' গাড়ীও উৰুৱালে। ট্ৰিপালৰ জলঙাৰে চাই থকা লেনডুপৰ মুখত তৃপ্তিৰ হাঁহি ওলোৱা তাদিকে দেখিলে। তিনিখন সামৰিক যান বাটৰ কাষত বিধ্বস্ত অৱস্থাত পৰি আছিল। 'তেনেহলে চিপাহীও মৰিছে নিশ্চয।' তাদিকৰ মুখত ভযৰ ভাব ফুটি ওলাল। এনে ঘটনা সি কেতিযাও দেখা নাছিল। 'নিশ্চয মৰিছে। বিদ্ৰোহীবিলাকে হান চিপাহী মাৰিবলৈকে এনে আকস্মিক আক্ৰমণ কৰে। সিহঁত বৰ চতুৰ আৰু বেগী। ক'ত, কেতিযা আক্ৰমণ চলায কোনেও ক'ব নোৱাৰে। হঠাতে হাবিৰ পৰা ওলাই আহে আৰু লগে লগে হাবিত নোহোৱা হৈ যায।' সিহঁত দুটাৰ কথা-বতৰা গাড়ীত বহি যোৱা বাকী মানুহে নুশুনে। দুযো অলপ এফলীযাকৈ বহি যায। 'এতিযা কি হব লেন্‌ডুপ?' 'কি হ'ব আৰু জনসাধাৰণে ভুগিব লাগিব।' বিষণ্ণভাবে লেনডুপে উত্তৰ দিলে। 'জনসাধাৰণৰ কি দোষ লেন্‌ডুপ?' 'সেইবিলাক বহুতকথা। কোনো এখন দেশত সশস্ত্ৰ বিদ্ৰোহ আৰম্ভ হলে জনসাধাৰণেই

ভুগিব লাগে বেছি। জনসাধাৰণে বিদ্ৰোহীক আশ্ৰয় দিয়ে সঁচা কথা। জনসাধাৰণৰ স্বাৰ্থতেই দেশৰ এক অংশ মানুহে হাতত বিদ্ৰোহৰ অস্ত্ৰ তুলি লবলৈ বাধ্য হয়। কিন্তু চৰকাৰ পক্ষই সেই বিদ্ৰোহীক ধৰিব নোৱাৰি নিৰস্ত্ৰ জনসাধাৰণৰ ওপৰতেই প্ৰতিশোধ লব বিচাৰে।' 'তেতিয়াহ'লে বিদ্ৰোহীসকলক ধৰাই দি জনসাধাৰণে চৰকাৰী নিৰ্য্যাতনৰ হাত সাৰিব নোৱাৰে নেকি লেন্‌ডুপ?' 'পাৰে কিন্তু কাক ধৰাই দিব? বিদ্ৰোহীবিলাকতো নিজৰেই মানুহ। নিজৰ ল'ৰা-ছোৱালী ভাই-ভতিজাকক কোনোবা মানুহে ধৰাই দিব পাৰিব জানো?' এলোটা প্ৰশ্ন কৰিলে লেন্‌ডুপে। 'সেইটো কাম অৱশ্যে ভাল মানুহে নকৰিব। কিন্তু গাঁওবাসীৰ মাজত বেয়া মানুহোতো থাকিব পাৰে। তেনে বেয়া মানুহে ধৰাই নিদিব নেকি?' 'নিশ্চয় দিব। হানতকৈ এইবিলাক মানুহেই বেছি বেয়া। এইবিলাক মানুহকে দেশদ্ৰোহী বা জাতিদ্ৰোহী বুলি কোৱা হয়।' লেন্‌ডুপৰ কথাবিলাক শুনি থাকোতে তাদিকে গাড়ীত বহি যোৱা মানুহকিজনলৈ চাই আছিল। হঠাতে সি মন কৰিলে চুকত বহি অহা সেই আদহীয়া বয়সৰ মানুহজন নাই। এজন মানুহ নাহিল লেন্‌ডুপ। চুকত যে মন মাৰি বহি আহিছিল সেইজন নাই। 'পামিত ৰাখি থলে হব পায়। এনেদৰেই এই দেশৰ মানুহবিলাক লাহে লাহে নোহোৱা হৈ যাব ধৰিছে তাদিক। হান জাতিটো বৰ নিষ্ঠুৰ। ইহঁতক এই দেশখনহে লাগে। ইয়াৰ মানুহক নালাগে।'

কনভয়টো পুনৰ চলিবলৈ ধৰাত লেন্‌ডুপহঁতৰ কথা-বতৰাও বন্ধ হ'ল। ওখৰা মোখৰা বাটৰ ওপৰেৰে কনভয়টো ধলং পলংকৈ গৈ আছিল। গাৰ ভাৰসাম্যতা ৰক্ষা কৰিবলৈ তাদিকহঁতে গাড়ীখনৰ ত্ৰিপালতে খামোচ মাৰি ধৰি যাব লগা হ'ল। পৰ্বতৰ গা বগাই ক্ৰমান্বয়ে তললৈ নামি যাব ধৰা কনভয়টোৰ গতিও মন্থৰ হৈ পৰিছিল। তিব্বতদেশৰ এই দক্ষিণ পূব অঞ্চলটোকেই তিব্বতীয়সকলে "কংপো" অঞ্চল বুলি কয়। ডাক্‌পো, নিয়াং আৰু কংপো এই তিনিখন জিলাক লৈয়ে গঠিত হৈছে এই কংপো অঞ্চল। উত্তৰ-পূব তিব্বতৰ বিশাল ককোনোৰ হ্ৰদ অঞ্চলৰ পৰা ওলাই আহিছে চালউইন নৈ। ক্ৰমান্বয়ে দক্ষিণলৈ বৈ গৈ ব্ৰহ্মদেশৰ মাজেৰে বঙ্গোপসাগৰত পৰিছে। আনহাতে তিব্বতৰ

দক্ষিণ-পশ্চিম অঞ্চলত আছে হিন্দুসকলৰ পবিত্ৰ কৈলাস পৰ্বত। এই কৈলাস পৰ্বতৰ নামনিতে আছে মানস সৰোবৰ হ্ৰদ। এই হ্ৰদৰপৰাই আহিছে চাংপো নৈ। পশ্চিম তিব্বতৰ পৰা পূব তিব্বতলৈ বৈ অহা এই চাংপো নৈখনে কংপো অঞ্চলতে দক্ষিণমুৱা হৈছে। অৰুণাচল প্ৰদেশৰ চিযাং জিলাৰ মাজেৰে চিযাং নদী হৈ পাচিঘাটৰ ওচৰেৰে বাগৰি আহি লোহিতত মিলি ব্ৰহ্মপুত্ৰ নাম লৈছে।

এই কংপো অঞ্চলতে হেনো তিব্বতৰ প্ৰথম মানুহে বসতি পাতিছিল বুলি লোক বিশ্বাস এটা চলি আহিছে। অৱশ্যে লাচা অঞ্চলৰ ইযাৰ্লুঙৰ উপত্যকাটোৱেই প্ৰথম মানুহৰ বসতিস্থান বুলি আন এটা মতো তিব্বতীয়সকলৰ মাজত প্ৰচলন হৈ আহিছে। এই দুযোটা অঞ্চলতে গভীৰ অৰণ্য আছে। তিব্বতৰ ভিতৰত এই দুই অঞ্চলতেই অকল বান্দৰ পোৱা যায়। বান্দৰৰপৰাই তিব্বতীয জাতিৰ উৎপত্তি হৈছে বুলি বিভিন্ন পুথিতো উল্লেখ আছে।'

ডাঠ হাবিৰ মাজেৰে গৈ থকা কনভয়টোৰ পৰৱৰ্তী লক্ষ্য স্থল আছিল জেঠাং শিবিৰ। জেঠাং শিবিৰ পাবলৈ তেতিয়াও পোন্ধৰ কিলোমিটাৰ মান বাকী আছিল। সূৰ্য্য অস্ত যাবলৈ তেতিয়াও বহুত সময বাকী আছিল যদিও ৰ'দৰ উত্তাপ কমি যোৱাৰ লগে লগে নিশাৰ শীতলতা ক্ৰমান্বযে অধিক হৈ আহিল।

এনেতে কনভযটোৰ পিচপিনৰ পৰা ভযঙ্কৰ গুলীযা-গুলী শব্দ আহি তাদিকহঁতৰ কাণত পৰিল। সিহঁত বহি অহা গাড়ীখনৰ গতি হঠাতে দুগুণ হৈ উঠাত তাদিকহঁতে গাড়ীখনৰ ত্ৰিপালতে খামোচ মাৰি ধৰিলে। 'ছুছি গ্যানদ্ৰুকে আক্ৰমণ কৰিছে- মূৰ তল কৰি থাকা' বুলি সকলোকে সকীযাই দিলে লেনডুপে। গাড়ীত বহি যোৱাসকলৰ দুজনমানে ভযতে চলন্ত গাড়ীখনৰ ভিতৰতে দীঘলদি শুই পৰিল। অলপ দূৰ গৈ কনভযটোৰ আগচোৱা বৈ দিযাত ভ্ৰমণ পৰিচালকজন লৰ মাৰি আহি তাদিকহঁতৰ গাড়ীৰ ওচৰ পালে।

'নামা নামা গাড়ীৰ ভিতৰত বহি থাকি মৰিব খুজিছা নেকি? বিদ্ৰোহীযে

কনভয়টো আক্ৰমণ কৰিছে যে দেখাই নাই।'

নিৰ্দেশ পাই লেন্‌ডুপহঁতে গাড়ীৰপৰা জঁপিয়াই জঁপিয়াই নামিব ধৰিলে।

মোৰ পিছে পিছে আহি থাকা।' বুলি নিৰ্দেশ দি পৰিচালকজন আলিবাটৰ কাষৰ হাবিলৈ বুলি লৰ মাৰিলে। ভ্ৰমণকাৰী দলটোৰ মানুহখিনিয়েও তাকেই অনুসৰণ কৰিলে।

'ইয়াত এতিয়া এখন সৰু সুৰা যুদ্ধ হব চাবা তাদিক।'

লেনডুপৰ কথা শেষ হওঁতেই ভয়ঙ্কৰ শব্দ কৰি মৰ্টাৰৰ উচ্চ বিস্ফোৰণ ক্ষমতা সম্পন্ন গোলা এটা বিস্ফোৰিত হ'ল। সেই বিস্ফোৰণে উৰুৱাই পেলোৱা শিল বালি কিছুমান আহি লেনডুপহঁতৰ ওচৰে পাজৰে ছিটিকি পৰিল।

'ইয়াতে আঁৰ লৈ তোমালোক শুই পৰা।' নিৰ্দেশটো দি ভ্ৰমণ পৰিচালকজনে নিজেও গছ এদালৰ গুৰিত দীঘল দি শুই পৰিল। ভ্ৰমণকাৰীসকলেও তাকেই অনুকৰণ কৰি সৰু ডাঙৰ যি আঁৰ ঠাই বিচাৰি পালে তাৰেই পিচপিনে দীঘল দি শুই পৰিল। এইখিনি কৰোতে আধামিনিটৰো কম সময় লাগিল। তাদিকে লেন্‌ডুপৰ পিছে পিছে গৈ পাইন গছ এজোপাৰ গুৰিতে দীঘল দি পৰিল। কি হব এতিয়া লেনডুপ?' 'ভয় নকৰিবা একো নহয়। বিদ্ৰোহীবিলাক এতিয়াই গুচি যাব।

লাহে লাহে গুলীৰ তীব্ৰতা কমি আহিব ধৰিলে। অল্পসময়ৰ পিচতেই সকলো নিস্তব্ধ হৈ পৰিল।

'আদেশ নোপোৱালৈকে ইয়াতে থাকিবা। ইফালে সিফালে নাযাবা।' এই বুলি কৈ ভ্ৰমণ পৰিচালকজন ৰৈ থকা গাড়ীখনলৈ বুলি আগবাঢ়ি গ'ল। লেন্‌ডুপহঁত লুকাই থকা ঠাইৰ পৰা গাড়ীকিখন ভালদৰেই দেখি। লেন্‌ডুপে দেখিলে কেইবাজনো নিহত আহত সৈনিকক হাই-হুৰুমি কৰি কৰি দাঙি লৈ আহিছে লগৰ হান সৈনিকসকলে। আহত নিহতসকলক সামৰিক যান কিখনত পেলাই থৈ সৈনিকসকল পুনৰ খৰখেদাকৈ উভতি গ'ল আক্ৰান্ত কনভয়টোৰ পিচৰ অংশলৈ। সিহঁতৰ হাতে হাতে আছিল স্বয়ংক্ৰিয় ৰাইফল। উভতি যোৱা সকলৰ মাজত দুই এজনে লেকেচিয়াই যোৱা লেন্‌ডুপৰ চকুত

পৰিল। লেন্‌ড্ৰুপে হানৰ নিয়ম নীতি বিলাক ভালদৰেই জানে। থিয় দি থাকিব পৰালৈকে সিহঁতে হাতত ৰাইফল লৈ থাকিব লাগে। ঠেং এখন চিঙি গলেও সিহঁতে কিলাকুটিত ভৰ দি হলেও আগুৱাব লাগে। এনেদৰে পাৰ্টি আৰু আদৰ্শৰ হকে সিহঁতে মৰি মৰিও আগুৱাই যাব লাগে। ইযাকে বিপ্লৱী দৃঢ়তা বুলি হানে প্ৰশংসা কৰে গণ প্ৰচাৰ চলায়। মৰণোত্তৰভাৱে সন্মান যাচি নতুন নতুন বিপ্লৱী বাহিনীৰ সৃষ্টি কৰি তোলে।

'ছুছি গ্যানদ্ৰুকৰ কাম দেখিলা তাদিক? সিহঁত এনেদৰেই আহে আৰু গুচি যায়। হান সৈনিকে প্ৰতি আক্ৰমণ আৰম্ভ কৰে মানে বিদ্ৰেহী সকল আঁতৰি গুচি যায় নিৰাপদ দূৰত্বলৈ।'

কিন্তু এনেধৰণৰ সৰু সৰু আক্ৰমণেৰে হানৰ বিশাল সৈন্যবাহিনীক জানো বিদ্ৰোহীসকলে কেতিযাবা শেষ কৰিব পাৰিব লেনড্ৰুপ?

'শেষ নহব পাৰে সঁচা কিন্তু হানৰ উৎকণ্ঠা সদায় থাকি যাব। দহজন নেদেখা বিদ্ৰোহীৰ বাবে সিহঁতৰ হাজাৰজন সৈনিক সকলো সময়তে ব্যস্ত হৈ থাকিব লাগিব। বিদ্ৰোহীসকলেও তাকেই বিচাৰে। লগতে তিব্বতবাসীৰ হানবিৰোধী মনোবলো সতেজ হৈ থাকিব তাকো বিচাৰে ছুছি গ্যানদ্ৰুকৰ বিদ্ৰোহীসকলে।

'এই আত্ৰমণৰ প্ৰতিশোধ নলব নেকি হান সেনিকে?

নিশ্চয় ল'ব। এতিয়া এই অঞ্চলৰ গাঁও ভূইবিলাকত হান সৈনিকে চলাব নিৰ্মম অত্যাচাৰ । জনগণে মূৰ পাতি লব লাগিব এই অত্যাচাৰক । হানসকলে এতিয়া জনগণকেই শত্ৰু কৰি ল'ব। নিৰ্য্যাতন ধৰ্ষণ আৰু নিৰ্বিচাৰ হত্যা হৈ পৰিব প্ৰতিশোধৰ পন্থা। অধিকৃত দেশ এখনৰ এযে হ'ল কাহিনী। এই কাহিনীৰ অন্ত পেলাবলৈ হ'লে অবিৰাম সশস্ত্ৰ প্ৰতিৰোধেই একমাত্ৰ পথ তাদিক। ইযাৰ আন কোনো বিকল্প নাই।'

তাদিকৰ প্ৰশ্নৰ উত্তৰ দিওঁতে লেন্‌ড্ৰুপ অলপ উত্তেজিত হৈ পৰে। বয়স তাৰ কম তথাপি তাৰ জাতীয় অনুভূতি উত্তপ্ত হৈ উঠিব খোজে। মগজু ঘোলা কৰা দহবছৰীযা সাম্যবাদী প্ৰশিক্ষণো নিৰৰ্থক হৈ পৰে তাৰ বাবে। মুক্তিকামী তিব্বতবাসীৰ মাজত থিয

দি "পো-ৰাংঝেন্" বুলি চিঞৰিবলৈ সিও উচপিচাব ধৰে।

'জানা তাদিক, লাচাৰ পৰা পলাই ফুৰোতে অকলে পোৱা হান চিপাহী এটাক মইও কটাৰীৰে খুচি মাৰিছিলো'

'মনে মনে থাকা     সৌজন  আহি আছে।'

লেন্‌ডুপৰ কথা আধৰুৱা ৰখি ভ্ৰমণ পৰিচালকজনলৈ আঙুলিয়াই দেখুৱালে তাদিকে। লেন্‌ডুপৰ প্ৰতি ওপজা তাৰ মৰম আৰু আস্থা অধিক গাঢ় হৈ পৰিল।

'তোমালোক গাড়ীলৈ ব'লা। মানুহজনক বিষণ্ণ দেখিলে লেন্‌ডুপে। স্বজাতি হানৰ মৃত্যুযেই এই বিষণ্ণতাৰ কাৰণ বুলি লেন্‌ডুপে বুজিব পাৰিলে। গাড়ীখনলৈ সিহঁত উভতি যাওতে ক্ষন্তেকীয়া ৰণখনৰ অন্ত পৰিছিল যদিও ঠাইখিনিৰ পৰিবেশ উত্তপ্ত হৈ থকা দেখিলে। সামৰিক বিষযাসকলে গাড়ীবিলাকৰ আঁৰ লৈ উত্তেজিত আলোচনাত ব্যস্ত হৈ  থকাতো লেন্‌ডুপৰ চকুত পৰিল। অলপ সময়ৰ পিচতে কনভয়টোৰ গাড়ী আগচোৱা চলিবলৈ আৰম্ভ কৰিলে যদিও আধা সৈনিক ঘটনাস্থলীতে থাকি গ'ল।

কনভয়টো জেঠাং পাওঁতে বেলি মাৰ গ'ল। জেঠাং ঠাইখন পামিতকৈ ডাঙৰ নহলেও গুৰুত্বপূৰ্ণ ঠাই। ইযাতো চাৰি আলি এটা আছে। পামিৰ পৰা অহা আলিটো পোনে পোনে উত্তৰলৈ নামি গৈছে  চাংপো নদীৰ  পাৰলৈ। চাৰি আলিটোৰ পৰাই পূবে পশ্চিমে দুটা আলি  গৈছে হিমালয় পৰ্বতৰ তলে তলে। এই চাৰি আলিতে আছে ডাঙৰ পেট্ৰোল পাম্প এটা। অহৰহভাৱে সামৰিক যানবিলাক অহা যোৱা কৰে এই চাৰি আলিৰ মাজেৰে। পেট্ৰোল ডিজেলো ভৰাই লয এই পাম্পতে।

অ-সামৰিক যান বুলিবলৈ দুই  চাৰিখন বাছ গাড়ীহে চলে। পুৰণি জীপ গাড়ীকো হান ড্ৰাইভাৰে টেক্সি কৰি চলায। এই অসামৰিক গাড়ীবিলাকৰ যাত্ৰী হান মানুহেই অধিক। চাৰি আলিতে আছে এখন সৰু বজাৰ। বজাৰত হান মানুহৰ প্ৰাধান্যই অধিক। তি ব্যতীয মানুহাৰো দোকান দুই চাৰিখন আছে যদিও সেইবিলাকত চাহ আৰু স্থানীয় খাদ্য বস্তুহে পোৱা যায়।

সামৰিক শিবিৰটো চাৰি আলিটোৰপৰা তিনি কিঃ মিঃ দূৰত্বত অৱস্থিত। তাদিকইঁতক এইবাৰ সামৰিক শিবিৰলৈ লৈ যোৱা নহ'ল। চাৰিআলিতে নামিব দিলে।

'এইবাৰ তোমালোকৰ থকামেলা জেঠাং গাঁবতে ব্যৱস্থা কৰা হৈছে। মোৰ পিছে পিছে আহি থাকা' বুলি কৈ ভ্ৰমণ পৰিচালকজনে বাট দেখুৱাই লৈ যাব ধৰিলে। চাৰি আলিটোৰপৰা অলপ উঠি যাব লাগে। গাঁওখন পাওঁতে বৰ বেছি সময় নালাগিল। বৰ ডাঙৰ গাঁও নহয়। মাত্ৰ পোন্ধৰটা ঘৰ। তেতিয়া আন্ধাৰ নামি আহিব ধৰিছিল যদিও গাঁওখনৰ দুৰবস্থা তাদিকইঁতৰ চকুত পৰিল। তিব্বতীয় মানুহেৰে গাঁও যদিও পৰিবেশ সম্পূৰ্ণ ম্লান পৰি যোৱা। ঘৰবিলাৰ তিব্বতীয় ধৰণৰ যদিও কোনো উজ্জ্বলতা তাদিকইঁতৰ চকুত নপৰিল। শ্ৰীহীন ঘৰবিলাকৰ সম্মুখত দুই চাৰিজন তিব্বতীয় মানুহ বহি আছিল যদিও সিহঁতক বৰ উদাসীন যেন লাগিল তাদিকইঁতৰ।

'বৰ দুখীয়া গাঁও নহয়নে লেনডুপ?' ভ্ৰমণকাৰী দলটোৱে শাৰী পাতি যেই গৈ আছিল। লেনডুপ আৰু তাদিক গৈছিল এবাৰে বাৰে পিচপিনে। পামি এবাৰেপৰা তাদিকে লেনড়ুপৰ লগ এৰা নাই। আচল কথাবিলাক লেনডুপৰ পৰাই জানিব পাৰিব বুলি সি ধৰি লৈছিল।

'সৰু গাঁও যদিও এই গাঁওখনৰ কাহিনী বৰ দীঘলীয়া তাদিক। গাঁওখন মই আগতে দেখা নাই যদিও এইখন গাঁৱৰ বিষয়ে বহুত কথা শুনিছোঁ। পিচত কম বাৰু বুলি লেন্‌ডুপে চমুৱাই থলে।

দেশ ভ্ৰমণলৈ অহা তাদিকে তিব্বতৰে ইমান ভিতৰলৈ এই প্ৰথম আহিছে। তাৰো বাবে তিব্বত এখন ৰহস্যময় দেশ আছিল। লাচা নগৰত বৌদ্ধ ধৰ্মৰ দেৱতাসকল থাকে বুলি সি মনতে কল্পনা কৰি লৈছিল। এতিয়া সকলো কথা জানিবলৈ তাৰ আগ্ৰহ বাঢ়ি উঠিল।

'আজি নিশা তোমালোক ইয়াতে থাকিব লাগিব। তোমালোকৰ দেখা শুনা এখেতেই কৰিব।' ভ্ৰমণকাৰী দলটোৰ দায়িত্ব সামৰিক বিষয়া এজনক গতাই দিলে ভ্ৰমণ পৰিচালকজনে। সামৰিক বিষয়াজন নিম্ন পৰ্য্যায়ৰ। গাঁৱতে থকা সৰু সৈনিক শিবিৰটোৰ

দায়িত্বশীল বিষযা। বয়সো কম। মুখত মিঠা হাঁহি এটা অনবৰতে লাগি থকা দেখিলে তাদিকইঁতে । বিষযাজনে শিবিৰটোৰ খালী ঘৰ এটা লৈ গ'ল তাদিকইঁতক। থকা-মেলা ব্যৱস্থা নিজেই কৰিলে। প্ৰত্যেককে দুখনকৈ কম্বলো দিলে। নিশা অতিপাত ঠাণ্ডা পৰে কাৰণে কাঠ কযলা জ্বলোৱা ডাঙৰ পাত্ৰ এটাও অনাই দিলে। থকা-শোৱাৰ ব্যৱস্থা কৰাই দি বিষযাজন গুচি গ'ল।

'আনৰ নিচিনা নহয- অলপ বেলেগ যেন লাগিছে নহযনে লেন্‌ডুপ?'

'সাপৰ বিষ দাতঁতহে থাকে জিভাত নাথাকে তাদিক। এতিযাই ভাল বুলি ধৰি নল বা। আচল ৰূপটো পিচতহে দেখিবলৈ পাবা।'

লেন্‌ডুপৰ প্ৰতিটো কথাত হান বিৰোধীতা ক্ৰমান্বযে গাঢ হৈ পৰাতো তাদিকেও মন কৰিলে। লেন্‌ডুপ ধৰা পৰিলে তাৰো বিপদ হ'ব পাৰে বুলি তাদিকে অলপ ভাবিবলৈ বাধ্য হ'ল। যি নহ'লেও সি তিব্বতৰ মানুহ নহয যেতিযা তিব্বতীযসকলৰ ভাল-বেযাৰ লগত জড়িত হবলৈ তাৰ ইচ্ছা নহ'ল। নিজৰ দেশত সি অপৰাধ কৰি আহি ইযাতো অপৰাধী হ'ব নোৱাৰে বুলি তাদিকে ভাবিলে।

এনেতে সৈনিক শিবিৰটোত বিজুলী চাকি জ্বলি উঠিল যদিও গাঁওখনক যেন গভীৰ আন্ধাৰে গিলি পেলালে। জেঠাং গাৱঁত বিজুলী নজ্বলা দেখি পামি গাঁৱৰ কথা তাদিকৰ মনত পৰিল। পামি গাঁৱঁতো তিব্বতীয মানুহ বসবাস কৰে। জেঠাঙত কিয় বিজুলী নজ্বলে সেই কথা তাদিকৰ বোধগম্য নহল। পামি গাঁৱত তাদিকইঁতে ল'ৰা- ছোৱালীৰ হাই-উৰুমি শুনিছিল। সিইঁত যাওতে ল'ৰা-ছোৱালীবিলাকে আগুৰি নানান কথাও সুধিছিল। সেই তুলনাত জেঠাং গাঁওখন ইমান নিৰ্জীব কিয় তাদিকে নুবুজিলে। এই নিৰ্জীবতাৰ অন্তৰালত কি ৰহস্য আছে তাকে জানিবলৈ পিছদিনাৰ কাৰণে অপেক্ষা কৰিবলৈ তাদিকে মনতে চিন্তা কৰি ল'লে।

নিশাৰ আহাৰত গাহৰীৰ মঙহ দেখি লেন্‌ডুপে তাদিকলৈ চাই মিচিকিযাই হাঁহিলে। ওচৰতে সৈনিক এজন থিয় দি থকা কাৰণে একো মন্তব্য নিদিলে। মাখনবিহীন ৰঙা

চাহখিনি খাওঁতে লেন্‌ডুপে নাক কোঁচালে। কোনোবাই দেখে বুলি তলমূৰ কৰিযেই সি মুখৰ ভাব ঢাকি থবলৈ চেষ্টা কাৰলে।

'কমৰেডসকল এই সকলো খাদ্য জেঠাং যৌথপামৰ পৰাই আহিছে। জেঠাং অঞ্চল পূৰ্বতে দুৰ্ভিক্ষপীড়িত অঞ্চলৰ ভিতৰতে পৰিছিল। যৌথ পামৰ কমৰেডসকলে এই পুৰণি অপবাদৰ এতিয়া অন্ত পেলাইছে। জেঠাং অঞ্চল এতিয়া অকল স্বাবলম্বীযেই নহয়, আন অঞ্চলৰ মানুহকো খাদ্য-শস্য যোগান ধৰিব পৰা হৈছে। চিংত্ৰোৰ মন্থন কাৰ্য্যসূচীয়ে তিব্বতবাসীক এক অন্ধকাৰ অতীতৰ পৰা ক্ৰমান্বয়ে এক উজ্জ্বল ভৱিষ্যতৰ পিনে আগুৱাই লৈ যাব ধৰিছে। এই ৰূপান্তৰ অকল ইযাতে হৈছে এনে নহয়। এই ৰূপান্তৰ সমগ্ৰ তিব্বতত আৰম্ভ হৈছে সেই কথা ভ্ৰমণকালত তোমালোকে নিজেই দেখিবলৈ পাবা।

খোৱাৰ অন্তত দিয়া নিজৰ ভাষণত কেম্প কামাণ্ডেন্টে তিব্বত দেশৰ এখন ৰঙীন চিত্ৰ দাঙি ধৰিলে তাদিকহঁতৰ সম্মুখত। তাদিকেও লাগি শুনিলে কেম্প কামাণ্ডেন্টৰ কথাবিলাক। তাৰ বাবে সকলো নতুন। অতীতক সি ভালদৰে দেখা নাছিল কাৰণে বৰ্তমানৰ চৰিত্ৰকো সি বুজি নাপালে। তাদিকৰ তন্ময়তা দেখি লেন্‌ডুপৰ পেটে পেটে হাঁহি উঠিব খুজিলে। হান বিষয়াৰ গতানুগতিক ভাষণ শুনি তাদিকৰো মগজু ঘোলা হ'বলৈ আৰম্ভ হৈছে বুলি ভাবি তাৰ কৌতুক কৰিবলৈ ইচ্ছা উপজিল। বিষয়াজন যোৱালৈকে সি অপেক্ষা কৰিলে।

'পেট ভৰিল নে তাদিক?' তাদিকে প্ৰশ্নটোৰ অৰ্থ বুজি নাপালে।

'তুমি কি সুধিছা মই বুজা নাই লেন্‌ডুপ।'

'মানে চাম্পাগুড়ি খাই পেট ভৰিল নে হান বিষয়াৰ কথাই তোমাৰ পেট ভৰালে সেই কথাকে সুধিছোঁ।'

'কথাৰে কেতিয়াবা পেট ভৰে নেকি লেন্‌ডুপ?' তাদিকৰো হাঁহি উঠিল।

'হানসকলে এই দেশ দখল কৰাৰ পিচৰে পৰা তিব্বতবাসীৰ প্ৰধান খাদ্য হৈছে

দুবিধ। জানানে নাজানা?’

‘সেই দুবিধ খাদ্যনো কি কি লেন্‌ডুপ?

‘প্ৰথমবিধ খাদ্য হ’ল চৰকল আৰু দ্বিতীয়বিধ খাদ্য হৈছে দীঘলীয়া ভাষণ। বুজিলানে এতিয়া?

‘কথাবিলাক অলপ চাই-চিন্তি ক’বা লেনডুপ। নহ’লে কেতিয়াবা বিপদত পৰিবা। আকাশলৈ ফৰমুটিযালে নিজৰ মূৰতে ঘূৰি আহি পৰে নাজানা নেকি?’

লেন্‌ডুপক সকীয়াই দিলে যদিও সেযা যে কামত নাহিব তাদিকেও জানে। দহ বছৰীয়া শিক্ষাইও যি লেনডুপক হানৰ অনুগামী কৰি তুলিব নোৱাৰিলে, সেই ল’ৰাজনৰ হাতৰ আঙুলিবিলাক এটা এটাকৈ কাটি পেলালেও সি হানৰ আনুগত্য কেতিয়াও মানি নলব বলি তাদিকে বুজিলে।

জানো তাদিক মই সকলো জানো। পাপা আমা নোহোৱা হৈ হৈছে। ভাই-ভনীবিলাকো মৰিল নে আছে নাজানো। মইও এদিন নোহোৱা হৈ গ’লে কাদোতা কোনো নাথাকিব সেই কথাও জানে’ তাদিক।

কথাখিনি কওঁতে লেনডুপৰ চকুত যেন মৰণজয়ী দৃঢ়তা দেখিলে তাদিকে। লেনডুপৰ প্ৰতি তাদিকৰ সমবেদনা আৰু গভীৰ হৈ পৰিল।

জেঠাং গাঁৱৰ কথা যে তুমি ক’ম বুলি কৈছিলা এতিয়া কোৱা।’ শুৱৰ সময়ত লেনডুপৰ ওচৰ চাপি তাদিকে অনুৰোধ কৰিলে।

এই জেঠাং গাঁৱতে এদিন নৰবুএ বিদ্ৰোহী ঘাটি গঢ়ি তুলিছিল।’

‘নৰবু কোন লেন্‌ডুপ?

খাম্পা বিদ্ৰোহী নেতা চোনাম নৰবু।

চোনাম নৰবু চোনাম নৰবু এই নামটো মই শুনা শুনা যেন লাগিছে লেন্‌ডুপ। কোৱাচোন আৰু কি কি জানা?’

‘চোনাম নৰবু পুব তিব্বতৰ এজন সম্ভ্ৰান্ত মানুহ আছিল। ধন-সম্পত্তিও আছিল

অগাধ। নৰবুৰ সৰু ভায়েকজন আছিল এটা সৰু মঠৰ অৱতাৰী লামা। হানক খাজনা শোধাবলৈ যাওঁতে এদিন নৰবুক হান সৈনিকে বেতেৰে কোবাইছিল। সেই ঘটনাৰ পিছৰে পৰা নৰবু বিদ্ৰোহী হৈ উঠিছিল।'

'তাৰ পিচত?'

'তাৰ পিচত যি হব লগা আছিল সেয়ে হৈছিল। পূব তিব্বতৰ হাজাৰ হাজাৰ খাম্পাসকলৰ নিচিনাকৈ নৰবুযেও এদিন গাঁও এৰি পৰ্বতলৈ গুচি গৈছিল। লগত লৈ গৈছিল ৰাইফল।'

'নৰবু অকলশৰীয়া আছিল নেকি? ল'ৰা-তিৰোতা কোনোবা আছিল নে নাই?'

'আছিল। ল'ৰা এটাই আছিল তাকো দিছিল কুম্বুম মঠত। পূব তিব্বত দখল কৰি লোৱা হান অত্যাচাৰত অতিষ্ঠ হৈ সেই ল'ৰাজনেও মঠ নিবাসী লামাসকলৰ লগতে গুচি গৈছিল পৰ্বতলৈ। যোগ দিছিল বিদ্ৰোহী বাহিনীত।

'নিজা বুলিবলৈ ল'ৰাটো বাদে আন কোনো আছিল নেকি নৰবুৰ?' দুটা পৃথক ঘটনাৰ মাজত তাদিকে যোগসূত্ৰ এডাল বিচাৰি উলিয়াবৰ চেষ্টা কৰিলে। চিঙি যোৱা মৰম-চেনেহৰ ডোলডাল সি জোৰা লগাব বিচাৰিলে।

'আছিল বুলি মানুহে কোৱা শুনিছিলোঁ।

''কোন কোন আছিল বুলি মানুহে কৈছিল লেন্‌ডুপ?' তাদিকৰ কৌতূহল বাঢ়ি উঠে।

'ঘৈণীয়েক আৰু এজনী জীয়েক।

'ঘৈণীয়েক আৰু জীয়েকৰ কি হ'ল লেন্‌ডুপ?'

আন্ধাৰ কাৰণে তাদিকৰ চকুৰ ব্যগ্ৰতা লেন্‌ডুপে দেখা নাপালে।

'দালাই লামাই দেশ এৰি গুচি যোৱাৰ লগে লগে হাজাৰ হাজাৰ তিব্বতীয়ইও দেশ ত্যাগ কৰি ভাৰতলৈ গৈছিল। চোনাম নৰবুৱেও নিজৰ ঘৈণীয়েক আৰু জীয়েকক ভাৰতৰ সীমান্ত পাৰ কৰাই দিছিল।'

'কোনখিনিত পাৰ কৰাইছিল জানানে লেন্‌ডুপ?'

'ওহো নাজানো।'

'নৰবুও সীমা পাৰ কৰি যোৱা নাছিল নেকি?'

'ঘৈণীয়েক জীয়েকক সীমান্ত পাৰ কৰাই থৈ নৰবু উভতি ঘূৰি আহিছিল স্বদেশৰ মাটিলৈ হানৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ।'

'নৰবু বৰ ওখ ডাঙৰ বলবান মানুহ আছিল নেকি লেন্‌ডুপ?' মনৰ ভিতৰত মচ খাই যাব ধৰা নৰবুৰ কল্পিত ছবিখন তাদিকৰ বাবে লাহে লাহে স্পষ্ট হৈ উঠিব ধৰে।

তেনেকুৱাই আছিল বুলি মানুহে কৈছে। যোঁৱা চলোৱাতো হেনো বৰ পাকৈত আছিল।

মিলিছে মিলিছে লেনডুপ। সেইজন নৰবুযেই এইজন চোনাম নৰবু এতিয়াহে বুজিলো ।

'কাৰ কথা কৈছা তাদিক? লেনডুপো অলপ আচৰিত হয়।

'মই যি ঠাইৰ পৰা পলাই আহিছোঁ তাত এগৰাকী তিব্বতীয় ভগনীয়া তিৰোতা আছে। লগতে জীয়েকো আছে। এওঁলোক চোনাম নৰবুৰে ঘৈণীয়েক আৰু জীয়েক এতিয়াহে বুজিলোঁ।

'মাকে জীয়েকে কি কৰিছে তাত থাকি?'

সেইবিলাক বহুত কথা লেনডুপ। এতিয়া কোৱা চোনাম নৰবু ক'ত আছে।'

'চোনাম নৰবু আৰু নাই। হানৰ বিৰুদ্ধে যুজি যুজি মৰিল বুলি মানুহৰ মুখত শুনিছোঁ। বিদ্ৰোহী নৰবুও এই জেঠাওতে ঘাটি পাতি হানৰ বিৰুদ্ধে বহুদিন ধৰি যুদ্ধ কৰিছিল হেনো। এতিয়া শোৱা, বহুত ৰাতি হ'ল। ইমান ৰাতিলৈ কথা পাতি থকা বুলি হানে গম পালে কাইলৈ কৈফিয়ৎ দিব লাগিব জানানে নাই?'

কথাখিনি শেষ কৰি বাগৰ সলায় লেন্‌ডুপ শুই পৰিল, কিন্তু শুব নোৱাৰিলে তাদিকে। পেমাইঁতৰ চিন্তা তাৰ মনলৈ বহুদিনৰ পিচত পুনৰ উভতি আহিল। পেমাইঁতৰ দুৰৱস্থাই

তাৰ মনত সহানুভূতিৰ অনুভৱ পুনৰ জগাই তুলিলে। নৰবু উভতি যাব বুলি গভীৰ প্ৰত্যাশাৰে সীমান্তৰ দিশলৈ চাই থকা পেমাহঁতৰ শোকলগা দৃশ্যটো তাৰ বাবে অসহনীয় হ'ল। সিহঁত আশ্ৰয়হীনা ভগনীযা আৰু সি হত্যাকাৰী পলৰীযা মানুহ বুলি ভাবি উচপিচাই থাকোতে তাৰো টোপনি আহিল।

পিচদিনা পুৱা সৰু সৰু ল'ৰা-ছোৱালীৰ ক্ষীণ কোলাহলত তাদিক সাৰ পাই উঠিল। উঠি দেখিলে লেনডুপ নাই। 'দুৱাৰদলিত থিয় দি লেন্‌ডুপে একেথিৰে বাহিৰলৈ কি-বা চাই আছে। চকু মোহাৰি তাদিকো গৈ লেন্‌ডুপৰ কাষতে থিয় দিলে।

'কি কৰিছা লেন্‌ডুপ?

'চাইছোঁ।' লেনডুপৰ সৰল উত্তৰ শুনি তাদিকেও বাহিৰলৈ জুমি চালে।

'কিনো চাইছা?'

তিব্বতবাসীৰ শোকাবহ পৰিণতিকে চাইছোঁ। হানে তোমাক দেশ ভ্ৰমণলৈ পঠিযাইছে নহয় তুমিও চোবা। এই বুলি বাহিৰলৈ আঙুলিযাই দেখুৱালে লেন্‌ডুপে। সেই ইংগিত অনুসৰণ কৰি তাদিকৰ চকু পৰিলগৈ অস্থি চৰ্মসাৰ কেইটামান কণ কণ ল'ৰা ছোৱালীৰ ওপৰত। হাতে হাতে গছ-পাত একোখিলা লৈ সেই বুভুক্ষু ল'ৰাছোৱালীকিটা থিয় দি আছিল সৈনিক শিবিৰৰ ৰন্ধনশালাৰ দুৱাৰমুখত।

কি কৰিছে সিহঁত তাত থিয় দি লেন্‌ডুপ? সিহঁত ক'ৰ ল'ৰা-ছোৱালী?'

'হানৰ উচ্ছিষ্ট হাত পাতি বিচাৰিছে। ইহঁত এই জেঠাং গাঁৱৰে ভৱিষ্যত বংশধৰ। চকুমেলি চাই লোৱা তিব্বত দেশৰ প্ৰগতি-চাই লোৱা তিব্বতবাসীৰ সুখ-সমৃদ্ধিৰ ছবিখন।'

পামি গাঁৱততো এনে পৰিৱেশ দেখা নাছিলো লেন্‌ডুপ? পামিৰ তুলনাত এইখনৰ অৱস্থা ইমান কিয় পুতৌলগা বুজিব পৰা নাই যে। সৌ তিৰোতাজনীযে ঘৰৰ মুখত থিয় দি ল'ৰা-ছোৱালীকিটালৈ কিমান আকুলতাৰে চাই আছে মন কৰিছানে? কি কথা লেন্‌ডুপ?'

পামিখন হানে পতা নতুন গাঁও। তাত সকলো আছে। হস্পিটাল, স্কুল, বিজুলী একোৰে অভাৱ নাই। এইখন গাঁৱত চোনাম নৰবুৱে বিদ্ৰোহৰ ঘাটি পাতিছিল। জেঠাং গাঁওবাসীৰ সেয়ে অপৰাধ। বুজিলানে এতিয়া?

এনেতে এজন হান সৈনিক সিহঁতৰ পিনে আহি থকা দেখি লেন্‌ডুপে কথা-কোৱা বন্ধ কৰিলে। সিহঁত দুয়ো ঘৰটোৰ ভিতৰলৈ সোমাই আহিল। সৈনিকজনে ভ্ৰমণকাৰী দলটোক প্ৰাতঃভোজনৰ আদেশ শুনাই গুচি গ'ল। অলপ পিচতে সকলোৱে ভোজনকক্ষত গৈ থিয় দিলে। তিব্বতীয় চুৱা পিন্ধা লেন্‌ডুপক দেখি ভোকাতুৰ ল'ৰা-ছোৱালী কিটা ওচৰ চাপি আহিল।

ঙা-জু-ট্ৰোকো-টকিডু ' ঙা-জু-ট্ৰোকো-টকিডু

আমি ভোকাতুৰ বুলি ল'ৰা ছোৱালী কিটাই খীণ মাতেৰে কোলাহল লগালে। লেন্‌ডুপ বিমোৰত পৰিল। সিহঁতৰ দুৰৱস্থা দেখি তাৰ মনে সহিব নোৱাৰিলে।

কেইৰা‚জু কেনেই ৰেই? তোমালোক ক'ৰ ল'ৰা-ছোৱালী বুলি লেনডুপে সুধিযেই পেলালে।

ঙা জু জেঠা‚ নেই ইন্ আমি সকলো জেঠাঙৰ বুলি উত্তৰ দি সিহঁতে আৰু অধিক ওচৰ চাপি আহিল।

পামা ডু গে? মা দেউতাৰা আছেনে বুলি আকৌ সুধিলে লেন্‌ডুপে।

'ডু-ডু আছে আছে বুলি লগে লগে উত্তৰ দিলে সিহঁতে।

এনেতে সৈনিক এজন আগবাঢি আহি লেন্‌ডুপ আৰু ল ৰা-ছোৱালীকিটাৰ মাজত থিয় দিলে। লেন্‌ডুপলৈ চাই 'কথা কোৱা নিষেধ বুলি গহীনাই সকীয়াই দিলে। ল'ৰা-ছোৱালীকিটাক খেদিও নিদিলে খঙো নকৰিলে। ভগ্ন মনেৰে সিহঁত পুনৰ উভতি গল ৰান্ধনী ঘৰৰ দুৱাৰ মুখলৈ। দুই এজনে কান্দিলেও। কোনো সহানুভূতি প্ৰকাশ নকৰাকৈয়ে সৈনিকজন উভতি গ'ল নিজৰ কৰ্তব্য স্থানলৈ।

'কি বুজিলা লেন্‌ডুপ?

'তিব্বতলৈ উভতি অহা মোৰ দুবছৰেই হ'ল যদিও এনে পৰিস্থিতি মই আন ঠাইত দেখা মনত নপৰে। কিবা এটা ৰহস্য নিশ্চয় আছে।'

প্ৰাতঃ খাদ্য খাই থাকোতেই কেম্প কমাণ্ডাৰজন সোমাই আহিল। লেন্‌ডুপৰ ওচৰত

আহি থিয দি ক'লে—

'যিমানখিনি কথা তোমালোকে জনা উচিত সিমান খিনি কথা আমিযেই জনাম। তাৰ অধিক জানিবৰ চেষ্টা নকৰাই ভাল। তুমি এজন শিক্ষিত ল'ৰা। তোমাক এজন প্ৰগতিশীল যুৱকৰূপে গঢ়ি তুলিবলৈ তিব্বত প্ৰশাসনে বহুত ধন ব্যয কৰিছে। তুমি নিযম ভংগ নকৰিবা বুলি আমি আশা কৰিব পাৰোনে লেন্‌ডুপ?

বিষযাজনে কোৱা কথাকিটাত কোনো ক্ৰোধ নাছিল যদিও সেযা যে এটা কঠিন সকী যনি আছিল সেই কথা বুজিবলৈ লেন্‌ডুপৰ সময নালাগিল।

'সিহঁতে ভোক লাগিছে বুলি কোৱা কাৰণেহে মোৰ মনটো অলপ বেযা লাগিছিল কমৰেড। লেন্‌ডুপে ব্যাখ্যা দিবলৈ চেষ্টা কৰিলে।

এইখন গাঁৱৰ কথা তুমি নাজানা কিজানি।

'নাজানো কমৰেড।' লেন্‌ডুপে ইচ্ছা কৰিযেই মিছা উত্তৰ দিলে বুলি তলমুৰ কৰি খাই থকা তাদিকে ভাবিলে। লেন্‌ডুপৰ ওপৰত যে চকু পৰিছে সেই কথাও অনুমান কৰি তাদিকৰ মনত ভয উপজিল।

'তোমালোকে মোৰ কথাবিলাক মনদি শুনিবা। দেশ ভ্ৰমণলৈ আহিছা যেতিযা এই দেশৰ কথা কিছুমান তোমালোকে আগতিযাকৈ জনা উচিত। এটা সমযত এই দেশ শাসন কৰিছিল দালাই লামা বোলা ধৰ্মীয নেতা এজনে। ধৰ্মৰ নামত মানুহবিলাকক অন্ধ কৰি ৰখা হৈছিল। মহান চীন দেশৰ মুক্তি বিপ্লৱৰ বাতৰি এটা সমযত এই তিব্বত দেশলৈকো বিযপি পৰিব ধৰিছিল। নিজৰ ক্ষমতা হেৰুৱাবৰ ভযত দালাই লামা বোলা ধৰ্ম্মীয গুৰুজনে সাম্ৰাজ্যবাদী শক্তিৰ ওচৰত সহায বিচাৰি আঁঠু লব ওলাইছিল। যিদিনা আমাৰ মহান গণমুক্তি বাহিনীযে প্ৰৱঞ্চিত তিব্বতবাসীক সাম্ৰাজ্যবাদীৰ গ্ৰাসৰ পৰা ৰক্ষা কৰিবলৈ আগুৱাই আহিল সিদিনা দালাই লামাই দেশ এৰি পলাই গুচি গৈছিল। পলাই যাওঁতে সুদাহতে যোৱা নাছিল। ধৰ্মৰ নামত জনগণৰ পৰা ঠগি লোৱা অসংখ্য সোণ-ৰূপ চুৰ কৰি লৈ গৈছিল নিজৰ লগত।

কথাখিনি কৈ সামৰিক বিষযাজনে তীক্ষ্ণ দৃষ্টিৰে ভ্ৰমণকাৰীসকলৰ চকুলৈ চাই গ'ল প্ৰতিক্ৰিযা বিচাৰি। সেই তীক্ষ্ণ দৃষ্টি ঘূৰি ঘূৰি আহি লেন্‌ডুপৰ চকুত থমকি ৰ'ল।

'হযনে নহয লেন্‌ডুপ?

'মই তেতিয়া সৰু আছিলো কমৰেড। দেশৰ কথা বুজিবৰ মোৰ বয়স হোৱা নাছিল।'

এতিয়াতো তুমি যুৱক হৈছা। পিকিঙৰ পৰা উভতি আহি এইবিলাক কথা শুনিছানে নাই?'

এতিয়া শুনিছোঁ কমৰেড?

"শুনি কি বুজিছা?'

বিষয়াজনৰ এই অনুসন্ধানী প্ৰশ্নৰ কি উত্তৰ দিব বুদ্ধিমান লেন্‌ডুপে লগে লগেই ঠিক কৰি পেলালে।

'দহজনে যি বুজিছে মইও তাকেই বুজিছোঁ কমৰেড।

'দহজনে কি বুজিছে আমাকো বুজাই ক'বানে? এইবাৰ লেনডুপ অলপ শলঠেকত পৰা যেন হ'ল। ভুল উত্তৰ দিলে ভুগিব লাগিব বুলি সি জানে। তোষামোদী উত্তৰ দিবলৈকো সি সংকোচ কৰিলে।

দালাই লামাই দেশ এৰি গুচি যোৱাতো ভুল হৈছে। তিব্বতবাসীৰ সমস্যা তিব্বতৰ মাটিতে সমাধান হোৱাতো উচিত ইয়াকে কৈছে সৰ্বসাধাৰণ মানুহে কমৰেড।

লেনডুপৰ উত্তৰত সশস্ত্ৰ প্ৰতিৰোধৰ অৰ্থ হয়তো বিষয়াজনে বিচাৰি নাপালে

তোমালোকে লেনডুপৰ উত্তৰ শুনিলানে? তিব্বতৰ জনসাধাৰণে আজি ইয়াকেই বিচাৰিছে। তিব্বতবাসীৰ সকলো সমস্যা তিব্বতৰ মাটিতেই সমাধান হ'ব লাগিব। তিব্বত চীন দেশৰ এটা অংশ। আজি হাজাৰ বছৰ ধৰি ধৰ্মীয় আন্ধাৰত ডুব গৈ আছিল। এতিয়া মুক্তিৰ মহান আহ্বান লৈ আহিছে গণমুক্তি ফৌজৰ সাহসী সেনানিয়ে। কিন্তু শান্তিকামী তিব্বতবাসীৰ দুৰ্ভাগ্য এয়ে যে দেশ এৰি পলাই যোৱা দালাই লামাৰ দালাল কিছুমানে বন্দুকেৰে চীনদেশৰ গণমুক্তি ফৌজক বাধা দিব বিছাৰিছে। এই দালালসকলৰে মাজত অন্যতম দালাল আছিল চোনাম নৰবু। বিদ্ৰোহী চোনাম নৰবুক আশ্ৰয় দি জেঠাং বাসীয়ে মহান গণমুক্তি ফৌজৰ অভিযানক বাধা দিব বিচাৰিছিল। কিন্তু নোৱাৰিলে। গণমুক্তি ফৌজৰ হাতত চোনাম নৰবু নিহত হ'ল। চোনাম নৰবুৰ সহযোগীসকলোকো নিৰ্মূল কৰি পেলালে মুক্তি ফৌজে।

জেঠাংবাসীৰ ওপৰত কিন্তু কোনো প্ৰতিশোধমূলক আচৰণ কৰা হোৱা নাই। নিজৰ পুৰণি বিশ্বাস আৰু প্ৰথা মতেই চলিবলৈ এৰি দিয়া হৈছে । আনকি এই গাঁৱৰ ধন-সম্পত্তিকো বাজেয়াপ্ত কৰা হোৱা নাই। খেতি-পথাৰ, মঠ-মন্দিৰ সকলো আগৰ দৰেই

ৰাখি থোৱা হৈছে। জেঠাংবাসীৰ পৰা আমি একো লোৱাও নাই আৰু একো দিযাও নাই দেশৰ মানুহ যেনেদৰে তিলতিলকৈ মৰিব লগা হৈছিল জেঠাংবাসীও তেনেদৰেই মৰিব লাগিব।

তিব্বত দেশ মুক্ত হ'ল যদিও জেঠাংবাসীৰ মুক্তি আজিও নাহিল। অলপ আগতে তোমালোকে তাৰেই এক জীৱন্ত দৃশ্য নিজ চকুৰে দেখিলা। চাবলৈ আৰু বহুত বাকী আছে জেঠাং গাঁৱত। ইযাৰ পিচতে তোমালোকক লৈ যোৱা হ'ব তালৈ। পুৰনি আৰু নতুনৰ মাজত ব্যৱধান কিমান সেই কথা তোমালোকে জেঠাং গাঁৱতে দেখিবলৈ পাবা। তোমালোকৰ নিচিনাকৈ বিভিন্ন ঠাইৰ ভ্ৰমণকাৰী আহি জেঠাং গাঁও ইতিমধ্যে চাই গৈছে। প্ৰতিজন ভ্ৰমণকাৰীযে একেই মতামত দি গৈছে যে "দালাই লামাৰ অনুগামীসকল জেঠাংবাসীৰ নিচিনাকৈযে তিলতিলকৈ শেষ হৈ যাব লাগিব।'

কমাণ্ডেন্টজনে ভাষন শেষ কৰি গুচি যোৱাৰ পিচতেই পাৰ্টিকেডাৰ এজন আহি উপস্থিত হ'ল। ভ্ৰমণকাৰী দলটোক লৈ যোৱা হ'ল জেঠাং গাঁৱৰ ওচৰলৈ। অচিনাকি মানুহ অহা দেখি দুৱাৰদলিত বহি থকা গাঁওবাসী দুজনমান ঘৰৰ ভিতৰলৈ সোমাই গ'ল। তাদিকইঁতে দেখিলে ঘৰবিলাক পুৰণি উবলি যোৱা। মেৰামতিৰ কোনো চিনচাব নাই। ঘৰবিলাকৰ গঠন প্ৰণালী সম্পূৰ্ণ স্থানীয চৰিত্ৰৰ যদিও পৰম্পৰাগত তিব্বতীয কলা-সংস্কৃতিৰ কোনো চিনচাব তাদিকইঁতৰ চকুত নপৰিল। তিব্বতীযসকলৰ ঘৰৰ ওপৰত সচৰাচৰ উৰি থকা মন্ত্ৰপুত পতাকা এখনো তাদিকইঁতে দেখা নাপালে।

'মানুহবিলাক ক'ত লুকাই আছ ওলাই আহ্। তইঁতৰ উন্নতি চাবলৈ নতুন দৰ্শকসকল আহিছে গম পোৱা নাই নেকি?

কেডাৰজনে আদেশৰ সুৰত কোৱা কথাকিটাত খণ্ডতকৈ ইতিকিংহে বেছি প্ৰকাশ পালে। দুৰদশাগ্ৰস্ত জেঠাংবাসীক লৈ কৰা এই ইতিকিঙে লেন্‌ডুপৰ অনুভূতিক গভীৰভাৱে আঘাত কৰিলে। পুৰণি পদ্ধতিৰে জীযাই থকাৰ সুযোগ দিযা বুলি কৈ জেঠাংবাসীক যে তিলতিলকৈ মৃত্যুৰ মুখলৈ গতিযাই দিযা হৈছে সেই কথা বুজিবলৈ লেন্‌ডুপৰ সময় নালাগিল।

'পৰিবৰ্তনৰ বিৰুদ্ধে থিয দিব গৈ জেঠাংবাসীয়ে নিজেই আত্মহত্যাৰ পথ বাছি

লৈছে তাত আমাৰ কৰিবলগীয়া একোৱেই নাই। ব্যক্তিগত মালিকী স্বত্বৰ অধীনত এখন দুখীয়া সমাজত কিমান অসমতা আৰু বিশৃংখলতা আহিব পাৰে তাকে দেখুৱাবলৈ আমি জেঠাংবাসীক পুৰণি প্ৰথামতে চলাৰ অধিকাৰ এৰি দিছোঁ। সৰ্বহাৰা সমাজৰ বাবে গণতান্ত্ৰিক সমাজ ব্যৱস্থা যে এটা ৰাজনৈতিক প্ৰৱঞ্চনাৰ বাদে আন একো নহয় তাৰ প্ৰমান এই জেঠাংবাসীয়েই যথেষ্ট বুলি আমি ধৰি লৈছো। পুৰণি আৰু নতুন সমাজ ব্যৱস্থাৰ ব্যবধান চাবলৈ যিমান ভ্ৰমণকাৰী জেঠাঙলৈ আহিছে তেওঁলোকৰ প্ৰত্যেকজনেই স্বীকাৰ কৰি গৈছে যে সমাজবাদ তিব্বত দেশলৈ কেতিয়াবাই আহিব লাগিছিল তিবৃতবাসীৰ প্ৰতি কৰা সামাজিক অপৰাধৰ বাবে দালাই লামাৰ মুকলি বিচাৰ হব লাগে বুলি দাবীও উত্থাপন কৰি গৈছে ভ্ৰমণকাৰীসকলে। মহান নেতা মাও-জে-ডঙকে আজি তিব্বতীয় জাতিৰ ত্ৰাণকৰ্তা বুলি স্বীকাৰ কৰি লৈছে। আনকি তেওঁলোকে এই মহান নেতাগৰাকীৰ চিত্ৰৰ সম্মুখত জিভা উলিয়াই সন্মানো জনাইছে।

'মিছা কথা 'মিছা কথা বুলি লেন্‌ড়ুপে মুখৰ ভিতৰতে প্ৰতিবাদ কৰি উঠিলে। আগলৈ হাউলি জিভাৰ আগটো উলিয়াই উশাহ টানি লোৱাতো তিব্বতবাসীৰ ধৰ্মীয় প্ৰণাম। এই ধৰ্মীয় প্ৰণাম অকল দালাই লামাৰ হে প্ৰাপ্য। ধৰ্মহীন হান কমিউনিষ্টএ এই প্ৰণাম পাবৰ যোগ্য নহয়। কোনো তিব্বতবাসীয়ে এনে অধৰ্ম আচৰণ কেতিয়াও নকৰে বুলি লেনড়ুপে জানে। যদি কোনোবাই তেনে আচৰণ কৰিছেও তেনেহলে সিও যে কমিউনিষ্ট হানৰ এক ৰাজনৈতিক প্ৰদৰ্শনৰ বাদে আন একো নহয় সেইকথাও লেন্‌ড়ুপে নুবুজাকৈ নাথাকিল।

ইতিমধ্যে দুজন বৃদ্ধ গাঁওবাসী ভীত সন্দিগ্ধভাৱে ভ্ৰমণকাৰী দলটোৰ ওচৰত আহি থিয় দিলেহি। সিহঁতে চকু তুলি চাবলৈ সাহস বিচাৰি নাপালে।

পৰিবৰ্তনৰ বিৰুদ্ধে তহঁতে এদিন হাতত অস্ত্ৰ তুলি লৈছিলি নহয়- এতিয়া দেখুৱাই দে তহঁতৰ ধৰ্মই কিমান সুখ-সমৃদ্ধি আনি দিব পাৰিলে তহঁতৰ বাবে।'

বিমৰ্ষিত মনেৰে থিয় দি থকা মানুহ দুজনৰ বয়োজ্যেষ্ঠ বৃদ্ধজনে আঁঠুকাঢি পাৰ্টি কেডাৰজনৰ কৰঙনত খামোচ মাৰি ধৰিলে।

'আমাক গুলিয়াই মাৰি পেলোৱা এনেদৰে যাতনা দি নামাৰিবা।

'এতিয়া কিয় আঁঠু কাঢিছ বৃদ্ধ? তহঁতৰ দুৰ্দশাৰ কাৰণে আমি অকণো দাযী নহয়। দাযী তহঁতৰ ভগৱান দালাই লামা।' কথাখিনি কৈ পাৰ্টি কেডাৰজনে ভৰি দুখন আঁতৰাই

আনিলে। বৃদ্ধজনৰ হাতৰ মলি লগা পেন্টটো আঙুলিৰে টুকুৰিযাই দিলে।

'যি কৰিবৰ মন আছে আমাকে কৰা। "গ্যাঙ্গো ৰিম্পোচে"ৰ নাম নল'বা।

"হাতযোৰকৈ কাকুতি জনালে বৃদ্ধজনে। সেই কাকুতি-মিনতিত হানৰ দযা-মমতা বিচৰাতকৈ দালাই লামাৰ প্ৰতি থকা প্ৰগাঢ ভক্তিভাৱ হে অধিক বিকশিত হৈ পৰিল।

'কি কলি বৃদ্ধ এতিযাও জ্ঞান নাহিল তইঁতৰ? যা সৌ মন্দিৰত গৈ পূজা কৰ, পেট এনেযে ভৰিব। ভুত-খেদা মন্ত্ৰ মাত বেমাৰ দূৰতে পলাব' এই বুলি বৃদ্ধজনৰ কান্ধতে গোৰ এটা মাৰিলে ডেকা পাৰ্টি কেডাৰজনে। গোৰ খাই বৃদ্ধ লুটি খাই পৰিল।' ওম-মনি-পদ্মে-হুম বুলি মন্ত্ৰ উচ্চাৰণ কৰি কৰি অসীম মনোবলেৰে বৃদ্ধজন পুনৰ উঠি বহিল। চকুৰ পানী চকুতে শুকাল। প্ৰবল আত্মবিশ্বাসেৰে কেডাৰজনলৈ উভতি চাই ক'লে--

"জীৱ মৰিবলৈকেহে ওপজে। স্বধৰ্মত থাকি মৰিলে আত্মাৰ বিনাশ কেতিযাও নহয। এই দেহাটো আত্মাৰ অস্থাযী আলয মাত্ৰ। আজি আছে কাইলৈ নাথাকিবও পাৰে।'

এই বুঢা তই মোক ৰাজনীতি শিকাবলৈ আহিছ নহযনে?' এই বুলি বৃদ্ধজনৰ মুখতে পাৰ্টিকেডাৰজনে দ্বিতীয গোৰটো মাৰিলে। ওঠ ফাটি লগে লগে বৃদ্ধৰ মুখত তেজ ফুটি ওলাল। স্বদেশবাসীৰ যাতনা দেখি লেন্‌ডুপৰ মনে সহিব নোৱাৰিলে। আগবাঢি আহি বৃদ্ধ আৰু পাৰ্টি কেডাৰজনৰ মাজত থিয দি পৰিল।

'হ'ব কমৰেড। বৃদ্ধ মানুহ, এদিন এনেযে মৰিব।' বাধা পাই কেডাৰজনে পেন্দোৰকৈ লেন্‌ডুপৰ পিনে চালে।

তোমাৰ মনত সহানুভূতি উপজিল নেকি? কেডাৰজনৰ এই তীক্ষ্ণ প্ৰশ্নৰ উত্তৰ লেন্‌ডুপে লগে লগেই দিলে।

'অকণো সহানুভূতি ওপজা নাই। লেতেৰা মানুহজনৰ গাৰ মলি লাগি তোমাৰ কাপোৰযোৰ লেতেৰা হয বুলিহে ভাবিছোঁ কমৰেড।'

'ঠিকেই কৈছা তুমি। এতিযা তোমালোকে মন্দিৰটো চাবা ব'লা।' কেডাৰজনে পেন্টটোত আকৌ টুকুৰিযাই দিলে।

গাঁওখনৰ পৰা ওলাই যোৱা বাটৰ মুখতে মন্দিৰটো। দেখিলেই অনুমান হয শতবৰ্ষ পুৰণি। ভ্ৰমণকাৰী দলটো মন্দিৰটোৰ কাষ পাওঁতে এজন বৃদ্ধ ভিক্ষুৱে পিৰালিতে বহি ধ্যানমগ্ন হৈ আছিল। গভীৰ শ্ৰদ্ধাত তন্ময হৈ থকা ভিক্ষুজনে কোনোবা আহিছে বুলিও

অনুভৱ নকৰিলে। হালধীয়া "দাগাম' পিন্ধা গোলুকপা ভক্তজনৰ শুকান ওঁঠৰ পৰাই উচ্চাৰিত হৈছিল মহাযান পন্থৰ মহামন্ত্ৰ-----

বুদ্ধং চৰণ্‌ গচ্ছামি

ধৰ্ম্ম চৰণ্‌ গচ্ছামি

চংঘ চৰণ্‌ গচ্ছামি।

'সমগ্ৰ বিশ্বত দেশ আজি সলনি হব ধৰিছে অথচ সংশোধন হব খোজা নাই এই ধৰ্মান্ধ বৃদ্ধ শ্ৰেণীটো। এই বৃদ্ধ শ্ৰেণীটো অকল সমাজৰে বোজা হৈয়ে থকা নাই ইহঁতে উঠি অহা তৰুণসকলৰ মনবিলাকো পংগু কৰি পেলাইছে। চিংত্ৰোৰ জয়যাত্ৰাত এই পুৰণি শ্ৰেণীটোৱেই প্ৰধান অন্তৰায় হৈ পৰিছে।

কথাখিনি কৈয়ে ক্ৰুৰমতিৰ কেডাৰজনে খটখটি বগাই পিৰালিলৈ উঠি যাব ধৰোতেই লেন্‌ডুপে মাতিলে।

প্ৰথমে আমি মন্দিৰটোৰ চাৰিওফালটো চাই আহিব পাৰোনে কমৰেড? লেনডুপৰ প্ৰস্তাৱটো শুনি প্ৰথম ঢাপতে কেডাৰজন ৰৈ গ'ল।

'ভাল কথা। প্ৰথম মন্দিৰটোৰ বাহিৰ অংশটোকে চাই অহা ভাল হব। মন্দিৰটো সাজোতে এই অন্ধ সমাজে কিমান শ্ৰম আৰু ধন বিনিযোগ কৰিছিল দেখিলেই বুজি পাবা —ব'লা।

কেডাৰজনক খটখটিটোৰ পৰা তললৈ নামি অহা দেখি লেনডুপৰ আশংকা আঁতৰিল। এজন নিৰাসক্ত ভিক্ষুৰ সাম্ভাব্য নিৰ্য্যাতনৰ পৰা অব্যাহতি দিব পৰিলে বুলি লেন্‌ডুপে অনুভৱ কৰিলে।

এইটো আছিল মন্দিৰটোৰ খাদ্য ভঁৰাল। কৃষি ভূমিৰ খাজনা হিচাপে দুখীয়া জনগণৰ পৰা কাটি অনা খাদ্য সামগ্ৰী ইয়াতে সঞ্চিত কৰি ৰখা হৈছিল। এই সঞ্চিত খাদ্যকে কুৰিজন মানুহে ধৰ্মৰ নামত বহি বহি খাইছিল। কিন্তু এই কুৰিজন পৰশ্ৰম ভোগী মানুহে যিমান খাইছিল তাতকৈ এশগুণ বেছি খাদ্য খাই পেলাইছিল মন্দিৰৰ চুকে কোণে থকা শ শ নিগনিয়ে। নিগনি খেদিব মাৰিব নাপায় বুলি ভাবে ইহঁতে। নিগনি বিলাকতো হেনো কোনোবা মৃত মানুহৰ আত্মা সোমাই থাকিব পাৰে বুলি ইহঁতে বিশ্বাস কৰে। দালাই লামাৰ ধৰ্মীয় দালালসকলেই জনসাধাৰণৰ মনত সুমুৱাই দিছিল এই অন্ধ বিশ্বাস। জনসাধাৰণৰ মুখৰ খাদ্য কাটি আনি ৰখা হৈছিল এই আহল বহল

কক্ষতে চাই লোৱা।

এই বুলি কক্ষটোৰ বন্ধ দুৱাৰখন খুলি দিলে পাৰ্টি কেডাৰজনে। কক্ষটোৰ মামৰে ধৰা কাৰুকাৰ্য্য কৰা পুৰণি দুৱাৰখন কেৰ্কেৰাই খোল খাই পৰিল। তাদিকইঁতে ভুমুকি মাৰি চালে যদিও আন্ধাৰ কক্ষটোৰ ভিতৰখন নেদেখিলে। চকুত পৰা পোহৰৰ আভাষ আঁতৰি যোৱাতহে ভ্ৰমণকাৰীসকলে দেখিলে কক্ষটো শূন্য। কেডাৰজ্নে পিচৰ কক্ষটোও লগে লগে খুলি দিলে।

ইযাতে সঞ্চিত হৈ আছে অলেখ বহুমূলীযা সম্পদ। তাম পিতল আৰু ৰূপৰ বাদেও সোণৰ চাকি কিমান সঞ্চিত হৈ আছে তাৰো হিচাপ আমি লোৱা নাই। যেনেদৰে আছিল আজিও তেনেদৰেই আছে। এই সম্পদসমূহৰ মূল্য কিমান তাৰো হিচাপ আমি কৰা নাই। ৰাষ্ট্ৰীয সম্পদৰ এই অপব্যৱহাৰ আজিৰ তিব্বতবাসীযে দেখক বুলিযেই এনেদৰে সংৰক্ষণ কৰি থোৱা হৈছে।

পাৰ্টি কেডাৰজনৰ ব্যাখ্যা শুনি লেনডুপ বিৰক্ত হৈ পৰিল। ৰত্নভূমি তিব্বত দেশৰ ধন-স্ম্পদৰ হিচাপ লবলৈ ভিক্ষাৰী হানক কোনেওতো মাতি অনা নাছিল। তিব্বত দেশৰ স্তান জুৰি আৰু নৈৰ বালিত সিঁচৰিত হৈ আছে সোণ-ৰূপৰ গুটি। দেশবাসীযে বুটলি আনি ধৰ্মৰ নামত দান কৰিছিল পূণ্য আৰ্জিবলৈ। ঢাপত গজা হানে সহিব নোৱাৰে কিয বুলি ভাবি লেন্ডুপে বহিৰতে থিয দি থাকিল।।

'তুমি বাহিৰতে থিয দি থাকিলা কিয লেন্ডুপ? হান কেডাৰৰ মনত পুনৰ সন্দেহ উপজিল।

'অতীতক আৰু চাবলৈ মন নাই কমৰেড।

'অতীতৰ কাৰণে মনে কান্দিছে নেকি?' হান কেডাৰৰ অৰ্থপূৰ্ণ প্ৰশ্নটোৰ উত্তৰো তাদিকে চতুৰভাৱেই আগবঢ়ালে।

'অতীতৰ কাৰণে কন্দা নাই কমৰেড। বেযা লাগিছে সেই মানুহবিলাকৰ সৰলতাৰ কথাতো ভাবিহে।

'সৰল নহয লেন্ডুপ—সিহঁত এখন ধৰ্মান্ধ সমাজৰ ক্ৰীতদাসহে আছিল বুলি কোৰ। আত্মতৃপ্তিত হান কেডাৰজনে হাঁহি উঠিল।

মন্দিৰটোৰ তিনিওফালে ঘূৰি ফুৰি চাই আহি ভ্ৰমণকাৰী দলটো যেতিযা সম্মুখ পালেহি তেতিযা ধ্যানমগ্ন ভিক্ষুজন পিৰালিত নাছিল। অপদস্থ হোৱাৰ পৰা বৃদ্ধজন

ৰক্ষা পৰিল বুলি ভাবি লেন্‌ড়ুপৰ চিন্তা আঁতৰিল। হান কেডাৰজনৰ পিচে পিচে খটখটিৰে উঠি যাওঁতে লেনড়ুপে পিন্ধি থকা উলৰ চম্বা বুটযোৰ খুলি থোৱাৰ কথা ভাবিলে জোতা খুলি থলে নানান প্ৰশ্নৰ উত্তৰ দিব লাগিব জানি সেনেদৰেই উঠি গ'ল ওপৰলৈ।

এইটোৱেই আছিল জেঠাংবাসীৰ প্ৰাণকেন্দ্ৰ চাই লোৱা। সিহঁতৰ সকলো সমস্যাৰ সমাধান যেন সৌটো প্ৰাণহীন পিতলৰ মুৰ্ত্তিৰ হাতৰ মুঠিতেই লুকাই আছিল। হালধীয়া বা ৰঙা কাপোৰেৰে টোপোলা বান্ধি থোৱা কিতাপবিলাকতেই যেন আছিল সিহঁতৰ জ্ঞানৰ ভাণ্ডাৰ। আৰু এই সম্পদবিলাক যে দেখিছা সেইবিলাক মুখ্য লামাজনৰ ব্যক্তিগত সম্পদ আছিল। কিয়া বাৰু নকৰোৱা সংসাৰ ত্যাগী এজন লামাৰ এনে সম্পদৰ কিবা প্ৰয়োজন আছিল বুলি তোমালোকে ভাবানে? ধৰ্মৰ নামত মানুহক প্ৰবঞ্চনা কৰি এই ধনসম্পদ গোটাইছিল কাৰ বাবে? তাৰ কিবা অৰ্থ আছেনে এনে সমাজ ব্যৱস্থাৰ?

ভ্ৰমণকাৰী দলটোৰ কোনেও একো উত্তৰ নিদিলে। উত্তৰ দিবলৈ লেন্‌ড়ুপৰ মনটো উচপিচাইছিল যদিও কিবা ভাবি সি মনে মনে ৰৈ গ'ল।

(১৯)

এইবিলাক আজি কি দেখিলো লেন্‌ড়ুপ?' নিশা শুবৰ সময়ত তাদিকে মনে মনে সুধিলে।

'হান প্ৰচাৰৰে নমুনা দেখিলা তাদিক। জেঠাংবাসীক সিহঁতে মৃত্যুদণ্ড দিছে। তিল তিলকৈ শুকাই মৰাটোও একধৰৰণ মৃত্যুদণ্ড। তিব্বতবাসীৰ নিজস্ব জীৱন ধাৰাটোৰ বিৰুদ্ধে অপপ্ৰচাৰ চলাবলৈ জেঠাংবাসীকেই সিহঁতে বাচি লৈছে। জেঠাং গাঁৱৰ শেষ মানুহজন যিদিনা মৰিব সেইদিনাই এই নিষ্ঠুৰ অপপ্ৰচাৰৰো অন্ত পৰিব। তাৰ পিছতেই লুটি লৈ যাব জেঠাং গাঁৱৰ সকলো সম্পদ। আনকি মূৰ্তিটোৰ গাত লাগি থকা সোণখিনিকো হানসকলে কৰি কৰি এৰবাই লৈ যাব চাবা। জাতিহত্যাৰ এই ৰাজনৈতিক নিষ্ঠুৰ-তাকে ইহঁতে কৈ ফুৰিছে পৰিবৰ্তন বুলি। নাম থৈছে চিংত্ৰো। শুই থাকা এতিয়া। ইহঁতৰ কাণ বহুত। সপোনতো হানৰ বিৰুদ্ধে কোনোবাই বিৰূপ মন্তব্য দিলে সেইজন মানুহকো ইহঁতে শাস্তিৰ পৰা অব্যাহতি নিদিযে তাদিক। ইহতঁৰ অসভ্যতাও হাজাৰ বছৰীয়া পুৰণি যেন লাগে। শোৱা এতিয়া। কথা সুধিবলৈ বহুত দিন পাবা তাদিক। যিমানে তুমি লাচাৰ ওচৰ চাপি যাবা সিমানেই তুমি হান নিৰ্য্যাতিনৰ নতুন নতুন নিদৰ্শন দেখিবলৈ পাবা। আজি যি দেখিলা সেয়া আৰম্ভণি মাত্ৰ। এই আৰম্ভনি ক'ত শেষ

হবগৈ কোনেও ক'ব নোৱাৰে। কোনদিনা ক'ত গৈ এই কাহিনীৰ অন্ত পৰিব সেই কথা বহিৰ্জগতে নাজানে। জানিবৰ সকলো পথ হান প্ৰশাসনে বন্ধ কৰি দিছে তাদিক। আজিলৈ হ'ব দেই। কাইলৈ আৰু নতুন বহুতো দেখিবা। এতিয়া শুই থাকা— বৰ টোপনি ধৰিছে।

(২০)

পিচদিনা কনভয়টো চুটি হৈ পৰিল। ত্ৰিছখনৰ ঠাইত মাত্ৰ বাৰখন গাড়ীহে তাদিকে গণিলে। জেঠাং চাৰিআলিৰ পৰা মটৰ আলিটো ক্ৰমান্বযে তললৈ নামি গৈছে। জেঠাঙৰ পৰা চাংপো নদীৰ দূৰত্ব আকাশী পথেৰে দহ কিলোমিটাৰো নহ'ব পাৰে। কিন্তু পাহাৰ বগাই বগাই নামি যোৱা আলিটোৰে ইযাৰ দূৰত্ব ত্ৰিশ কিলোমিটাৰৰৰ কম নহ'ব। আলিটো পকা কৰা কাম তেতিযাও ঠাযে ঠাযে চলি আছিল। অলপ বৰষুণ হলেই ভূমিস্খলনে আলিটো অকামিলা কৰি পেলায। সেই কাৰণে দিনে-ৰাতিযে স্থানীয মানুহে কাম কৰি আলিটো খোলা ৰাখিব লাগে। বাষষ্টি চনতে সীমান্ত যুদ্ধৰ অন্ত পৰিছিল যদিও সন্দেহ দুযোপক্ষতে থাকি গৈছে। কোনেও কাকো বিশ্বাসত ল'ব পৰা নাই কাৰণে সীমান্তৰ দুযোপাৰে ভাৰত আৰু চীনৰ সামৰিক প্ৰস্তুতিত কোনো শিথিলতা আহি পৰা নাই। সামৰিক প্ৰযোজনতে এই গুৰুত্বপূৰ্ণ পথটো সকলো সমযতে খোলা ৰাখিব লগা হৈছে তিব্বতৰ হান প্ৰশাসনে।

এইবিলাক ক'ৰ মানুহ লেন্‌ডুপ? আলিবাটত কাম কৰি থকা মানুহজুমৰ কথাকে সুধিলে তাদিকে।

এই দেশৰে দুৰ্ভগীযা মানুহ হব লাগিব। বাধ্যতামূলকভাৱে কাম কৰিছে। চলন্ত গাড়ীখনত বহি যোৱা লেন্‌ডুপক মন মাৰি থকা দেখিলে তাদিকে।

উত্তৰটোও দিলে অন্যমনস্কভাৱে।

'কামৰ বিনিময়ত কি পায এই মানুহবিলাকে? এৰি অহা দেশখনৰ কথা তাৰ আকৌ মনত পৰিল। সকলো কামতে তাৰ মানুহে শ্ৰমৰ বিনিমযত পাৰিশ্ৰমিক পাইছিল,সেই কথা তাৰ মনত আছে। আজৰি সমযত আলিবাটত তাৰো মানুহে কাম কৰিছিল যদিও কোনো বাধ্যবাধকতা নাছিল সেই কথা সি ভালদৰেই জানিছিল। তাদিকৰ প্ৰশ্নটো শুনি লেন্‌ডুপে তাদিকলৈ উভতি চালে। তাৰ চকুত খং ফুটি ওলাল।

'কি পায় সুধিছা?'

'মানে টকা-পইচা কিবা পায নেকি তাকেই সুধিছোঁ।'

'পায পায। সকলো পায। চৰ, গোৰ বেতৰ কোব সকলো পায। গধূলি হ'লে বাৰ্লিৰ পানীও পেট ভৰাই খাবলৈ পায।'

লেন্‌ডুপৰ উত্তৰত ক্ষোভ ফুটি ওলোৱা যেন অনুমান কৰি তাদিকে আন কথা শুধিবলৈ ইচ্ছা নকৰিলে। সি লাহে লাহে বুজি উঠিব পাৰিছে যে তিব্বতবাসীৰ ওপৰত চলি থকা নিৰ্য্যাতন দেখি লেন্‌ডুপৰ মনটো ক্ৰমান্বয়ে বিদ্ৰোহী হৈ পৰিব ধৰিছে।

এনেতে কনভয়টো আহি চাংপো দলঙৰ মুখত বৈ পৰিল। এই দলংখনত নিৰাপত্তা ব্যৱস্থা বৰ কটকটীয়া। দলংখনৰ দুয়োমূৰে সশস্ত্ৰ সৈনিকে পহৰা দিয়াৰ উপৰি দলঙৰ মাজতো চলন্ত প্ৰহৰী অহা-যোৱা কৰি থাকে। এনে দলং চাংপো নৈৰ ওপৰত কেইবাখনো সাজি উলিয়াইছে গণমুক্তি বাহিনীয়ে। আন দলং কিখনতকৈ এইখনৰ গুৰুত্ব সৰ্বাধিক। তিব্বতৰ দক্ষিণ-পূব দিশত থকা ভাৰত সীমান্তলৈ এই দলংখন পাৰ কৰিবই লাগে। সীমান্তৰ কাষে কাষে থকা গণমুক্তি-ফৌজৰ বিশাল শিবিৰবিলাকৰ ভৰণ-পোষণৰ যোগান এই দলংখনৰেই যাব লাগে। আনহাতে 'ছুচি গ্যানড্ৰুক' বিদ্ৰোহীসকলে কেইবাবাৰো আক্ৰমণ চলাইছিল এই দলংখনৰ ওপৰত। আংশিকভাৱে ক্ষতি সাধন কৰিব পাৰিছিল যদিও সম্পূৰ্ণ অকামিলা কৰাত সফল হ'ব নোৱাৰিলে।

কনভয়টো বৈ পৰাৰ লগে লগে হাতে উদ্যত ৰাইফল লৈ সৈনিক এদলে যানখনত অনুসন্ধান চলাবলৈ আগবাঢ়ি আহিল। 'চীনা গণমুক্তি ফৌজ' পৃথিৱীৰ ভিতৰতে সৰ্ব্ববৃহৎ সৈন্যবাহিনী যদিও এই বাহিনীৰ সৰ্বাধিক সৈনিক চেমনীয়া বয়সৰ। ব্যক্তিগতভাবে এই সৈনিকসকল সাহসী যোদ্ধা নহ'লেও ৰণক্ষেত্ৰত এই সৈনিকসকলে বাধ্যতামূলক-ভাৱে সমূহীয়া সাহসৰ নিদৰ্শন দাঙি ধৰে সি অতুলনীয়।

'নি কং নালি লাই?' তুমি ক'ৰ পৰা আহিছা বুলি পুটংঘুৱা' ভাষাতে লেন্‌ডুপক প্ৰশ্ন কৰিলে চেমনীয়া সৈনিকজনে। চীনদেশত আঠটা মূলভাষা চলে যদিও পিকিং অঞ্চলৰ ভাষাকে ৰাষ্ট্ৰীয় ভাষাৰ মৰ্য্যাদা দিয়া হৈছে। এই ভাষাটোকে চীনাসকলে 'পুটংঘুৱা' ভাষা বুলি কয় আৰু বিদেশীসকলে কয় 'মেন্দাৰীন' বুলি। বৰ্তমান তিব্বতৰ চহৰবাসী লোকসকলে এই পুটংঘীয়া ভাষাটো ভালদৰে ক'ব পৰা হৈছে। শিক্ষাগ্ৰহণ কৰি অহা লেনডুপৰ মুখত এই ভাষা আখৈ ফুটা দি ফুটে।

'জেঠাং। লেন্‌ডুপৰ অতি সংক্ষিপ্ত উত্তৰ। এই সংক্ষিপ্ত উত্তৰত সন্তুষ্ট নহ'ল সৈনিকজন।

'নি দাও নালি? তুমি ক'লৈ যাবা? বুলি পুনৰ প্ৰশ্ন কৰিলে।

'উ দাও লাচা -মই লাচালৈ যাম বুলি লগে লগে উত্তৰ দিলে লেন্‌ডুপে।

এনেসময়তে ভ্ৰমণ পৰিচালকজন ওচৰ চাপি আহি হান সৈনিক দুজনৰ সৈতে কিবা আলোচনা কৰাত সিহঁত আঁতৰি গুচি গ'ল।

অলপ সময়ৰ পিছতে কনভয়টোৰ গাড়ী কিখন চাংপো নৈ পাৰ হবলৈ আৰম্ভ কৰিলে। এবাৰত এখনকৈ দলং পাৰ হবলৈ অনুমতি দিয়াত গাড়ীকিখন লাহে লাহে গৈ আছিল। তাদিকহঁতৰ গাড়ীখন দলঙৰ মাজমান পাওঁতেই তাদিকৰ হাতভৰিত কপঁনি উঠিব ধৰিলে। ইমান দীঘল দলং সি জীৱনত কেতিয়াও পাৰ কৰা নাছিল। লাকচিঙৰ পৰা সদৰলৈ যাওতে এনে এখন দলং সোৱণশিৰি নৈৰ ওপৰতো সি দেখিছিল। কিন্তু সেইখনৰ তুলনাত এইখন বেছি ভয় লগা যেন সি অনুভৱ কৰিলে। দলংখনৰ দৈৰ্ঘ্যতা দেখি তাৰ যিমান ভয় লাগিল তাতকৈ বেছি ভয় লাগিল দলংখনৰ নিৰ্মাণ প্ৰণালীটোলৈ চকুত পৰাত। মাজত খুটি নথকা এই লোহাৰ দলংখন কেনেকৈ নৈখনৰ ওপৰত ওলমি আছে সেই কথা তাৰ মগজুৱে বুজি নাপালে। মনৰ ভয় আঁতৰাবলৈ তাদিকে চকু মুদি দিলে যদিও চাংপো নৈৰ মাজপানীৰ হো হোৱা নিয়ে তাৰ আঁঠুৰ ঘিলা লৰাই তুলিলে। ভয়তে এইবাৰ সি গাড়ীখনৰ ত্ৰিপালতে খামোচ মাৰি ধৰিলে। দলংখন পাৰ হোৱাৰ পিচতহে সি চকুমেলা দেখি লেনডুপে হাঁহি পেলালে।

'হাঁহিছা কিয লেন্‌ডুপ?' তাদিকে অলপ লাজো পালে।

'ইমান ভয়নে?'

'চোৱা লেন্‌ডুপ— এডাল তাঁৰত ওলমি ওলমি মই নৈ পাৰ হৈছিলোঁ- ভয় কিন্তু লগা নাছিল অকণো। মাজত খুটি নথকা কাৰণেহে অলপ চিন্তা হৈছিল এইখন পাৰ হওঁতে।

'তেনেহলে এৰোপ্লেনত তুমি কেনেকৈ উঠিবা তাদিক?

'এৰোপ্লেনত মই হ'লে মৰি গলেও নুঠো। কথাখিনি কওঁতে তাদিকৰ ভবিতব্যই হয়তো মিচিকিয়াই হাঁহিছিল। আৰু এবছৰ পূৰ নৌহওতেই যে তাৰ চকুত ক'লা কাপোৰ বান্ধি হাতত হাতকেৰেযা লগাই এৰোপ্লেনতেই তুলি লৈ যোৱা হ'ব সেই কথা

তাদিকে হযতো তেতিয়া কল্পনাও কৰিব পৰা নাছিল।

চাংপো নৈ পাৰ কৰি কনভযটাৱে পুনৰ একত্ৰিতভাৱে আগবাঢিব ধৰিলে নিইংচিৰ দিশলৈ। নিইংচিৰ দূৰত্ব কুৰি কিলোমিটাৰ। ঠাইখিনি সমতল ভূমি। চাংপো নৈৰ পাৰে পাৰে থকা এই সুদীৰ্ঘ উপত্যকাটোকেই তিব্বতীযসকলে 'কংপো অঞ্চল বুলি কয। মধ্য তিব্বতৰ ইযাৰ্লুং উপত্যকা আৰু দক্ষিণ-পশ্চিম তিব্বতৰ এই কংপো অঞ্চলেই তিব্বতৰ খাদ্য ভঁৰাল বুলি জনাজাত হৈ আহিছে অতীত কালৰে পৰা। তিব্বতৰ কৃষিজীৱি লোকসকৰ একাংশই এই দুই উৰ্বৰ অঞ্চলতে বসবাস কৰে। এই অঞ্চলতে আছে বিশাল অটব্য অৰণ্য। তিব্বতীযসকলৰ কিংবদন্তি মতে এই অঞ্চলতে প্ৰথম মানুহৰ সৃষ্টি কৰিছিল তেওলোকৰ আৰাধ্য দেৱতা চেনৰেজিগ'ও। প্ৰথমে বান্দৰ হৈ উপজিছিল। কালক্ৰমে আধুনিক মানুহলৈ ৰূপান্তৰিত হৈছিল সেই বান্দৰৰ বংশধৰসকল। তিব্বতীয় জাতিৰ সেই আদিমপুৰুষ সকল দেখাত বান্দৰৰ নিচিনা আছিল যদিও থিয দি খোজকাঢিব পৰিছিল। মুখবিলাক ৰঙা আৰু গাত আছিল নোম।নেজদাল থকা নথকাতো বিতৰ্কিত কথা আছিল। চেনৰেজিগে আনি দিয়া ছযবিধ শস্যৰ খেতি কৰি সেই আদিম পুৰুষ সকলে খাদ্যৰ অভাৱ দূৰ কৰি লৈছিল বুলি লোকবিশ্বাস আজিলৈকে চলি আহিছে। প্ৰথম কৃষি পথাৰখন পাতিছিল লাচা নগৰীৰ দক্ষিণে থকা ইযাৰ্লুং উপত্যকাত। নাম দিছিল চোঠাং। সেই চোঠাং পথাৰখন এতিযাও আছে। বৰ পৱিত্ৰ পথাৰ। সেই পথাৰৰ এমুঠি মাটি নি নিজৰ পথাৰত ছটিয়াই দিলে শস্য ভাল হয বুলি তিব্বতীয খেতিযকসকলে দূৰ দূৰনিৰ পৰা আহি আজিও লৈ যায সেই পথাৰৰ এমুঠি মাটি।

কনভযটো গৈ আছিল এই সমতল ভূমি ভেদ কৰি যোৱা প্ৰকাণ্ড আলিটোৰে। আলিটো আহিছে দক্ষিণ চীনৰ চিচুবান প্ৰদেশৰ ৰাজধানী 'চেংডু'ৰ পৰা লাচালৈ। এইটোৱেই বিখ্যাত চেংডু লাচা দক্ষিণ হাইওৱে। দুহেজাৰ চাৰিশ পাঁচ কিলোমিটাৰ দীঘল এই পথ।

গাড়ীখনৰ পিচপিনে বহি যোৱা লেন্‌ডুপে একান্তমনে চাই গৈছিল আলিবাটৰ দুয়ো কাষে থকা বিস্তীৰ্ণ পথাৰবিলাকলৈ। পথাৰত কাম কৰি থকা হান মানুহবিলাকলৈ চাই চাই লেন্‌ডুপৰ চেলাউৰিযোৰ কোচ খাই পৰা দেখিলে তাদিকে।

'কি চিন্তা কৰিছা লেন্‌ডুপ?' সহানুভূতিৰে সুধিলে তাদিকে।

'গোজেই কেনেকৈ গোজালি হৈ পৰিব ধৰিছে সেই কথাকে চিন্তা কৰিছোঁ। এদিন এইবিলাক ঠাইতে আমাৰ পশুপালকসকলে জুমে জুমে যাকৰ পাল চৰাইছিল। আমাৰ মানুহক আঁতৰাই এতিয়া হান মানুহ বহিছে। তিব্বত দেশৰ উন্নতিৰ নামত হাজাৰ হাজাৰ হান মানুহ আনি সংস্থাপিত কৰা হৈছে এই সমমতল উপত্যকাত । এদিন আহিব যিদিনা এই তিব্বত দেশত তিব্বতীয় মানুহ বিচাৰি পোৱা নাযাব।

'ক'লৈনো যাব এই দেশৰ মানুহ? এই দেশৰ মানুহ দেশতেই নাথাকিব জানো?

'থাকিব পাৰে। কিন্তু সিহঁত চেনৰেজিগৰ বংশধৰ নহ'ব। সিহঁতৰ তেজ সলনি হৈ যাব। গাৰ চালেও ৰং সলাব।'

'কেনেকৈ অলপ বুজাই ক'বানে?'

'তিব্বতীয় ল'ৰা-ছোৱালীৰ বিয়া-বাৰু এতিয়া হানৰ লগত হ'ব লাগিব সেইটো নিয়ম কৰি দিয়া হৈছে। তাৰ পিচত আৰু তিব্বতীয় মানুহ থাকিবনে এই দেশত?'

লেন্‌ডুপৰ উত্তৰটো শুনি তাদিকে ভাবিব ধৰিলে। বিনিথাং শিবিৰৰ লি পেঙৰ কথা তাৰ মনলৈ উভতি আহিল। লি পেং আছিল 'না মানুহ। হান ছোৱালী বিয়া কৰাই লি-পেং হ'ল। সিহঁতৰ ল'ৰা ছোৱালীবিলাকে নিজকে হান বুলিহে ক'ব 'না বুলিতো নক'ব বুলি তাদিক পতিয়ন গ'ল।

'সঁচাকৈ নাথাকিব লেনডুপ। এইটো বেয়া কাম। সকলো মানুহক নিজৰ মতে থাকিব দিলেই ভাল আছিল।' তাদিকে কথাটো তুলনা কৰিলে এৰি অহা দেশখনৰ লগত। সেই দেশত সকলো জাতিকে নিজৰ মতে থাকিবলৈ সুবিধা দিয়া হৈছে। কাকো নিজৰ সমাজ এৰিবলৈ বাধ্য কৰোৱা নাই।

'এদিন তুমিও হান ছোৱালী ল'ব লাগিব তাদিক মই কৈ থলোঁ।

'সেইটো হলে নহ'ব দেই লেনডুপ।

'যদি হান ছোৱালী ল'বলৈ তোমাক বাধ্য কৰে তেনেহলে কি কৰিবা?

সেইদিনাই মই যি ঠাইৰ পৰা আহিছিলো সেই ঠাইলৈকে পুনৰ উভতি যাম। মৰিব লাগিলে নিজৰ দেশলৈকে পুনৰ উভতি গৈ নিজৰ মানুহৰ মাজতে মৰিমগৈ। এনেদৰে গাৰ তেজ আৰু চাল বিক্ৰী নকৰোঁ।'

কথাবিলাক দেখি-শুনি হান বিৰোধিতাই লাহে লাহে তাদিকৰ মনতো ঠাই কৰি লব ধৰিলে। এৰি অহা দেশখনৰ প্ৰতি তাৰ মোহ বাঢ়িল। এৰি অহা মানুহখিনিৰ সান্নিধ্যক

তাৰ মনেও নতুনকৈ বিচাৰিব ধৰিলে।

দুযো কথাপাতি গৈ থাকোতে কনভযটো নিইংচিৰ আধুনিক বজাৰখনৰ মাজেৰে পাৰ হৈ যাব ধৰিলে। আধুনিক বজাৰখনৰ জাকজমকতাই তাদিকৰ মন নিমিষতে আকৰ্ষণ কৰি পেলালে। আলিটোৰ দুয়োকাষে থকা আধুনিক দোকানবিলাকৰ সাজ-সজ্জা আৰু বযবস্তুৰ পযোভৰে তাদিকৰ মন মোহিত কৰি তুলিলে। চীনত উৎপন্ন আধুনিক সামগ্ৰীবিলাকৰ মনোমোহা প্ৰদৰ্শনে তাকো আগ্ৰহী কৰি পেলালে।

সৌ ছাটিবিলাক কিমান ধুনীযা নহযনে লেন্‌ডুপ?'

তাদিকৰ কথা শুনি লেন্‌ডুপে অলপ হাঁহিলে। উত্তৰ হ'লে একো নিদিলে। অলপ পিচতে পুনৰ কৈ উঠিল তাদিকে।

কিমান বিধৰ চাইকেল দেখিছানে লেন্‌ডুপ? এইবাৰ লেন্‌ডুপ মনে মনে থাকিব নোৱাৰিলে। উত্তৰ দিবলৈ সি বাধ্য হৈ পৰিল।

'জানা তাদিক পূৰ্বতে এই দেশত ছাটি নাছিল। ৰ'দ-বৰষুণৰ কাৰণে মানুহে মূৰত বহল টুপীকে পিন্ধিছিল। ঘোঁৰা আৰু যাকেই আছিল যাতাযতৰ একমাত্ৰ বাহন। এতিয়া মানুহে ছাটি লৈছে আৰু ঘোঁৰা এৰি চাইকেলত উঠি ফুৰিছে। আত্মনিৰ্ভৰশীল জাতিটোৱে আজি পৰৰ ওপৰত নিৰ্ভৰ কৰিব লগাত পৰিছে সেয়া জানো ভাল লক্ষণ তাদিক? আগতে মানুহে বস্তুৰ সলনি বস্তু সলাই লৈছিল কোনো অভাব অনুভৱ কৰা নাছিল। হান আহি এই পুৰণি প্ৰথাক বে-আইনী ঘোষণা কৰিছে। এতিযা পদে পদে মুদ্ৰা লাগে। মুদ্ৰা নহ'লে মানুহৰ এদিনো নচলে। মুদ্ৰা আৰ্জিবলৈ মানুহে এতিযা সা-সম্পত্তি বেচিব লগা হৈছে। এই সা-সাম্পত্তিও কিনি লৈছে হান মানুহেই। এই সা-সম্পত্তি বেচা ধনেৰে মানুহে এতিযা সেই আধুনিক বস্তুবোৰ কিনিছে। মুদ্ৰা পুনৰ উভতি গৈছে হানৰ হাতলৈ। এই পাকচক্ৰত পৰি তিব্বতবাসী ক্ৰমান্বযে হানৰ পুতলা হৈ গৈছে।'

হান বজাৰখন পাৰ কৰি কনভয়টোৱে যেতিয়া তিব্বতীয় বজাৰখনৰ মাজেৰে গৈ আছিল তেতিযা লেন্‌ডুপে পুনৰ ক'বলৈ আৰম্ভ কৰিলে ।

এইখন তিব্বতীয মানুহৰ বজাৰ। দেখিছা কিমান পুতৌলগা অৱস্থা? সৌ বস্তু বিলাকলৈ মন কৰাচোন ক'ব পাৰিবানে সেইবিলাকে কি বস্তু?'

এই বুলি লেন্‌ডুপে আঙুলিয়াই দেখুৱালে অস্থায়ী এচলীয়া দোকানবিলাকৰ সম্মুখত সজায থোৱা বিভিন্ন ঘৰুৱা সম্পদলৈ।

'সেইবিলাকচোন পুৰণি কাঁহি বাতি লোটা ঘটি যেন লাগিছে।'

"অকল কাহি বাতিযেই নহয় লেন্‌ড়ুপ তাৰ মাজত নানান পুৰণি আপুৰুগীয়া সম্পদো আছে। বিভিন্ন ধৰণৰ গহনাও পাবা তাত। আৰু পাবা সোন-ৰূপৰ চাকি-বন্তিও। হান বেপাৰীযে এই আপুৰুগীয়া সম্পদসমূহ পানীৰ দামত কিনি লৈ বিদেশলৈ এশগুণ অধিক দামত ৰপ্তানী কৰিছে। এই সম্পদবিলাকৰ এখন হজাৰ আছে পিকি, চহৰত। বিদেশী ভ্ৰমণকাৰীযে এই বস্তুসমূহ তাৰ পৰাই কিনিলৈ যায় নিজ দেশলৈ।

'সৈনিকবিলাকে ঠায়ে ঠায়ে থিয় দি কি কৰিছে?

'অধিকৃত দেশ এখনৰ স্বাধীনতা প্ৰিয় অধিবাসীসকলৰ মনোবল ভাঙি পেলোবাৰ এয়ে নিযম। পদে পদে আতঙ্কৰ সৃষ্টি কৰি তোলাটোৱেই হ'ল পদ্ধতি। লেনড়ুপে বুজাই দিলে।

এইবিলাক চাবলৈকে আমাক ভ্ৰমণলৈ পঠিযাইছে নেকি?

'আৰুনো কি বুলি ভাবিছা – মাও-জে-ডঙৰ আলহী হবলৈ পঠিযাইছে বুলি ভাবিছা নেকি তাদিক?

এই বুলি লেনড়ুপে হাঁহি দিলে। তাদিকৰো হাঁহি উঠিল।

এইখিনিলৈকে ইমান দেখিলো আগলৈকে বা আৰু কি কি দেখো ভাবিছে তোবাৰো লেন্‌ড়ুপ।

আগলৈকে যি দেখিবা তাৰ তুলনাত এইয়া একো নহয়। লাচাৰ চেৰ চাপি যোৱা মানে তুমি দেখিবলৈ পাবা বহুতো অবিশ্বাস্য ঘটনা দেখিবলৈ পাবা এটা জাতিৰ হাজাৰ বছৰীয়া সভ্যতাক কেনেদৰে ধ্বংস কৰি সেই ধ্বংস স্তুপৰ ওপৰত গঢ়ি তোলা হৈছে হানসকলৰ সাম্যবাদী সৌধ।

বজাৰ এলেকা পাৰ হৈ চাৰিআলি এটাত আহি কণভযটো বৈ গ'ল অলপ পিচতে তাদিকহঁতৰ গাড়ীখন বাওঁপিনৰ আলিটোৰে সোমাই গৈ দীঘল ঘৰ এটাৰ সম্মুখ পালে। ভ্ৰমণ পৰিচালকজনে গাড়ীখনৰ ওচৰ চাপি আহি সকলোকে নামিবলৈ আদেশ দিলে। নিজৰ নিজৰ সৰু টোপোলাবিলাক হাতে হাতে লৈ পৰিচালকজনৰ পিচে পিচে ভ্ৰমণকাৰী দলটো আগুৱাই গ'ল দীঘল ঘৰটোৰ দিশলৈ। ঘৰটোলৈ সোমাই যোৱা ফুলনিখনৰ দুযো কাষে থকা সুন্দৰ ফুলবাৰীখনে তাদিকৰ মন আকৰ্ষণ কৰিলে। ডাঙৰ ৰোডোডেনড্ৰন ফুল এথোপা দেখি সি হাতেৰে চুই চাওতেই দূৰত থিয় দি থকা হান এজনে জেক-

জেকাই উঠিল। লগে লগে তাদিকে হাত খন আঁতৰাই আনিলে যদিও হানজন আগুৱাই আহিল।

এওঁ যি ঠাইৰ পৰা আহিছে তাত এনে ফুল নাই কাৰণে চাইছে। বেযা নাপাবা কমৰেড।

লেনডুপৰ কথাত সৈমান গ'ল যদিও তাদিকৰ পিনে পেন্দোৱাকৈ চাইহে হানজন উভতিল।

দীঘল ঘৰটোৰ বাৰাণ্ডাত এজাক ডেকাল ৰা থিয় হৈ থকা তাদিকে দেখা পালে। নীলা কাপোৰ পিন্ধা চেমনীয়া লৰা জাকৰ চলে চলন তাদিকৰ সিমান ভাল নালাগিল।

সেই ল'ৰাবিলাক কোন লেনডুপ?

'হাৰ চুৱা পাত চেলেকা মানুহ।' ফুচফুচাই উত্তৰ দিলে লেন্‌ডুপে। সিহঁতক দেখিয়েই সি গম পাইছিল যে ল'ৰাজাক তিব্বতীয মূলৰ। নিম্ন পৰ্য্যযৰ পাৰ্টি সদস্য। কমিউনিষ্ট পাৰ্টিত নতুনকৈ সদস্যভুক্ত হোৱা সেই ল'ৰাজাকক দেখি লেন্‌ডুপৰ মন বিতৃষ্ণাৰে ভৰি পৰিল। সিহঁতেই স্থানীয ৰেডগাৰ্ডৰ সদস্য বুলি বুজি পালে। এই যুৱকসকলৰ দ্বাৰা তিব্বত দেশত হানসকলে যি বিনাশকাৰ্য্য সংঘটিত কৰাইছে সেই কথাও লেনডুপৰ অবিদিত নহয।

বুজা নাই।

সদায় সাৱধানে থাকা এতিয়া। সিহঁতৰ কথাৰ উত্তৰ সাৱধানে দিবা। লেন্‌ডুপ নিজেও সাৱধান হৈ পৰিল।

তইঁত ক'ৰ পৰা আহিছ? লেনডুপহঁতৰ ওচৰ চাপি ভঙা ভঙা হান ভাষাতে প্ৰশ্ন কৰিলে ল'ৰাজাকৰ দলপতিজনে।

'আমি দেশ ভ্ৰমণলৈ আহিছোঁ।' দৃঢ়তাৰে উত্তৰ দিলে লেন্‌ডুপে। হান সৈনিকৰ প্ৰশ্নৰ উত্তৰ দিওতে আত্মগৌৰৱৰ অনুভূতি আহে মনলৈ। শত্ৰু হলেও সিহঁত সাহসী শত্ৰু। কিন্তু কাপুৰুষ দেশদ্ৰোহীক উত্তৰ দিওঁতে লেন্‌ডুপৰ ঘৃণাহে উপজিল।

'নিজে নিজে আহিছনে কোনোবাই লৈ আহিছে?' ৰেডগাৰ্ডজনৰ প্ৰশ্নৰ উত্তৰ দিবলৈ এইবাৰ আগবাটি আহিল ভ্ৰমণ পৰিচালকজন।

'নিজে নিজে কেনেকৈ আহিব পাৰে। চৰকাৰেই পঠিযাইছে দেশ চাবলৈ।' ৰেডগাৰ্ডজনৰ মইমতালি স্বভাৱক ভ্ৰমণ পৰিচালকজনে ভাল নাপালে যদিও বাক্ বিতণ্ডাৰ

পৰা আঁতৰি থাকিব বিচাৰিলে। চেযাৰমেন মাও-জে-ডঙৰ ব্যক্তিগত অনুচৰ বুলি সিহঁতে গপত ওফন্দি থাকে। ইহঁতে নকৰিবলগীয়া কাম একোৱে নাই বুলি সকলোৱে জানে।

'ক'লৈ নিবা, কি কি দেখুৱাবা জানিব পাৰোঁনে?'

'সেই বিষয়ে মযে নাজনো। তোমালোকক কি জনাম।' ভ্ৰমণ পৰিচালকজনৰ উত্তৰ দিযা ধৰণটো দলপতি জনে বৰ ভাল নাপালে।

'একোৱেই নাজানা যদি মহোদযৰ কাম কি জানিব পাৰোনে?' তি ব্বতীয কেডাৰজনৰ তাচ্ছিল্য ভৰা প্ৰশ্নত পৰিচালকজন বিৰক্ত হৈ উঠিল। হাজাৰ হলেও সিহঁত তি ব্বতীয আৰু সি এজন বিজযী হান।

'ভ্ৰমণকাৰী দলটোক এঠাইৰ পৰা আন এঠাইলৈ লৈ যোৱাটোৱেই মোৰ দাযিত্ব। তাৰ বেছি জনাৰ প্ৰযোজন মোৰ নাই।'

'শুনা তেনেহলে। ইহঁতক পোতালা-নৰবুলিংকা অথবা জখাং মন্দিৰ দেখুৱালে ইহঁত যি ভেৰা হৈ আছে সেই ভেৰা হৈযে থাকি যাব। দেশখন দেখুৱাব হলে ইহঁতক লৈ যাব "লিনঝিৰ কাৰ্পেট ফেক্টৰিলৈ। লৈ যাবা চেৰা ড্ৰেপুন গাডেন, চামে আদি দেৱালযৰ ধ্বংসস্তুপলৈ। কমিউনিষ্টৰ শক্তি দেখুৱাব খুজিলে 'গংগোৰ" বিমান বন্দৰ দেখুৱাই আনিবা আৰু চিংত্ৰো বিৰোধীতা কৰিলে কি হয সেই পৰিনাম দেখুৱাবলৈ লৈ যাবা লাচাৰ ওচৰৰ ' ড্ৰাপচি কাৰাগাৰলৈ। বুজিলানে এতিযা?' ৰেডগাৰ্ড দলপতিজনৰ তাচ্ছিল্যভৰা মন্তব্য শুনি লগৰ সদস্যসকলে হাঁহি উঠিল।

'এইটো মোৰ কাম নহয। কি চাব লাগে কি দেখুৱাব লাগে সেইটো কৰ্তৃপক্ষৰ কাম। মই আদেশৰ আজ্ঞাবাহী কৰ্মীমাত্ৰ। সেইখিনিকে জানো।

জাতিগতভাৱে তি ব্বতীয ৰেডগাৰ্ডত কৈ নিজকে শ্ৰেষ্ঠ বুলি ভাবিবলৈ নেৰিলে হান পৰিচালকজনে।

'বেলেগ কৰ্তৃপক্ষ আৰু কোন আছে আমাক বুজাই দিব পাৰিবানে?' ৰেডগাৰ্ড দলপতিজনৰ উদ্ধতালি লেনডুপৰো সহ্য নহ'ল। সি আহি ভ্ৰমণ পৰিচালকজনৰ কাষত থিয দিযাত তাদিকে লেনডুপৰ হাত এখন আনে নেদেখাকৈ খামোচ মাৰি ধৰিলে।

কথা বাঢ়ি যায় কাৰণে ভ্ৰমণ পৰিচালকজনে কোনো উত্তৰ নিদিলে।

'আমি যি কওঁ তাকেই এতিযা নিৰ্দেশ বুলি ধ ৰি লোৱা হয়। বুজিলানে এতিযা? লিনঝিৰ পৰা ক'লৈ যাবা?'

‘সেই নির্দেশ মই এতিযাও পোৱা নাই। এতিয়া আহি পাইছোঁহে। ইয়াত কেইদিন থাকিব লাগিব তাকো নাজানো।

‘ঠিক আছে। এই ভেৰাৰ পালটোক এতিয়া লৈ যোৱা ঘাঁহ-পানী দিয়াগৈ। সঠিক নির্দেশ তুমি পাবা বাৰু।

এই বুলি উভতি গ’ল ৰেডগার্ডৰ দলপতিজনে, পিচে পিচে হাই-উৰুমি কৰি অনুসৰণ কৰিলে বাকী সদস্যসকলে।

সিহঁত আঁতৰি যোৱাৰ লগে লগে অদূৰত থিয় দি থকা জ্যেষ্ঠ পার্টি সদস্য এজন আগবাঢ়ি আহি ভ্ৰমণকাৰী দলটোক লৈ গ’ল আহল বহল কোঠালী এটালৈ। ৰেডগার্ডজনে সিহঁতক ভেৰাৰ পাল বুলি দি যোৱা মন্তব্যটো লেন্‌ডুপে তেতিযাও পাহৰি যোৱা নাছিল।

কমৰেড আমিও সিহঁতৰ নিচিনা একেই মানুহ নহয় জানো?

কেডাৰজনক উদ্দেশ্য কৰিযেই প্ৰশ্নটো কৰিলে লেনডুপে।

এইবিলাক প্ৰশ্ন নকৰিবা। সময় আৰু পৰিস্থিতিৰ লগত মিলি চলিব চলিব পৰাটোৱেই বুদ্ধিমানৰ কাম। বিপ্লৱৰ মাজত কেতিয়াবা বিশৃংখলতাই দেখা দিয়ে সচা কথা। কিন্তু সেই বিশৃংখলতা আঁতৰাবলৈ যোৱা সকলেই যদি বিশৃংখল হৈ পৰে তেতিয়াই মানুহে বিপ্লৱত আশা হেৰুৱাই পেলাবলৈ আৰম্ভ কৰে।

জ্যেষ্ঠ পাৰ্টি সদস্যজন বহুসিযাল আৰু অভিজ্ঞ ব্যক্তি। কথা-বতৰাত যথেষ্ট সংযমী। আচাৰ-আচৰণতো ৰেড গাৰ্ডৰ নিচিনা অতি বিপ্লৱী নহয বুলি লেনডুপে বুজি পালে।

আনহাতে তাদিকৰ মনতো এইবিলাক দেখি-শুনি প্ৰতিকূল প্ৰতিক্ৰিয়া সৃষ্টি নোহোৱাকৈ নাথাকিল। সি ভাবিলে যে এৰি থৈ অহা লাকচিংখনৰ উন্নতি হয়তো ইমান খৰতকীয়া হোৱা নাই যদিও তাৰ মানুহক ভেৰা বুলি কোৱা সি ক’তো শুনা নাছিল। এইখন দেশত উন্নতি যথেষ্ট হৈছে সঁচা কিন্তু মানুহৰ মর্য্যাদা সি কতো বিচাৰি নাপালে। পেট ভৰাই খোৱাটোৱেই অকল মানুহৰ জীৱন কাহিনী হ’ব নোৱাৰে বুলি প্ৰথম অনুভৱ তাদিকৰ মনতো উপজিল।

পিচদিনা এজন স্থানীয় পাৰ্টি কেডাৰে ভ্ৰমণকাৰী দলটোক লৈ গ’ল লিনঝিৰ উন্নতি দেখুৱাবলৈ। পূৰ্বৰ নিইংচিকে হান প্ৰশাসনে লিনঝি নাম দিছে। এতিয়া এই লিন্‌ঝি হৈ উঠিছে এক ব্যস্তপূৰ্ণ কেন্দ্ৰ। চেংডু লাচা ঘাই পথটো এইখিনিতে দুফাল হৈ লাচা

নগৰীলৈ গৈছে। এটা গৈছে বাযি শিল্পকেন্দ্ৰ হৈ উত্তৰ দিশেৰে আৰু আনটো গৈছে চাংপো নৈৰ পাৰেদি দক্ষিণৰ সমতলেৰে। লিঝিৰ পৰা লাচাৰ দূৰত্ব ছাৱিশ কিলোমিটাৰ। এই দুই পথেৰে সামৰিক যানৰ চলাচলেই অধিক। বাছ গাড়ী চলে যদিও গন্তব্যস্থান কেতিয়া পাবগৈ সেই প্ৰতিশ্ৰুতি হলে কোনেও নিদিযে। টেক্সি নামৰ পুৰণি জীপ গাড়ীবোৰ হানসকলেই চলায় যদিও ভাৰাৰ কোনো ধৰাবন্ধা সীমা নাই। নিশা গৈ ক'ত ৰব লাগিব তাকো যাত্ৰীয়ে নাজানে। তথাপি গাড়ীবিলাক লানি নিচিগাকৈ অহা-যোৱা কৰিয়ে থাকে দিনে ৰাতিয়ে। যাত্ৰীৰো অভাৱ নহয়। চাৰিওপিনে হান সৈনিকৰ পযোভৰ দেখি লেড়ুপৰ মতে সমগ্ৰ তিব্বত দেশখন এখন বিশাল ৰণক্ষেত্ৰ যেন লগা হৈ পৰিছে। বাষষ্ঠি চনৰ যুদ্ধৰ পিচৰে পৰা ভাৰত সীমান্তৰ সুদীৰ্ঘ মেকমেহন সীমাৰেখাৰ দুয়ো পাৰে বিৰাজ কৰিছে এক অনিশ্চয়তাৰ উৎকণ্ঠা। বাসষ্ঠিৰ আকস্মিক যুদ্ধত শোচনীয় ধৰণে মাৰ খোৱাৰ পিচত ভাৰতে নিজৰ অবস্থানক যথেষ্ট সংশোধন কৰি পেলাইছে। আৰু এখন যুদ্ধ লাগিলে তাৰ ফলাফল যে আগৰ নিচিনা একপক্ষীয় নহ'ব সেই কথা চীন চৰকাৰেও বুজি পাইছে। আনহাতে হাজাৰ হাজাৰ চ্যুছি গ্যানড্ৰুকৰ গৰিলা যোদ্ধাই তিব্বতৰ আভ্যন্তৰীণ পৰিস্থিতিক ক্ৰমাগতভাৱে উত্তপ্ত কৰি ৰাখিছে।

সীমান্তত শত্ৰু ঘৰৰ ভিতৰতো শত্ৰু — এনেকুৱা এক কঠিন পৰিস্থিতিতো তিব্বতৰ হান প্ৰশাসনে বিতুষ্ট জনগণৰ মাজেৰে চলাই লৈ গৈছে সাম্যবাদী ষ্টিমৰোলাৰখন।

এই বিশাল সমতল উৰ্বৰ উপত্যকাত অঘৰীসকলে এটা সময়ত পশু চৰাইছিল। পশুপালৰ পিছে পিছে দৌৰি ফুৰা এই অঘৰী সকলৰ বাবে সংঘবদ্ধ জীৱনৰ প্ৰতি কোনো আগ্ৰহ নাছিল। দহ বছৰৰ ভিতৰতে এই ভূখণ্ডৰ ছবি সম্পূৰ্ণ সলনি কৰি পেলোৱা হৈছে। আজি মানুহে পশু পালৰ পিছে পিছে ঘুৰি ফুৰিব নালাগে। প্ৰতিজন অঘৰীৰ জীৱনলৈ আহিছে সুস্থিৰতা। লিঝি অঞ্চলৰ প্ৰতিজন মানুহে এতিয়া পেট ভৰাই খাইছে মন খুলি হাঁহিছে নাচগানৰ মাজেৰে নতুন জীৱনৰ আনন্দ লৈছে। এই সকলো সম্ভৱ হৈছে চিংত্ৰোৰ বিপ্লৱী কাৰ্য্যসূচীৰ মাধ্যমেৰেই।

ভ্ৰমণকাৰী দলটোক নিইংচিৰ কৃষিক্ষেত্ৰবিলাক দেখুৱাই লৈ ফুৰোতে হান কেডাৰজনে পথাৰত কাম কৰি থকা লোকসকললৈ আঙুলিয়াই কথাবিলাক কৈ গ'ল।

'এওলোকেই কৃষি বিপ্লৱৰ মূল চালিকা শক্তি। এক বিপ্লৱী চেতনাৰে উদ্বুদ্ধ এই কমৰেড সকলেই আজি অসম্ভৱক সম্ভৱ কৰি তুলিছে। লাচাৰ পৰা বহুদূৰত বসবাস

কৰা এই লোকসকলৰ দুখ দুৰ্দশাৰ কথা দালাই লামাৰ প্ৰশাসনে নাজানিছিল। জানিবলৈকো কোনো চেষ্টাও কৰা নাছিল। কিন্তু ধৰ্মীয় খাজনাখিনি সময়ত নিদিলে এই দুৰ্ভগীয়া শ্ৰেণীটোৱে ভুগিব লাগিছিল অশেষ যাতনা। ধৰ্মৰ নামত জনসাধাৰণক শোষণ কৰা এই বুৰ্জোৱা লোকসকলেৰেই নেতা আছিল দালাই লামা বোলা মানুহজন। তেৰ মহলীয়া পোতালাৰ সোণপাতৰ চাল দিয়া সোণালী কক্ষত বহি আজীৱন পূজাপাঠ কৰি থকা মানুহজনকেই অজ্ঞানী জনসাধাৰণে দেৱতা বুলি পূজা কৰিছিল। আনকি এই মানুহজনৰ বিষ্ঠা খালেও বেমাৰ-আজাৰ ভাল হয় বুলি অন্ধ বিশ্বাস সুমুৱাই দিয়া হৈছিল মানুহৰ মনত। তোমালোকে কোৱাচোন অকল ধৰ্মই জানো ভোকাতুৰ মানুহৰ পেটৰ পোৰণি কেতিযাবা আঁতৰাব পাৰিব?

নোৱাৰে। সমস্বৰে উত্তৰ দিলে ভ্ৰমণকাৰী দলটোৱে। হান প্ৰশাসনৰ তলত বাঞ্চিত উত্তৰ দিয়াটোৱেই নতুন নিয়ম হৈ পৰিছে অধিকৃত তিব্বত দেশত। ভ্ৰমনকাৰী দলৰ সদস্য সকলেও প্ৰশ্নটোৰ মন পুত উত্তৰ দিবলৈ বাধ্য হ'ল। সমালোচনা কৰোতাজনক প্ৰতিক্ৰিয়াশীল বুলিয়েই ধৰি লোৱা হয় এই কথা সকলোৱেই জানে।

এই পৰিবৰ্তন আহিছে কেনেদৰে জানানে তোমালোকে? পুনৰ পৰীক্ষামূলক প্ৰশ্ন কৰিলে চতুৰ হান কেডাৰজনে।

জানো কমৰেড এই সকলো সম্ভৱ হৈছে পাৰ্টিৰ অধীনত। কোনোবা এজন ভ্ৰমণকাৰীয়ে লাহেকৈ উত্তৰ দিলে।

'কাৰ সঠিক নিৰ্দেশত আজি আমাৰ মহান দেশখনে সমগ্ৰ পৃথিৱীৰ নেতৃত্ব লবলৈ আগবাঢ়ি যাব ধৰিছে ক'ব পাৰিবানে কমৰেডসকল?

চীনদেশৰ প্ৰতিজন মানুহৰ মনত আজি সুমুৱাই দিয়া হৈছে হান সাম্যবাদী দম্ভ। পৃথিৱীৰ সৰ্বহাৰা শ্ৰেণীৰ মক্তি অকল বিশ্বযুদ্ধৰ মাজেৰেই আহিব বুলি বুজাই দিয়া হৈছে। বুজাই দিয়া হৈছে যে ৰাজনৈতিক ক্ষমতা অকল বন্দুকৰ নলীৰেই ওলাই আহিব। সৰ্বহাৰাৰ মুক্তিৰ ক্ষেত্ৰত যুদ্ধ অপৰিহাৰ্য্য। যুদ্ধই হ'ল ৰাজনৈতিক সংঘাতৰ চুড়ান্ত ৰূপ। পুঁজিবাদক উভালি পেলাবলৈ যুদ্ধই একমাত্ৰ অস্ত্ৰ। এই যুদ্ধ যদি নিজে নিজে নাহে তেনেহলে যুদ্ধৰ পৰিস্থিতিক সৃষ্টি কৰি তুলিব লাগিব। সাম্ৰাজ্যবাদী শক্তিক পৰাভূত কৰিবলৈ যুদ্ধ অপৰিহাৰ্য্য। প্ৰথম বিশ্বযুদ্ধই সাম্যবাদী ৰুচদেশৰ সৃষ্টি কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধই চীন ভিয়েৎনাম আৰু পুব ইউৰোপৰ ৰাষ্ট্ৰসমূহত সাম্যবাদ প্ৰতিস্থা

কৰিলে। তৃতীয়খন বিশ্বযুদ্ধ হলে সকলো পুজিবাদীৰাষ্ট্ৰৰ বিনাশ হব আৰু সমগ্ৰ পৃথিৱীতেই প্ৰতিস্থা হব মাও-জে-ডঙৰ সাম্যবাদ বা মাওবাদ। যদি তৃতীযখন বিশ্বযুদ্ধত আণৱিক শক্তিৰো প্ৰয়োগ হয আৰু যদি মানৱতাৰ বিনাশো আহে, তথাপি যি দুই -চাৰিজন ৰৈ যাব সিহঁতেই চীনদেশৰে অধিবাসী হব। মানৱ সমাজৰ এই অৱশিষ্ট মানুহৰ পৰাই সৃষ্টি হব এক নতুন প্ৰজন্ম। চীন দেশেই হৈ পৰিব পৃথিৱী। সকলো মানুহ দেখাত একেই হ'ব। কথাও ক'ব একেই ভাষাৰে। জীয়াই থাকিব একেটা নীতিৰে।

'আমাৰ মহান নেতা চেযাৰমেন মাও-জে-ডঙৰ সবল নেতৃত্বত। পুনৰ সমস্বৰে উত্তৰ' দিলে ভ্ৰমণকাৰী দলটোৱে। মন পুত উত্তৰ পাই কেডাৰজনৰ মুখত ফুটি ওলাল আত্মগৌৰৱৰ প্ৰসন্ন হাঁহি।

'ধন্যবাদ কমৰেডসকল। বিপ্লৱৰ চৰিত্ৰ আৰু লক্ষ্য সম্পৰ্কে তোমালোকৰ পৰিপক্কতা সঁচাকৈয়ে আদৰণীয।

কেডাৰজনে কথাকিটা কৈ ওচৰতে থিয় দি থকা লেন্‌ডুপলৈ হঠাতে উভতি চালে। লেনডুপক প্ৰতিক্ৰিযাহীনভাৱে থিয দি থকা দেখি হান কেডাৰজনে তীক্ষ্ণ প্ৰশ্ন কৰিলে।

'তোমাক ইমান নিৰাশ দেখিছোঁ কয? প্ৰশ্নটো শুনও লেন্‌ডুপৰ মাত কোনো ভাবান্তৰ পৰিলক্ষিত নহ'ল। মনৰ বিদ্বেষ মাতে লুকুবাই ৰাখি এজন সুদক্ষ অভিনেতাৰ দৰে নাটকীয় সুৰতে উত্তৰ দিলে লেনডুপে —

'মই যেন এটা সপোন দেখি আছোঁ, মোৰ আজি তেনেকুৱা লাগিছে কমৰেড।

'ঠিক ঠিক। ঠিকেই কৈছা তুমি। এই পৰিৱৰ্তন সঁচাকৈযে এটা সপোনৰ নিচিনা। দহ বছৰৰ ভিতৰতে এখন দুৰ্ভিক্ষ পীড়িত দেশ এনেদৰে নদন-বদন হৈ উঠাতো সঁচাকৈযে এটা সপোনৰ নিচিনা কমৰেডসকল। পৃথিৱীখনৰ ছবি অকল মানুহেই সলাব পাৰে যদিহে মানুহৰ মনবিলাক প্ৰথমে সলনি হয়। তিব্বতবাসীৰ মন আজি সলনি হৈ পৰিছে কাৰণে শিলনিতো এতিয়া শস্য উৎপন্ন হৈছে। চাংপো নদীও পাৰ কৰিছে দীঘল দীঘল দলঙৰ ওপৰেৰে। তিববতবাসী আজি আকাশত উৰিছে-দহদিনৰ বাট একেদিনাই গৈছে আৰু ধৰ্মান্ধ মানুহবিলাক পলাই গুচি গৈছে পুঁজিপতি দেশত আশ্ৰয বিচাৰি।'

গুৰু পদ্মসম্ভৱ জীযাই থকা হ'লে তেখেতে কৰি যোৱা ভৱিষ্যবাণীৰ প্ৰতিটো বাক্য

বাৰশ বছৰ পিছত এনেদৰে আখৰে আখৰে প্ৰতিফলিত হোৱা দেখিলে হয়তো ক্ৰুৰ হাঁহি ফুটি ওলালহেঁতেন তেখেতৰ মুখত। এই পৰিণতিৰ বাবে গুৰু পদ্মসম্ভৱে 'পন' ধৰ্মৰ অনুগামীসকলকে দায়ী কৰিলেহেঁতেন যিসকলে তেখেতক তিব্বত দেশৰ পৰা খেদি পঠিয়াইছিল। গুৰু পদ্মসম্ভৱৰ সেইটো ভৱিষ্যত বাণী আছিল নে অভিশাপ আছিল সেই কথাই ধৰ্মগ্ৰন্থসমূহো নিমাত হৈ থাকিছে।

হান কেডাৰজনে ভ্ৰমণকাৰী দলটোক লিনঝিৰ বিভিন্ন দিশবিলাক দেখুৱাই লৈ ফুৰোতে তিনিদিন লাগিল। এই তিনিদিনৰ অভিজ্ঞতাই লেন্‌ড্ৰুপকো ভবাই তুলিলে যে সি তিব্বত দেশত আছেনে চীনৰ কোনোবা গ্ৰামাঞ্চলত ঘূৰি ফুৰিছে। বাটে -ঘাটে, পথাৰে পামে যেনি চকু যায় তেনিয়েই দেখিলে অকল হান মানুহ।

'তিব্বতবাসীক সকলো ধৰণৰ সুযোগ প্ৰদান কৰা সত্ত্বেও এই লোকসকলে নিজৰ হাজাৰ বছৰীয়া জড়তাক এতিয়াও ত্যাগ কৰিব নোৱাৰিলে। মালা জপি, মন্ত্ৰমাতি ইহঁতে দিনটো পাৰ কৰি দিয়ে। তিব্বতৰ নতুন পুৰুষে এতিয়া এই দুৰ্বলতাবিলাক বুজি উঠিব পাৰিছে। পুৰণি শ্ৰেণীটোৰ অন্ধবিশ্বাসৰ পৰা নতুন পুৰুষক আঁতৰাই আনিব পৰিলেহে এই জড়তাৰ অৱসান ঘটিব।

হান কেডাৰজনৰ ভাষণশুনি লেন্‌ড্ৰুপৰ গা বেজবেজাবলৈ ধৰিলে। নতুন পুৰুষৰ সৃষ্টি কৰিবলৈ মাক বাপেকৰ বুকুৰ মাজৰ পৰা এদিন তাকো টানি-আজুৰি লৈ গৈছিল পিকিংলৈ। শিক্ষাৰ নামত সাম্যবাদী প্ৰচাৰেৰে তাৰো মগজু ধোলা কৰি পেলাবলৈ সুদীৰ্ঘ দহ বছৰ চেষ্টা চলোৱা হৈছিল মাও-জে-ডঙক ভগৱান বুলি মানি লবলৈ আৰু পুঁজিবাদকেই অধৰ্ম বুলি ভাবি লবলৈ সাম্যবাদী হাতুৰীৰে মূৰত কোবোৱা হৈছিল। মাৰ্কিনসকল মানৱতাৰ শত্ৰু আৰু দালাই লামাই তিব্বতবাসীৰ প্ৰধান শত্ৰু বুলি ক'বলৈ সাম্যবাদী সংলাপ মুখস্থ কৰাইছিল। এই সকলো তিক্ততাপূৰ্ণ স্মৃতি লেন্‌ড্ৰুপৰ মনলৈ লগে লগে উভটি আহিল।

দহবছৰীয়া বন্ধনৰ পিচত সি উভটি আহিলনিজৰ দেশলৈ। উভতি আহি সি দেখিলে আকাশত উৰিছে শগুণ চিলনী। উজাৰ হৈ গৈছে নদন-বদন গ্ৰাম গ্ৰামাঞ্চলবিলাক। ধ্বংসস্তুপত পৰিণত হৈ গৈছে মঠ-মন্দিৰসমূহ। জনশূন্য হৈ গৈছে লাচা নগৰ। মঠ-মন্দিৰৰ লামাসকলে কাম কৰিছে আলিবাটত। হেৰাই গৈছে তাৰ পাপা-আমা-ভাই-ভনীও।

এইবিলাক দেখি শুনি লেন্‌ডুপে মূৰত পিন্ধি অহা ৰঙা তাৰকা থকা টুপীটো দলিযাই দিছিল লাচা নৈৰ পানীত। লাচাৰ হোষ্টেল এৰি সি পলাই গুচি গৈছিল নির্য্যাতিত জনগণৰ মাজলৈ। এতিযা তাৰ বযস ওঠৰ বছৰ হ'ল। সি মানুহ হ'ল যদিও কমিউনিষ্ট হব নোৱাৰিলে। হান কেডাৰজনৰ কথাত লেন্‌ডুপে কোনো গুৰুত্বই নিদিলে।

'তিব্বত দেশৰ হাজাৰ হাজাৰ শিশুৱে আজি পিকিঙত শিক্ষা গ্রহণ কৰি আছে। এই নতুন পুৰুষে যিদিনা তিব্বত দেশৰ দাযিত্ব কান্ধ পাতি লব পৰা হৈ উঠিব সিদিনাই আমিও উভতি যাম নিজৰ দেশলৈ।

হান কেডাৰজনৰ কথা শুনি লেন্‌ডুপৰ পেটে পেটে হাঁহি উঠিল। এই নতুন পুৰুষৰে এজন সিও আছিল বুলি তাৰ ক'বলৈ মন গ'ল। লগতে এই কথাও তাৰ ক'বলৈ মন গ'ল যে তিনি হাজাৰদিনীযা শিক্ষাৰ অন্তত সি মাত্র তিনিটা কথাই শিকি আহিছে যে তিববত এখন স্বতন্ত্র দেশ তিব্বতীযসকল এটা স্বতন্ত্র জাতি আৰু হান- সকলেই তিববতবাসীৰ ঐতিহাসিক শত্রু।

***

'তুমিও যে পিকিঙত পঢ়া-শুনা কৰি আহিছা সেই কথা হান কেডাৰজনে গম নাপায নেকি লেনডুপ?' নিশা শুবৰ সমযত তাদিকে কথাটো সুধিলে।

নিশ্চয জানে। ভ্রমণলৈ অহা প্রতিজন মানুহৰ বিষযে ইহঁতক জনোৱা হয।

এই ভ্রমণৰ উদ্দেশ্য কি মই হলে বুজিবই পৰা নাই।

'তুমিও যে কেনেকুৱা মানুহ তাদিক। এই ভ্রমণৰ উদ্দেশ্য তুমি এতিযাও বুজিব পৰা নাই?' প্রশ্নটো কৰি লেন্‌ডুপে তাদিকৰ পিনে মুখ ঘূৰাই শুই ল'লে।

'লাচা চাবলৈ পঠিযাইছে বুলিহে জানো। আন কিবা ৰহস্য আছে নেকি?' তাদিকৰ কথাত আশংকা ফুটি ওলাল।

শুনা তেনেহলে। এই ভ্রমণক ইহঁতে শিক্ষামুলক ভ্রমণ বুলি কৈছে যদিও আমাৰ মনত ভযৰ ভাব সৃষ্টি কৰাটোৱেই এই ভ্রমণৰ আচল উদ্দেশ্য। আমাৰ সাম্যবাদী আনুগত্যৰ ওপৰত সিহঁতৰ সন্দেহ ওপজিছে। হানৰ ক্ষমতা আৰু তিববতবাসীৰ ওপৰত চলা নির্য্যাতনৰ ছবিখন সিহঁতে আমাৰ মনত আঁকি দিব বিচাৰিছে যাতে প্রতিবাদ কৰাৰ মানসিকতা আমাৰ শেষ হৈ যায। হান সাম্যবাদীৰ ওচৰত আত্মসমর্পণ কৰাৰ

বাদে আমাৰ বাবে যে আৰু আন পথ নাই সেই কথাকে সুমুৱাই দিব বিচাৰিছে তোমাৰে মোৰে মগজুত।

'আমাৰ লগত অহা বাকীখিনি মানুহৰ কথাও একেই নেকি লেন্‌ডুপ?'

'হবও পাৰে নহবও পাৰে। হান বৰ ধূৰ্ত। ইহঁতে কোনো অনাহানক কেতিযাও বিশ্বাসত নলয জানিবা। একেই ভ্ৰমণকাৰীৰূপে আমাৰ লগত অহা মানুহ কিজনৰ মাজতেই যে হান চোৰাংচোৱা লুকাই নাই সেই কথাও ক'ব নোৱাৰি। বুজিলানে এতিযা?'

মোৰ কিয ভ্ৰমণলৈ পঠিযাইছে লেনডুপ মইতো এই দেশৰ মানুহ নহয। আন দেশৰ পৰা পলাই আহিছোঁ ইচ্ছা হ লে উভতি গুচি যাবও পাৰো নহযনে?

তাদিকে তাৰ মনত উৎপন্ন হ'ব ধৰা বিৰূপ প্ৰতিক্ৰিযাক প্ৰথমবাৰৰ বাবে প্ৰকাশ কৰি পেলালে।

'উত্তৰ দিলে তুমি মোক বেযা পোৱা যদি?

তোমাক বেযা পাম সেইটো কথা হব পাৰেনে লেনডুপ? এই দেশৰ কথা আৰু ইযাতে ঘটি থকা ঘটনাবিলাক মই তোমাৰ পৰাই জানিলোঁ। এতিযা মোৰ ধাৰণা-বিলাকো সলনি হব ধৰিছে। তুমি নিঃসন্দেহে কৈ যোৱা মই অকণো বেযা নাপাওঁ।

উভতি গুচি যোৱাতো ইমান সহজ নহ'ব তাদিক। তোমাক লৈ ইতিমধ্যে নানান পৰিকল্পনা সাজি উলিযাইছে জানিবা। তোমাক এজন কমিউনিষ্টৰূপে গঢ দি তুলিব বিচাৰিছে সিহঁতে। তাৰ পিচত এদিন সিহঁতে তোমাক এজন ৰাজনৈতিক দালালৰূপে কামত লগাব।

কেনেকুৱা কামত লগাব লেনডুপ? সেযা তাদিকৰ উৎকণ্ঠা নে ভয লেন্‌ডুপে আন্ধাৰত বুজিব নোৱাৰিলে।

'তুমি য'ৰ পৰা পলাই আহিছা, তালৈকে পুনৰ তোমাক পঠিযাই দিব সিহঁতে।'

'কি কাৰণে পঠিযাব ক'বানে?' তাদিকৰ মনত খেলি-মেলি লাগে।

'তুমি এৰি থৈ অহা মানুহখিনিকো কমিউনিষ্ট কৰিবলৈ।'

'সেইটো কেনেকৈ সম্ভৱ হব লেন্‌ডুপ? মই এৰি থৈ অহা মানুহখিনিৰতো কোনো অভাৱ নাই যে সিহঁতে কমিউনিষ্ট হ'বলৈ সন্মতি দিব। ধৰ্ম এৰিবলৈ ক'লে সিহঁতে মোকেইচোন কাটি ডোখৰ ডোখৰ কৰি পেলাব। সেই কাম মই কেতিযাও কৰিব নোৱাৰিম লেন্‌ডুপ।

'নোৱাৰো বুলি ক'লেই হানে তোমাক অব্যাহতি কেতিয়াও নিদিয়ে। তোমাক আশ্রয় দি খুৱাই-পিন্ধাই গ্রুপ লিডাৰ পাতিছে। ইমান ধন খৰচ কৰি তিব্বত দেশ চাবলৈ পঠিযাইছে, এইবিলাক এনেয়ে কৰিছে বুলি ভাবিছা নেকি? কমিউনিষ্ট হান ইমান উদাৰ নহয তাদিক।'

'তোমাৰ কথাবিলাকেচোন মোক বৰ চিন্তাত পেলালে। জীৱনৰ মাযাত পলাই আহিছিলো নিৰাপদ আশ্রয বিচাৰি। এতিযা দেখিলো বাঘৰ গৰালতে যেন আহি সোমাই পৰিলোঁ।

তাদিকৰ কথাত লেন্‌ডুপৰ হাঁহি উঠিল। সেই হাঁহিত তাদিকৰো হাঁহি উঠিল নিজৰ মূৰ্খামিৰ কথা ভাবি।

(২১)

পিচদিনা ভ্রমণকাৰী দলটোক লৈ যোৱা হ'ল লিনঝিৰ প্রস্তাবিত উলৰ কাৰখানাটোৰ স্থানীলৈ। লিনঝিৰ দহ কিলোমিটাৰ উত্তৰে এশপুৱামান সমতল ভূমিত তেতিযা কাম কৰি আছিল শ শ হান শ্রমিকে। সিহঁতৰ লগতে দুহ এশ তিব্বতীয শ্রমিকেও কাম কৰি থকা দেখিলে লেন্‌ডুপহঁতে।

এইটোৱেই হ'ব লিন্‌ঝিৰ উলৰ কাৰখানা। আৰু দুবছৰ পিচত এই কাৰখানাটো সম্পূর্ণ হৈ উঠিলে ইযাত বাৰশ শ্রমিকে কাম কৰিব। উৎপন্ন হব পঞ্চাছ বিধ উলী কাপোৰ। উন্নত মানৰ কম্বলো উৎপন্ন হ'ব এই কাৰখানাতে।

হান কেডাৰজনে ভ্রমণকাৰীসকলক দেখুৱাই লৈ ফুৰে কাৰখানাটোৰ বিভিন্ন দিশ। আহিলা পাতিবিলাকলৈ চাই লেনডুপে বুজি পায যে কাৰখানাটো নতুন নহয। ক'ৰবাত অচল হৈ পৰা এই কাৰখানাটো তুলি অনা হৈছে লিন্‌ঝিলৈ। হান কেডাৰজনৰ মুখৰ পৰাই উত্তৰটো শুনিব বিচাৰিলে লেন্‌ডুপে।

'কাৰখানাটো নতুন নহয কিজানি?'

কেনেকৈ জানিলা তুমি? সঁচা কথাটো ধৰা পৰা যেন দেখি হান কেডাৰজনৰ খং উঠিল।

'লোহাবিলাক মামৰে ধৰা দেখিহে সুধিছোঁ।' লেন্‌ডুপ পিচ হুঁহকি অহা ল'ৰা নহয। হান কমিউনিষ্টৰ চৰিত্রক সি ভালদৰেই জানে। পিকিঙৰ দহবছৰীযা প্রশিক্ষণে তাক

এটা বিশেষ মৰ্য্যাদাও দিছে সি বুজি পায। দালাই লামাৰ মন্ত্ৰীসভাৰ "ঙাবো" মন্ত্ৰীৰ নিচিনাকৈ তাকো এজন দেশদ্ৰোহী দালালৰূপে গঢ়ি তুলিব যে বিচাৰিছে সেই কথাও লেন্‌ড্ৰুপে সহজে অনুমান কৰি লৈছে। তলৰ কেডাৰে নাজানিলেও ওপৰৰ মানুহে তাক ভালদৰেই জানে বুলি সি ধৰি লৈছে।

'মামৰে ধৰিলেই বস্তু পুৰণি হৈ নাযায়। সোন মাটিত পেলাই থলেও সোণ হৈয়ে থাকিব জানিবা।' যুক্তি প্ৰদৰ্শন কৰিলেও চীনৰ চাংহাই শিল্প নগৰীৰ পৰা তুলি অনা উলৰ কাৰখানাটো যে শতবৰ্ষ পুৰণি সেই কথা হান কেডাৰজনেও অনুমান কৰিব পৰিলে।

তাৰ পৰা ভ্ৰমণকাৰী দলটোক আৰু দহ কিলোমিটাৰ দূৰত থকা "বায়ি" নামৰ ঠাইখনলৈ লৈ যোৱা হ'ল। বায়ি এটা নতুন শিল্পকেন্দ্ৰ। কাগজ, বেটাৰী, দিয়াচলাইৰ পৰা আৰম্ভ কৰি বিভিন্ন সৰু -বৰ কাৰখানা প্ৰতিস্থা কৰা হৈছে বাযি শিল্পনগৰীত। আমদানি কৰা হৈছে শ শ হান বিশেষজ্ঞ। অশিক্ষিত আৰু অৰ্হতাহীন বুলি আঁতৰাই ৰখা হৈছে স্থানীয মানুহক। এনেদৰেই ভাণ্ডি পৰিব ধৰিছে তিব্বত দেশৰ জনগাঁথনি। নিজৰ ভূমিতে সংখ্যালঘু হৈ পৰিছে হানৰ পদানত তিববতীয জাতি।

***

(২২)

ভ্ৰমনকাৰী দলটো পিচদিনাই নিইংচি এৰাৰ কথা আছিল যদিও শেষ মুহূৰ্ত্তত যাত্ৰা স্থগিত হোৱা বুলি আদেশ শুনাই যোৱাত তাদিক অলপ আচৰিত হৈ পৰিল।

'ইহঁতৰ কাম আৰু কথাত কোনো সমিল মিল নাই। এতিযাই কিবা এটা ক'লে, অলপ পিচতে আহি আন এটা ক'ব। ৰাতিপুৱা ক'লে যাব লাগিব বুলি আৰু এতিযা কৈছে যোৱা নহ'ব, শুই থাক। লাচা নগৰী চাবলৈ উচপিচাই থকা তাদিকেও হানৰ ওপৰত আস্থা হেৰুৱাবলৈ যেন আৰম্ভ কৰিলে।

'ৰ'বা তাদিক ইমান উত্ৰাবল হৈছা কিয় ? যাত্ৰা এনেযে স্থগিত কৰা নাই কিবা এটা-অঘটন নিশ্চয় ঘটিছে ক'ৰবাত।'

'কেনেকুৱা অঘটন ?'

'মানে চ্যুছি গ্যানড্ৰুকৰ আক্ৰমণ চলিছে ক'ৰবাত নিশ্চয়। ইয়াৰ পৰা লাচাৰ দূৰত্ব

চাৰিশ ‘গংলি”। আলিটো গৈছে চাংপো নৈৰ পাৰেদি। লাচা পাবলৈ হ’লে এই নৈখন আৰু পাঁচ ঠাইত পাৰ হ’ব লাগে। এই আলিটোৰ ওপৰত বিদ্ৰোহীসকলে প্ৰায়েই আক্ৰমণ চলায়। সেই কাৰণে অকল সামৰিক যানহে চলে এই আলিৰে। দুখন চাৰিখন গাড়ী নচলে বহুত গাড়ী এক লগ হৈহে যায়।

এই বিদ্ৰোহী বিলাক কৰ মানুহ লেন্‌জুপ ইযাৰে নেকী

‘ক’ৰ মানুহ হ’ব আৰু তিববতৰে মানুহ। নিজৰ দেশৰ বাবে নিজেই যুঁজিব লাগে আনে আহি যুঁজি দিব নেকি ? অৱশ্যে বিদ্ৰোহী বাহিনীত হান সৈনিকো আছে বুলি শুনিছোঁ। সঁচা মিছা নাজানো দেই।

বিদ্ৰোহী বাহিনীত হান চিপাহী কেনেকৈ থাকিব .

থাকিব পাৰে। হানজাতিৰ সকলোৱে কমিউনিষ্ট হৈ যোৱা নাই জানিবা। কমিউনিষ্টক বিৰোধিতা কৰা বহুত হান মানুহকো হত্যা কৰা হৈছিল। সেই কথা পিকিঙত থাকোতেই মই গম পাইছিলোঁ। এতিযাও তেনে মানুহ চীন দেশত অসংখ্য আছে। চীনৰ সকলো মানুহ হান নহয়। হানজাতিৰ সংখ্যা বেছি কাৰণে সিহঁতেই চীনদেশৰ নতুন মালিক হৈ পৰিছে। আন সংখ্যালঘু জাতিবিলাকৰ ওপৰত কমিউনিষ্ট নিযম সিহঁতেই জপি দিছে।

বিদ্ৰোহী বাহিনীত গৈ যোগ দিয়া এই হান চিপাহীবিলাক কমিউনিষ্ট নাছিল নেকি লেন্‌ডুপ ?

হযতো ভযতে কমিউনিষ্ট হৈছিল। তিববতলৈ অহাৰ পিচত কমিউনিষ্টৰ লগ এৰি সিহঁতেও সুবিধা বুজি ছুটি গ্যানড্ৰুকত যোগ দিছে।

কথা পাতি থাকোতে ভ্ৰমণ পৰিচালকজনক সিহঁতৰ পিনে বেগাই আহি থকা দেখিলে লেনডুপে।

‘বৰ বেগাই আহিছেচোন কিবা এটা নতুন আদেশ লৈ আহিছে যেন পাওঁ।’ লেন্‌ডুপে ক’লে।

তোমালোক সাজু হোৱা। এঘন্টাৰ ভিতৰতে যাব লাগিব। বাকীকিজন ক’ত আছে?’কথাকিটা ফোপাই ফোপাই ক’লে ।

কোঠালীৰ ভিতৰতে আছে।’ উত্তৰটোও লেন্‌ডুপেই দিলে।

‘সিহতঁকো সাজু হ’বলৈ ক’বা। মই গাড়ী আনিবলৈ যাওঁ।’

কথাখিনি কৈযেই যেনেদৰে আহিছিল তেনেদৰেই উভতি গ’ল ভ্ৰমণ পৰিচালকজন।

এইটো আকৌ কি হ'ল লেন্‌ডুপ? বিৰক্তিৰে সুধিলে তাদিকে।

'কি হ'ব আৰু ৰাস্তাটো ক'ৰবাত বন্ধ হৈ পৰিছিল হব পায়। এতিয়া খুলিলে কিজানি।

ভ্ৰমণকাৰী দলটো সাজু হয় মানে গাড়ীখন আহি পালেই। জিয়েফাং সামৰিক যানখন প্ৰস্তুতিৰ প্ৰতি লক্ষ্য কৰি লেনডুপে তাদিকৰ কাণে কাণে ক'লে

'মই কৰা অনুমানটোৱেই সঁচা তাদিক। বিদ্ৰোহীসকলে কৰবাত পুনৰ অক্ৰমণ চলাইছে।

কেনেকৈ বুজিলা?

চোৱাচোন গাড়ীখনত কিমান বালিৰ বস্তা সজায় লৈছে।

বালিৰ বস্তাবিলাক কিয় তুলি লৈছে বা? তাদিক অলপ আচৰিত হয়।

লেনডুপে উত্তৰ দিয়াৰ আগতে অনতিদূৰত থিয় দি সামৰিক ড্ৰাইভাৰজনৰ লগত কথা পাতি থকা পৰিচালকজন ওচৰ চাপি আহিল।

কোনো এঠাইত বিদ্ৰোহীসকলে চলন্ত গাড়ীৰ ওপৰত গুলিয়াইছে। যদি ক'ৰবাত বিদ্ৰোহীসকলে পুনৰ গুলিয়াই তেনেহলে এই বস্তাবিলাকৰ পিচপিনে তোমালোকে দীঘল দি শুই পৰিবা। বুজিলানে?

পৰিচালকজনৰ সকীয়নি শুনি ভ্ৰমণকাৰী দলটোৱে নিজৰ মাজতে দৃষ্টি বিনিময় কৰিলে যদিও লেনডুপ নিৰ্বিকাৰ হৈ থাকিল।

'ভয় কৰিছা নেকি তাদিক? লেন্‌ডুপে সুধিলে।

'আজি নগলেওতো হ'লহেঁতেন নহয় নে লেনডুপ?' উত্তৰ দিলে তাদিকে। মনত ওপজা ভয়খিনিক সি লুকুৱাই ৰাখিব নোৱাৰিলে।

একো ভয় নাই তাদিক। এইটো এটা সাধাৰণ ঘটনা মাত্ৰ। হান সৈনিকৰ হাতে হাতে ৰাইফল থকা সত্বেও সিহঁতে বিদ্ৰোহীলৈ বৰ ভয় কৰে। বিদ্ৰোহীয়ে এজাই গুলী মাৰিলেই ইহঁতৰ এশখন গাড়ী বৈ যায়।'

লেন্‌ডুপহতঁৰ গাড়ীখন গৈ মূল কনভয়টোৰ লগত যোগ দিয়াত লেন্‌ডুপে ডিঙি মেলি চালে। কনভয়টোৰ আয়তন দেখি পঞ্চাশখন গাড়ীৰ কম নহ'ব বুলি সি অনুমান কৰি ল'লে। বেছিভাগেই সুসজ্জিত সামৰিক যান। সেই যানবিলাকৰ পৰা ওপৰ মুখে ওলাই থকা মেচিনগান আৰু মৰ্টাৰৰ নলীবিলাকলৈ চাই লেন্‌ডুপে বুজিলে যে এই

যাত্ৰা একেবাৰে বিপদমুক্ত নহয়। হানৰ সামৰিক প্ৰস্তুতিৰে চাই তাৰ মনত ভয় ওপজাতকৈ বিদ্ৰোহীসকলৰ প্ৰতি শ্ৰদ্ধাহে ওপজিল। মাজবাটত আকস্মিক আক্ৰমন আহিলে, গাড়ীৰ পৰা জঁপিয়াই নামি সিও দৌৰি গৈ যোগ দিব বিদ্ৰোহী বাহিনীত সেই চিন্তাও আহিল লেন্‌ডুপৰ মনলৈ।

'কি ভাবি আছা লেন্‌ডুপ?' লেন্‌ডুপক প্ৰথম লগ পোৱাৰ পিচৰে পৰা তাদিকে প্ৰতি কথাতে লেন্‌ডুপৰ ওপৰত নিৰ্ভৰ কৰিবলৈ আৰম্ভ কৰিছিল। বয়সত সৰু হলেও লেন্‌ডুপ যে তাতকৈ অধিক যোগ্য সেই কথা তাদিকে মনৰ ভিতৰতে মানি লৈছিল।

'নাই নাই একো ভবা নাই তাদিক।' লেন্‌ডুপে মিচিকিয়াই হাঁহিলে যদিও চেলাউৰিযোৰ নাকৰ ওপৰত থূপ খায়ে থাকিল।

এনেতে দীঘল কনভয়টো চলিবলৈ আৰম্ভ কৰিলে। পঞ্চাশটা ডিজেল ইঞ্জিনৰ গৰ্জনৰ শব্দ বহু দূৰৰ পৰাই কাণত পৰিল। আলিটো পকা কৰা হৈছে যদিও বতাহে উৰুৱাই অনা ধূলি-বালিৰে বাটটো বগা হৈয়ে থাকে। ধূলিৰ ধুমুহা তিববত দেশৰ এটা চিৰন্তন অভিশাপস্বৰূপ হৈ আহিছে। বৰফৰ দেশ বুলি জনাজাত হলেও পৃথিৱীৰ উচ্চতম মালভূমিৰ এই দেশখনৰ ভৌগোলিক পৰিবেশ অতি বিচিত্ৰ ধৰণৰ। সাগৰপৃষ্ঠৰ পৰা বাৰহাজাৰ ফুট উচ্চতাত অৱস্থিত এই দেশখনৰ বৰষুনৰ পৰিমাণ তেনেই নগণ্য। বসন্তৰ আগে আগে দেশখনৰ ওপৰেৰে বৈ যায় প্ৰচণ্ড ধূলিৰ বতাহ। এই ধূলিৰ বতাহে পথাৰৰ উৰ্বৰতাখিনি উৰুৱাই লৈ যায় বুলি তিববতবাসীযে জান জুৰি নৈৰ পৰা কলহে পানী কঢ়িযাই আনি চটিযাই দিয়ে উন্মুক্ত পথাৰত। তিববতবাসীৰ ইও এটা জাতীয সংস্কৃতিৰ অংগ। ধৰ্মীয সংস্কৃতিৰ লগতে সানমিহলি হৈ গৈছে।

আগত যোৱা গাড়ীবিলাকে উৰুৱাই থৈ যোৱা ধূলিযে বাট নেদেখা কৰাত পিছৰ গাড়ীবিলাকৰ গতি মন্থৰ হৈ পৰে। গাড়ীবিলাকৰ মাজৰ ব্যৱধান ক্ৰমান্বযে বাঢ়ি যাব ধৰাত কনভয়টো দীঘল আৰু সেৰেঙা হৈ পৰিব ধৰে।

এনেদৰে শামুকীযা গতিত গৈ থাকোতে এশ দুই কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰাত সন্ধিযাহৈ পৰিল। চাংপো নৈৰ তৃতী যখন দলঙৰ মুখত কনভযটোক ৰখাই দিযাৰ নিৰ্দেশ আহিল। নিৰাপত্তাৰ খাতিৰত দলঙৰ মুখতে থকা ডাঙৰ সৈনিক শিবিৰতে সকলোৰে থকা-মেলাৰ ব্যৱস্থা কৰা হ'ল।

এই ঠাইখনিৰ নাম তুমি জানানে? তাদিকৰ প্ৰশ্ন শুনি লেন্‌ডুপে নেতিবাচকভাৱে মূৰ জোকাৰিলে।

"নতুন ঠাইৰ নাম কেনেকৈ জানিম কোৱা?' আগতে মানুহে ঘোঁৰাতেই অহা যোৱা কৰিছিল। এতিয়া মটৰ আলি হৈছে। কমিউনিষ্ট হানে আলিবাট সাজিলে পোনকৈ সাজি নিযে। সম্মুখত গাঁও-ভুঁই, খেতি-পথাৰ পৰিলে সেইবিলা ক ভাঙি চিঙি পেলোৱা হয। আলিবাট মানুহৰ উপকাৰৰ বাবে যদি সজোৱা হয তেনেহলে কাৰো ক'তো ক্ষতি নকৰাকৈ অকাই পকাই যাব লাগে নহযনে তাদিক?

'তুমি ঠিকেই কৈছা। মই যিখন দেশৰ পৰা আহিছোঁ তাৰ আলিবাটবিলাক বৰ অকোৱা-পকোৱা গাডীমটৰত উঠি যাবই নোৱাৰি-অলপতে ওকতি আহে।

সেইখন দেশৰ নিযমবিলাক অলপ বেলেগ হ'ব কিজানি।' ভাৰত বৰ্ষৰ কথা লেন্‌ডুপে একোকে নাজনে।

'অলপ বেলেগ নহয লেন্‌ডুপ, একেবাৰেই ওলোটা।

'কেনেকুৱা ওলোটা তাদিক। মানুহবিলাকে পিচফালে খোজকাঢ়ি যায় নেকি?' তাদিকৰ সৰলতাক লৈ লেন্‌ডুপে মাজে সময়ে ধেমালি কৰে। সেই কথা তাদিকে বুজি পায।

'পিচফালে খোজ নাকাঢে হাতেৰে খোজকাঢে। দুযো হাঁহিব ধৰে।

মাজনিশা হঠাতে তাদিকৰ টোপনি ভাগিল ।

এই লেন্‌ডুপ উঠা উঠা। গুলিওবাগুলী চলিছে শুনা নাই নেকি? বুলি লেন্‌ডুপক জোকাৰিব ধৰিলে। খপজপাই উঠি বহিল লেন্‌ডুপ। হাতেৰে চকু দুটা মোহাৰি থাকোতে দূৰৰ পৰা মেচিনগানৰ শব্দ ভাঁহি অহা শুনিলে। একেটানে তাদিকক বিছনাত শুৱাই দি নিজেও শুই পৰিল।

'বহি থাকি মৰিব খুজিছা নেকি? বিদ্ৰোহীযে গুলিযাইছে। আন্ধাৰত মৰা গুলীয়ে কাৰ লাও খোলা উৰুৱাই নিয়ে কেনেকৈ জানিবা? সৌৱা চোৱা হান চিপাহীৰ গুলীবিলাক কেনেকৈ অগুঠাৰ নিচিনা ৰঙা হৈ যাব ধৰিছে।'

বিদ্ৰোহীসকলৰ মেচিনগানৰ নলীৰে ওলোৱা জুইলৈ লক্ষ্য কৰি প্ৰত্যুত্তৰ দিছিল হান সেনিকে। ট্ৰেচাৰ বুলেটবিলাক ৰঙা হৈ জ্বলি উঠে। লক্ষ্য নীৰ্ণয় কৰিবলৈ নিশাৰ আন্ধাৰত ট্ৰেচাৰ বুলিটকে যুদ্ধ-ক্ষেত্ৰত ব্যৱহাৰ কৰা হয। দুয়োপক্ষই যেতিয়া ট্ৰেচাৰ

বুলেট ব্যৱহাৰ কৰে তেতিয়া শিলত ঠেকা খাই ওপৰলৈ উৰি যোৱা ৰঙা বুলেটবিলাকে ৰণক্ষেত্ৰতো মনোমোহা দৃশ্যৰ সৃষ্টি কৰি তোলে।

অলপ সময়ৰ পিচতে গুলীবিনিময় বন্ধ হৈ পৰে যদিও হান সৈনিকৰ চিঞৰ- বাখৰ দুগুণ হৈ উঠে। ইফালে সিফালে লৰা ঢপৰা লাগি যায। শেষ নিশাৰ জোনাকৰ পোহৰত কেইজনমান মানুহক দলংখনেৰে কটিযাই অনা লেন্‌ডুপে দেখা পালে। আহত নে নিহত বুজি নাপালে। দলঙত পৰ দিয়া নিশাৰ প্ৰহৰীজাকৰ যে কেইজনমান আহত নিহত হ'ল সেই কথা লেনডুপেও বুজিলে। এনেতে ভ্ৰমণ পৰিচালকজন ঘৰটোলৈ সোমাই আহিল।

'সাৰ পালানে তোমালোকে ? হাতৰ টৰ্চটোৰে ঘৰৰ ভিতৰখন ক্ষন্তেকৰ কাৰণে চাই ললে। "এতিযা আৰু শুব নালাগে। অলপ পিচতে পোহৰ হলেই যাত্ৰা আৰম্ভ হ'ব।"

'কিবা ক্ষয-ক্ষতি হৈছে নেকি কমৰেড ?' নিজৰ চকুৰে দেখাৰ পিচতো লেনডুপে সুধিলে। হানৰ ক্ষয-ক্ষতি হানৰ মুখতে শুনিবলৈ তাৰ বেছি ভাল লাগিব বুলি সি ভাবি ললে।

'সেইবিলাক কথা তোমালোকে জনাৰ প্ৰযোজন নাই।

পৰিচালকজন উভতি যোৱাৰ অলপ পিচতে পূব আকাশখন লাহে লাহে উজ্জ্বল হৈ উঠিব ধৰিলে। কাপোৰ কানি পিন্ধি নিজৰ নিজৰ বযবস্তু সামৰি লৈ সাজু হওঁতেই এজন সৈনিক আহি লেন্‌ডুপহঁতক পুৱাৰ খাদ্য খাবলৈ মাতি লৈ গ'ল।

সূৰ্য্য উদযৰ লগে লগে কনভযটোৱে পুনৰ যাত্ৰা আৰম্ভ কৰিলে। কনভযটোৰ গতি আগদিনাৰ নিচিনাই মন্থৰ হৈ পৰিল দলংখন পাৰ কৰিযেই। এঘন্টামান পৰ্বতীযা পথ অতিক্ৰম কৰাৰ পিচতেই কনভযটো ক্ৰমান্বযে ইযাৰ্লুং উপত্যকাৰ সমতল ভূমিলৈ নামি যাব ধৰিলে। বসতিপূৰ্ণ এই ইযাৰ্লুং উপতাকাৰ সমতলভূমিত বিদ্ৰোহীৰ হিংসাত্মক কাৰ্য্যকলাপ নাই বুলিযেই ধৰি লব পাৰি। চেংডু-লাচা ঘাই আলিটো বাদেও বহুতো উপপথ সোমাই গৈছে বসতিপূৰ্ণ অঞ্চলবিলাকলৈ। ঠাযে ঠাযে সামৰিক শিবিৰ পাতি জনসাধাৰণৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখি থাকে হান সৈনিকসকলে। চাংপো নৈৰ দক্ষিণে হিমাললয পৰ্বমালাতে বিদ্ৰোহীসকলে গোপন ঘাটি পাতি আছে বুলি হান সৈনিক কমাণ্ডাৰ সকলেও জানে। এই বিদ্ৰোহীসকলৰ খাদ্যবস্তুবিলাকো বসতিপূৰ্ণ গাঁৱবিলাকৰ

পৰাই গোপন পথেৰে সৰবৰাহ হয় বুলিও জানে সৈনিক কমাণ্ডাৰে। হান সৈন্যবাহিনীৰ চলাচলৰ বাতৰি গাঁওবাসীসকলেই বিদ্ৰোহীলৈ পঠিযাই থাকে বুলি অনুমান কৰা হৈছে। আহত আৰু ৰোগগ্ৰস্ত বিদ্ৰোহীসকলক গ্ৰামাঞ্চললৈকে নমাই আনি চিকিৎসাও কৰা হয়, সেই কথাৰো উমান পাইছে হান কমাণ্ডাৰে। কিন্তু হাতে-লোতে কাকো আজিলৈকে ধৰিব পৰা নাই। বিদ্ৰোহীৰ খবৰ উলিযাবলৈ বহুতো নিৰপৰাধী যুবকক সৈনিক শিবিৰলৈ ধৰি আনি অকথ্য নিৰ্য্যাতন দিও কোনো তথ্য উলিযাব পৰা নাই হান সৈনিকে। বুঢ়া মানুহ আৰু গৰ্ভৱতী তিৰোতাও বাদ যোৱা নাই এই অমানৱীয নিৰ্য্যাতনৰ পৰা। উৰাবাতৰিত নিৰ্ভৰ কৰি শক্তিশালী সৈনিকদলে আকস্মিকতে ঘেৰাও দিযে একোখন গাঁও বা এটা অঞ্চল। পুৱতি নিশা অৱৰোধ কৰা এনে ঠাইবিলাকত চলে দিনযোৱা নিৰ্য্যাতন। মানৱতাক উদ্ধাৰ কৰিব খোজা সাম্যবাদী সৈনিকৰ হাততে লাঞ্চনা ভোগে নিৰপৰাধী মানৱসমাজে। লাঞ্চিত হয ভোকাতুৰ বৃদ্ধ। মাতৃ লাঞ্চিত হয পুত্ৰৰ সমুখত। ভগ্নী ধৰ্ষিতা হয ভাতৃৰ উপস্থিতিতে।

তথাপি বিদ্ৰোহ চলে অবিৰত গতিত। এটা দল মৰিলে আন এটা দল আহি যোগ দিযে বিদ্ৰোহী শিবিৰত। তথাপি পৰাঙ্মুখ নহয বিদ্ৰোহী মন পৰাঙ্মুখ হব নোখোজে তিব্বতীয সত্তা।

এতিযা আমি ইযার্লুং উপত্যকাৰ সমতলেৰে গৈ আছোঁ তাদিক।'

চলন্ত গাড়ীখনৰ পৰা তাদিকেও চালে চেংড়ু লাচা ঘাইপথৰ দুযো কাষে তথা বিস্তীৰ্ণ ভূমিখণ্ডলৈ। বিনিথা, এৰি অহাৰ পোন্ধাৰদিন পিচত সমতলভূমি আৰু ঘনবসতি অঞ্চল দেখি তাদিকৰো মন উৎফুল্লিত হৈ পৰিল।

'বৰ ধুনীযা ঠাই লেনড্ৰুপ। ইমান গাঁও এনেকুৱা সুন্দৰ খেতিপথাৰ এই দেশত আছে বুলি মই সঁচাকৈযে ভবা নাছিলোঁ।'

'এযা আৰম্ভণি মাত্ৰ। আগলৈ যিমানেই যাবা সিমানেই চাই যাব পাৰিবা এই দেশ কিমান ধুনীযা আছিল এটা সময়ত।'

'ইযাতকৈও ধুনীযা আছিল নেকি?' তাদিকে অনুমান কৰিব নোৱাৰে।

'দহগুণ ধুনীয়া আছিল দেশখন আৰু এশগুণ ধনী আছিল জনসাধাৰণ। এতিয়া যি দেখিছা সেযা অৱশিষ্ট খিনি— ভোজৰ পিচত পৰি থকা শুকান পাতবিলাকৰ নিচিনা আবৰ্জনা মাত্ৰ।'

'তুমি যিযেই নোকোৱা লাগিলে লেন্‌ডুপ-তোমালোকৰ দেশখন সঁচাকৈয়ে ধুনীয়া। বৰফে আগুৰা সৌ পৰ্বতৰ শিখৰবিলাক,একে সমান উচ্চতাত গজি উঠা সেই পাইন গছৰ বনানি অঞ্চল, নীলা পানীৰ নৈখন, বগা চূণ দিয়া ঘৰবিলাক- ৰং-বিৰঙীয়া কাপোৰ পিন্ধি পথাৰত কাম কৰি থকা সেই মানুহবিলাক সঁচাকৈয়ে বৰ ধুনীয়া লাগিছে লেন্‌ডুপ।'

কনভয়টো তেতিয়া কোবাল গতিৰে গৈ আছিল ঝেটাং অভিমুখে। বিদ্ৰোহীমুক্ত অঞ্চল বুলি হান ড্ৰাইভাৰেও সুহুৰিযাই সুহুৰিযাই গাড়ী চলাই গৈছিল। ঝেটাঙৰ দূৰত্ব তেতিযাও এশ কিলোমিটাৰতকৈ অধিক বাকী আছিল যদিও সময় হিচাপত সন্ধিযাৰ আগতে সেই ঠাই পাবগৈ বুলি সকলোৱে নিশ্চিন্ত হৈ উঠিছিল। ঝেটাং হ'ল চান্নান প্ৰদেশৰ ৰাজধানী। যথেষ্ট ব্যস্ত নগৰ। ইযাৰ পৰাই যাব লাগে ওচৰে পাজৰে থকা শ্বামে, 'নেডং' আদি ঐতিহাতিক মঠবিলাকলৈ। লাচাৰ দূৰত্বও বেছি নহয, মাত্ৰ দুশ কিলোমিটাৰ।

'চলন্ত গাডীত বহি গ'লে সকলো দৃশ্যই সুন্দৰ লাগে সঁচা তাদিক। কিন্তু নামি গৈ যেতিযা ওচৰ চাপি চাবা, তেতিযাহে বুজি পাবা কিমান অভিশপ্ত এইখন দেশ। মানুহবিলাকে যেতিযা সিহঁতৰ জীৱন কাহিনী শুনাব তেতিযা বুজিবা এইটো জাতি নিশ্চিন্ন হবলৈ আৰু সৰহদিন নলাগিব। পথাৰত লহপহীযা শস্য আছে যদিও এজন অতিৰিক্ত মানুহক এসাজ খুৱাবলৈ হ'লে ঘৰৰ কোনোবাজনে লঘোণ পৰিব লাগিব জানা তাদিক।'

সেইবিলাক কথা আৰু মোক নক'বা লেন্‌ডুপ। মই সকলো বুজি পাইছোঁ। মই কল্পনা কৰা তিব্বত দেশখন এইখনেই বুলি মোক চাই লবলৈ দিযা। আৰু এবাৰ চাবলৈ উভতি নাহিবও পাৰো লেন্‌ডুপ।' তাদিকে নিজৰ মনতে কিবা এটা সিদ্ধান্ত লবলৈ আৰম্ভ কৰে যদিও সেই কথা লেন্‌ডুপকো জানিবলৈ নিদিলে।

'এই ইযাৰ্লুং উপত্যকাতেই উৎপত্তি হৈছিল তিব্বতীয জাতিৰ। সেই মানুহৰ বংশধৰসকলেই কালক্ৰমে গঢ দি তুলিছিল এটা স্বতন্ত্ৰ জীৱনধাৰা - এটা পৃথক সভ্যতা আৰু সংস্কৃতি। এই ইযাৰ্লুং উপত্যকাৰেই ঝেটাং চহৰৰ কাষতে আছে তিব্বতী জাতিৰ উপৰিপুৰুষে আৰম্ভ কৰা প্ৰথম কৃষি পথাৰখন। তিব্বত দেশৰ অধিপতি দেৱতা চেন্‌ৰেজীগে বান্দৰ হৈ উপজি ট্ৰেহাং নাম লৈছিল। এই ট্ৰেহাঙেই আৰম্ভ কৰিছিল

চোঠাং নামৰ কৃষি পথাৰখন। এইবিলাক বৰ দীঘল কাহিনী। সময় পালে পিচত বুজাই কম বাৰু।

আবেলি কনভয়টো ঝেটাঙৰ ওচৰ চাপি যোৱাৰ লগে লগে চাৰিওপিনৰ দৃশ্যপটবিলাক সঘনে সলনি হৈ পৰিব ধৰা তাদিকে দেখিবলৈ পালে। তিব্বতবাসীৰ দৈনিন্দিন জীৱনধাৰাৰ ৰূপ-ৰংবিলাক ক্ৰমান্বয়ে স্পষ্ট হৈ উঠিব ধৰাতো তাদিকে লক্ষ্য কৰি গৈ থাকিল।

'এইবিলাকেই মোৰ কল্পনাৰ তিব্বত আছিল লেন্‌ডুপ। ছবিৰ নিচিনা গাঁওবিলাক দীঘল দীঘল পচমী কাপোৰৰ চুবা আৰু উলেৰে ফুলবচা 'চম্বা' বুট পিন্ধি ঘোঁৰা চেকুৰাই ফুৰা বলৱান মানুহবিলাকৰ দেশখনেই আছিল মোৰ কল্পনাৰ তিব্বত। সোণ-ৰূপৰ চাউনি দিয়া ধুনীয়া মঠ-মন্দিৰ আৰু বিদ্বান লামাসককলৰ কথাবিলাক শুনিছিলো লাচা দেখি যোৱা মানুহৰ মুখত। শুনা কথাবিলাকেই ছবি হৈ মোৰ মনত থাকি গৈছিল। আজি নিজ চকুৰে দেখিবলৈ পাইছোঁ। মোক হেঁপাহ পলুৱাই চাব দিয়া। তিব্বতবাসীৰ দুখৰ কথাবিলাক এতিয়া নক'বা। মই কল্পনা কৰা তিব্বত দেশখন ভাঙি পেলোৱা লেনড়ুপ।

তাদিকৰ সৰলতা দেখি লেনড়ুপ মুগ্ধ হৈ পৰে। খৰ গতিত পাৰ হৈ যাব ধৰা দৃশ্যবিলাকলৈ চাই থকা তাদিকৰ তন্ময়তাত ব্যাঘাত আনিব নুখুজিলে লেনড়ুপে। চলন্ত গাড়ীৰ ধূলিয়ে কানি-কাপোৰ আৰু চুলি চেলাউৰিকো বগা কৰি তুলিছে যদিও কোনো অনুভৱ নাহিল তাদিকৰ মনলৈ।

গধূলিৰ লগে লগে দীঘল কনভয়টো ঝেটাং নগৰৰ প্ৰৱেশ পথত আহি থমকি ৰ'ল। কনভয় কমাণ্ডাৰজনে প্ৰযোজনীয় নিৰ্দেশ বিচাৰি প্ৰৱেশ পথৰ বিষযাৰ কাষ চাপিল। প্ৰযোজনীয় নিৰ্দেশৰ কাগজখন প্ৰস্তুত হৈয়ে আছিল। বিষযাজনে লগে লগে তুলি দিলে কনভয় কমাণ্ডাৰৰ হাতত। কোন কলৈ যাব, ক'ত থাকিব, ক'ত খাব সকলো নিৰ্দেশ পুংখানুপুংখ দিয়া আছিল সেই নিৰ্দেশনামাত। সাম্যবাদী প্ৰশাসনৰ এয়ে বিশেষত্ব। সকলো কাম সময়মতে আৰু সুচাৰুৰূপে কৰি যোৱাটোৱেই প্ৰধান চৰিত্ৰ। অলপো হেৰফেৰ হব নোৱাৰিব, কোনো কামত গাফিলতি নচলিব এয়ে নিৰ্দেশ। এই নিৰ্দেশ কঠোৰভাৱে মানি চলিব লাগে প্ৰতিজন মানুহে-উচ্চ পৰ্য্যায়ৰ পৰা নিম্নতম পৰ্য্যায়লৈকে। দীঘল কনভয়টো ঝেটাং আহি পোৱাৰ আগতেই সকলো নিৰ্দেশ প্ৰস্তুত হৈয়ে আছিল।

গতিকে কনভয়টো প্ৰৱেশ পথৰ পৰাই বিভিন্ন ভাগত ভাগ হৈ গুচি গ'ল নিজৰ নিজৰ নিৰ্দিষ্ট স্থানলৈ। সেইদৰেই ভ্ৰমণকাৰীক কাটিযাই নিযা গাড়ীখনো গুচি গ'লঝেটাং নগৰৰ আধুনিক চিকিৎসালযটোৰ কাষলৈ। চিকিৎসালযটোৰ কাষেৰে যোৱা পকী আলিটোৰে অলপ গৈযে গাড়ীখন ৰৈ গ'ল। আলিটোৰ কাষতে আছে এটা সৰু উপাসনা গৃহ। এতিযা সম্পূৰ্ণ পৰিত্যক্ত। মন্দিৰটোৰ বেৰবিলাকত মাৰি থোৱা আছে অসংখ্য সাম্যবাদী প্ৰচাৰ পত্ৰিকা।

'তোমালোকৰ থকা মেলাৰ ব্যৱস্থা ইযাতেই কৰা হৈছে। এতিযা নামা। নিৰ্দেশ দিলে ভ্ৰমণ পৰিচালকজনে। একেখন গাড়ীৰে সমুখত বহি আহিছিল পৰিচালকজন।

'এইটোচোন এটা মন্দিৰ কমৰেড।' লেন্‌ডুপে সুধিলে।

'তাতে কি হ'ল। পূৰ্বতে হযতো মন্দিৰ আছিল। এতিযা বিশ্ৰামঘৰ কৰা হৈছে। নামা-নামা বুলি খৰখেদা লগাই দিলে ভ্ৰমণ পৰিচালকে। ইতিমধ্যে বিশ্ৰামঘৰটোৰ তত্ত্বৱধাযকজন গাড়ীখনৰ ওচৰ চাপি আহিল। লেটেঙা মানুহজন যে জীযা খোৱা বিধৰ হ'ব সেই কথা লেনডুপে দেখিযেই অনুমান কৰি পেলালে।

ক'ৰ পৰা আনিলা এইসোপা জবৰা। প্ৰশ্নটো কৰিলে ভ্ৰমণ পৰিচালকক। খং উঠিল লেন্‌ডুপৰ।

'চৰকাৰে আমাক দেশভ্ৰমণলৈ পঠিযাইছে কাৰো আলহী খাব পঠোৱা নাই জানিবা।'

'হয নেকি? আহক আহক তেনেহ'লে আপোনালোকৰ বাবে সকলো ব্যৱস্থা কৰি থোৱা আছে।'

ইতিকিঙৰ সুৰতে লেনডুপক উত্তৰ দিলে তত্ত্বাবধাযকে। আৰম্ভণিতে খকাখুন্দা লগা যেন দেখি ভ্ৰমণ পৰিচালকজনে মধ্যস্থতা কৰিবলৈ আগবাঢ়ি আহিল। এওঁলোকে এসপ্তাহ মান ঝেটাঙতে থাকিব লগা হব পাৰে। এইটো ঘৰতে থাকিব নে আন ক'ৰবালৈ যাব সেই কথা পিচতহে ঠিৰাং হ'ব।'

'ভাল কথা, সোনকালে গলেই ভাল পাম। কেনেকুৱা মানুহেই ঘৰ-দুৱাৰ বৰ লেতেৰা কৰে' বুলি ভোৰভোৰাই বিশ্ৰাম ঘৰটোলৈ বুলি তত্ত্বৱধাকজন উভতি গুচি গ'ল।

"মানুহজনে বৰ অশান্তি কৰিব যেন পাইছোঁ কমৰেড্।" লেন্‌ডুপৰ কথাত

বিৰক্তি প্ৰকাশ পালে।

'যি কয় শুনি থাকিবা। কথা কটাকটি নকৰিবা। একেটা কামকে বহুতদিনৰ পৰা কৰি কৰি হয়তো আমনি পাইছে কাৰণে খিঙখিঙীয়া হৈছে। অলপ প্ৰশংসা পালেই নৰম হৈ পৰিব।' কথাকিটা কওঁতে ভ্ৰমণ পৰিচালজনৰো হাঁহি উঠিল। সেই হাঁহি প্ৰথম দেখিলে লেন্‌ডুপহঁতে। ইমান দিনে এই হাঁহি দেখা নাছিল যদিও ভ্ৰমণ পৰিচালকজন যে কঠুৱা মানুহ নহয় লেন্‌ডুপহঁতে বুজি পাইছিল।

'এইটো কোঠাত তহঁত শুবি। খাবৰ সময় হলে ঘন্টা বজাম তেতিয়া সেইটো কোঠালৈ যাবি। কোনো হাঁহি-ধেমালি নচলিব ইযাত। চৌহদৰ বাহিৰত এখোজো পেলাব নোৱাৰিবি জানি থ।

'নাযাওঁ বাৰু আপুনি যেনেদৰে কব তেনেদৰেই চলিম। পিচে কথা এটা সুধিব পাৰোনে কমৰেড?

লেন্‌ডুপে কি জগৰ লগাব ওলাইছে বুলি ভাবি তাদিকে সন্দেহ ভৰা দৃষ্টিৰে তাৰ মুখলৈ চালে। লেনডুপে চকুৰ টিপেৰে কি বুজা'ল তাদিকে ধৰিব নোৱাৰিলে।

'সুধিবলৈ কি আছে হোঁ? ইযাত মযে কও আনে শুনি যাব লাগে ।আনৰ কথা নচলে বুজিছ।

সেইটো বুজিলোৱেই ইতিমধ্যে। মানে আপোনাৰ অভিজ্ঞতালৈ চাই মই ভাবিছোঁ আপুনি ইযাত বহুত দিনৰ পৰাই আছে কিজানি। হয়নে কমৰেড?

'অ আছোতো। তাতে কি হ'ল? তত্ত্বাৱধাযকজন গপতে উফন্দি উঠে।

'মানে ইমান পৰিষ্কাৰ পৰিচ্ছন্ন, ইমান ধুনীয়া ফুলবাৰী আগেযে আমি ক'তো দেখা নাই কাৰণেই চকুত লাগিছে।

'বহিখোৱা পূজাৰীবিলাকক খেদি দিযা দিনৰে পৰা আজি দহবছৰ ধৰি ইযাতে সোমাই আছে তহঁতৰ নিচিনা কিমান আহিছে গৈছে সেইটো মইহে জানো। এই দহবছৰতো এপাহ ফুল কাকো চিঙিব দিযা নাছিলো জানিবি।

'নাই নাই ফুল আমি নিচিঙো। বৰঞ্চ আজৰি সময়ত আমি আপোনাক সহায় কৰি দিলে বেযা পাব নেকি কমৰেড?'

'হয় নেকি? বেচ কথা কৈছ। ৰবি তেনেহলে তহঁতৰ কাৰণে চাহ সিজাবলৈ আদেশ দি আহো ভোকে-পিয়াহে আহিছ নহয় চাহকাপ খালে ভালেই পাবি।' এই

বুলি খৰখেদাকৈ যাবলৈ ওলাল।

'চাহ খাবলৈ ঘন্টি বজাব নেকি কমৰেড?' লেন্‌ডুপে অলপ চিঞৰিয়েই সুধিলে। তাদিকলৈ চাই মিচিকিযাই হাঁহিও দিলে।

'নাবাজে বুলি চুটি উত্তৰ দি মানুহজন নিমিষিতে নোহোৱা হৈ গ'ল।'

'মূৰ্খৰ হাতলৈ ক্ষমতা আহিলে এনেকুৱা আচৰণেই কৰে তাদিক। 'যাক'ৰ পিঠিত জিন বান্ধিলেও সি ঘোৰাৰ সমান দৌৰিব পাৰিব জানো তাদিক?

অলপ পিচতে ডাঙৰ তামৰ পুৰণি তিববতীয় কেটলি এটাত চাহ লৈ উভতি আহিল তত্ত্বাৱধাযকজন। লগত দুজন তিব্বতীয় সহাযক। মগে মগে চাহ বাকি দিলে প্ৰতিজন ভ্ৰমণকাৰীক।

'মযে ঝেটাঙৰ সকলোতকৈ পুৰণি বিপ্লবী কৰ্মী। সেই কাৰণে এই বিশ্ৰাম কেন্দ্ৰৰ সকলো ব্যৱস্থা মোৰ নিৰ্দেশ মতেই চলে।

'কওঁকচোন কমৰেড আপুনি প্ৰথম আহোতে কিমান মানুহ আছিল এই মন্দিৰটোত? লেনডুপে হান ভাষাতেই প্ৰশ্নটো কৰিলে। তাৰ শুদ্ধ হান উচ্চাৰণ শুনি তত্ত্বাৱধাযকজনৰ মনত খেলিমেলি লাগিল।

তুমি আমাৰ ভাষা ইমান সুন্দৰকৈ ক'ব পাৰা অথচ পিন্ধি আছা তিব্বতীয় পোছাক। এইটো কেনেকুৱা কথা?

'মই এই তিব্বততে ওপজা যদিও লিখাপঢ়া পিকিঙতে কৰিছোঁ।'

'হয নেকি? বৰ ভাল কথা তেনেহলে। মই যেতিয়া প্ৰথম এই মন্দিৰলৈ আহো তেতিয়া ইযাত এশমান মানুহে পূজা পাঠ কৰিছিল। একেদিনাই সবলোকে আঁতৰাই দিযা হৈছিল।'

'বযবস্তু ধন-সম্পদবিলাক?' তত্ত্বাধাযকজনৰ পেটত খুচি খুচি লেনডুপে মন্দিৰটোৰ পুৰণি ইতিহাসখিনি বিচাৰি উলিযাবৰ চেষ্টা কৰিলে।

'লগত অহা সৈনিকে সকলো বস্তু গাড়ীত তুলি লৈ গৈছিল।'

'পূজা কৰা মানুহবিলাকে আপত্তি কৰা নাছিল নে কমৰেড?'

'কিয নকৰিব। কৰিছিলতো পিছে বেতৰ কোবত সকলোৱে মুখ বন্ধ কৰি পেলোৱা হৈছিল।'

এনেদৰে কিছুসময কথা পতাৰ পিচত তত্ত্বাৱধাযকজন উভতি গৈছিল ৰান্ধনি ঘৰলৈ

আৰু লেন্‌ডুপৰ্হঁতে ঘূৰি ঘূৰি চাইছিল পুৰণি মন্দিৰটো। ঘূৰি ঘূৰি চাই ফুৰোতে মন্দিৰটোৰ ভিতৰত অতীত স্মৃতিৰ একোকে বিচাৰি নাপালে লেন্‌ডুপহঁতে। মন্দিৰৰ বেৰবিলাকত নানান ৰঙেৰে অংকন কৰা সুন্দৰ সুন্দৰ ধৰ্মীয় চিত্ৰবিলাকৰ ওপৰত মাৰি থোৱা দেখিলে নানান ৰাজনৈতিক প্ৰচাৰ পত্ৰিকা। বেৰত গাঁঠি থোৱা তৈল চিত্ৰসমূহক বিকৃত কৰা দৃশ্য দেখি হান সাম্যবাদী কদৰ্যতাত লেনডুপৰ মন দুখেৰে ওপচি পৰিল।

'ইহঁতে তিববতৰ ইতিহাসখন এনেদৰেই মচি পেলাব পাৰিব বুলি ভাবিছে। বেৰৰ ছবি মচি পেলালেও মনৰ ছবি কেতিয়াও মচিব নোৱাৰে তাদিক।' কাণে কাণে কোৱা কথাকিটাই তাদিকৰো ওপৰত প্ৰভাৱ পেলালে। কথাৰে মনৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব নোৱাৰি বিকৃত তৈল চিত্ৰসমূহৰ ওপৰত আলফুলে হাত ফুৰালে তাদিকে। সি এৰি অহা দেশখনত এনে সুন্দৰ মন্দিৰ আৰু এনে বিতোপন শিল্পৰ চানেকি ক'তো দেখা নাছিল। তাৰ স্বজাতি লোকেও বৌদ্ধধৰ্ম মানে যদিও এনে এটা মন্দিৰ সিহঁতে গঢ়ি লব পৰাই নাই বুলি ভাবি সি মনে মনে লাজ পালে।

এনেতে ঘন্টি বাজি উঠিল। তেতিয়া সন্ধিয়া লাগো লাগো হৈছিল।

ব'লা ব'লা তাদিক। হানৰ ঘন্টি বাজিছে।

মন্দিৰটোৰ এমূৰে ছবি চাই ফুৰা লেন্‌ডুপ আৰু তাদিক উভতি আহিল শোৱা কোঠালীটোলৈ। মেচটিন লৈ দুযো আগবাঢ়িল ৰান্ধনি ঘৰটোৰ পিনে।

পিচদিনা পুৱাৰ খাদ্য খোৱাৰ পিচতেই হান দলীয় কৰ্মী এজন আহি উপস্থিত হ'ল বিশ্ৰামগৃহটোত। লেন্‌ডুপহঁত কোঠালীটোৰ ভিতৰতে বহি আছিল। বাহিৰত গাজিগুজা মাত শুনি সি বাহিৰলৈ ওলাই চালে তত্বাৱধায়কজনৰ লগত কথা পাতি আছিল হান কৰ্মীজনে। ঢোৰাহাপেটা হান কৰ্মীজনক দেখিয়েই লেন্‌ডুপৰ মনত বিৰূপ ভাব উপজিল।

'তুমি ভ্ৰমণকাৰীৰে এজন নে বি? প্ৰশ্ন কৰিলে হান কৰ্মীজনে।

'হয় কমৰেড্‌, তেনেকুৱাই বুলি ধৰিব পাৰে।' লেন্‌ডুপৰ জোঁট লগোৱা উত্তৰত হান কৰ্মীজন বৰ সন্তুষ্ট নহ'ল।

'বাকী কিজন ক'ত? শুযে আছে নেকি?' হানৰ কেটেৰা প্ৰশ্নৰ কেটেৰা উত্তৰকে দিলে লেন্‌ডুপে।

'নিজৰ নিজৰ ঠাইতে বহি আছে। বহি বহি শুইছে যদি মই ক'ব নোৱাৰো কমৰেড্‌।'

তোমাৰ নাম কি?'

লেন্‌ড্ৰুপ।

এনেতে মধ্যস্থতা কৰিলে বিশ্ৰাম ঘৰটোৰ তত্ত্বাৱধাযকজনে।

এওঁ তিববতীযা ডেকাল'ৰা যদিও পিকিঙতে লিখা-পঢা শিকিছে।' কথাটো শুনি হানকৰ্মীজন অলপ থতমত খলে। এলাপেচা তিববতীয নহ'ব বুলি হযতো অনুমান কৰিলে।

'তোমাক লগপাই ভালেই লাগিল।' কৰমৰ্দনৰ বাবে নিজৰ হাতখন আগবঢাই দিলে। অনিচ্ছা সত্ত্বেও লেন্‌ড্ৰুপে হাত মিলালে। পিকিঙৰ পৰা অহা বুলি ক'লে এলা-পেচা হানৰ উশাহ চুটি হোৱাটো লেন্‌ড্ৰুপে জানে। হান দলীয কৰ্মীজনে লেন্‌ড্ৰুপৰ লগতে সিহঁত থকা কোঠালীটোলৈ সোমাই গ'ল।

'তোমালোকক ঝেটাঙৰ বিশেষ ঠাই কিছুমান দেখুৱাবলৈ মোক দাযিত্ব দিছে। এতিযা তোমালোক মোৰ লগত ওলাব লাগে।

দলীয কৰ্মীজনে ভ্ৰমণকাৰী দলটোক লৈ গ'ল নতুন হস্পিটালটোৰ পিচপিনে থকা পথাৰ এখনলৈ। পথাৰখন এটা সমযত বৰ আহল বহল আছিল, এতিযা শাৰী শাৰী পকীঘৰ হৈছে। চাৰিও দিশৰ তুলনাত পথাৰখন যথেষ্ট দ।

এইখনেই চোঠাং পথাৰ এইখনেই হেনো প্ৰথম কৃষি পথাৰ বুলি তিববতীয-সকলে ভাবে।

'ভাবে নহয কমৰেড। ভক্তিভাবে বিশ্বাস কৰে। আগতে পথাৰখনৰ ইমূৰ সিমূৰ দেখা নগৈছিল। এতিযা এইখিনি মাত্ৰ বাকী আছে। লেন্‌ড্ৰুপৰ মন্তব্যই কৰ্মীজনক অলপ বিপাঙত পেলালে।

'তুমি কেনেকৈ জানিলা?

'সৰুতে আমাৰ পাপাৰ লগত ঘোঁৰাত উঠি মইও এবাৰ এই পথাৰলৈ আহিছিলোঁ।'

'সেইবিলাক পুৰণি কথা মই ক'ব বিচৰা নাই। এতিযাৰ কথাটোহে বুজাব বিচাৰিছোঁ। আগতে মানুহে ইযালৈ আহি মুঠি মুঠি মাটি লৈ গৈছিল। এনেদৰে মুঠি মুঠি মাটি লৈ যোৱাৰ ফলত পথাৰখন দ হৈ পৰিছে। এতিযা নিনিযে। এতিযা মানুহে পথাৰত ৰাসাযনিক সাৰ ব্যৱহাৰ কৰি তিনিগুণ শস্য পাইছে। মানুহে এতিযা এনে অন্ধবিশ্বাস সমূহ ত্যাগ কৰি চিংত্ৰোৰ কাৰ্য্যসূচীক দুহাতে সাৱটি লৈছে।'

হান কমীজনৰ একপক্ষীয় ভাষণৰ সমুচিত উত্তৰ দিবলৈ লেন্‌ডুপৰ মনত উচপিচ লাগিল যদিও খোলাখুলি বিৰোধিতাৰ ফলাফল ভাল নহ'ব জানি সি মনে মনে থাকিল যদিও তাৰ মনে নসহিলে।

'তথাপি মানুহবিলাক নাখাই মৰা নাছিল নহয় জানো কমৰেড?'

'কোনো কোনো দেশত হাবি-বন খাইও মানুহ আজিলৈকে জীযাই আছে সঁচা কিন্তু সেইটোক জানো সুখী জীৱন বুলি ক'ব পাৰি, তোমালোকেই কোৱাচোন?

'নোৱাৰি কমৰেড। ভ্ৰমণকাৰী দুজনমানে লগে লগেই উত্তৰ দি উঠিল।'

'তুমি কি ভাবা লেনডুপ? সন্দেহভৰা প্ৰশ্ন কৰিলে কৰ্মীজনে।

পৰিৱৰ্তন সকলোৱে বিচাৰে। কিন্তু অস্তিত্ব বিনাশকাৰি পৰিৱৰ্তন বিলাকেহে সমাজত বিশৃঙ্খলতা আনি দিযাৰ সম্ভাৱনা বঢাই তুলিব পাৰে তাকেহে ভাবিছোঁ।

কেনেকুৱা বিশৃঙ্খলতাৰ কথা কৈছা বুজাই দিবানে?'

এযা ধৰক ইযাৰ মানুহে শ শ বছৰ ধৰি বাৰ্লি খেতিকে কৰি খাইছিল। এতিযা গোমধানৰ খেতি কৰাৰ আদেশ জাৰি হোৱাত এই দুবছৰে মানুহ অভাৱত পৰিছে। দেশত খাদ্যৰ নাটনি হৈছে সেই কথাকে ক'ব বিচাৰিছোঁ কমৰেড।

সেই আদেশ এতিযা বাতিল কৰা হৈছে। পুনৰ বাৰ্লি খেতিকে কৰাৰ নতুন নিৰ্দেশ আহিছে। তুমি শিক্ষিত ল'ৰা কাৰণে সমস্যাটো বুজিছা। কিন্তু তোমাৰ নিচিনা পিকিঙত শিক্ষা লোবা মানুহ ইযাত আঙুলিতে গণিব পাৰি। সেই কাৰণে এতিযা শিক্ষাৰ ওপৰতে অধিক গুৰুত্ব দিযা হৈছে।

ঢোৰোহাপেটা পাৰ্টি কৰ্মীজনৰ ব্যাখ্যাত কোনো গুৰুত্ব নিদিলে লেন্‌ডুপে। শিক্ষা মানেই ৰাজনৈতিক প্ৰচাৰৰ বাদে একো নহয বুলি লেন্‌ডুপে জানে। ৰাজনৈতিক প্ৰচাৰ মানেই হান সাম্যবাদক জনসাধাৰণৰ ওপৰত জাপি দিযাটোৱেই বুজায। এই তিতা কেঁহা লগা দহবছৰীযা অভিজ্ঞতাক লেন্‌ডুপে এতিযাও পাহৰি যোৱা নাই।

তাৰ পিচত ভ্ৰমণকাৰী দলটোক হান কেডাৰজনে লৈ গ'ল ঝেটাং নগৰখন দেখুৱাবলৈ। তিববতীয ভাষাত ঝেটাঙৰ অৰ্থ হ'ল 'খেল পথাৰ'। পুৰুষানুক্ৰমে মুখ বাগৰি অহা কাহিনীমতে তিববতীয জাতিৰ আদিপুৰুষ ট্ৰেহু আৰু আদি নাৰী 'টগ্-চেমো'ৰ মিলনৰ ফলত ছটা সন্তানৰ জন্ম হৈছিল। তেওঁলোকে খেল-ধেমালি কৰা ঠাইডোখৰেই কালক্ৰমে ঝেটাং চহৰ হ'ল। চাংপো নৈৰ পাৰত অৱস্থিত ঝেটাং চহৰখনৰ

কোনো ধৰ্মীয় গুৰুত্ব নাছিল অতীততে। 'নেডং', 'কুৰংগাই', 'কনা' আৰু বিখ্যাত শ্বামে' মঠলৈ যাব লাগিলে ঝেটাং হৈয়ে যাব লাগে কাৰণে এই ঠাইখিনি প্ৰসিদ্ধ হৈ পৰিছিল। হানসকল অহাৰ পিচৰে পৰা ঝেটাঙৰ গুৰুত্ব বহুগুণ বৃদ্ধি পাইছে কাৰণ পূব তিব্বতৰ পৰা অহা চেংডু-লাচা ঘাই পথটো আহি ইয়াতে মিলিছে। তিব্বতদেশৰ সাংস্কৃতিক কেন্দ্ৰস্বৰূপ ইয়াৰ্লু উপত্যকাৰ মাজভাগতে আছে ঝেটাং চহৰ। লাচাৰ দূৰত্বও মাত্ৰ দুশ কিলোমিটাৰ।

ঐতিহাসিক এই ঝেটাং এতিয়া এখন আধুনিক চহৰৰূপে গঢ়ি উঠিছে। বিভিন্ন পকী আলিৰ উপৰি গঢ়ি উঠিছে এখন আধুনিক চিকিৎসালয়। বেঙ্ক পেট্ৰোল পাম্প আধুনিক বজাৰৰ বাদেও প্ৰতিস্থা কৰা হৈছে সুন্দৰ হোটেল আৰু গেষ্ট হাউচ- বিলাক। পাঁচ কিলোমিটাৰ দূৰত্বত আছে ঐতিহাসিক নেডং মঠ।

হান দলীয় কৰ্মীজনে তাদিক-লেনডুপহঁতক ঝেটাং চহৰখন দেখুৱাই লৈ ফুৰোতে কেইবা ঘন্টাও সময় লাগিল। বজাৰত দেখিলে অসংখ্য তিব্বতীয় মানুহ কিনা-বেচাত ব্যস্ত। ওচৰে পাজৰে থকা তিব্বতীয় গ্ৰামাঞ্চলৰ মানুহে ঝেটাঙত কিনা-বেচা কৰে। ক্ৰমে ক্ৰমে গাভৰুও আহে ঝেটাং চহৰ চাবলৈ। শ শ তিব্বতীয় মানুহ আহে যদিও হানৰ সতে মিতিৰালি কৰা এজন মানুহো লেনডুপৰ চকুত নপৰিল। জাতিভেদৰ প্ৰবল অনুভূতিটো ঝেটাঙতো লেনডুপে স্পষ্টকৈ দেখা পালে। তাৰ জাতিটো পদানত হৈছে যদিও তিব্বতীয় স্বত্তাটো তেতিয়াও সজাগ হৈ থকা দেখি লেনডুপৰ মন গৰ্বৰে উপচি উঠিল।

'কমৰেড ঐতিহাসিক গুহা তিনিটালৈ আমাক নিনিয়ে নেকি?'

'তালৈ মানুহ যোৱাটো এতিয়া নিষীদ্ধ কৰা হৈছে। গতিকে যাব নোৱাৰা।'

এই ঐতিহাসিক গুহা তিনিটা তিব্বতবাসীৰ বাবে পবিত্ৰস্থান। চেনৰেজিগে বান্দৰ অৱতাৰ ৰূপে এই ইয়াৰ্লুং উপত্যকাৰ হাবিতে জন্ম লৈছিল। ট্ৰেহু চাংচুব চেম্পা' নাম লৈ এই গুহাতে ধ্যান কৰিছিল বুলি পৌৰাণিক কাহিনী চলি আহিছে। ঝেটাং নগৰৰ পৰা তিনি কিলোমিটাৰ পূব দিশে থকা পৰ্বতখনতে এই প্ৰসিদ্ধ গুহা তিনিটা আজিও আছে। তিনিঘন্টা পাহাৰ বগাই উঠি গলেহে গুহা তিনিটা পায। আগতে প্ৰতিদিনে শ শ মানুহ উঠি গৈছিল এই গুহাত পূজা দিবলৈ। এতিয়া নাযায যাব নোৱাৰে। নিষিদ্ধ স্থান বুলি ঘোষণা কৰিছে হান প্ৰশাসনে।

'তেনেহ'লে আমি ' ইযংবুলাগং' প্ৰাচীন সৌধটোকে চাই আহিব পাৰো নেকি কমৰেড?'

'তাঁলৈকো যাব নোৱাৰিবা। তাৰ পৰিবৰ্তে নতুনকৈ নিৰ্মাণ কৰা বিভিন্ন শিল্পকেন্দ্ৰসমূহ ৰেডিঅ' কেন্দ্ৰ, লোহাৰ দীঘল দলংবিলাক , দোকানে দোকানে উপচি থকা আধুনিক সামগ্ৰীসমূহ এইবিলাক চালেলেই বুজি পাবা তিববতৰ প্ৰগতি কিমান হৈছে।'

'বজাৰৰ বস্তু কিনিবলৈ টকা-পইচা ক'ত পাম কমৰেড?' বজাৰ উপচি পৰা আধুনিকতা আৰু দুৰ্দশাগ্ৰস্ত গ্ৰাম্যজীৱনৰ অৰ্থনীতিৰ মাজত সৃষ্টি হোৱা ব্যৱধানটোক লেন্‌ডুপে বুজাব নোৱাৰিলেও নিজে নিজে বুজি পায়। যিখন সমাজৰ মানুহে চাকি এগছিও জ্বলাবলৈ চিন্তা কৰিব লগাত পৰিছে সেইখন নিৰ্ধনী সমাজত আধুনিকতাৰ বজাৰখন মেলি দিলে পৰিণাম কি হব পাৰে সেই কথা লেন্‌ডুপে বুজাব নোৱাৰিলেও অনুভৱ কৰিব পাৰিলে।

শ্ৰম কৰা ধন আহিব। মন্দিৰত সোণৰ চাকি জ্বলালেই আকাশৰ পৰা সোণগুড়ি সৰি নপৰে জানিবা। চোঠাং পথাৰৰ মাটি নি ছটিযাই দিলেই শস্য গজি নুঠে। ডাঙৰ ডাঙৰ মন্দিৰ সাজিলেই জনসাধাৰণৰ থকা ঘৰৰ সমস্যা দূৰ নহয়।'

'এই সকলো কথা বুজিছোঁ কমৰেড। মানুহে মাটি নাখায মাটিত উৎপন্ন কৰা খাদ্যহে খাই জীযাই থাকে। তেনেদৰে ধৰ্মই মানুহক জীযাই নাৰাখে সঁচা কিন্তু ধৰ্মীয আচৰণ সমূহেই মানুহক জীযাই থবাৰ শুদ্ধ পথ দেখুৱাই দিযে।

লেন্‌ডুপৰ যুক্তি শুনি হান দলীয কৰ্মীজনে সাপ দেখা দি উচপ্‌খাই উঠিল। লেন্‌ডুপৰ পিনে আঙুলি টোৱাই প্ৰত্যাহ্বান জনালে।

'তুমি বিপ্লৱবিৰোধী কথা কৈছা কিয?

'বিপ্লৱৰ মই বিৰোধিতা কৰা নাই কমৰেড। চিংত্ৰোও এটা বিপ্লৱ-এটা বিপ্লৱী ধৰ্ম বুলি মানি লৈছোঁ। তিববতীযসকলে পূজাপাঠ, তন্ত্ৰ-মন্ত্ৰকে সংসাৰী জ্বালাযন্ত্ৰণাৰ পৰা মুক্ত হোৱাৰ বিপ্লৱী পথ বুলি হযতো বাচি লৈছিল আৰু চিংত্ৰোৱে বস্তুবাদী সমস্যা সমাধানকে তিববতবাসীৰ একমাত্ৰ মুক্তিপথ বুলি ঘোষণা কৰিছে।'

'তুমি কোনটো বিপ্লৱী পথ বাচি লব বিচাৰিছা জানিব পাৰোনে?

'যিটো পথেৰে তিববতবাসীৰ প্ৰকৃত মুক্তি আহিব সেইটো পথেই শুদ্ধ পথ নহ'ব জানো কমৰেড?'

'তাৰ অৰ্থ হ'ল চিংত্ৰোৰ ওপৰত তোমাৰ আস্থা এতিযাও সম্পূৰ্ণ হৈ উঠা নাই।

এই ভ্ৰমণে মোৰ মনৰ দণ্ড নাইকিয়া কৰিব বুলিযেই ভাবিছোঁ কমৰেড।'

হয় নেকি? ইমানতে পাৰ্টি কেডাৰজনে কথাৰ অন্ত পেলালে যদিও মুখৰ ক্ৰোধভাব লুকুৱাই থব নোৱাৰিলে। ওপৰৰ নিৰ্দেশমতে প্ৰতিজন ভ্ৰমণকাৰীৰ মানসিক প্ৰতিক্ৰিয়াৰ ওপৰত প্ৰতিবেদন দাখিল কৰা বাদে আন ক্ষমতা পাৰ্টি কেডাৰজনক দিয়া হোৱা নাছিল।

(২৩)

'কথাটো জানো ভাল হ'ল লেনডুপ? নিশা শুবৰ সময়ত প্ৰশ্ন কৰিলে তাদিকে। মন খুলি কথা পতাৰ সেইখিনিযেই সময় পায় দুয়োজনে। কথাও পাতিব লাগে আন ভ্ৰমণকাৰী কিজনে নুশুনাকৈয়ে।

'ভাল- বেয়া মই বিচাৰ কৰিব নোৱাৰা হৈছো তাদিক। চকুৰ সমুখতে তিব্বতৰ আপুৰুগীয়া ঐতিহ্য বিনাশ হোৱা দেখি মনটো বিদ্ৰোহী হৈ পৰিব খোজে। আদিম গুহা তিনিটা চাবলৈ নিদিলে। তিব্বত দেশৰ প্ৰথম কিংবদন্তি ৰজা 'ন্যাত্ৰি চানপো'ৰ ৰাজকাৰেংটো চাবলৈ বৰ হেপাহ আছিল। 'ইয়ুবুলাগ' নামৰ এই ৰাজপ্ৰাসাদটোৱেই তিব্বত দেশৰ প্ৰথম ঘৰ আছিল। হানসকলে বোমাৰে এই প্ৰাচীন প্ৰাসাদটো ভাঙি পেলোৱা বুলি শুনিছোঁ বাকী কথাখিনি লেনডুপৰ ডিঙিত লাগি ধৰা যেন অনুমান কৰিলে তাদিকে।

এইবিলাক চিন্তা এৰি এতিয়া শুই থাকা লেনডুপ।

তাদিকে বাগৰ সলাই শুলে যদিও লেনডুপে যে টোপনিয়াব পৰা নাই সেইটো অনুমান কৰিলে।

পিচদিনা ভ্ৰমণকাৰী দলটোৱে লৈ যোৱা হ'ল বিখ্যাত "শ্বামে" মঠলৈ। বাৰশ বছৰ আগতে গুৰু পদ্মসম্ভৱে প্ৰতিস্থা কৰি থৈ যোৱা এই মঠটোলৈ যাব লাগিলে চাংপো নৈখন পাৰ হ'ব লাগে। আগতে দৰ্শনাৰ্থীয়ে যাকৰ চালেৰে সজা চাৰিকোণীয়া নাৱত উঠি ভটিয়াই পাৰ হ'ব লাগিছিল যদিও এতিয়া নালাগে। সৰু সৰু ইঞ্জিন লগোৱা নাৱেৰে পাৰ হ'ব পাৰি। নৈৰ সিপাৰৰ পৰা বালি চাপৰিৰ মাজেৰে খোজকাঢ়ি যাব লাগে শ্বামে মঠলৈ। বহুতে ঘোঁৰাৰে নাইবা ঘোঁৰাই টনা গাড়ীত উঠি যায়। ঘোৰাই টনা গাড়ী উঠি যাওতে লেনডুপহঁতৰ এঘন্টা লাগিল শ্বামে মঠ পাওতে।

বাৰশ বছৰ পুৰণি এই বিখ্যাত মঠটো ভাৰতবৰ্ষৰ প্ৰাচীন "উটান্তপুৰি ধৰ্মীয়

বিশ্ববিদ্যালয়ৰ’ আৰ্হিতে সজ্জা হৈছিল। মূল মন্দিৰটো তিনিমহলীয়া। তলৰ ভাগ তিব্বতীয়। মাজৰ ভাগ চীন দেশীয়। একেবাৰে ওপৰভাগৰ স্থাপত্য কলা সম্পূৰ্ণ ভাৰতীয় আৰ্হিৰ। এই মন্দিৰৰ আশে পাশে আৰু এশ আঠটা ক্ষুদ্ৰ মন্দিৰ প্ৰতিস্থা কৰা হৈছিল যদিও এতিয়া তাৰ চিনচাব নাই।

‘দেশৰ ভিতৰে বাহিৰে অপপ্ৰচাৰ চলোৱা হৈছে যে, তিব্বতবাসীৰ ধৰ্মীয় অধিকাৰক হেনো খৰ্ব কৰি পেলোৱা হৈছে। এই অপপ্ৰচাৰ কিমান মিছা এতিয়া নিজেই চাই লোৱা।” মঠটো দেখুৱাই লৈ ফুৰোতে হান কেডাৰজনে বুজাই গ’ল ভ্ৰমণকাৰী দলটোক। এইজন বেলেগ কেডাৰ আগৰজন নহয়। কথা-বতৰাতো মাৰ্জিত যেন লাগিল লেনডুপহঁতৰ। মদিৰৰ মুখ্য পূজাৰীজনে ভ্ৰমণকাৰী দলটোক আদৰিলে মূল মন্দিৰৰ খটখটিতে। চেনৰেজ্জিগ দেৱতাৰ নামত উচৰ্গা কৰা মূল মন্দিৰ বেদীত চাকি বন্তি জ্বলিছে যদিও সিও নামমাত্ৰ। মূল মন্দিৰটোৰ গাঁথ নিটো আগৰ দৰেই আছে যদিও ওচৰ পাজৰ থকা বহুতো ক্ষুদ্ৰ মন্দিৰ ভাঙি পেলোৱা হৈছে বুলি লেনডুপে দেখিযেই অনুমান কৰিলে।

ভ্ৰমমকাৰী দলটোক মুখ্য পূজাৰীজনে মন্দিৰৰ ভিতৰে বাহিৰে অঙ্কিত কৰা বিচিত্ৰ চিত্ৰাংকনবিলাক দেখুৱাই লৈ ফুৰোতে কোনোবা চেগত লেনডুপ ভিতৰলৈ সোমাই আহিল। মূল বেদীৰ সমুখত আঁঠুকাঢ়ি সেৱা কৰিলে। সেৱা কৰি উঠি বাহিৰলৈ ওলাব লওঁতেই দুৱাৰদলিত থিয় হৈ থকা দেখিলে হান কেডাৰজনক।

‘সেইটো কি কাম কৰিলা তুমি?’

সেৱা কৰিলো পৰিণামৰ কথা নাভাবি লেনডুপে পোনপটীয়া উত্তৰকে দিলে।

‘চৰকাৰে তোমাক শিক্ষামূলক ভ্ৰমণলৈহে পঠিয়াইছে ধৰ্ম কৰিবলৈতো পঠোৱা নাই।’

“সেইটো জানো কমৰেড।’

‘তেনেহলে নিৰ্দেশ উলঙঘা কৰিলা কিয়?’

‘মই কোনো নিৰ্দেশ উলঙঘা কৰা নাই কমৰেড। তিব্বতচবাসীৰ ধৰ্মীয় স্বাধীনতাক খৰ্বৰ্ব কৰা নাই বুলি অলপ আগতে আপুনিয়ে কোৱা নাছিল জানো?

‘এই কথা তোমাৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় বুলি এতিয়াও নিশিকিলা নেকি?

ব'লা এতিয়া' বুলি লেন্‌ডুপক পুনৰ ওভতাই লৈ গ'ল ভ্ৰমণকাৰী দলটোৰ মাজলৈ।

কেডাৰজনে শ্বামে মঠৰ আহল বহল চৌহদটো দেখুৱাই লৈ ফুৰোতে চাৰিদিশত থকা পেগোডা চাৰিটাকো নি দেখুৱালে। ক'লা, ৰঙা, সেউজীয়া আৰু বগা ৰঙৰ বিতোপন পেগোডা চাৰিটা কোনোবা যুগতে সজা হৈছিল যদিও এইবিলাকৰ সৌন্দৰ্য্য অকণো ম্লান পৰি যোৱা নেদেখিলে লেন্‌ডুপহঁতে। অৱশ্যে বেৰবিলাকত মাৰি থোৱা বিভিন্ন সাম্যবাদী প্ৰচাৰ পত্ৰসমূহ দেখি লেন্‌ডুপৰ মন তিক্ততাৰে ওপচি পৰিল। তাৰ পিচত গ'ল উত্তৰে থকা চন্দ্ৰ মন্দিৰটোলৈ। দক্ষিণে থকা সূৰ্য্য মন্দিৰো চালে ভ্ৰমণকাৰী দলটোৱে। চৌহদৰ বিস্তীৰ্ণ অঞ্চলজুৰি পৰি থকা শিলাখণ্ডৰ ভগ্নস্তুপ-সমূহৰ পৰা লেন্‌ডুপে অনুমান কৰিলে যে আৰু কিমান বিতোপন মন্দিৰ ৰেডগাৰ্ড সকলে ইতিমধ্যে ভাঙি শেষ কৰিলে বুলি।

কেইবাঘন্টা ধৰি ঘূৰি-পকি চাই ফুৰিও ভ্ৰমণকাৰী দলটোৱে শ্বামে মঠৰ আধা অংশকো দেখা নাপালে। আনকি সেই বিখ্যাত শিলৰ স্তম্ভটোও দেখা নাপালে যিটো শিলাস্তম্ভত বাৰশ বছৰ আগতে সম্ৰাট ত্ৰিচং ডেটচেনে বৌদ্ধধৰ্মক তিব্বত ৰাজকীয় ধৰ্ম বুলি ঘোষণা কৰি লিপিবদ্ধ কৰি থৈছিল।

গধূলি পৰত ভ্ৰমণকাৰী দলটো উভতি আহিল ঝেটাঙলৈ।

দুদিন পিচত লেনডুপঁতকলৈ গাড়ী এখনে ঝেটাং এৰিলে পুৱাৰ ভাগতে। সদাব্যস্ত চেংডু লাচা ঘাই পথেৰে আহি থাকোতে সিহঁতৰ চকুত পৰিল কংগাযি আৰু মিন্দোলীন মঠ দুটা। অতিবিপ্লৱী ৰেডগাৰ্ডসকলৰ বিনাশকাৰী অভিযানত যে এই প্ৰাচীন মঠ দুটাইও অব্যাহতি পোৱা নাছিল সেই কথা দূৰৰ পৰা চাইযে লেনডুপে অনুমান কৰিব পাৰিলে। মঠ- মন্দিৰেৰে ভৰপূৰ ইযাৰ্লং উপত্যকাত তিব্বতীয় প্ৰাচীন সংস্কৃতিক যে নিৰ্দযভাৱে পদ দলিত কৰি পেলোৱা হৈছে, সেই কথা লেন্‌ডুপে সহজেই বুজি পালে।

'এই মঠ মন্দিৰ, খেতি-পথাৰ, ঘৰ দুৱাৰ আৰু মানুহ যি দেখিছা তাদিক এই সকলো এটা পূৰ্ণাগ জাতিৰ অৱশিষ্টখিনি মাত্ৰ।'

গাড়ীখনৰ পিচপিনে বহি চাই যোৱা তাদিকক লেন্‌ডুপে বুজাই দি গ'ল। বাটৰ কাষত ফটা-চিটা কাপোৰ পিন্ধি থিয় দি থকা ল'ৰা-ছোৱালীজাকক দেখুৱাই দিলে লেন্‌ডুপে।

'বাটৰ কাষত থিয় দি আছে কিয় সিহঁতে ক'ব পাৰিবানে তাদিক?

'অহাযোৱা কৰা গাড়ীবিলাক চাইছে হব পায়।'

'গাড়ী চাই থকা নাই তাদিক। অলপ কিবা পোৱাৰ প্ৰত্যাশাৰে সিহঁতে এনেদৰেই ৰৈ থাকে দিনৰ দিনতো। গাড়ীত অহা-যোৱা কৰা হান সৈনিকে কেতিযাবা দলিয়াই দিয়ে এডোখৰ বিস্কুট। তাকে লৈ টনা-আজোৰা লাগে এই দুৰ্ভগীয়া ল'ৰা-ছোৱালী-জাকৰ মাজত।'

'সিহঁতৰ মাক-বাপেক নাই জানো?

'হয়তো নাই। তিব্বত দেশত অনাথ শিশুৰ আজিলৈকে কোনো হিচাব লোৱা হোৱা নাই কিজানি। যদি কেতিযাবা লোৱা হয় তেনেহলে দেখিবা তিব্বত দেশখনেই অনাথৰ দেশ হৈ পৰিব।

'মই যে একোকে বুজিব পৰা নাই। কি চাব পাম বুলি আহিছিলোঁ আৰু কি দেখিছো এতিয়া। লাচা পাওঁ মানে আৰু বা কি কি দেখো ভাবিবই নোৱাৰা হৈছোঁ।

গাড়ীখন ক্ৰমান্বয়ে গংগা'ৰ বিমান বন্দৰৰ ওচৰ চাপি গৈ থাকে মানে জেট বিমানৰ কাণ তাল মাৰি ধৰা শব্দই একো নুশুনা কৰে।

লেনডুপ কেইবাটাও পৰীক্ষা চকী অতিক্ৰম কৰি যেতিয়া বিমান বন্দৰটোৰ চৌহদত সোমাই পৰিল তেতিয়া বিমান বন্দৰটোৰ বিশালতা আৰু ব্যস্ততা দেখি তাদিকৰ পেটে পেটে ভয় ওপজিল। এৰি অহা দেশখনৰ বিমানকোঠ সি দেখা নাছিল। সীমান্তৰ কাষলৈ উৰি আহি গুচি যোৱা দুই এখন জেটবিমান কেতিযাবা সি দেখিছিল যদিও এনে ভয় লগা পৰিবেশত সি কেতিযাও সোমোৱা নাছিল।

এতিযা কি হব?

'কি হ'ব আৰু, হানৰ কিমান শক্তি তাকেই চাব পাবা। তাকেই দেখুৱাবলৈ আমাক আনিছে।

'আমি চালেনো কি হব লেন্‌ডুপ?

'ভযতে সিহঁতৰ ভৰি চেলেকি থাকিম বুলি ভাবিছে হব পায়। এনেতে গাড়ীখন গৈ বিমানকোঠৰ এমূৰে থকা সৰু ঘৰ এটাৰ সমুখত ৰৈ গ'ল।

তোমালোক নামা এতিয়া" এই বুলি নামিবলৈ নিৰ্দেশ দিলে ভ্ৰমণ পৰিচালকজনে।

'তোমালোক ইযাতে থাকিবা। ইফালে সিফালে কলৈকো নাযাবা। মই অলপ পিচতে উভতি আহিম।'

ইতিমধ্যে ঘৰটোৰ তত্ত্বাৱধানত থকা হান চিপাহীজন কাষ চাপি আহিলত ভ্ৰমণ পৰিচালকজনে কিবা-কিবি আলোচনা কৰি ললে। খন্তেক পিচতে হান চিপাহীজন মটৰ চাইকেলত উঠি কোনোবাপিনে ওলাই গ'ল। পৰিচালকজনে লেন্‌ডুপহঁতক লৈ গ'ল ঘৰটোলৈ।

'বিমানবন্দৰৰ নিযমবিলাক বৰ কঠোৰ। বিনা কামত কোনেও ঘূৰি ফুৰিব নোৱাৰে। অনুমতি পত্ৰ দেখুৱাব নোৱাৰিলে লগে লগে সৈনিকে ধৰি লৈ যায। সেই কাৰণেই কৈছোঁ কলৈকো নাযাবা।'

'বিমান বন্দৰটো চাবলৈ আমাৰ মন আছিল। চাব পামনে কমৰেড?

'সেইটো মই ক'ব নোৱাৰোঁ। আচলতে আজিৰ পৰা মোৰ দাযিত্ব শেষ হ'ব। আন এজনেহে তোমালোকক চোৱা-চিতা কৰিব। তেওঁকে ক'বা তেৰেঁ জানিব।

ভ্ৰমণ পৰিচালকজনৰ কথা শুনি লেন্‌ডুপৰ কিবা বেযা লাগিল নে নাই প্ৰকাশ নকৰিলে। কিন্তু আন এজন আহিব বুলি কোৱাতহে বৰ ভাল নাপালে যেন অনুমান হ'ল। এনেতে হান চিপাহীজন উভতি আহিল। লগত লৈ আহিল আদবযসীযা মানুহ এজন। ডাঙৰ জেপ থকা কোট চোলা পিন্ধা মানুহজনযে অলপ উচ্চ পৰ্য্যাযৰ পাৰ্টিকেডাৰেই হব সেই অনুমান লেন্‌ডুপে দেখিযেই কৰিলে। কোটচোলাৰ ওলমা জেপ দুখন ওফন্দি থকা দেখিও লেন্‌ডুপে বুজি পালে যে মানুহজন এলাপেচা বিধৰ নহ'ব। ওফন্দি থকা জেপ দুখনত বিভিন্ন কাগজপত্ৰৰ লগতে যে ৰেডবুক' খনো আছে সেই কথাতো লেন্‌ডুপৰ কোনো সন্দেহ নাথাকিল। অতি বিপ্লৱীবিলাকৰ ধৰণৰ এনেকুৱাই বুলি সি জানে।

'তোমালোকেই ভ্ৰমণকাৰী তেনেহ'লে।'

প্ৰথম দৰ্শনতেই ভ্ৰমণকাৰী দলটোৰ ভেবা চেকা লাগিল। উত্তৰ দিবলৈ কোনো কথা বিচাৰি নাপালে। প্ৰত্যেকৰে নাম সুধি সুধি যেতিযা লেন্‌ডুপৰ ওচৰ পালে তেতিযা নোসোধাকৈয়ে লেন্‌ডুপে নিজৰ নামটো কৈ দিলে।

'অ' তুমিযেই লেন্‌ডুপ তেনেহলে। পিকিঙত লিখাপঢা শিকিছিলা নহয়নে?'

'আপুনি জানেইচোন।' লেন্‌ডুপৰ উত্তৰত হান কেডাৰজন বৰ সন্তুষ্ট নহ'ল।

'দুবছৰ আগতে তিববতলৈ উভতি আহিছিলা নহয়নে?'

'হয় ওভতাই পঠিয়াইছিল।'

'লাচা হোষ্টেলৰ পৰা আন কেইজনমানৰ লগত তুমিও পলাই গৈছিলা?

'পাপা আমাক বিচাৰি গৈছিলো। পলাই যোৱা নাছিলো।'লেনডুপে নিৰ্ভয় মনেৰে উত্তৰ দি থাকে।

'বিনা অনুমতিত গুচি যোৱাটোকে পলাই যোৱা বুলি ধৰি লোৱা হয়। মোক চিনি পাইছানে?

'নাই পোৱা কমৰেড।

'ইমান সোনকালেই পাহৰি গ'লা নেকি? মনত পেলোৱাচোন, স্কুলত কোনে তোমালোকক ৰাতিপুৱা ড্ৰিল শিকাইছিল?' কেডাৰজনে কথাটো কোৱাৰ লগে লগেই লেন্‌ডুপৰ দুবছৰ আগৰ পুৰণি কথাবিলাক মনত পৰিল। কঠোৰ আচৰণ কৰা সেই ড্ৰিল শিকোৱা মানুহজনেই যে এইজন হ'ব পাৰে লেনডুপে ভাবিব পৰা নাছিল।

'এতিয়া মনত পৰিছে কমৰেড।

'ভাল কথা। পলাই গৈ ধৰা পৰিলা কেনেকৈ?'

কোনো উত্তৰ নিদিলে লেনডুপে। উত্তৰ দিবলৈ তাৰ ইচ্ছাও নহ'ল।

'ক'ত আছিলা ইমান দিন?

পামিৰ ওচৰত। সংক্ষেপে উত্তৰ দিলে লেনডুপে।

ঠিক আছে। তোমাৰ লগত পিচত কথা পাতিম বাৰু

আৰু তুমি? তাদিকলৈ চাওতেই তাদিক পেপুৱা লাগিল। ইমানদিন ঠিকেই আছিল এতিয়া এইজনে বা কি খেল দেখুৱাই বুলি ভাবি লাহেকৈ নিজৰ নামটো কৈ দিলে।

'ইন্দু মানুহ?' মানুহজনৰ মুখত ঘৃণৰ ভাব ফুটি ওলাল।

'আগতে ইন্দু আছিলো এতিয়া ইযাৰে মানুহ হৈছোঁ। ভয়ে ভয়ে উত্তৰ দিলে তাদিকে।

'ঠাই সলালেই স্বভাৱৰ সলান নহয়। পলিডাৰ হৈছো যেতিয়া কথা কামত অকণো ভুল হ'ব নোৱাৰিব জনা নহয়?'

পৰিচয় লোৱা পৰ্ব শেষ কৰি ওচৰতে থিয় দি থকা চিপাহীজনক প্ৰয়োজনীয়

নির্দেশ দি কেডাৰজন গুচি গ'ল। অলপ পিচতেই হান চিপাহীজনে ভ্রমণকাৰী দলটোক শাৰী পতাই লৈ গ'ল সৈনিক শিবিৰ এটাৰ ভোজন কক্ষলৈ। শুকান মাছৰ গুড়ি দিয়া বন্ধাকবিৰ চৌ-চৌৱা চুপত চাম্পা গুড়ি ঢালি খালে লেন্‌ডুপহঁতে। পেট নভৰিল যদিও আৰু অকণ পাব বুলি আশা নকৰিলে। দুবাৰকৈ দিয়াতো হানৰ সাম্যবাদী সংবিধানত নাই বুলি লেন্‌ডুপে জানে। এবাৰতে যি দিয়ে জুখি-মাপি দিয়ে। কম-বেছিৰ প্রশ্ন কৰিব নোৱাৰে কোনেও। ভোজন কক্ষৰ টেবুলত অকল নিমখৰ পাত্রটোহে থাকে। নিমখ ব্যৱহাৰত কোনো বাধ্যবাধকতা ৰখা হোৱা নাই। তিববতত নিমখৰ অকণো অভাৱ নাই। তিববতৰ সকলো দিশতে আছে অসংখ্য নিমখীয়া হ্রদ। পানী শুকাই পাৰত পৰি থকা নিমখ বুটলি আনিলেই হ'ল।

আবেলি পৰত পার্টিকেডাৰজনে পুনৰ উভতি আহিল। আহিয়েই ভ্রমণকাৰী দলটোক বিমান বন্দৰটো চাবলৈ যোৱাৰ বাবে সাজু হবলৈ কলে।

'এইটোৱেই তিববতৰ সর্ববৃহৎ বিমান বন্দৰ। অসামৰিক বিমানসমূহৰো এইটোৱেই একমাত্র কেন্দ্র ইয়াত প্রায় দহ পোন্ধৰ মিনিটত একোখন বিমান উঠা-নমা কৰে। সৌখন যে আহি এইমাত্র নামিল সেইখন আহিছে দক্ষিণ-পশ্চিম চীনৰ কুইনঘাই প্রদেশৰ ৰাজধানী ছিনিঙৰ পৰা।'

বিমানখনৰ পৰা নামি অহা সকলো যাত্রীয়েই হান মানুহ যেন লাগিল লেনডুপৰ। সেই যাত্রীসকলৰ আধাভাগতকৈও বেছি যাত্রী সৈন্যবাহিনীৰ বিষয়া শ্রেণীৰ। ইতিমধ্যে কেইবাখনো যুঁজাৰু জেটবিমানক উঠানমা কৰা দেখিলে ভ্রমণকাৰী দলটোৱে। তাদিকে মন কৰি চালে গোটেই কিখন যুজাৰু বিমান হিমালয় পর্বতৰ দিশলৈকে উৰি গৈছে।

সৌ শাৰী পাতি থকা সৰু সৰু বিমানবিলাকেই যুঁজাৰু বিমান। সামান্য ইংগিতত এই যুজাৰু বিমানে আকাশত উঠি শত্রুপক্ষৰ বিমানক গুলিয়াই ধ্বংস কৰিব পাৰে।' ঠিক সেইসময়তে এক বৃহৎ সৈন্যদলে ভ্রমণকাৰী দলটোৰ সমুখেৰে গিৰিপগাৰাপকৈ পাৰ হৈ যাব ধৰিলে। পৰিপাটিকৈ সাজপাৰ পিন্ধা সমউচ্চতাৰ সৈনিক দলটোলৈ তাদিকে তধা লাগি চাই থাকিল। বগা হাতমোজা পিন্ধি লোৱা সৈনিক জাকে চুটি চুটি স্বয়ংক্রিয় ৰাইফলবিলাক বুকুতে সাৱটি লৈ যোৱা দেখিলে তাদিকে। সি এৰি অহা দেশৰ চিপাহীৰ ৰাইফলবিলাক বৰ ডাঙৰ ডাঙৰ বুলি তাৰ মনত আছে। ক'ৰবালৈ

অহা-যোৱা কৰিলেও কান্ধতে ৰাইফলটোও লোমাই নিযে। ক'ৰবাত ঠিয হ'লেও লাখুতিৰ নিচিনাকৈ ৰাইফলটোতে ভৰ দি থিয দিযে।

'আজি কোনোবা উচ্চ পৰ্য্যাযৰ কমৰেড আহিব কাৰণেই হাতমোজা পিন্ধা সৈনিকৰ দলটো গৈছে '। এনেতে ভযঙ্কৰ শব্দ কৰি যাত্ৰীবাহী আন এখন বিমান অৱতৰণ কৰা সকলোৱে দেখা পালে। বিমানখন ৰোৱাৰ লগে লগে জখলাখন গৈ বিমানৰ দুৱাৰ মুখতে লাগিল। বিমান কোঠাটোৰ কৰ্মব্যস্ততা যেন হঠাতে তিনিগুণন হৈ পৰিল। নিৰাপত্তা কৰ্মী প্ৰথমে আগবাঢি গ'ল। তাৰ পিচত গ'ল পাৰ্টি আৰু প্ৰশাসনীয উচ্চপদস্থ লোক। সাংবাদিকসকলক অপেক্ষা কৰালে যথেষ্ট দূৰত্বত। বিমানৰ দুৱাৰখন খুলি দিযাৰ লগে লগে বীৰ স্থিৰ পদক্ষেপেৰে নামি আহিল কমিউনিষ্ট পাৰ্টিৰ এজন বলিস্থ নেতা। লগতে নামি আহিল এজন চীনা গমমুক্তি ফৌজৰ প্ৰবীণ জেনেৰেল। কৰমৰ্দন হ'ল চাৰিওপিনৰ পৰা। ফ্লেচ গান'ৰ সহাযত ফটো তুলিলে কেমেৰামেনে। সংবাদদাতা সকলৰ খৰতকীযা বিভিন্ন প্ৰশ্নৰ হাঁহি হাঁহি উত্তৰ দি গ'ল চুটি চাপৰ নেতাজনে। তাৰ পিচতে এক দীঘল গাড়ীৰ সমদল গুচি গ'ল লাচাৰ দিশলৈ। গংগাৰ পৰা লাচাৰ দূৰত্ব সাতৈক্লা কিলোমিটাৰ.

'অকল এইখনেই নহয আৰু আঠখন বিমানকোঠ সাজি তোলা হৈছে তিব্বত অঞ্চলত। হানসকলে তিব্বতক এখন দেশ বুলি নকয। চীনৰ এটা অঞ্চল বুলিহে উল্লেখ কৰে।

সেইবিলাকো ইমান ডাঙৰ নেকি কমৰেড ? তাদিকে সুধিলে।

'ইমান ডাঙৰ নহয। সেইবিলাক সামৰিক বিমানকোঠ অসামৰিক বিমান তাত উঠা নমা নকৰে আৰু সামৰিক বিভাগৰ মানুহ বাদে আন মানুহ তালৈ যোৱাতো নিষিদ্ধ। এতিযা কোৱাচোন দালাই লামাৰ অধীনত তিব্বত অঞ্চলত ইমান পৰিৱৰ্তন কেতিযাবা সম্ভৱ হ'লহেঁতেন নে? কোনেও নমতা দেখি কেডাৰজনে লেন্‌ডুপকে সুধিলে 'তুমিযেই কোৱাচোন লেন্‌ডুপ কেতিযাবা সম্ভৱ হ'লহেঁতেন নে?

'দুখীযা তিব্বতবাসীৰ কাৰণে ই কেতিযাও সম্ভৱ নহ'লহেঁতেন বুলিযেই মই ভাবো কমৰেড।'

'তথাপি একাংশ তিব্বতীযই এই পৰিৱৰ্তনৰ বিৰোধিতা কৰি আছে কিয তুমি ক'ব পাৰিবানে?

সেইটো তেওঁলোকৰ কথা। মই কেনেকৈ জানিম?

'তুমি নিজে কি ভাবা? ভ্ৰমণৰ আৰম্ভণিৰ পৰাই যেন তাৰ ওপৰত দৃষ্টি ৰাখি অহা হৈছে সেই কথা লেন্‌ডুপে নিইংচিতে অনুভব কৰিছিল। বিগত দুদিনমানৰ পৰা যে এই নিৰীক্ষণ অধিক স্পষ্ট হৈ পৰিছে তাকো বুজি পালে লেন্‌ডুপে।

'পৃথিৱীখনেই পৰিবৰ্তনশীল বুলি জানো কমৰেড। সময়ৰ গতিক কোনেও বাধা দি ৰাখিব নোবাৰে।'

'উত্তৰবিলাক তুমি পোনপটী যাকৈ দিব নাজানা নেকি?

এই প্ৰশ্নৰ কোনো উত্তৰ নিদিলে লেনডুপে। উত্তৰ দিলে তৰ্ক বাঢ়ি যাব বুলি ভাবি সি আনপিনে মুখ ঘূৰাই ললে।

ভ্ৰমণকাৰী দলটোক হান কেডাৰজনে পুনৰ ওভতাই লৈ গ'ল বিশ্ৰাম ঘৰটোলৈ। যাওঁতে যাওঁতে লেনডুপে বিমানকোঠৰ মুকলি ঠাইবিলাকত পাৰি থোৱা শিলাখণ্ড বিলাকলৈ চাই গ'ল। সমানকৈ কটা এই মিহি শিলাখণ্ডবিলাক ক'ৰ পৰা অনা হৈছে সেই কথা দেখিয়েই বুজি পালে। শিলাখণ্ডবিলাকৰ ওপৰেৰে যাওঁতে কোনোবা মৃত লামাৰ বুকুৰ ওপৰেৰে খোজ পেলাই যোৱা যেন লাগিল লেন্‌ডুপৰ।

সেই নিশা তাদিকে লেন্‌ডুপক কোনো কথা সোধাৰ সুযোগ নাপালে। হান চিপাহীজনেও একেটা কোঠালীতে শুবলৈ আহিল। আনকি বাহিৰতো সৈনিকৰ গাজি-গুজা মাত শুনি তাদিকৰ মনত নানান সন্দেহ উপজিল। লেন্‌ডুপকো দুদিনমানৰ পৰা চিন্তিত হৈ থকা দেখি কথাটো কি জানিবলৈ তাৰ ইচ্ছা হ'ল।

(২৪)

পিচদিনা ভ্ৰমণকাৰী দলটোক লৈ গ'ল লাচা নগৰীৰ দিশলৈ। প্ৰথমেই পাৰ কৰিব লগা হ'ল চাংপো নৈৰ ওপৰত সজা দীঘল দলংখন। দলঙৰ মুখতে থকা পৰীক্ষা চকীটোত সশস্ত্ৰ সৈনিক সন্তম হৈ আছিল যদিও সকলো যানবাহন নিৰ্বিবাদে অহা-যোৱা কৰি থকা দেখিলে তাদিকে। লাচা পথত চলাচল কৰা যানবাহন আৰু পদ যাত্ৰীৰ সমাগম দেখি কল্পনাৰ মহানগৰীখন পাবলৈ তাৰ মন উৎকণ্ঠিত হৈ পৰিল। গৈ থাকোতে বাটৰ কাষত গাঁৱৰ সংখ্যা যিমান দেখিলে সৈনিক শিবিৰৰ সংখ্যাও সিমানেই যেন লাগিল তাদিকৰ।

ইমান মনে মনে আছা কিয় লেন্‌ডুপ? নুসুধি নোৱাৰিলে তাদিকে লেন্‌ডুপৰ

মনত যে স্থিৰতা ,হো সেই ক দুদিনমানৰ পৰাই তাদিকৰ চকুত পৰিছে।

'মনে মনে থকা নাই ,দিক। কথা াছো।'

লেনডুপৰ উত্তৰ শুনি তাদিক অতিমাত্ৰাই আচৰিত হৈ পৰিল। ওচৰত তাৰ বাদে আন কোনো নাই যে কথা পাতিব। লেন্‌ডুপ পগলা হ'ল নেকি বুলি ভাবি তাদিকৰ সংশয় উপজিল।

'কাৰ লগত কথা পাতিছা ওচৰত চোন কোনো নাই?'

'মনতে কথা পাতিছো ভাগ্যৰ লগত বুলি কৈ হাঁহি দিলে লেন্‌ডুপে।

তোমাৰ আৰু কাম নাই নহয়? কিমান সুন্দৰ ঠাই নোচোৱা কিয়?' লাচা উপত্যকাটো ইমূৰ সিমূৰ মনিব নোৱাৰি। চাৰিওপিনে পৰ্বতে আগুৰি ৰখা এই বিশাল উপত্যকাৰ প্ৰায় মাজভাগতে আছে লাচা নগৰী। পূৰ্বতে মানুহে চাৰিও দিশৰ পৰা বিভিন্ন পথেৰে লাচা নগৰীলৈ গৈছিল। এতিয়া উত্তৰ-দক্ষিণ-পূব আৰু পশ্চিমৰ পৰা চীনা গণমুক্তি ফৌজে সাজি উলিযাইছে প্ৰকাণ্ড প্ৰকাণ্ড চাৰিটা মূল আলি। উপপথৰ কোনো হিচাপ নাই। লাচা নগৰীখনৰ চাৰিওপিনে যেন আলিবাটৰ মকৰা জাল এখনহে তৰি থোৱা হৈছে।

'চাইছোঁ তাদিক। চকুৰ আগতে দেশখন সলনি হৈ যাব ধৰিছে, তাকেই চাইছোঁ। কি আছিল আৰু এতিয়া কি হ'ল। মই সৰুতে দেখা লাচা উপত্যকাটোৰ দৃশ্য এনেকুৱা নাছিল তাদিক। তেতিয়া চকুৰে মনিব পৰালৈকে উৰিছিল লক্ষ লক্ষ ধৰ্মৰ পতাকা। এতিয়া উৰিছে হাতুৰী-কাচিৰ ৰঙা পতাকা মাত্ৰ। আগতে দেখিছিলো ৰঙা বগা ৰংসনা শ শ তিব্বতীযৰ ঘৰ। এতিয়া যিপিনে চোৱা সিপিনেই দেখিবা হানসকলে সজা ইটা-বালিৰ বৃহৎ বৃহৎ অট্টালিকাসমূহ। এজনো বিদেশী নথকা এইখন দেশত এতিয়া দেশবাসীতকৈ বিদেশীৰ সংখ্যাহে অধিক হৈ পৰিল। লেন্‌ডুপৰ প্ৰতিটো কথা সঁচা বুলি মানি লবলৈ তাদিক বাধ্য হ'ল। আলিবাটেৰে যোৱা মানুহবিলাকৰ অধিকাংশই হান মানুহ। তাৰে আধা সৈনিক, আধা শ্ৰমিক আৰু কিছুমান অ-সামৰিক ব্যক্তি। হানবিলাক অহা-যোৱা কৰিছে বিভিন্ন যান-বাহনত উঠি বা বাই-চাইকেলেৰে আৰু তিব্বতীযসকল গৈছে খোজ কাঢ়ি। ঘোঁৰাত উঠি গৈছে যদিও সেই সংখ্যা তেনেই তাকৰ। তাৰ পিছতে তাদিকৰ চকুত পৰিল বিশাল লাচাৰ সামৰিক কেন্টনমেন্ট অঞ্চলটো। এই বিশাল কেন্টনমেন্টটোত যে কিমান সৈনিক থাকিব পাৰে সেই কথা তাদিকে

অনুমানকে কৰিব নোৱাৰিলে। সামৰিক শিবিৰটো পাৰ কৰিযেই দেখিলে এখন হালধীযা প্ৰাচীৰে আগুৰি ৰখা এডোখৰ ঠাই। ওলোৱা সোমোৱা কৰা সকলো মানুহেই তিব্বতীয।

'এইখিনি কি ঠাই?

'নৰবুলিংকা। লাচা নৈৰ পাৰত থকা এই নৰবুলিংকাতে আহি দালাই লামাই গৰমকালত বসবাস কৰিছিল। ইযাৰ পৰাই পোন্ধৰ বছৰ আগতে দালাই লামাই ছদ্মবেশ ধৰি দেশ এৰি গুচি গৈছিল। তাৰ দুদিন পিচতেই হানসকলে সেই হালধীযা বেৰৰ ভিতৰত থকা বহুতো ঘৰ বোমাৰে উৰুৱাই দিছিল। হত্যা কৰিছিল হাজাৰ হাজৰ সমবেত মানুহক।'

মানুহবিলাকক কিয মাৰিলে?

'দালাই লামাক হানবিলাকে ধৰি লৈ যায বুলি সিহঁতে পহৰা দিবলৈ আহি ছিল।

বিদ্ধস্ত নৰবুলিংকা পাৰ কৰি যোৱাৰ পিচৰে পৰা শ শ যান বাহন আৰু মানুহৰ মাজেৰে গৈ গৈ গাড়ীখন ৰ'লগৈ 'চাগ্পোৰি' বোলা ওখ টিলা এটাৰ তলত। এই চাগপোৰি টিলাৰ ওপৰতে আছিল তিব্বতীয চিকিৎসা বিজ্ঞানৰ প্ৰসিদ্ধ বিশ্ববিদ্যালযটো। এতিযা নাই ভাঙি পেলোৱা হৈছে। টিলাটোৰ পাদদেশত বহুতো পুৰণি তিব্বতীয ঘৰ দেখিলে তাদিকে। এইবিলাকত তিব্বতীয মানুহৰ পৰিবৰ্তে হান মানুহ গিজগিজাই থকা তাদিকে দেখা পালে। ঘৰবিলাক বিভিন্ন কাৰ্য্যালয বুলি সি অনুমান কৰিলে। যিটো ঘৰ খালী আছিল তালৈকে লৈ যোৱা হ'ল ভ্ৰমণকাৰী দলটোক।

'মই নহালৈকে তোমালোকে এই ঠাই এৰি ক'লৈকো নাযাবা। এজন হান কৰ্মচাৰীক ভ্ৰমণকাৰী দলটোৰ দাযিত্ব গতাই দি ভ্ৰমণ পৰিচালকজন গাড়ীত উঠি গুচি যোৱা তাদিকে দেখিলে। হান কৰ্মচাৰীজনে ভ্ৰমণকাৰী দলটোৰ সংখ্যা গণিলৈ নিজৰ জেপত থকা বহীত লিখি ল'লে।

'তোমালোক, এতিযা ক'ৰ পৰা আহিলা?' কৰ্মচাৰীজনে সুধিলে।

'গংগাৰ বিমানকোঠৰ পৰা।' উত্তৰ দিলে লেন্‌ডুপে। হান কৰ্মচাৰীজন সহজ সৰল মানুহ যেন লাগিল লেন্‌ডুপৰ।

'খাই-বৈ আহিছানে তাৰপৰা?'

'পুৱাতে খাই আহিছোঁ কাৰণে ।' লেন্‌ডুপৰ কথা শেষ হবলৈ নাপালে।

'ভোক লাগিছে নহযনে?' মানুহজনৰ সহানুভূতিসূলভ কথা-বতৰাত

ভ্ৰমণকাৰী দলটো অলপ উৎসাহিত হ'ল।

'ভোক লাগিলেও এনে অসময়ত কোনো খোৱাৰ যোগাৰ কৰি দিব কমৰেড?' লেন্‌ডুপেই উত্তৰ দিলে।

সেইটো মোৰ কাম।

বহুত দিনৰ পিচত এজন সহানুভূতিশীল ব্যক্তিৰ লগ পাই লেনডুপ অলপ আচৰিত হ'ল। এনে ব্যতিক্ৰম সচৰাচৰ চকুত নপৰে।

সৌটো ইমান ওখত কি ঘৰ লেনডুপ?'

বিশাল পোতালাটোৰ শীৰ্ষ অংশটোহে মাত্ৰ তাদিকহঁত বহি থকা ঠাইৰ পৰা দেখা পায়।

সেইটোৱেই পোতালা তাদিক। অকল ওপৰৰ অংশটোহে দেখিছা ইয়াৰ পৰা। সেই অংশটোতেই দালাই লামা থাকিছিল। কথাকিটা বৰ দুখেৰে কৈ লেন্‌ডুপেও চাই থাকিল ওপৰলৈ। সেই আকাশচুম্বী কক্ষকিটালৈ তাদিকে গভীৰ বিস্ময়েৰে বহুত সময় চাই ৰ'ল। তাৰ কল্পনাৰ পোতালাৰ ইমান ওচৰ চাপিও দূৰৰ পৰা চাব লগা হোৱাত তাৰো বেয়া লাগিল। এনেতে কেইজনমান তিব্বতীয় পুৰুষ মানুহে আলিবাটটোৰ ওপৰত দীঘল দি শুই পৰি পুনৰ উঠি আকৌ শুই পৰি আগুবাই যোৱা তাদিকে দেখিলে।

সেই মানুহবিলাকে তেনেদৰে কি কৰিছে লেনডুপ?'

পোতালা পৰিক্ৰমা কৰিছে। 'এওঁলোক লাচাৰ মানুহ নহয়। বাহিৰৰ পৰা লাচালৈ ধৰ্ম কৰি পুণ্য আৰ্জিব আহিছে। লাচালৈ আহিলে পোতালাৰ চাৰিওপিনে এনেদৰে নিজৰ দেহৰ দৈৰ্ঘ্যতাৰে জুখি-জুখি পৰিক্ৰমা কৰে। এই পৰিক্ৰমাৰ দূৰত্ব আঠ কিলোমিটাৰ।

'ইমান দূৰ কেনেকৈ যাব?

এইটো অতি সাধাৰণ কথা। লাচাৰ পৰা তিনিমাহৰ দূৰত থকা গাঁৱৰ কিছুমান মানুহে ঘৰৰ পৰাই এনেদৰে আহি থাকে।'

তেতিয়াতো বহুত দিন লাগিব?

'লাগিব। কিছুমান তেনেদৰে আহি থাকোতে চাৰি পাঁচ বছৰ পাৰ হৈ যায়।'

'বৈ বৈ আহে। গাঁও পালে তাতে থাকে। গাঁৱৰ মানুহেই খোৱাবোৱা দিয়ে। তেনে কৰিলেও পুণ্য হয় বুলি মানুহে ভাবে।'

গাৰ চাল -বাকলি ফাটি নাযাযনে?'

'নিশ্চয যায। কিছুমানে আঁঠু কিলাকুটিত জন্তুৰ শুকান ছাল বান্ধি লয। কিছুমান নবন্ধাকৈযে আহি থাকে। লাচা পায মানে আঁঠু আৰু কিলাকুটিৰ ছাল ক'লা পৰি ডাঠ হৈ যায।

এনেতে গাড়ীখন উভতি আহিল। নামি আহিল হান কেডাৰজন আৰু ছজন সৈনিক।

উপাযহীন ভ্ৰমণকাৰী দলটোৱে ভোকে-ভাগৰে গৈ পুনৰ গাড়ীখনত উঠি বহিল। নিমিষতে গাড়ী চলিবলৈ আৰম্ভ কৰিলে। অকাই পকাই বিভিন্ন আলিৰে গৈ গাড়ীখন লাচা নৈৰ কাষ পালে। নৈৰ পাৰতে থকা দীঘল ঘৰ এটাত লেন্‌ডুপহঁতক থাকিব দিয়া হ'ল।

তোমালোক লাচাত থকা দিনকিটা এইটো ঘৰতে থাকিব লাগিব। ইযাত সকলো ব্যৱস্থা আছে। মই কাইলৈ পুৱা আহিম। সভা এখনলৈ কাইলৈ তোমালোকক লৈ যাব লাগিব। পিকিঙৰ পৰা অহাকালি আহি পোৱা পাৰ্টি নেতাই লাচাবাসীক কেইটামান ঘোষণা শুনাব। তোমালোকেও শুনিব লাগে।

হান কেডাৰজন গুচি যোৱাৰ পিচতে সৈনিক দলটোৰ দলপতিজনে লেনডুপহঁতৰ খোৱাবোৱাৰ ব্যবস্থা কৰি দিলে। ঘৰটোৰ পিচপিনে থকা সমূহীয়া খোৱাঘৰতে গৈ লেনডুপহঁতেও খালে। দীঘল ঘৰটোৰ আন কোঠালীবিলাকতো যি মানুহ আছিল সিহঁতো তিব্বতীয মূলৰেই মানুহ যেন লাগিল লেন্‌ডুপৰ। কথা কিন্তু কোনেও নাপাতিলে। কথা পতাৰ আগ্ৰহো নকৰিলে এজনেও। কিবা এটা ভয শংকাত যেন মানুহখিনি নিমাত হৈ গৈছিল।

'আমি অলপ লাচা নৈখনৰ পাৰত গৈ বহিব পাৰিমনে কমৰেড?' লেন্‌ডুপে সৈনিকৰ দলপতিজনক সুধি চালে।

'নোৱাৰা। সমুখৰ ফুল বাগিচাখনত ফুৰিব পাৰিবা, তাৰ বাহিৰত নহয।' উত্তৰটো বৰ অপ্ৰিয লাগিল লেন্‌ডুপৰ।

'হব বাৰু। সৌ বেঞ্চখনত গৈ বহিব পাৰিমনে?' এই বুলি ফুল বাগিচাৰ এমূৰে থকা শিলেৰে সজা বেঞ্চখন দেখুৱাই দিলে।

'বহাগৈ যোৱা। কিন্তু প্ৰহৰীজনৰ চকুৰ আঁতৰ নহ্বা।'

'নহওঁ বাৰু কমৰেড্। তাদিক-লেন্‌ডুপৰ লগতে আৰু দুজন ভ্ৰমণকাৰী বেঞ্চুখনলৈ বুলি আগবাঢ়ি গ'ল। প্ৰথমে থিয় হৈ গোটেইকিজনে লাচা নগৰীৰ চাৰিওপিনে ঘূৰি ঘূৰি চাবলৈ ধৰিলে। লাচা নৈৰ পৰা অহা ফিৰফিৰিয়া বতাহে লেন্‌ডুপহঁতৰ মন মুকলি কৰি তুলিলে। পোতালাটো লাচা নৈৰ পৰা সম্পূৰ্ণৰূপে দেখি। আনকথা বাদ দি তাদিকে পোতালাটোৰ পিনে মুগ্ধ দৃষ্টিৰে চাই থাকিল। তাৰ জীৱনজোৰা মনৰ হেঁপাহ যেন পূৰণ হৈ পৰিল।

কিমান বিশাল আৰু সুন্দৰ সেই পোতালাটো চোৱাচোন লেন্‌ডুপ। সেইটো ঘৰ মানুহে কেতিয়াও সাজিব নোৱাৰে।

কোনে সাজিলে বুলি ভাবিছা তুমি তাদিক?'

'কোনে সাজিলে নাজানো তোমাৰ মোৰ নিচিনা মানুহে সাজিব নোৱাৰে। তাদিকে জন্মিবৰে পৰা বাঁহপাতৰ ঘৰকে মানুহেৰে সজা দেখি আহিছে। তেনেঘৰ সাজিবলৈকে কিমান আয়োজন কিমান সময় লাগে সি জানে। ঘৰটো সজা হ'লে কিমান মানুহক গাহৰি কাটি মদ-ভাত খুৱাব লাগে তাৰো হিচাপ আছে।

তেন্তেহলে আকাশৰ পৰা দেৱতাবিলাকে নামি আহি সাজিছিল নেকি তাদিক?'

তেনেকুৱা কিবা এটা হ'ব লাগিব। লাচাত কিমান মানুহ থাকে ক'ব পাৰিবানে?

ঘূৰি ফুৰা মানুহবিলাকক কেনেকৈ গণিবা হাজাৰ হাজাৰ হ'ব কিজানি।

লাখৰ অংক তাদিকে বুজিব বুলি ভাবিয়েই হয়তো লেন্‌ডুপে তেনেকৈয়ে বুজাই দিলে।

এনেতে সৈনিকৰ দলপতিজনে লেনডুপহঁতক উভতি যোৱা নিৰ্দেশ দিলে।

পিচদিনা ৰাতি পুৱাৰ খাদ্য খোৱাৰ পিচতে হান কেডাৰজন আহি উপস্থিত হ'ল। সৈনিক দুজনৰ তত্বাৱধানত ভ্ৰমণকাৰী দলটোক খোজকাঢ়ি লৈ গ'ল লাচা নগৰীৰ ভিতৰলৈ। নতুনকৈ সাজিবলৈ ধৰা ষ্টেডিয়ামটোৰ কাষেৰে পাৰ হৈ যাওতে লাচা নগৰীৰ একমাত্ৰ মছজিদটো চকুত পৰিল তাদিকৰ। ধুনীয়া মছজিদটো দেখি তাদিকে এইটো কি মন্দিৰ বুলি লেন্‌ডুপক সুধিলে। মন্দিৰ নহয়, মুছলমানৰ মছজিদ বুলি থোৰতে উত্তৰ দিলে লেন্‌ডুপে। তাকো হানকিজনে নুশুনাকৈয়ে ক'লে। মছজিদটোৰ পৰা অলপ আগবাঢ়ি গৈয়ে দেখিলে তিব্বতবাসীৰ মূল ধৰ্মীয় স্থান 'জখাং' মন্দিৰ। কি মন্দিৰ বুলি সুধিবলৈ কোনো চল নাপালে তাদিকে। কিবা ডাঙৰ মন্দিৰ বুলি গম পালে যদিও

মন্দিৰৰ ভিতৰত ৰেডগাৰ্ডৰ নিচিনা ডেকা ল'ৰাজাক দেখি সি মনে মনে আচৰিত হ'ল।

তাতকৈ বেছি আচৰিত হ'ল যেতিয়া সেই চাৰিমহলীয়া বিশাল মন্দিৰটোৰ সম্মুখ প্ৰাংগনত গাহৰি এপালে মুক্ত মনে চৰি থকা দেখিলে তাদিকে। লেন্‌ডুপলৈ চাওঁতে দেখিলে সি তলমমূৰকৈ গৈ আছে। জখা, দেৱালয পাৰ কৰি তিববতীয চিকিৎসালযটোৰ কাষেৰে গৈ এখন মুকলি ঠাইত কেইবাহাজাৰো মানুহ গোট খোৱা দেখিলে তাদিকে। তাৰে আধাহে হান মানুহ যেন লাগিল। হাতত স্বযংক্ৰিয ৰাইফল লৈ চাৰিওপিনে থিয দি থকা সৈনিকবিলাক দেখি তাদিক অলপ বিচলিত হৈ পৰিল।

তোমালোকে ইযাতে থাকা। নেতাসকলে কি কয মন দি শুনিবা।'

কোনোবা এজনে মঞ্চখনত থিয দি নেতাসকল আহি পাইছে বুলি মাইকত ঘোষনা কৰাৰ অলপ পিচতেই মঞ্চৰ ওপৰলৈ উঠি আহিলে সেই চুটি চাপৰ মানুহজন। দেখিযেই চিনি পালে লেন্‌ডুপই়ে। বিমানেৰে এইজন মানুহেই সিদিনা আহিছিল বুলি গম পালে। নেতাজনৰ লগতে মঞ্চলৈ উঠি আহিল এজন সম্ভ্ৰান্ত শ্ৰেণীৰ তিব্বতীয মানুহ। মূল্যৱান তিব্বতীয পোচাক পিন্ধা মানুহজনে মাইকৰ ওচৰত থিয দিযেই ক'বলৈ আৰম্ভ কৰিলে---

'মৰমৰ দেশবাসীসকল মই ঙাপো ঙাবাং জিগ্‌মেযে কৈছো।

নামটো শুনিযেই সভাস্থলীত এটা মৃদুগুঞ্জনৰ শব্দ উঠিল। গুঞ্জনধ্বনি মাৰ যোৱালৈ বক্তাজনে অলপ অপেক্ষা কৰিলে।

' মই আজিও দেশবাসীৰ লগতে আছোঁ চাই লোবা। গ্যাল্পে ৰিম্পোচে দেশ এৰি যোৱা পোন্ধৰ বছৰ পাৰ হৈ গ'ল। মন্ত্ৰীসভাৰ সদস্যইও দেশ এৰিলে-- চৰকাৰ চলাবলৈ মানুহ নোহোৱা হ'ল তথাপি মই থাকি হলোঁ। থাকি গলো এই কাৰণতে যে দেশ এৰি পলাই গুচি যোৱাটোক দেশপ্ৰেম নুবুজায। দেশবাসীক নিৰাশ্ৰয কৰি এৰি গুছি যোৱাটো কোনো দেশপ্ৰেমিকৰ চৰিত্ৰ হ'ব নোৱাৰে।

পূৰ্বতে আমি এখন অকলশৰীয়া দেশৰ মানুহ আছিলোঁ। পৃথিৱীখন কেনেকুৱা আমি জনা নাছিলোঁ। আনকি মটৰ গাডীখন কেনেকুৱা সিও আমাৰ জ্ঞানে ঢুকি পোৱা নাছিল।

এতিযা আমি এখন বৃহৎ আৰু শক্তিশালী দেশৰ অংশ হৈ পৰিলোঁ। পৃথিবীৰ

কোনো শক্তিযে এতিয়া এই দেশৰ শিলগুটি এটাও বুটলি নিযাৰ সাহস ,কৰিব নোৱাৰিব।

আগেযে এই দেশৰ মানুহে খোজকাটিহে অহাযোৱা কৰিছিল। ধনী মানুহবিলাকে ঘোঁৰাত গৈছিল। এতিয়া চাৰিওপিনে আলিবাট হৈছে,, বিজুলী হৈছে চোৰ ডকাইহঁতৰ অন্ত পৰিছে। বেমাৰ- আজাৰত মানুহ মৰিছিল। খাবলৈ নাপায দুখীযা মানুহে মঠে -মন্দিৰে মগনীযা হৈ বহিছিল। এতিয়া এই সকলো দুখৰ অন্ত পৰিব ওলাইছে। তাৰ বাবে আমি পাৰ্টি আৰু চেযাৰমেন কমৰেড মাও-জে-ডঙলৈ কৃতজ্ঞতা জনাও।

এতিযাৰ পৰা তিব্বত মহান চীনদেশৰ এখন স্বাযত্ত শাসিত অঞ্চল হৈ পৰিল। মহান নেতা কমৰেড মাও-জে-ডঙএ তিব্বতবাসীৰ বাবে স্বাযত্ত শাসনৰ অনুমোদন দিছে তিব্বতবাসীক ধৰ্মৰ স্বাধীনতা পুনৰ ঘূৰাই দিযা হ'ব। সাংস্কৃতিক সংৰক্ষনৰ স্বাধীনতাকো ঘূৰাই দিযাৰ লগতে অৰ্থনৈতিক প্ৰগতিৰ সকলো পথ মুকলি কৰি দিযা হব।

এই বছৰতে স্বাযত্ত শাসনৰ প্ৰথম চৰকাৰখনে তিব্বত অঞ্চলৰ সম্পূৰ্ণ দাযিত্ব গ্ৰহণ কৰিব। এই ঘোষণা কৰিবলৈকে কমৰেড হু আহিছে পিকিঙৰ পৰা। আপোনালোকে আমাৰ সন্মানীয অতিথি কমৰেড হুৰ কথাখিনি অতি মনোযোগেৰে শুনিব বুলি মই আশা কৰিলোঁ।

দেশদ্ৰোহী ঙাৱাং জিগমেৰ কথাবিলাক কোনে কিমান মন দি শুনিলে একো বুজা নগ'ল। ঙাৱাঙে নিজৰ নামটো কোৱাৰ লগে লগে যে বহুত তিব্বতীযই মাটিত থুবালে তাত কোনো সন্দেহ নাছিল। লেনড্ৰুপেও দেখিলে সিহঁতৰ সম্মুখত বহি থকা বহুত কিজন তিব্বতীয লোকে সেই নামটো শুনি মাটিতে থুৱালে।

ঙাবো ঙাৱাং জিগমেৰ এতিযা সকলো তিব্বতীয লোকে দেশদ্ৰোহী বুলিযেই চিনি পায। চীনাসকলে পূব তিব্বত অধিকাৰ কৰি লওঁতে এই ঙাবো আছিল পূব তিব্বতৰ গৱৰ্ণৰ। খাম প্ৰদেশৰ ৰাজধানী চামদো দখল কৰি লওতে চীনৰ গণমুক্তি ফৌজে এজাই গুলীও মাৰিব লগা হোৱা নাছিল। গধূলি চামদো নগৰৰ চাৰিওপিনৰ পৰা অজস্ৰ ফটকা ফুটুৱাই দিওতেই এই ঙাবো গৰ্ভণৰে বিনা যুদ্ধে চামদো এৰি পলাই গৈছিল। লাচালৈ যোৱা পথত ঙাবো বন্দী হৈছিল, মুক্তি ফৌজৰ হাতত। তাৰ পিচত দালাই লামাৰ নিৰ্দেশত চীন চৰকাৰৰ লগত শান্তি আলোচনাত ভাগ লৈছিল। দালাই লামাৰ বিনা

অনুমোদনত সোতৰ দফীয়া চুক্তি এখনত চহী কৰি দি ঙাবো এ তি ব্বতবাসীৰ স্বাধীনতাক চীন চৰকাৰৰ হাতত তুলি দিছিল। চীন চৰকাৰৰ এজন বিশ্বাসী অনুচৰ হৈ শেষত দালাই লামাকো দেশ ত্যাগ কৰি যাবলৈ বাধ্য কৰালে। এতিয়া ঙাবো ঙাৱাং জিগ্‌মে হ'ল তিব্বতবাসীৰ স্বয়ম্ভু নেতা ভাগ্যবিধাতা। দালাই লামাকো সমালোচনা কৰাৰ ধৃষ্টতা দেখুৱাব পাৰে।

ঙাবোৱে নিজৰ বক্তব্য শেষ কৰি পাৰ্টি নেতা হুৰ সন্মুখত গৈ থিয় দিলে। অতি নিলৰ্জ্জ ভাৱে সন্মুখলৈ হাউলী হুক সন্মান জনালে। ঙাবোৰ এই নিৰ্লজ্জ আচৰণত সভাত উপস্থিত থকা তিব্বতীয়সকলে চুড়ান্ত হতাশাত তলমূৰ কৰিবলৈ বাধ্য হ'ল। সন্মুখলৈ হাউলী শ্ৰেষ্ঠজনক সন্মান জনোৱাটো তিব্বত দেশৰ অধিবাসীয়ে এক ধৰ্মীয় আচৰণ বুলি মানি আহিছে। হান কমিউনিষ্টৰ সন্মুখত দেশৰ ধৰ্মীয় মৰ্য্যদাক এনেদৰে হেয় কৰি পেলোৱা দেখি ঙাবোৰ নৈতিক পতনত তিব্বতীয়সকল বি ষ্ট হৈ পৰিল। দেশ পদদলিত হলেও দেশবাসীৰ মন পদদলিত নহ'ব পাৰে। কিন্তু ঙাবোৰ পদদলিত মনৰ কদৰ্য্যতা দেখি মানুহবিলাকে তলমূৰ কৰিবলৈ বাধ্য হ ল। পাৰ্টি নেতা হু থিয় দিয়াৰ লগে লগে চাৰিও দিশৰ পৰা জাউৰি জাউৰি হাত চাপৰি আহিল। প্ৰসন্ন হাঁহিৰে পাৰ্টি নেতা হু ৰে সেই হাত চাপৰিক মূৰ দুপিয়াই স্বীকৃতি জনালে। লাহে লাহে হাত চাপৰিৰ জাঁত জাঁত শব্দ কমি আহি নিতাল মাৰিলে।

প্ৰথমে মই ইয়া, মনবা লোহবা গোলোক উইঘোৰ হৰপা চিয়াং চুম্পা জনগোষ্ঠীৰ লোকসকলক তিববত অঞ্চল মুক্ত কৰাৰ কাৰণে বিপ্লৱী অভিনন্দন জনালোঁ (ৰয়)।' খাম্পাসকলৰ কথা কিন্তু উল্লেখ নকৰিলে।

সভা উপস্থিত থকা তিব্বতীয়সকলে এই নতুন সম্বোধনত আচৰিত হৈ পৰিল। তিব্বত দেশৰ মানুহক সকলোৱে ৱোগ-পা (পশুপালক) আৰু পো-পা (কৃষিজীৱী) বুলিয়েই জানে। অতীতত নানান দিশৰ পৰা মংগোল, উইঘোৰ, ন্যাং, চুম্পা বা উৱে চিহ জাতিৰ মানুহ এই দেশলৈ আহি বসবাস কৰিছিল সঁচা। কিন্তু ধৰ্মীয় সংস্কৃতিয়ে আজি সকলোকে'এক জাতি এক প্ৰাণলৈ ৰূপান্তৰিত কৰিলে সেই কথা হানসকলেও জানে। এই কথা জানিও হানে কিয় এতিয়া বিভিন্ন জনগোষ্ঠীৰ কথা উলিয়াইছে।

'তিব্বত অঞ্চল দালাই লামাৰ ব্যক্তিগত সম্পত্তি নহয়। আপোনালোক সকলোৱেই এই অঞ্চলৰ সমান অধিকাৰী। এই অঞ্চলৰ ভাল বেয়াৰ বিচাৰ এই সকলো

জনগোষ্ঠীৰ মানুহেঁই কৰিব লাগিব এয়ে আমাৰ ঘোষণা।'

শক্তিশালী জাতীয চেতনাক ভাঙি পেলাবলৈ গোষ্ঠীগত দ্বন্দ্বক উৎসাহিত কৰাটোৱেই সাম্ৰাজ্যবাদীৰ প্ৰধান অস্ত্ৰ। সাম্যবাদৰ দোহাই দিয়া হান বিস্তাৰবাদীয়ে তিববতবাসীৰ জাতীয ঐক্যতাক ভাঙি পেলাবলৈ সেই শতাব্দী পুৰণি নীতিকেই অনুকৰণ কৰিলে।

'তিব্বতৰ মাটিত ভৰি থৈযেই মোৰ আজি এনেকুৱা লাগিছে যেন মই পুনৰ নিজৰ জন্মভূমিলৈ উভতি আহিলো। মহান চীন দেশৰ এই অঞ্চলটো পুঁজিবাদীসকলৰ ষডযন্ত্ৰৰ ফলতেই কিছুসময়ৰ বাবে এঘৰীযা হৈ পৰিছিল। এতিযা এই সমস্যাৰ অন্ত পেলোৱা হৈছে। আপোনালোকৰ অঞ্চলসমূহ আৰু আপোনালোক সকলোৱে আজি মহান চীন দেশৰ বুকুৰ মাজলৈ উভতি আহিছে। এই প্ৰত্যাৱৰ্তনক আমাৰ পাৰ্টি আৰু চৰকাৰে স-সন্মানেৰে আদৰি লৈছে। এই পুনৰমিলনক পৃথিৱীৰ কোনো ব্যক্তিযে কেতিযাও ভাঙিব নোৱাৰিব সেই প্ৰতিশ্ৰুতিকে আজি মই ঘোষণা কৰিলোঁ।'

পুনৰ হাত চাপৰিৰ জাউৰি [illegible]। হাত চাপৰি এতিযা তিব্বতদেশৰ এক নতুন ৰাজনৈতিক সংস্কৃতি হৈ পৰিছে। সভাই সমিতিযে হাত চাপৰি মৰাটো এটা বাধ্যতামূলক অনুশাসন।

'তিব্বতৰ জাগণে বিচৰা এই পুনৰ মিলনক সহ্য কৰিব নোৱাৰি পুঁজিপতিৰ দালাল দালাই লামাই দেশ এৰি পলাই গৈছে। সমস্যাবিলাকৰ শান্তিপূৰ্ণ সমাধানৰ পৰিৱৰ্তে দালাই লামাই সশস্ত্ৰ বিদ্ৰোহী উদগনি দিবলৈ আৰম্ভ কৰিছে। এই মুষ্টিমেয দালালৰ বিদ্ৰোহক অতি শীঘ্ৰে নিৰ্মূল কৰি পেলোৱা হ'ব আৰু এই কাম তিব্বতবাসীযেই কৰিব সেই ঘোষণাও কৰিলোঁ।

দালাই লামা আৰু তেওঁৰ দালালসকলে পৃথিৱীৰ চাৰিওপিনে প্ৰচাৰ কৰি ফুৰিছে যে তিব্বতৰ স্বতন্ত্ৰতা বোলা কোনো ৰাজনৈতিক অধিকাৰ হেনো নোহোৱা হৈ গৈছে। এই অপপ্ৰচাৰ যে কিমান ষডযন্ত্ৰ মূলক সেই কথা এই বছৰ চেপ্তেম্বৰ মাহতে প্ৰমাণ কৰা হ'ব। তিব্বতীযসকলৰ দ্বাৰা মনোনীত প্ৰতিনিধিৰ হাততেই এই অঞ্চলৰ শাসনভাৰ তুলি দিয়া হ'ব সেই ঘোষণাও কৰিলোঁ।'

স্বাযত্ত্ব শাসনৰ অধিকাৰ ঘূৰাই দিযাৰ ঘোষণা কৰিলে যদিও শাসন পৰিষদখনৰ চৰিত্ৰ কেনেকুৱা হ'ব সেই কথা কিন্তু বুজাই নক'লে। এই স্বায়ত্ত্ব শাসন পৰিষদখন যে

চীন চৰকাৰৰ হাতৰ পুতলা হ'ব সেই কথা পোন্ধৰ বছৰ আগতেই দালাই লামাইও বুজিব পাৰিছিল। পিকিং চৰকাৰৰ মনোনীত প্ৰাৰ্থীৰে ভৰপুৰ প্ৰস্তৱিত পৰিষদ খনৰ বিৰোধীতা কৰিযেই দালাই লামাই সেই প্ৰস্তৱিত পৰিষদ খনৰ বিৰোধীতা কৰিযেই দালাই লামাই দেশ এৰি গুচি যাবলৈ বাধ্য হৈছিল। সেই ইতিহাস প্ৰতিজন তিব্বতীযই জানে। পোন্ধৰ বছৰ পিচত স্বাযত্ত শাসনৰ নামত সেইখন পৰিষদকে পুনৰ জাপি দিব ওলাইছে বুলি সভাত উপস্থিত থকা প্ৰতিজন তিব্বতীযই বুজি পালে। এই ঘোষণাৰ প্ৰতি কোনো উৎসাহ প্ৰকাশ নাপালে শ্ৰোতাসকলৰ মাজত। শুনিব লাগে কাৰণেই মৌনভাবে শুনি গ'ল পাৰ্টিনেতা হুৰ একপক্ষীয বক্তব্য।

'তিব্বতৰ জনসাধাৰণক সাযত্ত শাসনৰ অধিকাৰ ঘূৰাই দিযাৰ ঘোষণাটোৱেই একমাত্ৰ ঘোষণা নহয। এই অধিকাৰ ঘূৰাই দিযাত আমাৰ সদিচ্ছা কিমান তাৰেই প্ৰমাণ স্বৰূপে মই পুনৰ ঘোষণা কৰো যে এই সাযত্ত শাসন পৰিষদৰ প্ৰথম মুৰব্বীজনো হ'ব আপোনালোকৰেই নিজা মানুহ। সেই মানুহজনেই হ'ল "ঙাবো ঙাৱাং জিগমে"।'

ঘোষণাটোৰ লগে লগেই ওচৰতে থিয দি থকা দেশদ্ৰোহী ঙাবোই হাতযোৰ কৰি পাৰ্টি নেতা হুৰ সন্মুখত নিজৰ আঁঠুলৈকে হাউলী শ্ৰদ্ধা জনালে।

পুনৰ গুণগুণনি উঠিল তিব্বতীযসকলৰ মাজত । এনেতে বাৰখোৰ বজাৰ দিশৰ পৰা অহা "পো-ৰাংঝেন"ৰ সমবেত উচ্চ ধ্বনি মানুহে শুনিবলৈ পালে। লগে লগেই এজাক সৈনিক দৌৰি গ'ল বাৰখোৰ বজাৰৰ দিশলৈ। সভাতো উখল মাখল লাগি পৰিল। বাৰখোৰ বজাৰ দিশৰ পৰা অহা দুই চাৰি জাই গুলীৰ শব্দও মানুহে শুনিবলৈ পালে।

কি হৈছে লেন্‌ডুপ ---সেইটো কিহৰ হাই-উৰুমি? ইমান পৰে পোতালাৰ পিনে মুগ্ধ দৃষ্টিৰে চাই থকা তাদিকে গুলীৰ শব্দ শুনি চক্ খাই উঠিল। হু এ কি ক'লে বা কোনে কাৰ সন্মুখত মুৰ দোৱালে সেইবিলাক একোকে মন নকৰিলে তাদিকে। তেৰ মহলীযা বিশাল পোতালাটোলৈ চাই চাই তাদিকে তাৰ শৈশৱৰ কল্পনাৰ কাৰেংটোৰ লগত মিলাই মিলাই চাই আছিল।

'ইমান পৰে কি চাই আছিলানো?'

'পোতালাটো।" উত্তৰ শুনি তাদিকৰ প্ৰতি লেন্‌ডুপৰো সহানুভূতি উপজিল। তিব্বতীয নহৈও তিব্বীয ঐতিহ্যৰ প্ৰতি তাৰ শ্ৰদ্ধা দেখি লেন্‌ডুপে নিজেই অলপ

লাজ পালে।

'বজাৰৰ পিনে গণ্ডগোল লাগিছে। মনে মনে বহি থাকা।' সভাস্থলী আগুৰী থকা হান সৈনিকসকলে হাতৰ ৰাইফল টোঁৱালে সভাস্থলীৰ পিনে। জনসাধাৰণে ভয়তে পেপুৱা লাগি বহি থাকিল যদিও সভা সিমানতে আকস্মিক ভাবে অন্ত পেলাই হু মঞ্চৰ পৰা নামি গ'ল। নামি যাওঁতে ওচৰতে থিয দি থকা গণমুক্তি ফৌজৰ জেনাৰেল এজনক খঙতে কিবা কিবি কোৱা সকলোৱে দেখিবলৈ পালে।

'বলা তোমালোক। কঠিন মাত শুনি লেন্‌ডুপহঁতে উভতি চাই দেখিলে হান কেডাৰজন উত্তেজিতভাৱে থিয দি আছে।

সভাস্থলীৰ পৰা লেন্‌ডুপহঁতক হানকেডাৰজনে চাগপোৰীৰ কাষৰ বাটটোৰেহে উভতাই লৈ গ'ল। অহা বাটেৰে নিনিলে। বাৰখোৰ বজাৰত তেতিয়া প্ৰচণ্ড উত্তেজনা বিৰাজ কৰিছিল। বন্দুৰা গেছৰ ধোঁৱাই বজাৰ অঞ্চলটো ধুৱঁলী কুঁৱঁলী কৰি তোলা লেন্‌ডুপহঁতেও দেখিলে।

'বজাৰত জুই লাগিছে যেন পাও। মনে মনে কলে তাদিকে।

'কথা নক'বা। সৌটোৱে দেখিলে কি কৰে কব নোৱাৰি আগে আগে গৈ থকা হান কেডাৰজনলৈ দেখুৱাই দিলে লেন্‌ডুপে।

এনেতে এখন জীপগাড়ী চাইৰেণৰ তীক্ষ্ণ ধ্বনি তুলি লাচা নৈৰ কাষৰ মূল আলিটোৰে আহি থকা দেখিলে লেনডুপহঁতে। মেচিনগান বন্ধা মুকলি জীপখনত বহি আহিছিল কেইজনমান সৈনিক। তীব্ৰ বেগে গৈ থকা জীপখনৰ পৰা ঘোষকে ঘোষণা কৰি গ'ল——

'লাচা নগৰীত এতিয়াৰ পৰা আধাঘন্টাৰ ভিতৰত সান্ধ্যআইন বলবৎ হ'ব। সকলো মানুহে নিজা নিজা ঘৰত সোমাই থাকিব। আলিবাটত বা বাহিৰত থিয দি থকা মানুহ দেখিলেই গুলী কৰাৰ আদেশ হৈছে। সাৱধান সাৱধান সাৱধান।'

ঘোষণাটো শুনিয়েই বাটে পথে থকা মানুহবিলাকে দৌৰা দৌৰি কৰা দেখিলে লেন্‌ডুপহঁতে। হান কেডাৰজনেও লগে লগে ভ্ৰমণকাৰী দলটোক দৌৰিবলৈ নিৰ্দেশ দি নিজেও দৌৰিব ধৰিলে। লাচা নৈৰ কাষৰ ঘৰটোলৈ তেতিয়াও এমাইলমান দূৰত্ব বাকী আছিল।

'কি কথা লেন্‌ডুপ দৌৰিব লাগে কিয়?' কথা কাণ্ড দেখি তাদিক ভেলেকা

লাগিল।

'দৌৰিব কৈছে। নহয় দৌৰা।' আন একো নক'লে েনেড়ুপে।

সিহঁতে গৈ লাচা নৈৰ কাষৰ ঘৰটো পাওঁতে সকলোৰে ফোপনি উঠিল।

'মই উভতি নহালৈকে তোমালোকে ঘৰৰ বাহিৰলৈ নোলাবা। ওলালে বিপদ হব জানিবা। ফোপাই ফোপাই নিৰ্দ্দেশখিনি দি হান কেডাৰজনে পহৰাদাৰী সৈনিক দলটোৰ দলপতিজনৰ লগত খৰধৰকৈ কিবা কথা পাতি ল'লে। তাৰ পিচতেই দৌৰি দৌৰি পুনৰ ওলাই গুচি গ'ল নগৰীৰ দিশলৈ।

দুদিন দুৰাতি ভ্ৰমণকাৰী দলটো ঘৰটোৰ ভিতৰতে আবদ্ধ হৈ থাকিল। খাবলৈ অহা-যোৱা কৰোতেও সৈনিকেই অনা -নিযা কৰিলে।

'এইটো কেনেকুৱা নিযম মই বুজিবকে পৰা নাই। সান্ধ্য আইন নেদেখা তাদিকে দুদিন দুৰাতি ঘৰৰ ভিতৰত আৱদ্ধ হৈ থাখি উচপিচাব ধৰিলে।

'হানৰ নিযম। লাচা নগৰীৰ ভিতৰত গা ঢকা দি থকা বিদ্ৰোহীক ধৰিব লগা হলে হানে এনেকৈযে সকলো মানুহক ঘৰৰ ভিতৰত আবদ্ধ কৰি ঘৰে ঘৰে সোমাই বিদ্ৰোহী বিচাৰি ফুৰে। বিদ্ৰোহীক বিচাৰি নাপালে সাধাৰণ মানুহবিলাককে ধৰি লৈ আহে।

এতিযা তেনেকুৱাই হৈছে নেকি?'

'মিটিং হৈ থাকোতে বজাৰত মানুহে পো-ৰাংঝেন বুলি চিঞৰা শুনা নাছিল নেকি? তাদিকৰ অজ্ঞতা দেখি লেনডুপৰ যেন অলপ খঙেই উঠিল।

'শুনিছিলোঁ। পো-ৰাংঝেন মানেনো কি?

পো-ৰাংঝেন মানে স্বাধীন তিব্বত। হানবিলাকে এই দেশখন অধিকাৰ কৰা পোন্ধৰ বছৰ পাৰ হৈ গ'ল যদিও মানুহে স্বাধীন তিব্বতৰ দাবী নেৰিলে।

'এতিযা হান সৈনিকে পো-ৰাংঝেন বুলি চিঞৰা মানুহ বিলাকক বিচাৰি ফুৰিছে। সেই মানুহক নাপালেও যাকে সন্দেহ কৰিব তাকেই ধৰি আনিব। এনেকৈ ধৰি অনা মানুহবিলাকৰ ভিতৰত ৰঙা 'দাগাম' পিন্ধা লামাসকলেই বেছি থাকে।'

'দাগাম পিন্ধা মানুহৰ কি অপৰাধ?'

'এওঁলোকেই জনসাধাৰণক নেতৃত্ব দিছে। স্বধৰ্ম ৰক্ষাৰ আহ্বান জনালে কোনো তিব্বতীযই ঘৰৰ ভিতৰত সোমাই থাকিব নোখোজে। পৰিণামলৈ নাচাই ওলাই আহে

আলিবাটলৈ। একেলগ হৈ হানৰ বিৰুদ্ধে ধ্বনি দিযে।'

তাদিকে মাজনিশাও শুনিছে দূৰণিৰ পৰা অহা এনে ফুৰুলি ধ্বনি। গুলীৰ শব্দও দুই এবাৰ শুনি সি উঠি বহিছে। নির্য্যাতিত মানুহৰ করুণ আৰ্তনাদ শুনি তাদিকে কাণতো আঙুলি দি শুবলৈ চেষ্টা কৰিছে। জনসাধাৰণৰ ওপৰত চলা এই নির্য্যাতনে তাকো ভবাই তুলিলে যে নিজৰ দেশতেই সি ভালে আছিল। বিচাৰত সি দোষী সাব্যস্ত হলেও এনেদৰে নির্দোশী জনসাধাৰণৰ আৰ্তনাদ নুশুনিলেহেঁতেন।

তাদিকৰ খচমচনিত লেন্‌ডুপৰো টোপনি ভাগে।

টোপনি অহা নাই নেকি তাদিক?'

'নাই অহা। কথাবিলাক ভাবি ভাবি চকুৰ টোপনি নোহোৱা হৈ পৰিছে।

'কি কথা ভাৰ্বিছানো তাদিক?' লেন্‌ডুপে বাগৰ সলায ললে।

তোমালোকৰ দেশৰ কথাবিলাককে ভাবিছোঁ। আৰু ভাবিছোঁ ' (তাদিক অলপ ৰ'ল)

'আৰু কি ভাবিছা?

'মই নিজৰ দেশতে ভালেই আছিলোঁ তাকেই ভাবিছোঁ। এদিন ইহঁতে মোৰ প্রতি একেই ব্যৱহাৰ কৰিব বুলি মোৰ ভয হৈছে লেন্‌ডুপ।'

'হান কমিউনিষ্টে নিজৰ মাক বাপেক ভাই-ভনীকে অব্যাহতি নিদিযে- তুমি কোন?

'ঠিকেই কৈছা লেনডুপ। সময সুযোগ থাকোতেই মই নিজৰ দেশলৈ উভতি যোৱা ঠিক হব তুমি কি ভাবা?

কোনোবা এজন আহিছে শুই থাকা মনে মনে।

পহৰদাৰী সৈনিক এজনে খোলা খিড়িকীখনেৰে বহুত সময় ভিতৰলৈ চাই থাকিল। কাকো লৰচৰ নকৰা দেখি পুনৰ লাহে লাহে আঁতৰি যোৱা তাদিকহতে অনুমান কৰিলে।

'গলগৈ।' তাদিকে ফুচফুচাই ক'লে।

'যাব দিয়া শুই থাকা।'

ৰাতি পুৱাৰ লগে লগে পুনৰ চাইৰেণ বজাই যোৱা গাড়ী এখনৰ পৰা ঘোষণা ভাঁহি আহিল—

'এতিযাৰ পৰা আবেলি পাঁচ বজালৈ সান্ধ্য আইন উঠাই লোৱা হৈছে। জনসাধাৰণে প্ৰযোজনীয় সা-সামগ্ৰী কিনি ল'ব পাৰে। আবেলি পাঁচ বজাৰ পৰা সান্ধ্য আইন পুনৰ বলবৎ কৰা হ'ব।

খাম্পা যুবক লেন্ডুপ, লব্‌চাং, ফেন্‌চু, চেম্পো আৰু ফালাক চৰকাৰ বিৰোধী বুলি ঘোষণা কৰা হৈছে, এই যুৱক পাঁচজন লাচা নগৰীতে আত্মগোপন কৰি আছে। ধৰাই দিওঁতাজনক পুৰস্কৃত কৰা হ'ব আৰু আশ্ৰয় দিযাজনক একেই অপৰাধত অপৰাধী কৰা হ'ব।'

'কি কৈ গ'ল লেন্‌ডুপ?' তাদিকে তিব্বতীয ভাষা অলপ বুজি পায যদিও হানৰ মুখেৰে ওলোৱা মাত অকণো বুজি নাপালে।

'গধূলিলৈকে মানুহ বাহিৰ লৈ ওলাব পাৰিব। পাঁচজন খাম্পাক ধৰাই দিবলৈ কৈছে। সিহঁত হেনো বিদ্ৰোহী। লাচাতে লুকাই আছে।'

'লাচাতো বিদ্ৰোহী মানুহ আছে নেকি? তাদিক আচৰিত হৈ উঠে।

'বিদ্ৰোহী ক'ত নাই। পাহাৰ, পৰ্বত, নগৰ, চহৰ, গাওঁ ভূই সকলোতে সোমাই আছে জানিবা।'

'বাহিৰলৈ ওলাব দিছে যদি পোতালাটো চাব পাৰিম তেনেহ'লে।"পোতালা চোৱাটোৱেই যেন ভ্ৰমণৰ একমাত্ৰ লক্ষ হৈ পৰিল তাদিকৰ বাবে।

'তালৈ তোমাক কোনে লৈ যাব তাদিক?'

'আমাক লৈ অহা হানজনে।' হান শব্দটো এই প্ৰথম তাদিকৰ মুখৰ পৰা ওলাই আহিল। তিববতীয জনসাধাৰণৰ যন্ত্ৰণা দেখি তাদিকো ভিতৰি ভিতৰি হান বিৰোধী হৈ উঠিব ধৰিলে।

'কৈ চাবা বাৰু।'

দুয়ো কথা-পাতি থাকোতেই হান কেডাৰজনক দূৰতে আহি থকা দেখিলে। চুটি চুটি খোজ পেলাই অহা মানুহজনক লাহে লাহে আহিলেও বেগাই অহা যেন দেখি।

'কি বা নতুন আদেশ লৈ আহিছে সেইজনে। ইহঁতৰ কথা বা কামৰ পৰা একোকে অনুমান কৰিব নোৱাৰি। মন খুলি ইহঁতে কেতিয়াও কথা নাপাতে।' ভোৰ ভোৰালে লেন্‌ডুপে।

লেন্‌ডুপহঁতৰ কোঠালীটোলৈ পোনে পোনে আহিযেই হানকেডাৰ জনে যি নির্দেশ শুনালে তাকে শুনি তাদিকৰ মুৰত যেন পোতালাটো হৰ-হৰাই বাগৰি পৰিল।

'দুপৰীযাৰ আগতে আমি লাচা নগৰী এৰি যাম তোমালোকে খাই বৈ সাজু হৈ থাকিবা।'

'কমৰেড পোতালাটো খন্তেক চাই আহিব নোৱাৰিম নেকি?' তাদিকৰ পোতালা চোৱাৰ আগ্রহ দেখি লেনডুপেই উপযাচি সুধিলে।

'কি কৰিবা পোতালা চাই পূজা দিব খুজিছা নেকি?' হান কেডাৰৰ কেটেৰা মাত লেনডুপে সহিব নোৱাৰিলে।

'কমৰেড লাচালৈ অহা প্রতিজন মানুহেই পোতালা চাবলৈ হেঁপাহ কৰে।'

'বাগৰি বাগৰি পৰিক্রমা কৰিবলৈকো হেঁপাহ হৈছে নেকি? আঙুলি টোঁৱাই হান কেডাৰজন লেনডুপৰ নিচেই ওচৰ চাপি আহিল। ভয কৰি লেন্‌ডুপ পিচুৱাই নগ'ল।

'অনুমতি পালে তাকো কৰিব পাৰোঁ।' তাদিকৰ হৈ মাতিব গৈ লেন্‌ডুপৰো জেদ বাঢ়ি গৈ থাকে।

'মুখে মুখে উত্তৰ দিবলৈ সাহস গোটালি কৰ পৰা টু যান?' এইবুলি কৈযে হান কেডাৰজনে লেনডুপৰ গালত প্রচণ্ড চৰ এটা মাৰিলে। হান কেডাৰজনৰ হাতখন লেনডুপেও থাপ মাৰি ধৰিলে।

'পৰাজিত হলেও ইমান হীন বুলি নাভাবি বা কমৰেড'

এনেতে ওচৰ চাপি অহা সৈনিকজনে ৰাইফলটোৰে কুণ্ডাৰে লেনডুপৰ পিঠিত খুন্দিযাই দিলে।

থাকিব দিয়া। ইযাৰ বিচাৰ সময়ত কৰা হ'ব।

সৈনিকজনক বিৰত কৰি হানকেডাৰজন উত্তেজিতভাৱে অহা বাটেৰেই পুনৰ উভতি গ'ল।

পোতালা নাচালো নাই। এনেখন কিয় কৰিলা লেন্‌ডুপ?'

এদিন মৰিবই লাগিব তাদিক। এনেদৰে অপমানিত হৈ কিন্তু নমৰো জানিবা।'

লেন্‌ডুপৰ প্রতি কৰা আচৰণে তাদিকৰো মন ভাঙি পেলালে। এনেদৰে হানৰ পোহনীয়া কুকুৰ মেকুৰী হৈ থকাত কৈ নিজৰ দেশলৈকে উভতি যাব- সিও ভাল বুলি তাদিকেও ভাবিলে।

দুঘণ্টামান পিচত হান কেডাৰজনে গাড়ী এখন লৈ পুনৰ উভতি আহিল। পেটিত ওলোমাই আনিলে মস্ত পিষ্টল এটা।

'গাড়ীত উঠি বহ।' আদেশটো দিলে চিঞৰিযেই। হান কেডাৰজনৰ খঙাল আচৰণ দেখি লেন্‌ড়ুপ অকণো বিচলিত নহ'ল। সকলো পৰিণামৰ সম্মুখীন হ'বলৈ সি যেন নিজৰ মনটোক ইতিমধ্যে প্ৰস্তুত কৰি তুলিলে। লেনড়ুপৰ বাদে বাকীখিনি গাড়ীখনত উঠি বহিল। হান কেডাৰজনে নেদেখাকৈ তাদিকে লেন্‌ড়ুপকো হাতত ধৰি টানি তুলিলে। গাড়ীখন চলিব ধৰিলে। লাচা নৈৰ কাষে কাষে যোৱা বহল আলিটোৱেই তিব্বতৰ দ্বিতীয় বৃহৎ নগৰী 'চিগাজে' হৈ নেপাল সীমান্ত পাইছে। এই আলিৰ কাষতে পৰে গংল্লাৰ বিমান কোঠ।

তীব্ৰ গতিত গৈ থকা সামৰিক যানখন 'চাগপোৰী' টিলাটো পাৰ কৰি যাওতে সম্পূৰ্ণ পোতালাটো তা দিকৰ চকুত পৰিল। শৈশৱৰ কল্পনাৰ কাৰেংটো ইমান কাষতে পাইও চাব নাপালে দেখি তাৰ চকু চলচলীয়া হৈ উঠিল। এই বিশাল আৰু প্ৰাচীন কাৰেংটোৰ বহুতো ৰহস্যময় উপকথা সি শৈশৱৰে পৰা শুনি আহিছিল। এই কাৰেঙত হেনো হাজাৰটা কোঠালী আছে। দহ হাজাৰটা পূজা গৃহত থকা দুই লাখ মূৰ্ত্তিত পূজা অৰ্চনা হয় প্ৰতিদিনে। সি আৰু শুনিছে এই কাৰেঙতে সাত গৰাকী দালাই লামাৰ দেহাৱশেষ নিমখেৰে সংৰক্ষণ কৰি থোৱা আছে। এই সাতটা সমাধি হেনো সোণ ৰূপেৰে প্ৰস্তুত কৰা হৈছিল। পঞ্চম দালাই লামাৰ সমাধি সৌধটো সাজোতে তিনি হাজাৰ সাতশ কেজি সোণ লাগিছিল। মণি মুকুতা কিমান লাগিছিল তাৰ কোনো লেখ নাই। ত্ৰয়োদশ দালাই লামাৰ চৌদ্ধ হাত ওখ সমাধি সৌধটো হেনো শুদ্ধ ৰূপেৰে সজা হৈছে।

চাই চাই গৈ থাকোতে পোতালাটো লাহে লাহে নেদেখা হৈ পৰিব ধৰিলে। 'দৈলংডেকেন' তিনি আলিটো পাই গাড়ীখন বাঁওপিনে ঘূৰোঁতেই পোতালাটো অকস্মাতে নোহোৱা হৈ পৰিল।

'পোতালাটো চাব নাপালো লেন্‌ড়ুপ।'

কোনো উত্তৰ নিদিলে ম্ৰিয়মান লেন্‌ড়ুপে। কিবা এটা ক্ষোভত যেন সি স্তম্ভিত হৈ পৰিছিল।

'লেন্‌ড়ুপ, তুমি বৰ আঘাত পাইছা যেন লাগিছে।'

'একো আঘাত পোৱা নাই। ' পা-লা" ক হেৰুৱালো। আমাই হানৰ তলত ক'ৰবাত দাসত্ব খাতিছে, ভাই-ভনী কেনি গ'ল কোনেও ক'ব নোৱাৰে। ইমান দিনে হানে মোৰ গাত হাত তোলা নাছিল। তাকো কৰিলে হানে। এতিয়া মই মোৰ কাম কৰিম।'

লেন্‌ডুপৰ উত্তৰ শুনি তাদিকৰ মনটো আশংকাৰে উপচি পৰিল। আত্মীয় স্বজনক হেৰুৱাই লেন্‌ডুপৰ মন ভাগি গৈছে কাহানিবাতে। দহবছৰ হানৰ অধীনত থাকিও তাৰ মন সলনি নহ'ল। দেশবাসীৰ নিৰ্য্যাতন দেখি দেখি তাৰো মন চঞ্চল হৈ পৰিছে। সকলোৰে সম্মুখত চৰখোৱা অপমানক সি সহজে পাহৰি পেলাব নোৱাৰি কি বা কৰি পেলায বুলি ভয হ'ল তাদিকৰ ।

'কি কৰিব খুজিছা লেন্‌ডুপ? যিযেই নকৰা কিয হানক আৰু জোকাই নলবা।' বৰ অনুনযৰে কথাকিটা ক'লে তাদিকে।

'কি কৰিম সেইটো মোৰ কথা। এতিয়াৰ পৰা তুমি মোৰ পৰা আঁতৰি থাকিবা তাদিক।

এনেতে চাংপোৰ দল,খন পাৰ কৰি গাড়ীখনে 'গংগ্লোৰ বিমান কোঠ লৈ যোৱা আলিটো এৰি দি গ্যানজে নগৰলৈ পোনাই দিলে।

এই ভ্ৰমন দীঘলীযা হ'ব তাদিক। আমাক ইয়ঁতে গ্যানজেলৈ নি আছে। ভালেই হৈছে।

গ্যানজে কি আৰু ক'ত তাৰ একো উমান নাপায় তাদিকে। তাৰ বাবে সকলো নতুন ঠাই। কিন্তু লেনডুপে 'ভালেই হৈছে বুলি কোৱা কথাষাৰিৰহে কোনো অৰ্থ বিচাৰি নাপালে তাদিকে।

আৰু দুঘন্টামান যোৱাৰ অন্তত গ্যানজে দুৰ্গৰ কাষ চাপি গ'ল গাড়ীখন। আলিটোৰ দুযোকাষে থকা কৃষি পথাৰখনৰ বিশালতা দেখি তাদিক আচৰিত হ'ল। পথাৰত কাম কৰি থকা তিব্বতীযসকলে ধূলি উৰুৱাই গৈ থকা গাড়ীখনৰ পিনে মুৰ তুলিও নাচালে।

গ্যান্‌জে হ'ল তিব্বত দেশৰ চতুৰ্থ বৃহৎ নগৰী, দহ হাজাৰ মানুহৰ বাসস্থান। সামৰিক দিশত দক্ষিণ তিব্বতৰ অতি মহত্বপূৰ্ণ ঠাই। তাৰোপৰি ভাৰত সীমান্তৰ নেপাল, চিকি ম আৰু ভূটান দেশলৈ যোৱা পথটো গ্যান্‌জেৰ মাজেৰেই পাৰ হৈ গৈছে।

এটা সময়ত গ্যানজেত এখন ডাঙৰ উলৰ বজাৰ আছিল। এই ব লৈ প্ৰচুৰ পৰিমানে উল ৰপ্তানী হৈছিল। তিব্বতীয় কাৰ্পেটৰ বাবে গ্যাত আছিল। এতিয়া সেইবিলাক অতীতৰ কথা হৈ পৰিছে। হানে তি কৰি লোৱাৰ সময়তে শ শ তিব্বতীয় ই গ্যানজে এৰি গুচি গৈছিল ভাৰতলৈ।

হানসকলে অহাৰ আগলৈকে গ্যান্জে চহৰখন, বজাৰ আৰু কৃষিপথাৰ আদি গ্যান্জে মঠৰেই অধীন আছিল। খাজনা জমা হৈছিল এই মঠতেই। মঠ নিবাসী ভিক্ষুৰ সংখ্যা আছিল তিনি হাজাৰজন এতিয়া এই সকলো ব্যৱস্থাৰ অন্ত পৰিছে। গ্যান্জে মঠ এতিয়া এটা ভগ্নস্তূপ মাত্ৰ।

গ্যানজে দুৰ্গটো ছশ বছৰ পুৰণি। এটা ছশফুট ওখ শিলাময় টিলাৰ ওপৰত অৱস্থিত এই প্ৰাচীন দুৰ্গটো তিব্বত দেশৰ ভিতৰতে শক্তিশালী দুৰ্গ বা 'জং আছিল। শত্ৰুৱে অৱৰোধ কৰিলেও পানীৰ অভাৱ নহ'বলৈ দুৰ্গৰ ভিতৰেতে কুঁৱা সাজি লোৱা গৈছিল। ভাৰতৰ ইংৰাজ চৰকাৰে ১৯০৪ চনতে তিব্বতলৈ পঠোৱা সামৰিক অভিযানত এই গ্যান্জে দুৰ্গটোৱেই আছিল মূল অন্তৰায়।

নিশা ভ্ৰমণকাৰী দলটোক সৈনিক শিবিৰতে ৰখা হ'ল। গণমুক্তি ফৌজৰ এই শিবিৰবিলাকত থকা খোৱাৰ সকলো ব্যৱস্থা থাকে। আন ঠাইত থাকিবলৈ ঠাই নাপালে যি কোনো আলহী মানুহকে শিবিৰত থাকিব দিয়া হয়। থকা খোৱাৰ খৰচ দিলেই হ'ল।

'তোমালোকে দুদিন ইয়াতে থাকিব লাগিব। মই নাহো আন এজনে তোমালোকক গ্যানজে দেখুৱাব।'

তাদিকে ভাবিলে ৰক্ষা পৰিলো। এইজন থকা হ'লে লেন্ডুপৰ লগত আৰু বা কিমান খকাখুণ্ডা লাগিলহেঁতেন। আনহাতে লেন্ডুপে কিন্তু কথাটো বৰ সহজভাৱে ল'ব নোৱাৰিলে। হানকেডাৰজনে যাবৰ সময়ত যেনেদৰে তালৈ চাই গ'ল সেই দৃষ্টিত বহুতো অৰ্থ লুকাই থকা দেখিলে লেন্ডুপে।

'ভালেই হ'ল গ'ল। বৰ বেছি কমিউনিষ্ট দেখুৱায়। পোতালাটোকে চাব নিদিলে।'

'হানৰ চালচলন সহজে নুবুজিবা তাদিকে। আৰু বা কি পাং পতিছে সিয়েই জানে।'

পিচদিনা ভ্ৰমণকাৰী দলটোক গ্যান্‌জে চহৰ দেখুৱাবলৈ লৈ গ'ল সৈনিক বিষয়া এজনে। সৈনিক হলেও বৰ অমায়িক মানুহ যেন লাগিছে তাদিকৰ।

'এইটো নতুন কাৰ্পেট ফেক্টৰী চাই লোৱা। কাৰিকৰী বিদ্যা থকা আগৰ সকলো মানুহ আমি অহাৰ আগতে গ্যান্‌জে এৰি গুচি গৈছে। এতিয়া এই শিল্পকেন্দ্ৰত কাম কৰা মতা -তিৰোতা সকলো তিববতীয় লোক। কিমান আনন্দ আৰু মুকলি মনেৰে কাম কৰিছে চাই লোৱা। এই নতুন শিল্পৰ সকলো লাভাংশ ইযাৰ কৰ্মীসকলেই পায়।"

'তাদিকহঁতে দেখিলে কথাটো মিছা নহয়। শ শ তিব্বতীয় পুৰুষ তিৰোতাই হাঁহি ধেমালি কৰিযেই বিভিন্ন বিভাগত কাম কৰি আছে। কম্বল, কাৰ্পেট, নাম্বু আৰু বিভিন্ন ৰঙৰ উল প্ৰস্তুত হৈছে অবিৰামভাৱে। কাম কৰি থকা তিৰোতা এজনীক সৈনিক বিষযাজনে ওচৰলৈ মাতি পঠালে। আহো নাহোঁকৈ আহিলো ওচৰ চাপি। সেইটো অনিচ্ছা নে অনীহা বুজা নগ'ল।

'কি নাম তোমাৰ?'

'ডলমা।'

'ঘৰ ক'ত?' আকৌ সুধিলে বিষযাজনে।

'আগতে লাচাত আছিলোঁ —এতিয়া ইযাত।' 'দুবছৰ হৈছে।

আদবযসীযা মানুহজনীৰ উত্তৰবিলাকত যেন বাধ্যবাধকতাৰ অপ্ৰকাশ ভাব লুকাই আছিল।

'কাম কৰি কেনে লাগিছে?' মনোমত উত্তৰ আশা কৰিযেই প্ৰশ্ন কৰিলে বিষযাজনে।

'কাম নকৰিলে কোনে বহাই খুৱাব? আমাৰ বাবে কামৰ একো ভাল- বেযা নাই নহয। হিচাপ মতে কাম কৰিব লাগে সেইমতে পাৰিশ্ৰমিক পাওঁ আৰু তাৰেই সকলো চাহিদা জোৰা মাৰিব লাগে।'

'হব হ'ব কাম কৰাগৈ যোৱা।' মহিলা কৰ্মীজনীৰ উত্তৰবিলাক বৰ মনঃপুত নহ'ল কাৰণে বিষযাজনে ভ্ৰমণকাৰী দলটোক লৈ গ'ল গ্যান্‌জেৰ বিখ্যাত পাংগো নামৰ 'খৰটেনটো' দেখুৱাবলৈ। খৰটেন হ'ল একপ্ৰকাৰ ধৰ্মীয় গৃহ। সম্ৰাট অশোকৰ যুগত ভাৰতবৰ্ষত বৌদ্ধ ধৰ্মৰ যিবিলাক 'স্তুপ' সজা হৈছিল তাৰেই অনুকৰণত তিব্বতত খৰটেবিলাকো সজা হৈছিল। প্ৰায ছশ বছৰ আগতে সজা এই ন মহলীয়া বিশাল

শ্বৰটেনটোত এক লাখ বিগ্ৰহ আছে। সত্তৰটা প্ৰাৰ্থনা কক্ষৰ এই সু-উচ্চ শ্বৰটেনটোৰ ওপৰ মহলালৈকে যাবলৈ হলে বহুতো খটখটি অকাই পকাই উঠি যাব লাগে। এই স্বৰটেনৰ অভ্যন্তৰখন বিভিন্ন ধৰ্মীয় চিত্ৰকলাৰে পৰিপূৰ্ণ। শ শ বছৰ পুৰণি এই চিত্ৰাংকন-সমূহ কোনে কেতিয়া আকিছিল তাৰ ইতিহাস পাবলৈ নাই। শিল্পীযে সুনিপুন হাতেৰে আঁকি থৈ যোৱা এই ধৰ্মীয় চিত্ৰসমূহৰ সৰহ ভাগেই অলৌকিক চিত্ৰ কাহিনী। কু-কৰ্ম আৰু সু-কৰ্মৰ ফলাফল এই চিত্ৰসমূহৰ সহাযতে বুজাবৰ চেষ্টা কৰা হৈছে। ভযানক আকৃতিৰ এই প্ৰেত- প্ৰেতাত্মাৰ চিত্ৰসমূহ ইমান জীৱন্ত যেন লাগে যে দুৰ্বল মনৰ দৰ্শনাৰ্থীযে চকু মুদি দিবলৈ বাধা হৈ পৰে। ৰঙেৰে মাযাজাল সৃষ্টি কৰা এই চিত্ৰসমূহৰ অজ্ঞাত মহান শিল্পী সক লে নগ্নতাৰ মাজতো ফুটাই থৈ গৈছে তান্ত্ৰিক সাধনাৰ কঠিন পথ ।

আমাৰ মহান দেশখনত বহুতো সংখ্যালঘু জনগোষ্ঠী আছে। এই ক্ষুদ্ৰ জনগোষ্ঠীসমূহৰ সংস্কৃতিক সংৰক্ষণ কৰাত পিকিং চৰকাৰে যথেষ্ট গুৰুত্ব দি আহিছে। তিববতীযসকলো এই সংখ্যালঘু জনগোষ্ঠীসমূহৰ ভিতৰতে পৰিছে। এই শ্বৰটেনটো তিববতীয সকলৰ বাবে এটা আপুৰুগীযা সম্পদ বুলি আমি বিবেচনা কৰিছোঁ। ইযাৰ ভিতৰত যিবিলাক চিত্ৰাংকন আছে সেইবিলাক অতি উৎকৃষ্ট মানৰ চিত্ৰকলা বুলি বিবেচনা কৰা হৈছে। এইবিলাক হ'ল এটা জনগোষ্ঠীৰ জীৱনকাহিনী প্ৰতিফলিত হোৱা চিত্ৰ। এই চিত্ৰসমূহে মানুহক সংশোধন কৰে-অপকৰ্মৰ পৰা আতৰাই ৰাখে। কিন্তু ধৰ্মৰ নামত এক শ্ৰেণীৰ মধ্যভোগযে যে আনৰ শ্ৰমৰ ফলাফল লুটিপুটি খায সেইটোকে জনস্বাৰ্থ বিৰোধী বুলি আমি ধৰি লৈছোঁ।'

ইমানকে বুজাই সামৰিক বিষয়াজনে ভ্ৰমণকাৰী দলটোক লৈ গ'ল গ্যান্‌জেৰ প্ৰসিদ্ধ দুৰ্গটোলৈ। লৈ যাওঁতে পুৰণি গ্যান্‌জে চহৰখনৰ কাষেৰেই গ'ল যদিও এই বিধ্বস্ত চহৰখনৰ বিষযে এটা কথাও নক'লে। আনকি এই বিধস্ত চহৰখনৰ মাজ মজিয়াত ধ্বংসস্তুপ হৈ পৰি থকা গ্যান্‌জেৰ প্ৰসিদ্ধ মঠটোৰ কথাকো নুলিযালে।

'এইটোৱেই গ্যান্‌জেৰ প্ৰাচীন দুৰ্গ। কোনো কোনোৱে কয় এইটো হেনো এচিযা মহাদেশৰ ভিতৰতে শক্তিশালী দুৰ্গ। ইংৰাজ সাম্ৰাজ্যবাদীসকলে তিববত আক্ৰমণ কৰিবলৈ আহোতে এই দুৰ্গৰ চাৰিও পিনে এখন দীঘলীয়া ৰণ হৈছিল। কেইবাসপ্তাহো অবৰোধ কৰাৰ পিচতহে এই দুৰ্গটো দখল কৰিবলৈ সক্ষম হৈছিল। তিববতবাসীৰ এই

পৰাজয়ৰ মূল কাৰণ আছিল ধৰ্ম। আফিং খাই শুই থকা মানুহৰ নিচিনাকৈ দিনে-ৰাতিয়ে মন্ত্ৰ জপি থকা জাতি এটাই জানো যুদ্ধ কৰিব পাৰে তোমালোকেই ভাবি চোৱাচোন। দালাই লামাৰ নিচিনা পৰশ্ৰমভোগী প্ৰবঞ্চক সকলেই ধৰ্মক আফিঙৰ নিচিনাকৈ মানুহৰ তেজত সুমুৱাই দি আজীৱন সুখত বহি খাব বিচাৰে। মন্ত্ৰই যদি মানুহৰ সমস্যা সমাধান কৰি দিব পাৰে তেনেহলে দালাই লামাই মন্ত্ৰ আওৰাই ইংৰাজ সাম্ৰাজ্যবাদীসকলক খেদি পঠাব পৰা নাছিল কিয় ক'ব পাৰিবানে তোমালোকে?'

পাৰিম। এই অপ্ৰত্যাশিত উত্তৰত ভ্ৰমণকাৰী দলটোৱে লেন্‌ডুপৰ পিনে চাওতে বিষয়াজনৰ দৃষ্টিত লেন্‌ডুপৰ ওপৰত আবদ্ধ হৈ পৰিল। এই অভাৱনীয় প্ৰত্যাহ্বানে হান কমিউনিষ্ট বিষয়াজনৰ একনায়কত্ববাদী দম্ভত যেন বেয়াকৈ আঘাত কৰিলে।

'কি উত্তৰ দিব পাৰিবা তুমি ?' বিষয়াজনৰ এই প্ৰশ্নটোত কোনো ক্ষোভ ফুটি নোলাল যদিও খঙত চকু দুটা সৰু হৈ পৰিল।

তিব্বতীয়সকল এটা অহিংসাপৰায়ণ ক্ষুদ্ৰ জাতি। ইংৰাজৰ সামৰিক শক্তিৰ তুলনাত তেনেই নগণ্য আছিল।

তেনেহলে হাতত ৰাইফল লৈ আমাৰ বিৰুদ্ধে যুদ্ধ কৰিছে কোনে এতিয়া?'

সেইটো বেলেগ কথা কমৰেড। প্ৰতিটো প্ৰশ্নৰ উত্তৰ দি যাওতে লেন্‌ডুপৰ ভাব ভংগীত কোনো দুৰ্বলতা প্ৰকাশ নাপালে।

ইংৰাজ সাম্ৰাজ্যবাদীৰ তুলনাত আমি বেলেগ নেকি?' ঠিক আছে বাৰু তোমাৰ লগত তেনেহলে পিচত কথা পাতিব লাগিব। এই বুলি কৈ ভ্ৰমণকাৰী দলটোক সামৰিক শিবিৰলৈ ওভতাই লৈ আহিল।

এনে কাম আকৌ কিয় কৰিলা লেন্‌ডুপ?'

'কিনো বেয়াটো কৰিলো বুলি ভাবিছা? লেন্‌ডুপৰ এই আকোঁৰগোজা মনোভাবক তাদিকে বৰ ভাল নাপালে। কিবা এটা অপ্ৰিয় সম্ভাৱনাই তাদিকক চিন্তিত কৰি তুলিলে।

অলপ সময়ৰ পিচতেই দুজন সশস্ত্ৰ সৈনিক আহি লেন্‌ডুপক লৈ গ'ল সামৰিক কাৰ্য্যালয়টোলৈ। দুঘন্টা পিচত যেতিয়া সি উভতি আহিল তেতিয়া তাক আগতকৈ অধিক গহীন যেন লাগিল তাদিকৰ। সুধিবলৈ মন নাছিল যদিও মনৰ খু-দুৱনিক দমাই ৰাখিব নোৱাৰি তাদিকে সুধিযেই পেলালে।

'কিয় মাতি নিছিল লেন্‌ড্রুপ?

'মগজু ঘোলা কৰিবলৈ। সিহঁতে যি কয় তাকেই সঁচা বুলি মানি লব লাগিব সেই শিক্ষা দিবলৈ।' ইয়াতকৈ বেছি কথা নক'লে লেন্‌ড্রুপে। তাদিকৰো সুধিবৰ মন নগ'ল।

নিশা শুবৰ সময়ত লেন্‌ড্রুপে যি ক'লে তাকে শুনি তাদিকৰ মাতবোল হেৰাল।

'কাইলৈ আমাক চিগাজেলৈ নিব। চিগাজেত মই তোমাৰ লগ এৰিম তাদিক।'

'তোমাক ক'ৰবালৈ লৈ যাব নেকি? লেন্‌ড্রুপে লগ এৰিব খোজা কথাটোৱে তাদিকৰো মন ভাঙি পেলাব খুজিলে। তিব্বতীয় হলেও লেন্‌ড্রুপক সি নিজৰ সৰু ভায়েকৰ নিচিনা ভাবি লৈছিল। বৰ মৰম লাগিছিল তাৰ কথা- বতৰা, চাল-চলন বিলাক ।

সিহতে নিনিয়ে। মই নিজেই উভতি যাম লেন্‌ড্রুপৰ লাগবান্ধ হীন উত্তৰ বিলাকৰ কোনো অৰ্থ বিচাৰি নাপালে তাদিকে।

'ক'লৈ উভতি যাবা?

'মোৰ নিজৰ ঠাইলৈ। যি ঠাইত হাতে মোক আৰু গচকিবলৈ নাপাব।

'ক'ত আছে সেইখন ঠাই?

'এতিয়া নকওঁ। চিগাজে গৈ পোৱাৰ পিচত ক'ম বাৰু।'

মাজনিশা লেন্‌ড্রুপৰ কেঁকনি শুনি তাদিকৰ টোপনি ভাগিল। টোপনিতে লেন্‌ড্রুপে কেঁকোৱা শুনি তাদিকৰ মনে নসহিলে। লেন্‌ড্রুপ-লেনড্রুপ বুলি গা পিহি দিলে।

'কি হৈছে তোমাৰ কেঁকাইছা কিয় লেন্‌ড্রুপ?'

'একো হোৱা নাই বুকুখন অলপ বিষাইছে মাত্ৰ। পুৱালৈ ঠিক হৈ যাব।

তাদিকে তেতিয়াহে বুজি পালে যে সামৰিক কাৰ্য্যালয়টোলৈ নি লেন্‌ড্রুপৰ ওপৰত শাৰীৰিক নিৰ্য্যাতন চলোৱা হৈছিল। নিৰ্বাক সহানুভূতি জনোৱা বাদে তাদিকৰ কৰিবলগীয়া আন একো নাছিল। সান্ত্বনা অলপ মৰমৰ মাত দিয়া বাদে তাৰ ওচৰত আন একো নাছিল। ভ্ৰমণকাৰী দলটোৰ বাকী সদস্যসকলে কোনো গুৰুত্ব নিদিলে এই নিৰ্য্যাতন কাৰ্য্যক। আৰম্ভণীৰ পৰাই সম্পূৰ্ণ নিস্ক্ৰিয় মনোভাব লৈ থকা এই সদস্যসকলৰ মনত কোনো কথাতে প্ৰতিক্ৰিয়া দেখা নাছিল তাদিকে।

পিচদিনা সেই একেজন সামৰিক বিষয়াই ভ্ৰমণকাৰী দলটোক লৈ চিগাজেলৈ বুলি যাত্ৰা কৰিলে। ন্যাংচু নৈ পাৰ হৈয়ে আলিটো দুভাগ হৈছে। এটা গৈছে চিকিম সীমান্তৰ যাডঙলৈ আৰু আনটো গৈছে চিগাজে হৈ নেপালৰ কাঠমাণ্ডুলৈ। চিগাজেলৈ যোৱা বাটেৰে কিছুদূৰ গৈযে গাড়ীখন ৰখোৱা হল এটা সৈনিক পৰীক্ষা চকীত। ভ্ৰমণকাৰী দলটোকো নমোৱা হ'ল এই পৰীক্ষা চকীতে। তাৰ পৰা খোজকঢাই লৈ গ'ল দুই কিলোমিটাৰ পথ। তাৰ পিচতে ভ্ৰমণকাৰী দলটোৱে দেখিলে কাঁটা তঁাৰৰ ওখ বেৰাৰে আগুৰা এটা আহল বহল শিবিৰ। অৰ্দ্ধ উলংগ শ শ মানুহক সেই শিবিৰত আবদ্ধ কৰি ৰখা দেখিলে তাদিকইঁতে।

'ইহঁত সকলো বিপ্লৱ বিৰোধী মানুহ। মানসিক সংশোধনৰ কাৰণে এই শ্ৰম শিবিৰতে ৰখা হৈছে। শ্ৰমক যিসকলে মৰ্য্যাদা দিব নাজান, আনৰ ওপৰত বহি খাব বিচাৰে সেইবিলাক মানুহকে ইযাত ৰখা হৈছে। ইহঁতৰ মানসিক সংশোধন কেৱল শ্ৰমৰ মাধ্যমেৰেহে আহিব লাগিব। অভাব অনাটন কি ইহঁতে বুজিব পৰা হ'লে আৰু শ্ৰমৰ মৰ্যদা দিব পৰা হ'লেই ইহঁতে মুক্তি পাব, তাৰ আগতে নহয।' বুজাই দিলে সামৰিক বিষযাজনে।

দূৰৰ পৰা দেখিলে যাদিও মানুহবিলাকৰ গাত যে অকল হাড়- ছালহে অৱশিষ্ট আছেগৈ সেই কথা বুজিবলৈ তাদিকইঁতৰ বেছি সময়ৰ প্ৰযোজন নহ'ল। শাৰীৰিকভাৱে অক্ষম হৈ পৰা বহুতকে মাটিত শুই থকা দেখিলে ভ্ৰমণকাৰী দলটোৱে।

পুৰণি বিশ্বাস এৰিব নোৱাৰা প্ৰতিজন মানুহকে এনে শিবিৰবিলাকত ৰখা হয। অপৰিৱৰ্তিত মানুহখিনিক আঁতৰাই পেলাব পাৰিলেই সুস্থিৰতা উভতি আহে আৰু সকলো সামাজিক বিশৃংখলতাৰ তেতিযাই অন্ত পৰে জানিবা।

তোমালোকেও জানি থোৱা ভাল যে তিব্বতৰ সংস্কাৰৰ বিৰোধিতা কৰা প্ৰতিজন প্ৰতিক্ৰিযাশীল মানুহকে এনে শিবিৰলৈ অনা হ'ব। বুজিলানে লেনডুপে?'

গভীৰ উদ্দেশ্য প্ৰণোদিতভাৱে কৰা প্ৰশ্নটোৰ কোনো উত্তৰ নিদিলে লেনডুপে। আগদিনাৰ নিৰ্য্যাতনৰ ক্ষোভ ইমান সোনকালে সি পাহৰি যোৱা নাছিল ।

'ভ্ৰমণকাৰী দলটোৰ ভিতৰত তুমিয়েই একমাত্ৰ প্ৰশিক্ষন প্ৰাপ্ত সদস্য। তিববতীয় সকলৰ মানসিক সংশোধন কেনেদৰে আহিব সেই কথা তুমিয়েই বুজাই কোৱাচোন।

এইবাৰ লেনডুপে মনে মনে থাকিব নোৱাৰিলে। জাপি দিয়া প্ৰত্যাহ্বানত বিমূঢ় হৈ সি লগে লগেই উত্তৰ দিলে।

'শাস্তিয়ে সংশোধন কেতিয়াও আনিব নোৱাৰে বুলিয়েই মই ভাবো। সংশোধন আহিব যুক্তি আৰু সত্যৰ মাজেৰেই।'

এই শ শ বন্দীয়ে চৰকাৰৰ বিৰোধিতা কৰিবলৈ কি যুক্তি আৰু সত্য বিচাৰি পাইছে ক'ব পাৰিবানে? সামৰিক বিষয়াজনৰ মাত উগ্ৰ হৈ উঠিব খোজে। নিৰ্য্যাতনৰ পিচতো লেনডুপৰ অদমনীয় মনোভাব বিষয়াজনৰ বাবে অসহনীয় হৈ পৰে।

'সিহঁতৰ কথা মই কেনেদৰে কম?

'তুমি ক'ব পাৰিবা, কাৰণ সিহঁতৰ ভাষাতেই তুমি কথা ক'ব বিচাৰিছা। ঠিক আছে, এই বিষয়ে চিগাজেত গৈ আমি কথা পাতিম বাৰু।'

তাদিকে অলপ আঁতৰত থিয় দিয়েই কথাবিলাক শুনি আছিল। লেন্‌ডুপৰ ক্ৰমাগত বিৰোধী আচৰণত সি বৰ নিৰাশ হৈ পৰিল। ল'ৰাটো হঠাতে কিয় ইমান সলনি হৈ পৰিল তাদিকে বুজিব নোৱাৰিলে। চিগাজে গৈ পালে লেনডুপৰ ভাগ্যতে বা কি ঘটে সেই চিন্তাত তাদিক অস্থিৰ হৈ উঠিল। দেশক সি অন্তৰৰপৰা ভাল পায় তাদিকে জানিছে। সেই বুলি শক্তিশালী হানৰ বিৰুদ্ধে অকলে এনেদৰে ফেপেৰি পাতি থিয় দিয়াটো যে বৰ ভালকাম হোৱা নাই সেই কথা চিগাজে পালেই সি লেনডুপক বুজাব বুলি মনতে ভাবি থলে।

সংশোধন শিবিৰটোৰ পৰা ভ্ৰমণকাৰী দলটোক গাড়ীখনলৈ ওভতাই অনাৰ পিচত গাড়ী পুনৰ চলিব ধৰিলে চিগাজেৰ পথত। এঘন্টামান যোৱাৰ পিচত গাড়ীখন হঠাতে বাট এৰি অবাটে যাবলৈ ধৰিলে। একা-বেকা হাবিতলীয়া বাটেৰে কিছুদূৰ যোৱাৰ পিচতে সামৰিক পৰীক্ষা চকী টোৰ মুখতে গাড়ীখনক ৰখোৱা হ'ল। কেইবাজনো সশস্ত্ৰ সৈনিক ৰাইফল টোঁৱাই আগুৱাই আহিল। বিষয়াজনে গাড়ীৰ পৰা নামি কাগজ-পত্ৰ দেখুওৱা সত্বেও গাড়ীখন ৰখাই থোৱা হ'ল। এজন সৈনিকে বিষয়াজনক লৈ গ'ল পৰীক্ষা চকীটোৰ ভিতৰলৈ। বাকী কিজনে তন্ন তন্নকৈ গাড়ীখন আৰু আৰোহীবিলাকক পৰীক্ষা কৰিব ধৰিলে। অলপ পিচতেই বিষয়াজন উভতি আহিল। লেন্‌ডুপ বাদে বাকীকিজনক নামিব কলে। সৈনিকৰ পহৰাত লেন্‌ডুপক এৰি থৈ তাদিকহঁতক লৈ গ'ল পৰীক্ষা চকীৰ ভিতৰলৈ। কিছুমান চাপৰ চাপৰ টিলাৰ মাজেৰে প্ৰায় দুই কিলোমিটাৰ

মান দূৰত্ব যোবাৰ পিচতেই পুনৰ দেখিলে আন এটা সামৰিক পৰীক্ষা চকী। তাতো কাগজপত্ৰ চালে আৰু ভ্ৰমণকাৰী কিজনৰ শাৰীৰিক তালাচী ল'লে। সেই পৰীক্ষা চকীৰে অনতি দূৰতে আছে মিচাইল ফাযাৰিং 'চিলো' এটা। ভাৰত সীমান্তৰ পিনে টোৱাই থোৱা এই মধ্যম দূৰত্বৰ মিচাইলকিটালৈ চাই তাদিকে একো নুবুজিলে।

'এইটো হ'ল এটা উৰি যোৱা ডাঙৰ বোমা। তিববতবাসীক শত্ৰুৰ আক্ৰমণৰ পৰা ৰক্ষা কৰি ৰাখিবলৈ এইবিলাক আধুনিক অস্ত্ৰ সাজু কৰি থোৱা হৈছে। এইবিলাক বোমা আজিকালি আমাৰ দেশতেই প্ৰস্তুত কৰা হয। দালাই লামাৰ ভূত খেদা মন্ত্ৰতকৈ এইবিলাক বহুত শক্তিশালী। পোতালা আৰু লাচা নগৰীক ধূলি কৰি পেলাবলৈ এনেকুৱা এটা বোমাই যথেষ্ট।

এতিযা বুজিলানে তিববতবাসী আজি কিমান নিৰাপদ? ইয়াৰ পিচতো যদি এমুঠিমূৰ্খ মানুহে হাতত পুৰণি ৰাইফল লৈ আমাৰ বিৰুদ্ধে যুদ্ধ কৰিব বিচাৰে তেনেহলে তাৰ পৰিণাম কি হ'ব পাৰে তোমালোকেই ভাবি চোৱা।'

মিচাইলবেচটো দেখুৱাৰ পিচত গাডীখন চিগাজে অভিমুখে চলিব ধৰিলে। লেনডুপক আমন জিমনকৈ অকলশৰে বহি যোৱা দেখি তাদিক কাষ চাপি আহিল।

'কি ভাবিছা লেন্‌ডুপ?

একো ভবা নাই।' লেন্‌ডুপে হাঁহিযেই উত্তৰ দিলে যদিও উদাসতাভৰা সেই হাঁহিত আন উত্তৰহে লুকাই থকাতো অনুমান কৰিলে তাদিকে।

'আমাক উৰি যোৱা বোমাটো দেখুৱালে। বৰ ডাঙৰ বোমা আকাশলৈ মুখ কৰি পাতি থোৱা আছে। সেই এটা বোমাৰে হেনো লাচা চহৰখন ধ্বংস কৰিব পাৰে।'

'হানে ভাল কথা চিন্তা কৰিব নাজানে। কাক কাটো, কাক মাৰো এই বিলাকেই ইহঁতৰ কথা। উদাম ভাবেই উত্তৰ দিলে লেন্‌ডুপে।

'আৰু ক'লে পুৰণা বন্দুকলৈ বিদ্ৰোহীসকলে সিহঁতৰ লগত কেনেকৈ যুদ্ধ কৰিব পাৰিব বুলি।'

'যুদ্ধ কৰিবলৈ সৰু বন্দুকবিলাকেই ভাল তাদিক। উৰি যোৱা এটা ডাঙৰ বোমাতকৈ শ শ সৰু বন্দুকৰেই প্ৰয়োজন বেছি। ইহঁতৰ কমিউনিষ্ট ধৰ্মৰ ভগবান মাও-জে-ডঙেও কৈছে যে অস্ত্ৰই যুদ্ধ জয় নকৰে। যুদ্ধ জয় কৰে সেই অস্ত্ৰৰ পিচপিনে থকা মানুহজনেই। বিদ্ৰোহীবিলাকৰ বন্দুকবিলাক পুৰণি হ'লেও মনবিলাক কিন্তু একেবাৰেই

নতুন।'

সিহঁত দুযো কথাপাতি গৈ থাকোতেই বহু নিলগত থকা টাচিলনপু মঠৰ প্ৰধান মন্দিৰৰ চু ডাটো ৰিণিকি ৰিণিকি চকুত পৰিল।

'আমি চিগাজে পালোৱেই তাদিক। এই চিগাজেতেই মই তোমাৰ পৰা চিৰদিনৰ বাবে এৰাএৰি হ'ম। আজি নিশাতেই মই তোমাৰ লগ এৰি গুচি যাম।'

লেন্‌ডুপক উদাস দেখিলে যদিও সেই উদাসতাৰ মাজতো কিবা এটা দৃঢ়তা চকুত পৰিল তাদিকৰ।

'আকৌ কৈছা গুচি যাবা বুলি। কলৈ যাবানো?

'সৌ হিমালয পৰ্বতলৈ। চিগাজেৰ চাৰিওপিনে থকা পবৰ্বতবিলাকত বহুতো বিদ্ৰোহীৰ ঘাটি আছে। মই তাৰেই মানুহ তালৈকে গুচি যাম।

কিয় গুছি যাব ওলাইছা? তুমি গুছি গলে যে মই বৰ অকলশৰীয়া হৈ পৰিম।'

তাদিকে নিজকে বৰ নিঃসহায অনুভৱ কৰিলে। দেশ এৰি পলাই অহা তাদিকে এইজন তিব্বতীয ল'ৰাকেই বৰ আপোন বুলি ধৰি লৈছিল। কিবা এটা নিৰ্ভৰশীলতাও বিচাৰি পাইছিল লেন্‌ডুপৰ আবস্মিব সান্নিধ্যত।

'ইহঁতে মোৰ পিচ লাগিছে। পমি লৈ মোক আৰু হানে উভতি যাব নিদিব। চিগাজেতেই ইহঁতে মোক নোহোৱা কৰি পেলাব কিজানি। এনেদৰে মই নোহোৱা হৈ যাব নোৱাৰো তাদিক। হানে মোৰ গাত হাত দিযাৰ আগতেই মই পিচলি সৰকি যাম চাবা।

তাৰমানে তুমি পলাই যাব খুজিছা?' লেন্‌ডুপৰ কথাত তাদিক অতিমাত্ৰাই উদ্বিগ্ন হৈ পৰে। লেন্‌ডুপ পলাই গলে তাদিকহঁতকো হানসৈনিকে সুদাই নেৰিব বুলি তাদিকৰ ভয লাগিল।

'তুমি জেদ এৰি দি সিহঁতৰ লগত ভাল নোহোৱা কিয?'

'জাতি হত্যাকাৰী হানৰ লগত মই কেতিয়াও ভাল হ'ব নোৱাৰিম তাদিক। ইহঁতে মোৰ 'পা-লা'ক নোহোৱা কৰিলে। ভাই-ভনীকো কি কৰিলে নাজানিলো। "আম'ক" কৃতদাসীনি কৰিলে লেন্‌ডুপ উচুপি উঠিল। লেন্‌ডুপক এযে প্ৰথম কন্দা দেখিলে তাদিকে।

এনেতে গাড়ীখন টাৰ্চিলন্‌পো মঠৰ নামনিত নতুনকৈ সজা হানসকলৰ বিশাল

আবাসিক অঞ্চলত সোমাই পৰিল। এই চিগাজে তিববত দেশৰ দ্বিতীয় বৃহৎ নগৰ। ছল্লিছ হাজাৰ মানুহৰ বাসস্থান। নেপাল সীমান্তৰ দূৰত্ব মাত্ৰ সাতশ কিলোমিটাৰ। চীনাসকলৰ বাবে চিগাজে বৰ গুৰুত্বপূৰ্ণ ঠাই। এই চহৰৰ পৰাই নেপালৰ ৰাজধানী কাঠমাণ্ডুলৈ যিটো আহল-বহল নতুন মটৰ আলি গণমুক্তি ফৌজে সাজি উলিযাইছে সেই পথটোৱেই বিখ্যাত "ফ্ৰেণ্ডশ্বিপ হাইওৱে" বা বন্ধুত্বৰ ৰাজআলি। চিগাজেঁ চহৰত তিব্বতীযসকলৰ আবাসীক অঞ্চলটো টাচিলন্‌পো মঠৰ মূল প্ৰবেশ পথৰ ওচৰে - পাজৰেই আছে। উপত্যকাটোৰ বাকী অঞ্চলতো হান-সকলেই থাকে। চিগাজেৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ মাজত গঢ়ি তোলা এই বিস্তীৰ্ণ চিমেন্ট কংক্ৰিটৰ আবাসিক অঞ্চলটো দেখিলেই বৰ দৃষ্টিকটু লাগে। আধুনিকতা আৰু ঐতিহ্যৰ ব্যৱধান বুজাবলৈ চিগাজেই হ'ব এক সুন্দৰ উপমা। মূল আলিটোৰ উত্তৰে আছে ৰঙা বগা ৰং দিয়া তিব্বতীয়সকলৰ সৰু সৰু ঘৰ। সেই ঘৰবিলাকৰ পৰা কিছু উচ্চতাত আছে টাচিলপো মঠ। মঠ নহয় - মঠ নগৰীহে। এটা সময়ত শ শ আবাসিক গৃহৰে ভৰপূৰ আছিল টাচিলন্‌পো মঠৰ বিশাল চৌহদ। পাঞ্চেন লামাৰ মঠ থকা চহৰ বুলি চিগাজেৰ মৰ্য্যাদাও আছিল লাচাৰ পিছত। প্ৰতিদিনে শ শ ভক্ত আহিছিল টাচিলন্‌পো মঠত চাকি বন্তি জলাই সেৱা কৰিবলৈ। মঠৰ চাৰিওপিনে থকা পৰিক্ৰমাটোৰ এটা অংশ উঠি গৈছে ওখ ঠাইলৈ। এই কঠিনতাক আওকাণ কৰিও ভক্তসকলে পৰিক্ৰমা সম্পন্ন কৰিছিল। অবশ্যে হানসকল অহাৰ পিচত ভক্তৰ সংখ্যাও বহুত হ্ৰাস পাইছে। পূৰ্ব্বতে এই মঠত চাৰি হাজাৰ লামাই বসবাস কৰিছিল। চীন চৰকাৰে তিব্বতদেশৰ দ্বিতীয় প্ৰবাদ পুৰুষ পাঞ্চেল লামাৰ পৰা ৰাজনৈতিক আনুগত্য আদায কৰি লোৱাৰ পিচতো পাচশ বছৰীয়া এই প্ৰাচীন মঠটোক অব্যাহতি দিযা নাছিল। অতি বিপ্লৱী ৰেডগাৰ্ড সকলৰ আক্ৰোশৰ বলি হৈছিল এই মঠো। ভাঙি পেলোৱা হৈছিল এই মঠৰ একাংশ. ধৰি বান্ধি লৈ গৈছিল শ শ জ্ঞানী লামাক। এই পতন সহিব নোৱাৰি গেৰুৱা বস্ত্ৰ পৰিধান কৰা বহুতো লামাই আত্মহত্যাৰ পথকে বাচি লৈছিল। এতিয়া এই মঠৰ নিবাসী লামাৰ সংখ্যা হ'ল সাতশ। পিকিং চৰকাৰেই নিযোগ কৰিছে এইসকল লামাকে। মাহেকীয়া দৰমহাও আহে পিকিঙৰ পৰা সময়সতে প্ৰযোজনীয পূজাপাঠ শেষকৰি এই লামা সকলেও পালপাতি যাব লাগে কুৰি কিলোমিটাৰ নিলগত থকা সমূহীয়া পামলৈ। সেই পামতে বাৰ্লিখেতিত কাম কৰাৰ উপৰিও কেইবাশ যাক আৰু ছাগলীও চৰাব লাগে এই লামা সকলেই। টাচিলন্‌পোৰ

প্ৰধান লামাজন তিব্বতদেশৰ ভিতৰতে এজন অতি সন্মানীয় অৱতাৰী পুৰুষ। হানৰ তলতীয়া যদিও এই সাহসী আৰু স্পষ্টবাদী সিদ্ধ পুৰুষজনে নিজকে এজন কমিউনিষ্ট বুলি তেতিয়াও ভাবি ল'ব পৰা নাছিল।

চিমেন্ট কংক্টিটৰ আবাসিক অঞ্চলৰ মাজেৰে আহি থাকোতে এটা সময়ত গাড়ীখন মঠলৈ যোৱা তিনি আলিটোতে ৰ'লহি। তিনিআলিৰ অনতিদুৰতে আছে প্ৰকাণ্ড চিনেমা হলটো। আধুনিক হান বজাৰখনো তিনি আলিৰ কাষতে। অলপ ৰৈয়ে গাড়ীখন পুনৰ আগবাঢ়ি গ'ল তিব্বতীয় সকলৰ বাবে সজা হোষ্টেল ঘৰটোলৈ।

দিনযোৰা ভ্ৰমনৰ অন্তত বিশ্ৰামৰ ঠাইখন আহি পোৱাত ভ্ৰমনকাৰী দলটোৱে বৰ সকাহ পোৱা যেন হ'ল। লেন্‌ডুপৰ মুখত কিন্তু কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নাপালে। হাতৰ টোপোলাটো লৈ অতি স্বাভাৱিক ভাবে সি গাড়ীখন পৰা তললৈ নামি ঠিয় দিলে। লাচাৰ হোষ্টেল এৰি পলাই যাওতে লেন্‌ডুপে ঘুৰি পকি এটা সময়ত চিগাজেলৈকো আহিছিল। দুবছৰ পিচত পুনৰ চিগাজেলৈ উভতি আহি বহুতো পৰিবৰ্ত্তন তাৰ চকুত পৰিল। মাটিত ঠিয় দি লেন্‌ডুপে চাৰিওপিনে চাব ধৰোতে তাদিকে কথাটো মন কৰিলে।

'কিমান ডাঙৰ হ'ল চহৰখন তাকে চাইছো।'

এনেতে হান বিষয়াজনে সকলোকে হোষ্টেলটোলৈ বুলি লৈ গ'ল। চিমেন্ট কংক্ৰিটেৰে সজা হোষ্টেলটোত কমেও দুশ মানুহ থাকিব পাৰে বুলি তাদিকে অনুমান কৰিলে। ইমান ডাঙৰ দুমহলীয়া ঘৰত সি কেতিয়াও থাকি পোৱা নাই বুলি ভাবি লেন্‌ডুপক কিবা সুধিব খুজিলে। কিন্তু হান বিষয়াজন পিছে পিছে আহি থকা দেখি সি মনে মনে থাকিল।

ভ্ৰমণকাৰী দলটোক হোষ্টেল তত্বাবধায়কক গতাই দি অকলশৰীয়াকৈ মাতি নি কিবাকিবি বুজাইও দিলে। তাৰ পিচতেই বিষয়াজনে গাড়ীত উঠি গুছি গ'ল কোনোবা দিশলৈ।

সন্ধিয়া লাগি পাৰ হৈ যোৱাত ভ্ৰমনকাৰী দলটোক সমূহীয়া ভোজনশালাত নি নিশাৰ আহাৰ খোৱালে তত্বাবধায়কজনৰ সহকাৰী এজনে।

'এতিয়া নিশা কিমান হ'ল জানানে তাদিক?' লেনডুপৰ প্ৰশ্নত তাদিকে উভতি চালে। সি শুবলৈ যো-জা কৰিছিল মাত্ৰ।

'আঠ মান বাজিল হ'ব পায়। আজি হঠাতে সময়ৰ কথা  শুধিলা কিয় লেন্‌ডুপ?' তাৰ চালচলন অলপ অস্বাভাৱিক লাগিল। খাবৰ সময়তো তাক বৰ অন্যমনস্ক যেন লাগিছিল তাদিকৰ। দিনযোৱা ভ্ৰমনৰ অন্তত সকলোৱে আগ্ৰহেৰে খাইছিল যদিও লেন্‌ডুপৰ কোনো আগ্ৰহ যে নাছিল সেই কথা তাদিকে অনুমান কৰিব পাৰিছিল।

'আৰু এঘন্টা পিছত বিজুলী নুমুৱাই দিয়া হ'ব নহয়নে তাদিক?"

'কি কথাবিলাক কৈ আছা তুমি? ভাগৰ লাগিছে যদি শুই থাকা কথা পাতিব নালাগে।' এনেতে দহ হাত দীঘল তামৰ যুৰীয়া চদংৰে পৰা ওলোৱা ধ্বনি আহি তাদিকৰ কানত পৰিল।

'সেযা কিহৰ শব্দ লেনডুপ?' পেঁপাৰ শব্দ শুনি তাদিকে ধহ্‌মহ্‌কৈ উঠি বহিল।

'টাচিলন্‌পো মঠৰ ধৰ্মীয় আহ্বান। তিব্বতীয়সকলক নিশাৰ শেষ প্ৰাৰ্থনা জনোৱাৰ আহ্বান। কিমান মোহনীয় এই আহ্বান নহয়নে তাদিক? এই আহ্বানে যেন মোক ধৰ্মৰ বুকুলৈ পুনৰ উভতি যাবলৈ নিৰ্দ্দেশ দিছে। স্বদেশ আৰু স্বধৰ্মৰ বাবে যুঁজাৰ সেইয়া তুৰ্য্যধ্বনি হৈছে তাদিক। মই যাম। বিজুলী নিৰ্বাপিত হোৱাৰ লগে লগে মই তোমাক এৰি গুছি যাম। আৰু হয়তো তোমাৰ লগত মোৰ দেখাদেখি নহ'ব। তুমি উভতি যাবা নিজৰ দেশলৈ আৰু মই উভতি যাম ধৰ্ম্ম যুদ্ধৰ মাজলৈ।'

এনেতে খোজত খোজ মিলাই কেইজনমান মানুহ বাৰাণ্ডাৰে আহি থকা যেন লাগিল তাদিকৰ।

'সিহঁতে মোক নিবলৈ আহিছে তাদিক    সিহঁতে মোকো শেষ কৰি পেলাব' লেনডুপৰ কথা শেষ হোৱাৰ আগতে দুৱাৰ দলিত আহি ঠিয় দিলে চাৰিজন সশস্ত্ৰ হান সৈনিক। লগত গ্যানজেত লগ এৰা সেই আদবয়সীয়া হান কেডাৰজন যিজনে এটা সময়ত লেন্‌ডুপহঁতক লাচা হোষ্টেলত ড্ৰিল শিকাইছিল।

'উঠ্‌ লেন্‌ডুপ।তোক নিবলৈকে মই আকৌ আহিবলগা হ'ল।' কথাখিনি কৈ লেন্‌ডুপলৈ আঙুলিয়াই দেখুৱাওতেই দুজন সৈনিক লেন্‌ডুপৰ হাতত ধৰিলে।

'মই জানো তোমালোকে এদিন আহিবা। কিন্তু আজিয়েই আহিবা বুলি নভবাটোৱেই মোৰ ভুল হ'ল।' সৈনিকজনে লেন্‌ডুপক লৈ গ'ল আৰু হানকেডাৰজনে লেন্‌ডুপৰ সৰু টোপোলাটো খুলি চালে। দুখনমান কাপোৰৰ মাজত দালাই লামাৰ সৰু ছবি এখন বাদে আন একো নাপালে কেডাৰ

হতভম্ব তাদিকে লেন্‌ডুপক লৈ যোৱা দুৱাৰখনলৈ থৰ লাগি চাই থাকোতেই বিজুলী নিৰ্ব্বাপিত হৈ পৰিল। গভীৰ হতাশা আৰু দুখত সি বিচনাখনতে মুখ গুজি শুই দিলে। বহু নিশালৈকে সি নিঃশব্দে কান্দি কান্দি লেন্‌ডুপৰ কথাকে ভাবি থাকিলে। হানক বিশ্বাস কৰি আত্মসমৰ্পন কৰা কাৰ্য্যও তাৰবাবে নিৰৰ্থক হৈ পৰিল। সময় সুযোগ থাকোতে নিজৰ জন্মভূমিলৈ উভতি যোৱাটোৱেই ঠিক হব বুলি তাদিকেও অনুভৱ কৰিলে।

(২৫)

এদিন সন্ধিয়া পৰত লাক্‌চিং গাঁৱত উখল মাখল লাগিল। সীমান্ত পিনৰপৰা এজন মানুহক অকলে আহি থকা যেন দেখিলে দুজনমান ডেকা ল'ৰাই। সোৱণশিৰি নৈত বৰশি বাবলৈ যোৱা ডেকা দুজনে উধাতু খাই লৰ মাৰি আহি 'তাদিক আদো'-'তাদিক আদো' অৰ্থাৎ তাদিক আহিছে বুলি চিঞৰ বাখৰ লগাই দিলে।

এবছৰ পিচত তাদিকে স্ব-ইচ্ছাৰে লাক্‌চিঙলৈ উভতি অহাৰ উৰা বাতৰি শুনি সকলো মানুহ বৰ আগ্ৰহেৰে ওলাই আহিল। গাঁৱৰ ল'ৰা গাঁৱলৈ উভতি আহিল বুলি ভাবি সকলোৱে অতীতৰ তিক্ততাক নিমিষতে পাহৰি পেলালে। এজন এজনকৈ সকলো মানুহ আহি গোট খালে স্কুল ঘৰটোৰ কাষতে। এই স্কুল ঘৰটোৰ কাষেৰেই নামি গৈছে সীমান্তৰ দিশলৈ যোৱা পদ পথটো। পদ পথটো বহু শতাব্দী পুৰণি। আগতে সীমান্ত পাৰ হৈ গৈছিল যদিও এতিয়া সোৱণশিৰি নৈৰ পাৰত থকা স্থায়ী পথাৰখনতে গৈ অন্ত পৰিছে। পথাৰ নেওচি যোৱা পুৰণি পথটোৰ চিন চাব আছে যদিও ডাঠ খেৰণি, উলুণিয়ে চানি পেলাইছে। অৱশ্যে সীমান্তৰ দিশলৈ অৰ্দ্ধসামৰিক বাহিনীৰ দলে পেট্ৰোলিং কৰিবলৈ গৈ থাকে কাৰণে উলুবণিৰ মাজতে পদ পথৰ চিন এটা ৰৈ গৈছে। নৈৰ পাৰৰপৰাই উলুবণি বন ক্ৰমান্বয়ে উঠি গৈছে সীমান্তৰ পৰ্ব্বতলৈ। দুই কিলোমিটাৰ মান দীঘল এই উলুবণি অন্ত পৰা ঠাইৰপৰাই আৰম্ভ হৈছে নামহীন গছৰ এখন ডাঠ হাবি। হাবিডৰা উঠি গৈছে আৰু ওপৰলৈ—প্ৰায় ছহেজাৰ ফুট উচ্চতালৈ। আৰু সেই উচ্চতাৰ পৰাই চানি আছে হিমালয় প্ৰজাতিৰ চিৰ সেউজীয়া পাইন গছৰ বননিযে। দুখন সু উচ্চ পৰ্বতৰ মাজেৰে তিব্বতৰপৰা বৈ আহিছে শোৱণশিৰি নৈ। গিৰিপথৰ উচ্চতা আঠ হাজাৰ ফুটৰ অধিক নহয় যদিও গিৰিপথটোৰ দুয়োকাষে থকা পৰ্বতবিলাকৰ উচ্চতা পোন্ধৰৰ পৰা ওঠৰ হাজাৰ ফুটৰ কম নহয়। শিখৰ বিলাকত

বছৰটোৰ বাৰ মাহেই ডাঠ বা পাতল বৰফে আগুৰি ৰাখে।

উলুৱণিৰ মাজৰ পদ পথটোৰে থৰক্ বৰক্‌কৈ আহি থকা অৰ্দ্ধ উলংগ মানুহজনক লৈ নানান জল্পনা কল্পনা আৰম্ভ হ'ল স্কুলঘৰত থিয় দি চাই থকা দৰ্শকৰ মাজত।

'তাদিকেই হব।'

'নহয় যেন লাগিছে।' আন এজনে মন্তব্য দিলে। আহি থকা মানুহজনৰ পৰিচয় তেতিয়াও অস্পষ্ট হৈয়ে আছিল।

'সি লেঙেৰাইছে চোৱা।' শ্ৰান্ত ক্লান্ত পথিকজনৰ খোজত কোনো শক্তি নাছিল। কোনোমতে দেহাটো বৈ অনা যেন দেখিলে সকলোৱে।

এনেতে কান্দি কান্দি তাদিকৰ মাক আৰু ভনীযেক য়াচিও আহি থিয় দিলে দৰ্শকৰ মাজত।

'ক'ত মোৰ তাদিক- দেখুৱাই দে ঐ' বুলি ঠেলা-হেঁচা লগালে মাকে। সন্নীৰ মাষ্টৰো আহি পাইছিল সেই একে সময়তে। কোনোবাই গৈ খবৰ দিয়াত দহজন সশস্ত্ৰ চিপাহী লৈ কেপ্তেইন মালহোত্ৰাও আহি উপস্থিত হ'ল।

'কৌন আদমী আযা হেয- কিধাৰ দেখা উচ্‌কো?' বুলি খদম্‌দম্ লগালে কেপ্তেইন মালহোত্ৰাই। পাৰিলে যেন তেওঁ যুদ্ধ এখনকে আৰম্ভ কৰি পেলাব তেতিয়াই। সীমান্ত পাৰ কৰি মানুহ আহি দুৱাৰদলি পালেহি— এতিয়াহে এওঁ সাৰ পালে বুলি দুই এজন ডেকা ল'ৰাই নিজৰ মাজতে কোৱাকুই কৰি হাঁহি দিলে।

'কিউ হাচ্‌তা— কিয়া হুৱা?' ধম্‌কি দি উঠিল কেপ্তেইন মালহোত্ৰাই।

'নেই চাপ্— কুচ্ নেই হুৱা।' ভঙা ভঙা হিন্দীতে উত্তৰ দিলে আন এজনে।

এনেতে আহি থকা মানুহজন স্পষ্ট হৈ উঠাত কোনোবা এজনে তাদিক নহয় বুলি ক'লে।

'তেনেহলে কৌন হ'ব বুলি ভাবিছ? তাদিকৰ নিচিনাই সমান, গাৰ ছাল একেই বগা, তাদিকেই হব লাগিব। ব'ল আগবাঢ়ি যাওঁ' বুলি দুজনমানে থিয় দিওতেই মালহোত্ৰাই ধম্‌কি দি উঠিল।

'কিধৰ যাতা? কোই নেহি যায়েগা—অপনা জাগাছে কোই নেহি হিলেগা। পাচ ৰাউণ্ড লোড কৰো অউৰ ৰচিয়াৰিছে আগেবঢ়ো।' মানুহখিনিক লৰচৰ হবলৈ নিদি

চিপাহীক গুলা খাজি আগবাঢিবলৈ নির্দেশ দিলে কেপ্তেইন মালহোত্রাই। চিপাহীকিজনৰ পিচে পিচে অতি সন্তৰ্পণে যোৱা মালহোত্ৰালৈ চাই চেমনীযা দুজনমানে হাঁহিয়েই দিলে। চিপাহীখিনি উভতি অহালৈ বৰ উৎকণ্ঠাৰে অপেক্ষা কৰি থাকিল লাক্‌চিং গাঁৱৰ সমুদায অধিবাসী। সকলো আহিল যদিও নিংমা আৰু পেমা নাহিল। কিবা এটা অঘটন ঘটিছে বুলি বুজি পাইও মাক আৰু জীযেকে লাক্‌চিংবাসীৰ সান্নিধ্যলৈ আহিব নুখুজিলে। স্কুলটোৰপৰা সিহঁত থকা ঘৰটোৰ দূৰত্ব বৰ অধিক নহয। নিংমাই বাহিৰলৈ ওলাই আহি স্কুলৰ পিনে চাই থাকিল।

'কি হৈছে আমা? বৰ খীণ মাত। পেমা অসুস্থ। পোন্ধৰ দিনৰপৰা টান নৰিযাত পৰি আছে। কম্পাউণ্ডৰ সোণোৱালে পুৱা-গধূলি খবৰ কৰি ঔষধপাতি দিছে। দুদিনমানৰ পৰা গা-মু'ৰ দাণ্ডিব পৰা হৈছে যদিও থিয হৈ খোজ দিব পৰা হোৱা নাই।

একো হোৱা নাই। স্কুল ঘৰটোতে গাঁৱৰ মানুহ জমা হোৱা দেখিছো।' এই বুলি কৈ নিংমা ভিতৰলৈ সোমাই বিচনাতে বহি নৰিযা জীযেকৰ গা-মু'ৰ পিহি দিলে।

পানী খাম আমা। নিংমাই পানী আনি দিযাত মাকৰ হাতখন দুৰ্বল হাত এখনেৰে মুঠা মাৰি ধৰিলে পেমাই।

'দুই চাৰিদিনতে তই ভাল হৈ উঠিবি ডাক্তৰবাবুৱে কৈছে।' ভাল খাদ্য খুৱাব লাগিব বুলি সোণোৱালে দি যোৱা পৰামৰ্শৰ কথাটো কিন্তু নক'লে। এনেতে স্কুলৰ দিশত পুনৰ কোঢাল উঠিল।

'আকৌ কি হৈছে চাই আহাচোন। মোৰ মনটোৱে কৈছে-"পা-লা' আহিল। ইমান দিনৰ পিচত আমাক নিবলৈ আহিছে তাইৰ শেতা পৰা ওঁঠত যেন হাঁহি বিৰিঙি উঠিব খুজিলে। চকু দুটালৈ যেন হঠাতে আশাৰ জেউতি উভতি আহিল। 'চাইছোঁ ৰহ।' বুলি বাহিৰলৈ নিংমা পুনৰ ওলাই গ'ল।

নৈখনৰপৰা গাঁওখনলৈ অকাই পকাই উঠি অহা বাটটো কিছু দীঘল যদিও মানুহ চিনিব পাৰি । হাত দুখন ৰছীৰে বান্ধি অনা মানুহজনক দেখিযেই গাঁৱৰ মানুহবিলাক আচৰিত হৈ পৰিল। প্ৰচণ্ড শীতত গাৰ ছাল ফাটি যোৱা মানুহজনৰ ভৰিৰ আঙুলি- বিলাকো বৰফে অকামিলা কৰি পেলোৱা লাক্‌চিংবাসীয়ে দেখিলে। এনেদৰে সুদা ভৰি দুখনেৰে মানুহজনে সীমান্তৰ বৰফ কেনেকৈ পাৰ হৈ আহিব পাৰিলে বুলি

ভাবি গাঁৱৰ মানুহ তধা লাগিল। অৰ্দ্ধ উলংগ আৰু মৃতপ্ৰায় মানুহজনক হাত বান্ধি অনা দেখি গাঁৱৰ মানুহৰ পেটে পেটে খঙেই উঠিল। তাৰ উপৰি পিচপিনৰ পৰা ৰাইফল টোৱাই পহৰা দি অহা চিপাহীকিজনৰ আওভাও দেখি দুজনমান চেমনীয়াই ফিচিংফাচাং নকৰাকৈ থাকিব নোৱাৰিলে। তাতোকৈ বেছি আমোদজনক কথা হৈ পৰিল, হাতত উদ্যত পিষ্টল লৈ বীৰদৰ্পে খোজকাটি অহা মালহোত্ৰাৰ আচৰণ।

ধলং পলঙকৈ অহা দুৰ্বল মানুহজনে কৰুণ প্ৰত্যাশাৰে সমবেত লাকচিংবাসীলৈ চাওঁতে সকলোৱে চিনি পালে তাদিক নহয় বুলি। কিছু মানুহ ওচৰ চাপি আহোতে পহৰা দি অনা চিপাহীয়ে বাধা দিলে। বাধা পাই মানুহখিনি আঁতৰি গ'ল যদিও পিচ নেৰিলে। কি মানুহ ক'ৰ পৰা আহিছে ইত্যাদি বিভিন্ন গুণা গঠাৰ গুন গুণনি তুলি লাক্‌চিংবাসীও বন্দী মানুহজনৰ পিচে পিচে যাব ধৰিলে।

'চিনি পালানে আমা?' অ'ত ত'ত ধৰি ধৰি পেমা আহি থিয় দিলে দুৱাৰ-দলিত। দুবৰ্বলতাৰ বাবে তাই থিয় দি থাকিব নোৱাৰি কঁপি কঁপি চাঙৰ ওপৰতে বাগৰি পৰিল। বাগৰি পৰা দেখি নিংমাই উধাতু খাই আহি পেমাক দুহাতে সাৱটি দাঙি তুলিলে।

'বিছনা এৰি উঠি আহিলি কিয় পেমা?

পা-ল্যাক চাবলৈ ।'

সেইটো তোৰ পা-লা নহয় অ' পেমা।

কোন তেনেহ'লে? পা-লা নহয় যদি পা-লাৰ কথা কিজানি জানে বা, সুধি আহগৈ যা না আমা।' হেৰাই যোৱা বাপেকৰ কথা ভাবোতে ভাবোতে পেমাই মাজে সময়ে অসংলগ্ন কথা কোৱাতো মাকেও কিছুদিনৰ পৰা মন কৰি আহিছে। কেতিয়াবা নিজে নিজেই তাই বাপেকৰ লগত কথা পতাৰ নিচিনাকৈ কথা পাতি থাকে। মাজে মাজে অভিমান কৰি কান্দে। মাজে মাজে মিচিকিয়াই হাঁহিও দিয়ে।

'সুধি আহিম বাৰু। তই শুই থাকিবি ব'ল।' এই বুলি মাকে আদৰ সাদৰকৈ জীয়েকক দাঙি নি বিছনাত শুৱাই থলে যদিও নিজৰ মনকো বুজনি দিব নোৱাৰিলে নিংমাই। চিপাহী শিবিৰত নি আবদ্ধ কৰি ৰখা মানুহজন লগ পোৱাৰ আশাৰে ঘৰ এৰি ওলাই আহিল।

নিংমাই গৈ দেখিলে গাঁৱৰ মানুহবিলাকে তেতিয়াও চিপাহী শিবিৰৰ প্ৰবেশ পথতে

জুম বান্ধি আছে। ভিতৰত সোমাবলৈ কোনেও অনুমতি পোৱা নাই। নিংমাও গৈ মানুহজুমৰ ওচৰতে থিয় দিলে। কাকনো কি সুধিব বুলি ভাবি থাকোতেই সোণোৱাল কম্পাউণ্ডাৰ শিবিৰটোৰ ভিতৰৰপৰা ওলাই আহিল। প্ৰাথমিক চিকিৎসা দিয়া বাকচটো ডিচপেনচৰীত কাম কৰা ল'ৰাটোৱেই লৈ আহিল। ল'ৰাটো লাক্‌চিঙৰ নহলেও ওচৰৰ গাঁৱৰে।

'কি কথা টাবু-- ক'ৰ মানুহ, কেনেকৈ আহিল?' এই বুলি বিভিন্ন প্ৰশ্ন কৰি টাবুক সকলোৱে আগুৰি ধৰিলে। টাবুৰ কোনো লিখা-পঢ়া নাই। কিন্তু সোণোৱাল কম্পাউণ্ডাৰৰ সহায়ক ৰূপে কটাচিঙা, বেণ্ডেজ কৰা, কটা অংশ চিলাই কৰি দিয়াৰ নিচিনা সৰুসুৰা কাম কৰিব পৰা হৈছে। মাজে মাজে বেজীও মাৰে। মূৰৰ বিষ, পানী লগা আদি বেমাৰৰ টেব্‌লেটো চিনি পোৱা হৈছে। গাঁৱলৈ গ'লে বহিবলৈ কাঠ এডোখৰো পায। সোণোৱাল চাৰৰ লগতে লাও পানীৰ চুঙাটোও নোপোৱাকৈ নাথাকে। এইবিলাক কথাতে টাবুৰ মনত অলপ চলপ ভেমো হৈছে।

'এতিয়া নহয় পিচত কম।' কথাটো যেন বৰ ৰহস্যজনক তাকে বুজাব বিচাৰিলে টাবুৱে।

'আমাৰ মানুহ নে চীনা মানুহ টাবু ককাই?'

এইবাৰ টাবুৰ মন কুমলিল। ককাই বুলি মাতিলে টাবুৱে বৰ ভাল পায। কোনোবাই চাৰ বুলিও মাতে। তেনেদৰে মাতোঁটা জনৰ কাম টাবুৱে প্ৰথমেই কৰি দিয়ে-- হস্পিটেলত গৈ ৰৈ থাকিব নেলাগে।

'আমাৰেই মানুহ।'

'নামটো কি টাবু ককাই?'

'চাংগে বুলি কৈছে।' ইমানখিনিকে কৈ টাবুৱে লৰ মাৰি গৈ সোণোৱালক লগ ধৰিলে।

পিচদিনাই সামৰিক হেলিকপ্টাৰ এখন লাক্‌চিঙত অৱতৰণ কৰাত গাঁৱৰ মানুহ বিলাকে হেকিপ্টাৰ চাবলৈ হেলিপেডত গৈ থুপ খালে। পাইলট দুজনক চিপাহী কেম্পলৈ লৈ গ'ল কেপ্তেইন মালহোত্ৰাই। হেলিকপ্টাৰ পহৰা দিবলৈ দুজন চিপাহী থৈ গ'ল। চিপাহী দুজনক অকলশৰে পাই গাঁৱৰ মানুহে নানান কথা সুধিব ধৰিলে। গাঁৱবাসীৰ লগত চিপাহী দুজনৰ আত্মীয়তা কিছু পুৰণি। উৎসৱে আনন্দে গাঁৱত গৈ

মনে মনে লাওপানীও খাই আছে।

'কি মানুহ দোস্ত?' চিনাজনা চিপাহীক গাঁৱৰ ডেকা ল'ৰাবিলাকে দোস্ত বুলিযেই সম্বোধন কৰে। অৱশ্যে এই সম্বোধন চিপাহীবিলাকৰে সৃষ্টি।

'তিবৃতীয মানুহ।'

'তাদিকৰ কথা কিবা ক'লে নেকি?'

'কৈছে। কিন্তু ইযাৰপৰা পলাই যোৱা তাদিক বুলি নাজনে। সেইজন তাদিক, বোলে লিডাৰ মানুহ। ককালত পিষ্টল লৈ ফুৰে। ৰঙা তৰা থকা টুপীও পিন্ধে। কিবা বোলে গ্ৰুপলিডাৰ কাম কৰে।'

'আমাৰ তাদিকেই হ'ব কিজানি নহযনে দোস্ত?'

'হ'ব পাৰে দেই। মানুহজনে দিযা বৰ্ণনা মতে ইযাৰপৰা পলাই যোৱা তাদিকেই হ'ব লাগে।

পাইলট কিজন উভতি আহিব ধৰা দেখি চিপাহী দুজনে মানুহবিলাকৰপৰা অলপ আঁতৰি গ'ল। মানুহবিলাকেও কিছু আঁতৰি দিলে। পাইলট দুজনৰ পিচে পিচে ৰোগগ্ৰস্ত চাংগেক দুজন চিপাহী যে কটিয ই অনা দেখিলে লাকচিঙৰ মানুহে। সেই মানুহৰ মাজত নিংমাও থিয দি আছিল। অকলশৰে এফলীযাকৈ থিয দি থকা নিংমাই বৰ আশাৰে চাই আছিল চিপাহী দুজনে কটিযাই অনা মানুহজনলৈ। মনৰ উদ্বিগ্নতা দমাই ৰাখিব নোৱাৰি তাই চাংগেৰ নিচেই ওচৰ চাপি গৈ লাচাৰ কথিত ভাষাতে সুধি পেলালে।

কেইৰাং মিং কাৰেই ৰেই? কেইৰাং কেনেই ৰেই? চোনাম নৰবু কাবা তো?' তোমাৰ নাম কি? ক'ৰ পৰা আহিছা চোনাম নৰবু ক'ত? খৰকৈ কৰা প্ৰশ্নকিটা শুনি চাংগেই নিংমালৈ মুখ ঘূৰাই চালে। তাৰ নিজৰ ভাষাতে সোধা প্ৰশ্নকেইটা শুনি সিও আচৰিত হৈ পৰিল। উত্তৰ কিবা দিবলৈ লওঁতেই চিপাহী এজনে নিংমাৰ ধমক দি আঁতৰাই পঠালে।

এই বুঢীযা হাতো ইধাৰ চে। ধমক পাই নিংমা পিচ হুহঁকি আহিবলৈ বাধ্য হ'ল। পাঁচ বছৰীযা অধীৰ অপেক্ষাৰ অন্তত কিবা এটা সমিধান হাতৰ ওচৰতে পাইও হেৰুৱাব লগা হোৱাত নিংমাৰ চকু চকুলোৰে ওপচি পৰিল। নিজৰ কপালত নিজে থপৰিয়াই দি তাই চাই থাকিল হেলিকপ্টাৰখনৰ পিনে। হেলিকপ্টাৰখনৰ ইঞ্জিন ঘৰ্ঘৰাই উঠোতেই গাঁৱৰ মানুহবিলাক নিজে নিজে পিচুৱাই গ'ল। নিংমো নগ'ল। শিলৰ মূৰ্তিৰ নিচিনাকৈ

তাই নিজৰ ঠাইতে থিয় দি থাকিল। পাখি কিখনে সৃষ্টি কৰা কোবাল ধূলি মিহলি বতাহে নিংমাক ঢাকি পেলাব ধৰা দেখি কোনোবা এজন ডেকা ল'ৰাই লৰ মাৰি আহি নিংমাক টানি লৈ গ'ল বতাহৰপৰা নিৰাপদ দূৰত্বলৈ। সোৱণশিৰি নৈৰ ঠেক উপত্যকাৰে নিজৰ গন্তব্য দিশ মিলাই লৈ হেলিকপ্টাৰখন নিমিষতে নোহোৱা হৈ পৰিল। গাঁৱৰ মানুহ গাঁৱলৈ উভতি যাবলৈ আৰম্ভ কৰিলে যদিও নিংমাই বহি বহি উচুপি থাকিল।

'সকলো মানুহ গ'ল, তুমিও যোৱাগৈ নিংমা। বৰ সহানুভূতিৰে কোৱা কথাকিটা শুনি নিংমাই ওপৰলৈ মুখ তুলি চাই আকৌ কান্দিব ধৰিলে। লাক্‌চিঙত এইজনেই এজন মানুহ পাইছে নিংমাহঁতে যিজনৰ ওচৰত গৈ নিংমাই কেতিয়াও বিমুখ হৈ উভতি অহা নাই। পেমাৰ নৰিযাত সোণোৱাল ডাক্তৰক এইজন মানুহেই লৈ আহিছিল সিহঁতৰ ঘৰলৈ।

হৰলিক্সৰ বটল এটাও পঠিযাই দিছিল। চেনী চাহপাত বা বনস্পতি ঘি মাজে মাজে ল'ৰা-ছোৱালী হাতেৰে পঠিযাইও দিছিল। নিজে হ'লে এবাৰো অহা নাছিল সিহঁতৰ ঘৰলৈ। কান্দোন এৰি তাই থিয় দিলে।

'মাষ্টৰ চাৰ হস্পিটালত যদি কিবা বিষ আছে তেনেহলে তাৰে এবটল মনে মনে আনি মোক দিব। তাকে খাই আমি দুযো এই যাতনাৰ অন্ত পেলাম।

এইবিলাক বেযা কথা মনলৈ নানিবা নিংমা। তোমাক সান্ত্বনা দিবলৈ মোৰ একো পথ নাই। তোমালোকে নিজকে নিজে সান্ত্বনা নিজে দিব লাগিব। ব'লা এতিযা ঘৰলৈ যাবা।' সমীৰ বৰা আগ হ'ল আৰু নিংমা আহিল পিচে পিচে।

(২৬)

২ অক্তোবৰ ১৯৬৪

'আজি গান্ধীজীৰ জন্মদিন। ৰাতিপুৱা স্কুলত ছাত্ৰ-ছাত্ৰীযে সমূহীযাভাৱে ৰামধুন গালে। যাচি নাহিল। স্কুললৈ অহাও তাইৰ অনিযমিত হ'ল। মন গলে আহে আৰু মন গলে গুচি যায়।

যোৱা পৰহি সীমান্ত পাৰ কৰি মানুহ এজন আহিছিল। তি বৃতীয মানুহ। নাম চাংগো। নতুনকৈ পৰা বৰফ পাৰ কৰি আহোতে মানুহজন আধামৰা হৈছে। ভৰিৰ আঙুলিবিলাক বৰফে খাই পেলাইছে। আজি হেলিকপ্টাৰ এখন আহি মানুহজনক লৈ গ'ল। মানুহজনে হেনো হান চিপাহী দুজনক হত্যা কৰি পলাই আহিছে।

ঘটনাৰ এনে সমিলমিল সঁচাকৈয়ে বৰ বিচিত্ৰ। দুজন মানুহ কাটি তাদিক পাৰ হৈ গুছি গৈছে সীমান্তৰ সিপাৰলৈ। গণতন্ত্ৰ এৰি আত্মসমৰ্পণ কৰিলেগৈ চীনা কমিউনিষ্ট ওচৰত। আনহাতে চাংগেইও দুজন মানুহ হত্যা কৰি গুচি আহিছে গণতান্ত্ৰিক ভাৰতলৈ।

নিংমাহঁত সঁচাকৈয়ে বৰ দুৰ্ভগীয়া। ইমান দুখ-কষ্টৰ মাজতো পেমা নৰীয়াত পৰিল। টান নৰীয়াই হৈছিল। সোণোৱাল কম্পাউণ্ডাৰে কৈছে টাইফয়েদ জ্বৰ হোৱা বুলি। অলপতে ৰক্ষা পৰিল।

মোৰ বদলিৰ সম্ভাৱনা আছে বুলি গম পাইছে। পূজাৰ পিচতেই বদলিৰ আদেশ ওলাব বুলি বন্ধু এজনে জনাইছে। গতিকে পূজাৰ বন্ধত নামি নাযাওঁ। একেবাৰেই যাম।

ডায়েৰীৰ পাতত সমীৰ বৰাই সকলো কথা নিলিখিলে যদিও লাকচিংবাসীৰ বাবে নিংমা আৰু পেমা ক্ৰমান্বয়ে বোজা স্বৰূপ হৈ উঠিল। গাঁওবাসীৰ দৃষ্টিত এতিয়া সিঁহত ভিক্ষাৰী। গাঁওবুঢ়াৰ আলুখেতি চপোৱাৰ পিচৰে পৰা নিংমা উপায়হীনা হৈ পৰিছে। আলু চপোৱাৰ পিছতে গাঁওবুঢ়াৰ ঘৰতে খৰি-পানী কঢ়িয়াই দিছিল নিংমাই। পিচে গাওবুঢ়াৰ প্ৰথমজনী ঘৈণীয়েকৰ কেটকেটনী সহিব নোৱাৰি এদিন সেই কামো এৰি পেলালে। এতিয়া খুজি মাগিয়েই খায়। গাঁওবুঢ়াক সুধিলে কয় দালাই লামালৈ লিখালিখি চলি আছে। তাৰ পৰা খবৰ আহিলেই চৰকাৰে সিহঁতকো ভৈয়ামৰ আশ্ৰয় শিবিৰলৈ পঠিয়াই দিব। খবৰ নহালৈকে লাকচিঙতে থাকিব লাগিব।

খবৰ আহিব আহিব বুলি আশা কৰি থাকোতে প্ৰায় ছমাহ পাৰ হৈ গ'ল। তথাপি খবৰ নাহিল। কাপোৰ-কানিৰ অভাৱত পেমাই ঘৰৰ পৰা ওলাব নোৱাৰা হ'ল। গুদামৰ পৰা পেলাই দিয়া ফটা বস্তবিলাকৰে বুটলি আনি নিংমাই ঘৰটোৰ ভিতৰফালে ওলোমাই বান্ধিলে। জাৰৰ দিনবিলাক পাৰ কৰিবলৈ আন একো উপায় বিচাৰি নাপালে নিংমাই। অভাৱ-অনাটনে নিংমাকো দুৰ্বল কৰি পেলোৱাত আগৰ নিচিনা ডাঙৰ খৰিৰ বোজাও কঢ়িয়াব নোৱাৰা হ'ল।

চাংগেৰ লৈ যোৱা পোন্ধৰ-বিছদিনমান পিচৰ কথা। নিংমা গৈছিল খৰি আনিবলৈ। উভতি আহি দেখিলে পেমা ঘৰত নাই। প্ৰথমে ঘৰটোৰ ভিতৰে বাহিৰে বিচাৰি চালে। চাৰিওপিনে চাই চিএৰিও মাতিলে। একো উত্তৰ নাপাই নিংমা চিন্তিত হৈ পৰিল। ইফালে সিফালে গৈ দুই এঘৰত সুধিও পেমাৰ একো খবৰ উলিয়াব

নোৱাৰিলে। উপায়হীনা নিংমাই অৱশেষত পেমা পেমা বুলি কান্দিব ধৰিলে। এজন দুজনকৈ মানুহ গোট খাওঁতেই নৈত বৰশী বাবলৈ যোৱা ল'ৰা এজন উধাতু খাই লৰি অহা দেখিলে সকলোৱে। ফোপাই জোপাই সি যি ক'লে তাৰ অৰ্থ হ'ল যে পেমা হেনো সীমান্তৰ পিনে ঢলং পলং কৈ গৈ থকা সি দেখিছে। ক'লৈ যাব বুলি সুধিলত একো উত্তৰকে নিদিলে। মুখত কেৱল 'পাপা তুমি নাহিলা মযে গৈ আছোঁ ৰ'বা বোলা কথা। গাৰ কাপোৰ কানিৰো একো ঠিক নোহোৱা দেখিলে বুলিও ক'লে।

ল'ৰাজনৰ কথা শুনি নিংমা থিয় দি উঠিল।

'ৰ'বা নিংমা, তুমি যাব নেলাগে আমিযেই ওভতাই আনিম।'

এই বুলি নিংমাক সান্ত্বনা দি তিনিজন ডেকা ল'ৰাই সীমান্তলৈ যোৱা বাটটোলৈ বুলি লৰ মাৰি গ'ল। নৈৰ পাৰৰ পথাৰখন পাৰ কৰি খেৰনিডৰাত সোমাই অলপ দূৰ যাওঁতে পদ পথটোৰ ওপৰতে পেমাক পৰি থকা দেখিলে সিহঁতে। মুখেৰে ফেন ওলাই অজ্ঞান হৈ পৰি থকা পেমাক সিহঁতে আতৌ পিতৌকৈ দাঙি লৈ আহিলে। গছ এডালৰ ছাঁত শুৱাই দি এজনে ওচৰতে থকা সৰু জুৰি এটাৰ পানীত কাপোৰ এখন তিযাই লৈ আহিল। কাপোৰ চেপা শীতল পানী মুখত ছটিযাই দিলে। মূৰৰ চুলিও তিযাই দি শুকান পাত এখিলাৰে অলপ বিচি দিযাত তাইৰ জ্ঞান আহিল। 'পানী খাম বুলি কওঁতে এজনে পাত এখিলাতে পানী অলপ আনি খুৱাই দিলে। কিছু প্ৰকৃতিস্থ হৈ পেমাই কান্দিব ধৰাত ল'ৰা তিনিজনে পালপাতি তাইক বোকোচাতে তুলি গাৱঁলৈ লৈ আহিল।

চাংগেক লৈ যোৱাৰ পিচত মাকে ঘৰলৈ উভতি আহি কান্দিব ধৰোতেই পেমাৰ সকলো আশা চূৰ্ণ বিচূৰ্ণ হৈ পৰিছিল। বাপেক আৰু কেতিযাও নাহে বুলি তাই ধৰি লৈছিল। সেইদিনাৰ পৰাই তাই আৰু অধিক গহীন হৈ পৰিব ধৰিলে। ঘৰটোৰ আগপিনে বহি সীমান্তলৈ চাই চাই তাই অকলে অকলে বিৰবিৰাই থকা মাকে মন কৰিলে। মাকে সান্ত্বনা দিলে তাই 'অ' 'অ বুলি মাত্ৰ শলাগি থয, তাৰ বেছি একোকে নকয।

এনেদৰেই পাৰ হৈ গৈছিল দিনবিলাক। এদিন দুদিনকৈ পাঁচটা সুদীৰ্ঘ বছৰ অতিবাহিত হৈ গৈছিল নানান প্ৰত্যাশাৰ মাজেৰে। জৰাজীৰ্ণ মন আৰু শৰীৰ দুটা লৈও মাক-জীযেক স্বদেশলৈ উভতি যোৱাৰ কল্পনাক এৰি পেলোৱা নাছিল। এৰি পেলাব

পৰা নাছিল নৱবুৰ স্মৃতি।

(২৭)

' দেশ ভ্ৰমণ কৰি আহিলা তাদিক"?

'হয় আহিলো কমৰেড কমিচাৰ'।

ভ্ৰমণ শেষ কৰি তিনিমাহ পিচত তাদিক উভতি আহিল বিনিথাঙৰ সমূহীয়া পামলৈ। এই ভ্ৰমণ কালত সি যি দেখি আহিলে সেইযা তাৰ বাবে এক কৰুণ অভিজ্ঞতা বাদে আন একো যেন নেলাগিল।

সি গৈছিল এখন শান্তিপূৰ্ণ দেশৰ ধৰ্মপ্ৰান মানুহৰ সদানন্দ সমাজখন চাবলৈ। দেখি আহিলে জুইযে পোৰা এখন দেশ আৰু মুমূৰ্ষু মানুহৰ হিয়া ভগা বিননি। সি গৈছিল তাৰ কল্পনাৰ কাৰেং পোতালা চাবলৈ, দেখি আহিলে শ শ ভগ্নস্তুপ, যি ভগ্নস্তুপ-বিলাকৰ ওপৰতে হযতু এদিন থিয দি আছিল বিশাল বিশাল মঠ-মন্দিৰসমূহ। সোণ-ৰূপৰ গুণাৰে বনকৰা উৰণীযা সিংহৰ মনোমোহা পতাকাবিলাকৰ ঠাইত দেখি আহিলে তেজ ৰঙা হান পতাকাবিলাক। ভোগ আৰু বিলাসেৰে ভৰপূৰ দেশখনত সি দেখি আহিলে অগণন ক্ষুধাৰ্ত মানুহৰ সমদল। ধ্যান আৰু দানৰ বিপৰীতে বস্তুবাদী নিৰ্মমিতা দেখি তাদিক হতাশ হৈ উভতি আহিল বিনিথাঙৰ কৰ্মব্যস্ত মানুহৰ মাজলৈ।

কি দেখি আহিলা কবানে তাদিক?' উভতি অহাৰ পিছদিনাই তাদিকক হাজিৰ কৰোৱা হৈছিল পলিটিকেল কমিচাৰৰ সম্মুখত। ভ্ৰমণ কালত কোণটো কথাই তাদিকৰ মন আকৰ্ষন কৰিব পাৰিছিল সেই কথা জানিব বিচাৰিলে পলিটিকেল কমিচাৰে। মানুহৰ মানসিক প্ৰবৃত্তি প্ৰকাশ পায তাৰ মন আকৰ্ষণ কৰা বাহ্যিক পৃথিৱীৰ বিষযবস্তুৰ পৰা, সেই কথা অভিজ্ঞ পলিটিকেল কমিচাৰে জানে।

'দেখি আহিলো দীঘল দীঘল আলিবাট আৰু চাংপো নৈৰ ওপৰত নিৰ্মাণ কৰা লোহাৰ বিযাগোম দলংবিলাক। গোংগ্লাৰ বিমান বন্দৰো দেখিলো আৰু দেখিলো শাৰী শাৰী যুজাৰু বিমান। উৰণীযা বোমাও চালো আৰু চাই আহিলো বৰফে আগুৰা দেশত, ডাঙৰ ডাঙৰ আধুনিক নগৰ আৰু অসংখ্য বজাৰ।'

তি ৰ্বৃতৰ পৰিৰ্ত্তিে নতুন মানুহক দেখি আহিলানে নাই?"

'তাকো দেখি আহিলো কমৰেড কমিচাৰ। পথাৰে-খমাৰে মানুহ দেখিলো অগণন। কৰ্মব্যস্ততাৰ মাজত মূৰ তুলি চাবলৈকো সিহঁতৰ সময় নাছিল যেন লাগিছিল।

তিক্ততাপূৰ্ণ অভিজ্ঞতাৰেই তাদিকে উত্তৰ দি গ'ল যদিও পলিটিকেল কমিচাৰে তাকেই সাম্যবাদৰ সফলতা বুলি ধৰি লৈ আত্মতৃপ্তিৰ হাঁহি মাৰিলে।

"পোতালা চালানে নাই?"

'চাইছিলো দূৰৈৰপৰাহে কমৰেড'। পলিটিকেল কমিচাৰে তাদিকৰ মুখত প্ৰকাশ পোৱা নিৰাশতাক বুজিব নোৱাৰিলে।

'লগত যোৱা মানুহ কিমান আছিল তাদিক ।এইবাৰ তাদিক অলপ বিমোৰত পৰিল।

'আৰু দহজন, কমৰেড কমিচাৰ'। যিমানে চমুকৈ পাৰে উত্তৰ দিলে তাদিকে।

"ক'ৰ আৰু কি মানুহ আছিল সিহঁত?"

"কঁৰ মানুহ আছিল নাজানো কিন্তু পামি শিবিৰতে উঠিছিল আটাইকিজন কথাই বতৰাই তি ৰ্বতীয যেন লাগিছিল কমৰেড' ।

"এজনক হেনো চিগাজেতে ৰাখি থলে হযনে?" কথাটো জানিযেই সুধিছে বুলি তাদিকে বুজি পালে। লেন্‌ডুপক ধৰি লৈ যোৱা দিনৰে পৰা কপটীযা হানক সি বিশ্বাসত লব নোৱাৰা হৈ পৰিছিল।

'আমাৰ লগত নাহিল যেতিযা ৰাখিযেই থলে হব পায ।

'কি নাম আছিল সেইজনৰ মনত আছেনে'?

'লেন্‌ডুপ বুলি কৈছিল'। উত্তৰটো দিওতে তাদিকৰ মনটো উভতি গৈছিল চিগাজেৰ সেই সন্ধিয়াটোলৈ। লেন্‌ডুপে কৈ যোৱা শেষ কথাকিটাই যেন তাৰ কাণত ৰিণিযাব ধৰিলে। টাচিল্‌নপো মঠৰ পেপাঁৰ ধ্বনি শুনি লেন্‌ডুপে কৈছিল- "কিমান মোহনীয এই আহ্বান নহযনে তাদিক? এই আহ্বানে যেন মোক ধৰ্মৰ বুকুলৈ উভতি যোৱাৰ নিৰ্দেশ দিছে। স্বদেশ আৰু স্বধৰ্মৰ বাবে যুঁজ দিযাৰ সেযা তুৰ্য্য ধ্বনি উঠিছে তাদিক- মই যাম, বিজুলী নিৰ্ব্বাপিত হোৱাৰ লগে লগে মই তোমাৰ লগ এৰি গুচি যাম। তুমি গুচি যাবা নিজৰ দেশলৈ আৰু মই গুচি যাম ধৰ্ম যুদ্ধৰ মাজলৈ।"

"এতিয়া কোৱাচোন তাদিক, তুমি যি দেখিলা তাৰ মাজত নতুনত্ব কিবা বিচাৰি পালানে"?

"এই দেশৰ পুৰণি কথাবিলাক মই নাজানো যেতিযা ' তাদিকৰ কথা শেষ হবলৈ নাপালে।

'সেইটো বুজিছোঁ। পিছে তুমি এৰি অহা দেশখনৰ তুলনাত কিবা নতুন দেখিলা নে নাই তাকেহে জানিব বিচাৰিছোঁ'।

প্ৰশ্নটো শুনি তাদিক আকৌ বিমোৰত পৰিল। ভাল ক'ব নে বেয়া ক'ব, কোনটো ক'লে ঠিক হ'ব এই দোধোৰ-মোধোৰে তাক হতবুদ্ধি কৰিলে। সি এৰি অহা দেশখনৰ সীমান্তলৈ ইমান দীঘল দীঘল আলিবাট হোৱা নাই যদিও সীমান্তৰ প্ৰতিখন গাঁৱৰ মাজত চলাচলৰ দুৰ্গমতা হ্ৰাস হলে আঁতৰ হৈছে। চাংপোনৈৰ ওপৰত লোহাৰ কেইবাখনো দলং সি দেখি আহিছে সঁচা। সি এৰি অহা দেশখনৰ সোৱণশিৰি নৈৰ ওপৰত তেনে দলং এখনহে আছে যদিও সেই সোৱণশিৰি নৈৰ ওপৰত বহুতো ওলমা দলং থকা তাৰ মনত আছে। লোহাৰ শকত তাঁৰেৰে সজা এই ওলমা দলংবিলাকৰ ওপৰেৰে শ শ গাঁৱৰ মানুহক নিতে পাৰ হোৱা সি দেখিছিল। ইয়াৰ নিচিনা বিশাল বিশাল সমূহীয়া কৃষি পাম সেই দেশত নাই যদিও প্ৰত্যেক পৰিয়ালৰ বাবে স্থায়ী কৃষিৰ পথাৰ চৰকাৰে খুলি দিয়া তাৰ মনত পৰিলে।

কি হ'ল মনে মনে থাকিলা যে ?

'এই প্ৰশ্নৰ উত্তৰ দিবলৈ মোৰ মগজুৱে ঢ কি পোৱা নাই কমৰেড কমিচাৰ। দিন-ৰাতিৰ ব্যৱধান নাই কেনেদৰে বুজাম ভাবি পোৱা নাই।

তাৰ মানে ইমান দেখি অহাৰ পিছতো তোমাৰ মনত সন্দেহ থাকি গৈছে যেন পাওঁ"।

হান পলিটিকেল কমিচাৰজনে তাদিকৰ পৰাও অন্ধ আনুগত্যকে আশা কৰিছিল। সাম্যবাদী শাসন ব্যৱস্থাতকৈ আন কিবা শাসন ব্যৱস্থা থাকিব পাৰে বুলি পলিটিকেল কমিচাৰজনে কল্পনাও কৰিব পৰা নাছিল। জন্দিছ ৰোগীয়ে পৃথিৱীখন হালধীয়া যেন দেখাৰ নিচিনাকৈ হান সাম্যবাদীৰ ৰঙা চকুৱে ৰঙা ৰঙৰ বাদে আন ৰং চিনিকে নাপালে। আকাশৰ সাতৰঙা ৰামধেনুখনকো যেন পুঁজিপতিৰেই সৃষ্টি বুলি এদিন কব বিচাৰিব।

"ঠিক আছে যোৱা এতিয়া। নিজৰ কামত মন দি লাগাগৈ। মনত যেতিয় দণ্ড উপজে তেতিয়া কঠিন শ্ৰমৰ মাজেৰেই সেই দণ্ড আঁতৰে এই কথা তুমি নিশ্চয় জানা তাদিক"?

পলিটিকেল কমিচাৰৰ এই কঠোৰ ইঙ্গিতৰ অৰ্থ তাদিকে তেতিয়াই নুবুজিলে।

বুজি পাবলৈ আৰু কিছুদিনৰ সময় লাগিছিল তাৰ।

কাৰ্য্যালযৰ পৰা ওলাই আহিযেই সি দেখিলে চৌটোৰ নিচিনাকৈ থিয দি আছে লি ়পেং। তিনিমাহৰ অন্তত লি পেঙক পুনৰ দেখিবলৈ পাই তাদিকে অকণো আনন্দ অনুভ ৱ নকৰিলে। জাতি এৰি বিজ়ভৰীযা হোৱা মানুহজনক দেখিযেই তাদিকৰ মনত ঘৃণা উপজিল। ি ৱতীয ৰেড-গাৰ্ডৰ নিচিনাকৈ লিপেঙকো স্বজাতিবৈৰী বুলি ভাবি ললে।

“কি খবৰ তাদিক—দেশ ভ্ৰমণ কৰি কেতিযা উভতিলা”?

বিটলীযা লিপেঙৰ এই অভিনয দেখি তাদিকৰ পেটে পেটে খং উঠিল।

“কালিযেই আহি পালো বুলি তুমি গম পোৱা নাই নেকি, কমৰেড পেং”? এই প্ৰশ্নৰ কোনো উত্তৰ নিদিযাকৈ লিপেঙে আন কথা হে অৱতাৰণা কৰিলে। দুযো কথা পাতি পাতি আগবাঢ়ি গ'ল।

‘ তোমাৰ লগৰীযা এজনক বোলে বাটৰ পৰাই ধৰি নিলে, কথাটো সঁচানে তাদিক”?

“তুমি যি শুনিছা মইও সিমানেই জানো”। বিৰক্তিৰে উত্তৰ দিলে তাদিকে।

মোতকৈ তুমিযেই বেছি জানিবা। তিনি মাহ এজনৰ লগত উঠা-বহা খোৱা-শোৱা কৰিলে অচিনজনো বৰ আপোন হৈ নপৰে জানো তাদিক”?

লিপেঙৰ পাক লগা কথাবিলাক তাদিকে বৰ ভাল ়াপালে। তাৰো ওপৰত নজৰ পৰিছে বুলি সি ভাবিবলৈ বাধ্য হ'ল।

‘ভ্ৰমণৰ সময়ত মই নজনা বহুত কথা লেন্‌ডুপে মোক বুজাই কৈছিল সঁচা সৰল তাদিকে লিপেঙৰ জালত খোজ পেলাব ওলাল।

কেনেকুৱা নজনা কথা তাদিক’? গোপন অনুসন্ধানৰ সূত্ৰ বিচাৰি পালো বুলি লিপেং উৎসাহিত হৈ উঠিল।

‘এই ধৰা কোনখন গাঁৱৰ কি নাম, কোনটো আলিবাট ক'ৰ পৰা আহি ক'লৈ গৈছে, চোঠাং কৃষি পথাৰখনৰ কাহিনী, পোতালাৰ ইতিহাস ইত্যাদি বিভিন্ন কথা’।

‘নতুন ব্যৱস্থাৰ বিষযে বা চিংত্ৰোৰ কাৰ্যসূচীৰ বিষযে কিবা বুজাই কৈছিলনে?

‘সেইবিলাকৰ বিষয়ে কিন্তু একো কোৱা নাছিল কমৰেড পেং’। তাদিকে বেমেজালিত সোমাবলৈ ইচ্ছা নকৰিলে।

'তুমি সঁচা কথা কৈছানে তাদিক'? খোজ বখাই থিয় দিলে লিপেঙে।

'মিছা ক'বলৈ মোৰ প্ৰয়োজন ক'ত? মানুহ কাটি মই দেশ এৰি গুচি আহিছিলো, সেই কথাও স্বীকাৰ কৰিছোঁ। কৰ্ম ব্যস্ত নতুন জীৱন এটাত সোমাই পৰি অতীতক পাহৰি যাব বিচাৰিছোঁ যেতিয়া কথা লুকুৱাই মই কৰিম কি কমৰেড পেং'।

লিপেঙে আৰু অধিক প্ৰশ্ন নকৰিলে যদিও তাদিকৰ স্পষ্টবাদী উত্তৰবিলাক হলে ভাল নাপালে। তাদিক ইমান স্পষ্টবাদী নাছিল বুলি লিপেঙে জানিছিল। এতিয়া কিবা এটা মানসিক দণ্ড লৈ সি ভ্ৰমনণৰ পৰা উভতি আহিছে বুলি লিপেঙৰ অনুমান হ'ল। কি সেই দণ্ড তাক জানিবলৈ লিপেঙে তেতিয়াই চেষ্টা নকৰিলে। খালত সোমোৱা মাছ যেতিয়া এদিন জালত পৰিবই লাগিব বুলি ভাবি সিমানতে তাদিকক বিদায় দিব বিচাৰিলে।

'ঠিক আছে যোৱা বান্ধ। ভাবি-চিন্তি চলিবা। কামৰ মাজেৰেই মনৰ স্থিৰতা যে আহে সেই কথা পাহৰি নাযাবা'।

লিপেঙৰপৰা এৰাএৰি হৈ তাদিক উভতি আহিল নিজৰ বেৰেককলৈ। পিচ দিনাৰপৰাই পুনৰ গ্ৰুপ লিডাৰৰ পোছাকযোৰ পিন্ধি সি কুকুৰা পামৰ পুৰণি দায়িত্বটো চম্ভালি ললে। তাৰ ওপৰতো হানৰ শেন চকু পৰিছে বুলি অনুমান কৰি তাদিকে প্ৰতিটো কথাত সচেতন হবলৈ ঠিক কৰিলে। নিজৰ কামত সি আগতকৈ অধিক সক্ৰিয় হৈ উঠিল। তাৰ চাল- চলন, কথা-বতৰাও নিখুঁত কৰি তুলিলে। পুৰণি পেটিৰ বিষয়টোৱে এতিয়া মাজে মাজে আমনিকৰে যদিও তাদিকে সেই কথাত বৰ এটা গুৰুত্ব নিদিলে। এনেদৰেই পাৰ হৈ গ'ল আৰু দুটা মাহ।

কুকুৰা পামৰ মাহেকীয়া প্ৰতিবেদন জমা দিবলৈ যাওঁতে তাদিকে আকৌ এদিন গৈ থিয় দিব লগা হ'ল পলিটিকেল কমিচাৰৰ সম্মুখত?

'তোমাৰ মানসিক দ্বন্দ্ববিলাক আঁতৰ হ'লনে তাদিক'?

কথা-বতৰা আৰু আচৰণ ব্যৱহাৰত পলিটিকেল কমিচাৰজনক এজন মাৰ্জিত মানুহ বুলিয়েই তাদিকৰ ধাৰণা আছিল। আনকি তাৰ প্ৰতি বিশেষভাৱে সহানুভূতিশীল বুলি অনুমানো হৈছিল তাদিকৰ।

'মোৰ মনত কোনো দ্বন্দ্ব আছে বুলি মই কেতিয়াও অনুভৱ কৰা নাই কমৰেড্ কমিচাৰ'?

'দ্বন্দ্ব নাই এনে ব্যক্তি বা সমাজ তুমি কতো নাপাবা তাদিক। দ্বন্দ্ব নাই কেৱল সাম্যবাদী

সমাজত'।

'ইযাৰ কাৰণ কি জানিব পাৰোনে কমৰেড কমিচাৰ'? নজৰুন্দী তাদিকে তাৰ ভুৱা সাম্যবাদী আনুগত্যৰে পলিটিকেল কমিচাৰৰ মন পাবলৈ চেষ্টা কৰিলে।

'সাম্যবাদী দৰ্শন হ'ল এটা মৌলিক সিদ্ধান্ত। বিভিন্ন দণ্ডৰপৰাই এই সিদ্ধান্তৰ জন্ম হৈছে। ইযাৰ পিছত মানৱ সমাজত আৰু কোনো দণ্ড থাকিব নোৱাৰে সমাজৰ সকলো দণ্ডৰ পৰিসমাপ্তিযেই হ'ল সাম্যবাদী সমাজ ব্যৱস্থা বুজিলানে এতিযা?

'ধন্যবাদ কমৰেড কমিচাৰ। মোৰ অজ্ঞতা আঁতৰ হ'ল। তথাপি আৰু এটা কথা সুধি চাব পাৰোঁনে'?

'নিসঙ্কোচে সুধিব পাৰা। তোমাৰ এই আগ্ৰহক মই প্ৰশংসা কৰিছোঁ। পলিটিকেল কমিচাৰৰ আস্থাভাজন হবলৈ তাদিকে আৰু এখোজ আগবাঢ়ালে।

'আমি জানো যে জন্ম লগ্নৰে পৰা মানুহ মুক্ত জীৱ ৰূপে এই পৃথিবীলৈ আহে। কিন্তু সমাজৰ পাক চক্ৰত পৰি সি ক্ৰমান্বযে সুবিধাবাদী শ্ৰেণীৰ অধীন হৈ পৰিবলৈ বাধ্য হয। শিশুৱে জন্ম লগ্নৰে পৰা মাকৰ দযাৰ ওপৰত নিৰ্ভৰ কৰিব লগাত পৰে। এই নিৰ্ভৰশীলতাকো সামাজিব দণ্ডৰে আন এটা ৰূপ বুলি আমি ধৰি লব পাৰোঁ নেকি কমৰেড কমিচাৰ'?

'নিশ্চয ধৰি লব পাৰা তাদিক। দুৰ্বলীৰ ওপৰত সবলীৰ কৰ্তৃত্বই হ'ল পুঁজিবাদ। পুঁজিবাদৰ কুফলতেই সৃষ্টি হয দাসত্বৰ মনোবৃত্তি। এই কাৰণেই জন্ম লগ্নৰেপৰা নবজাত শিশু খিলাকক আমি মাকৰপৰা পৃথক কৰি থও দেখিছাই। শৈশৱ কালৰেপৰা ব্যক্তিৰ মানসিক প্ৰস্তুতি আৰম্ভ কৰিব পাৰিলেহে সময়ত সেইজন ব্যক্তিযেই এজন পৰিপক্ক সাম্যবাদী হৈ উঠিব পাৰে জানিবা'।

তোমাৰ এই সূক্ষ্ম চিন্তাৰ কাৰণে তোমাক প্ৰশংসা কৰিছোঁ তাদিক। তুমি বিপ্লৱী চিন্তা-চৰ্চ্চাৰ গভীৰতালৈ সোমায পৰিব ধৰা দেখি ভাল লাগিছে। এতিয়া কোৱাচোন তুমি কিয আহিলা?'

'আজি কিছুদিনৰপৰা তল পেটৰ এইখিনিতে (দেখুৱাই দিযে) পুৰণি বিষ এটা আকৌ অনুভৱ কৰিছোঁ। এই কাৰণতে দহদিন মানৰ পৰা নিজৰ কামত মন দি লাগিব পৰা নাই। সেই কথাকে জনাব আহিছোঁ কমৰেড কমিচাৰ'।

'ভাল কৰিছা। মানসিক দ্বন্দ্বৰপৰা মুক্ত হ'ব পাৰিলে শাৰীৰিক সমস্যা বিলাকো

লাহে লাহে নোহোৱা হৈ পৰে তাদিক। তোমাৰ মোৰ শৰীৰবিলাকো বিপ্লৱৰেই অংশ বুলি ধৰি লৈ কাম কৰি গলে ৰ'দ -বৰষুণ বা বেমাৰ -আজাৰেও একো কৰিব নোৱাৰিব'। হান পলিটিকেল কমিচাৰৰ কথাবিলাক শুনি "ইহঁত মানুহ নে পিশাচ" বুলি ভাবিলে তাদিকে। তাৰ মাজতে হান বিষয়া জনে পুনৰ আৰম্ভ কৰিলে নিজৰ ভাষণ।

'চাংহাই চহৰৰ চিকিৎসালয় এখনত ঘটা সঁচা ঘটনা এটাৰ কথাকে উল্লেখ কৰিব খুজিছোঁ মন দি শুনি লোৱা।

এগৰাকী ৰুগীয়া মহিলাক ব্ৰেস্ত এপ্‌চেচ'ৰ কাৰণে সেই চিকিৎসালয়খনলৈ অনা হৈছিল। অপাৰেচনৰ সময়ত ক্লোৰোফৰ্ম প্ৰয়োগ কৰিবলৈ লওঁতে ৰুগীয়া মানুহ গৰাকীয়ে নেলাগে বুলি ক'লে। ক্লোৰোফৰ্মৰ সলনি মহান নেতা কমৰেড মাও-জে-ডেঙৰ অকণমানি ৰেডবুক'খন আনি দিব ক'লে। সেইখন পঢ়ি থাকোতেই সজ্ঞান অৱস্থাত অপাৰেচন কৰা হৈছিল, তথাপি মানুহ গৰাকীয়ে গম পোৱা নাছিল। এযে হ'ল প্ৰকৃত বিপ্লৱী মানসিকতা'।

'আমাৰ শৰীৰবিলাক হ'ল ক্ষণস্থায়ী আৰু উৰলি যাব পৰা বস্তু মাত্ৰ। সাম্যবাদ হ'ল বিশৃঙ্খল সমাজ ব্যৱস্থাৰ বাবে এক চিৰস্থায়ী সমাধান। গতিকে মানৱ সমাজৰ বৃহৎ স্বাৰ্থৰ তুলনাত ব্যক্তি ডাঙৰ হ'ব নোৱাৰে। তোমাৰ মোৰ সামান্য অসুখ বিসুখৰ কাৰণে হাজাৰ হাজাৰ মানুহক ভোকাতুৰ কৰি ৰাখিবা কেনেদৰে তাদিক? ইও হ'ল এক বিপ্লৱ বিৰোধী অপৰাধ'।

তাদিকে ভাবিলে এই সাম্যবাদী পিশাচটোৰ লগত আৰু অধিক কথা পাতি একো লাভ নহব।

এতিয়াহে মোৰ শুদ্ধ উপলব্ধি আহিছে কমৰেড্ কমিচাৰ। এই সামান্য বিষ এতিয়াৰ পৰা মই সহজে পাহৰি পেলাব পাৰিম।'

তাদিক ওলাই আহিল এক ভগ্ন মন লৈ। বাহিৰত আহি সি তল পেটটোত আকৌ এবাৰ খামোচ মাৰি ধৰিলে। সোঁ হাতৰ তলুৱাৰে তলপেটটো অলপ পিহি দি দি বেৰেকলৈ বুলি খোজ বঢ়ালে। বেৰেকত গৈ বিছনাত দীঘল দি পৰি তাদিকে তলপেটৰ বিষটো পাহৰিবৰ চেষ্টা কৰিলে। লাকচিঙৰ কথা তাৰ মনত পৰিল। লাকচিঙতো এই বিষটো কেতিয়াবা উঠিছিল। অলপ জৰা-ফুকা কৰালেই বিষ আঁতৰি গৈছিল। কুকুৰা পোৱালি এটা আনি দিলেই পূজাৰীয়ে সেই পোৱালিৰ গাত মন্ত্ৰ মাতি বিষ আঁতৰাই

দিব পাৰিছিল। হস্পিতেলৰ তিতা-কেঁহা ঔষধত অকণো বিশ্বাস নাছিল তাদিকৰ । কম্পাউণ্ডাৰে ঔষধো খাব দিছিল, লগতে পূজাও কৰিব কৈছিল। ডাক আনিবলৈ যাওতে ছয় দিনৰ বাট তিনিদিনতেই অহা যোৱা কৰা কাৰণেই বিষটো হৈছিল বুলি কম্পাউণ্ডাৰে বুজাই দিছিল। খোজকঢা কমালেই বিষ ভাল হৈ যাব বুলি কোৱা কথাটো আজিও তাৰ মনত আছে।

এতিয়া পলিটিকেল কমিচাৰে কৈছে— কামৰ মাজেৰেই বিষ পাহৰি যাব লাগিব বুলি। কথাটো ভাবি ইহঁত মানুহ নে চাবি দিয়া যন্ত্ৰ বুলি তাদিকৰ হাঁহি উঠিল। মাক আৰু সন্তানৰ মাজতো পুঁজিবাদৰ ভূত দেখা পলিটিকেল কমিচাৰক সুধিব লাগিছিল যে মাকৰ বুকুৰ মাজৰ পৰা কাটি লৈ যোৱা লেনৃডুপক সিহঁতে দহ বছৰতো কিয় কমিউনিষ্ট কৰিব নোৱাৰিলে।

'এই অসময়ত শুই আছা কিয় তাদিক'? অপ্ৰত্যাশিত প্ৰশ্নত তাদিক উচ্‌প খাই উঠিল। চকু মেলি চাই দেখিলে বিছনাৰ ওচৰতে থিয় আছে লি পেঙও।

'অ কমৰেড পেং ,তল পেটটো অলপ বিষাইছে কাৰণে ক্ষন্তেক বিশ্ৰাম লৈছোঁ ।

'কেতিয়াৰপৰা এই বিষ হৈছেনো'?

'আজি কেইৰাদিনো হ'ল। মাজে মাজে নোহোৱা হয় আৰু কেতিযাবা হঠাতে বেছি হৈ পৰে' কৈ কৈ তাদিক উঠি বহিল।

'ঔষধ খাইছানে নাই'?

'এতিয়ালৈকে খোৱা নাই। এনেয়ে ভাল হৈ যাব বুলি ভাবিছিলোঁ। এতিয়া খাব লাগিব কমৰেড পেং।

'পুৰণি বেমাৰ নেকি ? অৰ্থপূৰ্ণ প্ৰশ্ন কৰিলে লি পেঙে।

'হয় কমৰেড বেমাৰটো অলপ পুৰণি'।

'আগতে কি কৰিছিলা বেমাৰটো হলে'?

এই প্ৰশ্নৰ কোনো উত্তৰ দিব নোৱৰিলে তাদিকে। তাক মনে মনে থকা দেখি লি পেঙে সুবিধা পালে।

'পূজা-পাতলকে কৰিছিলা নিশ্চয'? একো উত্তৰ বিচাৰি নেপাই তাদিক বিবুদ্ধি হ'ল। লি পেঙে তালৈ চায় অৰ্থপূৰ্ণভাৱে মুখটো অলপ দুপিয়ালে।

'কিবা কামত আহিছা নেকি কমৰেড্‌ পেং'?

'তোমাক কথা এটা জনাবলৈ আহিছোঁ'।

'কি কথা? তাদিক অলপ উৎকণ্ঠিত হৈ পৰিল। ইহঁতে কেতিয়া কি কৰে, কি কয় তাৰ একো নিশ্চযতা নাই। হাঁহি হাঁহি ইহঁতে মৃত্যুৰ আদেশো দিব পাৰে।

'কাইলৈ থামজিঙৰ সভা এখন বহিব। নিয়ম ভঙ্গকাৰী এজনে নিজৰ অপৰাধ স্বীকাৰ কৰিব। সেই সভাত সময় মতে তুমি উপস্থিত থাকিবা তাকে জনাবলৈ আহিলোঁ।'

'সভাৰ সময়টো'?

'আবেলি চাৰি বজাত'। সংবাদটো দি লি পেং গুচি গ'ল।

তাদিক বিছনাখনত পুনৰ দীঘল দি পৰিল। কাইলৈ এজনক আকৌ মুকলি ভাবে অপদস্থ কৰা হব তাকে চাবলৈ লি পেঙে তাক হাঁহি হাঁহি আমন্ত্ৰণ জনাই গ'ল। কিমান নিৰ্ম্মম হব পাৰে ইহঁত। চিংত্ৰোৰ নামত অমানুষিক কাম কৰিবলৈ ইহঁতে অকণো অস্বস্তি অনুভ ব নকৰে কিয বুলি তাদিকে ভাবিলে। সি বাগৰ সলায় শুবলৈ লওতেই সন্ধিযাৰ খাদ্য খোৱা সংকেত ধ্বনি বাজি উঠিল। সি থিয দি উঠি মেচ্‌টিনটো হাতত লৈ অলপ ভাবি চালে। পেটটো পিহি চায, নাখালেও অপৰাধ বুলি ধৰি লোৱা হব ভাবি সি খৰখোজে ওলাই আহিল।

নিশা বহু পৰলৈকে তাদিকৰ টোপনি নাহিল। পেটৰ বিষটো তেতিয়ালৈ কমিল যদিও ঔষধ খাব নে পূজা কৰাব চিন্তা কৰিলে। ঔষধত তাৰ অকণো বিশ্বাস নাই। কিন্তু মন্ত্ৰ জনা মানুহ সি ক'ত বিচাৰি পাব সিও এক সমস্যা হৈ দেখা দিলে তাৰ মনত। এইখন গাঁওত আগতে ডাঙৰ ডাঙৰ বেমাৰ ভাল কৰি দিয়া মানুহ থকা তাৰ মনত আছে। আনকি কঠিন নৰিযাত পৰা ৰোগীৰ বাবে লাকচিঙৰ মানুহে ইয়াৰপৰাই পূজাৰী মাতি নিছিল সেই কথাও মনত আছে। সেই পূজাৰীবিলাকৰ কোনোবাজন বিনিথাঙত এতিয়াও আছে নে নাই সি নেজানে । খবৰ লব লাগিব বুলি ভাবি থাকোতেই তাৰ টোপনি আহিল।

পিচদিনা তাদিক গৈ কুকুৰা পামৰ কামত লাগিব। কামত লাগিল যদিও বিনিথাঙৰ পুৰণি মানুহ এজনক বিচাৰি পোৱাতহে অধিক মনোযোগ দিলে।

'এইখন পামত তুমি আৰম্ভণিৰপৰাই কাম কৰি আছা নেকি কমৰেড'? আদহীয়া মানুহ এজনৰ কাষ চাপি তাদিকে প্ৰশ্ন কৰিলে। কুকুৰাবিলাকক দানা দি থকা মানুহজনে গ্ৰ-পলিডাৰ তাদিকক দেখি অপ্ৰতিভ হৈ হে থিয় হৈ পৰিল।

'নাই নাই ভয় কৰিব নালাগে,মই এনেযে সুধিছোঁ'।

থামজিং সভাৰ নিষ্ঠুৰ দৃশ্যবিলাকে মানসিকভাৱে পঙ্গু কৰি পেলোৱা শ্ৰমিকজনৰ প্ৰতি তাদিকৰ সহানুভু তি উপজিল।

'নহয় নহয়, মই পিছতহে আহিছোঁ কমৰেড লিডাৰ'। ভয়ে ভয়ে উত্তৰ দিলে মানুহজনে।

'আৰম্ভণিৰূপৰা এই পামত থকা কোনোবা আছে বুলি তুমি জানানে'?

'জানো, জানো কমৰেড। সৌজন আৰম্ভণিৰপৰাই আছে বুলি শুনিছোঁ'।

এই বুলি দূৰৈত থকা আন এজন শ্ৰমিকলৈ আঙুলিৰে দেখুৱাই দিলে। মানুহেজনে যেন গ্ৰুপ লিডাৰ তাদিকৰপৰা অব্যহতি পাব বিচাৰিলে।

'হব বাৰু, তুমি কাম কৰি থাকা।' এই বুলি তাদিক আগবাটি গ'ল আন এটা গডালত কাম কৰি থকা শ্ৰমিকজনৰ কাষলৈ।

তোমাৰ ভালনে কমৰেড'? কুশল বাতৰি লোৱাৰ ভূমিকাৰেই তাদিকে আৰম্ভ কৰিলে।

'ভালেই আছোঁ কমৰেড লিডাৰ।

'ইযাত পাঁচশ কুকুৰা আছে নহযনে? কথাটো জানিও তাদিকে সুধিলে।

'হয় কমৰেড পাঁচশই আছে।

'আজি কণী কিমান পালানো'?

'দুশ হবলৈ অলপহে বাকী। এতিযাও সময আছে কমৰেড ।

'এইখন পামত আৰম্ভণিৰূপৰাই তুমি লাগি আছা নহযনে'?

'হয কমৰেড। অৱশ্যে মাজতে ছমাহৰ বাবে আন ঠাইলৈ পঠাইছিল।'

'তুমি বিনিথাওৰ পুৰণি বাসিন্দা নহয জানো'? তাদিকৰ প্ৰশ্নটো শুনি আদহীযা মানুহজনে অলপ চিন্তা কৰিলে। উত্তৰ নিদিযাকৈ মনে মনে থাকিল।

'এনেযে সুধিছোঁ, বিনিথাংৰ পুৰণি বাসিন্দা যেতিযা "না" ভাষা নিশ্চয জানা'?

'জানো কমৰেড'। শঙ্কিত মানুহজনে তথাপি স্বাভাবিক হ'ব নোৱাৰিলে।

'মইও না মানুহ। সীমান্তৰ সিপাৰে থকা লাকচিং গাঁনতে ঘৰ আছিল'। কথাখিনি খোলা-খুলিভাৱেই কৈছিল তাদিকে।

'হয নেকি কমৰেড'? লাকচিঙলৈ দুবাৰমান মইও গৈছিলোঁ। তাগামক চিনি

পোৱানে কমৰেড লিডাৰ?

'কোন তাগামৰ কথা কৈছা বা তুমি'?

লাকচিঙত তাগাম দুজনেই আছিল। এজন তাদিকৰ মৃত দেউতাক আৰু আনজন চৰকাৰী খাদ্য গুদামত কাম কৰা চৌকিদাৰ। চৌকিদাৰজন তাদিক পলাই অহাৰ সময়তো গুদাম ঘৰতে কাম কৰি আছিল।

'ৰঙা কম্বল পোৱা তাগামৰ কথা কৈছোঁ।

'অ জানো। সেইজন এতিয়া নাই। চাৰি বছৰমান আগতে ঢুকাইছে।

তাদিকৰ বাপেকেই ৰঙা কম্বল পোৱা গাঁওবুঢ়া আছিল। এতিয়া টাচা গাঁওবুঢ়া হৈছে।

'বৰ ভাল মানুহ আছিল। কেইবাৰ মান বিনিথাংলৈকো আহিছিল। লগতে পুতেকজনকো আনিছিল। পুতেকজন এতিয়া মানে ডেকা মানুহ হ'ল কিজানি'। তাদিকে ভাবিলে-হায দুৰ্ভাগ্য সম্মুখতে থিয় দি থাকিও নিজৰ পৰিচয় লুকুৱাই থব লগা হৈছে।

এনেযে আহিছিল নে কিবা কামত আহিছিল'? তাদিকে লাহে লাহে সি বিচৰা সমিধানৰ ওচৰ চাপি যাব ধৰিলে।

লাকচিঙত হেনো কোনোবাজনৰ টান নৰিয়া হৈছিল। পূজাৰী নিবলৈ আহিছিল।

'হয় নেকি? বিনিথাঙৰ ভাল পূজাৰী পোৱা গৈছিল নেকি?

গৈছিল কমৰেড লিডাৰ সীমান্তৰ ইপাৰে সিপাৰে বিনিথাঙৰ পূজাৰীৰ বৰ সুনাম আছিল।

কৰ্মীজনে উত্তৰবিলাক ক্ৰমান্বয়ে নিসঙ্কোচে দিবলৈ ধৰিলে।

পূজাৰীসকল এতিয়া নাই নেকি?

'দুজন মান মৰিল। দুজন মানক ক'ৰবালৈ লৈ গ'ল। সৌ জনো এটা সময়ত পূজাৰীযেই আছিল।

এই বুলি আন এটা গড়ালৰ চাৰিওপিনে বাৢনীৰে সাৰি থকা মানুহজনলৈ দেখুৱাই দিলে।

'আজি কালিও পূজা-পাতল কৰে নেকি'? গ্ৰূপ লিডাৰ তাদিকৰ প্ৰশ্নত মানুহজনৰ ভয লাগিল। নক'ব লগা কথা কৈ পেলালে বুলি ভাবি লগে লগে সংশোধন কৰিব খুজিলে।

'নাই নাই নকৰে। একেবাৰেই নকৰে কমৰেড লিড্ৰৰ'।

কথা সুধি থাকোতে লি পেঙে আঁতৰৰপৰা সিহঁতলৈ চাই থকা দেখিলে তাদিকে। সিহঁতৰ কথাবিলাক নুশুনিলে যদিও লি পেঙে তেনেদৰে চাই থকা কথাটো তাদিকে বৰ ভাল নেপালে। কুতৰ্কী লি পেঙৰ চাল-চলনত তাৰ সন্দেহ উপজিল।

'ঠিক আছে তুমি কাম কৰি থাকা বাৰু মই আন গডালকিটা এবাৰ চাই আহোঁগে'। এই বুলি তাদিকে লি পেংক দেখুৱাই কুকুৰা গডাল বিলাক ঘৰি পকি চাব ধৰিলে। অলপ পিচতেই লি পেঙ ওচৰ পালেহি।

'কি চাইছা তাদিক'?

'কুকুৰাবিলাকে দানা পানী ঠিক মতে পাইছেনে নাই তাকেই চাই ফুৰিছোঁ কমৰেড পেং।

'এইজন কুকুৰা পামৰ সকলোতকৈ পুৰণি মানুহ। পুৰণি কথা বহুত জানে'। লি পেঙৰ এই ইঙ্গিতপূৰ্ণ মন্তব্যই তাদিকক চিন্তাত পেলালে।

'পুৰণি মানুহ যেতিযা পুৰণি কথা নিশ্চয জানিব লাগিব ।

তাদিকৰ উত্তৰ শুনি লি পেংৰ হাঁহি উঠা দেখিলে তাদিকে। লি পেঙৰ এই কুটিল হাঁহিযে তাদিকক আৰু অধিক বিমোৰ কৰি পেলালে। তাৰ পিছত যে লি পেঙে ছাঁৰ নিচিনাকৈ লাগি ফুৰিছে সেই কথাত আৰু তাৰ কোনো সন্দেহ নাথাকিল।

'অলপ পিচতেই থামজিঙৰ সভা বহিব মনত আছেনে নাই'?

'মনত আছে কমৰেড। ইমান গুৰুত্বপূৰ্ণ সভাখনৰ কথা পাহৰিব পাৰি জানো'?

'সেইটো তুমিযেই জানিবা'।

লি পেঙৰ খোচমৰা উত্তৰটোৱে তাদিকৰ গা মন বেজবেজীযা কৰি পেলালে। এই জাতিদ্ৰোহীটোৱেই এদিন তাৰ সৰ্বনাশ মাতি আনিব পাৰে বুলি তাদিকৰ মনত কিবা এটা আশঙ্কাই মূৰ দাঙি উঠিল।

"সভাৰ সময হৈ আহিল যেতিযা মই আগবাঢি যাওঁনে কমৰেড পেং?

"তুমি আগবাঢা মই, আহি আছোঁ"।

লি পেং থাকি গ'ল। তাদিকে আগবাঢি যাওঁতে পিচলৈ চাবলৈ তাৰ সাহস নহল। কিন্তু আন এটা গড়ালৰ কাষেৰে ঘূৰি যাওঁতে সি লি পেঙৰ দৃষ্টিৰ পৰা আঁৰত সোমাল। কুকুৰা গড়ালটোৰ জালি বেৰৰ মাজেৰে চাঁওতে সি দেখিলে লি পেঙে আদহীযা

মানুহজনৰ লগত একান্তমনে কথা পাতি আছে। এইবাৰ তাদিক নিশ্চিন্ত হৈ পৰিল। লগে লগে তাৰ মনলৈ আহিল চিগাজেৰ কথা। চকুৰ সন্মুখ তে লেনডুপ নোহোৱা হৈ যোৱা সি দেখি আহিছে। এদিন সিও তেনেদৰেই নোহোৱা হৈ যাব লাগিব নেকি বুলি ভাবি তাৰ গুপ্ত ক্ৰোধটো পুনৰ মূৰ দাঙি উঠিব খুজিলে। দাখন তাৰ কঁকালত থকা হেঁতেন তেনেকুৱা তিনিজন লি পেঙক সি কেৰেপকে নকৰিলেহেঁতেন বুলি ভাবি হাতৰ মুঠিটো টানকৈ মাৰিলে।

(২৮)

তাদিক গৈ যেতিয়া থামজিঙৰ সভাঘৰত উপস্থিত হ'ল, তেতিয়া সভা আৰম্ভ হওঁ হওঁ। শাৰী শাৰীকৈ বহা বিনিথাং গাঁওৰ মানুহেৰে প্ৰকাণ্ড ঘৰটো উপচি পৰা দেখিলে তাদিকে। সভাগৃহৰ একাষে গৈ সিও থিয় দিলে। ওচৰে পাজৰে থিয় দি থকা বহুতকে তাদিকে চিনি পালে যদিও মাতিব নোৱাৰিলে। বন্ধুত্ব কৰাটো নীতি বিৰুদ্ধ কথা। চকুৰে চকুৰে শুভেচ্ছা প্ৰকাশ কৰাতেই সীমাবদ্ধ থাকে এই চিনা পৰিচয়।

ঠিক সেই সময়ত কেইজনমান সৈনিকে এজন যুৱকক ৰছীৰে বান্ধি মঞ্চৰ ওপৰলৈ টানি অনা দেখিলে সকলোৱে। যুৱকজন তাদিকৰ পৰিচিত যেন লাগিল। তাৰ মনত পৰিল গাহৰি পামৰ কথা। সেই সময়ত সিও কাম কৰিছিল গাহৰি পামখনতে। মাজে মাজে এই ল'ৰাজনক লগ পোৱা কথাটো তাৰ মনত পৰিল। বৰ অক্লান্তভাবে কাম কৰি গৈছিল এই ল'ৰাজনে। ছমাহ পিছত তাক এই অৱস্থাত দেখি তাদিকে বুজি নেপালে কি অপৰাধৰ বাবে এই লৰাজনক এনেদৰে ৰচিৰে বান্ধি আনিছে থামজিঙৰ সভালৈ। এনেতে মঞ্চৰ ওপৰলৈ উঠি গ'ল পলিটিকেল কমিচাৰজন। মঞ্চত উঠিয়েই আৰম্ভ কৰি দিলে নিজৰ ভাষণ।

'কমৰেড সকল'।

এইজন যু ৱকে এক জঘন্য অপৰাধৰ অপৰাধী হৈ আজি থিয় দিব লগা হৈছে জনগণৰ সন্মুখত। অপৰাধটো কি সেই কথা জনাৰ পিচত আপোনালোকে লাজতে মূৰ তল কৰিব লগা হ'ব।

শ্ৰোতাসকলে অতি উৎকণ্ঠৰে অপেক্ষা কৰিলে অপৰাধৰ বৰ্ণনা শুনিবলৈ। থামজিঙৰ সভাত অপৰাধ স্বীকাৰ কৰি লোৱাটো এটা নিয়ম বুলি সকলোৱে জানে। মুকলি সভাৰ বিচাৰ হ'ল প্ৰহসন মাত্ৰ। কি শাস্তি আৰোপ কৰা হ'ব তাকো আগতীয়াকৈ

ঠিক কৰি অনা হয়। শ্ৰোতাসকলৰ বাধ্যতামূলক হাত চাপৰিকে গণ বিচাৰৰ সিদ্ধান্ত বুলি ধৰি লোৱা হয়, সেই কথাও জানে জনসাধাৰণে। গতিকে অপৰাধৰ বৰ্ণনাতকৈ কি শাস্তি ঘোষণা কৰা হ'ব তাকে শুনিবলৈ শ্ৰোতাসকলে অস্থিৰভাবে অপেক্ষা কৰিলে।

'এইজন যুৱক দেখাত বৰ সৰল আৰু এজন নিষ্ঠাবান কৰ্মী বুলি সকলোৱে ভাবিছিল। কিন্তু অন্ধাৰৰ সুযোগ লৈ এইজন যুৱকে যে তলে তলে বিপ্লৱ বিৰোধী কাম কৰিব পাৰে সেই সন্দেহ কাৰো মনলৈ আহা নাছিল'।

কিন্তু আমাৰ সদা সচেতন কমৰেডসকলৰ চকুত ধূলি দি এইজন মূৰ্খ যুৱকে সাৰি যাব নোৱাৰিলে। বিনিথাঙৰ সমূহীয়া পামৰ চাৰিওপিনে বিপ্লৱৰ সহস্ৰ সজাগ চকু কাণ আছে, অপৰাধ কৰি কোনেও সৰকি যাব নোৱাৰিব। এদিন নহয় এদিন ধৰা পৰিবই লাগিব। যেনেদৰে ধৰা পৰিল এইজন বিপ্লৱ বিৰোধী যুৱক'।

পলিটিকেল কমিচাৰৰ সকীয়নীবিলাক তাদিকে ৰুদ্ধশ্বাস উৎকণ্ঠাৰে শুনিব ধৰিলে। সিও এই সকীয়নীৰ ভিতৰতে পৰিছে নেকি বুলি ভাবি থাকোতে তাৰ কাণৰ ওপৰত নিঃশ্বাসৰ উষ্ণতা অনুভৱ কৰিলে। পিচলৈ উভতি চাওতেই—

কোনেও সাৰি যাব নোৱাৰে নহয়নে তাদিক? এদিন নহয় এদিন ধৰা দিবই লাগিব— কি কোৱা? মিচিকিয়াই হাঁহি থকা লি পেঙে কেতিয়া আহি তাৰ পিচপিনে থিয় দিছিল তাদিকে গমেই নাপালে। কুকুৰনেচীয়া বাঘৰ নিচিনা নিস্মৰ ইযাৰ গতি এনেহেন লাগিল তাদিকৰ।

কেনেকৈ সাৰি যাব কমৰেড পেং। বিপ্লৱ বিৰোধী মানুহ এদিন নহয় এদিন *ধৰা পৰিবই লাগিব*'।

কিবা এটা উত্তৰ নিদিলে নহ'ব বুলি ভাবিযেই উত্তৰটো দিলে তাদিকে।

'লেন্‌ডুপ যেনেকৈ ধৰা পৰিছিল নহয়নে তাদিক'?

লেন্‌ডুপৰ প্ৰসঙ্গ পুনৰ উত্থাপন কৰা দেখি তাদিক সচেতন হৈ উঠিল। সেই প্ৰসঙ্গ এৰাই যাবলৈ তাদিকে মনে মনে থাকিব বিচাৰিলে যদিও কিবা এটা উত্তৰ নিদিলে লি পেঙৰ সন্দেহ বঢ়াইহে তোলা হ'ব বুলি ভয় কৰিলে।

'এই জনৰ অপৰাধ কি কমৰেড পেং'?

'এতিয়াই শুনিবলৈ পাবা। কমৰেড কমিচাৰৰ কথাবিলাক মনদি শুনি যাবা মাত্ৰ।' ইতিমধ্যে পলিটিকেল কমিচাৰে নিজৰ ভাষণ আৰম্ভ কৰিলে।

পূৰ্বতে কৰা অপৰাধক স্বীকাৰ কৰি লবলৈ আমি সকলোকে যথেষ্ট সময় আৰু সুযোগ দিছোঁ। অপৰাধৰ সংশোধন আছে বুলি আমি জানো। বিপ্লৱ মানেই সংস্কাৰ আৰু সংশোধন। অপৰাধ স্বীকাৰ কৰি ললে মানসিক সংশোধন নিজে নিজেই আহে। কিন্তু যিসকলে অপৰাধ লুকুৱাই থব বিচাৰে সিহঁতক জন্মগতভাবে অপৰাধী বুলি ধৰি লব পাৰি। অপৰাধ কৰাটো ইহঁতৰ জন্মগত স্বভাৱ। এনে অপৰাধী ব্যক্তিবিলাক পুৰণি চিন্তা ধাৰাৰেই বাহক। গতিকে সামাজিক সংস্কাৰৰ প্ৰযোজনতেই ইহঁতৰ মানসিকতাও সলনি হব লাগিব। এই মানসিকতা সলনি হোৱাৰ এক মাত্ৰ উপায হৈছে কঠোৰ শ্ৰম'। পলিটিকেল কমিচাৰে শ্ৰম শিবিৰৰ কথা উল্লেখ কৰোতেই সভাগৃহ কাঁহ পৰি জিন যোৱাৰ নিচিনা নিস্তব্ধ হৈ পৰিল। একোটা জীৱাত্মৰ নিচিনাকৈ মানুহবিলাকে পলিটিকেল কমিচাৰৰ মুখলৈ থৰ লাগি চাই থকা তাদিকে দেখিলে। শ্ৰম শিবিৰ এটা সিও দেখি আহিছে চিগাজেৰ পথত। বিনিথাঙৰ বাসিন্দাই তেনে শিবিৰ দেখা হযতো নাই কিন্তু তেনে শিবিৰৰ ভযঙ্কৰ বৰ্ণনাবিলাক নিশ্চয শুনিছে বুলি তাদিকে ধৰিলে।

'অপৰাধ কৰাটো যিমান দোষণনীয, এজন অপৰাধীক জানি বুজিও ধৰাই নিদিয়াটো একেই সমান অপৰাধ বুলি ধৰি লোৱা হয। এজনে অপৰাধ কৰিব বুলি জানিও এইজন যুৱকে সেই কথাটো ছমাহ লুকুৱাই থৈছিল। এযে ইযাৰ অপৰাধ।

চাংগে পলাই যাব বুলি এইজনে গম পাইও কথাটো লুকুৱাই থৈছিল। ছমাহ পিছত ধৰা পৰিছে। এতিযা এই জনে নিজ মুখে অপৰাধ স্বীকাৰ কৰি লবা আপোনালোকে মন দি শুনিব লাগে ।

কমিচাৰৰ বক্তব্য অন্ত পৰাৰ পিচত কযেদীজনে লাহে লাহে মুখ তুলি সমৱেত দৰ্শকৰ পিনে চালে। দৰ্শকে বুজি পালে যে যুৱকজনে মানসিক আৰু শাৰীৰিক ভাবে ইতিমধ্যে নিৰ্য্যাতিত হৈ আহিছে। ৰেডগাৰ্ডসকলৰ সন্ত্ৰাসৰ বলী হোৱাযুৱক জনে অসংলগ্ন ভাবে যিখনি কথা ক'লে তাৰ অৰ্থ এনেধৰণৰ—'মই গাহৰি পামত কাম কৰিছিলোঁ। চাংগেৰ লগত মোৰ চিনা পৰিচয আছিল। চাংগেৰ চাল-চলন আৰু কথা বতৰাত বিপ্লৱ বিৰোধী মনোভাব প্ৰকাশ পোৱা সত্ত্বেও মই কথাটো গোপন কৰি থৈছিলো। এইটো মোৰ অপৰাধ হৈছে।

তাৰ পিচতে চাংগে পলাই যাব বুলিও মই গম পাইছিলোঁ। এই কথাও মই গোপন কৰি ৰখাৰ ফলতেই চাংগে পলাই যাবলৈ সুবিধা পাইছিল। মোৰ এই ভুলৰ বাবে মই

এতিয়া অনুতপ্ত হৈছোঁ।
চাংগেৰ সেই বিপ্লৱ-বিৰোধী চাল-চলনক ওপৰত জনাই দিয়াতো মোৰ কৰ্তব্য আছিল। এই বিপ্লৱী দায়িত্ব মই পালন নকৰাৰ ফলতেই দুজন দেশপ্ৰেমিক সৈনিকে প্ৰাণ বেৰুবাৰ লগা হ'ল। মোক আপোনালোকে ক্ষমা কৰিব লাগে। ভৱিষ্যতে মই এনে ভুল আৰু কেতিয়াও নকৰোঁ'।
কথাখিনি শেষ কৰি বন্দী যুৱকজনে হতাশাতে কান্দিব ধৰিলে।

শুনিলেনে আপোনালোকে এই জঘন্য অপৰাধৰ কাহিনী? এনে অপৰাধৰ বাবে কি শাস্তি উপযুক্ত বুলি ভাবে আপোনালোকে? জনতাৰ সিদ্ধান্তকে চূড়ান্ত বুলি ধৰি লোৱা হব'।
পলিটিকেল কমিচাৰে বক্তব্য অন্ত পৰাৰ লগে লগে সভা গৃহৰ এটা চুক'ত থিয় দি উঠিল এজন যুৱক।

'ইয়াৰ মূৰৰ চুলি উঘালি পেলাব লাগে' বুলি চিঞৰি দিলে যুৱকজনে। সেই চিঞৰ শুনি তাদিকে যুৱকজনলৈ মুখ ঘূৰাই চালে। যুৱক জনে আগবাঢ়োৱা প্ৰস্তাৱটো শুনি তাদিকৰ সমস্ত শৰীৰ শিৰ-শিৰাই গ'ল। এজন জীৱন্ত মানুহৰ মূৰৰ কেঁচা চুলি-বিলাক আজুৰি আজুৰি উঘালি পেলোৱা কামটো কিমান নৃশংস হ'ব পাৰে সেই পৰিণাম তাদিকে দূৰত থিয় দিয়েই অনুভৱ কৰিলে।
সি জীৱন্ত মানুহৰ পৃথিৱীখনত আছেনে দৰ্য্য নৰকৰ দুৱাৰ দলিত আহি থিয় দি আছে সেই কথা ভাবিব ধৰিলে। ইতিমধ্যে শ্ৰোতাসকলৰ মাজৰ পৰাই দুজন যুৱকক মঞ্চলৈ উঠি যোৱাৰ নিৰ্দেশ আহিল।
তাৰ পিচতেই সমগ্ৰ সভা গৃহৰ দৰ্শকৰ সম্মুখতে আৰম্ভ হ'ল সেই অমানুষিক নিৰ্য্যাতন। তাদিকে নাচাও বুলিও চাই থাকিব লগা হ'ল সেই নাৰকীয় দৃশ্য। লি পেঙে পিচপিনে থিয় দি থকাটো তাদিকে জানে।

এই দৃশ্য নোচোৱাটোকো বিপ্লৱী অপৰাধ বুলি ধৰি লোৱা হব, সেই কথা ভাবিয়েই তাদিকে থিয় দি চাই থাকিল।
মঞ্চলৈ উঠি যোৱা যুৱক দুজনে অপৰাধী ব্যক্তিজনৰ দুকাষে গৈ থিয় দিলে। চৰম শাস্তিৰ বাবে নিজকে মানসিকভাবে সাজু কৰি অভিযুক্ত ব্যক্তিজনে চকু মুদি পেলালে। তাৰ পিচতেই আৰম্ভ হ'ল সেই অমানবীয় নিৰ্য্যাতন। দুকাষে থিয দি যুৱক দুজনে মুঠি

মুঠি চুলি উঘালিব ধৰোতে সভাগৃহঁতৰ দৰ্শকে হাত চাপৰি মাৰিব ধৰিলে। এই সমূহীয়া সমৰ্থনসূচক হাত চাপৰিও যে এটা বাধ্যতামূলক কাম সেই কথা সকলোৱে জানে। বজ্ৰ কঠিন দৃঢ়তাৰে অপৰাধীজনে সেই শাস্তিক চকু মুদি সহি যাব ধৰিলে যদিও তাৰ মুষ্টিবদ্ধ হাত দুখনতে প্ৰকাশ পালে অসহ্য বেদনাৰ ইঙ্গিত। ওঁঠ দুটা কামুৰি ধৰিও সি সহিব বিচাৰিলে সেই বেদনা। মূৰৰ চুলিখিনিৰ বিনিময়ত তাৰ প্ৰাণটোকো যদি সিহঁতে অব্যাহতি দিয়ে, সেই ক্ষীণ আশাতেই সি কিছুসময় থিয় দি থাকিবৰ আপ্ৰাণ চেষ্টা কৰিলে। দুগাল বৈ তাৰ চকুলো ওলায় আহিল। থৰক বৰক কৈও সি থিয় দি থাকিব নোৱাৰা হ'ল। তাৰ গা কঁপিব ধৰিলে— তাৰ পিচত চেতনা হেৰুৱাই বাগৰি পৰিল মঞ্চৰ ওপৰত।

(২৯)

নিশা শুবৰ সময়ত থামজ্জিং সভাৰ প্ৰতিটো দৃশ্য তাদিকৰ চকুৰ সম্মুখলৈ উভতি আহিব ধৰিলে। মঞ্চৰ ওপৰত চেতনা হেৰুৱাই বাগৰি পৰোতেও দৰ্শকে হাত চাপৰি দিয়া শব্দটো যেন তেতিয়াও তাৰ কাণত বাজি উঠিল। মূৰ্চ্ছিত যুৱকজনক ডাংকোলাকৈ দাঙি লৈ যাওঁতে সি যে কেতিয়াও বিনিথাঙলৈ আৰু উভতি নাহে সেই কথা সকলোৱে জানিছিল। তাদিকেও জানিলে।

এদিন সামান্য অপৰাধতে যে সিও এনেদৰেই নিৰ্য্যাতিত হব লাগিব সেই আশঙ্কাত উপজিল তাৰ মনত। অপৰাধ সি জানি বুজি নকৰিব বুলি ভাবিলে যদিও লি পেঙৰ চালচলনে তাকো সন্দিহান কৰি তুলিলে। লি পেঙে ছাঁৰ নিচিনাকৈ কিয় তাৰ পিছলাগি ফুৰিছে সি বুজি নাপালে। সি পলাই অহা ভাৰতীয় মানুহ। তিব্বত তাৰ দেশ নহয় সঁচা সেয়ে যদি সন্দেহৰ কাৰণ হয় তেনেহলে তাৰ উপায় ক'ত। পলাই অহা মানুহ আকৌ পলাই উভতি যাব লাগিব নেকি' এনে খেলি-মেলি চিন্তাৰ মাজতে তলপেটৰ বিষটোৰ কথা আকৌ তাৰ মনত পৰিল। বিষটো এতিয়া নাই যদিও কাইলৈ যে নুঠিব তাৰো নিশ্চয়তা নেপালে তাদিকে। কুকুৰা পামত দেখা পূজাৰীজনকে কথাটো সুধি চাব লাগিব বুলি সি পেটে পেটে ভাবি থলে।

পিচদিনা কুকুৰা পামলৈ যাওঁতে চল বুজি তাদিকে প্ৰাক্তন পূজাৰীজন কাষ চাপি গ'ল।

'তোমাৰ কামবিলাক সঁচাকৈয়ে প্ৰশংসনীয় কমৰেড্। এইটো কুকুৰা গড়ালৰ

দাযিত্বত তুমি বহুদিনৰ পৰা আছা যেন পাইছোঁ'।

সহানুভূতি সুলভ কথা বতৰাৰে আদহীযা শ্ৰমিক জনৰ মন পাবলৈ চেষ্টা কৰিলে তাদিকে।

'হয কমৰেড লিডাৰ। এবছৰ মানৰ পৰাই লাগি আছোঁ'।

'যদি আমনি পাইছা কামটো সলাই দিব পাৰোঁ'। গ্ৰুপ লিডাৰ তাদিকৰ সেই কৰ্তৃত্ব আছে বুলি শ্ৰমিকজনেও জানে।

'যতে হলেও একেই সমান কাম কৰিব লাগিব যেতিযাই ঠাই সলোৱাত কি পাৰ্থক্য আছে কমৰেড লিডাৰ'?

সেইটো সচাঁ কথা। কিন্তু কামৰ সালসলনি হলে মনৰ ভাগৰ আঁতৰিব পাৰে বুলিহে কথাটো কৈছোঁ ।

'নাই নাই কমৰেড একো ভাগৰ নাই। আৰম্ভণিৰপৰাই এইখন কুকুৰা পামত মই কাম কৰি আছোঁ। এতিযা এইখনেই মোৰ ঘৰৰ নিচিনা হৈ পৰিছে। কুকুৰাবিলাকেই মোৰ নিজৰ ল'ৰা ছোৱালীৰ সমান।

'নিজৰ কামক এনেদৰে ভাল পোৱাটো বৰ প্ৰশংসনীয কথা কমৰেড। তুমি বিনিথাঙৰ এজন পুৰণি বাসিন্দা নহযনে কমৰেড?

'মই অকলে নহয। আৰু কেইজন মান পুৰণি মানুহ আছোঁ'।

সৰল উত্তৰ দি গ'ল মানুহজনে।

'বিপ্লৱ আহি পোৱাৰ আগতে তুমি নিশ্চয এজন দুখীযা খেতিযক আছিলা?

'খেতিবাতি মই কৰা নাছিলোঁ। মোৰ এক চিটাও নিজৰ বুলিবলৈ মাটি নাছিল ।

'কেনেদৰে চলিছিলা তেনেহলে, ভিক্ষা কৰি খাইছিলা নেকি ?

তাদিকে ইচ্ছা কৰিযেই অপমান সূচক প্ৰশ্নটো কৰিলে।

'কিয ভিক্ষা কৰি খাম। এই অঞ্চলৰে মই এজন জনাজাত পূজাৰী আছিলো। আমি "নিংমা" পন্থাৰ অনুগামী আছিলো কাৰণে তন্ত্ৰ-মন্ত্ৰ, জৰা-ফুকাত বিশ্বাস কৰিছিলো। মঠত গৈ চৌধ বছৰ অধ্যযন কৰি বেমাৰ আজাৰ ভাল কৰা তন্ত্ৰ-মন্ত্ৰ শিকি আহিছিলো। ভৰণ-পোষণ তেনেদৰেই চলি গৈছিল। এতিয়া পূজা-পাঠ তন্ত্ৰ-মন্ত্ৰ উঠি গৈছে। গতিকে পাঁজি পুথি এৰি কুকুৰা পামৰ শ্ৰমিক হৈছোঁ।

'এতিয়া নিজৰ অসুখ বিসুখ হলেনো কি কৰা তেনেহলে'?

এইবাৰ কোনো উত্তৰ নিদিলে মানুহজনে। তাদিকে বুজি পালে যে মানুহজনৰ এই খিনিতে অলপ দুৰ্বলতা লুকাই আছে। এই দুৰ্বলতা খিনিয়েই কামত আহিব বুলি ভাবি তাদিকে কথা আৰু আগ নবঢালে।

'একো কথা নাই কমৰেড। মোৰ পৰা তোমাৰ একো অনিষ্ট নহয বুলি জানিবা। গছপাত খালে যদি অসুখ ভাল হয তেনেহলে গছ-পাত খোৱাতো কোনো বিপ্লৱ বিৰোধী অপৰাধ নহয কমৰেড। পিচত কথা পাতিম বাৰু। এতিয়া কাম কৰা'।

গধুলিৰ আহাৰ খোৱাৰ অন্তত কিছু সময জিৰণি দিয়া হয সকলোকে। তাৰ পিচতহে বহে ৰাজনৈতিক সভা। প্ৰতিদিনৰ এই সভাত উপস্থিত থকাতো সকলোৰে বাবে বাধ্যতামূলক। ৰাজনৈতিক শিক্ষাৰ নামত এই সভাবিলাকত মুখস্থ কৰোৱা হয় হান সাম্যবাদী সংলাপ। জাপি দিয়া হয মাও-জে-ডঙৰ চিন্তা-চৰ্চাক।

খাদ্য খোৱাৰ পিচত পোৱা বিশ্ৰামৰ সময়খিনিতে তাদিক গৈ উপস্থিত হ'ল পামত লগ পোৱা প্ৰাক্তন পূজাৰীজনৰ ঘৰত। ঘৰতো তাদিকে দিনতেই মন কৰি থৈছিল। সি থকা বেৰেকটোৰ পৰা বেছি আঁতৰতো নহয। পৰিয়ালটো সৰু। মাক -বাপেক আৰু পুতেক-জীয়েক এহাল মাত্ৰ। নিজৰ জীয়েক পুতেক হোৱা সত্বেও সিহঁত দুজনো ৰাষ্ট্ৰৰে অধীন মানুহ। নিজৰ সন্তান বুলি সিহঁতৰ ওপৰত কোনো কৰ্তৃত্ব চলাব নোৱাৰে মাক-বাপেকে। আনকি মাক বাপেককো বিপ্লৱী সহকৰ্মী বুলিয়েই ভাবিবলৈ শিকোৱা হৈছে সিহঁতক।কোনো সন্তানক মাক বাপেকে জানি শুনি জন্ম নিদিয়ে বুলি সিহঁতেও জানে। সন্তানবিলাক মাক বাপেকৰ ভোগ বিলাসৰ পৰা উৎপন্ন হোৱা ওপৰঞ্চি উৎপন্ন দ্ৰব্য বুলি ভাবিবলৈ সিহতকো শিকোৱা হৈছে। তাদিক গৈ যেতিয়া ঘৰটোত উপস্থিত হ'ল তেতিযা আদবযসীয়া কৰ্মীজন অকলে ঘৰত আছিল।

'আহা আহা কমৰেড লিডাৰ। তুমি মোৰ ঘৰলৈ অহাটো সৌভাগ্যৰ কথা।

সৌভাগ্য তোমাৰ নহয কমৰেড সৌভাগ্য মোৰেই বুলি ভাবি আহিছোঁ। তোমাৰ নিচিনা এজন গুণবান মানুহৰ লগত কথা পাতিবলৈ সঁচাকৈয়ে ভাল লাগে'।

"মোৰ কি গুণ আছে কমৰেড মই এজন সাধাৰণ কৰ্মী মাত্ৰ'। তাদিকক বহিব দি মানুহজনে ওচৰতে থিয় দি থাকিল।

'বেমাৰ ভাল কৰি দিব পৰাটো বৰ ডাঙৰ গুণ বুলি ভাবিয়েই মই অলপ কথা পাতিবলৈ আহিলোঁ'। তাদিকে নিজৰ উদ্দেশ্যটো প্ৰকাশ কৰি দিলে।

'সেইবিলাক হ'ল পুৰণি কথা। সেইবিলাক কথা পতাও এতিয়া অপৰাধ'। মানুহজনৰ কথাত নিৰুৎসাহ প্ৰকাশ পালে।

'জানো কমৰেড। কিন্তু ঔষধে যেতিয়া কাম নকৰা হয় তেতিয়া পূজাপাঠেই এক মাত্ৰ নহয় জানো'।

'তোমাৰ কথা বিলাক মই ভালদৰে বুজা নাই কমৰেড।'

'মানে-মোৰ পেটৰ এইখিনিতে এটা পুৰণি বিষ আছে। বিষটো সদায় নুঠে। মাজে মাজে হঠাৎ উঠি নিজে নিজে আকৌ কমি যায়, এতিয়া অলপ কষ্ট পাই আছোঁ। বিষটো উঠিলে কাম কাজতো বাধা পৰে। আগতে পূজা অলপ কৰিলেই ভাল হৈ গৈছিল'।

'মই কি কৰি দিব লাগে কমৰেড লিডাৰ?' 'মানুহজনক অলপ বিমোৰত পৰা যেন দেখিলে তাদিকে।

'তুমি পূজা অলপ কৰি দিলে বিষটো ভাল হৈ যাব বুলি ক'ব আহিলো'। তাদিকৰ অনুৰোধ শুনিয়েই মানুহজনৰ চেলাউৰি ডাং খাই উঠিল।

'তুমি কি কৈছা কমৰেড লিডাৰ ? কোনোবাই গম পাব লাগিলে কি হ্ব কোৰাচোন।'

'কোনেও গম নাপায। অকল তুমি আৰু মইহে জানিম। বিষটোৰ কাৰণে বৰ কষ্ট পাইছোঁ কমৰেড'। তাদিকৰ মাতত অনুনয ফুটি ওলোৱা দেখি তাৰ মনটো অলপ কুমলিল।

'কিন্তু পূজা কৰি দিবলৈ কুকুৰা পোৱালি এটা লাগিব নহয় সেইটো ক'ত পাম?" মানুহজনৰ পৰা সন্মতিসূচক উত্তৰটো পাই তাদিক উৎসাহিত হৈ পৰিল।

'সেইটোৰ ব্যৱস্থা মই কৰি দিম বাৰু'।

'ঠিক আছে। কাইলৈ গধূলি ঘৰত কোনো নেথাকে। সেই সময়তে কামটো কৰি দিম বাৰু। কিন্তু কোনেও যেন গম নাপায় কমৰেড লিডাৰ।"

'সেই কথাত তুমি মোৰ ওপৰত নিৰ্ভৰ কৰিব পাৰা'।

সিমানতেই তাদিক উভতি আহিছিল নিজৰ বেৰেকলৈ। উভতি আহোতে কুকুৰা পোৱালি এটাৰ কথাই ভাবি আহিছিল বাটে বাটে। ব্যক্তিগতভাৱে কোনেও কুকুৰা পুহিব নোৱাৰে সেইটো তাদিকে দেখিছে। আনকি অতি ক্ষমতাৱান পলিটিকেল

কমিচাৰেও ব্যক্তিগতভাবে কুকুৰা পুহিব নোৱাৰে। ভ্ৰমণ কালত তাদিকে এজনী কুকুৰাও কাৰো ঘৰত দেখা মনত নপৰে। ব্যক্তিগত সম্পত্তিবিহীন সমাজতখনত সি কুকুৰা পোৱালি এটা ক'ত বিচাৰি পাব সেইটো এটা সমস্যা হৈ পৰিল তাদিকৰ বাবে। ভাবি ভাবি গৈ থাকোতে কোনোবাই পিচপিনৰ পৰা তাক মতা যেন শুনিলে।

'ক'ৰ পৰা আহিলা তাদিক'? তাদিকে উভতি চালে।

'অ কমৰেড পেং। এনেয়ে গাঁওখন অলপ ফুৰি আহিলো'।

'হয় নেকি? ভাল কথা, মাজে মাজে ফুৰিব লাগে। ফুৰিলে গা-মন পাতল লাগে কি কোৱা'?

'তেনেকুৱাই বুলি ক'ব পাৰি'। লি পেঙে সকলো সময়তে তাৰ পিছে পিছে ছাঁৰ নিচিনাকৈ ঘূৰি ফুৰিব ধৰিলে যেন লাগিল তাদিকৰ। সি লি পেঙৰ সান্নিধ্যৰ পৰা আঁতৰি যাব বিচাৰিলে।

'ৰাজনৈতিক সভালৈ আজি নোযোৱা নেকি?

'কৈলৈ নাযাম কমৰেড গৈযেতো আছোঁ'।

'ভাল কথা গৈ থাকা, মইও আহি আছোঁ'।

(৩১)

পিচদিনা তাদিকে কুকুৰা পামলৈ গৈ থাকোতে পোৱালি এটাৰ কথাকে ভাবি ভাবি গ'ল। পোৱালি এটা পামখনৰপৰাই আনিব লাগিব, আন উপায় নাই বুলি চিন্তাও হ'ল। আনিলে কোনেনো গম পাব বুলি যুক্তিও বিচাৰি পালে। শ শ পোৱালিৰপৰা এটা নোহোৱা হোৱা কথাটো কাৰো চকুতো নপৰিব বুলি সি মনতে পতিয়ন গ'ল। পোৱালি এটা চুৰ কৰি অনাটোৱেই এক মাত্ৰ পথ বুলি তাদিকে ভাবি ললে। কেনেকৈ লুকুৱাই আনিব সেই কথাও ভাবি চালে। সি পিন্ধা কোটচোলাটোৰ জেপটো বেচ ডাঙৰ, তাতে সুমোৱাই আনিব পাৰিব বুলি জেপটোত হাত ভৰাই চালে। কিন্তু ঢাকনি নথকা জেপটোৰ পৰা পোৱালিটো হঠাৎ ওলাই লৰ মাৰিবও পাৰে বুলি সি ভাবি চালে। তাতোকৈ বুকুৰ বুটাম খুলি পোৱালিটো কোটচোলাৰ ভিতৰতে লুকুৱাই আনিবলৈ সহজ হব বুলি অনুমান কৰিলে তাদিকে। কিন্তু পোৱালিটোৱে কোটচোলাৰ ভিতৰতে যদি মাতিব ধৰে তেতিয়াও সি ধৰা পৰি যাব পাৰে বুলি চিন্তা হ'ল। গতিকে ছুটীৰ সময়ত সি সকলোতকৈ পিচ পৰি দিব লাগিব বুলি মনতে আঁচনি ললে।

গোটেই দিনতো তাদিকে কাম চোৱাৰ চলেৰে কোনটো গড়ালৰপৰা পোৱালি চুৰ কৰা সহজ আৰু নিৰাপদ হ'ব তাকেই চাই ফুৰিলে। পশ্চিমৰ গড়ালটোৱেই সুবিধাজনক বুলি ভাবিলে তাদিকে।

আবেলি যেতিয়া ছুটী হ'ল তেতিয়া বহুতো কৰ্মীয়ে তাদিকক ওলোটা পিনলৈহে যোৱা দেখিলে।

'কিবা কাম বাকী থাকিল নেকি কমৰেড লিডাৰ ? এজন কৰ্মীয়ে সুধিয়েই পেলালে।

'গড়ালবিলাক ভালদৰে বন্ধ কৰিলেনে নাই তাকে এবাৰ চাই আহিব খুজিছোঁ। তোমালোক আগবাঢ়া'।

'সদায় যিটো কাম কৰি আহিছোঁ সেই কামত ভু ল থাকিব কেনেদৰে কমৰেড। তথাপি চাই আহিব খুজিছে যদি চাই আহক। লগত যাব লাগিব নেকি কমৰেড ?' এজনে লেঠাকে লগাব খুজিলে।

'নেলাগে নেলাগে তোমালোকে আগবঢ়া। মই একে পাকত উভতি আহিছো বুলি তাদিকে পশ্চিমৰ গড়ালটোৰ পিনে বেগাই খোজ আগবঢ়ালে ।

তাদিকৰ এই খৰ খেদা আচৰণে কৰ্মী কিজনক অলপ আচৰিত কৰি তুলিলে। কিন্তু গ্ৰুপ লিডাৰ বুলি বেছি কথা সুধিবলৈ কোনো এজনে সাহসো নকৰিলে।

তাদিক গৈ যেতিযা গড়ালটোৰ ওচৰ পালে তেতিয়া ওচৰে পাঁজৰে কাকো নেদেখি যথেষ্ট নিশ্চিন্ত হ'ল। গড়ালটোৰ এচুকৰ জালখন সি টানি খুলি পেলালে। জেপত ভৰাই নিযা মাকৈ গুড়ি অলপ ছটিযাই দিয়াত পোৱালি জুম আগবাঢ়ি আহি খুঁটি খাব ধৰা তাদিকে চাই থাকিল। পোৱালি জুম দহদিনীযা। নিজে নিজে খুটি খাব পৰা হৈছে। তাদিকে লাহে লাহে হাতখন ভৰাই ধৰিব খোজোতেই পোৱালি দুটা মান সৰকি পলাল। চেগবুজি এটা পোৱালিক খামোচ মাৰি ধৰিয়েই তাদিকে বুটাম খুলি চোলাটোৰ ভাঁজত ভৰাই ললে। জালিৰ ফুটাতো আগৰ নিচিনাকৈ মিলাই থাকোতে পোৱালিটোৱে 'পিয়াচ পিয়াচ' লগালে।

তেতিয়া সন্ধিয়া হ'বলৈ অলপ সময়হে বাকী আছিল। বেৰেকলৈ উভতি যাবৰ তাৰ সময় নহ'ল। উদ্দেশ্য বিহীনভাবে তাদিকে কিছুসময় ইফালে সিফালে পুলুং পালাং কৈ ঘুৰি ফুৰিলে। দিনৰ পোহৰ অন্ত পৰাৰ লগে লগে সি গাঁওখনৰ পিনে যাবলৈ ওলাল। সি

যাব লগা বাটতে দুজনমান মানুহক থিয় দি থকা দেখি খোজ ৰখায় দিবলৈ বাধ্য হ'ল। চোলাটোৰ ভিতৰত পোৱালিটোৱে খচ মচাব ধৰা দেখি তাৰ ভয় লাগিল। টেপা মাৰি ধৰিলে চিঞৰিব পাৰে বুলিও চিন্তা কৰিলে। থিয় দি থকা মানুহ কিজন আঁতৰি যোৱাৰ লগে লগে তাদিকে খৰ-খোজেৰে পূজাৰীজনৰ দুৱাৰমুখ পালেগৈ। ইফালে সিফালে অলপ মন কৰি সি বন্ধ দুৱাৰখনত লাহেকৈ টুকুৰিয়াই দিওঁতে কোনোবাই কাঁহ মাৰি ভিতৰৰ পৰা সঁহাৰি জনালে। বন্ধ দুৱাৰখন ঠেলামাৰি এখোজ ভিতৰ সোমাওঁতেই তাদিকে চকৰি-ফেঁটীত গছক পৰাৰ নিচিনাকৈ উচপ খাই উঠিল। ভিতৰত কি দেখিলে তাতেই তাৰ চুলিৰ আগেৰে জীৱ উৰি যাও যাওঁ হ'ল।

'তোমাৰ কাৰণেই বৈ আছোঁ তাদিক আহা আহা ভিতৰ সোমাই আহা' এই বুলি কৈয়ে লি পেং বহাৰ পৰা থিয় দি উঠিল।

'বিপ্লৱৰ বিৰোধীতা কৰা মানুহ এদিন নহয় এদিন আমাৰ সচেতন কৰ্মীৰ জালত ভৰি দিবই লাগিব বুলি কৈছিলো মনত আছেনে তাদিক? আজি তইও এই জালত ভৰি পেলালি।'

লি পেঙে এখোজ দুখোজকৈ আগবাঢ়ি আহি তাদিকৰ সম্মুখত থিয় দিলে। তাৰ কঁকালত ওলোমাই থোৱা পিষ্টলটো টান মাৰি উলিয়াই লৈ সৈনিক এজনৰ হাতত দিলে। তাৰ পিচতেই তাদিকৰ গালত প্ৰচণ্ড চৰ এটা মাৰিলে। তাদিক বাগৰি পৰিব ধৰোতেই সৈনিক এজনে ৰাইফলৰ কুণ্ডাৰে তাৰ কান্ধত খুন্দিয়াই দিলে। অকণমানি পোৱালিটোৰে চোলাৰ ভিতৰত চিঁ চিঁয়াই উঠাত লি পেঙে হাত ভৰাই সেইটো উলিয়াই আনিলে।

বেমাৰ ভাল কৰাব বিচাৰি কুকুৰা পোৱালি আনিছ নহয়নে? ক'ৰপৰা আনিলি'? তাদিকে একো উত্তৰ নিদি বজ্ৰাহত মানুহৰ নিচিনাকৈ গাঁওবাসীজনলৈ চাই থাকিল।

'কুকুৰা পামৰপৰাই চুৰ কৰি আনিছ নিশ্চয়-নহলেনো ক'ত পাবি? তথাপি নিমাত হৈ ৰ'ল তাদিক। উত্তৰে একো কাম নিদিয়ে সি জানে। ইয়াৰ পিচত কি হ'ব সিও তাৰ অবিদিত নহয়।

'ইয়াক লৈ যোৱা'। নিৰ্দেশ পাই সৈনিক দুজনে তাদিকৰ হাত দুখন পিচপিনে জোৰা লগাই বান্ধি পেলালে। 'ধন্যবাদ কমৰেড্‌। তোমাৰ এই বিপ্লৱী আনুগত্যৰ বাবে তুমি পুৰস্কৃত হবা'। লি পেঙৰ প্ৰশংসাত গাঁওবাসীজনৰ মুখত হাঁহি বিৰিঙি উঠিল। সেই হাঁহিটো যব বিষাক্ত যেন লাগিল তাদিকৰ বাবে। মানুহ ইমান বিশ্বাসঘাতক হ'ব

পাৰে কেনেকৈ বুলি ভাবি কমিউনিজিমৰ প্ৰতি থকা তাৰ শেষ আস্থাখিনিকো মনৰ পৰা দলিয়াই পেলালে।

নিশাটো তাদিকক সামৰিক শিবিৰতে আবদ্ধ কৰি ৰখা হ'ল। কাপোৰ এখনো তাক দিয়া নহ'ল গাত লবৰ বাবে। প্ৰচণ্ড ঠাণ্ডাত সি গোটেই নিশাটো কঁপি কঁপিয়েই পাৰ কৰি দিলে। খাবলৈ বুলি যি দিলে সিও হ'ল সৈনিকে খাই এৰা উচ্ছিষ্ট এসোপা। দেখিয়েই তাৰ ওকোল-মোকোল লাগিল।

উজাগৰে কটোৱা নিশাটোত তাদিকৰ মনলৈ বহুতো স্মৃতি উভতি আহিল। মাকৰ মৰমী, য়াচিৰ হাঁহি , সমীৰ চাৰৰ সহানুভূতিপূৰ্ণ স্মৃতিবিলাকে তাৰ মনটো কোমল কৰি পেলালে। সিহঁতক এবাৰ চাবলৈ , এবাৰ ওচৰত পাবলৈ তাৰ মনটো পুনৰ উচপিচাই উঠিল। পেমাই যেন তাক আকৌ হাত বাউলি মাতিব ধৰিলে। মৰম ভৰা দেশখন এৰি থৈ সি কিয় গুচি আহিছিল বুলি ভাবি মূৰৰ চুলিবিলাক টানি উভালি পেলাবলৈ ইচ্ছা হ'ল তাদিকৰ।

জেঠাংবাসীৰ নিৰ্য্যাতন , লাচা নগৰীৰ অশান্তি, বাটৰ কাষত হাত-পাতি থিয় দি থকা কণ কণ শিশুৰ কৰুণ চাৱনি, চিগাজেৰ বন্দী শিবিৰ লেন্‌ডুপৰ অন্তৰ্দ্ধান এই সকলো ঘটনাই তাদিকৰ চকুৰ টোপনি কাঢ়ি লৈ গ'ল। স্বজাতিবৈৰী লি পেঙৰ জোঙা মুখখনে যেন ঘোপমৰা আন্ধাৰ খেলটোৰ ভিতৰতো তাক খুচিব খুজিলে, তাক ধৰা পেলাবলৈকে লি পেঙে পতা জালখনৰ এটা চুকত যে ভণ্ড পূজাৰীজনেও ধৰি আছিল সেই কথা ভাবি তাদিকে বিচুৰ্তি খালে। পেটৰ বিষটোকে লৈ সি গুচি যোৱা হলেই ভাল আছিল বুলি ভাবি অনুসোচনাত দেই পুৰি মৰিব ধৰিলে। এই বন্ধনৰপৰা যে সি কেতিয়াবা মুক্ত হব পাৰিব সেই সন্দেহে তাক হতাশ কৰি পেলালে। মুক্তি সি কেতিয়াও নাপাব বুলি জানে। দুই চাৰি দিন পিচতেই বন্দীত্বৰ গভীৰ অন্ধকাৰলৈ যে তাক গতিয়াই পঠিয়াব তাকো বুজিলে তাদিকে। তাৰ জেদ বাঢ়ি উঠিল। এনেদৰে সি শেষ হৈ যাব নুখুজে বুলি দৃঢ় সঙ্কল্প হৈ পৰিল। মৰিব লাগিলে সি দেশৰ মাটিতে গৈ মৰিব সিও ভাল। অন্তত তাৰ মৰা দেহটোক বংশ পৰিয়ালে গাঁওৰ মাটিতে সমাধিস্থ কৰি থব পাৰিব। হানৰ বন্দী শিবিৰত তিল্ তিলকৈ মৰিবলৈ যোৱাৰ পৰি বৰ্তে সি মুক্তিৰ বাবে এবাৰ যুঁজি চাব বুলি ভাবোতেই কোনোবাই বন্ধ দুৱাৰখন খুলি দিলে। বাহিৰৰ উজ্জ্বল পোহৰ সোমাই অন্ধাৰ লগতে সোমায় আহিল গণ মুক্তি ফৌজৰ দুজন সশস্ত্ৰ সৈনিক।

'এই ইন্দু বেইমান, এতিয়াও শুই আছ নেকি'? এই বুলি মাটিতে পৰি থকা তাদিকক সৈনিক এজনে গোৰ মাৰি দিলে। গোৰটো তাদিকৰ বাহুত লাগিল। হাতৰ হাড়ডাল ভাঙি যোৱা যেন অনুভৱ কৰিলে তাদিকে। সি ধৰ্‌ফৰাই উঠি বহিল। চকু চাট মাৰি ধৰা দিনৰ পোহৰে তাক ক্ষন্তেকৰ বাবে নেদেখা কৰি পেলালে। পিচপিনে বান্ধি থোৱা হাত দুখন অকামিলা যেন লাগিল। সি ততাতৈয়াকৈ উঠি থিয় দিলে। পলাবৰ সুযোগ বিচাৰি জীয়াই থাকিবই লাগিব বুলি ভাবি সকলো যাতনা মূৰ পাতি লবলৈ সি সাজু হওঁতেই আন এজন সৈনিকে তাক দুবাৰধনলৈ বুলি গতা মাৰি পঠিয়ালে। বন্ধা হাত দুখনেৰে গাৰ ভাৰ সাম্যতা কথমপি চম্ভালি লওতেই ৰাইফলৰ কুণ্ডা আহি পৰিল তাৰ কান্ধত। অসহ্য বেদনা সহিও সি ঠিয় দি থাকিল।

'ঠিয় দি কি ভাবিছ ইন্দু বেইমান? খোজ কাটিব নাজান নেকি'? গেৰ্ গেৰাই উঠি হান সৈনীক এজনে।

কোনপিনে যাব লাগিব ক'লেহে যাব পাৰোঁ'।

'পোনে পোনে গৈ থাক। ইফালে সিফালে চালে চকু উলিয়াই দিম। লগে লগে ৰাইফলৰ খুদা পৰিল। এইবাৰ খুন্দিযাই দিলে মূৰটোৰ পিচপিনে। ক্ষন্তেকৰ বাবে তাদিকে চকুৰে জ্বলা-কলা দেখি গ'ল। চকু মুদিযেই সি থৰক্ বৰক কৈ আগবাঢ়িলে।

(৩১)

'বিপ্লব বিৰোধী কাম চলাই যাবলৈ আমাৰ চকুত ধূলি দিযাটোক ইমান সহজ বুলি ভাবি লৈছিল কিয়?'

পলিটিকেল কমিচাৰৰ ক্রুদ্ধ প্রশ্নৰ উত্তৰ নিদিলে তাদিকে। উত্তৰে ইহঁতক সন্তুষ্ট নকৰে বুলি সি জানে।

'তোক দেশ ভ্ৰমণলৈ পঠিযাইছিলো ভাল কথা শিকি আহিবি বুলি। তিব্বতি দেশৰ সংস্কাৰ দেখি শুনি আহি এজন প্রগতিশীল মানুহ হৈ উভতি আহিবি বুলি ভাবিছিলোঁ। ইমান দেখি শুনি অহাৰ পিচতো পুৰণি বিশ্বাসবিলাক এৰিব নোৱাৰিলি যেতিয়া তোৰ মানসিক সংশোধন এতিয়া কঠোৰ শ্ৰমৰ মাজেৰেই আহিব লাগিব। তাক আজীৱন বন্দীত্বৰ গভীৰ অন্ধকাৰলৈ ঠেলি পঠোৱাৰ এইটোৱেই প্ৰথম ইংগিত বুলি তাদিকে বুজি পালে। এই সকীয়নী শুনিও সি বিচলিত নহ'ল। হান 'গুলাগ'ৰ ভিতৰলৈ সোমায় পৰাৰ আগতেই এই বন্ধন ছিঙি পেলাব লাগিব বুলি তাদিকে মন

স্থিৰ কৰি পেলালে।

'পৰহিলৈ থামজিঙৰ সভাত থিয় দি তই অপৰাধ স্বীকাৰ কৰিব লাগিব। তাৰ পিচত তোক পঠিযাম ৰেডগাৰ্ড কমৰেডসকলৰ শিবিৰলৈ। তোক বেমাৰৰ ভূতে ধৰা নাই। ধৰিছে লেনডুপৰ ভূতে। এই ভূত কেনেদৰে খেদিব লাগে দুদিন পিছৰ পৰাই গম পাবি'।

দুটা ৰাতি আৰু এটা দিনৰ সময় এতিযাও তাৰ হাতত আছে। এইখিনি সময়ৰ ভিতৰতে বন্ধন মুক্ত হবই লাগিব বুলি ভাবি পলিটিকেল কমিচাৰৰ কথাত তাদিকে কোনো গুৰুত্ব নিদিলে।

কমিচাৰৰ কাৰ্য্যালযটোৰপৰা তাদিকক লৈ অনা হ'ল সেই একাষৰীয়া ঘৰটোলৈ যিটো ঘৰত প্ৰথমে তাক ৰখা হৈছিল। ঘৰটোৰ চাল-বেৰবিলাক কাঠৰ। দুৱাৰ এখন মাত্ৰ। খিডিকি বুলিবলৈ চাৰি হাত মান ওখত আধা বৰ্গ হাতৰ ডাঙৰ ছিদ্ৰ এটা আছে। খিডিকিনে পহৰীয়া সৈনিকে জুমি চোৱা ছিদ্ৰ বুজিব নোৱাৰি।

দুৱাৰখনেৰে তাদিকক ভিতৰলৈ গতামাৰি পঠিযাই দি সৈনিক এজনে দুৱাৰখনত বাহিৰৰপৰা শিকলিডাল লগাই দিলে। ইতিমধ্যে তাদিকৰ হাতৰ বান্ধোনটো খুলি দিযা হৈছিল। সম্পূৰ্ণ এৰাতিৰ কটকটীয়া বান্ধটোৰ ঠাইখিনি ৰঙা পৰি উখহি আছিল। কাঠৰ সুদা চাংখনত দীঘল দি পৰিযেই তাদিকে হাতৰ মণিবন্ধ দুটা পিহি দিব ধৰিলে। হাত দিযেই তাদিকে তীব্ৰ বিষ অনুভৱ কৰিলে। এতিয়া এই হাত দুখনেই তাৰ একমাত্ৰ সম্বল। এই দুখন হাতেৰেই সি তাৰ মুক্ত জীৱনৰ বাট উলিযাই লব লাগিব বুলি ভাবি মনিবন্ধা দুটা পিহি থাকিব ধৰিলে। তেতিযা দুপৰীয়া হৈছিল। কোনোবা এজনে খিডিকীখনেৰে টোপোলা এটা দলিযাই দিযাত টোপোলাতো আহি তাদিকৰ গাতে পৰিল। তাদিকে বুজিলে সেইটো খাদ্যৰ টোপোলা। খুলি চাই দেখিলে চাম্পাগুডি। দুসাজ লঘোন পৰাত তাদিকৰ ভোকো লাগিছিল। ঘৰটোৰ ভিতৰতে কাঠৰ পাত্ৰ এটাত পানী আছিল। টেমা এটাও আছিল পাত্ৰটোৰ কাষতে। সেই টেমাতে আধা চাম্পাগুড়ি ঢালি, পানী মিহলাই সি খালে, আধা থৈ দিলে। মুক্ত হোৱা উপায ভাবি থাকোতেই তাৰ গভীৰ টোপনি আহিল। যেতিয়া সাৰ পালে তেতিয়া এন্ধাৰ হ'ল। বিশ্ৰামে তাৰ দুৰ্বলতা বহুতখিনি নাইকিযা কৰিলে। গধূলি পৰত দিয়া টোপোলাটোৰ পৰাও আধা চাম্পাগুডি সি ৰাখি থলে। নিশা তাৰ টোপনি আহিল যদিও হাড কঁপোৱা জাৰত সি

মাজনিশা সাৰ পাই উঠিল। কাঠৰ জলঙাৰে বাহিৰলৈ জুমি চাওঁতে পহৰীযা সৈনিক-জনক ঘূৰা-পকা কৰি থকা দেখিলে। অলপ পিচতেই হান মাতৰ গাজি-গুজা শুনি সি আকৌ জুমি চাই দেখিলে পহৰাদাৰ বদলি হৈছে। সলনি হোৱা সৈনিকজনে বন্দী আছেনে নাই পৰীক্ষা কৰি চাবলৈ আহোঁতেই তাদিকে শোৱাৰ ভাও জুৰিলে। ফুটাটোৰে টৰ্চ মাৰি চালে সৈনিকজনে। তেতিয়া দুপৰ নিশা। তাদিকৰ টোপনি আৰু নাহিল। দুঘন্টা মান পিচত পুনৰ পহৰাদাৰ সলনি হোৱাটোক তাদিকে মন কৰি থলে।

পিছদিনা ওৰেটো দিন তাদিকে মুক্ত হোৱাৰ নানান আঁচনিক মনৰ ভিতৰতে চালি জাৰি চালে। কিবাকৈ এবাৰ ঘৰৰ বাহিৰ ওলাব পাৰিলেই মুক্তিৰ প্ৰতিটো মুহূৰ্তৰ বাবে প্ৰাণটাকি যুঁজিবলৈ সি দৃঢ় প্ৰতিজ্ঞ হৈ পৰিল। বিনিথাং এৰি খেৰণিডৰা পাৰ হৈ এবাৰ হাবিত সোমাব পাৰিলেই তাক ধৰিব পৰা হান ওপজা নাই বুলি ভাবি ললে। ছয়দিনৰ বাট তিনিদিনত অহা-যোৱা কৰি কৰি তাৰ ক'লা ফুল শিলৰ নিচিনা টান হৈ গৈছে সি জানে। কস্তুৰী পহু চিকাৰ কৰিবলৈ যোৱা অভিজ্ঞতাৰে সি যি কোনো থিয শিলনী হেলা ৰঙেৰে অতিক্ৰম কৰি যাব পাৰিব বুলি ভাবি তাৰ মন ডাঠ হৈ পৰিল। হানে দিয়া খাদ্যৰ আধাখিনি জেপতে ভৰাই থোৱা আছিল। সেইখিনিও এবাৰ পিটিকি চালে।

এনেদৰে নানান কল্পনাৰ মাজেৰে দিনটো পাৰ হৈ গ'ল। ক্ৰমান্বযে সন্ধিয়া নামি আহিব ধৰিলে। আজি নিশাই শেষ নিশা বুলি ভাবি তাৰ মন চঞ্চল হৈ পৰিব খুজিলে। নিশাটো শেষ হলেই তাক নি থামজিঙৰ সভাত থিয কৰাব। তাৰো মূৰৰ চুলি আজুৰি আজুৰি উভালি পেলোৱা হব। তাৰ পিচত আহিব ৰেডগাৰ্ডৰ নিৰ্য্যাতন।এই অমানুষিক নিৰ্যাতনৰ কথা সি শুনিছে মাত্ৰ। শুনিলে ভয লগা ৰেডগাৰ্ডৰ নিৰ্যাতনৰ অন্তত জীযাই থকা নথকা একেই সমান কথা বুলি সিও জানে। তাৰ পিচত আহিব হান 'গুলাগ'ত জীৱন জোৰা বন্দীত্ব।

এনেতে কোনোবাই বেৰৰ ফুটাটোৰে তালৈ দলিযাই দিলে চাম্পা গুড়িৰ টোপোলা এটা। সি তাৰো আধা জেপত ঢালি থৈ দিলে। মণিবন্ধ দুটা পিহি চাই বিষ নাই যেন লাগিল। তাদিক হাতৰ মুঠি দুটা টানকৈ মাৰি চাই ভাবিলে হাত দুখন এতিয়াও মজবুত হৈ আছে। এজন দুজন হানক পৰাভূত কৰিবলৈ কোনো সমস্যা নহব বুলি সি ধৰি ললে। ভাবোতে ভাবোতে চকুলৈ তন্দ্ৰা নামি আহিব খোজাত তাদিকে মূৰটো জোকাৰি

দিলে। সন্ধিয়াৰ পিচত নিশাৰ আন্ধাৰ নামি আহিল। সমস্ত শিবিৰটো লাহে লাহে নিস্তব্ধ হৈ পৰিব ধৰিলে। বাহিৰত পহৰীযা হান সৈনিকটোৰ খোজৰ শব্দ মাজে মাজে কাণত পৰিল। সি টোপনিৰ ভাও জুৰি চাংখনতে পৰি থাকিল। এবাৰ তাৰ মুখত টৰ্চ মাৰিও চোৱা তাদিকে অনুমান কৰিলে।

যেতিয়া মাজনিশা হ'ল তেতিয়া প্ৰহৰী সলনি হোৱাটো তাদিকে গম পালে। এইয়ে সঠিক সময। এই সুযোগ পাৰ হৈ গলে আৰু কেতিযাও মুক্ত হব নোৱাৰিব বুলি ভাবি বিছনাখনতে পৰি সি লাহে লাহে গোঁ-গোঁৱাব ধৰিলে। তাৰ গোঁ-গোঁৱনি শুনি সৈনিকজনে ফুটাটোৰে এবাৰ টৰ্চ মাৰি চাওঁতে তাদিকে তেনেদৰে ইকাতি সিকাতি কৰি গোঁ গোৱাই থাকিল। ক্ষন্তেক পিছতেই সৈনিকজনে দুৱাৰখন খুলি ভিতৰলৈ সোমাই আহিল। তাদিকৰ মুখত টৰ্চ মাৰি দিলে।

'এই ইন্দু চিএঞৰিছ কিয, মনে মনে থাক?' সৈনিকজনৰ ভাষা নুবুজাৰ ভাঁও ধৰি তাদিকে চোলাটো দাঙি তলপেটটো দেখুৱাই দিলে। ধনুষ্টঙ্গাৰ ৰোগীৰ নিচিনাকৈ ধেনুভিৰীযা হৈ তাদিকে তাৰ পেটৰ অসহ্য যন্ত্ৰণাটোক বুজাব খুজিলে। তাদিকৰ সেই মুকাভিনযক হান সৈনিকজনে সঁচা বুলিযেই ভাবি ললে। কিবা কিবি ভোৰভোৰাই উভতি গৈ দুৱাৰখন নৌ পাওতেই তাদিকে পিচপিনৰ পৰা নাহৰফুটুকী বাঘৰ নিচিনাকৈ তাৰ ওপৰত জপিযাই পৰিল। বাওঁহাতখনেৰে তাৰ দীঘল ডিঙিৰ নেলুটো মেৰিযাই ধৰোতেই সি ককবকাব ধৰিলে। দুযোৰে মাজত জোঁটাপুতি লাগোতেই হান সৈনিক জনৰ পেটিত ওলমি থকা চুটি বেযনেটখন তাদিকে সোঁহাতখনেৰে টান মাৰি উলিযাই লৈযে পূৰ্ণহতীযা খোচ এটা মাৰিলে তাৰ পেটত। বেযনেটখন নাললৈকে সোমাই পৰাত সোঁ কিডনি দুফাল হৈ গ'ল। তাদিকৰ হাতৰ মুঠিৰে তপত তেজ বৈ আহিল। সম্পূৰ্ণ নিচিন্ত হবলৈ তাদিকে আৰু দুখোচ মাৰি দিযাত তাৰ চকু লুটি খাই গ'ল। ফলাপেটটোৰপৰা ওলায অহা ভেকেটা ভেকেটা গোন্ধ আহি তাদিকৰ নাকত সোমাল। সি মুখ ঘূৰাই মৰাশটোক টানি লৈ গ'ল চাংখনৰ পিনে। ততাতৈযাকৈ নিজৰ কাপোৰ খুলি হানটোক পিন্ধালে আৰু তাৰ গেধেমা পোছাকযোৰ সি পিন্ধি ললে। মৰাশটোক কাতিকৈ শুৱাই থৈ মজিয়াত পৰি থকা স্বয়ংক্ৰিয় ৰাইফলটো তাদিকে কান্ধত ওলোমাই দুৱাবদলি পালেগৈ। টুপীৰ আগফালটো চকুলৈকে নমাই দি তাদিক বাহিৰ ওলাল। দুৱাৰৰ শিকলিডাল বাহিৰৰ পৰা লগাই দি সি ইফালে সিফালে চালে। ওচৰে পাজৰে

কাকো নেদেখি সি সৈনিকৰ খোজেৰে বিনিথাংলৈ যোৱা পদপথটোৰে আগবাঢ়ি গ'ল। অলপদূৰ যাওঁতে কোনোবাই তাৰ গাত টৰ্চ মাৰি দিলে। তাক সৈনিক যেন দেখি টৰ্চ নমুৱাই দিযাত তাদিকৰ ভয় আঁতৰিল। কেঁচা তেজৰ চেকাটো টৰ্চৰ পোহৰত জিলিকি নুঠিল জেন লাগিল তাৰ। অলপ দূৰ গৈযে গডা এটা নামিব লাগে। তাতে জপনা এখন আছে যদিও কোনো পহৰীযা নেথাকে। গডাটো নামিয়েই বিনিথাং গাঁওলৈ যোৱা বাটটো এৰি দি তাদিকে পথাৰখনৰ পিনে আগবাঢ়ি গ'ল। এই পথটো সি চিনি পায়। এই পদপথেৰেই সীমান্তলৈ যাব পাৰি সি ভালদৰেই জানে। পথাৰখন এক কিঃ মিঃ মান দীঘল। আধামান গৈযে সি লাহে লাহে দৌৰিব ধৰিলে। মুক্ত হোৱাৰ সম্ভাৱনাই তাৰ দেহলৈ অফুৰন্ত প্ৰাণশক্তি আনি দিলে। গেধেমা পোছাকযোৰ পিন্ধিয়েই সি দৌৰৰ গতি বঢাই দিলে? সময তেনেই তাকৰ বুলি সি জানে। আৰু এঘন্টামানৰ পিছত পহৰীযা সলনি হবৰ সমযতে সকলো কথা ওলাই পৰিব।

খেতিৰ পথাৰখন পাৰ হৈযে তাদিকে খেৰনিডৰাত সোমায় পৰিল। ছয় কিঃ মিঃ মান দীঘল এই খেৰণীডৰা পাৰ হব পাৰিলেই সি হাবিত সোমাব পাৰিব। কিন্তু সি পলোৱা কথা হানে গম পালেই লগে লগে চিকাৰি কুকুৰ মেলি দিব বুলি সি জানে। এনে বহুত কুকুৰ সৈনিক শিবিৰত পুহি ৰখা সি দেখিছে। বাঘৰ নিচিনা খঙাল এই কুকুৰজাক মেলি দিব লাগিলে সি সাৰি যাব নোৱাৰিব বুলি ভাবি তাৰ মন কোচ খাই গ'ল। বাটে বাটে এৰি অহা তাৰ গাৰ গোন্ধ শুঙি শুঙি কুকুৰজাকে নিমিষতে তাক বিচাৰি উলিয়াই পেলাব। তাৰ পিছত ৰাং কুকুৰে খোৱাদি কুকুৰ জাকে তাৰ গাৰ মঙহ টানি আজুৰি খায পেলাব।

এনেতে সৰু জুৰি এখন তাদিকৰ চকুত পৰিল। সীমান্তৰপৰা ওলাই অহা এই জুৰিটো পদ পথটোৰ লগত কিছুদূৰ সমান্তৰালভাবে বৈ অহা যেন লাগিল তাদিকৰ। জোনাকৰ পাতল পোহৰত তাদিকে সীমান্তৰ পাহাৰবিলাক অনুমান কৰি লবলৈ একো অসুবিধা নাপালে। জুৰিটো দেখি সি পদ পথটো এৰি জুৰিৰ পানীত নামি দিলে। সি শুনিছিল বোৱতী পানীত হেনো গোন্ধ বৈ নাথাকে। হানৰ হেঙাল কুকুৰক ফাঁকি দিবলৈ এইটোৱেই একমাত্ৰ উপায় বুলি ধৰি লৈ সি পানীয়ে পানীয়ে উজাব ধৰিলে। খাৰ গাঁঠিৰ সমান দ'ভ কোঙ্ক কাঢ়িবলৈ অসুবিধা নাপালে যদিও হিমশীতল পানীয়ে তাৰ ভৰি দুখন ঠেঁটুৱা লগালে।

শেলুৱে ধ ৰা শিলবিলাকতো খোপনি লোৱা টান হ'ল। তাৰ গা ঢলং পলং হ'ল যদিও সি খোজ ঢিলাই নিদিলে। জানখনেৰে আধা কিলোমিটাৰ মান গৈ সি বাওঁপিনৰ হাবিত উঠিল। পাইন গছৰ হাবিখন শুকান যদিও তল সৰা পাতবিলাক বৰ পিছল যেন লাগিল তাদিকৰ। ক্ৰমান্বয়ে ওপৰলৈ উঠি যাব ধৰোতে তাদিকে এবাৰ বিনিথাংৰ পিনে উভতি চালে। সি থিয় দিয়া ঠাইৰ পৰা বিনিথাংৰ আকাশী দূৰত্ব চাৰি কিঃ মিঃ মান হলেও সামৰিক শিবিৰত ঢিমিক-ঢামাককৈ জ্বলি উঠা ক্ষীণ পোহৰবিলাক তাৰ চকুত পৰিল। সি পলোৱা কথাটো সকলোৱে গম পালে বুলি তাদিকে ধৰি ললে। ৰৈ থকাৰ সকাম নাই বুলি সি ক্ৰমান্বয়ে ওপৰলৈ উঠি যাব ধৰিলে। হানৰ গেধেমা পোছাকযোৰে তাৰ গাৰ ওজন ডেৰগুণ কৰিলে যদিও ক্লান্তিৰ ওচৰত তাদিকে হাৰ মানিব নোৱাৰিলে। ফোপাই জোপাই আৰু অলপ দূৰ উঠিযেই এডোখৰ সমান ঠাই দেখি সি উশাহ লব বিচাৰিলে। তললৈ চাওতে পাঁচশ ফুট মান তলত হান সৈনিকৰ এটা অগ্ৰৱৰ্তী নিৰীক্ষণ চকী তাৰ চকুত পৰিল। এক কিঃ মিং মা। দূৰত্বত অৱস্থিত যদিও এই নিৰীক্ষণ চকী এতিয়াই সচেতন হৈ পৰিব। ইহঁতৰ চকীতো হেঙাল আছে সি জানে। সমান ঠাই ডোখৰৰ অন্তত থকা থিয় শিলণীখন দেখিযেই তাদিকে তালৈকে খোজ বঢ়ালে। ত্ৰিশফুট মান ওখ এই থিয় শিলনীখন বগাই উঠিব পাৰিলেই কুকুৰৰ হাত সাৰিবলৈ সহজ হব বুলি তাৰ অনুমান হ'ল। লগে লগে সি শিলনিখন বগাবলৈ আৰম্ভ কৰিলে। ৰাইফলটো পিঠিত ওলোমাই লৈ অ'ত ত'ত খামুচি ধৰি ধৰি তাদিকে সাৱধানেৰে উঠি যাব ধৰিলে। তাৰ হাতৰ আঙুলিৰ মাখি চাল প্ৰথমতে এ ৰাই গ'ল। তাৰ পিচত দহোটা আঙুলিৰপৰা তেজ ওলাল। তেজ ওলোৱা আঙুলিবিলাকৰ খোপনি পিচ হৈ পৰিল যদিও সি খোপনি ঢিলাই নিদিলে। ওপৰ পাই তাদিকে তললৈ চাওঁতে দূৰৈত কুকুৰৰ ভো-ভোৱনি শুনিলে। নিৰাপদতাৰ প্ৰয়োজনত তাদিকে আৰু অধিক উচ্চতালৈ উঠি যাব ধৰিলে। সীমান্ত বিভাজন কাৰি গিৰিমালাখনলৈ তেতিয়াও এক কিঃ মিং মান দূৰত্ব বাকী আছিল।

শিলাময় এই গিৰিমালাত তেতিয়া বৰফ জমা হবলৈ ধৰিছিল যদিও অগম্য হৈ নাছিল। কিন্তু সেই সীমাৰেখা পাবলৈ আৰু বহুত থিয় শিলনি সি বগাই যাব লাগিব বুলি অনুমান কৰিলে। হান কুকুৰে তাক আৰু লগ ধৰিব নোৱাৰে বুলি জানিলে যদিও দিনৰ পোহৰ থাকোতেই সীমাৰেখা পাৰ কৰিব নোৱাৰিলে তাৰ মৃত্যু অনিবাৰ্য্য বুলি

ধৰি ললে। হাবিহীন সেই তকলা ঠাই বগাই যাওতে সি নগ্নভাবে ওলায পৰিব বুলি তাৰ আশঙ্কা উপজিল। ভয ভাবনাক আঁতৰাই থৈ সি পুনৰ শিলনি বগাব ধৰিলে। তুষাৰে পিছল কৰি পেলোৱা শিলনি বগাওঁতে তাৰ আঘাতপ্ৰাপ্ত হাতৰ আঙুলি দুই এবাৰ পিচলিলে যদিও ভৰিৰ খোপনী সি নেৰিলে। ইতিমধ্যে কাপোৰৰ জোতাযোৰ সি খুলি পেলায দিছিল। শিলনিডৰা চেৰাই গৈ সি সমতল ঠাই অলপ দেখিলে।

অজস্ৰ ৰঙ-বিৰঙীযা চকচকীযা শিল পৰি থকা দেখি তাদিকৰ বুটলিবৰ মন গ'ল। সোণালী, সেউজীযা, ৰঙা বগা শিলৰ টুকুৰাবিলাকেৰে খোজ কাটি যাওঁতে সি উশাহ চুটি হোৱা যেন অনুভৱ কৰিলে। ইমান উচ্চতাত তেনে হয বুলি সি জানে। কিয় তেনে হয সেইটো নেজানে। কস্তুৰি পহ চিকাৰ কৰিবলৈ যাওঁতেও তাৰ তেনেকুৱা হৈছিল মনত পৰিল।

সমতলখিনিত থিয দি এবাৰ ওপৰলৈ চাওঁতে ৰ'দৰ পোহৰ পৰা বৰফৰ তীব্ৰ উজ্জ্বলতাই তাৰ চকুত চাট মাৰি ধৰিলে। সি চকুত হাত থৈ চকু দুটা মুদি পেলালে। কস্তুৰি চিকাৰলৈ যাওতে লগৰ লগৰীযাই ৰ'দ পৰা বৰফলৈ চাবলৈ নিষেধ কৰিছিল। তেনেদৰে চালে চকু কণা হৈ যাই বুলিও সকীযাই দিছিল।

সীমান্ত বিভাজনকাৰী পৰ্বতমালাখন পাওঁতে তাৰ দেহৰ অৱশিষ্ট শক্তিখিনিও শেষ হোৱা যেন লাগিল। আৰু আধা কিঃ মিঃ মান যাব পাৰিলেই সি নিজা দেশৰ সীমাত সোমাবলৈ পাব বুলি ভাবি উৎসাহিত হৈ পৰিল। ক্লান্তি জৰ্জৰিত শৰীৰটোকে সি কোনো মতে টানি লৈ গ'ল সীমাৰেখাৰ দিশলৈ। এনেতে বিমান এখনৰ ক্ষীণ শব্দ তাৰ কাণত পৰিল। তাকেই বিচাৰি আহিছে বুলি সি ধৰি ললে। বগা বৰফৰ মাজত থিয দি থাকিলে বিমানখনৰ পৰা তাক সহজতে চিনি পাব বুলি তাৰ ভয় লাগিল। মেচিন গানৰ গুলীৰ- পৰা হাত সাৰিবলৈ তাদিকে ইফালে সিফালে আশ্ৰয় বিচাৰি চালে। ইতিমধ্যে বিমানৰ শব্দ ক্ৰমান্বযে ওচৰ তাপি আহিব ধৰিলে। আন একো উপায নেদেখি তাদিকে গাৰ কাপোৰ যোৰ খৰধৰকৈ খুলি টোপোলা কৰি টোপোলাটোৰ ওপৰতে দীঘল দি শুই পৰিল। তাৰ নগ্ন বগা দেহাটো পৰিবেশৰ লগত মিলি গ'ল। অকণমানি বিমানখন তাৰ ওপৰেৰে উৰি যাওঁতে সি প্ৰতিটো মুহূৰ্ততে মৃত্যুৰ কাৰণে আপেক্ষা কৰিলে। বিমান খনে তাক পাৰ কৰি উৰি যোৱাৰ পিচতহে তাৰ উশাহ উভতি আহিল। এই এক মিনিট সময়ৰ ভিতৰতে তাৰ গাৰ তেজখিনিও বৰফ হৈ পৰিল বুলি সি অনুভৱ

কৰিলে। কপাহ ভৰোৱা গদহা পেন্ট চোলাযোৰ পিন্ধি লওতে সি যে কেনেকৈ জীয়াই আছে তাকো ভাবিলে। হাত-ভৰি লাহে লাহে অৱশ হৈ পৰা যেন লাগিল তাদিকৰ। এনেদৰে বৰফত আৰু অলপ সময় থিয় দি থাকিলে তাৰ মগজু অকামিলা হৈ পৰিব বুলি ভাবি সি থৰক্ বৰক্কৈ সীমান্তটো পাৰ হবলৈ চেষ্টা কৰিলে। সীমাৰেখাডাল কল্পিত। কোনো ধৰণৰ সীমান্ত খুটিও নাই। কোনো পক্ষৰ সৈনিক এই ঠাইলৈ নাহে। আহিবও নোৱাৰে। কস্তুৰি চিকাৰীও সীমাৰেখালৈ নাহে। অলপ তলৰপৰাই উভতি যায়।

দহ হাত মান উচ্চতালৈ উঠি যোৱাৰ লগে লগে সি এৰি থৈ যোৱা দেশখনৰ ছবি তাৰ চকুৰ আগত ফটফটীয়া হৈ পৰিল। লাকচিং গাঁওখন মেঘে আগুৰি থকা কাৰণে তাদিকে দেখা নাপালে যদিও অনুমান কৰি ললে। মুক্তিৰ আনন্দত হাতৰ ৰাইফলটো ফুটুৱাবৰ ইচ্ছা হ'ল যদিও তাৰ হাতৰ আঙুলীযে কাম নকৰা যেন লাগিল। সীমাৰেখা পাৰ কৰিযেই তাদিকে পগলাৰ নিচিনাকৈ নামি যাব খুজিলে। খোজৰ স্থিৰতা হেৰুৱাই সি উজুটি খাই বাগৰি পৰিল। শিলাময় তকলা ভূমিখণ্ড নামি গৈ পাইন গছৰ বননিখন পাওতে তাৰ বহুত সময় লাগিল। গছে গছে ধৰি ধৰি আৰু অলপ দূৰ নামি যাওঁতে কস্তুৰি চিকাৰীৰ পৰিত্যক্ত জোপোহা এটা তাৰ চকুত পৰিল। শুকাই যোৱা ডালপাতৰ জোপোহাটো দেখিযেই তাৰ মনোবলখিনি শেষ হৈ পৰিল। সি আৰু এখোজ আগবাঢ়িব নোৱাৰে বুলি ভাবি সেই জোপোৱাটোৰ ভিতৰলৈ সোমায় গ'ল। দুহাত মান এখ জোপোহাটোৰ ভিতৰত মানুহ এজন কোনো ৰকমে শুৱহে পাৰে বহিব নোৱাৰে। জুই জ্বলোৱা চিন আছে যদিও ছাঁইখিনি সেমেকা। ভিতৰলৈ সোমোৱা পথটো ডাল-পাতেৰে বন্ধ কৰি দিয়াৰ পিচতেই তাদিকে শুকান মাটিৰ ওপৰতে শুই পৰিল। জোপোহাটোৰ ভিতৰত সি যথেষ্ট উষ্ণতা অনুভৱ কৰিলে যদিও তাৰ-হাত ভৰিৰ আঙুলিবিলাক যে অকামিলা হৈ পৰিছে সেই অনুভৱো আহিল। আঙুলিবিলাক লৰায় চাব খুজিলে যদিও অকামিলা হৈ পৰা যেন লাগিল। সৈনিক পোছাকযোৰৰ উম্ তাদিকে তেতিয়াহে অনুভৱ কৰিলে। এই যোৰৰ অবিহনে সিও বৰফৰ মাজতে বৰফ হৈ পৰি থাকিলহেতেন বুলি ভাবিবলৈ বাধ্য হ'ল। তাৰ ভোক লাগিছিল। মৰা সৈনিকজনৰ কাপোৰযোৰ খুলি লওতে চাম্পাগুড়িৰ টোপোলাতো তাদিকে পাহৰা নাছিল। জেপৰ-পৰা টোপোলাটো অকামিলা হাতখনেৰে উলিয়াই আনিলে যদিও আঙুলিৰে তুলি খাব

নোৱাৰিলে। দাঁতেৰে কামুৰি সি গাঁঠিটো খুলি জিভাখনেৰেই চাম্পাগুডি অলপ চেলেকি খাব খুজিলে। তাৰ শুকান জিভাখনে কাম নকৰা হ'ল। খাবলৈ এৰি তাদিকে শুবলৈ চেষ্টা কৰিলে। অতীত আৰু বৰ্তমানৰ মাজত থিয় দিয়া তাদিকৰ মনত চিন্তাৰ খেলিমেলি লাগিল। এৰি থৈ যোৱা সমাজখনলৈ পুনৰ উভতি আহি মানুহৰ আগত মুখ উলিয়াব কেনেদৰে সি ভাবিবলৈ ধৰিলে। আনহতে হান বন্দীত্বৰ পৰা মুক্ত হৈ সি যেন নিজৰ জীৱনটো ঘুৰাই পালে তেনেকুৱাও লাগিল। চিন্তাৰ এই খেলি মেলিৰ মাজতে সি গভীৰ নিদ্ৰাত অচেতন হৈ পৰিল।

(৩৩)

পিচদিনা লাকচিং গাঁওখনক তেতিয়া ঘোপমৰা আন্ধাৰে গিলি পেলাইছিল। দুই এঠাইত বিজুলী জ্বলি আছিল যদিও সিও জোনাকী পৰুৱাৰ পোহৰৰ সমানো উজ্জ্ব ল নাছিল। সমীৰ বৰা মাষ্টৰে স্কুলৰ কাগজ পত্ৰবিলাক একান্ত মনে চাই আছিল। বদলিৰ আদেশ অহা দহদিন মানেই হ'ল যদিও নতুন মাষ্টৰজন আহি নোপোৱাত সামীৰে দায়িত্ব এৰি যাব নোৱাৰিলে।

এনেতে পিচপিনে কোনোবা মানুহৰ পদধ্বনি শুনি সামীৰ বৰাই কাগজপত্ৰ এৰি কাণ থিয় কৰিলে। সন্ধিয়া হলেই লাকচিঙত মানুহৰ চলাচল নাইকিয়া হৈ পৰে। অতিপাত ঠাণ্ডা পৰে কাৰণেই মানুহে ঘৰৰ ভিতৰতে জুই যুৱাহি বহি থাকে।

'চাৰ, অ চাৰ । বহুত দিন এই মাত শুনা নাছিল যদিও মাতটো অলপ পৰিচিত যেন লাগিল। কোনোবা গাঁৱৰে মানুহৰ মাত বুলি ভাবিলে যদিও পিচপিনৰপৰা মতা কাৰণে অলপ সন্দেহো হ'ল।

'কোন তুমি'? সমীৰ বৰাই পৰিচযটো জানিব বিচাৰিলে।

'দুৱাৰখন খুলি দিযক চাৰ, মই তাদিক।'

বজ্ৰপাত পৰা মানুহৰ নিচিনাকৈ সমীৰ মাষ্টৰৰ থৰ যুগুতি হেৰাল। নামটো তাৰ অবিশ্বাস্য যেন লাগিল। ডেৰ বছৰ হ'ল তাদিক পলাই যোৱা, জীয়াই আছে নে নাই কোনেও নাজানে। সেই তাদিক আহি এই নিশাৰ আন্ধাৰত তাৰ দুৱাৰদলিত থিয় দিবহি পাৰে বুলি কোনোপধ্যে পতিযন যাব নোৱাৰিলে সমিৰ বৰাই।

'সোনকালে খুলি দিয়ক চাৰ নহলে মই মৰি যাম'। দুৱাৰখন খুলি নিদিয়া কাৰণে কাতৰ মিনতি জনালে তাদিকে। খোলো-নোখোলোকৈ সমীৰে দুৱাৰখন খুলি

দিয়েই দুখোজ পিচুৱাই আহিল। চীনা সামৰিক পোছাক পিন্ধা তাদিকক দেখি কেনি যাও কি কৰো লাগিল অকলশৰীয়া মাষ্টৰৰ। অ'ত ত'ত ধৰি ধৰি এখোজ দুখোজকৈ দুৱাৰ দলি পাৰ হৈ অহা তাদিকলৈ সমীৰে বিস্ময় দৃষ্টিৰে চাই থাকিল।

'মই উভতি আহিলোঁ চাৰ। মৰিব লাগিলে মই নিজৰ মাটিতেই মৰিম বুলি উভতি আহিলোঁ।' এই বুলি কৈযে বাগৰি পৰিব খোজা দেখি সমিৰ বৰাই তাদিক গবামাৰি ধৰিলে।

'পিচতো ক'ব পৰিবা- এতিয়া বিছনালৈ ব'লা তাদিক'। তাদিকক ধৰি নি সমীৰ বৰাই নিজৰ বিছনাখনতে শুৱাই দিলে। তাৰ হাত-ভৰিৰ আঙুলীবিলাক দেখি সমীৰৰ গা-মন শিয়ঁৰি উঠিল। গৰম কাপোৰ যিমান আছিল সকলো আনি জাপি দিলে তাদিক । গাত। হাত-ভৰি চাৰিখনক আলফুলকৈ ঢাকি দি সমীৰ মাষ্টৰে জুই জ্বলি থকা টিনৰ পাত্ৰটো বিছনাৰ ওচৰলৈকে দাঙি আনিলে।

'গৰম চাহ অকণ খাবা নেকি তাদিক'? তাদিকৰ মূৰটো পিহি পিহি বৰ মৰমকৈ সুধিলে সমীৰ মাষ্টৰে। এজন অপৰাধীক এনেদৰে আশ্ৰয় দিযাটো তাৰ বাবে অন্যায হৈছে নেকি বুলিও ভাবি নাচালে। তাদিকে মূৰ দুপিযাই চাহ খোবাৰ ইচ্ছা জনোৱা দেখি সমিৰে জুহাল পালেগৈ। তাদিকে এবাৰ চকু মেলি সমীৰলৈ চালে। পুৰণি মৰমক পুনৰ বিচাৰি পোৱাত তাৰ বন্ধ চকু দুটাৰ পৰা চকুলো ওলায আহিল। চাহ কৰি অনাৰ পিচতো তাদিকৰ গালত চকুৰ টোপাল জিলিকি থকা সমিৰে দেখা পালে।

'মই আছোঁ নহয, তুমি অকণো চিন্তা নকৰিবা তাদিক'। তাদিকক অলপ দাঙি ধৰি চাহ কাপ খুৱাই দিবলৈ ধৰোতে তাদিকে বৰ হতাশভাবে সমিৰ বৰাৰ চকুলৈ চালে। তাৰ ফাটি যোৱা ওঁঠ দুটাত তেতিযাও অলপ তেজ কৰাল মাৰি আছিল। তাদিকক পুনৰ শোৱাই দি সমিৰ বৰাই ৰুমাল এখন গৰম পানীত তিয়াই আনিলে। তাদিকৰ ওঁঠ দুটা লাহে লাহে মচি দিওঁতে কিবা খাবা নেকি বুলি জানিব বিচাৰিলে।

'পিচত খাম। আগতে মোক এবটল ফটিকা আনি দিয়ক চাৰ নহলে মৰি থাকিম।" সেহাই সেহাই কোৱা কথা কিটাৰ পৰা তাদিকৰ শোচনীয অৱস্থাটোক সমীৰ বৰাই ভালদৰে বুজি পালে।

'মই এতিয়াই আনি দিছোঁ তাদিক। তুমি শুই থাকিবা—নুঠিবা দেই এই বুলি কৈয়ে টকা কেইটামান জেপত ভৰাই সমীৰ বৰা ওলাই গ'ল। যাওতে দুৱাৰখনত বাহিৰৰপৰাই

শিকলি লগাই থলে। ফটিকা বিচাৰি কোন ঘৰলৈ যাব বুলি অলপ চিন্তা কৰোতেই সণোৱাল কম্পাউণ্ডাৰৰ কথা মনত পৰিল। অ' তাতেই পাম বুলি নিজে নিজে কৈ সমীৰে তালৈকে বুলি খোজ বঢ়ালে। বাটত কুকুৰে ভু কিবলৈ ধৰাত দুই এজনে ভুমুকি মাৰি চোঁৱা সমীৰ বৰাই দেখিলে।

কোন সেযা'?

'মই মাষ্টৰ'।

'আৰে চাৰ কি কথা? ইমান ৰাতি ক'লৈ যায় ?

'ক'তনো ইমান ৰাতি হ'ল। আঠটাহে বাজিছে মাত্ৰ। প্ৰশ্নবিলাকে সমীৰ বৰাক অলপ বিব্ৰত কৰিলে যদিও উত্তৰ দিবলৈ বাধ্য হ'ল। তাৰ প্ৰতি লাকচিংবাসীৰ অগাধ মৰম। মাষ্টৰ বুলিয়েই হওক বা ল'ৰা-ছোৱালীক পঢ়ায় বুলিয়েই হওঁক ভাল নোপোৱা মানুহ এজনো নাই বুলি সি জানে। পূজা উৎসৱ আদিত সমীৰক'লৈ ঘৰে ঘৰে টনা আজোৰাও লাগে।

সণোৱাল কম্পাউণ্ডাৰ তেতিয়া পাৰ্থিব ভোগবিলাসত মগন হৈ আছিল। ভাত ৰন্ধা লৰাটোৱেই সমীৰৰ মাত শুনি দুৱাৰ খুলি দিলে।

'ককাইদেউ ক'ত অ টানু ? ল'ৰাটোৰ নাম টানু । এই অঞ্চলত নামৰ আগত সকলো পুৰুষ মানুহে 'ট বৰ্নটো ব্যৱহাৰ কৰে। টানু বয়সত চেমনীয়া। আৰম্ভণিৰপৰা সোণোৱালৰ লগতেই আছে। নিজৰ ভায়েকৰ নিচিনাই মৰম কৰে যদিও সন্ধিয়া পৰত হে সম্বন্ধটোত খেলিমেলি লাগে।

'ক'ত হব আৰু চৌকা ঘৰতে বহি লেকচাৰ মাৰি আছে।

'হয় নেকি? ব'লচোন মইও শুনো'। সোণোৱালৰ এই স্বভাৱটো সমীৰে জানে। সমীৰেই অকলে নহয়, লাকচিঙৰ সকলোৱে জানে। সোণোৱালে সদায় ফটিকা খালেও কিনি খাব নেলাগে। গাঁওবসীৰ মৰমতে চলি যায়।

'অ মাষ্টৰ চোন ক'ৰপৰা আহিলাহে? ৰাতি! বিয়লিও ল'ৰা-পঢ়াই ফুৰিছা নেকি?' অলপ ফটিকা খালেই সোণোৱাল কম্পাউণ্ডাৰ ভাবপ্ৰৱন হৈ পৰে। এটা কথাকে ঘূৰাই পকাই কৈ ভাল পায়। "জানানে মাষ্টৰ, আমি হলো কেঁকোৰা খোৱা কছাৰী মানুহ। ভকতীয়া ৰীতি আমাৰ নচলে । বাথৌ পূজাত এই টুপিয়েই আচল প্ৰসাদ'

'জানো জানো ককাইদেউ সেইবিলাক আৰু ক'ব নেলাগে এতিয়া ।

‘ধৰিবা নেকি অলপ’? লাহেকৈ সুধিলে সনোৱালে।

‘মই নাখাওঁ নহয় আপুনিচোন জানেই’।

‘হয় নেকি ঠিক আছে নেলাগে খাব। বুট, মাহ, পিঠা গুড়ি খোৱা ডিঙিৱে এইবিলাক নসৰকিব নহয়, কি কোৱা মাষ্টৰ” হে হে হে’ নিজৰ কথাত নিজেই ৰস পাই সোণোৱালে হাঁহিব ধৰিলে। সমীৰ বৰা সোণোৱালতকৈ দহ পোন্ধৰ বছৰ মানেই সৰু হব। কোনো কথাতে কেতিয়াও মুখ পাতি ধৰা নাই।

কম্পাউণ্ডাৰ যদিও হাতখনি হলে ডাক্তৰৰে সমান।

‘অলপ কথা আছিল ককাইদ উ ’। টানু ওচৰতে বহি থকা কাৰণে প্ৰসঙ্গটো উলিযাব নোৱাৰিলে।

‘অ কোৱাচোন এতিয়া এই ৰাতিখন আহিবলৈ কিহে পালে তোমাক’?

‘অলপ বাহিৰলৈ যাবনে’?

‘বাহিৰলৈ যাব লাগে— কিয ?” সমীৰৰ কথাত সোণোৱাল আচৰিত হৈ পৰিল।

‘অলপ কথা আছে’।

‘ইযাতে কৈ দিলে নহয নেকি মাষ্টৰ? অ’ এইটো এইটো এটা মস্ত হেবাং হয। কাণেৰে কুমটি কেৰেলুৱা সোমালেও গম নাপায।

‘আপুনি মোৰ লগত এতিযাই যাব লাগে’।

‘তোমাৰ লগত যাব লাগে- তাকো এতিযাই। কৌলনো যাব লাগে। কাৰ কি হৈছে খুলি কোৱা মাষ্টৰ’।

‘বাটত যাওঁতে কম বাৰু। এতিযা ব’লক ককাইদে উ’। কথাখিনি কৈ সমিৰ বৰা থিয দি উঠিল।

‘তুমি কৈছা যেতিযা যাবই লাগিব’। সোণোৱালে শোৱা খোঠালীটোলৈ গ’ল। ‘এই টানু ফটিকা দুবটল আনি দিব পাৰিবিনে’?

‘কাৰ কাৰণে লাগে চাৰ’?

‘মোৰ কাৰণেই লাগে অ’।

‘আপুনিচোন ফটিকা নাখায’।

‘মই নাখাওঁ আনহীক খুৱাব লাগে। কথা সুধি থাকিব নেলাগে যা’। এই বুলি টানুৰ হাতত টকা কুৰিটা গুজি দিলে। টকা লৈয়ে টানু লৰ মাৰি ওলাই গ’ল।

চিপাহীযে দিয়া দীঘল ওভাৰ কোটটো পিন্ধি সোনোৱাল অলপ পিচতে ওলাই আহিল। কোনোবা সৈনিক বিষয়াই মৰম কৰি কোটটো সোনোৱালক উপহাৰ দি থৈ গৈছিল। চিপাহীৰ বেমাৰ-আজাৰ হলে সোনোৱাল কম্পাউণ্ডাৰেই চোৱা-চিতা কৰে।

'ই আকৌ ক'লৈ গল মাষ্টাৰ'?

'মোৰ তাঁলে আলহী আহিছে টানুক ফটিকা আনিব পঠাইছো'।

'তোমাৰ তাঁলে আলহী আহিছে? কি কথা কৈছাহে মাষ্টৰ'?

'দেখিলেই বুজি পাব ককাইদেউ। এতিয়া ব'লক।

ইতিমধ্যে টানু আহি পালে। ফটিকাৰ বটল দুটা হাতত লৈ সমীৰ বৰা আগবাঢ়িল।

'সৰ্বনাশ, এয়াচোন তাদিক'। মুখৰ কাপোৰখন সমীৰে আঁতৰাই দিওঁতে সোণোৱাল কম্পাউণ্ডাৰে এখোজ পিচুৱাই আহিল। তাদিক আচেতন হৈ পৰা নাছিল যদিও মুখৰ মাত হেৰাই গৈছিল। মুখৰ কাপোৰ গুচায় দিওঁতে সি অলপ চকু মেলি চালে। সনোৱালে ধমনীৰ গতি পৰীক্ষা কৰিবলৈ তাদিকৰ হাতখনত ধৰিলে।

'একেবাৰেই গলি গৈছেচোন মাষ্টৰ?

'ভৰি দুখনৰো একেই অৱস্থা ককাইদেউ। সমীৰে ভৰিৰ কাপোৰ অলপ আঁতৰাই দিলে।

'ঢাকি থোৱা এতিয়া। তুমি অলপ পানী গৰম কৰাচোন'। সোনোৱাল কম্পাউণ্ডাৰৰ ফটিকাৰ ৰাগি কৰ্পূৰ পমাৰ দৰে পমি গ'ল। সোণোনাৱাল কম্পাউণ্ডাৰৰ এয়ে বিশেষত্ব, বেমাৰী পালে নিজকে পাহৰি যায়।

'তাদিকে অলপ ফটিকা খাব খুজিছিল দিম নেকি ককাইদেউ'?

'কাপ এটাত বাকি আনা -চামুচ এখনো দিবা'। সমীৰে ফটিকা আনি দিয়াত সোণোৱালে নিজেই খুৱাব ললে।

'তাদিক অ' তাদিক।' তাদিকে চকু মেলি সোণোৱাললৈ চালে। সি কিবা কব বিচাৰিছিল যদিও কথা ফুটি নোলাল।

'চাওঁ মুখখন মেলাচোন'। তাদিকে মুখ মেলিব নোৱাৰিলে যাবে সোণোৱালে চামুচৰেই এচামুচ দুচামুকৈ খুৱাব ধৰিলে।

'কেনেকুৱা দেখিছে ককাইদেউ'? তাদিকৰ আবস্থা দেখি সমীৰ বৰা চিন্তিত

হৈ পৰিল।

'অৱস্থা বৰ ভাল নহয়। এই ভৰি দুখনেৰে সি আহিল কেনেকৈ মাষ্টৰ'।

'সিযেই জানে কেনেকৈ আহিল ভাল। হৈ উঠিবনে'?

'দেখা যাওকচোন। চাওঁ গৰম পানী লৈ আহা'।

সমীৰে গৰম পানী আনি দিয়াত সোণোৱালে প্ৰাথমিক চিকিৎসাৰ বেগটোৰ পৰা প্ৰযোজনীয় বস্তু উলিযাই লৈ নিজেই হাত-ভৰিৰ আঙুলিবিলাক লাহে লাহে চাফা কৰি দিলে। ঔষধ লগাই কপাহেৰে চাকি বেণ্ডেজো বান্ধিলে। কোৰামিন বেজী এটাও দিলে। তাদিকৰ গাত কাপোৰ উৰায় ওচৰতে বহি থাকিল। অলপ পিচত চামুচেৰে ফটিকা অলপ খুৱালে।

এঘন্টা মান পিচত তাদিকে কথা ক'ব বিচাৰিলে।

'কিবা ক'বা নেকি তাদিক?' সোণোৱালেই সুধিলে।

'ভোক লাগিছে'। ডেৰ বছৰ পিচত ফটিকা খোৱা তাদিকৰ গালৈ প্ৰাণশক্তি উভতি আহিব ধৰিলে। সোণোৱালৰ নিৰ্দেশত সমীৰে ভাত দাইল এবাতি খচি লুথুৰী কৰি আনি দিলে।

মাজনিশালৈ তাদিকে ভালদৰে কথা কব পৰা হোৱা দেখি কম্পাউণ্ডাৰ যাবলৈ ওলাল। বাহিৰত আহি সমীৰে ফুচ্ ফুচাই সোণোৱালৰ পৰামৰ্শ বিচাৰিলে।

'মই এতিযা কি কৰো ককাইদেউ ?

'আৰু এদিন মান ৰোৱাচোন। বেমাৰী মানুহটোকনো খেদি পঠিযাবা কেনেদৰে। এইটো অৱস্থাৰে চিপাহীক গতায় দিলে সি এনেয়ে মৰি থাকিব।'

'তাদিক আহি মোৰ ইয়াত লুকাই আছে বুলি কথাটো ওলায় পৰিলে মোৰ বিপদ নহ'ব জানো'?

'কাইলৈৰ দিনটো চাই লওঁ বাৰু'।

এদিন দুদিনকৈ পোন্ধৰটা দিন পাৰ হৈ গ'ল যদিও তাদিক অজ্ঞাতবাসৰ কথাটো অজ্ঞাত হৈয়ে থাকিল। অৱশ্যে তাৰ মাজত আকৰী যাচিয়ে এদিন সমীৰৰ ঘৰলৈ আহোতে তাদিকৰ ৰহস্য উদং হৈ পৰিব খুজিছিল।

'দিনতে দুৱাৰ বন্ধ কৰি থৈছে কিয় চাৰ? দুৱাৰ খোলক'। দুৱাৰ দলিতে য়াচিৰ মাত শুনি সমীৰ বিবুদ্ধি হ'ল। ভনীয়েকৰ মাত বুলি বুজি পাই তাদিকো উঠি বহিল। ডেৰ বছৰৰ পিছত শুনিলে যদিও তাইৰে মাত বুলি চিনি পালে। য়াচিক দেখা পোৱাৰ

হেপাইত তালিকৰ মন থৌকি-বাথৌ হ'ল। কথাটো লক্ষ্য কৰি সমীৰে ইঙ্গিতত তালিকক মনে মনে থাকিব কৈ দুৱাৰখন খুলি দিবলৈ গ'ল।

'অ চাৰ দুৱাৰ বন্ধ কৰিছে কিয় ভিতৰত কোন আছেনো'?

খালে খালে এইজনীয়ে এতিয়াহে গোটেইখনকে সাঙোৰাব যেন পাইছোঁ বুলি মনতে ভাবি সমীৰে দুৱাৰৰ শলখাডালত হাত দিলে।

'যাচি নে?

'মই নহয় আৰু কোন হব চাৰ'? দুৱাৰ নুখুলে যদি আৰু কেতিয়াও নাহো। কৈ দিলো।"

দুৱাৰখন খুলি দিয়েই সমীৰে দুৱাৰদলিতে থিয় দি থাকিল যাতে য়াচি ভিতৰ সোমাব নোৱাৰে। তাইৰ হাতত টোপোলা এটা দেখিলে সমীৰ মাষ্টৰে।

'আকৌ কি আনিছ? চাওঁ দে মোৰ হাততে'।

'নালাগে মযে সিজায় দিম'। য়াচিযে সমীৰৰ হাতৰ তলেৰেই সৰকি ভিতৰ সোমাল। পোনে পোনেই তাই জুইশালত সোমাল। সমিৰৰ শোৱনী কোঠাটোলৈ সোমোৱা দুৱাৰখন বন্ধ আছিল। লগত অমা আলু কিটা ক'ত থব লাগে তাই জানে। ভাত খাই এৰা থাল দুখন দেখি তাই সুধিযেই পেলালে।

'আৰু কোনে ভাত খালে চাৰ?'

'সোণোৱাল কম্পাউণ্ডাৰ আহিছিল অ' তেওঁৰেই খাই গ'ল।

চাৰক মই এইমাত্র ঘৰত দেখি অহা নাই নেকি? ঘৰতে আছে দেখোন।

'ইয়াৰপৰাই ঘৰলৈ গৈছে অ' আঁকৰী'।

'ইমান বাচন আজি লেতেৰা কৰি থৈছে কিয় চাৰ'? য়াচিয়ে বাচনবিলাক বাহিৰলৈ উলিয়াই নিলে।

'সময়ে পোৱা নাই অ য়াচি। টানুৱে আহি থুই দি যাব দে-তই ঘৰলৈ যাগৈ'। য়াচিৰ পৰা অব্যাহিতি পাবলৈ সকলো প্ৰকাৰে চেষ্টা কৰিও বিফল হ'ল সমীৰ বৰা।

'আপুনি ক'লেই হব নেকি.? অ পানীও নাইচোন'। এই বুলি য়াচিয়ে উদং টিনটোতে ঢোল বজাব ধৰি হাঁহি দিলে।

'হব হব তই পানী আনিবলৈ যাব নেলাগে। টানু অলপ পিচতেই আহিব।

'টানুক কৈ থোৱা নাই নহয়। আপোনাৰ কাম কৰি দিবলৈ 'আচিয়ে' মোক হে

কৈ গৈছে'। এই বুলি বাঁহৰ দীঘল পানী অনা চুঙা দুটালৈ তাই নিজৰাটোলৈ বুলি লৰ মাৰিলে।

বিছনাত শুই শুই তাদিকে যাচিৰ সকলো কথা শুনি আছিল। ইমান পৰে সি সমিৰৰ নিৰ্দেশ মতেই মনে মনে আছিল। কিন্তু যাচিয়ে তাৰ নাম উচ্চাৰণ কৰাৰ লগে লগে তাদিকৰ ধৈৰ্য্যৰ বান্ধ সুলকি পৰিল। ইমান ওচৰত পাইও মৰমৰ ভনীযেকক চাবলৈ চুবলৈ নেপাব সেই কথা হব নোৱাৰে বুলি ভাবি তাদিকে বিছনাৰ পৰা নামিব বিচাৰিলে।

'কি কৰিছা তাদিক-বিছানাৰপৰা নানামিবা। সময হলে মই নিজেই যাচিক তোমাৰ ওচৰলৈ লৈ আহিম নহয়'।

'এই খিনি মৰমৰ হেপাহঁতে মই উভতি আহিছোঁ চাৰ। মোক এবাৰ চাবলৈ দিযক- তাইক এবাৰ চুবলৈ পালেই বৰফে খোৱা মোৰ হাত -ভৰিবিলাক ভাল হৈ যাব চাৰ '। তাদিকে বিছনাৰপৰা নামিব খুজিলে যদিও সমীৰে বাধা দিলে।

'সেইটো বুজি পাইছোঁ তাদিক। তোমাৰ কথাটো জনাজাত হৈ পৰিলে লগে লগে চিপাহীযে তোমাক ধৰি লৈ যাব। দুদিনমান আৰু ধৈৰ্য্য ধৰি থাকিব লাগিব। তাদিক অবুজ নহবাচোন'।

য়াচিযে পানীৰ চুঙা দুটা থৈ ঘৰলৈ উভতি যাওঁতে তাদিকৰ মনে নামানিলে। বিছনাৰপৰা নামি বেৰৰ জলঙাৰে তাইলৈ চাব ধৰিলে। হৰিণা পোৱালিৰ নিচিনাকৈ জঁপিয়াই জঁপিযাই গৈ থকা যাচিক সি পিচপিনৰ পৰাহে দেখিলে। সমীৰ বৰাই কোঠালীটোৰ দুৱাৰ দলিতে থিয হৈ তাদিকলৈ চাই আছিল। মানৱীয মৰমচেনেহৰ এই অতুলনীয় পৰিবেশত সমীৰ বৰাও বিমুগ্ধ হৈ পৰিল। কমিউনিষ্ট দেশৰপৰা উভতি অহা তাদিকে মানুহৰ মৰম বিচাৰি হাবাথুৰি খোৱা দেখি সমীৰ বৰাৰ সহানুভূতি উপজিল। 'বিচনালৈ বলা তাদিক। সময হলে ময়ে যাচিক গৈ মাতি আনি দিম বাৰু কথা দিলো। তাদিকক দুহাতে বিচনালৈ ধৰি লৈ আহোতে তাৰ চকুলোঁ দেখি সমীৰৰো মনটো সেমেকি উঠিল।

তাদিকে খোজ কাটিব পৰা হোৱাৰ পিছতো আৰু দুদিনমান বিশ্ৰামতে থাকিব কলে সোণোৱাল কম্পাউণ্ডাৰে। চৌধ্য দিনৰ পিচত হাত-ভৰিৰ ঘাঁ সম্পূৰ্ণ শুকাই যোৱা দেখি সোণোৱাল কম্পাউণ্ডাৰে নিজেই নিজেই ডাঙৰক্ষুৰুৱা এটা চেলায় বখলাই লৈ

আহিল। কাটি-বাচি নিজেই ৰান্ধিলে।

'তুমি সম্পূৰ্ণ ভাল হৈ উঠাৰ কাৰণে আজিহে মনটো পাতল লাগিছে তাদিক। মোৰ কাম শেষ হ'ল। এতিয়া তুমি কি কৰা সেইটো তোমাৰ ইচ্ছাৰ কথা'।

'আপোনালোক দুয়োযে মোক মৰাৰ্পৰা বচাই তুলিলে। কি কৰিব লাগে আপোনালোকেই ঠিক কৰি দিব। এনেদৰে মই কিমান দিন লুকাই থাকিম? মই নিজে চৰকাৰৰ ওচৰত ধৰা দিম- মোৰ যি হয় হব।'

'তুমি বাৰু চিপাহীৰ হাতত ধৰা দিব নেলাগে তাদিক, ধৰা দিব খুজিছা যদি ডি, চি চাহাবৰ হাততে ধৰা দিয়া ভাল হব'। সমীৰে পৰামৰ্শ আগবঢ়ালে।

'ডি, চি, চাহাব সদৰত থাকে। এই বাৰ দিনৰ বাট তাদিকে খোজ কাটি যাব কেনেকৈ মাষ্টৰ'? সোণোৱালে সমীৰৰ পৰামৰ্শটোক পোনপটীয়াকৈ ভাবি ললে।

'জিলা সদৰলৈ যাব নেলাগে নহয় ককাইদেউ' তাদিকে আত্মসমৰ্পণ কৰিব বুলি গোপন বেতাৰ বাৰ্তা পঠাবলৈ হাজৰিকা বাবুক ক'লেই হ'ল। সেই বেতাৰ বাৰ্তা পালে ডি চি নিজেই লাকচিঙলৈ নাহিব জানো ককাইদেউ?

হাজৰিকা প্ৰশাসনীয় কাৰ্য্যালযৰ দাযিত্বতে আছে। বিষয়া নাই কাৰণে হাজৰিকাই সকলো কাম চোৱা-চিতা কৰে।

সেইটো বেযা কথা নহব মাষ্টৰ। সেইটোকেই কৰা ভাল হব'।

তিনিও সেই নিশা লগে ভাগে ভাত খালে। খোৱা শেষ কৰি উভতি যাবলৈ ওলাওতে কম্পাউণ্ডাৰৰ খোজৰ স্থিৰতা হেৰাল। তাদিকৰপৰা বিদায় লওঁতে একেটা কথাকে ঘূৰাই পকাই ক'বলৈ ধৰিলে 'তাদিক দেশৰ মানুহ দেশলৈ উভতি আহিছে তাৰ দেশপ্ৰেমৰ তুলনা নাই এজন দেশপ্ৰেমিক মানুহক শাস্তি দিয়াৰ কোনো আইন নাই ' ইত্যাদি ইত্যাদি।

পিচদিনা পুৱাতে সমীৰে গৈ হাজৰিকা বাবুক গোপনে কথাটো জনাই দিলে যদিও তাদিক কেতিয়া আহিল বা ক'ত লুকাই আছে সেই কথা কিন্তু নক'লে। হাজৰিকাইও লগে লগে সাংকেতিক ভাষাৰ জৰুৰী বেতাৰ বাৰ্তা পঠিয়াই দিলে সদৰলৈ। আবেলি পৰত নিৰ্দেশাত্মক বেতাৰ উত্তৰ উভতি আহিল। দুদিন পিচত তাদিকে ৰাজহুৱা ভাবে আত্মসমৰ্পণ কৰিব সেই কথা চাৰিও পিনে জনায় দিবলৈও নিৰ্দেশ দিলে জিলাধিপতিয়ে। লাকচিং অঞ্চলৰ সকলো গাঁওৰ মানুহ যাতে সেই সভাত উপস্থিত থাকে তাৰো ব্যবস্থা

কৰাৰ নিৰ্দেশ পালে হাজৰিকা বাবুৱে।

এই নিৰ্দেশ পাই হাজৰিকা বাবুৰ হুৰা-দুৰা লাগিল। লগে লগে পৰোৱানা লৈ মানুহ দৌৰিল ওচৰৰ গাঁওবিলাকলৈ। পিচদিনা চিপাহী শিবিৰৰ সহায় লৈ পুৰণি পেৰাছু টেৰে চামিযানাও তৰা হ'ল।

তাদিকৰ আত্মসমৰ্পণৰ বাতৰি লাকচিঙৰ চাৰিওপিনে বনজুইৰ নিচিনাকৈ বিযপি পৰাৰ লগে লগে গাঁওবাসী ৰাইজ উত্তেজিত হৈ উঠিল কোন পিনৰপৰা তাদিক আহিব সেযে হৈ পৰিল সকলো মানুহৰ প্ৰশ্ন। বিভিন্নজনৰ প্ৰশ্নই হাজৰিকা বাবুক অতিষ্ঠ কৰি তুলিলে। "মই একো নাজোনো' বুলি কোৱা সত্বেও মানুহে হাজৰিকাৰ পাচ নেৰিলে। লাকচিং গাওঁত আনন্দ মেলাৰ হৈ চৈ উঠিল। দুৰ-দুৰণিৰ পৰা অহা আলহীৰে উপচি পৰিল লাকচিং গাঁওৰ প্ৰতিটো ঘৰ। গৃহস্থ জলাকলা হ'ল যদিও আলহী শোধাত কিন্তু কৃপণালী নকৰিলে কোনোৱে গাহৰী কটিলে কোনোৱে কুকুৰাকে পুৰি দিলে। একো নথকাজনে শুকান মঙহকে সিজায খুৱালে। ফটিকা চলিল মাজনিশালৈকে। ফটিকাই বাউলা-বাউলী কৰা যুৱক-যুৱতীৰ নাচৰ ঘিট ঘিটনিত ঘৰৰ চাং ভাঙো ভাঙো হ'ল। তাদিকে যে মানুহ কাটি পলাই গৈছিল সেই কথা লাকচিঙৰ মানুহে পাহৰি পেলালে। ঘৰৰ ল'ৰা ঘৰলৈ যে উভতি আহিব সেযে হৈ পৰিল আনন্দৰ উৎস।

আনহাতে সমীৰ বৰাৰ অকন মানি ঘৰটোৰ ভিতৰত তেতিযা বিষাদ ভৰা পুনৰ মিলনৰ পৰিবেশে জুমুৰি দি ধৰিছিল। পিচদিনা পুৱা তাদিকে আত্মসমৰ্পণ কৰিব বুলি জানি সমীৰ মাষ্টৰে সন্ধিযা পৰতে যাচি আৰু যাচিৰ মাকক নিজৰ ঘৰলৈ মাতি আনিছিল। তিনিও জনৰ মাজত দেখা দেখি হোৱাৰ লগে লগেই কান্দোনৰ ৰোল উঠিল। যাচিযেতো ৰাউচিব ধৰিলে। সমীৰ বৰাৰ সকলো বুজনি অথলে যো ৱা যেন হ'ল। ঘৰটো এফলীযা কাৰণেই হওঁক নাইবা লাকচিংবাসী মতলীযা হৈ পৰা কাৰণেই হওঁক কোনেও সেই ৰাউচি নুশুনিলে। তাৰ মাজতে তাদিকৰ মাকে চকুপানী মচি মচি ঘৰলৈ উভতি গ'ল। অলপ সময়ৰ পিচতে এচুঙা লাওপানী আৰু এটা কুকুৰা হাতত লৈ উভতি আহিল। য়াচিযে কুকুৰা কাটি বাচি জুইত পুৰি দিওতেও নাকৰ লেতুন মচিব নেৰিলে। তাদিকৰ মুৰ পিহি পিহি মাকেই লাওপানী ঢালি দিলে। জনজাতীয পৰম্পৰাত লাওপানী হ'ল মান আৰু আদৰৰ বস্তু। সুখ-দুখৰ অপৰিহাৰ্য্য অংগ।

'সেমাক মই ঘৰলৈ লৈ আহিম। তাযে মোৰ বোৱাৰী হ'ব। জাতকুলৰ বিচাৰ

কৰিবলৈ গৈ মই মোৰ মুৰ খালোঁ।

'আনিবি বাৰু 'আনে'। বোৱাৰী বুলি নানিলেও দুখত পৰা মানুহ বুলিয়েই আনিবি। 'মন্‌লাম'ৰ সময়লৈকে যদি মই উভতি নাহোঁ তেনেহলে আনৰ লগতে তাইৰ বিয়া পাতি দিবি। মোৰ যদি ৰ'ব খোজে তেনেহলে ৰ'ব দিবি'।

লাকচিঙতো তিবতীয় নতুন বছৰৰ 'মনলাম' উৎসৱ উলহ মালহেৰে পালন কৰা হয়। সেই মন্‌লামৰ সময় এপ্ৰিল মাহতে পৰে। এপ্ৰিল মাহলৈ তেতিয়াও পাঁচ মাহ বাকী আছিল। এই পাঁচ মাহৰ ভিতৰতে সি উভতি আহিব বুলি তাদিকে আশাও কৰিলে।

'সিহঁতৰ দেশখন মই দেখি আহিছো 'আনে' সেই দেশখনলৈ সিহঁত আৰু কেতিয়াও উভতি যাব নোৱাৰিব। দেশখন এতিয়া মৰিশালী হ'ল বুলি বুজায় কবি। পেমাৰ বাপেক নাই। চাৰিবছৰ মান আগতেই মৰিল । এইটো কথা সিহঁতক হলে নকবি। চোনাম নৰবু উভতি অহাৰ আশাকে লৈ সিহঁত আজিও জীয়াই আছে। সিহঁতৰ এই সপোন ভাঙি নিদিবি দেই 'আনে'

(৩৪)

নিংমাৰ তেতিয়া কঠিন নৰীয়া। সোণোৱালে চেষ্টা কৰিছিল- নোৱাৰিলে। পেটৰ ভিতৰত ঘাঁ হৈছে হেনো। অপাৰেচন কৰা বাদে আন চিকিৎসা নাই বুলি পেমাহঁতৰ ঘৰলৈ যোৱাটোও সোণোৱালে এৰি পেলালে।

গাঁওত সেয়া কিহৰ কোলাহল পেমাদো? বাপেকে মতা মৰমৰ মাতেৰেই জীযেকক মাতিলে নিংমাই। ওচৰতে বহি থকা পেমাই তেতিয়া নিৰ্বিকাৰভাৱে শয্যাগতা মাকলৈ চাই আছিল। বাপেক পাঁচ বছৰেও উভতি নাহিল। মাকো গুচি যাবগৈ। তাৰ পিচত তাইৰ কি হব, এইবিলাক চিন্তাতে হয়তো পেমাই মাকে কোৱা কথাটো নুশুনিলে। 'কি ভাবিছ পেমাদো' এই বুলি নিংমাই নিজৰ দুৰ্বল হাতখনেৰে পেমাক অলপ জোকাৰি দিলে।

'কি হ'ল আমা? পানী খাবি নেকি?

'পানী নেলাগে। গাঁওত কিহৰ কোচাল উঠিছে সেইটো কথাহে সুধিছোঁ'। আকৌ সুধিলে নিংমাই।

'তাদিক হেনো উভতি আহিছে'। ৰৰ নিৰুদ্বেগচিত্তে উত্তৰ দিলে পেমাই।

'হয় নেকি পেমাদো' ভই এতিয়াই গৈ মাতি আনিব পাৰিবিনে'? অন্তকাল

সমাগত বুলি জানি নিংমাই আধৰুৱা কামটো কৰি যাব বিচাৰিলে।

'ক'ৰ পৰা মাতি আনিম 'আমা। ক'ত আছে নাজানো নহয়'। তেতিয়া হেলিকপ্তাৰৰ শব্দ ক্ৰমান্বয়ে লাকচিঙৰ ওচৰ চাপি আহিব ধৰিছিল।

'মাষ্টৰ চাৰক সুধিলে ক'ব পাৰিব কিজানি। যাচোন এবাৰ সুধি চাগৈ। "নিংমাই উঠি বহিবৰ চেষ্টা কৰিলে।

'কি কৰিছা আমা- শুই থাকাচোন'। পেমা বৰ দোধোৰ মোধোৰত পৰিল।

'নহয় অ পেমাদো তোক এনেদৰে এৰি থৈ মই যাব নোৱাৰোঁ। তোক তাদিকৰ হাততে গতাই দি যাব বিচাৰো'।

'কি কথাবিলাক কৈছা আমা'?

'ঠিকেই কৈছো দে। আৰু এই অন্তীযোৰ তই সদায় লগত ৰাখিবি'।

এই বুলি কৈ নিংমাই ফটা-চিটা চুৰেটোৰ ভঁাজৰপৰা কঁপা কঁপা হাতখনেৰে নৰবুৰ পুৰণি অন্তীযোৰ উলিযাই আনিলে। অন্তীযোৰ নিজৰ গালে মুখে ঘঁহি লওতে নিংমাৰ দুগাল বৈ চকুলো সৰি পৰিল।

'কেতিয়াবা তোৰ পা-লা'ক লগ পালে তযে চোনাম নৰবুৰ আদৰী জীযেক বুলি চিনাকি দিব পাৰিবি।" নিংমাই আৰু ক'ব নোৱাৰা হ'ল। তাইৰ দুগাল বৈ অহা চকুলো মচি দিওঁতে পেমাৰো চকু চলচলীযা হৈ উঠিল।

(৩৫)

হেলিকেপ্টৰৰ শব্দ শুনি চাৰিওপিনে উথপ্‌থপ্ লাগিল। যি য'ত আছিল সকলোৱে হেলিকপ্টাৰ নমা টিলাটোলৈ বুলি লৰা-ধপৰা লগালে। তাদিকে সীমান্তৰ সিনৰ পৰা আহিব বুলি অনুমান কৰি বহুতো মানুহ স্কুল ঘৰটোৰ ওচৰতে জুম বান্ধিছিল। তেতিয়া দহমান বাজিছিল। হেলিকপ্তাৰৰ শব্দ শুনি গোটেই জাক মানুহ 'হেলিপেড'খনলৈ বুলি গিৰ্ গিৰাই লৰ মাৰিলে।

এখন এখনকৈ দুখন হেলিকপ্তাৰে যেতিয়া হেলিপেডত আহি অৱতৰণ কৰিলে তেতিয়া গোটেই ঠাইখিনি ধূলিময় হৈ উঠিল। ৰঙা ধূলিৰ সাময়িক ধুমুহাই সমবেত মানুহক বহু নিলগলৈ হোঁহকাই পঠালে। সেই ধূলিৰ মাজতো হাঁহিৰ ৰোল উঠিল। দুই চাৰিজনৰ মূৰৰ টুপী নি ক'ৰবাত পেলোৱা দেখি ঠাট্টা মস্কৰাও বাদ নপৰিল।

ধূলি শাম কটাত এজন এজনকৈ কেইবাজনো বিষয়া হেলিকপ্টাৰ দুখনৰ

পৰা লাহে লাহে নামি আহিল। অভ্যৰ্থনা জনালে কেপ্তেইন মালহোত্ৰাই। আকচিণ্ডৰ প্ৰশাসনীয় কৰ্মচাৰীসকল থিয় দি আছিল হেলিপেডৰ সীমাৰেখাত। পৰিচয় পৰৰ্ব শেষ হোৱাৰ পিচত বিষযাসকল সদলবলে আগবাঢ়ি গ'ল সৈনিক শিবিৰটোৰ দিশলৈ। বাট দেখুৱাই নিলে কেপ্তেইন মালহোত্ৰাই। সৈনিক শিবিৰটোৰ নামনিতে থকা ভলি ফিল্ডখনতে তৰা হৈছিল কেইটামান বগা পেৰাচুট। জনসাধাৰণ লাহে লাহে তাতেই আহি গোট খাব ধৰিলে। সকলো আহিল যদিও সমিৰ বৰা তেতিযাও আহি পোৱা নাছিল। সমীৰ ঘৰতে সোমাই আছিল। আলোচনা হৈছিল তাদিক আৰু সমীৰৰ মাজত। হঠাৎ বাহিৰত নাৰী কণ্ঠৰ আহ্বান শুনি সমীৰ বৰা ওলাই গ'ল।

'অ পেমাচোন।' পেমাক দেখি সমীৰ মাষ্টৰ বৰ অপ্ৰস্তুত হৈ পৰিল। এই পেমাৰ মোহতে তাদিকে মানুহ কাটিছিল। সেই তাদিক এতিয়া তাৰ ঘৰতে সোমাই আছে। অলপ পিচতে সি আত্মসমৰ্পণ কৰিবলৈ যাব। এনে খেনো-মেনো পৰিস্থিতিৰ মাজতে পোমাৰ উপস্থিতি বৰ আহুকলিয়া যেন লাগিল সমীৰ বৰাৰ।

তাদিক আহিছে বুলি মানুহে কোৱা-কুই কৰা শুনিছোঁ সঁচানে কথাটো'? ভঙা ভঙা হিন্দীত সুধিলে পেমাই।

'মইও শুনিছোঁ পেমা। তাদিকৰ উপস্থিতিক সমীৰ বৰাই লুকুৱাই ৰাখিব বিচাৰিলে।

'ক'ত আছে ক'ব পাৰিবনে আ'পুনি?

কিয় সুধিছা পেমা? পেমাইঁতৰ প্ৰতি সমীৰ বৰাৰ যথেষ্ট সহানুভূতি আছে যদিও পৰিস্থিতিয়ে তাক ফালৰি কাটি যাবলৈ বাধ্য কৰালে।

'আমা'ই এবাৰ তাক লগ পাব বিচাৰিছে।

পেমাৰ কথাবিলাক তাদিকে ভিতৰৰ- পৰাই শুনি আছিল। যাৰ মোহত পৰি ইমান ভুগিলো সেই পেমাক সি তেনেদৰে উভতি যাবলৈ দিব নোৱাৰে বুলি ভাবি তাদিক ওলাই আহিল।

'কি কৰিব খুজিছা তাদিক'? তাদিক বাহিৰলৈ ওলাই অহা দেখি সমীৰ বৰা বিপাণ্ডত পৰিল।

'চাৰ, হেলিকাপ্তাৰত ডি, চি, চাহাব আহি পাইছে, মই যাব ওলালোঁ। যোৱাৰ আগতে পেমাক কথা এটা কৈ যাব খুজিছোঁ চাৰ।'

চীনা সামৰিক পোছাক পিন্ধি ঘৰৰ পৰা ওলাই অহা তাদিকক হঠাৎ দেখি

পেমা বিবশ হৈ পৰিল। থোতা-মোজ্জা লাগি তাই ক'থা কব নোৱাৰা হ'ল। বিবশতাৰ পাৰ ভাঙি পেমাই লাহে লাহে তাদিকৰ কাষ চাপি আহিল। বুজাব নোৱাৰা মনৰ আবেগ মনতে ৰাখি তাই মাত্ৰ ক'লে, —'তুমি উভতি আহিলা তাদিক?'

পেমাৰ চকুত মলিন আনন্দ আছিল কিন্তু কথাত উচ্চাস নাচিল। আবেগ আছিল কিন্তু উৎকণ্ঠা নাছিল- হিয়া ভৰা ভালপোৱা আছিল যদিও বুজাই কবলৈ ভাষা নাছিল।

প্ৰশ্নটো শুনি তাদিকে ক্ষন্তেকৰ বাবে পেমাৰ মলিন মুখখনৰ পিনে তধা লাগি চাই থাকিল। উত্তৰ দিবলৈও তাৰ মনটো বিচলিত হ'ল। ডেৰ বছৰ আগৰ কথা বিলাকে তাৰ মনত জুমুৰি দি ধৰিলে। তাইৰ ঘৰলৈ গৈ ফটিকা খোৱা—মনে মনে তাইক ভাল পোৱা—সেই বনুৱা দুটাক কাটি সীমান্ত পাৰ কৰি পলাই যোৱা কথা বিলাক তাৰ মনলৈ এটা এটা বৈ উভতি আহিল। দুৰ্দ্দশাই গছকি পেলোৱা তাইৰ জৰা জীৰ্ণ ৰূপ যৌৱনৰ শোকাবহ পৰিণতিৰ দৃশ্যই তাদিকৰ মনত প্ৰচণ্ড আঘাট হানিলে। নিজৰ কৰি ল'ব বুলি মাকৰ সম্মুখত দি থৈ অহা পঞ্চ-ধাতুৰ বালা পাতৰ কথাও তাৰ মনত পৰিল। সি দুখোজ আগবাঢি গৈ পেমাৰ একেবাৰে ওচৰ চাপি থিয় দিলে।

"আহিলো পেমা । তোমাক এবাৰ চাম বুলিযেই উভতি আহিলো।' এই বুলি কৈ তাদিকে পেমাৰ লেৰেলা হাত এখন নিজৰ হাতত তুলি ধৰিলে। তাদিকৰ এই আকস্মিক আচৰণত পেমাৰ মুখৰ মাত হৰিল। তাই হুক হুকাই কান্দি পেলালে।

"নাকান্দিবা পেমা। যি হবৰ হৈ গ'ল।"

"তুমি উভতি আহিলা যদিও বহুত পলম হৈ গ'ল। 'আমা' ই এবাৰ তোমাক চাব বিচাৰিছে, আমা আৰু জীযাই নাথাকে তাদিক তাৰ পিচত কি হ'ব?

"আমা মৰি গ'লে মযো জীযাই নাথাকিম চাবা।" কথাকিটা তাই ফোপাই ফোপাই ক'লে। তাইৰ কান্দোন স্তব্ধ হৈ গৈছিল যদিও শেঁতা পৰা গাল দুখনেৰে দুধাৰি চকুলো বৈ আহি ওলমি পৰিছিল।

"এতিয়া মই কেনেকৈ যাওঁ পেমা। মই চৰকাৰৰ ওচৰত ধৰা দিবলৈ যাব ওলাইছো। *টিপাহী কেম্পৰ তলত সকলো মানুহ মোৰ কাৰণেই বাট চাই আছে।"*

তেন্তিযা হ'লে তুমি নাহা। ইয়াৰ পিচত আৰু তোমাক কেতিযাও দেখা নাপাম

নহয় নে তাদিক?

পেমাৰ এই বক্তব্যৰ অন্তৰালত কি অৰ্থ লুকাই আছিল সেই কথা হয়তো তাদিকে বুজি নাপালে।

"এতিয়াই তোমালোকৰ ঘৰলৈ যোৱাৰ মোৰ সময় নহয় পেমা। কেতিয়াকৈ উভতি আহিব পাৰিম সেই কথা মই আজিয়েই ক'ব নোৱাৰিম। তথাপি কৈ যাওঁ যে সৌ পাহাৰ বিলাকত জমা হ'ব ধৰা বৰফ বিলাক গলি শেষ হৈ যোৱাৰ পিচতো যদি কথা খিনি শেষ কৰিব নোৱাৰি তাদিকে পেমাৰ মুখলৈ চাই ক'ল। যৌন মুক্ত সমাজত ওপজিও তাদিকে পঁচিশ বছৰ বয়সলৈকে কোনো গাভৰুকে সি তাৰ মন যাচি দিয়া নাছিল। মন্‌লাম উৎসৱৰ সময়ত ফটিকা খাই তিনিদিন তিনি ৰাতি গাভৰু জুমৰ লগত ডিঙিত ধৰা ধৰি কৰি নাচিছিল যদিও কোনো কলঙ্কিত নিশাৰ কথা তাৰ মনত নপৰে। সোৱণশিৰি নৈৰ পাৰত থকা বহুল পথাৰখনৰ নিৰ্জন টঙি ঘৰত বহুতো গাভৰুক সি নিবিড় ভাবে লগ পাই কথা পাতিছিল যদিও—তাৰ বাবে সমজুৱাৰ মেলত থিয় হৈ কোনো অভিযোগৰ উত্তৰ সি দিব লগীয়া হোৱা নাছিল। ডাক অনা নিয়া কৰোতে হাবিতলীয়া নিৰ্জন পথত বা সোৱণশিৰিৰ নৈৰ বালিত বহুতো অকলশৰীয়া গাভৰুৰ লগ পাইও সি বাট এৰি দি আহিছিল সেই সকলো কথা তাৰ মনত আছে। কিন্তু এদিন নিজৰ কৰি ল'ব বুলি ভাবি সি পেমাকেই প্ৰথমে ভাল পাবলৈ আৰম্ভ কৰিছিল। এই ভাল পোৱাৰ মাজত অকল এখন সংসাৰ পতাৰ ভাৱনাই নাছিল ইচ্ছা আছিল এজনী নিঃসহায় গাভৰুৰ মলিন মুখত হাঁহি বিৰিঙাই তোলাটো। অকল ফটিকা খাবলৈকে সি পেমাহঁতৰ ঘৰলৈ যোৱা নাছিল। ফটিকা কিনি খোৱাৰ চলেৰে সহায় কৰাটোৱেই আছিল তাৰ লক্ষ্য। অৱশেষত পেমাক লৈ ধিতিঙালি কৰা বনুৱা দুটাক কাটি সি দেশ এৰিও গুছি গৈছিল এই সকলো কথা তাৰ মনত পৰিল।

জীৱনৰ প্ৰথম প্ৰেমৰ এনাজৰীডাল হঠাতে ছিঙিথৈ গুছি যাবলৈকো তাৰ মনে নেমানিলে। মিছা প্ৰতিশ্ৰুতি দিয়াৰ প্ৰবঞ্চনাকো তাদিকে মানি ল'ব নোৱাৰিলে। সঁচা প্ৰতিশ্ৰুতি দিয়াৰো স্বাধীনতা তাৰ নোহোৱা হ'ল দেখি তাদিকে তাৰ অসমাপ্ত কথাশাৰী এনেদৰেই শেষ কৰিলে।

যদি মই উভতি আহিব নোৱাৰো তেনেহ'লে তোমাৰ যি মন যায় তাকেই কৰিবা" এই বুলি কৈয়ে তাদিকে পেমাৰ হাতখন এৰি দিলে। তাদিকৰ শেষ কথাখিনি শুনি পেমাই আৰু তাত থিয় দি থকাৰ প্ৰয়োজন নেদেখিলে, তাই উভতি

থিয় দিলে। ফটা-চিটা চুবাটোৰে গাটোৰ লজ্জাখিনি কোনো ৰকমে ঢাকি লৈ তাই লৰ মাৰিলে নিজৰ ঘৰলৈ বুলি। খোজে প্ৰতি তাই গছকি এৰি থৈ শুচি গ'ল প্ৰথম প্ৰেমৰ স্মৃতি খিনিকো। তাইৰ লক্ষ্যহীন খোজ বিলাকত নাছিল কোনো চ'দ—ফুটি নোলাল গাভৰু জীৱনৰ কোনো আনন্দ।

"মই যাওঁনে চাৰ?' ঘৰটোৰ পিৰালিত থিয় দি থকা সমিৰ বৰালৈ চাই তাদিকে সুধিলে। পিৰালিত থিয় দি সমিৰে ইমান পৰে তাদিক আৰু পেমালৈ চাই আছিল। সিহঁতক শান্তনা দিবলৈ তাৰ কোনো যুক্তি নাছিল। তাদিকক আগুৱাই থবলৈ নাইবা তাৰ লগত যাবলৈকো তাৰ কোনো স্বাধীনতা নাছিল। সি আইনৰ অধীন চাকৰিয়াল আৰু তাদিক হৈছে হত্যাকাৰী অপৰাধী।

যোৱা তাদিক। তোমাক সুস্থ সবল কৰি তোলাটো মোৰ দায়িত্ব আছিল। চৰকাৰৰ ওচৰত গৈ ধৰা দিয়াটো তোমাৰ সিদ্ধান্ত—তোমাৰ দায়িত্ব।'

'চাৰ বিচাৰত মোৰ কি শাস্তি হ' ব পাৰে আপুনি ক'ব পাৰিবনে?'

"সেইটো মই কেনেকৈ কব পাৰিম তাদিক। তুমি উভতি আহিলেই মই ভাল পাম জানিবা।"

সমিৰ বৰাৰ উত্তৰ শুনি তাদিকে লেকা মাৰি দিবা ভাবিলে। তাৰ পিচত বা নিৰাশ মনেৰে শুধিলে "মই উভতি অহালৈকে আপুনি ইয়াতেই থাকিব নে চাৰ?

মই চৰকাৰী চাকৰি কৰো। নিজৰ ইচ্ছাতো চলিব নোৱাৰো তুমি চোন জানাই। হয়তো মোৰ বদলি হৈও যাব পাৰে।

"আপুনি গুছি গ'লে যাচিহঁতৰ কি হ'ব চাৰ?' তাদিকৰ চকু চলচলীয়া হৈ পৰা সমিৰে দেখা পালে।

"তুমি ইমান দূৰলৈকে কিয় ভাবিছা তাদিক। বিচাৰত তুমি কিজানি খালাচো হৈ যাব পাৰা।' সমিৰ বৰাই কথাটো ক'লে যদিও সেইটোযে মাত্ৰ সান্ত্বনা আছিল তাকো বুজিলে।

"ঠিক আছে চাৰ—যি হলেও হওক। ফাঁচি হলেও মোৰ মৰাশটোক পুতি থবলৈ গাৱৰ মানুহে ওভোটাই পাব নহয়নে চাৰ?"

এই কথাৰ কোনো উত্তৰ নিদিলে সমিৰ বৰাই।

"তুমি যোৱা পলম নকৰিবা" বুলি কোৱা মাত্ৰকে তাদিকে ৰাইফলটো কান্ধত

ওলোমাই লৈ সভাস্থলীৰ দিশত দৃঢ় পদক্ষেপ আগবঢ়ালে। গাৰুৰ পৰা সৰ্পিল গতিৰে নামি যোৱা পদ পথটোৰ এটা কেঁকুৰি পাওতেই তাদিক নেদেখা হৈ পৰিল। সমিৰ বৰাইও সোমাই গ'ল নিৰ্জ্জন ঘৰটোৰ ভিতৰলৈ।

তাদিকৰ আত্ম সমৰ্পণ চাবলৈ অহা মানুহেৰে তেতিয়া চিপাহী বিলাকে খেলা ভলী ফিল্ডখন উপচি পৰিছিল। সেই সভালৈ লাক্‌চিং গাঁৱৰ উপৰিও ওচৰ চুবুৰীয়া গাঁৱৰ মানুহো আহিছিল। সেই সময়তে চিপাহী শিবিৰৰ পৰা মাটিৰ খট্‌-খটিৰে নামি আহিব ধৰিছিল জিলাধিপতি লগত আহিছিল আৰু কেইজনমান বিষয়া। জিলাধিপতিক নামি অহা দেখিবলৈ পাই সভাৰ পৰিবেশ লাহে লাহে নিস্তব্ধ হৈ পৰিল। জিলাধিপতিক লাকচিং অঞ্চলৰ বহুতো মানুহে আগতে দেখা নাই। সীমান্ত ভ্ৰমনলৈ জিলাধিপতি কেতিয়াবা আহিলে সিও এটা উৎসৱ হৈ পৰে। সীমান্ত বাসী মানুহে জানে জিলাধিপতিৰ ক্ষমতা অসীম। তেখেতৰ এটা সৰু হুকুমতে বহুতো সমস্যা সমাধান হৈ যায়। বহুতো অভাৱ দূৰ হয়। এনে এজন ক্ষমতাশালী বিষযাক সীমান্ত অঞ্চলত লগ পোৱাটোও গাঁও বাসীৰ বাবে অতি উৎসাহৰ কথা হৈ পৰে। বিশেষকৈ মহিলা সকলৰ ব্যগ্ৰতাই হে পৰে চকুত লগা। আন সময়তকৈ লাও পানী বা ফটিকাও বনাব লাগে অধিক। দুৰ-দুৰণিৰ পৰা মিতিৰ-কুটুম আহিলে--এচুঙা লাও পানী আৰু এডোখৰ শুকান মঙহ দিব নোৱাৰাটো বৰ লাজৰ কথা হৈ পৰে-- গিৰিযেকৰ মৰ্যাদাৰো হানি হয়।

জিলাধিপতি আহিল অথচ তাদিক আহি নেপালে দেখি মানুহৰ মুখত বিস্ময়ৰ ভাব ফুটি ওলাল। ডেৰ বছৰ পিচত তাদিকক দেখাপোৱাৰ ব্যগ্ৰতাই গাওঁবাসীক অলপ অস্থিৰ কৰি তুলিব ধৰোতেই সৌৱা তাদিক আহিছে" বুলি কেইজনমানে চিঞৰি দিলে। লগে লগে মানুহৰ দৃষ্টি গ'ল পদ পথটোৰ পিনে। তাদিকক নামি আহিব ধৰা দেখি কিছুমান ল'ৰা-ছোৱালী সভা এৰি তাদিকৰ পিনে ঢাপলি মেলিলে। বযসীযা সকলে হুমিয়ালে দেখি কিছুমান ল'ৰা-ছোৱালী বৈ গ'ল যদিও থিয় দিয়েই থাকিল। সীমান্তৰ অধিবাসী সকলে আধুনিক সমাজৰ নিয়মানুবৰ্ত্তিতা বিলাক মানি চলিবলৈ শিকা নাই যদিও তেওঁলোকৰ ৰীতি-নীতিৰ মাজতো এনে কিছুমান সামাজিক শৃঙ্খলতাবোধ আছে যি বিলাক ৰীতি-নীতি উন্নত সমাজতকৈও উন্নত স্তৰৰ বুলি ধৰি লব পাৰি।

"তহঁত ভালে আছনে?" আদবাটতে লগ পোৱা ল'ৰা ছোৱালী জাকক তাদিকে মৰমতে শুধিলে। সিহঁতৰ মাজত যাচিক নেদেখি তাৰ মনটো সেমেকি পৰিল। হাত কেৰেয়া পিন্ধি গুছি যোৱাৰ আগতে যাচিক এবাৰ চাই যাবলৈ তাৰ বৰ হেপাহ হৈছিল।

তাদিকৰ প্ৰশ্নৰ উত্তৰ দিবলৈ সাহস গোটাব নোৱাৰি ল'ৰা-ছোৱালী জাক মনে মনে থাকিল। তাৰে এজনীয়ে সাহস অকণ গোটাই মাত্ৰ ক'লে

"ভালে আছো।"

"যাচি নাহিল নেকি তহঁতৰ লগত? '

"মাতিব গৈছিলো—তাই কান্দি আছে।"

' তহতৰ এজনীয়ে গৈ মই মাতিছো বুলি তাইক ক'ব পাৰিবিনে"?

"পাৰিমতো-কেলেই নোৱাৰিম" বুলি কৈয়েই যাচিৰ বয়সৰ এজনীয়ে গাওঁ খনলৈ বুলি লৰ মাৰিলে। প্ৰায এক কিলোমিটাৰ দূৰত্ব উঠিযোৱাৰ কথাও তাই ভাবি নেচালে। জন্ম লগ্নৰে পৰা মুক্ত পৰিবেশত ডাঙৰ-দীঘল হোৱা এই শিশু বিলাকে ভাগৰ কি বুজি নাপায—শিকাও নাই। যাচিহঁতৰ ঘৰ পাই তাই হযতো ভাগৰি পৰিব--কিন্তু মিঠা হাঁহিটি হ'লে—তাইৰ মুখত বিৰিঙি থাকিব।

ৰাইফলটো কান্ধ সলাই লৈ তাদিকে পুনৰ নামি যাব ধৰাত ল'ৰা-ছোৱালী জাকেও তাৰ পিচে পিচে গ'ল। অলপ দূৰ গৈযে সভাস্থলী পাই তাদিকে কাৰো মুখলৈ নাচালে—কাকো নামাতিলেও। মানুহ বিলাকে আঁতৰি দিযা মুকলি বাটেৰে সি গৈ সভা মঞ্চ পালে। জিলাধিপতি আগবাঢ়ি অহাৰ লগে লগে তাদিকে মঞ্চত উঠি কান্ধৰ ৰাইফলটো নমাই লৈ জিলাধিপতিৰ হাতত তুলি দিলে। জিলাধিপতিয়ে ৰাইফলটো এহাতে লৈ আনখন হাতেৰে তাদিকৰ হাত এখন ধৰি জোকাৰি দিযাত মঞ্চত বহি থকা বিষযা সকলে হাত চাপৰি দিলে। লগে লগে সভাৰ মাজতো হাত চাপৰিৰ জাউৰি উঠিল। জিলাধিপতিয়ে ৰাইফলটো কেপ্তেইন মালহোত্ৰাৰ হাতত দি সভাস্থলীৰ মানুহক উদ্দেশ্য কৰি নিজৰ বক্তব্য আৰম্ভ কৰিলে।

"মৰমৰ গাওঁবাসী সকল,

দেশ এৰি গুছি যোৱা তাদিকে ডেৰ বছৰ পিচত পুনৰ নিজৰ দেশলৈ উভতি আহিছে। মানুহ কাটি পলাই যোৱা কাৰণে তাদিকক চৰকাৰে বেয়া পাইছিল। কিন্তু

সি আজি অনুতপ্ত হৈ নিজৰ দেশলৈ উভতি আহি চৰকাৰৰ ওচৰত ধৰা দিবলৈ ওলোৱা দেখি মই তাদিকক ধন্যবাদ দিছো আৰু অভিনন্দন জনাইছোঁ।"

ওচৰতে থিয় দি থকা বুঢ়া দোভাষীজনে জিলাধিপতিয়ে কোৱা হিন্দী কথাখিনি স্থানীয় "না' দোৱানত তৰ্জ্জমা কৰি বুজাই দিয়াত মানুহে মূৰ দুপিয়ালে।

তাদিকে কিয় দেশ এৰি পলাই গৈছিল সেই কথা আপোনালোক সকলোৱে জানে। খঙতেই হওঁক বা আন কিবা কাৰণতেই হওঁক মানুহক হত্যা কৰাটো এই দেশৰ আইনত এটা ডাঙৰ অপৰাধ বুলি ধৰি লোৱা হয়। গতিকে তাদিকৰ এইটো এটা ডাঙৰ অপৰাধ আছিল। এনে অপৰাধ কৰোতা জনক আমাৰ দেশৰ আইন মতে বিচাৰ কৰা হয়। গতিকে তাদিকৰো বিচাৰ হ'ব। অৱশ্যে তাদিকে যদি সেই সময়তে পলাই নগৈ চৰকাৰৰ ওচৰত ধৰা দিলেহেঁতেন তেনেহ'লে কথাটো অলপ বেলেগ হ'লহেতেন। তাকে নকৰি তাদিকে সীমান্ত পাৰ কৰি পলাই গৈছিল। এনেদৰে সীমান্ত পাৰ কৰি পলাই যোৱাটোও আন এটা অপৰাধ হৈছে।

তাদিকৰ বিচাৰ মই নকৰো। বিচাৰ হ'ব নিয়মিত আদালতত। এই বিচাৰত তাদিকে নিজকে নিৰ্দোষী বুলি প্ৰমাণ কৰাৰ সকলো সুযোগ পাব। আনকি চৰকাৰে তাদিকৰ হৈ ওকালতি কৰিবলৈকো বিনামূলীয়া উকিল নিযোগ কৰিব। তাদিকে বা তাদিকৰ পৰিয়ালে নাইবা আপোনালোক গাওঁ বাসীয়ে এই বিচাৰত তাদিকৰ বাবে কোনো খৰচ পাতিও কৰিব নালাগিব।'

এনেতে সভাস্থলীৰ মাজত এজন বয়সস্থ মানুহ থিয় দি উঠিল।

'জিলা চাহাব,'

বিচাৰত তাদিকে কি শাস্তি পাব পাৰে আমি সকলোৱে জানিব বিচাৰো। চৰকাৰী আদালতে তাদিকৰ বিচাৰ কৰিব তাত আমাৰ আপত্তি নাই। কিন্তু আমাৰ কথা হৈছে তাদিকে মজদুৰ দুটাক হিংসা কৰিতো কটা নাছিল। কি কাৰণত কাটিছিল সেই কথাটোৰ বিচাৰ হবনে নাই আমি তাকেহে জানিব বিচাৰো।" গাওঁবাসী জনৰ মন্তব্যটো শুনি জিলাধিপতিয়ে ধীৰে সুস্থিৰে উত্তৰ দিলে।

"বিচাৰত কি হ'ব সেইটো মই ক'ব নোৱাৰো। যুক্তি আৰু প্ৰমাণৰ ওপৰত নিৰ্ভৰ কৰিয়েই বিচাৰ কৰা হয়। গতিকে তাদিকৰ যি ক'বলগীয়া আছে সেই সকলো কথা সি আদালতত নিৰ্ভয়ে ক'ব পাৰিব। মই জানো তাদিকে ন্যায় বিচাৰ পাব। নিজে আহি

ধৰা দিয়া কাৰণে তাৰ বিচাৰ সহানুভূতি পূৰ্ণ হ'ব বুলি মই ক'ব পাৰো। গতিকে আপোনালোকে বেছি চিন্তা কৰিব নেলাগে। তাদিকে যাতে সকলো সা-সুবিধা পাব পাৰে তাৰ বাবে যিমান কৰিব পাৰো মই কৰিম। তাদিকৰ প্ৰতি মোৰ সহানুভূতি আছে। কিন্তু আইনখন মই সলনি কৰিব নোৱাৰো। সিমান ক্ষমতা চৰকাৰে মোক দিয়া নাই।"

কিন্তু এটা কথাহে মই এতিয়ালৈকে বুজি উঠিব পৰা নাই যে বিচাৰ হ'ব বুলি জানিও তাদিকে পুনৰ দেশলৈ উভতি আহিল কিয়?

"তাদিক এতিয়া আমাৰ নিজৰ মানুহ। গতিকে তাদিকে কোনো কথা লুকুৱাই নাৰাখি সকলো কথা গাওঁবাসীক বিবৰি ক'লে আমি সকলোৱে ভাল পাম— নহয়নে ৰাইজ?"

হয় হয় বুলি সভাৰ মানুহে সমস্বৰে সমৰ্থন জনালে।

চতুৰ প্ৰশাসকজনে সীমান্তৰ ৰাজনৈতিক প্ৰচাৰ আৰু প্ৰতি প্ৰচাৰৰ পাশা খেলখনত এনেদৰেই গুটি আগবঢ়াবলৈ বিচাৰিলে। প্ৰশাসক জনে জানে যে সীমান্তৰ সিটোপাৰে কমিউনিষ্ট সকলৰ অহৰহ বাধ্যতা মূলক প্ৰচাৰে তাৰ মানুহক কমিউনিষ্ট হবলৈ বাধ্য কৰে। মনৰ অনুগত্য পায় নে নেপায় তাতো সন্দেহ থাকি যায়। আনহাতে সীমান্তৰ এইটো পাৰে গণতান্ত্ৰিক দেশৰ প্ৰচাৰে জনসাধাৰণক নিজৰ সিদ্ধান্ত লোৱাৰ সম্পূৰ্ণ অধিকাৰ এৰি দিয়ে। প্ৰশাসকজনে এই দায়িত্ব নিজে নলৈ তাদিকৰ হাততে গণতান্ত্ৰিক প্ৰচাৰৰ এই দায়িত্ব এৰি দিলে।

ডেৰ বছৰীয়া আবদ্ধ জীৱনৰ কঠোৰতাৰ পৰা উভতি আহি গণতান্ত্ৰিক দেশৰ এই মুক্ত পৰিবেশ দেখা পাই তাদিকে আত্মসমৰ্পনৰ মাজতো মুক্তিৰ সোৱাদ বিচাৰি পোৱা যেন হ'ল।

"মোৰ মৰমৰ গাওঁবাসী সকল"

ডেৰটা বছৰৰ পিচত তাদিকৰ কণ্ঠস্বৰ পুনৰ শুনিবলৈ পাই গাওঁবাসীয়ে তবধ মানিলে। সেই মাত, সেই চাল চলন পূৰ্বৰ নিচিনা একেই আছে দেখি সকলোৰে মুখত হাঁহি ফুটি ওলাল।

"অলপ ডাঙৰকৈ কোৱা তাদিক আমি ভালদৰে শুনা নাই"। বুলি দূৰৰ পৰা কোনোবাই চিঞৰি উঠিল।

“ জিলা চাহাবে মোক অলপ কৰলৈ কৈছে মইনো কি কম। সভা সমিতি, মেলে কেবাঙে মই কেতিয়াও কৈ পোৱা নাছিলো। আজিনো কেনেদৰে কও।”

এই বুলি কৈয়ে তাদিকে বিমূঢ় হৈ থিয় দি থাকিল। তাদিকক সংকোচ কৰা দেখি সভাৰ মানুহে হাঁহিব ধৰিলে। সীমান্তবাসীৰ মাজতো কেবাং বহে। তেনে কেবাংত তেজস্বী ভাষণ দিয়া মানুহৰো অভাব নহয। তেনে কেবাংৰ ভাষণ বিলাক দিঘলীয়া হলেও মানুহে শুনি আমনি নাপায। হাঁহিবলৈ বা ফিচিঙা- -ফিচিং কৰিবলৈকো কোনেও চল নাপায় । বক্তাজনে নিজৰ বক্তব্যৰ মাজতে ধেমেলীয়া কথা কলে সিও যুক্তি প্ৰমাণৰ ভিতৰতে পৰে। কিন্তু চৰকাৰী সভা বিলাকৰ নিয়ম বহুত বেলেগ। মানুহে ভাবে এনে সভাত এডোখৰ নিৰ্দিষ্ট ঠাইতে ঠিয দি কব লাগে। কেবাংত কোবাৰ নিচিনাকৈ হাত-ভৰি জোকাৰিও কব নেলাগে। কেবাংৰ নিচিনাকৈ দুযোপক্ষই দিয়া লাওপানীও খাবলৈ নাপায়। মঙহৰ ভাগো পাবলৈ নাই । চৰকাৰী সভাবিলাক বৰ শুকান আৰু আমণি লগা বুলি গাঁৱৰ মানুহে ভাবে।

এনে চৰকাৰী সভাত তাদিকক কবলৈ দিয়া দেখি মানুহ বিলাকে বৰ আমোদ পোৱা যেন হ'ল। কবলৈ উঠি তাদিক বিপাঙত পৰা দেখি সেই আমোদ আৰু অধিক ৰসাল হৈ পৰিল।

জনজাতি সমাজত কোনো মানুহ বিপাঙত পৰা যেন দেখিলে দেখা মানুহে হাঁহি দিযাটো জনজাতি সমাজৰ এটা ৰীতি হৈ আহিছে। সেই হাঁহিত মানুহজনৰ খং উঠিলে আৰু অধিক হাহিযাতৰহে পাত্ৰ হৈ পৰিব লাগে। কোনোবাই পিছলি পৰিলে দেখোতা সকলে হাঁহি দিযে। কিন্তু পিচলি পৰা জনে যদি সেই হাঁহিত খং কৰি উঠে তেতিয়া পিচলি পৰোতা জনহে সমাজৰ দৃষ্টিত অধিক হাহিয়াতৰ পাত্ৰ হৈ পৰে-হাহোতা সকল নহয।

সৰলতা হৈছে জনজাতি সমাজৰ আন এক প্ৰধান চৰিত্ৰ । জাৰ কালি ৰ'দ লৈ থকা বৃদ্ধ এজনৰ যৌনাংগ অজানিতে দৃশ্যমান হৈ থাকিলেও সকীয়াই দিওতা কোনো নোলায়। আনকি মহিলা সকলেও অস্বস্তি বোধ নকৰে। কিন্তু ৰাজহুৱা স্থানত ডেকা লৰা এজনৰ লেঙুটি ডাল হঠাতে খোলখাই পৰিলেই- লাগে লেঠা । হাঁহিৰ গিৰ্জনিত ডেকাজন পলাই যাবলৈ বাধ্য হয।

এনে সৰলতা ভৰা সমাজতো কেতিয়াবা ক্ষুদ্ৰ কথাতে হিংসা প্ৰতি হিংসাৰ জুই

হঠাতে জ্বলি উঠিব পাৰে- যেনেদৰে এদিন জ্বলি উঠিছিল তাদিকৰো সৰল মন।

" আজিৰ পৰা ডেৰ বছৰ আগৰ কথা। মই ডাক অনা নিযা চাকৰি কৰিছিলো সেই কথা আপোনালোক সকলোৱে জানে। আমাৰ দেশলৈ আশ্ৰয় বিচাৰি এদিন বহুতো মানুহ সীমান্ত পাৰ কৰি গুচি আহিছিল তাকো আপোনালোকে দেখিছিল । চীনা সকলৰ অত্যাচাৰ সহিব নোৱাৰি ঘৰ-বাৰী, সা- সম্পত্তি এৰি পলাই অহা সেই মানুহ সকলক আমাৰ চৰকাৰে আদৰি লৈছিল। গাৱঁৰ মানুহেও আশ্ৰয় দিছিল । এদিন পলাই অহা এই লোক সকলৰে এটা পৰিযালৰ দুখ-কষ্ট দেখি মোৰ মনত মৰম ওপজিছিল। কিন্তু এই অভাৱত পৰা পৰিযালটোৰ গাভৰু -ছোৱালী জনীৰ নিং সহায় অৱস্থাৰ সুযোগ লব বিচাৰিছিল দুজন দুষ্ট মানুহে। মই কেইবাবাৰো সিহঁতক সকীযাই দিছিলো তথাপি সিহঁতৰ জ্ঞান হোৱা নাছিল। আমাৰ সমাজত এনে কু-আচৰণক কোনেও সহ্য নকৰে। মইও সহ্য কৰিব পৰা নাছিলো। দুষ্ট মানুহ দুজনক চৰকাৰে একো নকৰা দেখি চৰকাৰী নিযমত মই আস্থা হেৰুৱাই পেলাইছিলো। এটা সমযত আইনৰ কথাও মই পাহৰি পেলালো। আমাৰ আইনে এজন দুষ্ট মানুহক অপৰাধ কৰাৰ পিচতহে বিচাৰ পাতি শাস্তি দিযে। এনে বিচাৰত কেতিযাবা দোষী মানুহো সাৰি যায দেখি মই দেশৰ বিচাৰ ব্যৱস্থাত আস্থা হেৰুৱাই পেলাইছিলোঁ।

তাদিকৰ অৰ্থপূৰ্ণ কথা বিলাক সভাৰ মানুহে তন্ময হৈ শুনি থাকে- মতামত একো প্ৰকাশ নকৰে। তাদিক এতিযা ডাক অনা নিযা কৰা সাধাৰণ তাদিক নহয। এতিযা সি কমিউনিষ্ট দেশৰ পৰা উভতি অহা মানুহ বুলি গাঁৱৰ মানুহে গুৰুত্ব সহকাৰে তাৰ ব্যক্তব্য শুনি থাকে। তাদিকৰ পোন পটীযা কথা বিলাকত সভাৰ মানুহেও যুক্তি বিচাৰি পোৱা যেন দেখি জিলাধিপতি অলপ চিন্তিত হৈ উঠিল। হিতে বিপৰীত হব বুলিহে অনুমান কৰিলে।

" অপৰাধ নকৰালৈকে এই দেশত দুষ্ট মানুহ বিলাকো চৰকাৰৰ চকুত নিৰপৰাধী হৈয়ে থাকে। অপৰাধ কৰিও বহুতো দুষ্ট মানুহ বিচাৰত নিৰপৰাধী হৈ সাৰি যায । সেই দুষ্ট মানুহ দুজনো এদিন সাৰি যাব বুলি মই আইনৰ কথা বিলাক পাহৰি গৈছিলো। সেইটো মোৰ ইচ্ছাকৃত ভুল নাছিল।"

এদিন সিহঁতৰ আচৰণে হঠাতে মোক উত্তেজিত কৰি তুলিছিল। আমাৰ সমাজৰ নিয়মৰক্ষা কৰিবলৈ গৈ মই চৰকাৰৰ দৃষ্টিত অপৰাধীহে পৰিছিলো। তাৰ পিচতে

চিপাহীযে ধৰি বান্ধি নিযে বুলি মই ঘৰ এৰি হাবিলৈ গুচি গৈছিলো। তেতিয়া মোৰ মনত কোনো স্থিৰতা নাছিল। হাবিতো গৈ শান্তিৰে থাকিব নোৱাৰা যেন দেখি অৱশেষত মই সীমান্ত পাৰ কৰি গুচি যাবলৈ বাধ্য হৈছিলো। সীমান্তৰ সিপাৰে চীনা সকলৰ হাতত ধৰা পৰিলে মোৰ কি হব পাৰে সেই কথাও মই পাহৰি পেলাইছিলোঁ। মই কিন্তু কাৰোবাক কাটিম মাৰিম বুলি আগৰে পৰা কেতিয়াও ভাবি থোৱা নাছিলোঁ।'

এনেতে জিলাধিপতিযে বহাৰ পৰা উঠি আহি তাদিকক কাণে কাণে কিবা কোৱা যেন সকলোৱে দেখিলে। তাদিকে অলপ সময়ৰ বাবে কিবা ভাবি লৈ পুনৰ কবলৈ আৰম্ভ কৰিলে।

'মই জীযাই থকাৰ মোহতেই সীমান্ত পাৰ কৰি গুছি গৈছিলো সঁচা কিন্তু সীমান্তৰ সিপাৰে গৈ ডেৰটাবছৰৰ ভিতৰত মই যি দেখিছিলো সেই সকলো কথা কবলৈ মোক কমেও দুদিন সময় লাগিব। ইমান সময় এতিয়া মোৰ নাই। চৰকাৰে এৰি দিলে পিচত আহি মই সকলো কথা আপোনালোকক বুজাই কম।

সীমান্ত পাৰ কৰিযেই মই চীনা চিপাহীৰ হাতত ধৰা পৰিছিলোঁ। সিহঁতৰ মাজত মাইকী চিপাহীও দেখিছিলো। মতা মাইকী তাত চিনিব নোৱাৰি। সকলোৰে একেই পোছাক একেই বন্দুক চুলিও কাটে একেদৰে। দেখাতো একেই নিচিনা লাগে। অকল মাত কথাত হে বুজিব পাৰিছিলো যে সিহঁত কিজনী মাইকী চিপাহী আছিল।

মাইকী চিপাহী মই আগতে কেতিযাও দেখা নাছিলো। সিহঁত কি জনীক দেখি প্ৰথমে মই ভেবাচেকা খাইছিলোঁ। মাইকী মানুহে খেতি কৰে ভাত-শাক, সিজাই আৰু ল'ৰা-ছোৱালীৰ জন্ম দিযে। হাতত বন্দুকলৈ যুদ্ধ কৰে বুলি ভবাই নাছিলো, আৰু ভাবিছিলো যে কমিউনিষ্ট হলে কিজানি মতা-মাইকীৰো চিন চাব নোহোৱা হৈ যায়।

তাদিকৰ কথা শুনি সভাত থকা মাইকী মানুহ বিলাকৰ মাজতেই হাঁহিৰ খলকনি উঠিল। দুই- এজনীয়ে চিঞৰি কিবা মন্তব্য দিলে যদিও হাঁই-উকমিত একো বুজা নগল।

"প্ৰথমে ভাবিছিলো চীনা জাতিৰ মানুহ তাকৰ বাবে সিহঁতে মাইকী মানুহকো সমানে কামত খটুৱাই বুলি। কিন্তু পিচলৈ যি দেখিলো তাৰ পৰাহি মই ভাবিবলৈ বাধ্য

হৈছিলো যে এই পৃথিবীৰ আধা খিনিযেই চীনা জাতিৰ মানুহ হব লাগিব। তিব্বত দেশত বাটে-পথে খেতিয়ে পথাৰে, গাঁৱে চহৰে কেৱল চীনা মানুহকেই দেখা পাইছিলো। সীমান্তৰ সিপাৰে থকা দেশ খন এতিয়া চীনা সকলৰেই দেশ হৈ পৰিছে।"

তাদিকৰ কথা শুনি সভাৰ মানুহে তাৰ মুখলৈ আচৰিত হৈ চাই থাকে-একো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰে। মঞ্চত বহি থকা বিষয়া সকলেও তাদিকৰ কথা বিলাক মন দি শুনি থাকে। জিলাধিপতিয়ে কিন্তু সেই বক্তব্য শুনি থকাৰ সময়তে গাঁওবাসীৰ মনৰ ভাবান্তৰ বিলাকো লক্ষ্য কৰি থাকে। জিলাধিপতিয়ে জানে যে অকল হাইডেল প্ৰজেক্ত খুলি বিজুলী চাকি জ্বলাই দিলেই মানুহৰ মানসিক পৰিবৰ্ত্তন আনিব নোৱাৰি। আলি বাট সাজি দিলেই সীমান্তৰ মানুহে গণতন্ত্ৰৰ প্ৰমূল্যক বুজি নাপাব। গণতন্ত্ৰই প্ৰতিশ্ৰুতি দিয়া মানব অধিকাৰৰ প্ৰমূল্যক অন্তৰৰ পৰা অনুভব কৰিব নোৱাৰা লৈকে সীমান্তবাসী মানুহৰ মন স্পৰ্শ কাতৰ হৈয়ে থাকি যাব পাৰে। জাতীয় মানসিকতাৰে দেশৰ সীমা বান্ধিব নোৱাৰিলে ৰাজনীতিয়ে নিৰ্দ্ধাৰণ কৰি দিয়া ভৌগলিক সীমাই দুটা জাতি দুটা আদৰ্শ-দুটা সভ্যতা সাংস্কৃতিক কেতিযাও পৃথক কৰা সম্ভৱ নহয়। তাদিকৰ বক্তব্যই এই পৃথকতাৰ ভাব সৃষ্টি কৰি তুলিব পাৰিব বুলি আশা কৰিযেই জিলাধিপতিয়ে তাক কবলৈ উৎসাহ দিলে।

"সিহঁতে মোক গ্ৰুপ লিডাৰ পাতিছিল। ককালত ওলোমাই লৈ ফুৰিবলৈ পিষ্টলো দিছিল। বহুত কৰ্মীয়ে মোৰ তত্ত্বাবধানত কাম কৰিছিল। অৱশ্যে একে দিনাই মই ইমান ক্ষমতা পোৱা নাছিলো। মইও আনৰ নিচিনাকৈ কঠিন শ্ৰমৰ মাজেৰেই গ্ৰুপ লিডাৰৰ নিচিনা উচ্চ পদ পাইছিলো। কিন্তু পদমৰ্য্যদা আৰু ক্ষমতা পোৱাৰ পিচতো মোৰ সদায় সন্দেহ হৈছিল যে কোনোবাই যেন মোৰ ওপৰত দিনে ৰাতিয়ে চকু ৰাখি ফুৰিছে। আপোনালোকে শুনিলে আচৰিত হব যে যি জন মানুহৰ ওপৰত মোৰ সন্দেহ হৈছিল সেইজন মানুহো প্ৰথমতে আমাৰ নিচিনাই "না" জাতিৰ মানুহ আছিল। পিচলৈ চীনা ছোৱালী এজনী বিয়া কৰাই লি-পেং নাম লৈছে।

"সেই মানুহজন এতিযাও তাত আছে। মই বুজিপোৱা মতে আমাৰ "না" জাতিৰ মানুহ সকলৰ বাবে প্ৰধান শত্ৰু হৈছে এই জাতি এৰা লি-পেং আন কোনো নহয়। এদিন এই লি-পেং বোলা জনেই মোক চীনা চিপাহীৰ হাতত ধৰাইও দিছিল।"

তাদিকৰ বক্তব্য শুনি সভাৰ মানুহ বিলাক কিছুপৰিমাণে উত্তেজিত হোৱা যেন

হ'ল। জনজাতি সমাজত নিজৰ মাজতে শত্ৰু মিত্ৰ থাকিলেও বাহিৰা মানুহৰ বিৰুদ্ধে থিয় দিব লগা হলে সকলো মানুহ এক হৈ পৰে। এইয়ে সিহঁতৰ সামাজিক পৰম্পৰা। যুদ্ধ বিগ্ৰহৰ সময়তো এই পৰম্পৰা চলি আহিছে আদিম যুগৰে পৰা। লি-পেংক লাকচিং অঞ্চলৰ মানুহে কেতিয়াও দেখা নাই যদিও তাৰ জাতি দ্ৰোহী কদাকাৰ ৰূপটো হলে সকলোৱে সহজে অনুমান কৰি ললে।

'আপোনালোকে সীমান্তৰ সিপাৰে থকা বিনিথাং গাঁও খনৰ কথা নিশ্চয় শুনিছে। বহুতে এই গাওখন দেখিও আহিছে। এই বিনিথাং গাঁৱতে মোক ৰাখি থৈছিল। আপোনালোকে দেখি অহা সেই বিনিথাং গাঁওখন এতিয়া আৰু নাই। তাত থকা ধুনীয়া 'গোম্ফা' টোৰ ঠাইত এতিয়া পৰি আছে কিছুমান শিলৰ টুকুৰা মাত্ৰ। পুৰণি 'না" মানুহ বিলাকো এতিয়া তাত নাই আছে কিছুমান নতুন মানুহ। এই নতুন মানুহ বিলাকক আনিছে তিব্বত দেশৰ বিভিন্ন অঞ্চলৰ পৰা। এই সকল মানুহ নিজৰ ইচ্ছাত অহা নাই- বলেৰে অনা হৈছে। এই সকলক অনা হৈছে সমূহীয়া পামৰ কৰ্মীৰূপে। গাঁওবাসী বুলি অনা হোৱা নাই। বাহিৰৰ পৰা অনা এই মানুহ খিনিৰ মনত যে অকণো শান্তি নাছিল সেই কথা মই সহজে বুজিব পাৰিছিলো। সিহঁতক বিনিথাংলৈ শাস্তি দিবলৈহে অনা হেছিল বুলি মই অনুমান কৰিছিলো। অৱশ্যে আমি ভিতৰুৱাকৈ কথা পাতিবলৈ কোনো সময় পোৱা নাছিলোঁ-সুযোগো নাছিল। পাৰ্টি কেডাৰ" নামৰ এচাম যুবকে সকলো সময়তে আমাৰ ওপৰত নজৰ ৰাখিছিল। এদিন সেই মানুহ খিনিৰ মাজৰ পৰাই "চাংগে' নামৰ এজনে বিনিথাংৰ পৰা পলাই গৈছিল। দুজন চীনা চিপাহীকো হত্যা কৰিছিল। পিছত গম পাইছিলোঁ সি আমাৰ দেশৰ পিনেই পলাই আহিছিল।

'আহিছিল আহিছিল', একে লগে বহুত কিজনে চিঞৰি উঠিল।

"বিনিথাং গাঁৱত নিজৰ বুলি কবলৈ কাৰো একো সম্পত্তি নাই। খেতিবাতিৰ কথা বাদেই গৰু মেঠোন এটাও ৰাখিব নোৱাৰে। গাহৰী কুকুৰা তাত এতিয়া বহুত আছে সঁচা কিন্তু সেই বিলাক তাৰ কমিউনিষ্ট চৰকাৰৰ হে সম্পদ। ইয়াতকৈ খেতি বাতি *তাত বহুত বেছি। খাদ্য বস্তুও বহুত বেছি উৎপন্ন হৈছে। সেই বিলাক সকলো চৰকাৰী* গুদামতহে জমা হয়। কাম কৰা মানুহবিলাকক জুখিহে মাত্ৰ খাবলৈ দিয়ে।

সীমান্তৰ সিপাৰে এতিয়া পূজা-পাতল উঠি গৈছে। বেমাৰ আজাৰ হলে

মানুহে হস্পিটেলৰ দৰৱ হে খাব লাগিব- ইয়াৰ নিচিনাকৈ পূজা কৰিব নোৱাৰে। বিয়া বাৰু হব লাগিলেও চৰকাৰৰ অনুমতি লব লাগিব । এঠাইৰ পৰা আন ঠাইলৈ যাব খুজিলেও অনুমতি লাগে। পুতেক -জীয়েকৰ ওপৰত বাপেকৰ আদেশ তাত নচলে। আনকি নিজৰ ঘৈণীয়েকক দাবি-ধমকি দিলেও তাত বিচাৰত থিয় দিব লাগে। সেই বিচাৰত পুতেক জীয়েকেও মাক বাপেকৰ বিৰুদ্ধে সাক্ষী দিব লাগে।”

তাদিকৰ কথা বিলাক শুনি গাঁও বাসীৰ মুখত প্ৰথমে বিস্ময়ৰ ভাব ওপজে। পিচত সেয়ে বিৰক্তিলৈ ৰূপান্তৰিত হৈ পৰিব ধৰে।

‘এই বিলাক আচহুৱা কমিউনিষ্ট নিয়ম দেখি দেখি মোৰ মনলৈ লাহে লাহে পৰিবৰ্ত্তণ আহিব ধৰিছিল। তাৰ পিচত এদিন সিহতে মোক তিব্বত দেশখন চাবলৈ পঠিয়াইছিল। প্ৰথমে মোৰ মনত আনন্দ হৈছিল । নতুন ঠাই চাবলৈ পাম। দালাই গুৰু থকা পোটালা প্ৰাসাদ দেখিম, লাচা নগৰীও চাই আহিম এই আশাতেই মই বিনিথাং এৰিছিলোঁ। তিনিমাহ ঘূৰি ফুৰি মই যি দেখিছিলো সেই দৃশ্য বিলাকে মোৰ মন ভাঙি পেলাইছিল। মুঠতে মই ইমানেই এতিয়া কব পাৰো যে তিব্বত দেশখন আৰু তাৰ মানুহ বিলাক সকলো সলনি হৈ গৈছে। সুখ-শান্তি, হাঁহি-ধেমালী যি দেখিছিলো সেই সকলোবোৰ নকল আছিল। মনৰ ভিতৰত তাৰ মানুহ বিলাকে কান্দি থকা যেনেই অননুমান হৈছিল।

মোৰ লগত লেন্‌ডুপ নামৰ সেই দেশৰ চেমনীয়া লৰা এটাকো ভ্ৰমণলৈ পঠিয়াইছিল। তাক হেনো পাঁচ বছৰ বয়সতে চীনা সকলে মাক-বাপেকৰ পৰা কাঢ়ি নি চীন দেশলৈ পঠিয়াই দিছিল লিখা পঢ়া শিকিবলৈ । দহ বছৰ সেই দেশতে থাকি সি লিখা পঢ়া শিকিছিল যদিও মনে প্ৰাণে সি কমিউনিষ্ট হৈ যোৱা নাছিল। দহ বছৰ পিচত তিব্বত দেশলৈ উভতি আহি সি কথাই বতৰাই চালে চলণে পুনৰ তিব্বতীয় হৈ পৰিছিল।

ভ্ৰমণলৈ যাওঁতে লেন্‌ডুপে প্ৰতি কথাতে চীনা সকলক মুখে মুখে উত্তৰ দিয়া মই মন কৰিছিলো। পৰিণাম ভাল নহব বুলি ভাবি মই তাক বহুত বুজাইছিলো। কিন্তু মোৰ কথা সি শুনা নাছিল। ওলোটাই সিহে মোক নিজৰ দেশলৈ উভতি আহিবলৈ বুজাইছিল। সিও বিদ্ৰোহী শিবিৰতে গৈ যোগ দিব বুলি এদিন মনে মনে মোক কৈ পেলাইছিল। তাৰ সেই আশা কিন্তু পূৰণ নহ’ল। আমাৰ ভ্ৰমণ শেষ হবৰ দিনাই

গধুলি পৰত কেইজন মান চীনা চিপাহী হঠাতে আহি তাক ধৰি লৈ গৈছিল। তাক ধৰি নিয়া দেখি মোৰ মনটোও ভাগি পৰিছিল- আৰু নিজৰ দেশলৈ উভতি অহাৰ সিদ্ধান্ত মইও লৈছিলোঁ।”

এনেতে জিলাধিপতিয়ে তাদিকক কিবা কোৱাত সি মূৰ দুপিয়ালে। লগতে আবেলি পৰৰ বেলিটোলৈ এবাৰ চাই ললে।

‘বিনিথাংলৈ উভতি অহাৰ পিচত মোৰ পুৰণি পেটৰ বিষটো আকৌ আৰম্ভ হৈছিল। চীনা সকলে মোক ঔষধ খাবলৈ আদেশ দিছিল। ঔষধ মই ভয়তে খাইছিলো যদিও বিষটো হলে ভাল হোৱা নাছিল। তলে তলে মই বিনিথাংৰ পুৰনি পূজাৰী এজন বিচাৰিছিলোঁ। মানুহজনক পাইছিলোঁ যদিও চীনা সকলৰ ভয়ত পূজা কৰি দিব নোৱাৰে বুলি কৈছিল। নেৰা- নেপেৰাকৈ ধৰাত পিচত মান্তি হৈছিল যদিও কুকুৰা পোৱালী এটা কত পাম বুলি মোক প্ৰশ কৰিছিল। তাৰ পিচত চৰকাৰী কুকুৰা পামৰ পৰা এদিন আবেলি মনে মনে কুকুৰা পোৱালী আনি মই মানুহ জনৰ ঘৰলৈ যাওতেই তাত খাপ পাতি থকা লি পেংৰ হাতত ধৰা পৰিছিলো। লি-পেঙে মোক ধৰি নি চীনা চিপাহীৰ হাতত গটাই দিছিল। তাৰ পিচত যি কেইটা দিন মই সিহঁতৰ হাতত বন্দী হৈ আছিলোঁ সেই কেইটা দিনৰ কথা মই এতিয়া নকওঁ। মুঠতে কওঁ যে মোৰ জীয়াই থকাৰ কোনো আশা নোহোৱা হৈ পৰিছিল। তাৰ পিচতেই মোক যেতিয়া সিহঁতে জনালে যে সিহঁতে মোক থামজিং”ৰ সভাত নি থিয় কৰাব, তেতিয়াই মই পলাই আহিবলৈ সিদ্ধান্ত লৈছিলোঁ। সীমান্তৰ সিপাৰে যি মুকলি বিচাৰ সভা বহে তাকেই থামজিং ’বুলি চীনা সকলে কয়। সেই বিচাৰ ইয়াৰ নিচিনা নহয়। বিচাৰ বুলি কৈ সিহঁতে শাস্তিৰ কথাহে ঘোষণা কৰে। সেই শাস্তি বিলাক বৰ দুখ লগা হয়। এখন থামজিংৰ সভাত এজন মানুহৰ মূৰৰ চুলি বিলাক টানি টানি উঘালি পেলোৱা মইও দেখিছিলোঁ। গতিকে থামজিংৰ সভাত থিয় দিয়াতকৈ মোৰ নিজৰ দেশলৈ আহি বিচাৰত থিয় দিম বুলি মই মনতে ঠিক কৰি লৈছিলোঁ আৰু এদিন পুৱতি নিশা মোক পহৰা দি থকা চীনা চিপাহীটোক মাৰি তাৰ পোছাক জোৰকে পিন্ধি মই পলাই আহিছোঁ। আনহাতে তাৰ বন্দুকটোও লৈ আহিছো। জিলা চাহাবৰ হাতত দিয়া বন্দুক সেইটোৱেই আৰু মই পিন্ধি থকা এই পোছাক জোৰও সেই চিপাহীটোৰেই।”

তাদিকৰ কথাৰ অন্ত পৰাৰ লগে লগেই সভাৰ মাজত লাকচিং গাঁৱৰ গাওবুঢ়াই ঘপহ্ কৰে থিয় দি উঠিল। জিলাধিপতিয়ে কিবা কব খুজিও কবলৈ সুযোগ নেপালে। নিজৰ মূল বক্তব্য খিনি গাঁওবাসীৰ বাবে গ্ৰহণযোগ্য হোৱাকৈ গাঁওবুঢ়াই দীঘলীয়া ভূমিকাৰে আৰম্ভ কৰিলে।

"জিলাচাহাব"

"আজিকালিৰ চৰকাৰী আইন খন নোহোৱা কৈয়ে আমাৰ সমাজ বিলাক উপৰি পুৰুষৰ পৰা চলি আহিছে। কেতিযাও কতো অসুবিধা হোৱা নাছিল। এনদেৰে আমাৰ সমাজৰ নিযম-নীতিৰ মাজেৰেই আৰু বহুত বছৰ আমি চলি যাব পাৰিলোহেতেন।

আজি চৰকাৰ আহিছে— মটৰ আলি বনাইছে, ডাক্তৰখানা পাতিছে-স্কুল খুলি পঢ়া-শুনাৰ সুবিধা কৰি দিছে। খেতিবাৰী ভাল হোৱাত আমাৰ মানুহে খাবলৈ পাইছে। এই সকলো বিলাক ভাল কাম হৈছে আমি মানি লৈছোঁ। চৰকাৰী খৰচত 'গোম্ফা" সাজি দি আমাক নিজৰ ধৰ্ম মানি চলাত সহায কৰিছে এই বিলাকো অতি ভাল কাম হৈছে। " হয নে নহয' ? বুলি কৈ গাঁওবুঢ়াই সভাৰ মানুহলৈ চাই সমৰ্থন আদায কৰিব বিচাৰিলে।

'হয 'হয বুলি সভাৰ মানুহে সমৰ্থন দিযাত গাওবুঢ়া অধিক উৎসাহিতহৈ পৰিল। গণ সমৰ্থনৰ বলত বলীযান হৈ গাঁওবুঢ়াই এইবাৰ আচল কথাৰ পাতনি মেলিলে। জিলাধিপতিৰ চেলাউৰি জোৰ কোচ খাই পৰিল । চৰকাৰী কাৰ্য্যসূচীৰ মুকলি প্ৰশংসাৰ অন্তৰালত যে গাঁওবুঢ়াৰ মনত কিবা অভিসন্ধি লুকাই আছে সেই কথা জিলাধিপতিযে সহজতে বুজি পালে।

"কিন্তু চৰকাৰ আহিল বুলিয়েই আমি আমাৰ পুৰণি নিযম-নীতি পাহৰি যাব নোৱাৰো বা একেবাৰেই এৰি পেলাবও নোৱাৰো। আমাৰ মানুহে এতিযাও নিজৰ নিয়ম মতে চলি যাব বিচাৰোঁ"। মঞ্চত থিয দি থকা তাদিকে গাঁওবুঢ়াৰ কথা শুনি তবধ মানিলে। কমিউনিষ্ট কৰি পেলোৱা তিব্বত খন সি এৰি থৈ গুচি আহিছে যদিও তাৰ ডেৰ বছৰীয়া অভিজ্ঞতাৰ প্ৰভাব খিনি তেতিয়াও মনৰ পৰা মচি পেলাব পৰা নাছিল। সীমান্তৰ ইপাৰে মানুহৰ বাক-স্বাধীনতাৰ ৰেহ ৰূপ দেখি "থামজিং" সভাৰ কথা তাৰ মনত পৰিল। সীমান্তৰ সিপাৰে হোৱাহেঁতেন এই গাঁওবুঢ়াক "সমাজ বিৰোধী," বিপ্লব বিৰোধী, "চিংত্ৰো" বিৰোধী প্ৰতি ক্ৰিয়াশীল ব্যক্তি বুলি পলিটিকেল

কমিচাৰৰ মানুহে নাইবা ৰেড গাৰ্ড সকলে ঢকীয়াই শুৱয়াই লৈ গ'ল হেঁতেন । তাদিক শঙ্কিত মনেৰে জিলাধিপতিৰ মুখলৈ এবাৰ ঘূৰি চালে।

গাঁওবুঢ়াৰ পাক লগা কথা বিলাক শুনি জিলাপ্ৰশাসক জন অলপ বিৰক্ত হোৱা যেন হল। এনে পাক লগা মানুহ জিলাধিপতিয়ে আগতেও গাঁও সভা বিলাকত পাই আহিছে। তেখেতে জানে যে পৰিবৰ্ত্তনক নতুন পুৰুষে মানি লব বিচাৰিছে যদিও পুৰণি চামে মানি লব টান পায়। কাৰণটো হৈছে ৰীতি-নীতিৰ দোহাই দি এই চাম মানুহেই সমাজত নিজৰ প্ৰভাৱ জীয়াই ৰাখিব বিচাৰে।

পৰিবৰ্ত্তনমুখী সমাজখনত এওঁলোকেই পুৰণি প্ৰজন্মৰ অন্তিম পুৰুষ ৰূপে মূৰ তুলি থিয় দিব বিচাৰে। পৰিৰ্তনৰ প্ৰয়োজনতাক বুজিব পাৰিও নিজৰ শ্ৰেণী স্বাৰ্থৰ খাতিৰতে এওলোকে পৰিবৰ্ত্তনৰ বিৰোধীতা কৰে। সমাজ ইতিহাসৰ ইও এক বিচিত্ৰ চৰিত্ৰ।

.তুমি কি কব খুজিছা সেই কথা অলপ পোন ভাৱে আৰু চমুকৈ কৈ নিদিয়া কিয় গাঁওবুঢ়া কথাখিনি জিলাধিপতিয়ে অলপ নিৰ্দেশৰ সুৰতে ক'লে।এইবাৰ গাঁওবুঢ়া অলপ পোন হবলৈ বাধ্য হল।

জিলা চাহাবে যদি বেয়া নাপাই তেনেহলে তাদিকৰ বিচাৰৰ ক্ষেত্ৰত আমাৰ সমাজত চলি অহা নিয়ম এটাৰ কথাকে কব বিচাৰিছো।'

'নিশ্চয় কব পাৰা গাঁওবুঢ়া নিযমটো কি সেই কথা জানিব পাৰিলে আমিও ভাল পাম। ভাল নিযম যদি হয় তেনেহলে মই ওপৰলৈকে লিখিম।'

জিলা প্ৰশাসকৰ সন্মতি পাই গাঁওবুঢ়াই এইবাৰ ডিঙিটো অলপ খেকাৰি ললে।

'আমাৰ সমাজত চলি অহা নিয়মটো হৈছে এটাৰ বদলি আন এটা কাটিলে হিচাবটো বৰাবৰ হৈ যায় । কাজিযাৰো ইমানতে অন্ত পৰে।"

গাঁওবুঢ়াৰ কথা শুনি মঞ্চত বহি থকা বিষয়া সকলে ইজনে সিজনৰ মুখলৈ চাব ধৰিলে। হত্যাৰ বিপৰীতে প্ৰতিহত্যাই যদি শেষ মীমাংসো হয় তেনেহলে আইন, আদালত বা প্ৰশাসনৰ প্ৰয়োজন কত বুলি ভাবি বিষয়া সকল বিবুদ্ধিত পৰিল । জিলা প্ৰশাসকে যুক্তিটোৰ কি উত্তৰ দিব তাকেই ভাবি গাঁওবুঢ়াৰ চতুৰ মুখ খনলৈ তীক্ষ্ণ দৃষ্টিৰে চাই থাকিল। পুৰণি নিযমটোৰ সমৰ্থনত গাঁও বুঢ়াই এইবাৰ যুক্তি দাঙি ধৰি পুনৰ কলে-

"জিলা চাহাব, তাদিকে ইযাত মানুহ কাটি পলাই গৈছিল সঁচা কিন্তু তাতো সি চীনা চিপাহী এটা কাটি পলাই নিজৰ দেশলৈ উভতি আহিছে যেতিযা হিচাবটো বৰাবৰ হৈ গৈছে। গতিকে আমাৰ সমাজৰ নিযম মতে তাদিক খালাচ হব লাগে আৰু চাকৰিটোও ঘূৰাই পাব লাগিব। মোৰ কথা ইমানেই।" গাঁওবুঢাই কথা শেষ কৰাৰ আগতে কিন্তু সভাৰ মানুহলৈ আকৌ এবাৰ অৰ্থপূৰ্ণ দৃষ্টিৰে চাবলৈ নেপাহৰিলে। গাঁওবুঢাৰ যুক্তি শুনি দুই চাৰিজন বযোবৃদ্ধই মূৰ দুপিযালে যদিও সৰহ ভাগেই নিৰপেক্ষ হৈ বহি থাকিল। অৱশেষত সভাৰ মাজত মৃদু গুঞ্জন ধ্বনি এটা উঠিল যদিও সেইটো ইতিবাচক আছিল নে নেতিবাচক আছিল বুজা নগল।

এইবাৰ জিলাধিপতিজন অলপ বিপাণ্ডত পৰা যেন হল। তেখেতে জানে যে ভাৰতীয দণ্ড বিধি আইনখন সীমান্ত অঞ্চলত তেতিযালৈকে কঠোৰ ভাবে বলবৎ হোৱা নাই। বলবৎ কৰিব পৰাটোও সম্ভৱ নাছিল। কেতিযাবা আইনগত পদক্ষেপ লব লগা হলেও স্থানীয ৰীতি-নীতিকেই বিচাৰৰ সমযত অগ্ৰাধিকাৰ দিযা হৈ আহিছে। কিন্তু হত্যাৰ নিচিনা চুডান্ত অপৰাধৰ ক্ষেত্ৰত গাঁওবুঢাই উত্থাপন কৰা স্থানীয ৰীতি নীতিক মানি চলিব লগা হলে প্ৰশাসনৰ অস্তিত্বই বিপদাপন্ন হৈ পৰিব বুলি জিলাধিপতিযে অনুভৱ কৰিলে। আন হাতে স্থানীয ৰীতি নীতিকো সম্পূৰ্ণ ৰূপে অৱজ্ঞা কৰিলে সীমান্তবাসীৰ স্পৰ্ষকাতৰ আনুগত্যও শিথিল হৈ পৰিব পাৰে বুলি জিলাধিপতিযে চিন্তা কৰিবলৈ বাধ্য হ'ল।

জিলাধিপতিজন অভিজ্ঞ প্ৰশাসক। পশিছ বছৰীযা চাকৰী জীৱনত তেখেতে স্থানীয ৰীতি-নীতি আৰু ভাৰতীয দন্দ্ব বিধি আইনৰ মাজত দেখা দিযা এনে দ্বন্দৰ মাজত বহু বাৰ থিয দিব লগা হৈছিল। এনে দন্দ্ব বিলাকতো তেখেতে গাঁওবাসী পতিযন যোৱাকৈ সিদ্ধান্তও দিব পাৰিছিল।

সাপো মৰক লাঠিও নাভাগ বুলি ভাবি জিলাধিপতিযে গাঁওবুঢাই উত্থাপন কৰা ৰীতি-নীতিক এনেদৰে প্ৰত্যাহ্বান জনালে—

"গাঁওবাসী ৰাইজ, গাঁওবুঢাই যি পুৰণি ৰীতি-নীতিৰ কথা কৈছে চৰকাৰেও বিচাৰৰ ক্ষেত্ৰত স্থানীয ৰীতি-নীতিৰ প্ৰতি সদায সন্মান জনাই আহিছে। চৰকাৰে সীমান্তবাসী ৰাইজৰ প্ৰচলিত বিশ্বাসক কেতিয়াও অসন্মান কৰা নাই আৰু নকৰেও। কিন্তু গাঁওবুঢ়াই যে কলে এটাৰ বদলি আন এটা কাটিলে হিচাবটো বৰাবৰহৈ যায় বুলি

-সেই হিচাবটোহে মোৰ মতে মিলা নাই। তাদিকে সীমান্তৰ সিপাৰে এটাহে মানুহ কাটি থৈ আহিছে, কিন্তু ইয়াৰ পৰা দুটা মানুহ কাটিহে তাদিক পলাই গৈছিল। গতিকে হিচাবটো বৰাবৰ হব কেনেকৈ ? গাঁওবুঢ়াই এই হিচাবৰ উত্তৰ কি হ'ব ক'ব পাৰিবনে?'

জিলাধিপতিৰ যুক্তি শুনি সভাগৃহৰ মানুহ নিতাল মাৰিলে। গাঁওবুঢ়া এজন সুবক্তা বুলি এই অঞ্চলৰ সকলো মানুহে জানে। উকীল ডিগ্ৰী নেথাকিলেও গাঁৱলীয়া 'কেবাং' বিলাকত তেওঁ কৰা ওকালতিৰ সমকক্ষ মানুহ সেই অঞ্চলত দুজন নাই সেই কথাও গাঁওবাসীয়ে জানে। কেবাংত ওকালতি কৰিলে পাৰিশ্ৰমিক দাবী কৰাৰ কোনো প্ৰচলিত নিয়ম নাই যদিও -কৃতজ্ঞতাৰ মাননীৰূপে যিখিনি পাই আহিছে সেয়ে তেওঁক এজন ধনী আৰু প্ৰভাৱশালী ব্যক্তি ৰূপে গঢ়ি তুলিছে। সীমান্ত অঞ্চলত ধন আৰু ধনীৰ মান দণ্ডই হৈছে পত্নীৰ সংখ্যা । গাঁওবুঢ়াৰো এতিয়ালৈকে তিনি গৰাকী পত্নী হৈছে। বয়সতো তিনিকুৰিৰ ওচৰ চাপিলে যদিও আৰু এজনী লব পৰা সামৰ্থ্য আছে বুলিযেই মানুহে ভাবে। গাঁওবুঢ়াই খুজিলে যি কোনো বাপেকে গাভৰু জীয়েকক উলিয়াই দিবলৈকো পিচ হুহুকি নাযাব।

এনে এজন প্ৰভাৱশালী গাঁওবুঢ়াই যেতিয়া জিলাধিপতিয়ে জনোৱা প্ৰত্যাহ্বানৰ উত্তৰ বিচাৰি নাপাই তলমূৰ কৰিলে তেতিয়া সভাৰ মানুহো লাজত পৰাৰ নিচিনা হ'ল। সেইটো পৰাজয়ৰ লাজ নাছিল। লাজ লাগিছিল গাঁওবুঢ়াজনৰ পৰাজিত পৰিস্থিতিৰ নিঃসহায় অৱস্থাটো দেখি । উত্তৰ দিব নোৱাৰি গাঁওবুঢ়া লাজত পৰিল যদিও সমাজৰ সন্মুখত হেয় হব নিবিচাৰিলে।

জিলাচাহাব আপোনাৰ কথাটোও সঁচা। তথাপি গাঁওবাসীৰ হৈ চৰকাৰক মই অনুৰোধ জনাব বিচাৰো যাতে তাদিক সোনকালেই আমাৰ মাজলৈ উভতি আহিব পাৰে তাৰ ব্যৱস্থা যেন কৰা হয়। তাৰ বাপেকো মোৰ নিচিনাই গাঁওবুঢ়াৰৰ কাম কৰিছিল। এনেকুৱা ৰঙা কম্বল সিও পাইছিল (নিজৰ গাত থকা কম্বল খন দেখুৱাই দিলে)। চৰকাৰৰ সকলো আদেশ তাদিকৰ বাপেকে মানি চলাটো আমি সকলোৱে দেখিছিলো । চীনা যুদ্ধৰ সময়ত তিব্বতৰ পৰা পলাই অহা মানুহক তাদিকৰ বাপেকেই থকা ঠাই ঠিক কৰি দিছিল-খাদ্য বস্তুৰো যোগান ধৰিছিল । এই বিলাক কথা লাকচিং অঞ্চলৰ সকলো মানুহে জানে। সেই গাঁওবুঢ়াৰ পুতেক তাদিক আজি

চৰকাৰৰ কয়েদী হৈছে। তাদিকক অলপ মৰমৰ চকুৰে চাব লাগিব এইয়ে আমাৰ সকলোৰে কথা । হয়নে নহয়? গাঁওবুঢ়াই পুনৰ গণ সমৰ্থন বিচাৰিলে। সকলোৰে হয় হয় বুলি কোৱাত গাঁওবুঢ়াই নিজৰ পদমৰ্য্যাদাক পুনৰ ওভোটাই পোৱাৰ ভাব প্ৰকাশ কৰি মিচিকীয়া হাঁহিৰে বহি পৰিল।

এনেতে সভাৰ মাজত থিয় দি উঠিল এজন উত্তেজিত যুৱক।

"তাদিক তই উভতি অহা কাৰণে আমি সকলোৰে ভাল পাইছো। পলাই আহিবৰ সময়ত যে তই চীনা চিপাহীক কাটি আহিলি সেই লি-পেং বোলা জাতি দ্ৰোহীটোকো লগতে কাটি থৈ নাহিলি কিয়? "এই বুলি কৈয়ে উত্তেজিত ডেকাজনে মাটিতে থিয় গোৰ এটা মাৰি দিলে।'

সভাৰ পৰিবেশ আন পিনে গুচি যাব ধৰা দেখি জিলাধিপতিয়ে লগে লগে থিয় দি উত্তেজিত ডেকা জনক বহিবলৈ হাতেৰে নিৰ্দেশ দিলে।

"মোক এজন অপৰাধী বুলি জানিও জিলা চাহাবে আজি মোক মনৰ কথা কবলৈ সুযোগ দিছে। এনে সুযোগ সীমান্তৰ সিপাৰে কাকো দিয়া নহয় সেই কথা মই নিজে দেখি আহিছোঁ। সিহঁতে মোক কমিউনিষ্ট কৰিব বিচাৰিছিল মই নহলো । নিজৰ নিয়ম এৰি মই কমিউনিষ্টৰ নিয়ম লব নোৱাৰিলো। দেশৰ নিয়মক ভাল পাই মই আকৌ নিজৰ দেশলৈকে উভতি আহিলো। সীমান্তৰ বৰফ পাৰ হৈ আহোতে মোৰ হাত ভৰিৰ আঙুলি বিলাক অকামিলা হৈ যাব ধৰিছিল। ইয়াৰ মানুহেই মোক ভাল কৰি তুলিলে সেই কথা মোৰ সদায় মনত থাকিব।

সভাস্থলীৰ এটা দিশত থিয় দি থকা সমিৰ বৰা চখ খাই উঠিল। তাদিকে আৰু কিবা কৈ পেলাব বুলি ভাবি তাৰ মনত ভয় ওপজিল। এনেতে সভাৰ মাজত আন এজন বৃদ্ধ গাঁওবাসী থিয় দি উঠিল।

"অধৰ্মৰ পৰা ধৰ্মৰ মাজলৈ তাদিক উভতি আহিছে। বৰফে খাই পেলোৱা হাত ভৰি লৈও সি নিজৰ দেশলৈ উভতি অহাৰ পিচতো আৰু কিবা বিচাৰ থাকিব পাৰেনে জিলা চাহাব?" বৃদ্ধৰ প্ৰশ্নক "হয়" "হয়" বুলি সমৰ্থন জনালে সভাৰ বহুতো মানুহে।

জিলাধিপতিয়ে এই প্ৰশ্নৰ কোনো উত্তৰ নিদি মাত্ৰ কলে- "আপোনাৰ প্ৰশ্নৰ কোনো উত্তৰ মই নিদিও তাদিকেই দিব। তাদিক তুমিয়েই কোৱাচোন।" সীমান্তৰ স্পৰ্শকাতৰ মানুহক জিলাধিপতিয়ে তেনেদৰেই চম্ভালি লব বিচাৰিলে। আইনৰ

বেটদাল সকলো সময়তে হাতত লৈ প্ৰশাসন চলোৱা নাযায় বুলি জিলাধিপতিয়ে জানে।

"মই বিচাৰত থিয় দিম বুলিয়েই উভতি আহিলো। অপৰাধীৰ অপযশ মূৰত লৈ মই সমাজত থাকিবলৈ ভাল নাপাম- আপোনালোকেও মোলৈ কেৰাহিকৈ চাব। দেশৰ আইনত মোৰ সম্পূৰ্ণ বিশ্বাস আছে। মই সমাজৰ নিয়ম ৰক্ষা কৰিবলৈহে মানুহ কাটিছিলো কাৰো ধন - সম্পত্তি কাটি খাম বুলি ভবা নাছিলো। বিচাৰত মোৰ যি শাস্তিয়েই নহওক - এদিন কিন্তু মই লাকচিংলৈ পুনৰ উভতি আহিব পাৰিম সেই বিশ্বাস মোৰ আছে।"

তথাপি বৃদ্ধ জন সন্তুষ্ট নহ'ল। এইবাৰ আন এটা প্ৰশংগ উলিযালে । গাঁওবাসীলৈ চাই কলে।

"আমাৰ এটা নিয়ম আছে, কোনো মানুহ বহুদিনৰ পিচত নিজৰ গাঁৱলৈ বা ঘৰলৈ উভতি আহিলে ভোজ খোৱাৰ নিয়ম এটা আছে। তাদিকো বহু দিনৰ পিচত উভতি আহিছে যেতিয়া তাকলৈ আমি এসাজ ভাত খাব -লাগিব কি কয় আপোনালোকে?

লাগে"লাগে বুলি সকলোৱে চিএৰি উঠিল।

আপোনালোকে বেযা নাপাব। আমি তাদিকক লগতে লৈ যাব আহিছো। দিল্লীৰ পৰা তেনেদৰেই হুকুম আহিছে। কাইলৈ এইখন হেলিকেপ্টাৰতেই তাদিক দিল্লী লৈ যাব লাগিব। তাদিক উভতি আহিলে আপোনালোকে ভোজ খাব। মাতিলে মইও আহিম বুলি জিলাধিপতিযে কোৱাত সকলোৱে হাঁহি দিলে।"

উত্তেজনা আৰু স্পৰ্শকাতৰ অনুভূতিক তেনেদৰেই জয কৰি ললে চতুৰ জিলাপ্ৰশাসক জনে।

বৃদ্ধ জনে আৰু কিবা কব বিচাৰিছিল যদিও সভাস্থলীৰ হাঁই -উৰুমিত বৃদ্ধৰ কথা তল পৰিল। তাদিক গুছি যাব বুলি জানি মানুহ বিলাক মঞ্চৰ ওচৰলৈ কাষ চাপি আহিল। জিলা প্ৰশাসকে তাদিকক তললৈ নামি যাব কলে। নাটক অন্ত পৰিলে যেনেদৰে অভিনেতা আৰু দৰ্শকৰ মাজৰ ব্যৱধান নোহোৱা হৈ পৰে তেনেদৰে জিলা প্ৰশাসকেই আঁতৰাই দিলে তাদিক আৰু গাঁওবাসীৰ মাজত থকা আইনৰ পৰ্দাখন।

তললৈ নামি যোৱাৰ লগে লগে বহুতো সমবয়সীয়াই আহি তাদিকৰ লগত হাত মিলালে। বৰসীয়াল সকলে গা- মূৰ পিহি দি মৰম জনালে। মাকে তাদিকক সাবটি

ধৰি কান্দি উঠিল। তাকে দেখি আফৰী যাচীযে ৰাউচি জুৰিলে।

পুনৰ মিলনৰ এই আবেগ ভৰা দৃশ্য বিলাক জিলা প্ৰসাশকে মঞ্চৰ পৰাই চাই আছিল। হযতো মনতে ভাবিলে– এযেতো সভ্যতা, এয়েতো সংস্কৃতি আৰু জীৱ শ্ৰেষ্ঠ মানুহৰ এযেতো সমাজ।

অলপ পিছতেই উৰি গুচি গল দুযোখন হেলিকেপ্টাৰ। চাংপো নৈৰ ওপৰৰ দীঘল ওলোমা দলংখন পাৰ হওঁতে আঠুৰ ঘিলা কঁপি যোৱা তাদিকে কেতিযাও বিমানত নুঠে বুলি শপত খাইছিল। আজি সেই তাদিককে বিমানেৰে উৰুৱাই লৈ গ'ল বিচাৰৰ বাবে। উৰুৱাই নিযাৰ আগমুহুৰ্ত্তত , ৰক্ত হীনতাত ভুগি থকা তাদিকৰ ঘোলা চকু দুটাকো কলা কাপোৰেৰে বান্ধি দিয়া হ'ল। তাদিকৰ ঘোল চকু দুটাৰ দৃষ্টিৰ পৰা সীমান্তৰ নিৰাপত্তা ব্যৱস্থাক তেনেদৰেই লুকুৱাই থব বিচাৰিলে কোনোবা অতুৎসাহী সীমান্ত সৈনিকে। জুৰীযা হেলিকপ্টাৰ দুখন ধুৱলী কুঁৱলী দিগন্তত মিলি যাব ধৰালৈকে নিৰ্নিমেষ দৃষ্টিৰে চাই থাকিল সীমান্তৰ সৰল মানুহ বিলাকে। সেই মানুহ বিলাকৰ লগতে থিয দি আছিল সমিৰ বৰা আৰু সোনোৱাল কম্পাউণ্ডাৰ।

নাছিল অকল স্বাধীনতা যুজাৰু চোনাম নৰবুৰ আদৰি জীযেক পেমাদো।

তাদিকক লৈ যোৱাৰ বাৰ দিনৰ পিচতে নতুন মাষ্টৰ জনক স্কুলৰ দাযিত্ব হস্তান্তৰ কৰি সমিৰ বৰাই লাকচিং এৰি যাবলৈ সাজু হ'ল। লাকচিং এৰি যোৱাৰ আগনিশা সমিৰে ডাযেৰী খনৰ শেষ পাত খিলা এনেদৰে লিখিলে–

১৮ ফেব্ৰুৱাৰী ১৯৬৬

কাইলৈ মই লাকচিং এৰি জিলা সদৰলৈ বুলি নামি যাম । এই মৰম লগা ঠাইখনলৈ হয়তো আৰু কেতিয়াও উভতি নাহিম । আজি ৰাতিপুৱাতে য়াচি আহিছিল। মই গুচি যাম বুলি তাই ফেকুৰি ফেকুৰি বহুত পৰ কান্দিলে। তাইক শান্তনা দিবলৈ মোৰ কোনো ভাষা নাছিল। মৰমৰ চিন স্বৰূপে মোৰ ফটো এখন আৰু ৰ'দত পিন্ধা ক'লা চচ্‌মা জোৰকে তাইৰ হাতত দিলোঁ।

তাদিকক লৈ যোৱাৰ দুদিন পিচতেই নিংমা ঢুকাল । গাঁওবাসীয়েই অন্তিম সৎকাৰ কৰিলে। তাদিকৰ মাক আহি পেমাক নিজৰ ঘৰলৈ লৈ গ'ল।

মাক ঢুকাৱৰে পৰা পেমাৰ বাবে সকলো মোহৰো যেন অন্ত পৰিল। যতে বহে তাতেই বহি থাকে। কোনোবাই কিবা সুধিলে তাই উত্তৰ দিয়ে যদিও উত্তৰ বিলাক

কেতিযাবা অৰ্থহীন হৈ পৰে। দিলে খায় নিদিলে উদাস মনে বহিয়েই থাকে। তাদিক উভতি অহালৈকে পেমা জীযাই থাকিবনে নেথাকে সিও এটা প্ৰশ্ন হৈ থাকিল। বাপেক ঢুকাল বুলি তাই আজিলৈকে নাজানিলে। বাপেকে কাণত পিন্ধা অন্তি যোৰ তাই সকলো সময়তে হাতৰ মুঠিতে লৈ থাকে।

আত্ম সমৰ্পণ কৰাৰ আগলৈকে তাদিকে মোক বহুত কথা কৈ গৈছে। সি জেল খোৱা কয়দী হবলৈকে ভাল পালে তথাপি কমিউনিষ্টহৈ থাকিবলৈ ভাল নেপালে। কিন্তু আটাইতকৈ অৰ্থপূৰ্ণ যিটো কথা সি কৈ গৈছে সেইটো হৈছে-

সংস্কৃতিবান তিব্বতীয জাতি পদদলিত হৈছে যদিও পৰাজিত হোৱা নাই। শতবৰ্ষ, পিচত হলেও এদিন তিব্বতবাসীযে আপোন অধিকাৰ আৰু মৰ্য্যদাক পুনৰ ওভোটাই লবলৈ সক্ষম হব।

সমাপ্ত